# প্ৰেমৰ বিপ্লৱ

জয়চ মায়াৰ

# প্ৰেমৰ বিপ্লৱ

# প্ৰেমৰ বিপ্লৱ

## জয়চ মায়াৰ

JOYCE MEYER
MINISTRIES
Nanakramguda, Hyderabad - 500 008

Unless otherwise indicated, Scriptures are taken from the Amplified® Bible.
Copyright © 1954, 1962, 1965, 1987 by the Lockman Foundation.
Used by permission.

Scriptures noted KJV are taken from the King James Version of the Bible.

Scriptures noted The Message are taken from The Message.
Copyright © 1993, 1994, 1995, 1996, 2000, 2001, 2002. Used by permission of NavPress Publishing Group.

Scriptures noted NIV are taken from the HOLY BIBLE:
NEW INTERNATIONAL VERSION®. Copyright © 1973, 1978, 1984 by International Bible Society. Used by permission of Zondervan Publishing House. All rights reserved.

Scriptures noted NKJV are taken from the NEW KING JAMES VERSION.
Copyright © 1979, 1980, 1982, Thomas Nelson, Inc., Publishers.

Copyright © 2009 by Joyce Meyer Ministries - Asia

All rights reserved. No part of this publication may be reproduced, distributed, or transmitted in any form or by any means, or stored in a database or retrieval system, without the prior written permission of Joyce Meyer Ministries - Asia.

Joyce Meyer Ministries - Asia
Nanakramguda,
Hyderabad - 500 008

Phone: +91-40-2300 6777
Website: www.jmmindia.org

The LOVE REVOLUTION - Assamese
*First Print - September 2009*

*Printed in India at:*
Caxton Offset Pvt. Ltd.
Hyderabad - 500 004

# সূচীপত্ৰ


পাতনি vii

1. পৃথিৱীত কি ভুল হৈছে ? 1

2. সমস্যাৰ মূল কাৰণ 18

3. আকস্মিক ভাৱে কোনো বিষয় ভাল নহয় 28

4. ঈশ্বৰৰ দ্বাৰাই বাধা দিয়া 42

5. প্ৰেমে উপায় বিচাৰি লয় 51

6. ভালৰ দ্বাৰাই বেয়াক জয় কৰা 60

7. অত্যাচাৰ পোৱা সকলৰ কাৰণে ন্যায় 73

8. মৰম ভিতৰৰ পৰা অহা বাহ্যিক নহয় 93

9. মানুহক মূল্যবান বুলি অনুভৱ কৰোৱা 109

10. দয়াৰ আক্ৰমণমূলক কাৰ্য্য 126

11. মানুহক কি লাগে বিচাৰি উলিয়াওক আৰু সমাধানৰ অংশ হওঁক 136

12. নিঃস্বাৰ্থ প্ৰেম 144

13. প্ৰেমে ভুলৰ হিচাপ নাৰাখে 151

14. বাস্তৱিক ভাৱে প্ৰেম প্ৰকাশ কৰা 158

15. আমাক জাগৰণ বা বিপ্লৱ লাগেনে? 176

***"প্ৰেমৰ বিপ্লৱৰ"*আলহী লেখক**

ডাৰলিন জেচিকচ 11

মাৰ্টিন স্মীথ 86

পালক পৌল স্কেনলৌন 102

জন চি. মেক্সৱেল 118

পালক টমী বাৰণ্টে। 169

# পাতনি

বিপ্লৱ শব্দতোৱে আশাৰ ফিৰিঙটী আনে আবেগৰ জুই জ্বলাই আৰু প্ৰেমৰ আনুগত্য প্ৰভাব আনে ইয়াৰ দৰে কোনো শব্দ মানুহৰ শব্দৰ ভঁৰালত নাই। বুৰঞ্জীত, বিপ্লৱৰ আবেগে জ্বলন্ত জুইৰ ওপৰত তেল ঢালি দিয়াৰ দৰে মানুহৰ মন উদোগাই আহিছে আৰু মানসিক দুৰ্বলতাত সাহস আনিছে। বিপ্লৱে নিজতকৈ ডাঙৰ উদ্দেশ্য বিচাৰি মানুহবোৰক গোট খোৱাই আৰু আগতে যিবোৰ পুৰুষ-মহিলাৰ কোনো লক্ষ নাছিল তেওঁলোকক উদ্দেশ্যত উপনিত কৰে যাৰ কাৰণে তেওঁলোকে নিজৰ প্ৰাণ দিবলৈকো সংকোচ নকৰে। তেওঁ বিলাকে ডাঙৰ ডাঙৰ চলাওতা সকলৰ জন্ম দিছে আৰু অনুগামী সকলৰ জন্ম দিছে, বাস্তৱিকতে পৃথিৱীখনত তেওঁলোকে সলনি আনি দিছে।

বিপ্লৱ তৎক্ষণাত হোৱা পৰিস্থিতি, মৌলিক আৰু সাধাৰণৰূপে চলি থকা অৱস্থাৰ পৰা সম্পূৰ্ণৰূপে সলনি কৰি দিয়া পৰিৱেশ। সাধাৰণতে বিপ্লৱ এজন ব্যক্তি বা কিছুমান লোকৰ দ্বাৰা আৰম্ভ হয় যি সকলে অতিতত চলি থকা জীৱন-জাপনৰ ৰীতি নিয়মত চলি থাকিবলৈ ইচ্ছা নকৰে। তেওঁলোকে বিশ্বাস কৰে যে কিছুমান সলনি কৰিব পাৰি আৰু প্ৰকৃত সলনি হ'ব লাগে আৰু তেওঁলোকে তেওঁলোকৰ ভাৰ আগুৱাই নিয়ে, যেতিয়ালৈকে সমগ্ৰ লোক সেই কাৰ্য্যত উঠি পৰি নালাগে আৰু অৱশেষত মৌলিক ভাবে পৰিস্থিতি সলনি নহয়।

পৃথিৱীয়ে অতীত বিপ্লৱৰ অভিজ্ঞতা লাভ কৰিছে, যেনেকৈ চৰকাৰে নাগৰিক সকলৰ পৰা উপকাৰৰ লাভ কৰিব চেষ্টা কৰি আহিছে। তেতিয়া চৰকাৰক ওফৰাই পেলোৱা দেখা গৈছে। আমেৰিকাৰ বিপ্লৱত এই ঘটনা ঘটিছিল। ফ্ৰান্সৰ বিপ্লৱত আৰু ৰাচিয়ৰ বিপ্লৱত (বল চেবিক বিপ্লৱ বুলি কোৱা হৈছিল) এই বোৰ কিছুমান বৰ্ণনা বিপ্লৱ দিন উকলা, অসাৰ্থক প্ৰণালী বা এনে ধৰণৰ কাৰ্য পৰিৱৰ্তন হ'ল আৰু পুৰণা ধৰণৰ ভাব চিন্তা এৰি নতুন ভাৱ চিন্তা গ্ৰহণ কৰিলে, যেনেকৈ বৈজ্ঞানীক বিপ্লৱ বা উদ্যেগ বিপ্লৱ। থমাচ জেফাৰচনে কৈছিল, “প্ৰত্যেক প্ৰজন্মৰ বাবে নতুন বিপ্লৱৰ আৰশ্যক” আৰু মই বিশ্বাস কৰো যে পৃথিৱীৰ বিপ্লৱৰ বাবে এইয়াই সময় আটাইতকৈ ডাঙৰ বিপ্লৱৰ বাবে। একেই ধৰণৰ বিপ্লৱ আমাক নালাগে যিবোৰ পৃথিৱীৰ বুৰঞ্জীত আমাৰ সন্মুখতে পুৰুষাণুক্ৰমে চিন থৈ গৈছে। আমাক ৰাজনৈতিক অৰ্থনীতি বা যান্ত্ৰিক বিপ্লৱ নালাগে। আমাক প্ৰেমৰ বিপ্লৱ লাগে।

আমাৰ জীৱনৰ পৰা আপোন পেটিয়া আৰু আত্মকেন্দ্ৰিক ভাব উলিয়াই পেলাব লাগিব। আমি প্ৰত্যেকে যেতিয়ালৈকে সলনি হ'ব নোৱাৰো আমাৰ এই পৃথিৱীত কোনো সলনি নহ'ব। পৃথিৱীৰ পৰিস্থিতি আমাৰ প্ৰত্যেক ব্যক্তিগত জীৱন জাপন কৰা আৰু প্ৰতিদিনৰ বাচি লোৱা কাৰ্যৰ ফলাফল বুলি উপলব্ধি নকৰি আমি পৃথিৱী সলনি হোৱা বিচাৰো।

গ্ৰহত বাস কৰা প্ৰত্যেক মানুষ্যই যদি জানিলেহেঁতেন কেনেকৈ মৰম গ্ৰহণ কৰে আৰু মৰম দিয়ে আমাৰ পৃথিৱী মৌলিক ভাবে বেলেগ হ'লহেঁতেন। মই ভাবো আমি সকলোৱে জানো আমাৰ সমাজত কিছু ভুল আছে আৰু আমি ধাৰ্য কৰিব লাগে। কিন্তু বোধহয় কোনেও নাজানে কি কৰিব লাগে আৰু কেনেকৈ সলনি আৰম্ভ কৰিব লাগে। নিয়ন্ত্ৰণহীন পৃথিৱীৰ ওপৰত আমাৰ প্ৰতিক্ৰিয়া হয় আপত্তি আৰু ভাব **কোনোবায় কিবা কৰিব লাগে**। আমি ভাবো আৰু কওঁ যে বোধহয় ঈশ্বৰে বা চৰকাৰে বা ক্ষমতা থকা লোকে এই বিষয়ে কাম কৰা আৱশ্যক। কিন্তু সঁচা কথা হ'ল আমি প্ৰত্যেকে কিছু কৰিব লাগে। আমাৰ অতিবাহিত জীৱনৰ পৰা সম্পূৰ্ণ বেলেগ ভাৱধাৰা লৈ জীৱন-জাপন কৰিবলৈ শিকিব লাগিব। আমি শিকিবলৈ সলনি কৰিবলৈ আৰু স্বীকাৰ কৰিবলৈ ইচ্ছুক হ'ব লাগিব যে সমস্যাৰ ভাগ আমিও।

যি বিষয় আমি নুবুজোঁ তাক ধাৰ্য কৰিব নোৱাৰো, সেয়ে আমাৰ আৱশ্যকতা হ'ল সমস্যাৰ উৎস জানি লোৱা। বেছি ভাগ মানুহ কিয় অসুখী? পৰিয়ালৰ, ওচৰ চুবুৰীয়া চহৰ আৰু জাতীৰ ভিতৰত কিয় ইমান হিংসাৰ ভাৱ? সকলোৱে খঙত কিয় থাকে? আপুনি ভাবিব পাৰে এই সকলো পাপৰ কাৰণে হয়। আপুনি ক'ব পাৰে "সমস্যাটো হ'ল সকলো মানুহ পাপী"। এইটোৱেই সমস্যা মই অনুমানৰ সৈতে সন্মত হওঁ কিন্তু বাস্তৱিকভাবে প্ৰতিদিনে সন্মুখিন হৈ থকা সমস্যাৰ ওপৰত চিন্তা কৰিব খোজো। মই সঠিকভাবে বিশ্বাস কৰো এই সকলৰে মূল কাৰণ হ'ল আত্মকেন্দ্ৰিক। আত্মকেন্দ্ৰিক ভাৱে অৱশ্যে পাপৰ কাৰ্য্য হয়। এইয়া এজন ব্যক্তি যিজনে কয়, "মোক লাগে যি মোক লাগে আৰু ইয়াৰ বাবে যি কৰিব লাগে মই কৰিম।" পাপ থাকে যেতিয়া মানুহ ঈশ্বৰৰ আৰু তেওঁৰ পথৰ পৰা আতৰি যায়।

আমি অতীতৰ জীৱনো সঠিক যি জীৱন আমি কটাব লাগে তাৰ বিপৰীতে আমি জীও। আমি নিজৰ কাৰণে জীউ তথাপিও শেষ সীমা আমি নাপাওঁ। য'ত আমি সন্তুষ্ট হওঁ। আমি আনৰ কাৰণে জীয়াই থাকিব লাগে আৰু আচৰিত গুপ্ত কথা বুজিব লাগে যে যি আমি দিও আকৌ বহু গুণে বেছি আমালৈ ঘুৰি আহে। লুক নামেৰে এজন বিখ্যাত চিকিৎসকে কোৱা কথাষাৰ মই ভাল পাওঁ। 'আপোনাৰ জীৱন দিয়ক আপুনি দেখিব যে জীৱন ঘুৰি আহিছে, কিন্তু মাত্ৰ ঘুৰি অহাই নহয় ওপৰেঞ্চি লাভ আৰু আশীৰ্বাদৰ সৈতে ঘুৰাই আহিছে। দিয়া ঘুৰাই নোপোৱাই হৈছে পথ। দানশীলতাই দানশীলতা উৎপন্ন কৰে। (লুক ৬:৩৮ বাণী)

বহুতো সমাজত গৰাকী হোৱা অধিকাৰী হোৱা আৰু নিয়ন্ত্ৰণ কৰাই মানুহৰ প্ৰথম লক্ষ্য। সকলোৱে "এক নম্বৰ" হ'ব বিচাৰে, যিয়ে নিজে নিজেই দেখুৱাই যে বহুতো লোক ইয়াৰ দ্বাৰা হতাশ হয়। কাৰণ এসময়ত এখন ঠাইত এক নম্বৰ এজনেই মাত্ৰ হয়। পৃথিৱীত মাত্ৰ এজনেই দৌৰত এক নম্বৰ হয়; কম্পেনী এখনত মাত্ৰ এজন অধক্ষ্য হয় বা বিখ্যাত অভিনেতা বা মঞ্চৰ

নায়িকা। মাত্ৰ এজনেই সৰ্বশ্ৰেষ্ঠ লিখক বা পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ চিত্ৰকাৰ হয়। মই বিশ্বাস কৰো যে আমি সকলোৱে লক্ষ্য ৰাখোতা ব্যক্তি হ'ব লাগে আৰু তাৰ বাবে অধিক যত্ন কৰিব লাগে, আমি আনৰ কাৰণে চিন্তা নকৰি কেৱল নিজৰ বাবে চিন্তা কৰিব নালাগে।

এইখন কিতাপ লিখি থাকোতে মোৰ ৬৫ বছৰ হৈছিল আৰু মই অনুমান কৰো এইটোৱেই মোক পৰিমিত কৰে কিছু কথা জানিবলৈ। অন্তত মই দীঘলীয়া জীৱন-যাপন কৰিলো আৰু কেনেকৈ আনন্দ লাভ কৰিব লাগে বেলেগ বেলেগ উপায় অবলম্বন কৰি আৱিস্কাৰ কৰিছো। যিবোৰ বাদ দিব লাগে আৰু যিবোৰ গ্ৰহণ কৰিব লাগে। জীৱনৰ অভিপ্ৰায় আত্মকেন্দ্ৰিকয়তাত পূৰ্ণ নহয় আৰু বাস্তৱিকতে এইয়া মানুহৰ বাবে ঈশ্বৰৰ ইচ্ছা নহয়। মই বিশ্বাস কৰো আৰু এই কিতাপখনত প্ৰমাণ কৰিব পাৰো গোটেই পৃথিৱীয়ে আত্মকেন্দ্ৰিয়তাৰ সন্মুখিন হয় আৰু বাস্তৱিকতে এইটো এটা ডাঙৰ সমস্যা আৰু ইয়াক বাদ দিবলৈ আক্ৰমনাত্মক আন্দোলন চলোৱাই মাত্ৰ উপায়। আমি আত্মকেন্দ্ৰিয়তাৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰা আৱশ্যক। আমাক প্ৰেমৰ বিপ্লৱ লাগে।

কল্পনা বা শব্দতকৈ প্ৰেম বেছি হ'ব লাগে। এইয়া কাৰ্য হ'ব লাগে। এইটো দেখিব পৰা আৰু অনুভৱ কৰিব পৰা হ'ব লাগে। ঈশ্বৰ প্ৰেম হয় সকলো সময়তে প্ৰেম তেওঁৰ হয় আৰু তেওঁৱেই ভাব হৈ আছে। তেওঁ আমাক প্ৰেম কৰিবলৈ আহিলে তেওঁক কেনেকৈ প্ৰেম কৰিব লাগে আৰু নিজকে আৰু অন্যক কেনেকৈ প্ৰেম কৰিব লাগে শিক্ষা দিবলৈ তেওঁ আহিলে।

যেতিয়া আমি এনেকৈ কৰো; জীৱন সুন্দৰ হয়; যেতিয়া নকৰো তেতিয়া কোনো পৰিস্থিতি ভালকৈ নহয়। প্ৰেমেই আত্মকেন্দ্ৰিয়তাৰ উত্তৰ হয় কাৰণ প্ৰেম দিওঁতা হয় আৰু আত্মকেন্দ্ৰিয়তা লওতা হয়। আমি নিজৰ চিন্তাৰ পৰা মুক্ত হ'ব লাগিব কাৰণ যীচু সেইকাৰণেই আহিল, আমি ইয়াক ২য় কৰিণ্থীয়া ৫:১৫ পদত দেখিবলৈ পাওঁ আৰু সকলোৰে বাবে তেওঁ মৃত্যুবৰণ কৰিলে সেয়ে যিসকল জীয়ে নিজৰ কাৰণে যেন নিজীয়ে কিন্তু তেওঁৰ কাৰণে যিজন মৰিলে আৰু তেওঁলোকৰ বাবে পুনৰ জীৱিত হ'ল।

কিছুদিন আগে যেতিয়া মই পৃথিৱীৰ ভয়ানক সমস্যাবোৰৰ ওপৰত চিন্তা কৰি আছিলো যেনেকৈ ভোকত থকা নিযুত ল'ৰা-ছোৱালী, AIDS , যুদ্ধ, অত্যাচাৰ, মানুহক বেচা-কিনা, নিজ আত্মায় স্ত্ৰী-পুৰুষৰ মাজত ঘটা অবৈধ সঙ্গম আৰু তেনেকুৱা বহুতৰ ওপৰত মই ঈশ্বৰক শুধিছিলো, পৃথিৱীত এই সকলো ঘটি থকা কেনেকৈ একো নকৰাকৈ চাই থাকিব পাৰা? ঈশ্বৰে মোৰ আত্মাত কোৱা শুনিলো, ‘মই মানুহৰ দ্বাৰা কাম কৰো। মোৰ মানুহসকল জাগ্ৰত হৈ কাম কৰাৰ কাৰণে মই বাদ চাই আছোঁ।”

যেনেকৈ নিযুত নিযুত মানুহে ভাবে তেনেকৈ আপুনিও ভাবিব পাৰে **মই জানো যে পৃথিৱীত সমস্যা আছে, কিন্তু সেইবোৰ অসংখ্য, সেয়ে মোৰ সামৰ্থৰে যিবোৰ কৰিব পাৰো সেইটোৰে কি পাৰ্থক্য আনিব পাৰিম?** সেই ধৰণৰ ভাৱেই আমাক অকামিলা কৰি তুলিছে আৰু চয়তানে জয়ী হৈ আছে। আমি কি কৰিব নোৱাৰো সেইটো ভাবি বন্ধ কৰিব লাগে আৰু যি কৰিব পাৰো সেইটো কৰিবলৈ আৰম্ভ কৰিব লাগে। এই কিতাপখনত মই কিছুমান আলহী লিখক সকলোক

নিমন্ত্ৰণ কৰিছো যিসকলে আপোনালেক লৈ মতামত আৰু উপায় আগবঢ়াব আৰু আপোনালোকে এই নতুন আন্দোলনৰ অংশীদাৰ হ'ব পাৰিব। যাৰ দ্বাৰাই মৌলিক আৰু সক্ৰিয় সলনি আনিব পাৰি।

মই একো নকৰাকৈ আৰু সময় নষ্ট কৰিব নোখোজো। যি সময়ত পৃথিৱীখন ঘুৰি ঘুৰি তললৈ নামিছে। মই যি সকলো সমস্যাৰ সন্মুখিন হৈছো সেই সকলোৰে সমিধান আনিব নোৱাৰিব পাৰো, কিন্তু যিমান পাৰো কৰিম। মোৰ প্ৰাৰ্থনা এইয়েই যে আপোনালোক অন্যায়ৰ বিৰুদ্ধে ঠিয় হওঁতে মোৰ লগ দিব আৰু জীৱনত সমস্যাসমূহৰ সন্মুখীন কৰোতে মৌলিকভাৱে সলনি আনিবলৈ ইচ্ছুক হ'ব। আনে আমালৈ কি কৰিব পাৰে সেইয়া আমাৰ জীৱন হ'ব নোৱাৰে। কিন্তু আমি আনলৈ কি কৰিব পাৰো।

জীৱনৰ প্ৰতি মুহূৰ্তত আমালৈ নীতিবাক্য বা ধৰ্মৰ মুল কথা আৱশ্যেক। আমাৰ জীৱনত প্ৰতিভাৰে সৈতে জানিবৰ বাবে আমি জয়চ মায়াৰ মিনিস্ত্ৰিত প্ৰাৰ্থনাসহ কিছুমান চুক্তিনামা দক্ষতাৰে বনাইছো। আপোনালোক ইয়াত আমাৰ লগ দিব নেকি?

করুণা **মই ধৰি ৰাখিম** আৰু মোৰ আপত্তি কৰা স্বভাৱ **ত্যাগ** কৰিম।

অন্যায়ৰ বিৰুদ্ধে **থিয় হ'ম**।

আৰু ঈশ্বৰৰ প্ৰেম সাধাৰণ কাৰ্য্যৰ মাজেৰে কৰিবলৈ **সঙ্কল্পবদ্ধ**।

একো নকৰাকৈ মই **নাথাকো**। এইয়াই মোৰ সঙ্কল্প

**ময়ে প্ৰেমৰ বিপ্লৱী।**

মই প্ৰাৰ্থনা কৰো যে আপোনাৰ নতুন জীৱন-যাপনৰ কাৰণে এই শব্দবোৰ আপোনাৰ ধৰ্মৰ মূল শব্দ হ'ব। আপুনি চাই ৰৈ নাথকিব। আনে কি কাম বাচি লৈছে আৰু জনসাধাৰণৰ ভাল লগা কাম হয় নে নহয় তাৰ বাবে আপুনি চিন্তা নকৰিব। এইয়া এটা কথা যাক আপুনি নিজে সিদ্ধান্ত ল'ব লাগিব। এই প্ৰতিজ্ঞা আপুনি নিজেই বাচি ল'ব লাগিব। আপুনি নিজকেই প্ৰশ্ন কৰক "মই সমস্যাৰ অংশহৈ থাকিম নে উত্তৰৰ অংশ?" মই উত্তৰৰ অংশীদাৰ হ'বলৈ সিদ্ধান্ত লৈছো। প্ৰেম মোৰ জীৱনৰ অনন্ত কলীয়া মুল বিষয়।

আপুনি নিজকে প্ৰশ্ন কৰক "মই সমস্যাৰ অংশ হৈ থাকিম নে উত্তৰৰ অংশ?" মই উত্তৰৰ আংশীদাৰ হ'বলৈ সিদ্ধান্ত লৈছো। প্ৰেম মোৰ জীৱনৰ অনন্ত কলীয়া মূল বিষয়।

আপুনি কি সিদ্ধান্ত লৈছে? আপুনি আজিৰ পৃথিৱীত সমস্যা চিৰস্থায়ী কৰিব নে? আপুনি সেইবোৰ অৱজ্ঞা কৰিবনে? বা নেদেখাৰ ভাও জুৰিব নে? বা আপুনি প্ৰেম বিপ্লৱত অংশ গ্ৰহণ কৰিব?

# প্ৰেমৰ বিপ্লৱ

প্ৰথম অধ্যায়

# 1

# *পৃথিৱীত কি ভুল হৈছে ?*

মই এজনেই কিন্তু তথাপিও মই এজন। মই সকলো কাম কৰিব নোৱাৰো।
কিন্তু মই কিছুমান কাম কৰিব পাৰো কাৰণ মই সকলো কাম কৰিব নোৱাৰো,
মই কৰিব পৰা কাম কেতিয়াও প্ৰত্যাখান নকৰো।
*এডৱাৰ্দ ইভাৰিট হেল*

খিৰিকিৰে সুন্দৰ দৃশ্য উপভোগ কৰি মই যেতিয়া ৰাতিপুৱাৰ কফি খাবলৈ লওঁ সেই সময়ত ৯৬৩ নিযুত লোক ভুকত থাকে।

কৌটি কৌটি মানুহতকৈ বেছি মানুহে প্ৰতিদিনে এক ডলাৰতকৈ কম উপাৰ্জন কৰে।

আজি দৰিদ্ৰতাৰ বাবে ত্ৰিশ হাজাৰ ল'ৰা-ছোৱালীৰ মৃত্যু হ'ব ধৰিছে। পৃথিৱীৰ কিছুমান দুখীয়া গাঁওত পৃথিৱীৰ অজ্ঞাতে বহু দূৰৈত তেওঁলোকৰ মৃত্যু হয়। তাৰ মানে প্ৰতি সপ্তাহে ২১০,০০০ মানুহৰ মৃত্যু হয় — প্ৰতি বছৰে ১১ নিযুত — আৰু তাৰে বেছি ভাগ পাঁচ বছৰ বয়সৰ তলৰ।

পৃথিৱীৰ ২.২ শত কৌটি ল'ৰা-ছোৱালীৰ ভিতৰত যথোপযুক্ত আশ্ৰয়ৰ অভাৱত ৬৪০ নিযুত উপযুক্ত খোৱাপানীৰ অভাৱত ৪০০ নিযুত, চিকিৎসাৰ অভাৱত বৰ্ত্তমানলৈকে ২৭০ নিযুতৰ মৃত্যু হয়।

এই সংখ্যা মোৰ কাৰণে যেনেকৈ আশ্চৰ্য্যজনক আপোনাৰ কাৰণেও নহয়নে? মই আশা কৰো হয়। আমি বসবাস কৰি থকা পৃথিৱীত এইবোৰ আচৰিতজনক আৰু গুৰুত্বপূৰ্ণ বিষয়।

আমাৰ দৃষ্টিত আৰু আমাৰ পৃথিৱীত এই সকলোবোৰ ঘটি আছে। মই অনুভৱ কৰো উপৰোক্ত সংখ্যাবোৰ আপোনাৰ চহৰত বা আপোনাৰ দেশত প্ৰযোয্য নহ'ব পাৰে। কিন্তু আমি প্ৰত্যেকেই এই পৃথিৱীৰ নাগৰিক। বিশ্বজোৰা জনগোষ্ঠীৰ আমি এক অংশ আৰু আমাৰ পৰিয়ালৰ সদস্যসকল ভাবিব নোৱাৰা আৰু প্ৰকাশ কৰিব নোৱাৰাকৈ কষ্টত ভূগি আছে।

পৃথিৱী ব্যপী জাগ্ৰত্ব হোৱাৰ এইয়া সময় বুলি মই ভাবো, আমাৰ আত্মসন্তুষ্টি, আমাৰ অজ্ঞানতা বা আমাৰ অনিচ্ছাৰ পৰা কোনোবাই আমাক সচেতন কৰি কষ্ট আৰু দৰিদ্ৰতা, অভাৱ-অনাতন, অন্যায় আৰু অত্যাচাৰ, আৰু মানুহৰ জীৱনৰ জীয়াই থকাৰ পৰিস্থিতি যদি উন্নতিশীল নকৰে বা মৌলিক মৰ্য্যদা নিদিয়ে তাৰ বিৰুদ্ধে ঠিয় হ'বলৈ জাগ্ৰত হ'ব লাগিব। বাস্তৱিকতে এইটোৱেই প্ৰেমৰ বিপ্লৱৰ সময়।

## *ছটা কষ্টদায়ক দাঁতেৰে এখন সৰু মুখ*

কেম্বদিয়াত জয়চ মায়াৰ পৰিচৰ্য্যাই চিকিৎসা সেৱা আগবঢ়োৱাৰ সময়ত, এজন দাঁতৰ চিকিৎসকে নিজৰ সময় দি এজনী সৰু ছোৱালীৰ পৰা একৈচটা দাঁত উলিয়াবলৈ সহায় কৰে, তাৰে ছটা দাঁত সম্পূৰ্ণ নষ্ট হোৱা। এই অসহ্য যন্ত্ৰণাৰ কথা ভাবোতে মোৰ মনত পৰে যেতিয়া আমি অস্ট্ৰেলিয়ালৈ যাত্ৰা কৰিছিলো সেই সময়ত মোৰ স্বামীৰ দাঁতৰ বিষৰ কথা। উৰাজাহাজত থকাৰ বাবে তেওঁৰ অৱস্থা অতি কষ্টদায়ক আছিল আৰু তেওঁ কোনো সাহায্য পোৱা নাছিল। ৰাতি দশটাত উৰাজাহাজৰ পৰা নমাৰ লগে লগে, কোনোবা এজনে তেওঁক চাবৰ কাৰণে এজন দাঁতৰ চিকিৎসকৰ ব্যৱস্থা কৰি দিয়ে আৰু সেয়ে সাহায্য পাবলৈ সক্ষম হয়। কিন্তু সেই সৰু ছোৱালীজনী আৰু তাইৰ দৰে হাজাৰ জন যি বিষত প্ৰতিদিনে কষ্ট ভোগ কৰি আছে আৰু ৰোগৰ আক্ৰমণৰ কাৰণে চিকিৎসাৰ সাহায্য নোপোৱাকৈ আছে, তেওঁলোকৰ কি? অলপ সময় চিন্তা কৰি চাওঁক। একৈচটা ক্ষয় হোৱা দাঁত আৰু বিষত চিঞৰি থকা সেই কষ্টৰ কথা অনুভৱ কৰি চাওঁক?

পৃথিৱীৰ ভিতৰোৱা ঠাইত ভাবিব নোৱাৰা ধৰণৰ এনে কষ্ট প্ৰতিদিনে হৈ আছে। আমি বেছি ভাগেই তেওঁলোকৰ বিষয়ে নাজানো বা খুব বেছি দুৰদৰ্শনত তেওঁলোকৰ প্ৰতিছবি চোৱাৰ দ্বাৰাই জানিব পাৰো। আমি কওঁ "এই সকলো কি লজ্জাজনক। কোনোবাই সঁচাকৈয়ে এই বিষয়ে কিবা কৰিব পাৰিলেহেঁতেন" আৰু এই কথা ভাবি ভাবি আমি পুনৰ সেই সুন্দৰ দৃশ্য উপভোগ কৰি ৰাতিপুৱাৰ কফি খোৱা অব্যাহত ৰাখিলো।

## *য'ত সমাজৰ আবৰ্জনা সংগ্ৰহ হয়*

কেম্বদিয়াত গিচি নামেৰে দশ বছৰীয়া এজনী ছোৱালী আবৰ্জনাৰ দ'মত বাস কৰে। চাৰি বছৰ বয়সতে তাই তালৈ আহিছিল। তাইৰ পিতৃ-মাতৃয়ে তাইক পোহ-পাল দিব পৰা নাছিল, সেইয়ে ডাঙৰ বায়েকক তেওঁলোকৰ ওচৰৰ পৰা তাইক লৈ যাবলৈ কৈছিল, আৰু তেওঁলোক দুয়োৰো

কাৰণে এটাই উপাই আছিল আবৰ্জনাৰ দ'মত বাস কৰা। সপ্তাহৰ সাতটা দিন জোঙা লোহাৰে বা হাতেৰে গিচিয়ে খাবৰ বাবে আহাৰ বিচাৰে আৰু প্লাষ্টিক বা গ্লাচ যিবোৰ বিক্ৰী কৰি আহাৰ কিনিব পাৰে। তাই ছয় বছৰ সেই দ'মত বাস কৰিছিল আৰু বহুতো ল'ৰা-ছোৱালী বহু দিনৰ পৰা তাত আছিল।

এইয়াই চহৰৰ আবৰ্জনাৰ দ'ম য'ত জীৱনৰ অস্তিত বজাই ৰাখে, সেইয়ে আপুনি অৱগত হোৱাটো অতি আৱশ্যক নহয়নে? মানুহৰ জীৱনৰ আবৰ্জনা আৰু খাদ্য দ্ৰব্যৰ পেলনীয়া অংশ চহৰৰ বেলেগ বেলেগ ঠাইৰ পৰা সংগ্ৰহ কৰি ট্ৰাকেৰে আনি তাত দ'ম কৰে। ল'ৰা-ছোৱালীবোৰে হেল্মেট আৰু লাইট পৰিধান কৰি ৰাতিৰ আন্ধাৰত কাম কৰে কাৰণ অহাৰ লগে লগে বিচাৰিলে তেওঁলোকে আবৰ্জনাৰ পৰা ভাল বস্তু পায়।

আবৰ্জনাৰ দ'ম চাবলৈ যোৱাৰ পাচত সাক্ষাৎকাৰ লোৱা এজনে মোক সুধিলে মই এই বিষয়ে কি ভাবো। মই মোৰ চিন্তা স্পষ্ট কৰিবলৈ চেষ্টা কৰোতে অনুভৱ কৰিলো যে অৱস্থাটো অতি ভয়ানক এই বিষয়ে কেনেকৈ চিন্তা কৰিম মই ভাবি পোৱা নাছিলো। এই গভীৰ লজ্জাজনক অৱস্থা সাধাৰণ ভাৱে কেনেকৈ মুখেৰে বৰ্ণনা কৰিম তাক মনত স্থিৰ কৰিব পৰা নাছিলো। কিন্তু এই বিষয়ে কিবা এটা কৰিম বুলি মই সিদ্ধান্ত লৈছিলো।

এই বিষয়ে বহুতো মানুহক ভাষণ দি আৰু আমাৰ পৰিচৰ্য্যাৰ সঙ্গীসকলৰ পৰা দান সংগ্ৰহ কৰি তাৰ লগে লগে মোৰ স্বামী দেৱ আৰু মোৰ ব্যক্তিগত ধন খৰছ কৰি, এই কাৰ্য্য কৰিবলৈ প্ৰায় এবছৰ লাগিছিল। কিন্তু আমি দুখন ডাঙৰ বাছ ল'বলৈ সক্ষম হওঁ আৰু সেই দুখন ঘূৰি ফুৰা ৰেষ্টোৰেণ্টলৈ সলনি কৰো। বাছ দুখন আবৰ্জনাৰ দ'মলৈ নিয়া হয় তাত ল'ৰা-ছোৱালীবোৰে বাছত উঠি পুষ্টিকৰ আহাৰ খাবলৈ ধৰে আৰু তেওঁলোকক উন্নত জীৱনৰ বাবে প্ৰস্তুত কৰিবলৈ কিছু সাধাৰণ শিক্ষা আৰু গণিতৰ শিক্ষা দিয়া হয়। অৱশ্যে আমি তেওঁলোকক যীচুৰ মৰমৰ কথাও কওঁ, কিন্তু আমি তেওঁলোকক মাত্ৰ মৰমৰ কথা নকওঁ, তেওঁলোকৰ প্ৰকৃত আৱশ্যকতাবোৰ পূৰণ কৰাৰ মাধ্যমেৰেহে কওঁ।

## *ভাল উদ্দেশ্যই যথেষ্ট নহয়*

ৰাচিয়ালৈ ভাল উদ্দেশ্যৰে যীচুখ্ৰীষ্টৰ প্ৰেমৰ কথা কবলৈ যোৱা এজন মানুহৰ কাহিনী মই শুনিছিলো। তেওঁ তালৈ যোৱাৰ সময়ত বহুতো মানুহ ভোকত আছিল। দিনটোৰ আহাৰৰ বাবে আশাৰে যেতিয়া বহুতো মানুহ লাইন পাটি আছিল, তেওঁ তেতিয়া শুভবাৰ্ত্তাৰ পত্ৰিকা লৈ তেওঁলোকৰ ওচৰ চাপিছিল আৰু লাইনৰ মাজেৰে খোজ কাঢ়ি যীচুৰ শুভবাৰ্ত্তাৰ কথা ক'ব ধৰিলে আৰু প্ৰত্যেকক পৰিত্ৰাণৰ শুভবাৰ্ত্তা থকা পত্ৰিকা হাতত দিলে। প্ৰকৃততে, তেওঁ শুভবাৰ্ত্তাৰ দ্বাৰাই সহায় কৰিব খুজিছিল, কিন্তু এগৰাকী মহিলাই ঘৃণাত তেওঁলৈ চাই ক'লে, “আপুনি কোৱা কথাবোৰ ভাল, কিন্তু মোৰ ভুকাতুৰ পেট সেই কথাই পুৰ নকৰে”।

ঈশ্বৰে যে তেওঁলোকক ভাল পায়, সেই কথা শুনি বহুতে যে মনত আঘাট পায় মই অনুভৱ কৰিছিলো। সেয়ে তেওঁলোকক ঈশ্বৰে ভাল পাই বুলি কোৱাৰ লগতে তেওঁলোকৰ বাস্তৱিক প্ৰয়োজনীয়তাবোৰ পুৰ কৰাৰ দ্বাৰাই প্ৰেমৰ অভিজ্ঞতা অনুভৱ কৰিবলৈ দিব লাগে, এইয়ে উত্তম উপায়।

বাক্যই যথেষ্ট বুলি ভবা কথাত আমি সাৱধান হ'ব লাগে। নিশ্চয় যীচুৱে শুভবাৰ্ত্তা প্ৰচাৰ কৰিছিলে, কিন্তু তাৰ লগতে তেওঁ সৎ কৰ্ম্ম কৰিবলৈও গৈছিল আৰু কষ্টত থকা সকলক তেওঁ সুস্থ কৰিছিল। (পাঁচনি কৰ্ম্ম ১০:৩৮) আনৰ সৈতে কথা পতাটো বহুমুলীয়া সময় নহয়, বা ইয়াৰ বাবে যতনৰো প্ৰয়োজন নাই, কিন্তু প্ৰকৃত প্ৰেম বহুমুলীয়া। ঈশ্বৰে ইয়াৰ বাবে

বাক্যই যথেষ্ট বুলি ভবা কথাত আমি সাৱধান হ'ব লাগে।

নিজৰ পুত্ৰক দান কৰিলে আৰু প্ৰকৃত প্ৰেম আমাৰ জীৱনত প্ৰবাসিত হোৱাৰ দ্বাৰাই ই আমাৰ বাবে বহুমুলীয়া। বোধহয় আমি আমাৰ সময়, ধন, যত্ন বা অধিকাৰ ঈশ্বৰৰ কাৰ্য্যৰ বাবে সাঁচিব লাগিব, কিন্তু ইয়াৰ বাবে আমি ত্যাগ কৰিবও লাগিব।

## *ঈশ্বৰে আমাৰ হিচাব লয়*

মোৰ স্বামীৰ লগত কফি খাবলৈ মই অতি সোনকালে ঘৰৰ পৰা যাব লাগিব আৰু তাৰ পাচত আমি দুপৰীয়াৰ আহাৰ খাবলৈ যাম। আমি সম্ভৱত দুঘণ্টাৰ কাৰণে যাব লাগিব, আৰু হিচাব অনুযায়ী, ২৪০ জন ল'ৰা-ছোৱালী সেই সময়ত যৌন ব্যৱসায়ৰ কাৰণে অপহৰণ কৰি নিয়া হ'লেহেঁতেন। তাৰ মানে আমি যদি কিবা এটা নকৰো প্ৰতি মিনিততে দুজন ল'ৰা-ছাৱালীৰ জীৱন কিছুমানৰ কৃপনতা আৰু লোভৰ কাৰণে ধ্বংস হ'ব। আমি কি কৰিব পাৰো ? আমি যত্ন ল'ব পাৰো; আমি এই বিষয়ে অৱগত হ'ব পাৰো, প্ৰাৰ্থনা কৰিব পাৰো; আৰু আমি এইসকলো কাৰ্য্যত পৰিণত কৰিব পাৰো। এনে ভয়ঙ্কৰ পৰিস্থিতিৰ পৰা আমি ল'ৰা-ছোৱালী আৰু মহিলাক ৰক্ষা কৰাৰ সচাঁ প্ৰমাণ দি প্ৰচাৰ কাৰ্য্য আৰু অনুস্থানক সহায় কৰিব পাৰো, আৰু যদি ঈশ্বৰে আমাকো বিচাৰে, আমি তেনেক্ষেত্ৰত কাম কৰিবলৈ আগবাঢ়ি যাব পাৰো। যদি সম্পূৰ্ণ সময় দি কাম কৰা সম্ভৱ নহয়, আমি আচনি প্ৰস্তুত কৰিবলৈ চিন্তা কৰিব পাৰো বা ক্ষন্তেক সময়ৰ বাবে হ'লেও পৰিচৰ্য্যাৰ কামত লাগিব পাৰো।

### যৌন কাৰ্য্যত দাসত্ব

আন্ধাৰ গলিয়েদি গৈ থাকিলে আন্ধাৰৰ মাজেদি যেন ক্ষয়ৰ চিহ্ন আৰু ধ্বংসৰ চিহ্ন দেখা দিয়ে। জৰাজীৰ্ণ শিলৰ ভৱনটো ধাতুৰ টোকোৰা আৰু তাঁৰবোৰে ধৰি ৰাখিছিল। বতাহত

মানুহৰ ভ্ৰষ্টাচাৰ আৰু আৱৰ্জনাৰ দুৰ্গন্ধ। এই দুৰ্ভগীয়া পথটোত কুকুৰৰ বিকট ভোক-ভোকনি আৰু নিয়ন্ত্ৰহীন ভয়ানক ক্ৰোধৰ চিঞৰ আৰু ভাগি যোৱা গৃহৰ পৰা অহা ল'ৰা-ছোৱালীৰ কৰুণ কান্দোনে গোটেই পৰিবেশটো আবৰি ৰাখিছিল।

আপুনি কি অনুভৱ কৰে সেইয়া স্পষ্ট হৈ উঠে, আপোনাৰ যি কোনো ইন্দ্ৰিয়ানুভূতিৰে। এই ঠাই দুখ আৰু বেদনাৰে যে ভৰা তাত কোনো সন্দেহ নাই। ল'ৰা-ছোৱালীক যৌন কাৰ্য্যৰ কাৰণে বিক্ৰী কৰা, দুষ্ট আৰু বেয়া প্ৰকৃতিৰ মানুহে গঢ়ি তোলা এই ঠাই, আপোনাৰ ভাবিবৰ কাৰণেও কষ্টদায়ক।

চামৰা নামেৰে কাম কৰা এজনী ছোৱালীৰ এইটোৱে জীৱন্ত নৰক সাদৃশ ঘৰ হয়। সেই সময়ত তাইৰ মাত্ৰ সাত বছৰ বয়স আছিল। বাৰ বছৰ বয়সত যেতিয়া বাছ ষ্টেচনত তাইক উদ্ধাৰ কৰা হৈছিল, তাই কষ্ট পাই পাই জীৱন নোহোৱা শামুকৰ খুলাৰ দৰে এজনী সৰু ছোৱালী আছিল — হাড়-ছালেৰে, মানসিক ভাবে মৃতপ্ৰায় প্ৰকাশ কৰিবলৈ ক্ষমতা নোহোৱা এজোৰ চকুৰে সৈতে। পাঁচ বছৰ তাই কামপীড়িতৰ দ্বাৰা অপব্যৱহাৰিত বলি আছিল আৰু তাইৰ সৰু শৰীৰটো নষ্টকৰাৰ সুবিধা পোৱাৰ কাৰণে বহুতো ধন দিছিল। তাই বেছি সৰু হোৱাৰ কাৰণে এক ডলাৰৰ ঠাইত তিনি ডলাৰ দিছিল।

সাধাৰণ জীৱন যাপন কৰিবৰ কাৰণে - অস্ত্ৰোপ্ৰচাৰৰ দ্বাৰা সুস্থ কৰিব লগা হৈছিল তাইৰ অঙ্গবোৰ যিবোৰ বেয়া ধৰণে ক্ষতিগ্ৰস্থ হৈছিল। আত্মিকভাৱে আৰু মানসিক ভাৱে তাইৰ যি ক্ষতি হৈছিল তাৰ তোলনাত শাৰীৰিক সুস্থতাৰ আব্যস্যকতা কম আছিল।

চামৰা HIV বিজাণুৰ দ্বাৰা আক্ৰান্ত বুলি চিনাক্ত কৰা হৈছিল। মাউৰা হিচাবে তাইৰ কোনো পিতৃ-মাতৃৰ কথা মনত নাই। আন্ধাৰত ভাবিব নোৱাৰা ধৰণৰ অপকাৰ্য্যত তাই বন্দী হৈ আছিল আৰু তাইৰ দৰে আন বহুতৰো একেই অৱস্থা আছিল।

গণনাই কয় ঃ

- প্ৰতি বছৰে ১.২ নিযুত ল'ৰা-ছোৱালী অবৈধ কাৰ্য্যৰ বাবে আমদানি হয়; এই কাৰ্য্যৰ কাৰণে ইতিমধ্যে নিযুত ল'ৰা-ছোৱালী বন্দি হৈ আছে।
- যৌন কাৰ্য্যৰ কাৰণে প্ৰত্যেক দুই মিনিততে এটা এটা ল'ৰা-ছোৱালী প্ৰস্তুত কৰা হয়।
- ত্ৰিশ বছৰৰ ভিতৰত যৌন কাৰ্য্যৰ দ্বাৰাই ধ্বংস হোৱা সম্ভৱত ত্ৰিশ নিযুত ল'ৰা-ছোৱালীয়ে নিজৰ শৈশৱ হেৰুৱাই।

মই এই অধ্যায়ৰ আৰম্ভণিতে উল্লেখ কৰা দাঁত চিকিৎসকজনে পিচ পৰা দেশত জয়চ মায়াৰ পৰিচৰ্য্যাৰ এটা চিকিৎসা আউটৰীচ্চত যোগদান কৰে। আমাৰ দৰমহা পোৱা কেইজনমান সদস্য আছিল, কিন্তু বেছিভাগ স্বেচ্ছাসেৱক আছিল, যি সকলে কামৰ পৰা সময় উলিয়াই নিজৰ টকা

খৰছ কৰি আমাৰ লগত গৈছিল। এদিনত তেওঁলোকে বাৰৰ পৰা যোল্ল ঘণ্টালৈ কাম কৰিছিল, যদিও তেওঁলোকৰ গৰমত থকাৰ অভ্যাস নাছিল। তেওঁলোকে তম্বুত থাকি অতি ভিতৰুৱা গাঁওবোৰত কাম কৰে, আৰু যিসকল ব্যক্তি কেতিয়াও বোধহয় কোনো ধৰণৰ চিকিৎসা সেৱা লাভ কৰা নাই, তেওঁলোকলৈ চিকিৎসা আগবঢ়ায়। আমি তেওঁলোকক বিষৰ পৰা সকাস পোৱা আৰু জীৱন ৰক্ষা কৰা ঔষধ দিব পাৰিছো। আমি তেওঁলোকক ভিটামিন খাদ্য আদি দিওঁ আৰু যীচুৱে যে তেওঁলোকক বাস্তৱিকতে ভাল পায় এই কথা তাৰ দ্বাৰাই জানিব দিওঁ। যীচুক গ্ৰহণ কৰিবলৈ প্ৰত্যেককে সুবিধা দিও আৰু বেছি ভাগেই গ্ৰহণ কৰিবলৈ সিদ্ধান্ত লয়। সমবেদনাৰে সৈতে ডক্তৰ, দাঁত চিকিৎসক নাৰ্চ আৰু বেলেগ চিকিৎসক সকলে কেনেকৈ এই কাৰ্য্যৰে তেওঁলোকৰ জীৱন সলনি কৰিলে এই কথা ভাবি মোৰ চকুৰ পানী ওলায়। আমি তেওঁলোকক ধন্যবাদ দিবলৈ যাওঁতে তেওঁলোকে প্ৰকৃততে জীৱননো কি তাৰ বাবে চকু খুলি দিয়াৰ বাবে আমাক ধন্যবাদ দিয়ে।

কেম্বডিয়াৰ ভ্ৰমণত আমি এজন হিচাব ৰাখোতাক লগত লৈছিলো যি জনে আমাৰ পৰিচৰ্য্যাৰ কাৰণে কাম কৰিছিল, তেওঁ প্ৰায়ে সংবাদদাতা সকলক আমাৰ আউটৰিচৰ বিষয়ে বিশ্লেষণ কৰে, তেওঁ নিজ চকুৰে যি দেখিছিল তাৰ দ্বাৰাই নিজৰ জীৱন প্ৰভাৱিত হৈছিল। তেওঁ কয় ঃ “মোৰ সঁচাকৈয়ে এনে অনুভৱ হয় মই যেন জীৱনৰ বুৰ-বুৰণিৰ মাজত জীয়াই আছো।” তেওঁ বুজাব খুজে তেওঁ যেন সত্যৰ পৰা পৃথক হৈ আছে আৰু মই ভাবো আমি বেছি ভাগেই তেনেকুৱা অৱস্থাত থাকো, পিচপৰা দেশলৈ গৈ প্ৰথমেই তেওঁলোক কেনেকৈ জীয়াই থাকিবলৈ বাধ্য তাক পৃথিৱীৰ প্ৰত্যেক মানুহে চাবলৈ অক্ষম বুলি মই ভাবো, কিন্তু আমি অন্তত মনত ৰাখিব পাৰো, যেতিয়া আমি এই বিষয়ে পঢ়ো বা দুৰদৰ্শনত চাওঁ, প্ৰকৃততে কিছুমানৰ আৰু বহুতৰে কি ঘটি আছে গম পাওঁ। ঈশ্বৰে তেওঁলোকক ভাল পায় আৰু তেওঁলোকৰ কাৰণে আমি কি কৰিছো তেওঁ হিচাব লয়।

## অপুষ্টিকৰ

মেহৰেত নামেৰে এজনী ছোৱালীয়ে পৃথিৱীখন বেলেগ দৃষ্টিৰ পৰা চাইছিল। ইথোপিয়াৰ আনগাচা নামৰ এখন সৰু গাঁওত ছোৱালীজনীয়ে বেলেগ ল'ৰা-ছোৱালীৰ লগত সমানভাৱে থাকিবলৈ চেষ্টা কৰিছিল। কিন্তু তাই অন্যৰ দৰে নাছিল।

স্বাস্থ্যবান হিচাবে মেহৰেতে জন্ম গ্ৰহণ কৰিছিল। কিন্তু প্ৰতিদিনে অপুষ্টিকৰ আহাৰে তাইৰ শৰীৰৰ ক্ষতি কৰিছিল, যাৰ ফলত তাইৰ ৰাজহাড় ডাল কোজা হৈ গৈছিল। যাৰ বাবে খোজ কাঢ়িবলৈ অসুবিধা হৈছিল, বন্ধুৰ লগত দৌৰিবলৈ আৰু খেলিবলৈ সম্ভৱ নাছিল। তাইৰ পিঠিৰ সোঁফালে এটা ডাঙৰ অংশ গঢ়ি উঠি বাহিৰলৈ ওলাই আহে, ইমান ডাঙৰ যে লুকুৱাব নোৱাৰি, ইমান বিষ যে তাক আওকাণ কৰিব নোৱাৰি। তাই আৰু তাইৰ হাড়বোৰ দুৰ্ব্বল হৈ পৰিছিল।

কোনোবাই যদি মেহৰেতৰ বিষৰ কথা জানে, সেইয়া তাইৰ পিতৃ এবিবা। তেওঁৰ সন্তান সকলৰ কাৰণে সকলোতকৈ উত্তম খাদ্য তেওঁ বিচাৰিছিল ... যেন তেওঁৰ বহুমুলীয়া ছোৱালীজনী পুনৰ ভাল হৈ উঠে।

যি পুষ্টিকৰ আহাৰ মেহৰেতক লাগে সেইয়া যদি পায় তেতিয়া ক্ষয় হব ধৰা অৱস্থাটো ৰক্ষা কৰিব পাৰি। কিন্তু সদ্যহাতে সেইয়া পোৱাৰ কোনো আশা নাই।

দিনৰ পাচত দিন এবিবাই নিজৰ শিশুক খাদ্য দিব নোৱাৰৰ বাবে পৰিতাপত ভোগিছিল। মেহৰেতৰ অৱস্থা যে আৰু বেয়ালৈ যাব তাক তেওঁ জানিছিল যদিহে কিবা এটা সলনি কৰিব নোৱাৰে। অতি সোণকালে, তাই খোজকাঢ়িব নোৱাৰা হ'ব। আৰু তাৰ পাচত তাইৰ মৃত্যু হ'ব।

ভুকত থকাৰ বেদনা আৰু শৰীৰৰ বেদনা সকলোতকৈ পৃথক আজি মেহৰেতে জানে...। প্ৰতিটো নতুন দিন আগৰ দিনবোৰতকৈ বৈছি কষ্টকৰ বুলি তাই জানিছিল।

অন্তৰদেশীয়া অভাব যোগানৰ সহযোগত, জয়চ মায়াৰ পৰিচৰ্য্যাই মেহৰেতক জীয়াই থাকিবৰ বাবে যি আহাৰৰ প্ৰয়োজন তাক যোগান ধৰিবলৈ আৰম্ভ কৰে আৰু কামিহাড়ৰৰ ক্ষয়ৰ পৰা ৰক্ষা কৰে। কিন্তু আৰু বহুত বহুমুলীয়া সৰু সৰু সন্তান আছে... মেহৰেতৰ দৰে... অপুষ্টিকৰ আহাৰৰ বিপৰিতে যুদ্ধ জয় কৰিবলৈ যাক আমাৰ সহায় লাগে।

গণনাই কয় ঃ

- এই মুহূৰ্ত্তত, সংখ্যা অনুযায়ী ৯৬৩ নিযুত মানুহ পৃথিৱীত ভুকে আছে।
- প্ৰতিদিনে ভুকৰ সংক্ৰান্তত প্ৰায় ১৬,০০০ ল'ৰা-ছোৱালীৰ মৃত্যু হয়, প্ৰতি পাঁচ ছেকেণ্ডত এটা সন্তান।
- পাঁচ বছৰ হোৱাৰ আগতে ২০০৬ চনত প্ৰায় ৯.৭ নিযুত ল'ৰা-ছোৱালী মৃত্যু হৈছিল। প্ৰায় এই ধৰণৰ মৃত্যু উন্নতিশীল দেশত ঘটে — পাঁচ ভাগৰ চাৰি ভাগ চাহৰৰ আশে-পাশে থকা আফ্ৰিকা আৰু দক্ষিণ এচিয়াৰ এই দুটা অঞ্চলে সকলোতকৈ বেছি ভুক আৰু অপুষ্টিকৰ আহাৰৰ পৰা কষ্ট ভোগ কৰে।

## *পৃথিৱীৰ সংস্থাপনত ফাট মেলিছে*

পৃথিৱীৰ কাৰ্য্য পদ্ধতিৰ বাবে ইয়াৰ সংস্থাপনত ফাট মেলিছে বুলি মই ভাবো, আমি সকলোৱে নিস্ক্ৰিয় ভাবে বহি আছো আৰু ই ভাগহে যোৱা চাই থাকো। আপুনি যদি সাৱধানে শুনে, সকলো ফালে মানুহে কোৱা শুনিব ঃ "পৃথিৱী বিচ্ছিন হৈ পৰিছে।" আমি বাতৰিত আৰু সৰ্ব্বসাধাৰণ কঠোপ কঠনত এই কথা শুনো। তাৰ মানে এই পৃথিৱীত হৈ থকা অন্যায়ৰ কথা সকলোৱে পাতে। কিন্তু কাৰ্য্যৰ অবিহনে কথাই ইয়াৰ মীমাংসা নানে। মোৰ প্ৰশ্ন হ'ল; "কোনে অন্যায়ৰ বিৰুদ্ধে বিদ্ৰোহ কৰিব আৰু ভুল বিষয়বোৰ শুদ্ধ কৰিবলৈ কাম কৰিব?"

মই সংকল্প কৰো মই কৰিম। অন্য বহু হাজাৰ লোকে স্থিৰ সিদ্ধান্ত লয় এইদৰে কাম কৰিবলৈ মই তাক জানো, কিন্তু হাজাৰজন আমাৰ লগত মিলিত হৈ কাম কৰাতো বিচাৰো।

## *আপুনি যিয়ে নকৰক সেইয়া কৰাৰ যোগ্য আপুনি*

আপুনি হয়তো ভাবিব পাৰে, জয়চ, পৃথিৱীত যি সমস্যা আছে তাৰ বাবে আমি যিয়েই নকৰো কিয় তাৰ দ্বাৰাই পোটোকা এটাও পেলাব নোৱাৰো। আপুনি কি অনুভৱ কৰিছে মই জানো, কাৰণ মইও এদিন সেইদৰেই ভাবিছিলো। কিন্তু আমি প্ৰত্যেকেই যদি এইদৰে ভাবো, কোনেও একো কৰিব নোৱাৰিব আৰু একো সলনি নহয়। যদিও বা আমাৰ ব্যক্তিগত চেষ্টাই সমস্যা সমাধান নকৰে, একলগ হৈ আমি ডাঙৰ পৰিবৰ্ত্তন আনিব পাৰো। আমি কি কৰিব নোৱাৰো ঈশ্বৰে তাৰ বিচাৰ নলয়, কিন্তু আমি যি কাম কৰিব পাৰো তাৰ হে বিচাৰ লয়।

অলপতে ভাৰত ভ্ৰমণৰ পৰা ঘূৰি অহাৰ পাচত জিমত প্ৰায়ে দেখা এগৰাকী মহিলাই মোক সুধিছিল — যদি মই সঁচাকৈ বিশ্বাস কৰো আমি কিমানক খোৱাইছো সেইটো নহয় এতিয়াও নিযুত মানুহ যে ভুকত আছে এই ভ্ৰমণৰ যোগেদি কিবা সমাধান হৈছেনে প্ৰয়োজনীয়তাখিনি পূৰ কৰিবলৈ। ঈশ্বৰে মোৰ হৃদয়ত কি দিছে মই তেওঁৰ লগত সেইয়া কথা পাতিলো — এই বিষয়ে মোৰ কিছুমান কথাৰ সমাধান হ'ল। আমি তিনিদিন নুখুৱাৰ বাবে যেতিয়া আপোনাৰ আৰু মোৰ ভোক লাগে আৰু সেই সময়ত যেতিয়া কোনোবাই এসাজ খাবলৈ দিয়াত আমাৰ পেটৰ যন্ত্ৰণা সেইদিনৰ বাবে কম হয় আমি সেই সহায় লমনে আৰু সুখী হমনে? নিশ্চয় আমি সুখী হ'ম। আৰু সেয়ে যি সকল লোকক আমি সহায় কৰো তেওঁলোক বহুতৰ কাৰণে অবিৰাম যত্ন লোৱা কাৰ্যসূচী স্থাপন কৰিব পাৰো, কিন্তু তাত আমি কেৱল এবাৰ বা দুবাৰ সহায় কৰিব পাৰো। তথাপিও মই জানো যে বাহিৰত গৈ সহায় কৰাটো মূল্যবান কাম। এজন ভুকত থকা শিশুক যদি আমি এসাজ খাবলৈ দিও, এইটো এটা মূল্যবান কাম। এদিনৰ কাৰণে যদি এজন মানুহক বিষ নহ'বৰ বাবে সহায় কৰিব পাৰো এইটোও এটা মূল্যৱান কাম। মই সদায় কি কৰিব পাৰো তাৰ সিদ্ধান্ত লওঁ আৰু ঈশ্বৰে মোক কি কৈছে তাক মনত ৰাখো, "এবাৰ এঘণ্টাৰ কাৰণেও যদি আপুনি কাৰোবাক কষ্টৰ পৰা উপশম দিব পাৰে, তথাপিও সেইটো মূল্যবান কাম।"

## *পৃথিৱীয়ে নিজৰ সুগন্ধ হেৰুৱাইছে*

মই ভাবো পৃথিৱীয়ে আমাক যি দিছে, বেছি ভাগেই সোৱাদহীন আৰু মই ইয়াত খাদ্যৰ কথা কোৱা নাই। উদাহৰণ স্বৰূপে, হলিউদত বনোৱা বেছি ভাগ ছবিয়েই সোৱাদহীন। বহুতো সংলাপ আৰু বহুতো প্ৰতিছবি নিম্ন খাপৰ আমোদৰ বাবে। সাধাৰণতে ভাল নলগা কোনো কথা দেখুৱালে আমি সকলোৱে পৃথিৱীক দোষাৰোপ কৰো। আমি এইদৰে কব খোজো "পৃথিৱীত কি হ'ব ধৰিছে?" তথাপিও "এই পৃথিৱী" বুলিলে পৃথিৱীত বাস কৰা লোকক বুজাই। মানুহৰ মনোভাৱ আৰু

কাৰ্য্য সোৱাদহীন হোৱাৰ কাৰণে পৃথিৱীয়ে নিজৰ সুগন্ধ হেৰুৱাই। যীচুৱে কৈছে আমি পৃথিৱীৰ লোণ, কিন্তু লোণে যদি তাৰ সোৱাদ হেৰুৱাই, ই একোৰ কাৰণেই ভাল নহয়। (মথি ৫:১৩) তেওঁ আৰু কৈছে যে আমি জগতৰ পোহৰ আৰু আমি আমাৰ পোহৰ লুকুৱাব নালাগে (মথি ৫:১৪)।

ইয়াৰ বিষয়ে এইদৰে ভাবক ঃ আপুনি ঘৰৰ পৰা ওলাই যাওঁতে প্ৰতিদিনে আন্ধাৰ আৰু সোৱাদহীন পৃথিৱীৰ বাবে পোহৰ আৰু সোৱাদ হ'ব পাৰে। সদায় ঈশ্বৰীয় মনোভাবেৰে আপুনি দৃঢ়প্ৰতিজ্ঞ হৈ আপোনাৰ কৰ্ম্মক্ষেত্ৰত আনন্দ আনিব পাৰে। সাধাৰণ কথাৰ মাজেৰে, যেনে সকলো মানুহে কৰাৰ দৰে অভিযোগ নকৰি কৃতজ্ঞতাপূৰ্ণ হৈ থাকি, ধৈৰ্য্য ধৰি, ক্ষমাশীল হৈ সোণকালে অপৰাধ ক্ষমা কৰি, মৰম আৰু উদ্যগনি দিয়াৰ দ্বাৰাই। আনকি সোৱাদহীন সমাজত সাধাৰণ হাঁহি আৰু বন্ধুতৰ মাজেৰে **সোৱাদ** আনিব পাৰি।

আপোনাৰ বিষয়ে মই নাজানো, কিন্তু মই সোৱাদহীন খাদ্য ভাল নাপাওঁ। এবাৰ মোৰ স্বামীৰ পেটৰ অসুখ হওঁতে ডক্তৰে অলপ দিনৰ কাৰণে সম্পূৰ্ণ সাধাৰণ খোৱা খাবলৈ দিছিল। মোৰ মনত পৰে, তেওঁ আনকি খাবৰ বাবে আগবঢ়া নাছিল। দেব অভিযোগকাৰী নাছিল, কিন্তু প্ৰত্যেক আহাৰৰ সময়ত তেওঁ কোৱা শুনিছিলো, "এইবোৰৰ একো সোৱাদ নাই।" ইয়াত অলপ নিমখ অলপ জলকীয়া লাগে — পৃথিৱীয়ে ঠিক সেইদৰেই বিচাৰে।

মৰম আৰু ইয়াৰ সকলো মহৎপূৰ্ণ গুণ নোহোৱাকৈ, জীৱনটো অহাৰ আৰু জীয়াই থকাৰ উপযোগী নহয়। আপুনি চিন্তা কৰিবলৈ চেষ্টা কৰাটো মই বিচাৰো। মাত্ৰ ভাবক ঃ আজি মই এনে এখন পৃথিৱীলৈ ওলাই যাবলৈ ওলাইছো, আৰু সকলো ভাল প্ৰভাৱেৰে তাক পূৰ্ণ কৰি তুলিবলৈ। আপুনি যেতিয়াই ঘৰৰ বাহিৰত ভৰি দিয়ে আপুনি ঈশ্বৰৰ এজন প্ৰতিনিধি হিচাবে গৈছে বুলি মনতে স্থিৰ কৰক আৰু আপোনাৰ লক্ষ্য হ'ব লাগে দান দিওতা হিচাবে, মানুহক প্ৰেম কৰিবলৈ আৰু তেওঁলোকৰ জীৱনত ভাল সুবাস বিলাই দিয়াৰ দ্বাৰাই। গোটেই দিনটোত যি সকল ব্যক্তিৰ সন্মুখিন হয় আপুনি তেওঁলোকক হাঁহিৰে আদৰণি জনাওঁক। মিচিকিয়া হাঁহি, গ্ৰহণ কৰা আৰু সমৰ্থন কৰাৰ প্ৰতীক, যিটো পৃথিৱীৰ বেছিভাগ মানুহে উৎকণ্ঠাৰে বিচাৰে। ঈশ্বৰৰ ওচৰত নিজকে সংৰক্ষিত ৰাখক আৰু তেওঁত বিশ্বাস ৰাখক যেতিয়া আপুনি চাৰিওফালে গৈ ভাল গুটি সিঁচাৰ সংকল্প লয় যাৰ দ্বাৰা আনৰ আশিৰ্ব্বাদ হয়, সেই সময়ত ঈশ্বৰে আপোনাৰ তত্ত্বব্যধান লয়।

## *আপোনাৰ মাজত পৰিবৰ্ত্তন আৰম্ভ হয়*

আপুনি সকলো যে কৰিব নোৱাৰে মই বুজি পাওঁ; সেই সকলোৰ বাবে মই আপোনাক প্ৰশ্ন নকৰো। আপুনি কিছুমান কথা নোৱাৰো বুলি কব লাগিব বা আপোনাৰ জীৱনটো মানসিক হেচাত পুৰ কৰিব লাগিব। মই ল'ৰা-ছোৱালীক পঢ়োৱাব নোৱাৰো বা বয়সস্থ লোকক আহাৰ বাঢ়ি দিব নোৱাৰো, কিন্তু পৃথিৱীত ভাল সলনি আনিবৰ বাবে মই আৰু বহুতো বেলেগ কাম কৰো। আমাৰ

প্ৰত্যেকৰে প্ৰশ্নৰ উত্তৰ এইদৰে হ'ব লাগে বুলি মই ভাবো, "আনৰ জীৱন ভাল কৰিবলৈ মই কি কৰিছে?" ইয়াতকৈয়ো বোধহয় ভাল প্ৰশ্ন হ'ব, "কোনোবা এজনৰ জীৱন ভাল কৰিবলৈ মই আজি কি কৰিছো?"

কোনো সময়ত হয়তো এই কিতাপখন পঢ়িবলৈ অসুবিধা লাগিব কাৰণ ভাল নলগা কিছুমান বিষয় ইচ্ছা কৰি ইয়াত লিখা হৈছে। কিন্তু আমাৰ প্ৰত্যেককে জনাবৰ বাবে ইয়াৰ প্ৰয়োজন। দুৰ্ঘটনাবশত একো ভাল কথা সম্ভৱ নহয়। আমি যদি বিপ্লবৰ অংশ হব খোজো, তাৰ মানে পৰিস্থিতিৰ সলনি হ'ব লাগিব, আৰু মানুহে যেতিয়ালৈকে কাম নকৰে পৰিস্থিতিৰ সলনি নহয়। আমি প্ৰত্যেকে কব লাগিব ঃ মোত পৰিবৰ্ত্তন আৰম্ভ হৈছেহ্ল

দুৰ্ঘটনাবশত কোনো ভাল কাম নহয়। আমি যদি বিপ্লবৰ অংশ হ'ব খোজো, তাৰ মানে পৰিস্থিতিৰ সলনি হ'ব লাগিব, আৰু মানুহে যেতিয়ালৈকে কাম নকৰে পৰিস্থিতিৰ সলনি নহয়। আমি প্ৰত্যেকে ক'ব লাগিব ঃ মোত পৰিবৰ্ত্তন আৰম্ভ হৈছেহ্ল

## প্ৰেমৰ বিপ্লৱী
*ডাৰলিন জেচিকচ*

ইয়াত আটাইতকৈ জটিল ব্যাখ্যা কৰিব নোৱাৰা সমস্যা হ'ল হৃদয়ৰ যাত্ৰা। আনন্দজনক আৰু দুখৰ, আশা আৰু বাটচোৰা, উচ্চ আৰু নীচ ... আৰু দুখেৰে বহুতো হৃদয়ে কি দৰে কাম কৰে। সেইয়া কবনোৱাৰা ধৰণৰ নিৰাশাবাদ কিন্তু তাতকৈ বেছি জানিবলৈ আমি ইচ্ছা নকৰো। ঈশ্বৰৰ মহান প্ৰেমত ভাৰসা ৰখা আৰু তেওঁৰ পৰা শক্তি লাভ কৰা কথা যেতিয়া কোনো এজনে বুজি নোপোৱাকৈ থাকে, তেতিয়া বাস্তৱিক কঠোৰতাৰ মাজতো জীয়াই থাকিবলৈ মানুহৰ হৃদয়ে মুকাবিলা কৰিবলৈ পথ বিচাৰে। আজি এনে পৰিস্থিতিতেই অসংখ্য মানুহে নিজকে বিচাৰি পায়, ধনীৰ পৰা দুখীয়ালৈ, হৃদয়ৰ দুৰ্ব্বলতাই কেনেকুৱা ঘৰ বাচিলব তাত পাৰ্থক্যতা নানে।

যিচয়া ভাববাদীয়ে জাগতিক প্ৰেমৰ বিপ্লৱৰ বিষয়ে কৈছে — যিচয়া ৬১:১১ বাক্যই যিদৰে ব্যাখ্যা কৰিছে এদিন মানুহে ন্যায় বিচাৰি পাব য'ত প্ৰেম প্ৰকাশ পাব ... আৰু যীচুৱে বাট-পথ নোহোৱা ঠাইৰ মাজেৰে বাট উলিয়াব। "কিয়নো পৃথিৱীয়ে যেনেকৈ নিজ গছবোৰৰ কলি মেলায়, আৰু বাৰীয়ে যেনেকৈ তাত ৰোৱা সকলোকে গজায়, তেনেকৈ প্ৰভু যিহোৱাই সকলো জাতিবিলাকৰ সাক্ষাতে ধৰ্ম্মিকতা আৰু প্ৰশংসা উৎপন্ন কৰিব।" সেয়ে (সঁচাকৈয়ে) ঈশ্বৰ যিহোৱাই সমগ্ৰ দেশলৈ সত্যতা, ন্যয় আৰু প্ৰশংসা আনিব (তেওঁৰ বাক্যৰ শক্তিৰ মাজেৰে)।

প্ৰেমৰ বিপ্লৱ কেৱল এটা ডাঙৰ উদ্দেশ্যই নহয়, কিন্তু সম্পূৰ্ণ প্ৰয়োজনীয় চিন্তা বিষয়... বিশেষকৈ পৃথিৱীৰ চাৰিওফালে ঘূৰি দুখলগা অন্যায়বোৰ চাই আমি যদি বিশ্বাস কৰো... তেওঁলোক সকলোৰে আটাইতকৈ ডাঙৰ দুখ হ'ল, মানৱজাতিৰ ভগ্ন হৃদয়ৰ দুখ।

আমাৰ মনৰ চিন্তাত বাৰে বাৰে ভাঙোন আনে যেতিয়া HIV/AIDS ৰ দ্বাৰা আক্ৰান্ত হৈ জৰাজীৰ্ণ শৰীৰেৰে এগৰাকী কমবয়সীয়া মাতৃয়ে নিজৰ শিশুটিক গাখীৰ খোৱায়। কিন্তু তেওঁ কি কৰিব চিন্তা কৰি, নিজে ভালেই কৰি আছো বুলি ভাবি মৰণাত্মক বেমাৰৰ দ্বাৰা শিশুটি আক্ৰান্ত হ'ব বুলি জানিও তেওঁ গাখীৰ খোৱাই আছেনে, বা পুষ্টিকৰ আহাৰৰ অভাৱত সন্তানটি ভুকত থকা দেখিহে? এই মাতৃৰ হৃদয় ভাগি যোৱাতকৈও যন্ত্ৰণাদায়ক কথা হ'ল মোৰ দৰেই তেৰোঁ এগৰাকী মাতৃ, তেওঁৰ তৎতাৱধানত যদি সন্তানটিক ডাঙৰ-দীঘল কৰিবলৈ সুবিধা দিয়া যায় তেতিয়া তেওঁ নিশ্চয় আনন্দ লাভ কৰিব।

খাবলৈ আহাৰ নোহোৱাকৈ, পানী নোহোৱাকৈ, আৰু একো কৰিবলৈ নোহোৱাকৈ চাৰিওফালে ডেকা, পুৰুষ-মহিলা ঠিয় হৈ থকা দৃশ্যই অন্তৰৰ ভিতৰখন যেন ভাঙি দিয়ে আৰু অনবৰতে আশাভংগৰ দ্বাৰা হৃদয় ভৰি পৰে। অসংখ্য সপোনেৰে তেওঁলোকৰ হৃদয় আৰু মন পৰিপূৰ্ণ, কিন্তু তাৰ বাবে তেওঁলোকে যদি স্কুললৈ যোৱাৰ পথ পায় আৰু খাবলৈ কিবা কিনিব পাৰে।

চুৰান্ত দৰিদ্ৰতাৰ যেতিয়া সদায় সন্মুখিন হয় হতাশাত ভুগি মানুহে যি কৰিবলৈ লয় সেয়া আচৰ্য্যজনক কথা, আনৰ হানি কৰে আৰু ইজনে সিজনৰ প্ৰতি ভাবিব নোৱাৰা ধৰণৰ হিংসামূলক কাৰ্য্য কৰে, এনেকৈয়ে মানুহৰ জীৱনৰ মূল্য অতি ক্ষুদ্ৰ হৈ পৰে। কিন্তু কেৱল হৃদয়েহে এই সকলো কষ্ট সহ্য কৰে।

চাহাৰাৰ আশে পাশে থকা আফ্ৰিকা দেশত চৌধ্য বছৰীয়া এটা ল'ৰাই নিজৰ সৰু ভাই-ভনী আৰু ভতিজাক টিনেৰে ঢকা সৰু জুপুৰিত ডাঙৰ-দীঘল কৰিছিল, য'ত সৰু খেতিৰ পথাৰত তেওঁ গোটেইদিন কাম কৰিছিল, উৎকণ্ঠাৰে সকলোকে ৰাখিবলৈ চেষ্টা কৰিছিল, তাৰ ভিতৰত নিজকো, স্কুললৈ যাবলৈ আৰু প্ৰতিদিন খাবলৈ আহাৰ বিচাৰিছিল সকলোকে শক্তিমান কৰি ৰাখিবলৈ। HIV ৰ কাৰণে তেওঁৰ পিতৃ-মাতৃৰ মৃত্যু হৈছিল আৰু সেয়ে চহৰৰ পৰা ল'ৰা-ছোৱালীবোৰক বাহিৰ কৰি দিছিল তেওঁলোকৰো এই বেমাৰ হ'ব বুলি। বৈষমতা ইমান বেছি, সেয়া এতিয়াও পৰীক্ষা কৰিবলৈ বাকী আছে। চৌধ বছৰীয়া ল'ৰাটোৰ নেৰা-নেপেৰা কঠিন কাম, বেমাৰ আৰু অনিশ্চয়তাৰ কাৰণে অতি সাহসী হৃদয় দুৰ্বল হৈ পৰিছিল।

চিদনী আৰু অষ্ট্ৰেলিয়াৰ কম বয়সীয়া মাতৃ যি নিজৰ সন্তান আৰু স্বামীৰ কাৰণে নিজৰ জীৱনটো উৎসৰ্গা কৰিছিল, তেওঁ গম পালে তেওঁৰ স্বামীয়ে বহু মাহ ধৰি তেওঁক ঠগি আছিল আৰু নতুনকৈ "বিচাৰি" পোৱা মহিলা গৰাকীক বিয়া কৰাব খোজে। এই মহিলা গৰাকীয়ে অকলশৰীয়া, মূল্যহীন, অপমানবোধ কৰিছিল আৰু ভৱিষ্যতৰ বাবে এতিয়া কেৱল স্বামীৰ অবিহনেই নহয় কিন্তু কিছুদিন সন্তানৰ অবিহনেও থাকবিলগা হৈছিল কাৰণ সন্তানক কোনে ল'ব তাৰ বাবে স্বামীয়ে যুজ কৰিছিল। সেইবাবে তেওঁৰ হৃদয় ভাগি পৰিছিল আৰু উশাস লোৱাত কষ্ট হৈছিল, আৰু আগলৈ কি হ'ব তেওঁ ভাবিব পৰা নাছিল।

ওগান্দাৰ ওচৰত ল'ৰা-ছোৱালীলৈ সহায় আগবঢ়োৱা এটা অনুস্থাৰ অতি আচৰিত ধৰণৰ এগৰাকী পৰিচালিকাৰ লগত বহি কথা পতা মোৰ মনত পৰে, আৰু আমি কথা পাতি যাওঁতে, তেওঁ মোৰ লগত আলোচনা কৰিছিল, যদিও তেওঁলোকে সেই ঠাইৰ মাউৰা ল'ৰা-ছোৱালীক ৰক্ষা কৰি যথেষ্ঠ সহায় কৰিছিল, তথাপি তেওঁলোকে অতি সোনকালে বিচাৰি পোৱা বেছি ভাগ ল'ৰা-ছোৱালীয়েই দুখলগা অৱস্থাত জীয়াই আছিল। তেওঁ ভগ্ন হৃদয়েৰে কথাবোৰ কৈ থাকোতে, তেওঁ যদিও দুৰ্ব্বল আৰু হতাশ হোৱা নাছিল, তথাপিও অতি সোনকালে কথাবোৰ উচুপনিলৈ পৰিৱৰ্ত্তিত হোৱা দেখি মই ঠিয় হৈ তেওঁৰ ভাগৰি যোৱা বাহু দুটাত হাত বুলাই দিছিলো। মানবীয়তাৰ খাতিৰত তেওঁলোকে যিমান পাৰে তেওঁলোকৰ ওচৰ চাপিবলৈ সহায় আগবঢ়াইছিল, তথাপিও ভুকত আৰু অকলশৰে ল'ৰা-ছোৱালীবোৰ শুবলৈ যোৱা কথা লক্ষ্য কৰি আৰু শুনি তেওঁৰ ভাগৰি যোৱা আত্মই এই সকলো দৃশ্য মনত ৰাখিছিল।

এতিয়াৰ পৰা অনন্ত কাললৈকে এনেকুৰা ঘটনাবোৰ ঘটিয়েই থাকিব, জীয়াই থাকিবলৈ মানুহে যুজ-বাগৰ কৰিয়েই থাকিব, আফ্ৰিকাৰ অন্তৰ ভাগৰ পৰা অতি বেছি মানুহেৰে ভৰপুৰ এছিয়া, আমেৰিকাৰ পৰা OZ। যিফালেই আপুনি চাই তাতেই ভগ্নহৃদয়ৰ সমস্যাৰে পৰিপূৰ্ণ, যদিও

ট্ৰাকেৰে ভৰপুৰ খাদ্যৰ টোপোলা আৰু বেমাৰ নিৰ্ব্বাপক বেজি, পৰামৰ্শদাতা আৰু সমজোৰা ভাৱে সহায় কৰা হয়, তথাপিও ইয়াৰ ওপৰিও আমাক আৰু বহুত লাগে এই বিপদপূৰ্ণ কাৰ্য্যক্ৰম নাশ কৰিবলৈ। প্ৰেমৰ বিপ্লৱ... ইয়াতেই আমি জীৱনৰ উদ্দেশ্য বিচাৰি পাওঁ।

দৃঢ় আৰু স্পষ্ট ভাৱে লুক ৪ অধ্যায়ত এই শিক্ষা পাওঁ ঃ

"প্ৰভুৰ আত্মা মোৰ ওপৰত আছে, কিয়নো দৰিদ্ৰবিলাকৰ আগত শুভবাৰ্ত্তা প্ৰচাৰ কৰিবলৈ, তেওঁ মোক অভিযুক্ত কৰিলে; বন্দীয়াৰৰ আগত মুক্তিৰ আৰু অন্ধসকলৰ আগত পুনৰায় চকু পোৱাৰ কথা ঘোষণা কৰিবলৈ, নিস্পেষিতসকলক মুকলি কৰিবলৈ, আৰু প্ৰভুৰ গ্ৰাহ্য বছৰ ঘোষণা কৰিবলৈ মোক পঠালে।" (লুক ৪:১৮-১৯)

এই অংশটো বাৰে বাৰে পঢ়োতে, মোক মনত পেলাইদিয়ে আনৰ জীৱন ভাল কৰিবলৈ আমাৰ যি প্ৰয়াস সেইয়া স্পষ্ট হ'ব লাগে... সৰু সৰু দৃষ্টিভঙ্গীৰ পৰা ডাঙৰ আঁচনিলৈ ... পৃথিৱীত থকা ভাই আৰু ভনীসকলৰ আৱশ্যকতাৰ কাৰণে আমি যি পাৰো কৰিবলৈ নিজকে আগবঢ়াই দিয়াৰ এইয়ে সময়, নিজৰ পদমৰ্য্যাদাৰ পৰা ঘূৰি ঠিয় হোৱাৰ আৰু নিজৰ আৰামদায়ক জীৱন সম্পূৰ্ণ ত্যাগ কৰি।

মানুহৰ জীৱনলৈ প্ৰকৃততে প্ৰেম কঢ়িয়াই অনাৰ এটা শক্তিশালী শব্দ আছে... আৰু সেই শব্দটো হ'ল **আশা**। পবিত্ৰ বাক্যই কৈছে... মোৰ আত্মাৰ লঙ্গৰ স্বৰূপে এই আশা আমাৰ আছে, (ইব্ৰী ৬:১৯) আৰু গীতমালা ৩৯:৭ পদত কৈছে "হে প্ৰভু, তেনেহলে মই কিহলৈ অপেক্ষা কৰিম ? মোৰ আশা তোমাতেহে আছে।" পৰিস্থিতিটো হতাশাজনক বা অসম্ভৱ যেন লাগিলেও, আশা সদায় জীয়াই থাকে। দুখত থকা সকলৰ কাৰণে আমাৰ পৰিচৰ্য্যাই বিশ্বাস আৰু প্ৰেমেৰে সৈতে আশা কঢ়িয়াই আনে।

যি সকল অতি অভাৱগ্ৰস্থ পৰিৱেশৰ মাজত থাকে তেওঁলোকৰ কাৰণে কি কৰিব পাৰো তাৰ উত্তৰ বিচাৰি মোৰ হৃদয়ে খুব চেষ্টা কৰিছিল আৰু প্ৰত্যাহ্বান দিছিল ক্লান্তিৰ মাজতো। কিন্তু আশ্চৰ্য্যজনক ভাৱে যাৰ একো নাছিল আৰু যাৰ পৰিবেশ আশাহীন যেন দেখা গৈছিল তাৰ মাজত যদি আপুনি থাকে এই আচৰিত মানুহবোৰৰ মাজত আপুনি ঈশ্বৰৰ শক্তিশালী অনুগ্ৰহ লাভ কৰিব। তথাপিও জীৱন যাত্ৰাত দুখ কষ্টৰ মাজেৰে আগবাঢ়ি যাওঁতে, ঈশ্বৰে আকৌ পোহৰ দিয়ে। জখৰিয়া ৯:১২ পদত লিখাৰ দৰে মই বহুতো "বন্দী সকলৰ আশা দেখা পাওঁ (মই সেই ভাবটো ভাল পাওঁ) ... যিসকলে সাধাৰণভাৱে আৰু সকলো অন্তৰেৰে বিশ্বাস কৰে আৰু জানিবলৈ ইচ্ছা কৰে তেওঁলোকক উত্তৰ দিওতা আৰু প্ৰয়োজনীয়তা দান কৰোতা কেৱল যে ঈশ্বৰেই হয় তাক বুজি পাওঁ।

মোৰ আত্মিক জীৱনৰ আটাইতকৈ ডাঙৰ গুৰুত্ব পূৰ্ণ ইচ্ছা হ'ল, ঈশ্বৰক প্ৰেম কৰা আৰু মোৰ গোটেই জীৱনত তেওঁৰ প্ৰশংসা স্তুতি কৰা। তেওঁক বিচৰা, প্ৰেম কৰা আৰু সেৱা কৰা। জীৱনত উপসনাৰ গুৰুত্ব শিকা, তেওঁৰ উপস্থিতিৰ গভীৰতা আৰু তেওঁৰ আচৰিত অনুগ্ৰহ ব্যাখ্যা কৰিব

নোৱাৰা দান আৰু অনন্ত জীৱনৰ সকলো নিশ্চয়তা আমাক লাগে, তেওঁ আমালৈ যি কৰিলে আৰু কৰি আছে তাৰ বাবে আমি **ধন্যবাদ** দিব লাগে। এটা ডাঙৰ শিক্ষা লাভৰ কাৰণে নিয়মানোবৰ্ত্তিতা আয়ত্ব কৰা, জীৱন যুদ্ধৰ মাজতো যীচুক বিশ্বাসৰে প্ৰশংসা কৰা, আৰু গৌৰৱান্বিত কৰা এই সকলো হৃদয়ৰ গভীৰতাৰ পৰা মই শিকিবলৈ প্ৰয়াস কৰিছো, কিন্তু মোৰ বাবে সদায়ে এটা প্ৰশ্ন হ'ল, গৌৰৱ প্ৰশংসাৰ মাজেৰে ঈশ্বৰে সঁচাকৈয়ে আৰু কি বিচাৰিছে। আৰু আমি গোৱা গানতকৈ উপাসনাৰ বেছি প্ৰয়োজন, পবিত্ৰ বাক্যৰ মাজেৰে তেওঁৰ হৃদয়ৰ ধ্বনি মই সদাইয়ে শুনি আছো। কিন্তু আজি পৃথিৱীয়ে তেওঁৰ হাত আৰু ভৰিৰ স্পৰ্শ ব্যাকুল ভাৱে বিচাৰে। মই মোৰ জীৱন তেওঁত অৰ্পন কৰো।

বহুবছৰৰ আগতে, কিছুমান AIDS ৰ আশ্ৰমত থকা ধুনীয়া আফ্ৰিকাৰ ল'ৰা-ছোৱালী চাবলৈ গৈছিলো, তেওঁলোক সকলো অনাথ আছিল যদিও আগ্ৰহেৰে ভৰপুৰহৈ জীয়াই থকাৰ **আশা** কৰিছিল। তেওঁলোকে ঠিয়হৈ মোৰ বাবে গান গালে... **সকলো কথাই সম্ভৱ হয়**, কুমলীয়া মাতেৰে পৰিবেশটো যেতিয়া জীয়াই থকাৰ আনন্দেৰে পূৰ্ণ হৈছিল মই তাৰ বাবে প্ৰত্যাহ্বান আৰু অনুপ্ৰেৰণা পাইছিলো। আমাৰ জীৱনৰ বাবে ঈশ্বৰৰ শক্তিশালী **বাক্য** পাহৰিব নোৱাৰা মুহূৰ্ত্ত আৰু পাহৰিব নোৱাৰা উদ্যগনি আছিল।

ইব্ৰী ১৩:১৫ পদত কৈছে "এতেকে আহঁ, আমি তেওঁৰেই দ্বাৰাই সদায় ঈশ্বৰৰ উদ্দেশ্যে প্ৰশংসা ৰূপ যজ্ঞ, অৰ্থাৎ তেওঁৰ নাম ওঁঠেৰে স্বীকাৰ কৰি তেওঁৰ গৌৰৱ প্ৰশংসা কৰোঁহক।" ১৬ পদত আকৌ কৈছে "কিন্তু উপকাৰ আৰু সহভাগিতাৰ কাৰ্য্য নাপাহৰিবা; কিয়নো এনে যজ্ঞত ঈশ্বৰ সন্তুষ্ট হয়।

এই পৃথিৱীত এটা আটাইতকৈ ডাঙৰ আনন্দ হ'ল, ঈশ্বৰৰ উদ্দেশ্যে গীত গোৱা, অনন্তকালৰ মহান স্তুতিগীতত অংশ গ্ৰহণ কৰা। শক্তিৰে, সীমাবদ্ধতাৰে ডাঙৰ কাৰ্য্যসম্পন কৰিবলৈ আমি তেওঁৰ উপস্থিতিৰ দ্বাৰা পূৰ্ণ হওঁ... স্বৰ্গলৈ হাত মেলিবলৈ আমাৰ হাত শক্তিমান হওঁক... পৰিচৰ্য্যা কৰাৰ মনোভাবেৰে আমাৰ হাত প্ৰস্তুত কৰা হওঁক। আগষ্টাইনে যেনেকৈ কয় "মূৰৰ পৰা ভৰিৰ আঙুলিলৈকে ঈশ্বৰৰ গৌৰৱেৰে আমাৰ জীৱনটো পূৰ্ণ হ'ব লাগে।"

স্বৰ্গ আৰু পৃথিৱীৰ সৃষ্টিকৰ্ত্তাই বিচৰাৰ দৰে কেৱল গানৰ দ্বাৰাই উপাসনা কৰাটো, আৰম্ভণি মাত্ৰ। নতুন গান গাবলৈ চল্লিশত কৈও বেছি বাৰ বাই বেলত কোৱা হৈছে, আনকি ঈশ্বৰৰ সমুখলৈ দান আৰু আমাৰ ধাৰ্ম্মিকতা বাধ্যতা মূলকভাৱে আনিবলৈ আমি আমন্ত্ৰিত হৈছো। কিন্তু সক্ৰিয় ভাৱে আমাৰ **জীৱন**টো দান হিচাবে উৎসৰ্গ কৰিবলৈ বাইবেলত প্ৰায় ২০০০ বাৰ ব্যাখ্যা কৰা হৈছে, জীৱনৰ বেলেগ বেলেগ পৰিস্থিতিত যুজি থকা সকলক চাবলৈ। এইটো ভালদৰে মনত ৰাখিব লাগে প্ৰাৰ্থনাৰ বিনে, ঈশ্বৰৰ বাক্য ধ্যায়ান নকৰাকৈ আৰু যীচুৰ সৈতে সৰলতা আৰু আশ্বৰ্য্যজনক মুহূৰ্ত্তবোৰত ভাৰসা নকৰাকৈ... আমাৰ সহায়ৰ কাৰ্য্যবোৰ সাধাৰণতে **"কামত নিৰ্ভৰ"** কৰাৰ দৰে হয়, আমি কাৰ বাবে কাৰ্য্য কৰিছো, সেইটো চিন্তা নকৰি তাৰ সলনি আমি কৰা পৰিচৰ্য্যাৰ কাৰ্য্যসূচী প্ৰচাৰ কৰাতহে আমি ব্যস্থ হওঁ।

নিশ্চয় উপাসনাৰ সময়ত তেওঁৰ উপস্থিতিত আপুনি তেওঁৰ সন্মুখা-সন্মুখি হয়, আৰু নিজকে উৎসৰ্গ কৰাৰ দ্বাৰাই হৃদয়ৰ পৰিবৰ্ত্তন হয়। যিহেতু খ্ৰীষ্টায়ান জীৱনৰ যাত্ৰা হৃদয়ৰ যাত্ৰা হয়, আপোনালোক সকলোৱে সমস্ত মনেৰে **উপসনা** কৰিবলৈ শিকাতো এক গুৰুত্বপূৰ্ণ প্ৰক্ৰিয়া যে হয় তাক নিশ্চয় গম পাইছে। যেতিয়া তেওঁৰ পৰিচৰ্য্যা কৰিবলৈ আহে ঈশ্বৰৰ **সত্যতা** সদায় বিচাৰক তেহে আপোনাৰ হৃদয়ৰ মুলনীতিত বিশ্বাসে সিদ্ধান্ত ল'ব, আমাৰ হৃদয় সুৰক্ষিত হ'ব আৰু উপযুক্ত বিষয় বুলি যত্ন ল'লে ঈশ্বৰেও সেই বিষয়ত চিন্তা কৰে।

"সকলো পৰিশ্ৰমেৰে তোমাৰ হৃদয় ধৰি ৰাখা,
কাৰণ ইয়াৰ পৰাই জীৱনৰ ভুমুক বাহিৰ হয়।"
(হিতোপদেশ ৪:২৩)

কেইবছৰমান আগতে চিকাগোৰ ওচৰত উইলস ক্ৰিক কমিউনিতি গীৰ্জ্জাৰ পৰা পালক বিল্ল হাইবেলএ প্ৰত্যাহ্বান দিয়া কথা মই কেতিয়াও নাপাহৰো; তেওঁ কৈছিল খ্ৰীষ্ট্ৰীয়ান আৰু খ্ৰীষ্টীয়ান নেতা স্বৰূপে অন্যায়ৰ বিৰুদ্ধে কথা পতা আৰু DVD ত এইবোৰ চোৱা ভাল নহয়, তেওঁ কয় দৰিদ্ৰতাই আমাক স্পৰ্শ কৰিব লাগে, আমাক সংযুক্ত কৰিব লাগে... জীয়াই থকাৰ বাস্তৱিকতা এক অৰ্থপূৰ্ণ অনুভুতি যাক সহজতে পাহৰিব নোৱাৰি, তদুপৰি আমি কিবা কৰিলো বুলি ভাবি টকা পঠিৱাটোৱেই যথেষ্ট নহয়। কিন্তু ঈশ্বৰৰ মহান প্ৰেমৰ দ্বাৰাই আমন্ত্ৰিত হৈ কাৰ্য্য কৰিব লাগে — সেয়ে আমি তেওঁৰ প্ৰেম আৰু জীৱনৰ কথা আনৰ সৈতে আলোচনা কৰিব লাগে আৰু পথ স্থিৰ কৰিবলৈ আমি **তেওঁত** ভৰসা কৰিব লাগে। জীৱনত চলি যাবলৈ ঈশ্বৰে আমন্ত্ৰিত কৰা যাত্ৰা এইয়া। আমাৰ প্ৰেম কাৰ্য্যৰ দ্বাৰাই প্ৰকাশ পায়। আমাৰ জীৱনৰ সকলো কাৰ্য্য উপাসনাৰ দ্বাৰাই পৰিচালিত হয়।

"আৰু যি কোনোৱে এনে ল'ৰা এটিক
মোৰ নামেৰে গ্ৰহণ কৰে,
তেওঁ মোকেই গ্ৰহণ কৰে।"
(মথি ১৮:৫)

"কোনে মোৰ শিশুটিক চাব?" মৃত্যুৰ মুখত পৰি মাতৃয়ে কান্দিছিল, পৃথিৱীৰ চাৰিওফালে থকা বহুতো নিযুত শিশুৰ দৰে তেওঁৰ সন্তানেও নতুন মাকক বিচাৰিব বুলি তেওঁ জানে। কেন্সাৰ ৰোগত আক্ৰান্ত মোৰ বন্ধুৱেও সেই একেই প্ৰাৰ্থনা কৰি কন্দা মই লক্ষ্য কৰিছিলো। জীৱনৰ আন্ধাৰ মুহূৰ্ত্তত হৃদয় ভাগি পৰা বা ভিতৰৰ পৰা ওলোৱা হুমুনিয়াহৰ কথা ভাবিবলৈ কষ্ট হয়। তাইৰ প্ৰতি মোৰ চিঞৰিবলৈ মন গৈছিল। **"আমি পাৰিম"** প্ৰকৃততে এইয়ে এটা পৰিস্থিতি য'ত আমি কাৰ্য্য কৰিবলৈ যুগুত হ'ব লাগে, কষ্ট কৰি চলি, প্ৰাৰ্থনা আৰু **বিশ্বাস** আৰু বিশ্বাসেৰে ওলাই যাব লাগে। অনাথ সন্তান বিচাৰি আপুনি পিচপৰা পৃথিৱীত বাস কৰিব নালাগে যাৰ পৰিয়ালৰ প্ৰয়োজন, বা বন্ধুতৰ সন্ধান বিচৰা অকলশৰীয়া লোক; য'ত চৰকাৰৰ প্ৰণালীবোৰৰ মাজত সন্তানবোৰৰ জীৱন

তল-ওপৰ হৈ থাকে আমি প্ৰত্যেকে তেনে এখন চহৰত বাস কৰো য'ত তেওঁলোকৰ প্ৰয়োজনীয়তা পুৰ কৰিবলৈ চেষ্টা কৰা হয় সেয়ে আমি আৰু মণ্ডলীয়ে এই সকলো পুৰ কৰাত সহায় কৰিব পাৰো।

মই মণ্ডলী ভাল পাওঁ... তাই পাৰ্থক্যযুক্ত আছিল আৰু সঁচাকৈয়ে পৃথিৱীৰ চৰিওফালে দৃঢ় বিশ্বাস আৰু উজ্জলতাৰ ভাবেৰে উজ্জলি উঠিছিল। কিন্তু যেতিয়া ঈশ্বৰক প্ৰথম আৰু সকলোতকৈ ভাল পাইছিল সেই সময়ত মণ্ডলী তেওঁৰ কাৰণে, উত্তম আছিল, সেই সকলোৰে সৈতে তেওঁ... আৰু তেতিয়া কষ্ট পোৱা সমাজ আৰু ভাগিপৰা পৃথিৱীক সহায় কৰিবলৈ মণ্ডলীয়ে সহায়ৰ হাত আগবঢ়াইছিল। যীচুৰ সৈতে সকলো মানুহকে সংযোগ কৰিবলৈ আৰু ইয়াৰ মুলতে হ'ল দৰিদ্ৰৰ বিচাৰ বা সমালোচনা নকৰাকৈ, কেৱল মাত্ৰ **প্ৰেমেৰে** ... আৰু প্ৰেম কৰাটো অতি মূল্যবান, আৰু ই ক্ৰিয়া হয়... বিশেষণ নহয়। যি সকলৰ কোনো প্ৰতিবাদ কৰাৰ ক্ষমতা নাই তেওঁলোকৰ লগত একেলগে আমি সঁচাকৈয়ে ঠিয় হ'ব পাৰো... ঈশ্বৰ যিহোৱাক আমাৰ সকলো হৃদয়, আত্মা, মন আৰু শক্তিৰে ভাল পাই... **আৰু** ওচৰচুবুৰীয়াক নিজৰ নিচিনাকৈ প্ৰেম কৰি। সঁচাকৈয়ে আশৰ্য্যজনকল্ল

সেয়ে বাহ্যিক ভাবে দেখা এই বৃহত আশাহীনতাৰ আমি কেনেকৈ সমাধান কৰিম? বিপদগ্ৰস্থ হৈ জেলত আবদ্ধ থকা সকলৰ কাৰণে আমি কেনেকৈ দুৱাৰ খুলিম?

আমি **কোনেও** নিজৰ শক্তিৰে ইয়াৰ সমাধান আনিব নোৱাৰো। আনকি পৃথিৱীৰ আটাইতকৈ জ্ঞানী আৰু ইচ্ছা থকা বিশ্ব প্ৰেমিক জনেও নোৱাৰে। তেওঁলোককো আনৰ **প্ৰয়োজন** হয় আৰু বেলেগ বেলেগ দলৰ কৰ্মকৰ্ত্তা সকলে অভিমত প্ৰকাশ কৰে যে একেলগে মিলি কাম কৰাৰ দ্বাৰাই সফলতা লাভ হয়। কিন্তু নিশ্চয় আমি আৰম্ভ **কৰিব** লাগে; আমি সন্তানৰ তত্ত্বাবধানৰ দায়িত্ব ল'ব লাগে, আমাৰ সমাজত ভাগিপৰা সকলৰ বাবে আমি মাত মাতিব লাগে, পোহপাল দিয়া বিষয়ত যদি আপুনি পাৰে সহায় কৰক (যেনে, তৎকালীন সাহায্য কৰা, দীৰ্ঘদিনীয়া বা অলপ সময়ৰ কাৰণে সহায় কৰা, সপ্তাহত চুটিৰ দিনত বন্ধুত্ব স্থাপন কৰি), সহায় কাৰ্য্যৰ কাৰণে ধন সংগ্ৰহ কৰি বা নিজৰ অন্তৰত প্ৰয়োজনীয়তা অনুভৱ কৰি, নিজৰ মণ্ডলীৰ লগত থাকি আগভাগ লোৱা আৰু অনুস্থানবোৰ কাৰ্য্যক্ষম কৰা, সাধাৰণভাৱে থাকি — দিয়াৰ দ্বাৰাই জীয়াই ৰাখিবলৈ যত্ন কৰক, এনেই খৰছ নকৰিব... খৰছৰ তালিকা এখন প্ৰস্তুত কৰক।

কিন্তু প্ৰতিদিনে জীয়াই থাকিবৰ কাৰণে যিবোৰ সুবিধা পাওঁ সেইবোৰ সমানেই গুৰুত্বপূৰ্ণ। আমাৰ হৃদয় আৰু জীৱনৰ কাৰণে কি লাগে, স্থানীয় হওঁক বা আন্তৰ্জাতিক হওঁক... ভাল চমৰীয়াসকলৰ দৰে, যি নিজৰ পৰিস্থিতিৰ কথা নাভাৱি সন্মুখলৈ আগবাঢ়িছিল আৰু তেওঁলোকে প্ৰকৃততে সহায় কৰিবৰ অৰ্থেই গৈছিল আৰু তাৰ বিপৰিতে আন সকলোৱে একো চিন্তা নকৰি আতৰি গৈছিল। অনুভুতিৰে সৈতে চমৰীয়া জন **প্ৰভাৱিত** হৈছিল... কেৱল তেওঁ মানসীক ভাৱে প্ৰভাৱিত হৈছিল এনে নহয়, কিন্তু তেওঁ কাৰ্য্যৰে সৈতে সহাৰি দিছিল।

যদি আপুনি এনে সময়ৰ মাজেদি যায় যত আপুনি পৰিচৰ্য্যা কৰাৰ আৱশ্যক বুলি ভাবে, তেনে অৱস্থাৰ পৰা আঁতৰি নাযাব সেয়ে মই তাৰ বাবে উৎসাহিত হ'বলৈ কওঁ। গৌৰৱ আৰু প্ৰশংসাৰে নিজকে আতৰাই ৰাখক, আপোনাৰ হৃদয়ক উদ্‌গনি দিয়া গীতেৰে ঘৰ পৰিপূৰ্ণ কৰক,

ঈশ্বৰৰ বাক্যৰ C.D. ৰে আপোনাৰ যান-বাহন ধৰাই তোলক, পৰিয়াল, মণ্ডলী আৰু সমাজৰ চাৰিওফালে এই সকলোৰে উদ্‌গনি দিয়ক আৰু ফলবান হ'বলৈ দিয়ক... ভিতৰত পৰা বাহিৰলৈ অনবৰতে ঈশ্বৰৰ আত্মা পূৰ্ণ হৈ থাকিব দিয়ক। অথবা আপোনাক যদি সুস্থতা লাগে, বা আৰ্থিক সমস্যাৰ সমাধান লাগে, বা সম্বন্ধ কটকটিয়া কৰি ৰখা আচৰিত কাৰ্য্যৰ কথা ভাৱে... আমাৰ ঈশ্বৰে এই সকলো কৰিব পাৰে। ঈশ্বৰ, আমাৰ শক্তি সেয়ে তেওঁৰ সুৰক্ষিত বাহুৰ ওপৰত নিজকে সম্পন কৰক কাৰণ তেওঁ আপোনাক এৰি নিদিয়ে বা ত্যাগ নকৰে; আপোনাৰ মহান আনন্দ আৰু আশাৰ বাবে তেওঁক বিশ্বাস কৰক। কিন্তু আটাইতকৈ মনত ৰাখিব লগীয়া কথা মই আপোনাক কব খোজো... আপোনাৰ সকলো হৃদয়, মন, আত্মা আৰু শক্তিৰে আপোনাৰ ঈশ্বৰক **প্ৰেম** কৰক **আৰু** নিজৰ ওচৰ চুবুৰীয়াক নিজৰ নিচিনাকৈ প্ৰেম কৰক। **আপুনি** সম্পূৰ্ণৰূপে সুৰক্ষিত্ব আৰু মূল্যবান। এইটো পাহৰি নাযাবহ্লু

মোৰ সকলো হৃদয়েৰে,

ডাৰলিন জে।

ইয়াত এটা আটাইতকৈ কঠিন ৰহস্যপূৰ্ণ কথা হ'ল হৃদয়ৰ যাত্ৰা — আনন্দ আৰু দুখ, আশাকৰা আৰু বাটচোৰা আৰু বহুতৰ কাৰণে, বুজাব নোৱাৰা হতাশাই কাম কৰাৰ ইচ্ছাক বাধা দিয়ে। আমাৰ কাৰণে ঈশ্বৰৰ মহৎ প্ৰেম মানে কি যেতিয়ালৈকে বুজি নাপাও তেওঁক ভৰশা কৰক শক্তি বিচাৰক আমাৰ হৃদয়ে পথ বিচৰাত আনকি বাস্তৱ কঠোৰতাৰ মাজতো বিচাৰক, আজি এই পৰিস্থিতিতেই বহুত মানুহে নিজক বিচাৰি পায়, দুখীয়াৰ পৰা ধনীলৈ, যেনেকৈ হৃদয়ৰ দুৰ্ব্বলতাই ঘৰ বিচাৰিবলৈ প্ৰাৰ্থক্যতা নকৰে।

যেনেকৈ ডাৰলিন জেচিকচে আমাক মনত পেলাই যিচয়া ৬১:১১ পদত যিচয়া ভাববাদীয়ে কোৱা স্বাভাৱিক প্ৰেমৰ বিপ্লৱৰ কথা, তেওঁ এইদৰে ব্যাখ্যা কৰে, এদিন প্ৰেমৰ দ্বাৰাই মানুহে ন্যায় লাভ কৰিব আৰু জনপ্ৰাণীহীন ঠাইৰ মাজেৰে যীচুৱে পথ যুগুত কৰিব ঃ "কিয়নো পৃথিৱীয়ে যেনেকৈ নিজ গছবোৰৰ কলি মেলায়, আৰু বাৰীয়ে যেনেকৈ তাত ৰোৱা সকলোকে গজায়, তেনেকৈ প্ৰভু যিহোৱাই সকলো জাতিবিলাকৰ সাক্ষাতে ধাৰ্ম্মিকতা আৰু প্ৰশংসা উৎপন্ন কৰিব।"

## *ভবাতকৈও মহৎ চিন্তা*

আজি পৃথিৱীৰ চাৰিওফালে কিছুমান কষ্টকৰ অন্যায় হৈ আছে আমি যদি সেইবোৰ চাবলৈ যাও, প্ৰেমৰ বিপ্লৱ কেৱল মাত্ৰ এটা ডাঙৰ উদ্দেশ্যই নহয়, ই ভাগি যোৱা মানৰ হৃদয়ৰ কষ্ট যাক সকলোতকৈ ডাঙৰ কষ্ট বুলি কোৱা হৈছে, যাক প্ৰেমৰ বিপ্লৱৰ দ্বাৰাই দূৰ কৰিব লাগিব। গীতমালা ২৭:৩ পদত কৈছে "সৈন্যসমূহে মোৰ বিৰুদ্ধে ছাউনি পাতিলেও, মোৰ হৃদয়ে ভয় নকৰে; মোৰ বিৰুদ্ধে ৰণ উঠিলে, তেতিয়াও মই ভাৰসা কৰি থাকোঁ।" সকলো মানুহৰ হৃদয়ত এইদৰে ঘটিব লাগে।

দ্বিতীয় অধ্যায়

# 2

# *সমস্যাৰ মূল কাৰণ*

আনন্দ মূল, মৰম পাইছোনে নাই তাৰ ওপৰত নিৰ্দ্ধাৰিত নহয়,
কিন্তু আনক মৰম দিয়াৰ দ্বাৰাইহে নিৰ্দ্ধাৰিত হয়
*নামবিহীন*

কোনো বস্তুৰ মূল বা শিপা তাৰ উৎস হয় — ইয়াৰ আৰম্ভণ, ইয়াৰ ভিতৰত থকা সাহাস্য। শিপা সাধাৰণতে মাটিৰ তলত থাকে। আৰু সেই কাৰণেই তাক অৱহেলা কৰো আৰু ওপৰত যি দেখু তাৰ প্ৰতি ধ্যায়ান দিওঁ। দাঁতৰ বিষত থকা মানুহৰ root canal ৰ প্ৰয়োজন। দাঁতৰ গুৰি ক্ষয় গ'লে তাক ভাল কৰিবই লাগিব নহ'লে দাঁতে কষ্ট দিবলৈ কেতিয়াও বন্ধ নকৰে। দাঁতৰ গুৰি দেখা নাযায়, কিন্তু অসহ্য বিষৰ কাৰণে সেইটো যে আছে আপুনি জানে। পৃথিৱীয়ে কষ্ট পাই আছে আৰু সেই কষ্ট আমি বন্ধ কৰিব নোৱাৰো যেতিয়ালৈকে সমস্যাৰ উৎসলৈকে নাযাওঁ। ই সংক্ৰামক, ব্যক্তিগত আৰু সমাজৰ হ'ব পাৰে। উৎস আত্মকেন্দ্ৰিক বুলি মই ভাবো।

সমস্যাৰ উৎস আত্মকেন্দ্ৰিক নহয় বুলি মই ভাবিবলৈ চেষ্টা কৰো, আৰু মই আনকি এটা সমস্যাৰ বিষয়ে চিন্তা কৰিব পৰা নাই। তেওঁলোকে কি বিচাৰে বা কিহে তেওঁলোকক ভাল ভাব

> সমস্যাৰ উৎস আত্মকেন্দ্ৰিক নহয় বুলি মই ভাবিবলৈ চেষ্টা কৰো আৰু মই আনকি এটা সমস্যাৰ বিষয়ে চিন্তা কৰিব পৰা নাই।

জগাই তোলে তাৰ দ্বাৰাই আনৰ জীৱন ধ্বংস হয় বুলি মানুহে নাভাবে। পৃথিৱীৰ সকলো সমস্যাৰ গুৰি হ'ল আত্মকেন্দ্ৰিক শব্দটো।

## *আত্মকেন্দ্ৰিকৰ হাজাৰখন মুখ থাকে*

আত্মকেন্দ্ৰিকৰ হাজাৰখন মুখ থাকে, আৰু সেয়ে আমি এইটো স্পষ্টভাৱে চিনি নাপাওঁ। যেতিয়া শিশুৱে কিবা এটা বিচাৰি নাপাই আৰু ল'ৰা-ছোৱালীয়ে যেতিয়া আন ল'ৰা-ছোৱালীৰ খেলনা লয় তেতিয়া আমি চিঞৰা দেখু। আনতকৈ ভাল হোৱাটো যে আমি বিচাৰো ই আমাৰ ইচ্ছাক প্ৰমাণিত কৰে বা আনে যেনেকৈ কৰে তাতকৈও আমি ভাল কৰিব বিচাৰো। সকলো বিষয়ৰে প্ৰথম হ'ল আত্মকেন্দ্ৰিক ভাব, যেতিয়া আমি ভাল কৰিবলৈ ইচ্ছা কৰো তাত কোনো ভুল নাই, কিন্তু আমি নিজে কৃতকাৰ্য্য হৈ আনৰ অকৃতকাৰ্য্যতাত আনন্দ কৰাতো ভুল।

সকলো ধৰণৰ আত্মকেন্দ্ৰিক ভাব বেয়া বুলি মই ভাবো কাৰণ তাৰ দ্বাৰাই সমস্যাৰ সৃষ্টি হয়। তিনি ধৰণৰ আত্মকেন্দ্ৰিক ভাবৰ ওপৰত মই আপোনালোকৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো যিটো আজিৰ পৃথিৱীত সাধাৰণভাৱে প্ৰচলিত হৈ আছে, যিয়ে বিপৰীতমুখি কৰি তোলে।

***যৌন অপব্যৱহাৰ ঃ*** এন, তেৰ বছৰ বয়সীয়া ছোৱালী। তাইৰ দেউতাকে তাইক ক'লে তুমি এতিয়া মহিলা হ'লা সেয়ে মহিলাই যি কৰে সেয়া কৰাৰ সময়। মহিলা মানে কি তেওঁ যেতিয়া দেখুৱা শেষ কৰিলে, তাই লাজ, ভয় আৰু ঘৃণা অনুভৱ কৰিলে। তেওঁৰ দেউতাকে যি কৰিছে সেইয়া ভাল বুলি তাইক প্ৰতিপন্ন কৰে যদিও, তাই আচৰিত হয় কিয় তেওঁ এই সকলো গোপনে ৰাখিব দিয়ে আৰু কিয় তাইক এই সকলোৱে ইমান বেজাৰ দিয়ে। বছৰৰ পাচত বছৰ তাইৰ দেউতাকে তাইক বাৰে বাৰে কষ্ট দিয়ে আৰু ধৰ্ষণ কৰে, অৱশেষত তাই কষ্ট অনুভৱ নকৰা হ'ল কাৰণ মানসিক ভাবে তাই ভাগি পৰিছিল। এনৰ দেউতাকে তাইৰ শৈশৱ তাইৰ কুমাৰীত্ব, তাইৰ সৰলতা, আৰু, ঈশ্বৰৰ পৰা বাধা নোপোৱাকৈ, তেওঁ তাইৰ জীৱনটো কাঢ়ি নিছিল — আৰু তেওঁক যি লাগে সেই সকলো পাইছিল।

স্ত্ৰী-পুৰুষৰ অবৈধ সঙ্গমৰ কথা শুনি আমাৰ বিৰক্তিবোধ হয়, কিন্তু সঁচাকৈ ক'বলৈ গ'লে ৯০-৯৫ শতাংশ এনে কাৰ্য্য প্ৰকাশ নকৰাকৈ থাকি যায়। বহু বছৰ মোৰ পিতৃয়ে মোক যৌন অপব্যৱহাৰ কৰিছিল। মোৰ অৱস্থাৰ কথা দুবাৰ বেলেগ বেলেগ সময়ত মই আনক কবলৈ চেষ্টা কৰিছিলো, কিন্তু মোক সহায় কৰা নাছিল, প্ৰাপ্তবয়স্ক হোৱালৈকে মই অকলে কষ্ট ভুগ কৰি আছিলো আৰু অৱশেষত মোৰ অৱস্থাৰ কথা প্ৰকাশ কৰিবলৈ ধৰিলো আৰু ঈশ্বৰৰ দ্বাৰাই মই সুস্থতা লাভ কৰো। মোৰ পিতৃয়ে তেওঁ কৰা অপৰাধৰ কাৰণে বিশেষ শাস্তি নোপোৱাকৈ ৮৫ বছৰ বয়সত মৃত্যু বৰণ কৰে। তেওঁ যে নিজৰ ছোৱালীকেই সৰুৰে পৰা ধৰ্ষণ কৰিছিল সেই কথা তেওঁৰ লগত কাম কৰা, সামাজিক অনুস্থানলৈ যোৱা আৰু বনভোজলৈ যোৱা মানুহবোৰে জনা নাছিল।

আমি মানুহে কৰা কাৰ্য্য দেখি তৎক্ষণাত বিচাৰ কৰিবলৈ ধৰো, কিন্তু তেনে ব্যৱহাৰ কৰাৰ অন্তৰালত কি তাক আমি নাজানো।

ধৰ্ষণৰ বলি হোৱা বহুতো মহিলাক আমি “সমাজৰ সমস্যা” বুলি কওঁ। উদাহৰণ স্বৰূপে,

- বেশ্যাসকলৰ ভিতৰত ৬৬ শতাংশ সৰুতেই ধৰ্ষণৰ বলি হোৱা।
- আমেৰিকাত জেলত থকা কয়দি মহিলাৰ ৩৬.৭ শতাংশ সৰুতেই ধৰ্ষণৰ বলি হোৱা।
- ধৰ্ষণ কৰা আৰু অৱহেলা কৰা তিনি ভাগৰ এভাগ ল’ৰা-ছোৱালীয়ে পাচত নিজৰ সন্তানকে ধৰ্ষণ আৰু অৱহেলা কৰে।
- প্ৰথমবাৰ ধৰ্ষণ কৰা ল’ৰা-ছোৱালীৰ ৯৪ শতাংশ বাৰ বছৰ বয়সৰ তলৰ।

এই পৃথিৱীত যৌন অপব্যৱহাৰ আৰু ধৰ্ষণৰ দ্বাৰাই কষ্ট ভোগ কৰা কথা অতি ভয়াবহ, মানুহ আত্মকেন্দ্ৰিক হোৱাৰ কাৰণেই এই সকলো হয়, আৰু যেতিয়ালৈকে তেওঁলোকে যি বিচাৰে সেয়া পাই থাকিলে কোনোবাই যে কষ্ট পাইছে সেইটো চিন্তা নকৰে।

অৱশ্যে আপুনি হয়তো হত্যা, চুৰ, মিছা কথা কোৱা নাই বা ল’ৰা-ছোৱালীৰ বিৰুদ্ধে পাশৱিক কাৰ্য্য কৰা নাই, কিন্তু কিছুমান কথাত আত্মকেন্দ্ৰিক হোৱাৰ সম্ভৱনা আছে। আমি কৰা দোষতকৈ আনৰ দোষ বেছি বেয়া বুলি আঙুলিয়াই যদি আমি নিজৰ আত্মকেন্দ্ৰিক স্বভাৱক দোষমুক্ত কৰিবলৈ সাহস কৰো, তেতিয়াহ’লে আজিৰ সমাজৰ সমস্যাবোৰ সফলতা পূৰ্ণ ভাবে সমাধা কৰিব নোৱাৰো। আমি প্ৰত্যেকে আমাৰ আত্মকেন্দ্ৰিক স্বভাৱৰ কাৰণে দায়িত্ব গ্ৰহণ কৰিব লাগে, আমি কেনেকৈ ব্যাখ্যা কৰিম বা কি পৰিস্থিতিত আছো সেইটো কথা নহয়।

আত্মকেন্দ্ৰিক স্বভাৱ অতি সোনকালে **লোভ**লৈ ৰূপন্তৰিত হয়। **লোভ** এক আত্মা হয় যাৰ কেতিয়াও ইচ্ছাপুৰ নহয় আৰু সদায় যিমান পাই তাতকৈ বেছি বিচাৰে। নিশ্চয়কৈ আজিৰ সমাজ গ্ৰাহক কেন্দ্ৰিক। যেতিয়া মই গাড়ী চলাই যাওঁ ৰাষ্টাৰ কাষৰ দোকানবোৰ আৰু যিবোৰ বৰ্ত্তমান বনাই আছে দেখি আচৰিত লাগে। যি ফালেই চাওঁ কিনিবৰ বাবে কিছুমান বস্তু দেখুৱাই ৰাখে। কিনিবৰ বাবে সামগ্ৰী, সামগ্ৰী আৰু বহু সামগ্ৰী, আৰু এইটো এটা ভ্ৰম। এই সামগ্ৰীয়ে সহজ জীৱন আৰু সুখৰ প্ৰতিজ্ঞা কৰে, কিন্তু এই সকেলাৱে বহুতো মানুহক ধাৰত জুৰুলা কৰে।

বহুতো বস্তু কিনাৰ লোভ আৰু হেঁচাই মানুহক আত্মকেন্দ্ৰিক কৰি তোলে। কিন্তু শুভ বাতৰি এইয়ে যে যদি আমি সঁচাকৈয়ে সলনি হ’ব খোজো আমি পাৰো। আমাক যিটো লাগে আমি কিনিবলৈ শিকো আহক, আৰু আমি যিবোৰ বহু দিন ব্যৱহাৰ কৰা নাই এনে বস্তু আনক দিবলৈ শিকো, যাৰ আমাতকৈ কম আছে। আহক আমি দিবলৈ অভ্যাস কৰো যেতিয়ালৈকে প্ৰতিদিনৰ বাবে আমাৰ জীৱনৰ ই প্ৰধান আৰু সদায় ঘটি থকা ঘটনা নহয়। বেছি ভাগ মানুহৰ বাবে সঁচাকৈয়ে ই জীয়াই থকাৰ এক বিপ্লৱী পথ।

বাইবেলে কৈছে সকলো বেয়াৰ মূলতে হ'ল ধন ভাল পোৱা (১ম তীমথি ৬:১০) মানুহে ভাৱে যি প্ৰয়োজন সকলো ধনৰ দ্বাৰাই পাব পাৰি, সেয়ে ধন লাভ কৰিবলৈ যি কোনো কাম কৰে আৰু ধন ভাল পোৱাৰ এইটোৱেই এক মাত্ৰ কাৰণ। আনন্দও কিনিব পাৰে বুলি তেওঁলোকে বিশ্বাস কৰে। মানুহে ধনৰ কাৰণে সদায়ে হত্যা, চুৰ আৰু মিছা কৈ আহিছে আৰু এই সকলো আত্মকেন্দ্ৰিক স্বভাৱৰ মূল। অলপতে মই বিখ্যাত তাৰকা এজনে লিখা প্ৰবন্ধ এটা পঢ়িছিলো যিজনে কৈছিল মানুহে বিশ্বাস কৰে তেওঁলোকে যি বিচাৰে সেই সকলো পালে সুখী হয়, কিন্তু এইটো ভুল প্ৰতিজ্ঞা। তেওঁ কৈছিল সাধাৰণতে মানুহক যি লাগে তেওঁৰ সকলো আছে আৰু তথাপিও এই সকলোৱে তেওঁক আনন্দ দিব পৰা নাই, কাৰণ এজন মানুহে পৃথিৱীয়ে দিয়া সকলো বস্তু লাভ কৰিবলৈ যেতিয়া সক্ষম হয় তেওঁ নিজৰ মাজতেই আৱদ্ধ হৈ থাকে।

***বিবাহ বিচ্ছেদ ঃ*** বিবাহ বিচ্ছেদ হোৱাৰ মূল কাৰণ হ'ল আত্মকেন্দ্ৰিক হোৱা। বিবাহ কেনে হ'ব লাগে তাৰ ভুল ধাৰণালৈ বহুতে বিবাহ কৰে। আমাৰ লগৰীয়াই আমাক সুখী ৰাখিব লাগে বুলি বহুতে ঠিৰাং কৰে, আৰু যেতিয়া সেইদৰে নহয়, তেতিয়াই কাজিয়া আৰম্ভ হয়। যদি আমি বিবাহ কৰি আমাৰ লগৰীয়াক সুখী ৰাখিবলৈ সকলো কৰিবলৈ মনতে স্থিৰ কৰো ই কেনে বেলেগ ধৰণৰ কথা হ'বহ্ল

এতিয়া হয়তো আপুনি ভাবিছে, মই সেইদৰে নকৰো কাৰণ সেইদৰে কৰিলে মই সুবিধা লোৱা হ'ব। মই হয়তো এই কথা মোৰ আগৰ বছৰবোৰত মানিলোহেঁতেন। কিন্তু প্ৰায় সম্পূৰ্ণ জীৱন যাপন কৰাৰ পাচত, বাইবেলেই প্ৰকৃত সত্য বুলি মই বিশ্বাস কৰো। প্ৰেম কেতিয়াও লুপ্ত নহ'ব বুলি বাইবেলে শিকাই। (১ম কৰি ১৩:৮) ইয়াত আৰু কৈছে মানুহে যি বয়, "সেইয়া আৰু কেৱল সেইয়াহে" তেওঁ দাব (গালা ৬:৭) মই যদি বাইবেলত বিশ্বাস কৰো, আৰু সেইদৰে কৰো, তেনেহলে মই মোৰ জীৱনত লাভ কৰা শস্যৰ গৰাকী বুলি মই ভাবো, কাৰণ মই যি বীজ সিঁচিছো তাৰ ওপৰত ই নিৰ্ভৰ কৰে। আমি যদি দয়া সিঁচো আমি দয়া লাভ কৰো; আমি যদি মৰম সিঁচো মৰম লাভ কৰো।

## *নিজৰ মাজতে মই সদায় থাকো*

যেতিয়া মই অতীতলৈ ঘূৰি চাও যেতিয়া দেৱ আৰু মোৰ বিবাহৰ বিয়াল্লিশ বছৰ হৈ গৈছিল। ভাবি আতংকিত হওঁ। মোৰ আগৰ জীৱনত মই কিমান আত্মকেন্দ্ৰিক আছিলো। মই সত্য ভাবে কওঁ মই আৰু কিবা বেয়া হ'ব বুলি নাজানো। যিটো ঘৰত মই ডাঙৰ হৈছিলো মই কেৱল আত্মকেন্দ্ৰিক স্বভাবহে দেখিছিলো আৰু মোক শিকাবলৈ কোনো নাছিল। গ্ৰহণ কৰাতকৈ দিয়াতো কেনেকোৱা যদি মই জানিলোহেঁতেন, মই নিশ্চিত যে মোৰ বিবাহৰ প্ৰথম বছৰবোৰ আৰু বেছি ভাল হ'লহেঁতেন। কাৰণ মোৰ জীৱনত ঈশ্বৰ আছিল সেয়ে সকলো সলনি হোৱা মই দেখিছিলো আৰু পুৰণা ঘাঁ সুস্থ হৈছিল, কিন্তু মই অবাবত নিয়া বহুতো বছৰ কেতিয়াও ঘূৰাই নাপাওঁ।

মই যি দৰে ডাঙৰ হৈছিলো সেইটো সম্পূৰ্ণ বিপৰীত, দেৱ খ্ৰীষ্টীয়ান ঘৰত ডাঙৰ হৈছিল। তেওঁৰ মাতৃ ঈশ্বৰ ভক্ত মহিলা আছিল যি গৰাকীয়ে প্ৰাৰ্থনা কৰিছিল আৰু নিজৰ সন্তান সকলক দান দিবলৈ শিকাইছিল। যেতিয়া মই দেৱক লগ পাইছিলো তেওঁ যিদৰে প্ৰতিপালন হৈছিল তাৰ ফলস্বৰূপে, দেৱৰ যি গুণ গঢ়ি উঠিছিল মোৰ গোটেই জীৱনত মই দেখা নাছিলো। তেওঁৰ আদৰ্শবোৰ মোৰ কাৰণে আঁচৰিত ধৰণে মূল্যবান আছিল। তেওঁ যদি ধৰ্য্যশীল নহলহেতেন, যিটোৱে প্ৰেমৰ বিষয় হয়, ইয়াৰ অবিহনে আমাৰ বিবাহ নিশ্চয় ইমান দিন টিকি নাথাকিল হয়, ঈশ্বৰক ধন্যবাদ দিও তাৰ বাবে। আৰু বিবাহৰ বিয়াল্লিশ বছৰৰ পাচত মই সত্যভাৱে কওঁ সদায়ে আমাৰ বৈবাহীক জীৱন ভালদৰে চলি আছে। আগতকৈ মই এতিয়া বেছি সুখী কাৰণ আগতে যিমান আছিল তাতকৈ বেছি আমাৰ সমন্ধত মই নিজকে সুধাই দিছো। দেৱে ভালপোৱা কাম কৰা দেখি মই সঁচাকৈয়ে আনন্দিত হৈছিলো, সকলো সময়তে মই “মোৰ ইচ্ছাৰ দৰে” নোপোৱা কাৰণে মোৰ খঙ উঠিছিল আৰু এই গোটেই বছৰবোৰত ই সম্পূৰ্ণ বিপৰীত আছিল।

মই সদায় নিজৰ কথা ভাবিছিলো, যেতিয়ালৈকে মোৰ গোটেই জীৱনৰ “সকলো কথা” ভাবি ভাবি মই আমনি পোৱা নাছিলো তেতিয়ালৈকে একো সলনি হোৱা নাছিল। যীচুৱে জেলৰ দুৱাৰ খুলি বন্দী সকলক মুক্ত কৰিছিল (যিচয়া ৬১:১) তেওঁ বহুতো কথাৰ পৰা মোকো মুক্ত কৰিছিল, এই সকলোতকৈ মোৰ নিজৰ মুক্তিয়েই ডাঙৰ আছিল। মই নিজৰ কাৰণে ভাবি থকা কথাৰ পৰা মুক্তি পাওঁ। এই মুক্তি লাভত মই প্ৰতিদিনে বৃদ্ধি পাব ধৰিলো, কিন্তু নিজৰ কাৰণে সকলো পোৱাতেই যে প্ৰকৃত আনন্দ নাই তাক বুজাৰ কাৰণে মই নিজেই নিজক ধন্যবাদ দিও।

সম্ভৱত, আপোনাৰ জীৱনতো হয়তো মোৰ দৰে কিছুমান বেয়া লগা উদাহৰণ আছে কিন্তু অতীতৰ বছৰবোৰত সংঘটিত হোৱা কিছুমান কথা আপুনি পাহৰি যাব লাগিব। সত্যবাদী হওঁক ঃ আপুনি যি বিচাৰে সেইয়া নাপালে কেনেদৰে প্ৰতিক্ৰিয়া কৰিব? আপুনি খঙ কৰিবনে? আপুনি আপত্তি আৰু ভুৰ ভৰাব নেকি? আপোনাক সহায় কৰিবলৈ আপুনি ঈশ্বৰত ভৰসা কৰিবনে আৰু আপুনি নিজে নিজক নাচালে আন কোনেও নাচাই বুলি আপুনি ভয় কৰি থাকিব নেকি? বিশ্বাস কৰক আপোনাৰ জীৱনৰ আনন্দ নোহোৱা হ'ব যদিহে আত্মকেন্দ্ৰিক ভাৱে জীৱন অতিবাহিত কৰাৰ প্ৰতি সাৱধান নহয়। আজিয়েই আত্মকেন্দ্ৰিক ভাবৰ পৰা নিজকে সলনি কৰিবলৈ মই আপোনাক অনুৰোধ কৰো আৰু সঁচাকৈয়ে আনক ভাল পাবলৈ, সহায় কৰিবলৈ আৰু মুল্য দিবলৈ আৰম্ভ কৰক।

## *আত্মকেন্দ্ৰিক হোৱাটো নিজে বাচি লোৱা*

আমি বহুতেই নিজৰ কাৰণে চিন্তা কৰি, কথা পাতি আৰু আচনি বনোৱাতেই বেছি সময় অতিবাহিত কৰো। নিজে নিজকে সমান ভাবে ভালপোৱাটোৰ ওপৰত মই শিক্ষা দিওঁ, যদিও মই এটো বিশ্বাস নকৰো যে আমি নিজক ভাল পাব লাগে আৰু আমি নিজৰ মাজতে কেন্দ্ৰিভুত হৈ আমাক কি লাগে সেই বিষয়ে তত্বাৱধান ল'ব লাগে। আমি সকলো ধৰণে নিজৰ তত্ত্বৰধান ল'ব লাগে

কাৰণ এই পৃথিৱীত ঈশ্বৰৰ পৰিকল্পনাত আমি অতি মূল্যবান। আনন্দত থাকিবৰ কাৰণে তেওঁ আমাক জীৱন দিছে (মোহন ১০:১০) সেয়ে আমি জীৱনত আগবাঢ়ি যোৱা আৱশ্যক, আনক দিয়াতেই যে প্ৰকৃত আনন্দ আছে তাক আমি পাহৰি যাব নালাগে, নিজৰ জীৱন নিজৰ কাৰণে সঞ্চিত কৰি ৰখাতকৈ, নিজৰ জীৱন দান কৰাতেই প্ৰকৃত আনন্দ।

যীচুৱে কৈছে আমি যদি তেওঁৰ শিষ্য হ'ব খোজো আমি নিজকে পাহৰি, নিজলৈ দৃষ্টি নকৰি, নিজৰ সুবিধালৈ নাচাই তেওঁক অনুসৰণ কৰিব লাগিব। (মাৰ্ক ৮:৩৪) মই এতিয়া মানি লওঁ যে এই চিন্তাটো অতি ভয় লগা কিন্তু মোৰ কিছুমান সুবিধা আছে কাৰণ ইয়াৰ কাৰণে বহু দিনৰ পৰা মই চেষ্টা কৰি আছিলো আৰু এই চেষ্টাই যে কাম কৰিছে তাক মই বুজিছো। যীচুৱে সেয়ে কৈছে আমি যদি "নিম্নতৰ" জীৱন (আত্মকেন্দ্ৰিক জীৱন) ত্যাগ কৰি উচ্চতৰ জীৱন (আত্মকেন্দ্ৰিক নোহোৱা জীৱন) যাপন কৰো, কিন্তু আমি যদি নিম্নতৰ জীৱন ধৰি ৰাখো তেতিয়াহ'লে উচ্চতৰ জীৱন হেৰুৱাব লাগিব। (মাৰ্ক ৪:৩৪) আমি কেনেকৈ জীয়াই থাকিব লাগে তাক বাছি লোৱাৰ সুবিধা দিছে। তেওঁ আমাক কয় কিহে ভাল কাৰ্য্য কৰে আমি সেইটো কৰিম নে নকৰিম সংকল্প কৰিব লাগে। আপুনি আৰু মই আত্মকেন্দ্ৰিক হৈ থাকিব পাৰো, কিন্তু শুভবাৰ্ত্তা এই যে আমি থাকিব নালাগে। নিজকে সহায় কৰিবলৈ ঈশ্বৰৰ শক্তি আমাৰ কাৰণে অপৰিসীম আৰু আনৰ জীৱন সুন্দৰ কৰি ৰাখিবৰ বাবে জীয়াই থাকিবলৈ।

## *যাত্ৰা*

আত্মকেন্দ্ৰিক হোৱাটো শিকিব লগা স্বভাৱ নহয়, ই জন্মগত স্বভাৱ। আমাৰ স্বভাৱৰ এক স্বাভাৱিক অংশ। বাইবেলত ইয়াক "পাপ স্বভাৱ" বুলি ব্যাখ্যা কৰিছে। ঈশ্বৰে যি কৰিবলৈ দিয়া নাছিল সেয়া আদম আৰু ইভে কৰি ঈশ্বৰৰ আগতে পাপ কৰিছিল আৰু তেওঁলোকে কৰা সেই পাপ সদাকালৰ বাবে জন্ম গ্ৰহণ কৰা প্ৰত্যেক মানুহৰ লগত থাকে। ঈশ্বৰে নিজৰ পুত্ৰ যীচুক আমাৰ পাপৰ কাৰণে মৃত্যু বৰণ কৰিবলৈ পঠিয়ালে আৰু আমাক পাপৰ পৰা মুক্তি দিলে। আদমে যি কৰিলে সেইটো নোহোৱা কৰিবলৈ তেওঁ আহিল। যেতিয়া আমি যীচুক আমাৰ ত্ৰানকৰ্ত্তা বুলি গ্ৰহণ কৰো, আমাৰ আত্মাৰ সৈতে থাকিবলৈ আহে আৰু আমি যদি থাকিব দিওঁ সেই নতুন অংশই আমাৰ সংকল্পবোৰ নিৰ্দ্ধাৰিত কৰে তাৰ দ্বাৰাই আমাৰ শৰীৰত থকা পাপ স্বভাৱবোৰ জয় কৰিব পাৰো। এই পাপ স্বভাৱ গুচি নাযায় কিন্তু আমাৰ লগত থকা মহান জনাই এই সকলো প্ৰতিদিনে অতিক্ৰম কৰিবলৈ সহায় কৰে। (গলা ৪:১৬) তাৰ মানে এইটো নহয় যে আমি কেতিয়াও পাপ নকৰিম কিন্তু আমাৰ গোটেই জীৱনত আমি ভাল কৰিব পাৰো আৰু আগুৱাই যাব পাৰো।

সঁচাকৈয়ে আত্মকেন্দ্ৰিক স্বভাৱটো মই সম্পূৰ্ণৰূপে অতিক্ৰম কৰিছো বুলি ক'ব নোৱাৰো, আৰু মই সন্দেহ কৰো কোনোবাই পাৰিছে বুলি। সেই দৰে কবলৈ হ'লে আমি ক'ব লাগিব যে আমি কেতিয়াও পাপ কৰা নাই, আগৰে পৰা কিছুমান আত্মকেন্দ্ৰিক ভাৱত পাপে খুপনি পুতি আছে। মই সম্পূৰ্ণ ৰূপে আত্মকেন্দ্ৰিক ভাব জয় কৰিব পৰা নাই, কিন্তু প্ৰতিদিনে উন্নতি হোৱাতো আশা

কৰো। মই যাত্ৰাত আছো তথাপিও পোৱাগৈ নাই, মোৰ দৃঢ় বিশ্বাস আছে যে যেতিয়া ঘৰলৈ নৈ যাবলৈ যীচু আহিব তেওঁ মোক লক্ষত উপনিত হ'বৰ বাবে আগুৱাই যোৱা পাব। (ফিলি ৩:১২-১৩)

পাঁচনি পৌলে তলত দিয়াৰ দৰে মন্তব্য দিছিল ঃ "মই যে জীয়াই আছো সেইয়া নহয়, খ্ৰীষ্টহে মোত জী আছে।" (গালা ২:২০) পৌলে ইয়াকে ক'ব খুজিছে যে তেওঁ কেতিয়াও নিজৰ কাৰণ আৰু নিজৰ ইচ্ছাত জীয়াই থকা নাই, কিন্তু ঈশ্বৰৰ আৰু তেওঁৰ ইচ্ছাৰ কাৰণে জীয়াই আছে। এদিন পঢ়ি থাকোতে যেতিয়া গম পালো যে ধৰ্ম্মত দীক্ষা লোৱাৰ প্ৰায় বিশ বছৰৰ পাচত পৌলে এই মন্তব্য দিছিল, মই অনুপ্ৰাণিত হৈছিলো। নিজৰ কথা নাভাবি জীয়াই থাকিবলৈ অভ্যাস কৰাটোৱেই তেওঁৰ যাত্ৰা আছিল, যি দৰে আন প্ৰত্যেকৰে। পৌলে আকৌ কৈছে, "মই প্ৰতিদিনেই মৰিছো (প্ৰতিদিনেই মৃত্যুৰ মুখা-মুখী হৈছো আৰু নিজৰ বাবে মৰিছো) (১ম কৰি ১৫:৩১) আনৰ দৰে ক'বলৈ হ'লে, প্ৰতিদিনৰ যুদ্ধ হ'ল আনক আগত ৰখা আৰু প্ৰতিদিনৰ বাবে সিদ্ধান্তৰ প্ৰয়োজন। আমি প্ৰত্যেকে সিদ্ধান্ত ল'ব লাগিব আমি কেনেকৈ জীয়াই থাকিম আৰু কিহৰ কাৰণে জীয়াই থাকিম, আৰু এইদৰে কৰিবলৈ এতিয়াতকৈ আৰু ভাল সময় নাই। আপোনাৰ আৰু মোৰ জীয়াই থাকিবলৈ এটাই জীৱন আছে আৰু দিবলৈও এটাই জীৱন, সেয়ে প্ৰশ্ন হয় ঃ "আমি তেনেহ'লে কেনেকৈ জীয়াই থাকিম?" মই দৃঢ় ভাৱে বিশ্বাস কৰো আমি প্ৰথমে যদি আনৰ সাহাৰ্য্যৰ অৰ্থে প্ৰত্যেকে নিজৰ নিজৰ কাম কৰো তেতিয়া হ'লে পৃথিৱীখন সলনি কৰাৰ সম্ভাৱনা আমি দেখিবলৈ পাম আৰু বিপ্লৱৰ এক অংশ হম।"

## দ্বীপত কোনো মানুহ নাই

জ'ন দনচে ব্যাখ্যা কৰা উক্তিটো আপোনালোকে শুনিছে নিশ্চয়, "কোনো মানুহ দ্বীপত নাই।" প্ৰকৃততে মানুহৰ কাৰণে ইজনক সিজনৰ প্ৰয়োজন আৰু ইজনে সিজনৰ ওপৰত যে প্ৰভাৱ পেলাই এই কথাখিনিৰ দ্বাৰাই প্ৰকাশ কৰিছে। যেনেকৈ মোৰ পিতৃৰ জীৱনে মোৰ ওপৰত বেয়া প্ৰভাৱ পেলাইছিল আৰু মোৰ স্বামী দেৱৰ জীৱনে ভাল প্ৰভাব পেলাইছিল সেইদৰে আমাৰ জীৱনেও আনৰ ওপৰত প্ৰভাৱ পেলাব পাৰে। যীচুৱে ইজনে সিজনক প্ৰেম কৰিবলৈ কৈছে কাৰণ এইটোৱেই এটা বাট যাৰ দ্বাৰাই যীচুযে আছে তাক পৃথিৱীয়ে জানিবলৈ সক্ষম হয়। (যোহন ১৩:৩৪-৩৫) প্ৰেম ঈশ্বৰ হয়, আৰু যেতিয়া আমি আমাৰ কথা আৰু কামত প্ৰেম প্ৰকাশ কৰো, আমি মানুহৰ আগত ঈশ্বৰক প্ৰকাশ কৰো। পৌলে কৈছে আমি ঈশ্বৰৰ প্ৰতিনিধি হওঁ, তেওঁৰ ব্যক্তিগত প্ৰতিনিধি আৰু সেয়ে আমাৰ যোগেদি পৃথিৱীক ঈশ্বৰে তেওঁৰ আবেদন জনাই। (২য় কৰি ৫:২০) প্ৰতিবাৰে এই বাইবেলৰ অংশখিনি ভাবি মই ক'ব পাৰো, "অহহ্ কি সুবিধা আৰু দায়িত্ব।"

জীৱনত মই এটা কথা শিকিছো যে দায়িত্ব নোহোৱাকৈ কোনো সুবিধা পোৱা নাযায়। আমাৰ সমাজত ইয়েই এটা সমস্যা। যি পোৱাৰ আমি যোগ্য নহওঁ, মানুহে সেইটো বিচাৰে। আত্মকেন্দ্ৰিক ব্যক্তিয়ে কয়, "মোক এইটো দিয়া, মোক এইটো লাগে আৰু মোক এতিয়াই লাগে।" জ্ঞানীয়ে কয়, "মোক একো নিদিবা মই এটো ব্যৱহাৰ কৰিবৰ বাবে যোগ্য হোৱা নাই।" বেছিভাগ বিষয়তে

মানুহ কৃতজ্ঞ হ'ব নোখোজে, কাৰণ কোনো কথাতেই অপেক্ষা বা ত্যাগ কৰিব নিবিছাৰে। মই কিহৰ বাবে অপেক্ষা কৰি কষ্টেৰে কাম কৰিব লগা হৈছো সেই কথা অনুভৱ কৰি মই সদায় কৃতজ্ঞ। সহজতে যিটো পোৱা যায় আমাৰ বাবে তাৰ মূল্য নাই।

বহুতো সময়ত আমি ল'ৰা-ছোৱালীবোৰ স্বাৰ্থপৰ কৰি ডাঙৰ কৰো কাৰণ আমি অতি সোনকালে তেওঁলোকক লগাতকৈ বেছি দিওঁ। চাইকেল চলাব নোৱাৰা বহু বছৰ আগতেই আমি তেওঁলোকক চাইকেল কিনি দিও বা যোল্ল বছৰ বয়সতে গাড়ী কিনি দিওঁ। আমি তেওঁলোকৰ কলেজৰ খৰছ দিও, বিয়া কৰালে ঘৰ কিনি দিওঁ আৰু সেই ঘৰত দামী চকী মেজ ইত্যাদিৰে ভৰাই দিওঁ। তাৰ পাচত যেতিয়া ল'ৰা-ছোৱালীৰ টকাৰ অভাৱ হয়, আমি যদি পাৰো তাক সেই অৱস্থাত সহায় কৰো আৰু সেই কাৰণে তেওঁলোকে সদায় আমাক বিচাৰে। মৰমৰ খাটিৰত আমি এই সকলো কৰো, কিন্তু সঁচাকৈয়ে আমি আমাৰ সন্তানক ভাল পাওঁনে বা তেওঁলোকক মাত্ৰ প্ৰশ্ৰয় দিওঁ? ল'ৰা-ছোৱালী যেতিয়া সৰু থাকে তেতিয়া তেওঁলোকৰ লগত সময় দিব নোৱাৰৰ বাবেও বহুত সময়ত পিতৃ-মাতৃয়ে এই সকলো কৰে। সন্তান সকলক দিয়াৰ দ্বাৰাই তেওঁলোকৰ ভুলবোৰ লুকুৱাব বিচাৰে। পিতৃ-মাতৃয়ে কি কৰিব যদি বাচি লব নোৱাৰে, তেতিয়া ব্যস্ত হৈ থকা সময়ত টকা দিয়াটোৱেই সহজ উপায় বুলি ভাবে।

আমি সকলোৱে সন্তানক আশিৰ্ব্বাদ কৰিবলৈ ভাল পাওঁ, কিন্তু আমি তেওঁলোকৰ কাৰণে কিমান কৰো সেইটো নিয়ম মানি চলিব লাগে। ৰজা চলোমনে আমাক "জ্ঞানেৰে চিন্তা" (হিতো ১:৩) কৰিবলৈ উপদেশ দিছে। কোনো সময়ত "নোৱাৰো" বুলি কোৱাতো সন্তানৰ বাবে এটা বহুমুলীয়া উপহাৰ হ'ব পাৰে কাৰণ ইয়াৰ দ্বাৰাই দায়িত্ব আৰু সুবিধা বুজি কেনেকৈ চলিব লাগে তাৰ বাবে সহায় কৰাত ই মূল্যবান শিক্ষা হ'ব পাৰে।

## *দানশীল এক আদৰ্শ*

অকল আপোনাৰ সন্তানৰ আগতেই নহয় কিন্তু যি সকলো লোকৰ সংস্পৰ্শত আপুনি আহে সেই সকলৰ কাৰণে দানশীল হোৱাতো এক আদৰ্শ। আপুনি যদি জীৱনত লোৱাৰ সলনি দানশীল হয়, তেতিয়া হ'লে যি সকল মানুহৰ লগত তেওঁলোকৰ চিনাকি তেওঁলোকতকৈ আপুনি যে পৃথক তাক বুজিবলৈ বেছি সময় নালাগিব। তেওঁলোক যেতিয়া আপোনাৰ আনন্দৰ সাক্ষী হ'ব, তেওঁলোকে হয়তো বুজিবলৈ সক্ষম হ'ব যে স্বাৰ্থপৰ হোৱাতকৈ দানশীল হোৱাই মানুহক আনন্দ দান কৰে। মানুহে চাই থাকে, আৰু তেওঁলোকে কি লক্ষ্য কৰে আৰু মনত ৰাখে এই কথাত মই আচৰিত হওঁ। পৌলে কৈছে যে সকলো মানুহে চাই থাকে আৰু জানে আপুনি স্বাৰ্থপৰ নহয়, আপুনি সহানুভুতিশীল, আপুনি ধৈৰ্য্যশীল আত্মাৰ হয়। (ফিলি ৪:৫) যীচুৱে উৎসাহীত কৰে আমাৰ মৰম আৰু দয়াৰে পৰিপূৰ্ণ কামবোৰ সকলোৱে চোৱাৰ দ্বাৰাই যেন তেওঁলোকে ঈশ্বৰক চিনি পাই আৰু তেওঁৰ নামৰ প্ৰশংসা কৰে। (মথি ৫:১৬) আমি বাহাদুৰি কৰিব নালাগে বা আনে দেখাৰ বাবে কাম কৰিব নালাগে যীচুয়ে সেইটো বুজোৱা নাই; আমাৰ চাৰিওফালে থকা মানুহৰ ওচৰত আমি

কিমান প্ৰভাৱ পেলাইছো সেইটো অনুভৱ কৰিবৰ বাবে তেওঁ আমাক উৎসাহিত কৰে। মই উল্লেখ কৰাৰ দৰে বেয়া ব্যৱহাৰে আনৰ হানি কৰে, কিন্তু আমাৰ চাৰিওফালে থকা সকলৰ ওপৰত দানশীলতাই ভাল প্ৰভাৱ পেলাই আৰু আমাক আনন্দ দিয়ে।

## *মোৰ বিষয়ে কি ?*

এই মুহূৰ্ত্তত আপুনি হয়তো ভাবিব পাৰে, মোৰ বিষয়ে কি? কোনে মোৰ কাৰণে কিবা এটা কৰিব? এইটোৱেই সাধাৰণতে ঈশ্বৰে আমাক যেনেকৈ থকাটো বিচাৰে সেইদৰে থকাত সহায় কৰে। এই প্ৰশ্নটো সদায় “মোলৈ” ঘূৰি আহে, মোৰ বিষয়ে কি? আমাৰ ইচ্ছাবোৰে সন্তুষ্ট দান কৰা চাই আমি আনন্দিত হওঁ। সেইয়ে নিজকে এদিনৰ কাৰণে হ’লেও পাহৰি যোৱা কথাত ভয় লাগে। এইটো চেষ্টা কৰিবলৈ সাহস গোটাবলৈ আমি যদি সক্ষম হওঁ। আমি অনুভৱ কৰা আনন্দ আৰু যুক্তিত আচৰিত হম।

কাৰণ মোৰ জীৱনৰ বেছি সময়, প্ৰতিদিনে সাৰ পাই আৰু বিচনাতেই শুই থাকি মই নিজৰ কাৰণে আঁচনি প্ৰস্তুত কৰো। মই চিন্তা কৰো মোক কি লাগে আৰু মোৰ কাৰণে কি ভাল আৰু কেনেকৈ মোৰ পৰিয়ালক মনাব পাৰিম আৰু মোৰ বন্ধুবোৰে কেনেকৈ মোৰ আঁচনিত সহযোগ কৰিব। মই শুই উঠি নিজৰ কথাকে ভাবি দিনটোৰ কাৰণে ওলাই যাওঁ, আৰু মই ভবাৰ দৰে যেতিয়া সদায় নহয় মই বিচলিত হওঁ, ধৈৰ্য্য হেৰুৱাও, হতাশ হও আৰু আনকি খঙ উঠে। যি বিচাৰিছো সেইয়া নোপোৱাৰ বাবে মই নিজকে অসুখী বুলি ভাবো, কিন্তু মই সাধাৰণতে অসুখী কাৰণ মই যি বিচাৰো সেইটো পাবলৈ মই চেষ্টা কৰো আনৰ কাৰণে চিন্তা নকৰাকৈ।

নিজৰ জীৱনটো ধৰি ৰাখাতকৈ আনৰ বাবে দিয়াতেই যে আনন্দ তাক মই এতিয়া আৱিস্কাৰ কৰিছো, ৰাতিপুৱাতো মোৰ কাৰণে সম্পূৰ্ণ বেলেগ। আজি ৰাতিপুৱা এই অধ্যায় লিখিবলৈ আৰম্ভ কৰাৰ আগতে আজি মই জনা যি সকল লোকৰ সানিধ্যত আহিম সেই কথা অলপ সময় চিন্তা কৰো আৰু প্ৰাৰ্থনা কৰো। তাৰ পাচত ৰোমীয়া ১২:১ পদ পঢ়াৰ দ্বাৰাই প্ৰাৰ্থনা কৰো, ইয়াৰ দ্বাৰাই আমাক কৈছে “তোমালোকে নিজ নিজ শৰীৰক জীৱিত, পবিত্ৰ, আৰু ঈশ্বৰৰ গ্ৰহণীয় বলি স্বৰূপে” যিসকলৰ লগত কাম কৰিম তেওঁলোকৰ কথা ভাবোতে, তেওঁলোকৰ কাৰণে মই কিবা কৰিব পাৰো নেকি দেখুৱাবলৈ ঈশ্বৰ ওচৰত নিবেদন কৰো। তেওঁলোকক উৎসাহিত কৰিবলৈ মই মনতে স্থিৰ কৰিলো আৰু প্ৰশংসা কৰিবলৈ। আমি লগ পোৱা প্ৰত্যেকজন ব্যক্তিকে কবলৈ আমি নিশ্চয় ভাল বিষয় এটা পালো। সাধাৰণতে এইদৰে কৰিবলৈ চেষ্টা কৰাত আমাৰ মনতো নিজৰ চিন্তাৰ পৰা আঁতৰাই ৰখাত সহায় কৰে। দিনটোৰ বাবে ওলাই যাওঁতে ঈশ্বৰে মোক চলাই নিব বুলি বিশ্বাস কৰোঁ।

যদি আপুনি নিজকে ঈশ্বৰৰ ওচৰত সমৰ্পন কৰিব খোজে তেওঁ আপোনাক আনক সহায় কৰিবলৈ আৰু প্ৰেম কৰিবলৈ ব্যৱহাৰ কৰিব পাৰে, মই আপোনাক এই দৰে প্ৰাৰ্থনা কৰিবলৈ

অনুৰুধ কৰো ঃ “প্ৰভু, মই মোৰ চকু, কান, মুখ, হাত, ভৰি, হৃদয়, ধন সম্পত্তি, যি মোৰ আছে, প্ৰতিভা, ক্ষমতা, সময় আৰু শক্তি তোমাত সম্পন্ন কৰো। আমি যিফালে যাওঁ তাতেই আশিৰ্ব্বাদযুক্ত হ'বলৈ ব্যৱহাৰ কৰা।”

“প্ৰভু, মই মোৰ চকু, কান, মুখ, হাত, ভৰি, হৃদয়, ধন সম্পত্তি, যি মোৰ আছে, প্ৰতিভা, ক্ষমতা, সময় আৰু শক্তি তোমাত সম্পন্ন কৰো। আমি যিফালে যাওঁ তাতেই আশিৰ্ব্বাদযুক্ত হ'বলৈ ব্যৱহাৰ কৰা।”

আপুনি যেতিয়ালৈকে এইদৰে কৰিবলৈ চেষ্টা নকৰে আপুনি কেতিয়াও জীয়াই থকাৰ আনন্দ কি বুজি নাপাব। ইয়াক মই “পবিত্ৰ স্বভাৱ” বুলি কওঁ, আৰু সকলো স্বভাৱৰ দৰে, এই স্বভাৱৰ বাবে অভ্যাস কৰিব লাগে। কিছু দিনলৈকে, মই নিজৰ মাজতেই আৱদ্ধ হৈ আছিলো আৰু মোৰ নতুন স্বভাৱ অভ্যাস কৰিবলৈ পাহৰি গৈছিলো, কিন্তু মই অতি সোনকালে মনত পেলালো যেতিয়া মই জীৱনৰ আনন্দ আৰু উৎসাহ হেৰুৱাইছিলো সেয়ে মই পুনৰ পথভ্ৰষ্ট হৈছিলো।

মই বহু বছৰ এইদৰে জীয়াই থাকিবলৈ চেষ্টা কৰিছিলো, আৰু ইয়াৰ বাবে যথেষ্ট যুজ বাগৰ কৰিব লগা হৈছিল। আমাৰ কাৰ্য্যৰ প্ৰতি আঁহে আহেঁ “নিজস্ব জীৱন” গভীৰ ভাবে সোমাই পৰে আৰু সহজতে ইয়াৰ পৰা মুক্তি পাব নোৱাৰি। মই অলপতে প্ৰেমৰ বিষয়ে কিতাপ পঢ়িছিলো, বাইবেলে ইয়াৰ বিষয়ে কি কৈছে বাৰে বাৰে পঢ়িছিলো, আৰু এই বিষয়ত প্ৰাৰ্থনা কৰিছিলো। বন্ধুসকলৰ লগত এই বিষয়ে কথা পাতিছিলো, এই বিষয়ে প্ৰচাৰ কৰিছিলো, আৰু মোৰ মনত ৰাখিবলৈ যি পাৰো কৰিছিলো। এটা সময়ত মই যেতিয়া আকৌ অনুভৱ কৰিলো মই স্বাৰ্থপৰ হৈছো বুলি, মই হতাশ হোৱা নাছিলো কাৰণ নিজৰ ওপৰত হতাশ হোৱা মানে নিজতেই আৱদ্ধ হৈ থকা। যেতিয়াই মই অকৃতকাৰ্য্য হওঁ, ঈশ্বৰৰ ওচৰত ক্ষমা বিচাৰো আৰু নতুনকৈ আৰম্ভ কৰো আৰু এইটোৱেই ভাল উপায় বুলি মই বিশ্বাস কৰো। নিজৰ ওপৰত অশ্বস্তিবোধ কৰি আমি বহুত সময় পাৰ কৰি দিওঁ কাৰণ আমি কৰা ভুলৰ দ্বাৰাই আমি বহুতো সময় নষ্ট কৰো। কেৱল ঈশ্বৰে আমাক ক্ষমা কৰিব পাৰে যদিহে আমি তেওঁ ক্ষমা কৰাতো বিচাৰো আৰু তেওঁ সদায় কৰিবলৈ ইচ্ছুক।

সঁচাই, মই স্পষ্ট ভাবে বিশ্বাস কৰো পৃথিৱীৰ মূল সমস্যা হ'ল আত্মকেন্দ্ৰিক হোৱা, কিন্তু এই পৃথিৱীত জীয়াই থকাটো সম্ভৱ যদি আমি পৃথিৱীয়ে বিচৰাৰ দৰে নকৰো। যদি প্ৰেমৰ বিপ্লৱ আৰম্ভ কৰোতে আপুনি মোৰ সৈতে যোগ দিয়ে, আপুনি কেনেকৈ জীয়াই আছিল তাক যদি স্বাভাৱিক ভাবে ঘূৰি চাই, আৰু আক্ৰমক ভাবে যদি আপুনি প্ৰেম লোৱাতকৈ প্ৰেম দিবলৈ জীৱন আৰম্ভ কৰে তেতিয়া আপুনি সমস্যা নহয় কিন্তু সমাধানৰ হে অংশ হ'ব।

তৃতীয় অধ্যায়

3

# আকস্মিক ভাৱে কোনো বিষয় ভাল নহয়

*মই সজাগ আৰু সক্ৰিয়, মোৰ বাক্য সিদ্ধ কৰা চাই থাকা*
*(যিৰিমিয়া ১:১২)*

কোনো বিপ্লৱেই আকস্মিক ভাৱে পৃথিৱীৰ সমস্যা সলনি কৰিব নোৱাৰে। কিছুমান ক্ষেত্ৰত, কেইজনমান মানুহে পৰিস্থিতিৰ সলনি হোৱাৰ প্ৰয়োজন বুলি ভাবি, আলোচনা কৰি বিপ্লৱ আৰম্ভ কৰে। তদুপৰি বুৰঞ্জী বিখ্যাত ঘটনাবোৰৰ জন্ম সাধাৰণ অশান্তি বা পৰিকল্পনা কৰি কৰা বিপ্লৱ হয়, সেইবোৰ আকস্মাতে কেতিয়াও নহয়। এইবোৰ আলোচনা কৰি, পৰিকল্পিত ভাৱে, আবেগপূৰ্ণ হৈ আৰু কৌশলেৰে কৰে। কিছুমানে একো কৰিব নোখোজাৰ বাবে, কিছুমানে “ঘটনাটো সন্মুখলৈ ওলাই” আহক বুলি নকৰে, কিছুমানে ধ্বংসাত্মক অন্যায় হ'লেও প্ৰতিৰোধ নকৰাকৈ অকামিলা হৈ কৰিব নোখোজাৰ কাৰণে কিন্তু কিছুমানে কৰিবলৈ সিদ্ধান্ত লোৱাৰ কাৰণেই বিপ্লৱৰ আৰম্ভ হয়।

## *এতিয়া কাৰ্য্য কৰক!*

আমি যে সক্ৰিয় হৈ থাকিব লাগে তাৰ বাবে বাইবেল বহুতো উপদেশেৰে পূৰ্ণ হৈ আছে। নিষ্ক্ৰিয় হৈ থকাৰ পৰিবৰ্ত্তে সক্ৰিয় হৈ থাকবিলৈ নিৰ্দ্দেশ দিয়াতো সহজ, কিন্তু নিযুত নিযুত মানুহে ইয়াক আওকান কৰে। নিজে নিজেই সকলো ঠিক হ'ব বুলি হয়তো ভাবে। তেওঁলোকে নকৰে। আকস্মিক ভাবে একো ভাল হ'ব নোৱাৰে। এই কথাষাৰ এবাৰ শুনাৰ পাচত, ভাল উদ্দেশ্যেৰ বাবে মোৰ জীৱন সলনি হয়।

আমি বিচৰাৰ দৰে আশা কৰিলে সকলো কথা পূৰ্ণ নহয়, কিন্তু সেইটো পাবৰ বাবে যি কৰিব লাগে তাক আমি আক্ৰমণমূলক ভাৱে কৰিব লাগে। আমি এনে কৃতকাৰ্য্য হোৱা মানুহ বিচাৰি নাপাওঁ যি কৃতকাৰ্য্য হ'বৰ বাবে গোটেই জীৱন আশা কৰি তাক লাভ কৰিছে। নাইবা একো কাম নকৰাকৈ কৃতকাৰ্য্য হোৱা মানুহ বিচাৰি নাপাওঁ। প্ৰেমৰ বিপ্লৱৰ ক্ষেত্ৰতো আমি সেই একেই নীতি মানিব লাগিব। যীচুৱে শিকোৱাৰ দৰে আমি যদি মানুহক প্ৰেম কৰিব খোজো, আমি উদ্দেশ্য ৰাখি তাক কৰিব লাগিব। এইটো আকস্মিক ভাৱে নহয়।

বাইবেলে কৈছে আমি দয়া আৰু ভালপোৱা বিচাৰিব লাগিব। (১থিচ ৫:১৫) বিচৰাটো এটা শক্তিশালী শব্দ ইয়াৰ অৰ্থ হ'ল "কাটি বা টুকুৰা টুকুৰি কৰি গঢ় দিয়া, উদ্দেশ্য সিদ্ধিৰ অৰ্থে প্ৰচেষ্টা কৰা আৰু লাগি থকা।" আমি যদি সুবিধা পাওঁ, আমি সেইটো বিচাৰি উলিয়াব লাগে, আৰু সেইটোৱে এলেহুৱা আৰু ফল নধৰা হৈ থকাৰ পৰা সুৰক্ষা দান কৰে। যদি আমি সজাগ আৰু সক্ৰিয় বা নিষ্ক্ৰিয় আৰু অকামিলা হওঁ আমি নিজকে প্ৰশ্ন কৰিব লাগে? ঈশ্বৰ সজাগ আৰু সক্ৰিয় হয়হ্লু তেওঁ সেইদৰে হোৱাত মই আনন্দ পাওঁ; নহ'লে আমাৰ জীৱনত সকলো সঘনাই নষ্ট হ'লহেতেন। ঈশ্বৰে কেৱল পৃথিৱী সৃষ্টি আৰু আমি যি সকলো চাই আনন্দ উপভোগ কৰিছো তাকেই কৰা নাছিল, তেওঁ এই সকলো সক্ৰিয় ভাৱে প্ৰতিপালনো কৰিছিল কাৰণ তেওঁ জানিছিল ভাল বস্তু এনেই সাধাৰণভাৱে নহয়, প্ৰকৃত কাৰ্য্যৰ দ্বাৰাইহে এই সকলো হয় (ইব্ৰী ১:৩)

ঈশ্বৰে অনুপ্ৰাণিত কৰে, আমাক এলেহুৱা আৰু ফলহীন নোহোৱাকৈ সমানতৰালভাৱে সক্ৰিয় হৈ থাকিবলৈ আৰু আমাৰ সুৰক্ষাদাতা হিচাবে কাম কৰে। সক্ৰিয় হৈ থকা আৰু উচিত কাম কৰাই ভুল কাম কৰাত বাধা দিয়ে। এনে লাগে যিটো ভুল সেইটো নকৰিবলৈ আমি বিশেষ চেষ্টা নকৰো, আমি যিটো শুদ্ধ সেইটো কৰিবলৈ যদি বাছি নলওঁ, আমাৰ স্বাভাৱিক যি স্বভাৱ সি সেই দিশৰ পৰা আঁতৰাই নিব।

উদাহৰণ স্বৰূপে, আমি ৰোগ বাচি ল'ব নালাগে; ৰোগৰ বিজাণু আমাৰ চাৰিওফালে থাকে আৰু আমাক আক্ৰমণ কৰিব পাৰে। কিন্তু আমি সুস্বাস্থ্য বাচি ল'ব লাগে। সু-স্বাস্থ্যৰ কাৰণে মই সদায় ব্যয়াম, টুপনি আৰু পুষ্টিকৰ খাদ্য ব্যৱহাৰ কৰো। মই জানো যে চিন্তা বা উৎকণ্ঠাত থাকিব নালাগে কাৰণ এইটোৱে মোক ভাগৰাই তুলিব আৰু সম্ভৱত শাৰীৰিক আন অসুবিধাত পেলাব পাৰে। স্বাস্থ্যবান হ'বলৈ হ'লে স্বাস্থ্যৰ ওপৰত মই সক্ৰিয়হৈ খৰছ কৰিব লাগিব, কিন্তু নিজৰ একো যত্ন নল'লে সহজতে ৰোগে আক্ৰমণ কৰিব পাৰে।

## *শৰীৰ দুৰ্বল*

পাঁচনি পৌলে স্পষ্ট ভাবে এই শিক্ষা দিছে যে বহুতো পাপ কাৰ্য্যত শৰীৰ এলেহুৱা, কামপীড়িত আৰু অভিলাষী (ৰোমীয়া ১৪:১৪) ঈশ্বৰক ধন্যবাদ দিওঁ যে, আমি শৰীৰক জয় কৰাত আমাৰ লগত ঈশ্বৰৰ আত্মা আছে, আৰু ঈশ্বৰৰ স্বভাৱ খ্ৰীষ্টীয়ানৰ আত্মিক শৰীৰত বাস কৰে। ঈশ্বৰ

পবিত্ৰ আৰু প্ৰকৃত সত্য এই যে তেওঁ আমাৰ লগত আছে, সেয়ে আমাৰ মাজতো পবিত্ৰতা আছে। আমাৰ আত্মাৰ দ্বাৰাই আমি মাংসক বশ আৰু শাসন কৰিব পাৰো — কিন্তু তাৰ কাৰণে যত্নৰ প্ৰয়োজন। পবিত্ৰ আত্মাৰ সৈতে সহভাগিতাৰ প্ৰয়োজন যিয়ে আমাক শক্তিশালী আৰু আমাক ভাল কাম কৰিবলৈ সমৰ্থবান কৰে। পৌলে কৈছে মাংসৰ কাৰণে আমি যোগান ধৰিব নালাগে আৰু মই এই ধৰণে বিশ্বাস কৰো যে একো নকৰাকৈ আমি ইয়াৰ বাবে যোগান ধৰোহঁ

একো নকৰা মানে বেয়া কামত আসক্ত হোৱা। আমি যিমানেই একো নকৰো, সিমানেই একো কৰিব নিবিচাৰো। মই নিশ্চিত যে আপুনি ঘৰত গোটেই দিনটো এনেয়ে শুই থকাৰ অভিজ্ঞতা আছে আৰু আপুনি দেখিব যে যিমানেই আপুনি শুব সিমানে উঠিবলৈ অসুবিধা অনুভৱ কৰিব। আপুনি যেতিয়া প্ৰথমে উঠিবলৈ ল'ব আপুনি সকলো জঠৰ আৰু ভাগৰুৱা অনুভৱ কৰিব, যেতিয়া আপুনি নিজৰ ওপৰত জোৰ দিব আপোনাৰ বল শক্তি পুনৰ ঘূৰি আহিব।

আজি মই এলাহ কৰি উঠিছো। মই গোটেই সপ্তাহটো ধৰ্ম্মীয় সন্মিলনৰ বাবে অতিশয় কাম কৰিলো আৰু মই এতিয়াও অলপ ভাগৰত আছো। তাৰ ওপৰিও মোৰ কিছুমান আশা পূৰ নোহোৱাৰ কাৰণে মই ব্যক্তিগত ভাৱে নিৰাশ হৈছো। মোৰ এনে অনুভৱ হৈছে মই গোটেই দিনটো বিচনাত শুই থাকি তাৰ বাবে দুখ কৰি থাকিম, কিন্তু এইদৰে কৰাৰ বহু বছৰৰ মোৰ অভিজ্ঞতা আছিল, আৰু মই বুজিছো যে এইদৰে কৰাৰ কোনো লাভ নাই, সেয়েহে মই আন উপাই ল'বলৈ সিদ্ধান্ত কৰিলো। এই অধ্যায়টো কাৰ্য্যতৎপৰতাৰ ওপৰত লিখি যাবলৈ সিদ্ধান্ত কৰিলো। মোৰ মাংসই যি দৰে অনুভৱ কৰে তাৰ বিৰুদ্ধে যুজ কৰাৰ এইয়ে মোৰ উপায়হুঁ যিমানেই মই লিখো, সিমানেই মই ভাল অনুভৱ কৰো।

এনে পৰিস্থিতিত য'ত এলেহুৱা হ'বলৈ আমাৰ শৰীৰে লোভ দেখুৱাই, আমি ঈশ্বৰৰ সহায় বিচাৰি সেইটো অতিক্ৰম কৰিবলৈ আৰম্ভ কৰিব লাগে আৰু এলেহুৱা হৈ থকাৰ সলনি কৰ্মৎপৰ হ'বলৈ সংকল্পৰ দ্বাৰাই সিদ্ধান্ত ল'ব লাগে। তেতিয়া, যেনেকৈ আমি আগুৱাই যাওঁ আৰু আমাৰ সিদ্ধান্তত কাৰ্য্য কৰো, আমি দেখিবলৈ পাম যে আমাৰ ভাববোৰ তাত সন্মিলিত হৈ আছে। আজিৰ দৰেই আগৰ দিনবোৰতো ঈশ্বৰে নিয়মানুবৰ্ত্তিতা আৰু আত্মসংযমৰ আত্মা দান কৰিছিল, কিন্তু এইটো মোৰ ওপৰত নিৰ্ভৰ কৰে ঈশ্বৰে দিয়া শক্তি মই ব্যৱহাৰ কৰিমনে নকৰিম নে মই শৰীৰৰ অভিলাষত চলিম।

পৌলে "জাগতিক খ্ৰীষ্টীয়ান"সকলৰ বিষয়েও লিখিছিল; যিসকলে যীচুখ্ৰীষ্টক ত্ৰানকৰ্ত্তা বুলি গ্ৰহণ কৰিছিল, কিন্তু আত্মিক পৰিপকতা বৃদ্ধিৰ কাৰণে কেতিয়াও পবিত্ৰ আত্মাৰ সহভাগিতাত কাম কৰা নাছিল। ৩:১-৩ পদত পৌলে কৈছিল মাংসৰ অভিলাষ আৰু আত্মাৰ দ্বাৰা পৰিচালিত যি খ্ৰীষ্টীয়ান লোক সকলৰ লগত তেওঁ কথা পাতিছিল, তেওঁলোক জাগতিক স্বভাৱৰ বশত আছিল। তেওঁ গভীৰ শিক্ষা দিয়া নাছিল, তেওঁ "শিশুক দিয়া শিক্ষা"ৰ দৰে শিক্ষা দিছিল। তেওঁলোকক তেওঁ আত্মিক নহয় বুলি কৈছিল কাৰণ তেওঁলোকক সাধাৰণ আবেগে শাসন কৰিছিল, যাক তেওঁলোকে বাধা দিয়া নাছিল। আপুনি সাধাৰণ আবেগক শাসন কৰিবলৈ দিবনে? আজি সাধাৰণ আবেগে মোক শাসন কৰাত মই আজি প্ৰলোভিত হৈছিলো কিন্তু গোটেই দিনটোত কিছুমান

কামত সক্ৰিয় হৈ থাকি ভাল ফল ধৰিব বুলি বিশ্বাস কৰি মই বোধহয় প্ৰলোভনক প্ৰতিৰোধ কৰিবলৈ সক্ষম হৈছো। মই নিজৰ ভাবত সেইবোৰ আহিবলৈ দিব নোৱাৰো কাৰণ এটা দিনো মই অবাবত নষ্ট কৰিব নোৱাৰো।

## *নিষ্ক্ৰিয়তাৰ কোনো পুৰস্কাৰ নাই*

আমি কোনেও একো নকৰাকৈ বহি থাকি সময় নষ্ট কৰিব দিব নোৱাৰো। নিষ্ক্ৰিয়তাক ঈশ্বৰে পুৰস্কাৰ নিদিয়ে। যিটো শুদ্ধ বুলি জানে, নিষ্ক্ৰিয় মানুহে তাক কৰিবলৈ নিজ ইচ্ছা ব্যৱহাৰ নকৰে। তাৰ সলনি তেওঁলোকে কিবা বেলেগ কৰিবলৈ বাট চাই বা কিছুমান ৰহস্যপূৰ্ণ বাহিৰা শক্তিয়ে তেওঁলোকক অনুপ্ৰাণিত কৰে। বিশেষকৈ তেওঁবিলাকৰ কিবা ভাল হ'ব বুলি আশা কৰে আৰু একো নকৰিবলৈ তেওঁলোক প্ৰতিজ্ঞাবদ্ধ হয় সেয়ে তেওঁলোকে কিবা হ'ব বুলি বাট চাই। ঈশ্বৰে এনে মনোভাৱ ভাল নাপায়; প্ৰকৃততে এইটো বেছ ভয় লগা কথা।

একো নকৰাৰ সিদ্ধান্ত লোৱাটোও এটা সিদ্ধান্ত, আৰু এইটোৱেই আমাক দুৰ্ব্বলৰ পৰা দুৰ্ব্বল কৰি তোলে। আমাক শাসন কৰিবৰ বাবে চয়তানক ই বহুত বেছি সুবিধা দিয়ে। খালি ঠাই যদি খালি হৈ থাকে, এই বিষয়ে ঈশ্বৰৰ বাক্যই আমাক শিকাই যে যদি চয়তানে আহি খালি ঠাই বিচাৰি পাই সি সোনকালে সেই ঠাই দখল কৰে (মথি ১২:৪৩-৪৪) কোনো কাৰ্য্য নকৰা ইয়াকে বুজাই যে, যি হৈ আছে তাকে মানি লোৱা। বাস্তৱিকতে আমি যদি এইটো সলনি কৰিবলৈ একো নকৰো তেতিয়া আমি ভাবো যি হৈ আছে ভালেই হৈছে।

## *কিবা কৰক*

হতাশাত ভোগা মানুহৰ মাজত প্ৰচাৰ কৰিবলৈ আমি বিভিন্ন ধৰণৰ মানুহ পৰিচৰ্য্যা কৰিবলৈ যাওঁতে লৈ গৈছিলো, কিন্তু তেওঁলোক সকলোৱে একে ধৰণে প্ৰতিক্ৰিয়া কৰা নাছিল। আফ্ৰিকা, ভাৰত আৰু পৃথিৱীৰ বেলেগ ঠাইৰ ভিতৰুৱা গাঁওত যিসকল মানুহ বাস কৰিছিল তেওঁলোকৰ কষ্টদায়ক অৱস্থা দেখি সকলোৱে কৰুণা অনুভৱ কৰিছিল। বহুতে কান্দিছিল, মূৰ লৰাইছিল আৰু ভাবিছিল এই অৱস্থা অতি ভয়াবহ, কিন্তু সেই অৱস্থাৰ সলনি কৰিবলৈ কিবা কৰা কথা সকলোৱে থিৰাং কৰা নাছিল। বহুতে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰিছিল কিবা এটা কৰিবলৈ আৰু আমাৰ পৰিচৰ্য্যাৰ অনুস্থানে কিছু কাম কৰাৰ কাৰণে তেওঁলোকে আনন্দ পাইছিল, তথাপিও তেওঁলোকে কেতিয়াও ঈশ্বৰক আক্ৰমণমূলক ভাৱে বিচৰা নাছিল তেওঁলোকে নিজৰ কাৰণে কি কৰিব পাৰে বুলি। মই ক'বলৈ সাহস কৰো যে বেছিভাগেই ঘৰলৈ ঘূৰি আহিল, নিজৰ জীৱনৰ সৈতে পুনৰ

> উদাশীনতাই ক্ষমা বিচাৰে কিন্তু প্ৰেমে পথ উলিয়াই সকলোকে কিবা এটা কৰিবলৈ সুবিধা দিয়েছ্ল

ব্যস্ত হৈ পৰিল, আৰু তেওঁলোকে কি দেখিছিলে সোনকালে পাহৰি গ'ল। কিন্তু ঈশ্বৰক ধন্যবাদ দিও তাৰ মাজত কিছুমান ব্যক্তি আছিল যি সকলে পৰিৱৰ্ত্তন আনিবৰ বাবে সংকল্প কৰিছিল। মনত ৰাখিব ঃ উদাশীনতাই ক্ষমা বিচাৰে কিন্তু প্ৰেমে পথ উলিয়াই সকলোকে কিবা এটা কৰিবলৈ সুবিধা দিয়েহ্ল

এগৰাকী মহিলাৰ কথা মনত পৰে যি গৰাকীয়ে সংকল্প কৰিছিল কিবা উপায়েৰে আনক সহায় কৰিবলৈ। অলপ সময় তেওঁ ভাবিব পৰা নাছিল কি কৰিব কাৰণ দিবৰ বাবে তেওঁৰ হাতত উপৰঞ্চি ধন নাছিল সেয়ে তেওঁ পৰিচৰ্য্যাৰ মাজত থাকিব নোৱাৰে। কিন্তু সেই অৱস্থাৰ বিষয়ে তেওঁ সদায়ে প্ৰাৰ্থনা কৰিবলৈ লোৱাত ঈশ্বৰে তেওঁৰ কি আছে তাক চাবলৈ অনুপ্ৰাণিত কৰিলে; তেওঁৰ যি নাই সেইটোৰ বাবে নহয়। তেওঁ অনুভৱ কৰিলে যে তেওঁ বেকিং, পাই আৰু বিস্কুত বনোৱাত খুব পাৰ্গত। সেয়ে পালকক সুধিলে গোটেই সপ্তাহটো তেওঁ বেকিং কৰিব পাৰে নেকি আৰু দেওবাৰে আবেলি গীৰ্জ্জাৰ পাচত সেইবোৰ বিক্ৰী কৰি সেই টকা পৰিচৰ্য্যাৰ কামত দিবলৈ। এইটোৱেই তেওৰ কাৰণে উপায় হ'ল আৰু অন্য গীৰ্জ্জাৰ সদস্য সকলেও পৰিচৰ্য্যাৰ কামত যোগদান কৰিলে আৰু এইটোৱেই তেওঁক আনক সহায় কৰিবৰ কাৰণে কিবা কৰিবলৈ সক্ৰিয় কৰি ৰাখিলে।

মই আৰু এগৰাকী মহিলাৰ কথা জানো যি গৰাকীয়ে আনক সহায় কৰিবৰ বাবে উপায়হীন, সেয়ে তেওঁ মাউৰা ল'ৰা-ছোৱালীক সহায় কৰিবলৈ নিজৰ দীঘল ধুনীয়া চুলিখিনি কাটি বিক্ৰী কৰিছিল। এইটো হয়তো অস্বাভাৱিক লাগিব পাৰে, কিন্তু মই নিশ্চয়কৈ কওঁ যে একো নকৰাতকৈ এইটো বহুত ভাল। একো নকৰাটো সংকতজনক কাৰণ আমাৰ জীৱনত চয়তানক কাৰ্য্য কৰিবলৈ ই দুৱাৰ মুকলি কৰি দিয়ে।

বাৰ্ত্তা দিয়াৰ দ্বাৰাই সুস্থ কৰা আন এগৰাকী মহিলা লগ পাইছিলো আৰু আমাৰ এটা ধৰ্ম্মীয় সভাত যোগ দিয়াৰ পাচত য'ত মই আনৰ ওচৰ চপাৰ প্ৰয়োজনীয়তাৰ ওপৰত কৈছিলো, তেওঁ এটা বিশেষ দিন যুগুত কৰিলে আৰু দুখীয়া মানুহৰ কাৰণে সকলো আগবঢ়াবলৈ ঠিৰাং কৰিলে। তেওঁ পৰিচৰ্য্যাৰ কাৰণে একহেজাৰ ডলাৰ সংগ্ৰহ কৰিলে আৰু তেওঁ সাক্ষ দিলে যে দিয়াৰ দিনটো তেওঁৰ কাৰণে জীৱন সলনি কৰা দিন আৰু তাত উপস্থিত থকা সকলৰ কাৰণেও। দুখীয়াক সহায় কৰিবলৈ একেলগে কাম কৰা কিমান উত্তেজনাপূৰ্ণ তেওঁ প্ৰকাশ কৰিলে।

আমি সকলোৱে ভালপোৱাটো বিচাৰো, কিন্তু মই বিশ্বাস কৰো আনক মৰম দিয়াতেই আমাৰ আনন্দ গভীৰ ভাবে জড়িত হৈ থাকে। আমি যেতিয়া দিও আমাৰ অন্তৰত কিবা এটা ভাল লাগে।

## *নিষ্ক্ৰিয়তাই শত্ৰুক নিমন্ত্ৰণ কৰে*

চৌফাত বাগৰি থাকি বা পিঠিত ভেজা দি বহি যি কৰিব লগা আছে সেই সকলোৰ তৎতাৱধান ল'বলৈ ঈশ্বৰক কোৱাতো সহজ, কিন্তু এইটোৱে আমাক এলেহুৱা আৰু ফল নধৰা কৰে আৰু বেয়া

কাৰ্য্যৰ আক্ৰমণৰ বাবে বাট উলিয়াই দিয়ে। ভাল চিন্তাধাৰাৰ পৰা আমাৰ মনটো যদি খালি হৈ থাকে, চয়তানে অতি সোনকালে বেয়াৰে তাক ভৰাই দিয়ে। যদি আমি এলেহুৱা আৰু নিষ্ক্ৰিয় হওঁ সি সহজতে আমাক ভুল আৰু পাপৰ কাম কৰিবলৈ প্ৰলোভিত কৰিব পাৰে। ফল নধৰা আৰু এলেহুৱা হোৱাৰ পৰা দূৰৈত থাকি কাৰ্য্যক্ষম হ'বলৈ বাইবেলে বহুবাৰ কৈছে। আনৰ কাৰণে কি কৰিব পাৰো আমি যদি দৃঢ় ভাবে চিন্তা কৰো তেতিয়া হ'লে ভুল চিন্তা কৰিবলৈ আমাৰ মনত ঠাইয়ে নাথাকিব।

এলেহুৱা মানুহ অতি সোনকালে নিৰৎসাহ, হতাশ আৰু নিজৰ দুখৰ কথাত পূৰ্ণহৈ থাকে। তেওঁলোক সকলো ধৰণৰ পাপত পৰিব পাৰে। পাঁচনি পৌলে আনকি কৈছে যে যদি গাভৰু মহিলা বিধবা হয়, তেওঁ পুনৰ বিবাহ কৰিব লাগে। নহ'লে, তেওঁ অলাগতিয়াল কথা পাতি থাকিব আৰু ইন্দ্ৰিয় সুখাভিলাষত লিপ্ত হ'ব। (১তীম ৪:১১-১৫) পৌলে আচলতে ক'ব খুজিছে যে কিছুমান গাভৰু বিধবাই নিষ্ক্ৰিয় হৈ থাকি ইতিমধ্যে চয়তানৰ পাচত যাব ধৰিছে। সক্ৰিয় হৈ থকাটো কিমান গুৰুত্বপূৰ্ণ? মই বিশ্বাস কৰো যে পৌলে লিখা কথাখিনি খুব গুৰুত্বপূৰ্ণ।

আচলতে, ঈশ্বৰে পবিত্ৰ বাইবেলৰ মাজেৰে নিষ্ক্ৰিয় নহ'বলৈ উৎসাহিত কৰিছে। পুৰণা নিয়মত যেতিয়া কোনো মানুহৰ মৃত্যু হয় তেতিয়া মৰমৰ ব্যক্তি জনৰ নিমিত্তে চল্লিশ দিন কেৱল দুখ প্ৰকাশ কৰিবলৈ কৈছে। (দ্বীতিত ৪:৮) প্ৰথমে, সেইতো হয়তো চেতনাহীন যেন লাগিছিল, কিন্তু ঈশ্বৰে সেই নিয়ম কৰিলে কাৰণ তেওঁ জানিছিল বহুদিন দুখ কৰি আৰু নিষ্ক্ৰিয় হৈ থকাই গভীৰ সমস্যালৈ নিব পাৰে।

আমি সক্ৰিয় হৈ থাকিবই লাগিব — কিন্তু ক্লান্ত হৈ যোৱাকৈ অতিৰিক্ত কাম কৰিব নালাগে — কিন্তু নিজকে স্বাস্থ্যবান কৰি ৰাখিব লাগে যাতে কষ্ট নোহোৱাকৈ শুদ্ধ পথত চলিব পাৰে। কাৰণ সমানতৰাল ভাৱে চলাটো খুব গুৰুত্বপূৰ্ণ কথা। আমি সকলো সময়তেই আনক সহায় কৰাতেই সময় কটাব নোৱাৰো কিন্তু আনহাতে একো নকৰাকৈ থাকিলে ডাঙৰ সমস্যাৰ সৃষ্টি কৰে। আপুনি যদি কোনোবা এজনৰ কথা ভাবে আপুনি জানিব পাৰিব যে কোন এলেহুৱা, কাম নকৰা, আৰু নিষ্ক্ৰিয় কাৰণত কৰ্মৎপৰ আৰু আনন্দৰ অভাৱ একেলগে থকাত তেওঁলোক যে সুখী নহয় তাক আপুনি হয়তো অনুভৱ কৰিব পাৰিব।

বহু বছৰৰ আগতে মোৰ মাহীয়ে তেওঁক সহায় কৰিবৰ কাৰণে মানুহ ৰাখিছিল। প্ৰথম তিনি-চাৰি বছৰ তেওঁ একো কৰিব খোজা নাছিল। ঘৰ এৰিব লগা হোৱাত তেওঁৰ দুখ লাগিছিল আৰু তেওঁৰ কাৰণে প্ৰস্তুত থকা নতুন জীৱনত অংশ ল'বলৈ তেওঁৰ ইচ্ছা নাছিল। যদিও তাত বহুতো কৰিব লগা কাৰ্য্য আছিল আৰু আনকি আনক সহায় কৰাৰ সুবিধাও আছিল তেওঁ দৃঢ়তাৰে একো নকৰাকৈ থাকিল। দিনৰ পাচত দিন তেওঁ নিজৰ ঘৰতে নিৰুৎসাহী হৈ বহি থাকিল। তেওঁ শাৰীৰিক ভাবে অসুস্থ হ'ল আৰু তাৰ বাবে অসুবিধা হৈছিল। সৰ্ব্বশেষত একো নকৰাকৈ বহি নাথাকে বুলি তেওঁ সিদ্ধান্ত ল'লে আৰু বাইবেল শিক্ষা গ্ৰহণ কৰাত যোগ দিলে আৰু হস্পিতালৰ ৰোগীসকলক চাবলৈ যোৱা কৰিলে। তেওঁ খেলিব ধৰিলে, পাৰ্টি যাব ধৰিলে আৰু বহুতৰ লগত বন্ধুত্ব কৰিলে।

তেওঁৰ শৰীৰ আগতকৈ ভাল অনুভৱ কৰিলে আৰু জীৱনত আগতে যি দৰে আছিল তাতকৈ যে সুখী হ'ল তাক মোৰ আগত প্ৰকাশ কৰিলে।

কৰ্মৎপৰ নোহোৱা মানুহৰ অৱস্থা দিনৰ পাচত দিন বেয়াৰ ফাললৈ যায় যেতিয়ালৈকে জীৱনৰ সকলো দিশত নিষ্ক্ৰিয়তাই প্ৰভাৱ পেলাই। তেওঁৰ পৰিবেশ আৰু অৱস্থা নিষ্ক্ৰিয়তাত ইফাল-সিফাল হৈ থাকে। তেওঁ তেওঁৰ অনুভৱক পৰিচালিত কৰিব দিয়ে আৰু সেয়ে তেওঁ কেতিয়াও একো নকৰিবলৈ ইচ্ছা কৰে, আৰু জীৱনটো ভাগি পৰাত তেওঁ কেৱল চাই থাকে আৰু আপত্তি কৰে। তেওঁ বহুতো কাম কৰিব খোজে, তথাপিও বৰ্ণনা কৰিব নোৱাৰা অনুভূতিত তেওঁ সম্পূৰ্ণ পৰাস্ত হয়। তেওঁ এলেহুৱা অনুভৱ কৰে আৰু তেওঁৰ কোনো গঠনমূলক চিন্তা নাথাকে। তেওঁ আনকি শাৰীৰিক ভাৱে অক্ষম বুলি ভাবিবলৈ ধৰে আৰু সেয়ে শক্তিৰ অভাৱ হয়। তেওঁৰ কাৰণে এটাৰ পাচত এটা বৃহৎ পাহাৰ সাদৃশ সমস্যাৰে ভৰি পৰে।

সফলতা লাভ নকৰা অভিজ্ঞতা বা লানি নিচিগা হতাশা বা যেতিয়া দুখে আবৰি ধৰে আমি নিজকে প্ৰায়ে নিষ্ক্ৰিয় হ'বলৈ এৰি দিও, যিটোৰ বিষয়ে এই অধ্যায়ৰ শেষত বৰ্ণনা কৰিছো। তেনে ঘটনা ঘটিলে আমি এৰি দিব খোজো, কিন্তু যেতিয়া তেনে কৰো, চয়তানে সেই অৱস্থাৰ সহায় লৈ আমাক আক্ৰমণ কৰিবলৈ বৈ থাকে। আমি কোনো কাৰণতেই নিষ্ক্ৰিয়তাৰ বাবে চয়তানক আমাৰ ওপৰত প্ৰভুত্ব কৰিবলৈ নিদিওঁ।

## *দিনটোৰ বেয়াবোৰ সক্ৰিয়তাই দূৰ কিৰিবলৈ সহায় কৰে*

যেতিয়া মোৰ "দিনটো ভাল নহয়", পৃথিৱীত বহুতো নিযুত মানুহ আছে যি সকলে ভাৱে যে তেওঁলোকৰ তোলনাত মোৰ দিনটো আনন্দৰ। বিশ বছৰতকৈও বেছি সময়, পূব আফ্ৰিকাৰ বিদ্ৰোহী সেনাই, গোপনে যুদ্ধ কৰা আতংকবাদী সেনাবাহিনীত জোৰ কৰি ল'ৰা-ছোৱালীবোৰক সৈন্য হ'বৰ বাবে ভৰ্ত্তি কৰিবলৈ দাসত্বৰূপে ধৰি নিয়ে, তেওঁলোকে যি সকলে নিজকে "ঈশ্বৰৰ দ্বাৰা পৰিচালিত সৈন্য" বুলি ক'বলৈ দুঃসাহ কৰে। ওগন্দাৰ উত্তৰ ভাগত এই গৰিলাই আতংকৰ সৃষ্টি কৰে; তেওঁলোকে সাত বছৰৰ ল'ৰা-ছোৱালীকো মনে মনে ধৰি নিয়ে আৰু তেওঁলোকক যৌন কাৰ্য্য কৰিবলৈ আৰু সৈন্য হ'বলৈ জোৰ কৰে, আৰু আন বহুতো তলখাপৰ কাম কৰিব দিয়ে। গণনা কৰি দেখা গৈছে যে ত্ৰিশ হাজাৰৰ পৰা চল্লিশ হাজাৰলৈ ল'ৰা-ছোৱালী মনে মনে ধৰি নিয়া হৈছিল। যিটোৱে শাসনাধিস্ত চৰকাৰৰ বিৰুদ্ধে সংগ্ৰাম কৰিবলৈ আৰম্ভ কৰে যাৰ বিপৰীতে উচ্চ পদস্থ বিষয়াই নিৰিহ মানুহক কাটিবলৈ ধৰে আৰু যেতিয়া তেওঁ সকলোকে অত্যাচাৰ কৰিছিল, তেওঁ দশ আজ্ঞাৰ ভিত্তিত সমাজখন গঢ়িবলৈ চেষ্টা কৰা বুলি কয়।

এসময়ত যৌচেফ কয়নী বোলা মানুহজন কেথেলিক গীৰ্জ্জাত কাম কৰা ল'ৰা আছিল। তেওঁ কোৰাণ আৰু পাহাৰীয়া লোক সকলৰ ৰীতি-নীতিৰ লগত দশ আজ্ঞাক মিলাই নিজৰ বিধান উলিয়াই। তেওঁৰ কাম কৰা কৌশল হিংসাত্মক আছিল। এই লিখনীত লিখাৰ দৰে, যুদ্ধ বিৰামৰ চুক্তি

ঘোষণা কৰা হ'ল আৰু বহুতো ল'ৰা-ছোৱালীক মুক্তি দিলে, কিন্তু তেওঁলোকৰ বেছিভাগৰ পিতৃ-মাতৃক হত্যা কৰা হৈছিল, সেয়ে ঘূৰি যাবলৈ তেওঁলোকৰ ঘৰ নাছিল। বেছিভাগ ল'ৰা-ছোৱালীকেই নিচাযুক্ত দ্ৰব্য খাবলৈ জোৰ দিয়া হৈছিল আৰু তাৰ প্ৰতি তেওঁলোক আসক্ত হৈছিল। বয়স্থলোকে বিশ্বাস কৰিব নোৱাৰা ধৰণৰ হিংসাত্মক কাৰ্য্য অকলে কৰিবলৈ তেওঁলোকক জোৰ দিছিল। তেওঁলোকৰ গোটেই পৰিয়ালটোক গুলিয়াবলৈ যুৱকসকলক জোৰ দিছিল। তেওঁলোকে এতিয়া কি কৰিব? আবৰ্জনাৰে ভৰপুৰ ৰাস্তাত ঘূৰি ফুৰি তেওঁলোকে যি কৰিছিল তাক পাহৰিবলৈ পথ বিচাৰিছিল। তেওঁলোকক সহায়ৰ প্ৰয়োজন সেয়ে মোক ব্যৱহাৰ কৰিবলৈ ঈশ্বৰক মই ক'ব পাৰো আৰু প্ৰাৰ্থনা কৰিব পাৰো। মই উদ্দেশ্যৰ কাৰণে নিজৰ মনোভাৱৰ পৰা আঁতৰি, এই মাত্ৰ বৰ্ণনা কৰা লোক সকলৰ কাৰণে চিন্তা কৰিব পাৰো যিসকল সঁচাই সমস্যাত আছে।

যেতিয়া ওগান্দাত যাত্ৰা কৰিবলৈ সুবিধা পাইছিলো মই মনত পেলাব পাৰো আশাহীন চেহেৰাৰে দেখা সেই মানুহৰ মুখবোৰ, আৰু সদায়েই সহায় পঠিয়াবলৈ মই চেষ্টা কৰিছিলো। প্ৰথমবাৰ গৈ যেতিয়া মই তেওঁলোকৰ খং দেখিছিলো মই কল্পনা কৰো কেনেকৈ খঙৰ সলনি তেওঁলোকৰ মুখত মই হাঁহি বিৰিঙাবলৈ চেষ্টা কৰিছিলো। নতুন গাঁও প্ৰতিস্থা কৰি তেওঁলোকক সহায় কৰাৰ পাচত, তেওঁলোকৰ জীৱন কেনে হ'ব মই কল্পনা কৰিব পাৰো, য'ত তেওঁলোকক তুলি লোৱা পিতৃ-মাতৃ সকল আছিল, পুষ্টিকৰ আহাৰ, প্ৰেম আৰু শিক্ষা, তাৰ লগে লগে যীচুৰ বিষয়ে সঠিক শিক্ষা আৰু তেওঁলোকৰ জীৱনৰ বাবে যে তেওঁৰ আঁচনি আছে তাক স্পষ্ট কৰি দেখুৱা হৈছিল।

## বাল্য সৈন্য

"প্ৰভু অনুগ্ৰহ কৰি, আজি আৰু সত্যা নালাগে। কোনো পধ্যেই মই আৰু চাব নোৱাৰো।" তেনেকৈয়ে প্ৰাৰ্থনা কৰি থকা হৈছিল।

অলপ দূৰৈত, এলেনে চিঞৰ শুনিছিল, অন্তৰ বিন্ধি যোৱা বন্দুকৰ শব্দ, আৰু আতঙ্কত বিভ্ৰান্ত হোৱা মানুহৰ অৱস্থাই তেওঁৰ অন্তৰ চুই গৈছিল। সেই শব্দৰ গুৰুত্ব তেওঁ ভালদৰে জানিছিল। তেওঁ কেনেকৈ সেইটো পাহৰিব পাৰে? তেওঁলোকৰ গাঁওখন ধ্বংস কৰাৰ আগেয়ে সেই একে ধৰণৰ শব্দ হৈছিল আৰু হিংসাত্মক ভাৱে তেওঁৰ পিতৃ-মাতৃক অপহৰণ কৰি তেওঁলোকক মৃত্যুলৈকে নিৰ্দ্দয় ভাৱে মাৰ-ধৰ কৰি আন অপহৰণকাৰীসকলক ভয় দেখুৱাইছিল।

সেই ভয়ঙ্কৰ দিনত, বিদ্ৰোহীসকলে এলেনক এৰি গ'ল। আন পাচটা ল'ৰাৰ সৈতে আহাৰ আৰু পানী নোহোৱাকৈ এসপ্তাহ মাটিত শুই থকাৰ পাচত বিদ্ৰোহীসকলে তেওঁলোকক বিচাৰি পাই। সেই সময়ত এলেনৰ বয়স মাত্ৰ দহ বছৰ আছিল।

অপহৰণ কৰা দিনৰ পৰা তেওঁক দিনত দুবাৰ তিনিবাৰকৈ মাৰিছিল আৰু অলপ খাদ্য আৰু পানী দিছিল। বিদ্ৰোহী সৈন্যবোৰে এলেনক চিঞৰিলে, "ঐ ল'ৰা উঠ, এতিয়া তোৰ বন্ধুৰ মৃত্যু চাবৰ সময়।" সৈন্যসকলে তেওঁৰ বন্ধুসকলক গধুৰ টাঙোনেৰে মূৰত মাৰিছিল

যেতিয়ালৈকে তেওঁলোকে নিজৰ গাৰ পৰা বৈ অহা ভয়ঙ্কৰ তেজৰ দোঙাত অচেতন হৈ পৰি যোৱা নাছিল, আৰু সেই দৃশ্য অসহায় হৈ চাবলৈ এলেনক জোৰ কৰিছিল। মৃত্যুৰ ভয় দেখুৱাই, বিদ্ৰোহী সকলে চয়তানৰ কাৰ্য্যৰ দৰে অতি ঘৃণনীয় কাম কৰিবলৈ তেওঁক জোৰ কৰিছিল। আন্ধাৰত তেওঁৰ হৃদয় হেৰাই যোৱাৰ দৰে ভাব হৈছিল...

এদিন এলেনক যেতিয়া খৰি আনিবলৈ পঠাইছিল, তেওঁ পলাই যাবলৈ আচনি কৰিলে। তেওঁ দ্ৰুত গতিত দৌৰিলে... তেওঁ অচেতন নোহোৱালৈকে দৌৰিলে। তেওঁৰ সপোন আছিল স্বাধীন হোৱা। আৰু হয়তো তেওঁ যদি দূৰলৈ দৌৰি যায়, তেওঁ মৃত্যু নেদেখাকৈ এটা দিন জীয়াই থাকিব পাৰিব, আৰু বোধহয় তেওঁ সুস্থ হ'বলৈ পাৰিলেহেঁতেন।

বাল্য সৈন্যসকলক সহায় কৰিবৰবাবে ওগান্দাৰ গোলো নামৰ গাঁও তৈয়াৰ কৰা ঘৰত এলেনে অলপতে বাস কৰিছিল। ওাটোটো পৰিচৰ্য্যাৰ সৈতে লগ লাগি জয়চ মায়াৰ পৰিচৰ্য্যাই, কষ্ট পাই থকা ল'ৰা-ছোৱালীবোৰক সহায় কৰিবৰ বাবে এই গাঁওখন উন্নত কৰিছিল।

গণনাই কয় ঃ

- ওগান্দাত ঈশ্বৰৰ দ্বাৰা পৰিচালিত সৈন্যবাহিনীয়ে (LRA) ত্ৰিশ হাজাৰতকৈও বেছি ল'ৰা-ছোৱালী অপহৰণ কৰিছিল সৈনিকৰ কাম কৰিবলৈ বা যৌন কাৰ্য্যৰ কাৰণে।
- ২০০৭ চনৰ মতে, গোটেই পৃথিৱীত প্ৰায় ২৫০.০০০ বাল্য সৈনিক আছে।

যেতিয়া মই গোটেই দিনটো অলসভাৱে থাকিবলৈ সিদ্ধান্ত কৰিছিলো, বিশ বছৰতকৈও বেছি ঈশ্বৰৰ পৰিচৰ্য্যা কৰা কিছুমান বন্ধুৰ পৰা মই ই-মেইল পাইছিলো। তেওঁলোকৰ বিশ বছৰীয়া ল'ৰাজন থাইৰদ কেন্সাৰত আক্ৰান্ত হৈ খুব কঠিন অৱস্থাত আছে। মই নিজক বাদ দি অনুভৱ কৰো যে পৃথিৱীত "মোত"কৈও ডাঙৰ ঘটনা হৈ আছে মই নজনাকৈ লাহে লাহে মোৰ সমস্যাৰ বিষয়ে ভাবিবলৈ বাদ দিওঁ আৰু মই পোৱা আশিৰ্ব্বাদবোৰৰ কাৰণে কৃতজ্ঞ হওঁ।

আমি যি ভাবো তাৰ লগত আমাৰ কিমান সমস্যা সংলগ্ন হৈ আছে সেই কথা ভাবি মই নিজেই আচৰিত হওঁ। মোক কি লাগে আৰু কি পোৱা নাই, যেতিয়া মই এই বিষয়ে ভাবো মোৰ মনৰ অৱস্থা ভাগি পৰে। কিন্তু যেতিয়া আনৰ দুখৰ লগত মই নিজৰ কথাবোৰ মিলাই চাওঁ, তেতিয়া মই অনুভৱ কৰো যে মোৰ কোনো সমস্যা নাই। দুখ কৰাৰ সলনি মই কৃতজ্ঞ হওঁহু

কিছুমান ভাল কাম কৰি সক্ৰিয় হৈ থাকিবৰ বাবে ঈশ্বৰে মনত পেলোৱাৰ কাৰণে মই অন্তৰৰ পৰা কৃতজ্ঞ, কাৰণ মনত ৰাখিব ঃ আমি ভালৰ দ্বাৰাই বেয়াক জয় কৰো। (ৰোমীয়া ১২:২১) কোনোবাই আপোনাক বেয়া ব্যৱহাৰ কৰিছে নেকি? কিয় তেওঁলোকৰ কাৰণে প্ৰাৰ্থনা নকৰে? ইয়াৰ দ্বাৰাই আপুনি ভাল অনুভৱ কৰিব। আপুনি হতাশ হৈছে নেকি? ঈশ্বৰক নিবেদন কৰক আপোনাতকৈও হতাশাত থকা সকলক দেখুৱাবলৈ আৰু তেওঁলোকক উৎসাহিত কৰিবলৈ চেষ্টা কৰক। এইটোৱে তেওঁলোকক সহায় কৰিব আৰু একে সময়তে আপুনি ভাল অনুভৱ কৰিব।

পৃথিৱীয়ে সকলো সময়তে অতি অত্যাচাৰ পাই আছে। মই লিখি থাকোতে আন এটা বাতৰি পাওঁ — বাতৰিটোৰ দ্বাৰাই মোক জনাই যে বেলেগ এখন চহৰত যোৱা ৰাতি গীৰ্জ্জাত আকস্মিক ভাবে গুলিয়া গুলি হয়। দুজন মানুহৰ মৃত্যু হয় আৰু পাঁচজন আঘাট হয়। মথি ২৪ অধ্যায়ত বাইবেলে কি কৈছে মই মনত পেলাও, য'ত শেষ সময়ৰ কথা ব্যাখ্যা কৰিছে আৰু কৈছে সকলো অত্যাচাৰৰ আৰু প্ৰয়োজনীয়তাৰ মাজত, মানুহৰ প্ৰেম নোহোৱা হ'ব। ইয়াৰ বিৰুদ্ধে আমি যুদ্ধ কৰিব লাগে। আমি কেতিয়াও আমাৰ মাজৰ পৰা প্ৰেমক দূৰ কৰিব নালাগে, যদি কৰো, তেতিয়া আমি পৃথিৱীক চয়তানৰ হাতত সুধাই দিম।

যেতিয়া গীৰ্জ্জাত হোৱা গুলিয়া গুলিৰ কথা মই শুনিলো, মই ক'ব পাৰিলো হয়, “অসঃ সেইটো সঁচাই দুখৰ কথা”। কেই মিনিটমান দুখ অনুভৱ কৰিব পাৰিলো হয় আৰু তাৰ পাচত মই নিজে হতাশাত ঘূৰি আহিলো হয়। কিন্তু মই সেইটো কৰিবলৈ ইচ্ছা নকৰিলো, কাৰণ তেনে ধৰণৰ চিন্তাৰে মই জীয়াই থাকিব নুখোজো। দূৰঘটনাৰ বিষয়ে শুনাৰ পাচত, মই কেইমিনিটমান চিন্তা কৰিলো আৰু পালকক ফোন কৰিবৰ কাৰণে মোৰ ল'ৰাক ক'বলৈ সিদ্ধান্ত কৰিলো আৰু তেওঁলোকক সহায় কৰিবৰ কাৰণে কি কৰিব পাৰো ভাবি উলিয়ালো। যি সকলে পৰিয়ালৰ মৰমৰ জনক হেৰুৱালে তেওঁলোকক কিবা আৱশ্যক হ'ব পাৰে বা কাৰবাক সহায় প্ৰয়োজন বুলি ভাবি।

কিমান বাৰ আমি কঠিন সময়ৰ মাজেদি পাৰ হওঁ, যেতিয়া এই কথা ভাবো মই নিজেই আচৰিত হওঁ আৰু আনকি তাৰ বাবে কোনেও আমাক ফোনো নকৰে। মই বিশ্বাস কৰো সকলোৱে কৰিছে বুলি ভাবি, সেয়ে কোনেও চিন্তা নকৰে।

## *কাৰ কাম এইটো ?*

বহু বছৰৰ আগতে শুনা চাৰিজন মানুহৰ গল্প এইটো যাৰ নাম আছিল এভৰিবদি, চামবদি, এনিবদি আৰু নৌবদি। তাত এটা গুৰুত্বপূৰ্ণ কাম কৰিব লগা আছিল আৰু এভৰিবদিয়ে ভাবিছিল চামবদিয়ে সেইটো কৰিব। এনিবদিয়ে কৰিব পাৰিলেহেতেন কিন্তু নৌবদিয়ে কৰিলে। চামবদিৰ সেই বিষয়ত খং উঠিল এইটো এভৰিবদিৰ কাম। এভৰিবদিয়ে ভাবিলে এনিবদিয়ে কৰিব পাৰে, কিন্তু নৌবদিয়ে গম পালে যে এভৰিবদিয়ে সেইটো কৰা নাই। শেষত, এভৰিবদিয়ে চামবদিক দোষাৰূপ কৰিলে যেতিয়া এনিবদিয়ে কৰিব পৰা কামটো নৌবদিয়ে কৰিলে।

এই গল্পটোৰ দৰেই মই এবাৰ সঁচা জীৱনৰ অতি দুখ লগা এটা ঘৃণনীয় ঘটনা পঢ়িছিলো। পয়ত্ৰিশ মিনিটৰ ভিতৰত ১৯৬৪ চনত কেথেৰিন জিনোভেজক ঘপিয়াই মাৰিছিল সেই সময়ত আঠত্ৰিশজন ওচৰ-চুবুৰিয়াই চাই আছিল। চহৰৰ বিভেদভাব আৰু অপ্ৰীতিকৰ ভাবৰ কাৰণে তেওঁলোকৰ প্ৰতিক্ৰিয়া নিষ্ক্ৰিয় বুলি ব্যাখ্যা কৰিছে। পিচত লেটেনি আৰু দাৰলিয়ে পৰীক্ষা-নিৰিক্ষা কৰি গম পালে যে তাত বহুতো চোৱা মানুহ হোৱাৰ কাৰণে কোনেও সহায় কৰিবলৈ নাহিল। চাই থকা মানুহ সকলে কি কৰিব জানিবৰ বাবে ইজনে সিজনৰ ফালে চালে। সেয়ে কোনেও একো নকৰিলে, তেওঁলোকে নিশ্চিত কৰিলে যে কোনেও একো নকৰে।

দৰ্শকৰ সংখ্যা বৃদ্ধি হোৱাত যেতিয়া মানুহৰ সহায়ৰ প্ৰয়োজন তেতিয়া খুব কমেই সহায় পাই। যেতিয়া এজন মাত্ৰ দৰ্শক থাকে তেতিয়া মৃগী বেমাৰত আক্ৰান্ত ছাত্ৰজনে যিমানবাৰ আক্ৰান্ত হয় তাৰ ৮৫ দশমিক বাৰ সহায় পাই, কিন্তু যেতিয়া বহুতো মানুহ ঠিয় হৈ থাকে বা চাই থাকে তেতিয়া মাত্ৰ ৩১ দশমিক ভাগহে সহায় পাই।

এই লিখনীয়ে প্ৰমান কৰে যে বেছি মানুহে একো নকৰে, বেছি মানুহে একো কৰিব নোখোজে, কিন্তু প্ৰতিজ্ঞাবদ্ধ হোৱা যদি সৰু দলো হয় আনক সহায় কৰিবলৈ আগবাঢ়ি যায়, সহায় আৰু মৰম, হাঁহি আৰু অভিনন্দন, প্ৰশংসা আৰু সন্মান ইত্যাদিৰে।

পঢ়াৰ দ্বাৰাই এইটো প্ৰমান হয় যে চাৰিওফালে থকা মানুহে কি কৰিছে তাৰ দ্বাৰাই আমি প্ৰভাৱিত। যেতিয়া আমি সম্পূৰ্ণভাৱে কৰিম বুলি জ্ঞাত নহওঁ তথাপিও আমি ইজনে সিজনৰ ফালে চাওঁ কি কৰিম বুলি। বেছিভাগ মানুহেই যিফালে বেছি ভাগ মানুহ থাকে তেওঁলোকৰ সৈতে সন্মত হয়, যদিও তেওঁলোক সঁচাই সন্মত নহয়। কেৱল দলৰ এটা অংশ হৈ থাকিবলৈহে এইদৰে কৰে।

আমি যদি প্ৰেমৰ বিপ্লৱৰ অংশ হ'ব খোজো খ্ৰীষ্টিয়ান হিচাপে আনৰ কাৰণে উদাহৰণ হ'ব লাগে, পৃথিৱীৰ সৈতে মিলি হোৱাৰ সলনি। কোনোবাই সাধাৰণভাৱে সহায় কৰিবলৈ সাহসেৰে কাৰ্য্য বা প্ৰেম কৰাহেঁতেন, কেথেৰিন জিনভেচিৰ জীৱন ৰক্ষা পৰিল হয়।

## *আপুনি ঈশ্বৰে উত্তৰ দিব পৰা প্ৰাৰ্থনা কৰেনে?*

আপোনাৰ প্ৰতিদিনৰ প্ৰাৰ্থনাত কিছুমান কথা যোগ দিবলৈ মই আপোনাক উপদেশ দিবলৈ ইচ্ছা কৰো। আপুনি প্ৰতিদিনে ঈশ্বৰৰ কাৰণে কি কৰিব পাৰে সোধক। দিনটোত আগুৱাই যাওঁতে আপুনি সুবিধা বিচাৰক কাৰ্য্য কৰিবলৈ যিদৰে আপুনি বিশ্বাস কৰে যে — যীচু সশৰীৰে এতিয়াও পৃথিৱীত থকা হ'লে কৰিলে হয়। আপুনি যদি খ্ৰীষ্টিয়ান হয় তেওঁ আপোনাৰ লগত এতিয়াও আছে আপুনি তেওঁৰ প্ৰতিনিধি, সেয়ে সঠিক কৰক তেওঁক ভালদৰে প্ৰতিনিধিত্ব কৰিবলৈ। ৰাতিপুৱাৰ প্ৰাৰ্থনাত বহুতো বছৰ মই এইদৰে পাৰ কৰিছিল মোৰ যি প্ৰয়োজন সেইয়া ঈশ্বৰক কৰিবলৈ কৈ, কিন্তু পলমকৈ মই এই নতুন অংশটো যোগ কৰিলো ঃ "প্ৰভু আজি দিনটোত মই আপোনাৰ কাৰণে কি কৰিব পাৰো?"

অলপতে মোৰ বন্ধু এজনী খুব অসুবিধাৰ মাজেৰে গৈছিল, তেওঁক সহায় কৰিবলৈ মই ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰিছিলো। তেওঁৰ কিবা প্ৰয়োজন হৈছিল, সেয়ে মই ঈশ্বৰক সেইটো পুৰণ কৰিবৰ বাবে অনুৰোধ কৰিছিলো। মোৰ কাৰণে তেওঁৰ আচৰিতজনক উত্তৰটো এনে ধৰণৰ আছিল "প্ৰয়োজনীয়তা পুৰ কৰিবলৈ মোক খোজাটো বন্ধ কৰা; তুমি কি কৰিব পাৰা তাক দেখুৱাবলৈ মোক তুমি খোজা।" মই সতৰ্ক হলো যে মই প্ৰায়ে ঈশ্বৰক মোৰ কাৰণে কৰিব কলে তেওঁ সেই সকলো কাম মোক নিজে কৰিবলৈ কয়। তেওঁৰ সহায় নোহোৱাকৈ

কিবা কৰাটো নিবিচাৰে, কিন্তু মই যেতিয়া এলেহুৱা হৈ বহি থাকো তেওঁ মোৰ কাৰণে একো নকৰে। কৰি থকা কাৰ্য্যত ঈশ্বৰে আমাক স্পষ্ট হোৱাটো বিচাৰে। আনক সহায় কৰিবলৈ আমাৰ যি উপায় আছে তাক ব্যৱহাৰ কৰাটো বিচাৰে, আৰু আনৰ প্ৰয়োজনীয়তা পুৰ কৰিবলৈ আমাৰ যদি যথেষ্ট নাই তেতিয়া সেই কাৰ্য্যৰ কাৰণে আনক উৎসাহিত কৰিব লাগে যাতে একেলগে আমি প্ৰয়োজনীয়তাবোৰ পূৰ কৰিব পাৰো।

## কৰি থকা কাৰ্য্যত ঈশ্বৰে আমাক স্পষ্ট হোৱাটো বিচাৰে

ঈশ্বৰে উত্তৰ দিব পৰা এনে প্ৰাৰ্থনা কৰিবলৈ মই আপোনাক উৎসাহিত কৰো। আপুনি আৰু ঈশ্বৰ সহযোগী হয় আৰু তেওঁ আপোনাৰ সৈতে আৰু আপোনাৰ মাজেৰে কাম কৰিব বিচাৰে। তেওঁক কওঁক আপুনি কি কৰিব পাৰে দেখুৱাবলৈ আৰু তেওঁত ভৰসা কৰক কেৱল সৃজনী শক্তিয়েই নহয় কিন্তু উপায় দিবলৈকো।

আপুনি অস্থিৰ নহ'ব যেতিয়া মই কওঁ, "আপোনাৰ ঈশ্বৰপ্ৰদ্যত্ব যি আছে সকলো ব্যৱহাৰ কৰক।" ধন সম্পত্তিতকৈ আৰু অধিক আশিৰ্ব্বাদৰ কথা মই কৈছো। আমাৰ ঈশ্বৰপ্ৰদ্যত্ব শক্তি, সময়, প্ৰতিভা, আৰু জাগতিক সম্পত্তি, তাৰ লগে লগে আমাৰ ধন। আনক সহায় কৰিবৰ বাবে ধনৰ প্ৰয়োজন হয়, কিন্তু তাৰ লগত প্ৰায়ে সময় লিপ্ত হৈ থাকে, মই ভাবো আমাৰ সমাজত সময়ক লৈ আমি ইমান ব্যস্থ্য হৈ থাকো যে আমি প্ৰায়ে চেক্ লিখাটোৱেই সহজ বুলি ভাবো এজন মানুহৰ প্ৰয়োজনীয়তাৰ যত্ন লৈ সময় খৰছ কৰাৰ সলনি। মই বিশ্বাস কৰো যে "পৰিচৰ্য্যাৰ লগত লাগি থকা"টোয়েই প্ৰকৃত পৰিচৰ্য্যা আৰু বেছিভাগ মানুহে তাকেই বিচাৰে।

মোৰ এজনী বন্ধু এখন ডাঙৰ চহৰত বাস কৰিছিল য'ত ঘৰ নোহোৱাটো এটা ডাঙৰ সমস্যা আছিল। শীতকালৰ এটা ৰাতি তেওঁ কামৰ পৰা ঘৰলৈ আহি থাকোতে এজন মানুহে আহি তেওঁক টকা খুজিছিল। সেই ৰাতি ঠাণ্ডা আৰু আন্ধাৰ আছিলে, তেওঁ গোটেই দিনটো কাম কৰি আছিলে আৰু সেয়ে ঘৰ গৈ পাবৰ নিমিত্তে খৰধৰ কৰিছিল। সুৰক্ষিত্ব ঠাই নথকাৰ কাৰণে তেওঁ পইচাৰ সৰু বেগটো উলিয়াব খোজা নাছিল, সেয়ে বেগৰ ভিতৰত হাত ভৰাই ভঙনী পইছা বিচাৰিছিল। তাইৰ আঙুলিয়ে পইচা বিচাৰি নোপোৱা দেখি, মানুহ জনে ক'বলৈ আৰম্ভ কৰিলে যে ঘৰ নথকাৰ বাবে তেওঁ ৰাতি হোৱাৰ আগতে বাহিৰত আশ্ৰয় লোৱাত তেওঁৰ ক'টটো চুৰ হ'ল আৰু কিছুমান অসুবিধাৰ কথা তেওঁ ক'ব ধৰিলে। তেতিয়াও তাই পইচা বিচাৰি ক'ব ধৰিলে "সঁচাকৈ এইটো বেয়া", যিটো প্ৰায়ে হৈ থাকে।

সৰ্ব্বশেষত পইচা বিচাৰি পাই, মানুহজনৰ কাপত ঢালি দিলে। তেওঁ হাঁহি মাৰি ক'লে, "মোৰ লগত কথা পতাৰ বাবে ধন্যবাদ"। মোৰ বন্ধুজনীয়ে ক'লে সেই ৰাতি মানুহজনক পঞ্চাচ পইচা দিয়াত যে তেওঁ ধন্যবাদ জনালে তাক তাই অনুভৱ কৰিছিল, কিন্তু তেওঁৰ প্ৰতিক্ৰিয়াৰ দ্বাৰাই বুজা গৈছিল যে তেওঁৰ লগত কথা পতাৰ বাবে তেওঁ বেছি কৃতজ্ঞ।

দলংৰ তলৰ শুৰঙ্গত বাস কৰা মানুহক সহায় কৰিবলৈ আমাৰ পৰিচৰ্য্যাৰ এটা দলে চেষ্টা কৰিছিল। তেওঁলোকে দেখিলে যে সুৰঙ্গত বাস কৰিবলৈ বাধ্য হোৱা প্ৰত্যেকজন ব্যক্তিৰে একোটা কাহিনী আছে। তেওঁলোকৰ বৰ্ত্তমানৰ এই পৰিস্থিতিত থাকিব লগা হোৱাৰ অন্তৰাল কিবা নহয় কিবা দুখ লগা ঘটনা আছে। তেওঁলোকে ৰুটি খাবলৈ পাই ধন্যবাদ দিছিল আৰু গীৰ্জ্জালৈ গৈ য'ত গাধুই উঠি পিন্ধিবলৈ নতুন কাপোৰ পাইছিল, কিন্তু যিজনে বহু সময় তেওঁলোকৰ লগত কথা পাতি তেওঁলোক কোন আৰু তেওঁলোকৰ কি ঘটিছিল জানিব খুজিছিল সাধাৰণতে তেওঁলোকৰ প্ৰশংসা কৰিছিল।

আনক সহায় কৰিবলৈ আপুনি যি পাৰে কৰিবৰ বাবে মোক উৎসাহিত কৰিবলৈ দিয়ক। যদি তেওঁলোকে অলপ সময় ওচৰত থকাটো বিচাৰে, অলপ সময় খৰছ কৰি তাকে কৰক। ঈশ্বৰে আপোনাক কি কৰাটো বিচাৰে প্ৰাৰ্থনা কৰক — আপুনি কি কৰিব পাৰে তাৰে কাৰণে তেওঁ প্ৰাৰ্থনাৰ উত্তৰ দিয়ে।

## *অতিৰিক্ত ভালৰ বাবে অভ্যাস কৰক*

পৃথিৱীখন অন্যায়েৰে ভৰি আছে বুলি আপুনি বিশ্বাস কৰেণে? ভোকত থকা ল'ৰা-ছোৱালীৰ কাৰণে আপুনি কিবা কৰিব লাগে বুলি ভাবেনে? খাবলৈ বিযুদ্ধ পানী নোপোৱা ১.১ নিযুত মানুহক কোনোবাই সহায় কৰিবনে? মানুহবোৰ ৰাষ্টা আৰু দলংৰ তলতে থাকিবনে? বহু বছৰ ধৰি দুখৰ মাজত থকা পৰিয়াল যাৰ সৈতে আপুনি গীৰ্জ্জালৈ গৈছিল আৰু তিনিমাহ ধৰি গীৰ্জ্জালৈ অহা নাই আৰু কাৰো পৰা সেই বিষয়ে খবৰো পোৱা নাই তেওঁলোকৰ বিষয়ে জানিব বিচাৰিছেনে? আপোনাৰ চহৰত বেলেগ ডিনমিনেচনৰ গীৰ্জ্জা জ্বলিলে বাস্তৱিকতে তেওঁলোকক হায় কৰিবলৈ একো নকৰি প্ৰাৰ্থনা কৰাই যথেষ্ট নে? অন্যায়ৰ বিৰুদ্ধে কোনোবাই কিবা কৰিব লাগে বুলি আপুনি ভাবেনে? এই সকলো প্ৰশ্নৰ উত্তৰ আপুনি শুদ্ধকৈ দিব বুলি মই ভাবো, সেয়ে মোৰ এটা শেষ প্ৰশ্ন আছে। আপুনি কি কৰিব? যি প্ৰয়োজন তাক পূৰ কৰিবৰ বাবে আপুনিয়েই "সেইজন" নে?

মই যেতিয়া আপুনি কি কৰিব বুলি সুধো, হয়তো আপুনি ভয় কৰে কাৰণ "কিবা কৰিবলৈ" যি প্ৰয়োজন তাৰ কথা ভাৰি আপুনি আচৰিত নহয়নে? অকস্মাতে লগা ভয়ৰ কথা মই বুজি পাওঁ। যদি মই সঁচাকৈয়ে নিজকে পাহৰিবলৈ চেষ্টা কৰো আৰু অতি চেষ্টা কৰি সহায় কৰিবলৈ আৰম্ভ কৰো মোৰ কি হ'ব? মই নিজৰ যত্ন নল'লে কোনে মোৰ যত্ন ল'ব? ঈশ্বৰে কয় তেওঁ লব, তেওঁ যি কৈছে সেইটো যদি সঁচা হয় মই ভাবো আমি সেইটো বিচাৰি উলিয়াব লাগে। "নিজৰ যত্নৰ" পৰা কিয় আঁতৰি নাথাকো, আৰু চাওঁক আপুনি যি কৰে তাতকৈ ঈশ্বৰে ভাল কৰিবনে নাই। যদি আমি তেওঁৰ কাৰ্য্যৰ যত্ন লওঁ, যাৰ দ্বাৰাই দুখত থকা মানুহবোৰে সহায় পাই, মই বিশ্বাস কৰো ঈশ্বৰে আমাৰ যত্ন নিশ্চয় ল'ব।

## মাত্ৰ আগবাঢ়ি যোৱা

এই অধ্যায়টো শেষ কৰোতে, মোক ক'বলৈ দিয়ক যে মই অনুভৱ কৰো জীৱনত ঘটা ঘটনাবোৰে আমাক অলপ সময়ৰ কাৰণে হ'লেও পৃথিৱীৰ পৰা আতৰাই ৰাখে। মই বিশ্বাস কৰো জীৱনত ডাঙৰ পৰিবৰ্ত্তন ঘটে আৰু তাৰ লগত মিলি যাবলৈ কিছু সময়ৰ প্ৰয়োজন, আৰু মই অনুভৱ কৰো যে হেৰুৱা বা মানসিক সংঘাতে আনৰ ওচৰ চপা বা আনক প্ৰভাবিত কৰিব নিবিচাৰে। এই কথাবোৰৰ কাৰণে মই সহানুভূতিশীল, আৰু যদি আপোনাৰ কিবা হেৰুৱাৰ অভিজ্ঞতা থাকে আৰু এইটোৱে আপোনাক জঠৰ কৰি তোলে, আৰু একো কৰিবলৈ ইচ্ছা নহয়, আপুনি কেনে অনুভৱ কৰে মই বুজি পাওঁ, কিন্তু নিজকে আগুৱাই যোৱাত জোৰ দিবলৈ মই উৎসাহিত কৰো। চয়তানে আপোনাক অকলশৰীয়া কৰিব বিচাৰে কাৰণ নিজৰ শক্তিৰে চয়তানৰ মিছাবোৰ জয় কৰা শক্তি আপোনাৰ হয়তো নাই। মই জানো যে আন কাৰবাক সহায় কৰিবলৈ যোৱা বুলি ক'বলৈ অস্বাভাৱিক যেন লাগে, কিন্তু মই মোৰ সকলো হৃদয়েৰে বিশ্বাস কৰো যে সেইদৰে কৰাই আপোনাক সুৰক্ষা দান কৰে লগে লগে পৃথিৱীৰ সমস্যাৰো উত্তৰ পোৱা যায়।

আকৌ মোক ক'বলৈ দিয়ক ঃ মই নিশ্চয়কৈ বিশ্বাস কৰো আমাক প্ৰেমৰ বিপ্লৱ লাগে। আমি সকলোৱে, স্বাৰ্থপৰ আৰু হতাশ, নিৰুৎসাহ আৰু নিজৰ দুখ দুৰ্দ্দশাৰ প্ৰতি অত্যাধিক সমবেদনা বিচাৰো আৰু তাৰ ফল আমি দেখিবলৈ পাওঁ। পৃথিৱীখন এই সকলো কথাৰে পৰিপূৰ্ণ হৈ আছে। আহক ঈশ্বৰৰ পথত চলিবলৈ, আমি প্ৰতিজ্ঞাবদ্ধ হওঁ। আনৰ বাবে আশিৰ্ব্বাদযুক্ত হ'বলৈ মনোযোগ দিয়ক। (গালা ৬:১০) প্ৰেমক পিন্ধক (কল ৩:১৪) তাৰ মানে উদ্দেশ্যত সক্ৰিয় হৈ আনৰ ওচৰ চপা। ঈশ্বৰৰ চোৰাংচোৱা হৈ ওপযুক্ত সময়ৰ বাবে বাট চাওঁক আৰু প্ৰাৰ্থনা কৰকহু যীচুয়ে প্ৰতিদিনে উঠি ভাল কাৰ্য্য কৰিবলৈ ওলাই যায় (পাচনি ১০:৩৮)। এইটো অতি সহজ যেন লাগে। মই আচৰিত হওঁ কেনেকৈ সকলো সময়তে আমি এইটো পাহৰি যাওঁ।

চতুৰ্থ অধ্যায়

4

# *ঈশ্বৰৰ দ্বাৰাই বাধা দিয়া*

এতিয়া গ্ৰহণ কৰাৰ সময়, কালি নহয়, সুবিধাজনক ঋতুটো নহয়।
আজিয়েই সেই ভাল কাম কৰিব পাৰো আৰু
ভৱিষ্যতৰ দিনত নহয় বা ভৱিষ্যতৰ বছৰতো নহয়।
*ডাব্লিও. ই. বি. দুবয়চ*

মোৰ পৰিচৰ্য্যাৰ যাত্ৰাৰ সময়ত মই সঘনে হোটেলত থাকো, আৰু যেতিয়া মই ৰুমত থাকো মই সদায় "আমনি নকৰিব" এই চিহ্ন দুৱাৰত লগাই থওঁ সেয়ে কোনেও মোক আমনি নকৰে। হোটেল ৰুমৰ দুৱাৰত এই চিহ্ন লগোৱা গ্ৰহণীয় আছিল, কিন্তু মোৰ জীৱনত সেইটো গ্ৰহণীয় নহয়।

আপুনি লক্ষ্য কৰিছেনে যে ঈশ্বৰে আপোনাৰ সময় অনুযায়ী কাম নকৰে বা সুবিধাজনক অৱস্থাত? পৌলে তীমথিক কৈছিল ঈশ্বৰৰ দাস হৈ আৰু তেওঁৰ শুভবাৰ্ত্তাৰ পৰিচাৰ্য্যকাৰী হৈ, তেওঁ সুবিধাই হওঁক বা অসুবিধাই হওঁক নিজৰ কৰ্ত্তব্য পূৰণ কৰিব লাগিব। (২ তীম ৪:২)। আজি আমি যিদৰে সুবিধাৰ বশত তীমথিও সেইদৰে আছিল বুলি মই সন্দেহ কৰো, তথাপিও পৌলে ভাবিছিল অসুবিধা বা ঈশ্বৰৰ বাধাৰ বাবে নিজকে প্ৰস্তুত কৰিবলৈ মনত পেলাই দিয়াতো গুৰুত্বপূৰ্ণ কথা। যদি তীমথিয়ে সেইটো শুনিব খোজিছিল, মই নিশ্চিত আমিও সঘনে শুনিব লাগিব, কাৰণ আমি তীমথিতকৈ বহুত বেছি সুবিধাৰ সৈতে জড়িত। আনকি যেতিয়া মোৰ ঘৰৰ সৰু সৰু বস্তুবোৰে ভালদৰে কাম নকৰে যেনে খোৱা বাচন ধোৱা মেচিন, তাপ নিয়ন্ত্ৰিত যন্ত্ৰ, চুলি শুকোৱা, কাপোৰ শুকোৱা, কাপোৰ ধোৱা মেচিন, মইক্ৰৱেভ আদি বহুতো বস্তুয়ে, সেই সকলো বেয়া হোৱাৰ বাবে আপত্তি কৰি মই সুবিধাৰ ওপৰত কিমান গুৰুত্ব দিওঁ বুজি পাওঁ।

আমেৰিকাত আমাৰ সন্মিলনত মানুহবোৰে আপত্তি কৰা মই দেখিছিলো, কাৰণ তেওঁলোকে নিজৰ গাড়ীবোৰ সন্মিলন হোৱা ঠাইৰ পৰা কিছু দূৰৈত ৰাখিব লগা হৈছিল, কিন্তু ভাৰতত বাইবেলৰ সন্মিলনলৈ তিনিদিন খোজকাঢ়ি মানুহবোৰ আহিছিল। মই দেখিছিলো আমেৰিকাত মানুহবোৰে নিজৰ ওচৰৰ মানুহবোৰক গাধোৱা ঘৰলৈ গৈ বা পানী খাই বা ফোন কৰি দিগদাৰ দিয়ে, কিন্তু ভাৰতত মানুহবোৰে প্ৰায় গোটেই দিনটো নুঠিছিল লেতেৰা ঠাই হ'লেও বহিয়ে থাকিছিল। মোৰ দেশত, খুব ঠাণ্ডা বা খুব গৰম হ'লেও আপত্তি কৰিছিল, কিন্তু যেতিয়া মই ভাৰতলৈ যাও মানুহবোৰে কেৱল গৰমৰ কাৰণে আপত্তি কৰে।

মই বিশ্বাস কৰো সুবিধাৰ প্ৰতি আমি প্ৰত্যেকেই আসক্ত। আধুনিক যন্ত্ৰবোৰ ল'ব নালাগে বুলি মই কব নোখোজো, আৰু যিটোৰ লগত আমি অভ্যস্থ সেইটোৰ প্ৰতি ইচ্ছা হোৱাটো স্বাভাৱিক কিন্তু আমাক কি লাগে আমি ভালদৰে বুজাৰ প্ৰয়োজন। আপুনি বিচৰাৰ দৰেই যদি পাই ঈশ্বৰক ধন্যবাদ দিয়ক। কিন্তু বিচাৰাটো নোপোৱাৰ কাৰণে ঈশ্বৰে আমাক যি কৰিবলৈ কয় তাক নকৰাকৈ থাকিব নালাগে।

সমজোৱা ভোজ অনুস্থিত হোৱা চেণ্ট লুইচ ভৱনত বুধবাৰে ৰাতি শিক্ষা দিয়া সভালৈ বহু বছৰ আগতে এহাল অন্ধ স্বামী-স্ত্ৰী আহিবলৈ ইচ্ছা কৰাৰ কথা মোৰ মনত পৰে। তেওঁলোকে সাধাৰণতে বাছত অহা যোৱা কৰে, কিন্তু তেওঁলোকে অহা বাটটো সেইদিনা বাতিল কৰা হয়, সেয়ে তেওঁলোক আহিবৰ এটাই মাত্ৰ উপায় আছিল — কোনোবাই তেওঁলোকক আনিব লাগিব আৰু ঘৰত থবও লাগিব। কি সৌভাগ্যহ্লু মই ভাবিছিলো লাইনত ঠিয় হৈ থকা মানুহে নিশ্চয় সহায় কৰিব, কিন্তু কোনেও ইচ্ছা নকৰিলে কাৰণ তেওঁলোক থকা ঠাই "সেই বাটত" নাছিল।

আন কথাত ক'বলৈ গ'লে সেই দম্পত্তিক সহায় কৰাটো অসুবিধাজনক। মোৰ মনত আছে আমাৰ এজন কৰ্ম্মকৰ্ত্তাক সেইটো কৰিবলৈ দিয়া হৈছিল, তাৰ মানে আমি সেই মানুহজনক খৰচ দিব লগা হৈছিল। আচৰিত, আমি যদি কামটো কৰাৰ বাবে টকা পাওঁ আমি কিমান ইচ্ছুক হম "সহায়" কৰিবলৈ। আমি মনত ৰাখিব লাগে যে ধন ভালপোৱাই হৈছে বেয়া কাৰ্য্যৰ মূল উৎস। আমি ধনক কেতিয়াও আমাৰ জীৱনৰ প্ৰধান চালক হ'ব দিব নালাগে। আমাক সকলোকে ধনৰ প্ৰয়োজন, কিন্তু আমি আনৰ কাৰণেও কাম কৰিব লাগিব, প্ৰকৃততে এই দয়াৰ কাৰ্য্য অসুবিধাজনক হ'লেও কেতিয়াবা আমাৰ কাৰণে ভাল হয়। প্ৰায়ে তেনে সুযোগ "পৰীক্ষাৰ সময়" হয়, ঈশ্বৰে আমাক তেনে সময়ত পৰীক্ষা কৰে আমি নিজকে সম্পৰ্ণ কৰিছো নে নাই। যদি আমি খৰছ নোলোৱাকৈ আৰু বোধহয় প্ৰশংসা নিবিচৰাকৈ আনৰ প্ৰতি কিছু দয়াৰ কাৰ্য্য কৰিবলৈ ইচ্ছা কৰো, ইয়ে এটা নিশ্চিত চিহ্ন যে আমাৰ আত্মিক হৃদয় ভাল অৱস্থাত আছে।

যেতিয়া ঈশ্বৰে ইব্ৰায়েল সকলে তেওঁৰ আদেশ মানিছেনে নাই চাব খুজিছিল, তেওঁ তেওঁলোক জনপ্ৰাণীহীন মৰুভূমিৰে কষ্ঠদায়ক দীঘল পথেৰে লৈ গৈছিল (দ্বিতীয় ৮:১-২)। কেতিয়াবা তেওঁ আমাৰ লগতো সেইদৰে কৰে। যেতিয়া আমাৰ পৰিস্থিতি সহজ হয় আমি ঈশ্বৰৰ "বাধ্য" হ'ব খোজো আৰু অতি সোনকালে আমি কৰা কাৰ্য্যৰ কাৰণে পুৰস্কৃত হোৱাতো বিচাৰো। কিন্তু যেতিয়া

অসুবিধাজনক হয়, যেতিয়া আমাৰ আচনিৰ দৰে নহয়, আৰু যেতিয়া তাত আমাৰ কাৰণে একো নাথাকে, তেতিয়া কি হ'ব? আমি তেতিয়া কিমান বাধ্য? এইবোৰেই প্ৰশ্ন আমি নিজকে সুধাৰ প্ৰয়োজন কাৰণ আমি নিজকে সঁচাকৈয়ে সম্পৰ্ণ কৰিছোনে সেইটো গুৰুত্বপূৰ্ণ বিষয়। গীৰ্জ্জাত ঠিয় হৈ "মই অৰ্পণ কৰো" গানটো গাবলৈ সহজ, কিন্তু যেতিয়া আমি কোনো কাৰ্য্য কৰো তেতিয়া গানত গোৱাতকৈ অৰ্পন কৰাটো বেছি গুৰুত্বপূৰ্ণ আৰু প্ৰকৃততে সেইটোৱেই প্ৰয়োজন নহয়নে?

## *প্ৰভু, এইটো এনেই এটা ভাল সময় নহয়*

বাইবেলত ঈশ্বৰক অনুসৰণ নকৰা এজন মানুহৰ কাহিনী আছে কাৰণ সেইদৰে কৰাটো অসুবিধাজনক। এই মানুহজনৰ নাম ফীলিক্স, তেওঁ পৌলক তেওঁৰ কাৰণে শুভবাৰ্ত্তা প্ৰচাৰ কৰিব কৈছিল। কিন্তু যেতিয়া পৌলে উচিত ধৰণে জীয়াই থকা, পবিত্ৰ জীৱন আৰু ধৈৰ্য্য ধৰাৰ বিষয়ে কথা পাতিলে, ফীলিক্স সজাগ হ'ল আৰু ভয় কৰিলে। তেওঁ পৌলক যাব ক'লে আৰু সুবিধাজনক সময়ত মাতিব বুলি ক'লে (পাঁচনি ২৪:২৫)। মোৰ এইটো অতি হাস্যজনক লাগিল, সঁচাই হাস্যজনক বুলি নহয়, কিন্তু আমি যি দৰে জীৱন অতিবাহিত কৰিছো তাকেই ইয়াত স্পষ্ট ভাবে দেখুৱাইছে। ঈশ্বৰে আমাক কিমান ভাল পাই আৰু আমাৰ জীৱনৰ কাৰণে তেওঁৰ ভাল আঁচনিবোৰৰ কথা শুনিবলৈ বেয়া নাপাওঁ, কিন্তু যেতিয়া কোনো পৰিস্থিতিৰ মাজেৰে তেওঁ আমাক শাস্তি দিয়ে বা শুধৰাব খোজে, আমি তেতিয়া ক'বলৈ চেষ্টা কৰো "এতিয়া" উপযুক্ত সময় নহয়। মই সন্দেহ কৰো তেওঁ এনে সময় বাচি নলয় যিটো আমি "ভাল সময়" বুলি ভাবো, আৰু মই ভাবো তেওঁ নিজৰ উদ্দেশ্যৰ কাৰণে সময় বাচি লয়।

যেতিয়া ইস্ৰায়েল সকলে জনপ্ৰাণীহীন মৰুভূমিৰ মাজেৰে যাত্ৰা কৰিছিল, দিনত ডাৱৰৰ দ্বাৰাই পৰিচালিত হৈছিল আৰু ৰাতি জুইৰ স্তম্ভেৰে। যেতিয়া ডাৱৰ নাইকিয়া হৈছিল তেওঁলোকে যাত্ৰা কৰিবই লাগিছিল আৰু যেতিয়া ডাৱৰ স্থিৰ হৈ ৰৈছিল তেওঁলোক য'তেই আছিল তাতেই ৰ'ব লাগিছিল। আকৰ্ষণীয় কথা এই যে কেতিয়া ডাৱৰ তেওঁলোকৰ সন্মুখৰ পৰা যায় তাৰ আচনি বা নমুনা তেওঁলোকে জনা নাছিল। ডাৱৰ নাইকিয়া হ'লেই তেওঁলোকে যাত্ৰা কৰিব লগা হৈছিল। (গণনা ৯:১৫-২৩)। বাইবেলে কৈছে কেতিয়াবা দিনত আৰু কেতিয়াবা ৰাতি ডাৱৰ আঁতৰিছিল। কেতিয়াবা কিছুদিনৰ কাৰণে ৰৈছিল কেতিয়াবা এদিনৰ কাৰণে। মই গভীৰ ভাৱে সন্দেহ কৰো যে ৰাতি তেওঁলোকে নিশ্চয় তম্বুৰ সন্মুখত "দিদাৰ নকৰিব" বুলি লিখি ওলমাই থৈছিল যাতে ঈশ্বৰে গম পাই তেওঁলোকে অসুবিধা পাব বিচৰা নাই। তেওঁ যেতিয়া আগবাঢ়ি যোৱাৰ সময় বুলি সিদ্ধান্ত লয় তেওঁলোকে সকলো সামৰি তেওঁক অনুসৰণ কৰে, আৰু যেতিয়া তেওঁ এইয়ে সময় বুলি সিদ্ধান্ত লয় তেওঁৰ সৈতে যাত্ৰা কৰাৰ, আমি কেতিয়াও ক'ব নালাগে "এইটো উত্তম সময় নহযহু"

এইটো ভাল নহ'লহেতেননে যদি ঈশ্বৰে সকলো যাত্ৰা কৰা দিনৰ মাহেকীয়া কেলেন্দাৰ দিলে হয় যাৰ দ্বাৰাই তেওঁলোক মানসিক, আবেগিক, আৰু শাৰীৰিক ভাৱে যুগুত হ'বলৈ? মই আচৰিত হওঁ

তেওঁ কিয় সেইদৰে নকৰিলে। কাৰণ সাধাৰণ ভাৱে উদ্দেশ্যৰ অৰ্থে বাধা আৰোপ কৰি মাত্ৰ আমি কেনেকৈ প্ৰতিক্ৰিয়া কৰিছো তাক চাবলৈ নে?

ঈশ্বৰে কি উত্তম জানে আৰু তেওঁৰ সময় সদায় নিখুত ভাৱে সঠিক। প্ৰকৃততে মই জীৱনত কিবা এটা কৰিবলৈ প্ৰস্তুত নহয় বুলি ভাবো তাৰ মানে মই প্ৰস্তুত নহয়। "পথ আৰু কল্পনাৰ" মুৰবী হ'ল ঈশ্বৰ। তেওঁৰ পথ আমাৰ পথ নহয়, কিন্তু সেইবোৰ আমাৰ পথতকৈ বহু ওখ আৰু উত্তম। (যিচয়া ৫৫:৯)

## *কিয় এইটো সহজ নহয়?*

যদি ঈশ্বৰে আমাক মানুহক সহায় কৰাটো বিচাৰে, কিয় তেওঁ সেইটো সহজ নকৰে আৰু মূল্য ক্ষয় নোহোৱাকৈ নকৰে? এই প্ৰশ্নটোৰ উত্তৰ মোক আন এটা প্ৰশ্নৰে দিবলৈ দিয়ক। পাপ আৰু বন্দী অৱস্থাৰ পৰা আমাক মুক্তি দিবলৈ যীচুৱে ত্যাগ স্বীকাৰ কৰিছিলনে? মই আচৰিত হওঁ কিয় ঈশ্বৰে পৰিত্ৰানৰ আঁচনি সহজ কৰা নাই। তেওঁ ইচ্ছা কৰাৰ দৰে যিকোনো আঁচনি কৰিব পাৰিলেহেঁতেন আৰু সহজভাৱে ক'ব পাৰিলেহেতেন "এই কাৰ্য্য সফল হওঁক"। আমি ভাবো ঈশ্বৰৰ অৰ্থনীতিত কোনো কম মূল্যৰ বস্তু ৰখা নহয়। ৰজা দায়ুদে ক'লে মই মূল্য নথকা কোনো বস্তু ঈশ্বৰক নিদিও (হচমু ২৪:২৪) মই এইটো বুজিছিলো যে প্ৰকৃততে দিয়াতো দিয়া নহয় যেতিয়ালৈ মই অনুভৱ নকৰো। সকলো পুৰণা কাপোৰ আৰু ঘৰৰ পুৰণা বস্তু দি মই ভাবিব পাৰো যে ভাল কাম কৰিলো কিন্তু এইটোৱে প্ৰকৃততে দিয়া নুবুজাই। প্ৰকৃত দিয়াটো হ'ল যেতিয়া মই ৰাখিব খোজা বস্তুটো আনক দিওঁ। মই নিশ্চিত যে যেতিয়া আপুনি ৰাখিব খোজা বস্তুটো ঈশ্বৰে আপোনাক দিবলৈ কয় সেয়ে পৰীক্ষাৰ সময়। আমাক ভাল পোৱাৰ কাৰণেই ঈশ্বৰে তেওঁৰ একমাত্ৰ পুত্ৰক আমাক দিলে, সেয়ে প্ৰেমে আমাক কি কৰাটো বিচাৰে? আনৰ প্ৰয়োজনীয়তাত সহায় কৰাৰ দ্বাৰা আমি অসুবিধা বা ভাল নলগা অৱস্থাত থাকিব পাৰোনে?

অলপতে মই দূৰদৰ্শনত ডেকা এহাল ল'ৰা-ছোৱালীৰ কাহিনী এটা চাইছিলো, তেওঁলোকে ইজনে সিজনক খুব ভাল পাইছিল আৰু সোনকালে বিয়া হোৱা কথা আছিল। দুৰ্ভাগ্যবশত ছোৱালীজনী গাড়ীৰে হোৱা দূৰঘটনাৰ বাবে বহুতো মাহ অচেতন হৈ থাকে। তাই বিয়া কৰাব খোজা মানুহজন দিনৰ পাচত দিন তাইৰ ওচৰত বহি আছিল আৰু অৱশেষত তাইৰ চেতনা ঘূৰি আহিল, কিন্তু তাইৰ মগজো নষ্ট হোৱাত সদায়ৰ বাবে তাই পঙ্গু হয় আৰু নিজৰ কাৰণে বহুতো কাম কৰিব নোৱাৰা হ'ল। কিন্তু যুৱকজনে তাইক বিয়া নকৰাকৈ নাথাকিল। তাই বিয়াৰ বাবে দুশাৰী চকিৰ মাজেৰে চকা থকা চকিত বহি তললৈ নামি গ'ল, যদিও আঘাটৰ বাবে তাই স্পষ্টভাৱে কথা ক'ব পৰা নাছিল তথাপি নিশ্চয় বুজাব নোৱাৰা আনন্দেৰে ভৰি পৰিছিল। নিজৰ জীৱনৰ কথা ভাবি যুৱকজনে তাইৰ যত্ন লৈছিল আৰু তেওঁলোকে একেলগে জীৱনটো উপভোগ কৰিছিল। তেওঁ দিয়া উৎসাহৰ সহায়ত তাই আনকি বিশেষ ধৰণৰ অলিম্পিকত অংশ গ্ৰহণ কৰিছিল আৰু আচৰিত ধৰণৰ কাৰ্য্য কৰিবলৈ সক্ষম হৈছিল।

এইটো সহজ আৰু আনকি আমাৰ সকলোৰে বাবে বুজিব পৰা হ'লহেতেন যদি যুৱকজনে তাইক এৰি গ'ল হয়। এই সকলোৰ পিচত, তাইৰ লগত থকা মানে অসুবিধাত থকা আৰু প্ৰতিদিনে ত্যাগ কৰাৰ প্ৰয়োজন। তথাপিও, অসুবিধা অনুভৱ কৰি এনে অৱস্থাত বহুতে কৰাৰ দৰে তেওঁ আতৰি যোৱা নাছিল। তেওঁ তাইৰ লগতে থাকিল আৰু আমি সকলোৱে কৰাৰ দৰে সম্ভৱত জীৱনত আনন্দৰ অভিজ্ঞতা লাভ কৰিলে।

আপুনি যদি মোৰ দৰে হয়, আনৰ উপকাৰৰ কাৰণে ত্যাগ স্বীকাৰ কৰা মানুহৰ কথা পঢ়ি নিশ্চয় আনন্দ পাব, কিন্তু মই সন্দেহ কৰো যে এই কাহিনীত পঢ়াতকৈও ঈশ্বৰে আপোনাক আৰু মোক অধিক কৰাতো বিচাৰে।

## *কিছুমানৰ সুবিধাৰ বাবে অসুবিধা*

ঈশ্বৰে এজন মানুহক বাধা দি আনৰ জীৱনটো সুবিধাৰ কৰিবৰ কাৰণে নিজৰ জীৱনটো অসুবিধাৰ কৰিবলৈ কয়। আমি ঈশ্বৰৰ পথ বুজিব লাগে বা আমি যি আকোৱালি ল'ব খোজো তাক অমান্য কৰিব লাগে। সাধাৰণ সত্যটো এই ঃ আমি আনন্দত থাকিবৰ বাবে আনক দিবই লাগিব আৰু দিয়াতো প্ৰকৃত দিয়া নহয়, যেতিয়ালৈকে আমি ত্যাগ স্বীকাৰ নকৰো।

পিতৰ, আন্দ্ৰিয়ক, যাকোব, যোহন আৰু আন শিষ্য সকলক সন্মান প্ৰদান কৰা হৈছিল। তেওঁলোক বাৰজনক শিষ্য হিচাপে বচা হৈছিল, যীচুৰ পৰা যিসকলে শিকিছিল আৰু গোটেই পৃথিৱীতে শুভবাৰ্ত্তা কঢ়িয়াই নিছিল। যীচুৱে যেতিয়া মাতিছিলে তেওঁলোক সকলো ব্যস্ত আছিল। তেওঁলোকৰ জীৱন, পৰিয়াল আৰু ব্যৱসায় আছিল নিজৰ যত্ন লবলৈ। সতৰ্ক নকৰাকৈ যীচুৱে তেওঁলোকলৈ চাই ক'লে, "মোৰ পাচত আহা"। বাইবেলে কয় যীচুৱে যেতিয়া পিতৰ আৰু আন্দ্ৰিয়ক মাতিছিল তেওঁলোকে সাগৰত জাল মাৰি আছিল, আৰু তেওঁলোকে জাল এৰি যীচুৰ পাচত গ'ল (মথি ৪:১৮-২১) বাধাৰ বিষয়ে কথা পাতিছিলহু এই বিষয়ে প্ৰাৰ্থনা কৰিবলৈ তেওঁ কোৱা নাছিল, বা চিন্তা কৰিব বা ঘৰলৈ গৈ ল'ৰা-ছোৱালী আৰু পত্নীক ক'বলৈ দিয়া নাছিল। তেওঁ মাত্ৰ ক'লে, "মোৰ পাচত আহা"।

কিমান দূৰ যাব লাগিব তেওঁলোকে সুধা নাছিল বা কিমান দৰমহা পাব। তেওঁলোকে লাভৰ কথা সুধা নাছিল, যাত্ৰাৰ বাবে খৰছ বা কেনেকুৱা হটেলত তেওঁলোক থাকিব। তেওঁলোকে আনকি কি কাম কৰিব লাগিব সুধা নাছিল। তেওঁলোকে তেওঁলোকৰ সকলো এৰিলে আৰু তেওঁক অনুসৰণ কৰিলে। আনকি এতিয়াও যেতিয়া মই এই বিষয়ে পঢ়ো, বেচ কষ্টকৰ বুলি মই স্বীকাৰ কৰিবই লাগিব, কিন্তু বোধহয় এইটো এটা ডাঙৰ সুযোগ, এটা ডাঙৰ ত্যাগ নিশ্চয়।

ঈশ্বৰে মোৰ পৰা কিছু কাম কৰাটো বিচৰা কাৰণে মই আপত্তি কৰা কথা মনত পৰে, কাৰণ মোৰ ওপৰত দিয়া ভাৰ আনৰ বাবে আৱশ্যক নহয় বুলি মই ভাবিছিলো। তেওঁ সাধাৰণ ভাৱে কৈছিল "জয়চ, তুমি মোৰ পৰা বহুত খুজিছা। তোমাক এইটো লাগে নে নালাগে?" সমগ্ৰ পৃথিৱীতে

মানুহৰ সহায় যাতে কৰিব পাৰো তাৰ বাবে ঈশ্বৰৰ ওচৰত নিবেদন কৰিলো আৰু মই বুজিছিলো যে কাম কৰিবলৈ সুবিধা পোৱাতো বহুতো সময়ত সুবিধাজনক আৰু আৰামদায়ক নহয়।

গুটি নিসিঁচাকৈ শস্য দোৱা অসম্ভৱ। ৰজা চলোমনে কৈছিল যে যদি আমি গুটি সিচিবলৈ অনুকূল অৱস্থালৈ বাট চাওঁ, আমি কেতিয়াও শস্য কাটিব নোৱাৰো (উপ ১০:৪) আন কথাত ক'বলৈ গ'লে, যেতিয়া পৰিস্থিতি উপযুক্ত নহয় আৰু যেতিয়া অধিক দাম হয় তেতিয়াও আমি ঈশ্বৰক দিবই লাগিব আৰু তেওঁক মানি চলিব লাগিব। বোধহয় এই বাৰজনক বাচিছিলে কাৰণ আনে যিটো কৰিবলৈ ইচ্ছা নকৰিছিল তেওঁলোকে কৰিবলৈ ইচ্ছা কৰিছিল। তথাপিও বাইবেলে কোৱা নাই যিজনে তেওঁক মানিবলৈ অস্বীকাৰ কৰিছিল যীচুয়ে মতা নাছিল, সম্ভৱত তেওঁ মাতিছিল। বোধহয় তেওঁ হাজাৰ জনৰ লগত কথা পাতিছিল সেই বাৰজনক পাবলৈ। মই ভাবো আজিও সেইটোৱে উপায় কাম কৰাৰ। অসুবিধাত থাকিও, আৰু তেওঁলোকৰ আঁচনিত বাধা পৰা স্বতেও, যিসকল মানুহে ত্যাগ স্বীকাৰ কৰিবলৈ ইচ্ছুক তেনে মানুহ কম। যীচুক মৰম কৰাৰ কাৰণে বহুতে গান গাই আৰু সেইটো ভাল, কিন্তু আমি মনত ৰাখিব লাগে যে যদিওবা গান গোৱাটো আনন্দৰ বিষয়, ইয়াৰ বাবে ত্যাগ নালাগে। প্ৰকৃত প্ৰেমত ত্যাগৰ প্ৰয়োজন।

মই বিশ্বাস কৰো পৃথিৱীত তেনে প্ৰকৃত প্ৰেম নাই কাৰণ তাৰ বাবে চেষ্টা আৰু কিবা মূল্য দিবই লাগিব। প্ৰেমৰ বিপ্লৱত যদি আমি গভীৰ ভাবে অংশ গ্ৰহণ কৰিব খোজো এই সত্য আমি মানিবই লাগিব। কোনো কথাত প্ৰতিজ্ঞাবদ্ধ হোৱাৰ আগতে খৰছটো গনি চোৱা সদায় জ্ঞানীৰ কাম, অন্যথা আমি নিশ্চয় যি আৰম্ভ কৰো তাক শেষ কৰিব নোৱাৰিম।

## *ঈশ্বৰৰ দ্বাৰাই বাধা*

বাইবেলত থকা পুৰুষ-মহিলা যিসকলক "মহান" বুলি কোৱা হৈছিল তেওঁলোকৰ বিষয়ে যিমানেই পঢ়ো মই সিমানেই দেখু যে তেওঁলোক সকলোৱে মহান ত্যাগ কৰিছিল আৰু ঈশ্বৰে যি কৰিব কৈছিল তাত কোনো সুবিধা নাছিল।

অব্ৰাহামে নিজৰ দেশ, নিজৰ পৰিয়াল, আৰু নিজৰ ঘৰ এৰি ঈশ্বৰে কোৱা ঠাইলৈ গৈছিল যাৰ বিষয়ে গন্তব্য স্থান নোপোৱালৈকে ঈশ্বৰে কোৱা নাছিল। বোধহয় তেওঁ ভাবিছিল ৰাজপ্ৰসাদত তেওঁ ৰজা বা আনকিবা হ'ব, কিন্তু তাৰ সলনি তেওঁ এঠাইৰ পৰা আনঠাইলৈ ঘূৰি ফুৰিছিল, অস্থায়ী তম্বুত বাস কৰি। শেষত তেওঁ ইজিপ্ত পালে — সেই ঠাই "অত্যাচাৰেৰে পূৰ্ণ (উগ্ৰ আৰু দুখ-শাকৰ)" — দুৰভীক্ষৰ মাজত। (আদি ১২:১০) তথাপিও মহান ত্যাগ আছিল, আব্ৰাহামক অধিকাৰ দিয়া হৈছিল যাৰ সৈতে ঈশ্বৰে চুক্তি কৰিছিল আৰু তেওঁৰ দ্বাৰাই পৃথিৱীত থকা সকলো পৰিয়ালে ঈশ্বৰৰ আশিৰ্ব্বাদ পোৱাৰ যোগ্য হ'ল (আদি ২২:১৮)।

যোচেফে ভুকত থকাৰ পৰা এখন দেশ উদ্ধাৰ কৰিছিল, কিন্তু তাৰ আগতে ঈশ্বৰে তেওঁক তেওঁৰ আৰামদায়ক ঘৰ য'ত তেওঁ দেউতাকৰ অতি মৰমৰ আছিল তাৰ পৰা অত্যাচাৰ কৰি

উলিয়াই বহু বছৰৰ কাৰণে তেওঁক নজনা এখন ঠাইত ৰাখিছিল। ঈশ্বৰে সঠিক সময়ত সঠিক ঠাইত যোচেফক ভাল অৱস্থাত ৰাখিবৰ বাবে। কিন্তু কাৰ্য্যটো হোৱাৰ পাচত হে যোচেফে সেই বিষয়ে জানিব পাৰিছিল। আমি কিয় ইয়াত আছো আমি ক'ত আছো বুজি নাপাই কওঁ, "প্ৰভু, মই ইয়াত কি কৰিছো?" মই জানো মই বহু সময়ত ঈশ্বৰক এইদৰে কৈছো, আৰু তথাপিও সেই সময়ত উত্তৰ দিবলৈ তেওঁ চেষ্টা কৰা নাছিল, মই পিচলৈ ঘূৰি চাই অনুভৱ কৰো মই যিবোৰ ঠাইত আছিলো আজি সেইবোৰ ঠাইৰে অংশ হলো।

ধ্বংস হোৱাৰ পৰা ইষ্টেৰে যিহুদীসকলক ৰক্ষা কৰিছিল, কিন্তু ঈশ্বৰে তেওঁক সেইদৰে কৰিবৰ কাৰণে তেওঁৰ আঁচনিত বাধা দিছিল। তেওঁ যুৱতী আছিল, যি সন্দেহ নকৰাকৈ ভৱিষ্যৎৰ আচনি কৰিছিল, যেতিয়া হঠাতে কোনো নিৰ্দ্দেশ নিদিয়াকৈ তেওঁক ৰাজগৃহলৈ মতা হয় আৰু ৰজাৰ পৰা অনুগ্ৰহ লাভ কৰি দুষ্ট হামানৰ বিৰুদ্ধে আচনি তৈয়াৰ কৰে, যিজনে যিহূদী সকলক বধ কৰিব খুজিছিল।

ইষ্টাৰৰ জীৱনৰ কাৰণে ভয় লগা কাম কৰিবলৈ কোৱা হৈছিল, কিন্তু তাইৰ খুৰাকে বুদ্ধিৰে সেই সকলো ক'লে — "কিয়নো, যদি তুমি এই সময়ত সকলো ভাৱে নিজম দি থাকা, তেন্তে আন কোনো ঠাইৰ পৰা যিহূদী লোক বিলাকৰ উপকাৰ আৰু নিস্তাৰ ঘটিব, কিন্তু তুমি নিজ পিতৃ বংশৰ লগত বিনষ্ট হবা, আৰু কিজানি এই আপদৰ সময়ৰ নিমিত্তেই তুমি ৰাণীপদ পাইছা হ'বলা।" (ইষ্টাৰ ৪:১৪)।

তেওঁ যদি ত্যাগ নকৰিলে হয়, ঈশ্বৰে বেলেগ কাৰবাক বিচাৰি পালে হয়, কিন্তু নিজৰ লোক সকলক উদ্ধাৰ কাৰ তেওঁৰ লক্ষ্য আছিল। এইয়া তেওঁৰ জীৱনৰ উদ্দেশ্য আছিল। আপুনি কৰা আচনিবোৰত ঈশ্বৰে বাধা দিয়াৰ কাৰণে আপুনি জীৱনৰ উদ্দেশ্য নেহেৰুৱাব।

বাধ্যতামূলক ভাৱে ত্যাগ স্বীকাৰ কৰা মানুহৰ তালিকা বাঢ়ি গৈ থাকিব পাৰে। তেনে মানুহক বাইবেলে কৈছে যে "এই জগত তেওঁবিলাকৰ যোগ্য নাছিল।" (ইব্ৰী ১১:৩৮)

এই যি মানুহৰ কথা পঢ়িছো তেওঁলোকে আনৰ জীৱন সহজ কৰিবলৈ নিজে অসুবিধাত আছিল। আমি যাতে জীৱন পাও আৰু ওপচি পৰাকৈ পাওঁ তাৰ বাবে যীচু খ্ৰীষ্টই মৃত্যু বৰণ কৰিছিল। নাগৰিক সকল ঘৰত সুৰক্ষিত হৈ থাকিবৰ বাবে সৈনিকৰ মৃত্যু হয়। পৰিয়ালে যাতে ভাল জীৱন পাই তাৰ বাবে পিতৃ কাম কৰিবলৈ যায়, মাতৃয়ে পৃথিৱীলৈ আৰু এটা জীৱন আনিবৰ কাৰণে সন্তান জন্ম দিয়াৰ কষ্ট ভোগ কৰে। আনে কিবা এটা পাবৰ বাবে আন কোনোবাই কষ্ট বা অসুবিধাৰ অভিজ্ঞতা কৰিবই লাগিব।

প্ৰেমৰ বিপ্লৱৰ অংশীদাৰ হ'বলৈ হ'লে ভাল অনুভূতিৰ যে প্ৰয়োজন সেই কথাটো এই অধ্যায়টোত গুৰুত্বপূৰ্ণ ভাৱে কোৱা হৈছে। ইয়াৰ অংশীদাৰ হ'বলৈ হ'লে আপুনি আপোনাৰ মনটো সলনি কৰিব লাগিব যেতিয়া আপুনি অনুভৱ কৰে কিবা এটা কৰাৰ, কাৰণ প্ৰেমৰ দ্বাৰাই আপুনি পৰিচালিত হোৱা নাই। আতৰি থকাৰ সলনি আপুনি কাৰবাৰ লগত মিলিবই লাগিব কাৰণ আনৰ অভাৱ আৰু

দুৰ্ব্বলতা প্ৰেমে সহ্য নকৰে। আনন্দজনক নোহোৱা ঠাইত আপুনি হয়তো থাকিব লাগিব কাৰণ আন্ধাৰত আপুনিয়েই একমাত্ৰ পোহৰ। আপুনি হয়তো কেতিয়াবা ঠাই এৰিব লাগিব কাৰণ চাৰিওফালৰ পৰিবেশে সেই ঠাই পাপৰ কাৰণে প্ৰলোভিত কৰে। আচলতে আব্ৰাহাম আৰু তেওঁৰ পৰিয়াল মুৰ্ত্তি পূজাৰ মাজত বাস কৰিছিল, সেয়ে ঈশ্বৰে তেওঁক সেই ঠাই আৰু মানুহৰ মাজৰ পৰা যাবলৈ দিয়াটো একো আচৰিত নহয়। কেতিয়াবা ঈশ্বৰে আমি কি ছোৱাতো বিচাৰে তাৰ বাবে আমি যাৰ সৈতে পৰিচিত তাৰ পৰা পৃথক কৰে।

অসুবিধা আৰু বাধাৰ বাবে আপুনি চিন্তা নকৰো বুলি যদি সিদ্ধান্ত লয়, তেতিয়া ঈশ্বৰে আপোনাক ব্যৱহাৰ কৰিব পাৰে। আপুনি পৃথিৱীত এক পৰিবৰ্ত্তন আনিব পাৰে কিন্তু আপুনি

> অসুবিধা আৰু বাধাৰ বাবে আপুনি চিন্তা নকৰো বুলি যদি সিদ্ধান্ত লয়, তেতিয়া ঈশ্বৰে আপোনাক ব্যৱহাৰ কৰিব পাৰে।

যদি নিজৰ আৰামৰ কথাতেই লাগি থাকে, ঈশ্বৰে হয়তো আপোনাক এৰি জীৱনত কষ্ট কৰিব পৰা এজনক বাচি ল'ব যিজনে কষ্ট সহ্য কৰিব পাৰে।

## *চদোম আৰু ঘমুৰা*

চদোম আৰু ঘমুৰা চহৰত হোৱা ভয়ানক ব্যভিচাৰৰ কথা আপুনি নিশ্চয় শুনিছে। কিন্তু ঈশ্বৰক অসন্তুত কৰা কি কাম তেওঁলোকে প্ৰকৃততে কৰিছিলে? আমি প্ৰায়ে ভাবো যে তেওঁলোকৰ যৌন দুষকৰ্ম্মৰ কাৰণে ঈশ্বৰে তেওঁলোকক ধ্বংস কৰিছিল, কিন্তু তেওঁলোকক ধ্বংস কৰাৰ ই এটা সম্পূৰ্ণ বিপৰীত অৱস্থা আছিল। তেওঁলোকৰ ধ্বংসৰ সত্যতা চাই মই আচম্বিত হৈছিলো। দুখীয়াক আহাৰ দিয়াৰ ওপৰত বাইবেলত বাক্য বিচাৰোতে মই এইটো বিচাৰি উলিয়াইছিলো। "চোৱা তোমাৰ ভনীয়েৰা চদোমৰ এই অপৰাধ আছিল, যে, তাইৰ আৰু তাইৰ জীয়েকহঁতৰ অহঙ্কাৰ, আহাৰৰ সম্পূৰ্ণতা, আৰু নিশ্চিয়তাযুক্ত মুখ আছিল; তাই দুখী-দৰিদ্ৰৰ হাত সবল নকৰিছিল। সিহঁত গৰ্ব্বী আছিল, আৰু সিহঁতে মোৰ আগত ঘৃণনীয়া কাৰ্য্য কৰিছিল; এই হেতুকে মই যি ভাল দেখিলো, তাকে কৰি সিহঁতক দূৰ কৰিলো।" (যিহিস্কেল ১৬:৪৯-৫০, মোৰ গুৰুত আৰোপন)

চদোম আৰু ঘমোৰৰ সমস্যা আছিল তেওঁলোকৰ অধিক থকা স্বত্তেও যাৰ প্ৰয়োজন তেওঁলোকৰ লগত ভগাই লোৱা নাছিল। তেওঁলোক এলেহুৱা আৰু অতি সুবিধাত জীৱন যাপন কৰিছিল, যিহে ঘৃণনীয় কাম কৰিবলৈ সহায় কৰিছিল। এই এলেহুৱা হোৱা আৰু সুবিধাজনক অৱস্থাত থকাই স্পষ্ট কৰিছে যে এইটো আমাৰ কাৰণে ভাল নহয় আৰু ই সমস্যাৰ পৰা সমস্যালৈ লৈ যায়। আমাৰ যি আছে সেয়া নথকাজনৰ লগত বিলাই ল'ব নোৱাৰাতো আমাৰ কাৰণে ভাল নহয় আৰু প্ৰকৃততে এইটো বিপদজনক কাৰণ আত্মকেন্দ্ৰিক জীৱনে বেয়া কাৰ্য্য বৃদ্ধি হ'বলৈ দুৱাৰ খুলি দিয়ে। আমাৰ কাৰণে এই সকলো যে ভাল নহয়, সেইয়া নহয়, কিন্তু ঈশ্বৰৰ ওচৰত

দোষনীয়। তেওঁৰ কাৰণে কাৰ্য্য কৰিবলৈ আমাক মাধ্যম হোৱাতো বিচাৰিছে, আমাৰ নিজৰ কাৰণে সকলো ধৰি ৰাখিবলৈ সংগ্ৰাহালয় হোৱাটো বিচৰা নাই।

আজি আমাৰ যি সুবিধা আছে আমি সেই সকলোৰ গুণ গাঁও, কিন্তু ঈশ্বৰৰ বাধ্য হৈ অসুবিধাত পৰিবলৈ ইচ্ছা কৰাটোত বা আনৰ প্ৰয়োজনীয়তাত সহায় কৰাটো কিছুমান ক্ষেত্ৰত চয়তানে ধ্বংস কৰিবলৈ চেষ্টা কৰে বুলি মই ভাবো। সহজ ভাৱে থকাত আমি অভ্যস্থ হৈছো আৰু আমি এই বিষয়ে খুব সাৰধান হ'ব লাগে। সকলো মানুহৰ দৰে, মই ভাল, আৰামদায়ক বস্তু ভাল পাওঁ। মই সুবিধাত থকা ভাল পাওঁ, কিন্তু যেতিয়া মই বিচৰাৰ দৰে নাপাওঁ মই চেষ্টা কৰো আপত্তি নকৰিবলৈ। অসুবিধাক আনক সহায় কৰাৰ অংশ বুলি মই অনুভৱ কৰো আৰু মই জানো ভাল মনোভাবেৰে আনক সহায় কৰিবলৈ ঈশ্বৰে মোক মাতিছে।

লিখি থকাৰ সময়ত মই বাধা দিয়াটো ভাল নাপাওঁ। যদি মোক বাধা দিয়ে মই খুব অসুবিধা পাওঁ কাৰণ মই যি কৰি আছো সেইটোলৈ ঘূৰি আহিবলৈ মই পুনৰ প্ৰথমৰ পৰা কাম কৰিব লাগিব। মাত্ৰ অলপ সময়ৰ আগতে মই পৰীক্ষীত হৈছিলো। মোৰ ফোনটো বজাত মই দেখু এগৰাকী মানুহে কৰিছে মই জানো তেওঁ কিছুদিনৰ পৰা বিবাহৰ সমস্যাৰ কথা মই শুনাটো বিচাৰিছে সঁচাকৈয়ে লিখা বন্ধ কৰিব খোজা নাছিলো কিন্তু মই ভাবিলো মই কৰিব লাগিব কাৰণ তেওঁ সকলোৰে পৰিচিত মহিলা আছিল যাৰ কোনো নাছিল বিশ্বাস কৰি কথা পাতিবলৈ। পৃথিৱীৰ সকলোৰে পৰিচিত হোৱাৰ কাৰণেই যে তেওঁ অকলশৰীয়া হ'ব নালাগে সেইটো নহয়। সমগ্ৰ পৃথিৱীয়ে জনা এগৰাকী অকলশৰীয়া মহিলাৰ সমস্যাৰ মাজত আৰু ঈশ্বৰে প্ৰেমৰ ওপৰত লিখি থকাত মোক বাধা দিব খুজিলে, প্ৰকৃততে, প্ৰেমৰ বিষয়ে অভ্যাস কৰিবলৈহু কল্পনা কৰক... আমি যিটো বিশ্বাস কৰো বুলি কওঁ ঈশ্বৰে সেইটো অভ্যাস কৰাটো বিচাৰে।

পঞ্চম অধ্যায়

# 5

# *প্ৰেমে উপায় বিচাৰি লয়*

কৃতকাৰ্য্য হোৱাৰ দৃঢ়তা যদি শক্তিমন্ত হয়
অকৃতকাৰ্য্যতাই মোক বাধা দিব নোৱাৰে।
*অ'জ মেনদিনৌ*

শক্তিৰ দ্বাৰাই ইচ্ছা অনুপ্ৰাণিত হয়। অৱশেষত মই এই সত্যতা বিচাৰি পালো যে মই যদি সঁচাকৈয়ে কিবা কৰিব খোজো, কৰিবৰ বাবে মই উপায় বিচাৰিব লাগিব। মানুহে মোক প্ৰায়ে সুধে মই কৰিব খোজা কামবোৰ কেনেকৈ কৰো, মই সহজভাৱে কওঁ, "কাৰণ মই কৰিব খোজো।" মই অনুভৱ কৰিছিলো ঈশ্বৰে মোক অনুগ্ৰহ দান কৰিছে আৰু মোৰ অন্তৰত ইচ্ছা জগাই তুলিছে, কিন্তু এইটো সঁচা যে মোক কৰিবলৈ অনুপ্ৰাণিত কৰাৰ কাৰণে মই কিছুমান কাম কৰো। ঈশ্বৰে যি কৰাটো বিচাৰে মই সেইটো কৰো; মোৰ নিৰূপিত কাৰ্য্য সম্পূৰ্ণ কৰিব খোজো, মানুহক সহায় কৰিব খোজো, বা পাচনি পৌলে কোৱাৰ দৰে, "মই মোৰ দৌৰ সম্পূৰ্ণ কৰিব খোজো।"

আপুনি মোক সুধিব পাৰে, "যদি মোৰ ইচ্ছা নাথাকিল হয়?" ঈশ্বৰে বিচৰাৰ দৰে কৰিবলৈ আপোনাৰ নিশ্চয় ইচ্ছা থাকিব, নহ'লে এই কিতাপৰ প্ৰথম অধ্যায়টো পঢ়াৰৰ পাচতেই আপুনি হয়তো কিতাপখন থৈ দিব। যীচু খ্ৰীষ্টৰ যোগেদি আপোনাৰ যদি সম্বন্ধ ঈশ্বৰৰ সৈতে হয় আপোনাৰ ভাল কাম কৰিবলৈ ইচ্ছা হ'ব কাৰণ তেওঁ নিজৰ আত্মা আৰু অন্তৰ আপোনাক দিব। যিহিস্কেল ১১:১৯ পদত ঈশ্বৰে এইদৰে প্ৰতিজ্ঞা কৰিছেঃ "মই তেওঁলোকক একেটা অন্তৰদান কৰিম (নতুন অন্তৰ) আৰু তেওঁলোকৰ অন্তৰত নতুন আত্মা বাকী দিম; আৰু তেওঁলোকৰ শৰীৰৰ পৰা কঠিন

অন্তৰ (নভবা ধৰণৰ কঠিন) দূৰ কৰিম আৰু শৰীৰৰ অন্তৰ দান কৰিম (ঈশ্বৰৰ স্পৰ্শত সংবেদনশীল আৰু প্ৰতিবেদনশীল হোৱা)" আমি এলেহুৱা, নিষ্ক্ৰিয় বা আত্মকেন্দ্ৰিক হ'ব পাৰো আৰু কেতিয়াবা সেই বিষয়বোৰত কাৰ্য্য কৰিব লাগিব পাৰে, কিন্তু বিশ্বাসকাৰী হিচাপে ঈশ্বৰৰ অন্তৰ লাভ কৰি ঈশ্বৰক মানি নচলা আৰু আনক সহায় নকৰাটো অসম্ভৱ কথা।

প্ৰশ্নটো এইদৰে হ'ব পাৰে বুলি মই ভাবিছো ঃ এইদৰে হোৱাটো আপুনি কিমান বিচাৰিছে? আপুনি নিজৰ ইচ্ছাৰে কৰাতকৈ ঈশ্বৰৰ ইচ্ছাৰ দৰে কৰিব খোজে নে? আন সকলো ত্যাগ কৰি এইটো অধিক হোৱাটো বিচাৰেনে?

অলপতে লগ পোৱা ডেকা মানুহ এজনে কৈছিল তেওঁ খুব অসুখী। তেওঁ কৈছিল ঈশ্বৰে তেওঁক উচ্চ আত্মাৰ বাবে আমন্ত্ৰণ কৰিছে কিন্তু ত্যাগ স্বীকাৰ কৰিব লাগিব কাৰণে তেওঁ সেই আমন্ত্ৰণ মানিব নুখুজে। ত্যাগৰ অন্তৰালৰ আনন্দ হেৰুৱাটো মই বিচৰা নাছিলো আৰু তাৰ বাবে মই খুব দুখ অনুভৱ কৰিছিলো।

আমি যদি সঁচাকৈয়ে কিবা কৰিব বিচাৰো, আমি সেইটো কৰিবলৈ উপায় বিচাৰিব লাগিব। নহ'লে এইটো মানি নল'লে আমি জীয়াই থকা দিনবোৰত নিজকে প্ৰতাৰণা কৰো, আমি কামটো কৰিব পৰা নাই বুলি নিজেই নিজৰ ওচৰত ক্ষমা বিচাৰো। ক্ষমাটো অতি ভয়ঙ্কৰ কথা, মই বিশ্বাস কৰো আমি নিজৰ ইচ্ছাত আগবাঢ়িব নোৱাৰাৰ মুল কাৰণ হ'ল নিজেই নিজৰ ওচৰত ক্ষমা বিচৰা। সম্ভৱত আপুনি অভ্যাস কৰিব পাৰিলে হয়, কিন্তু আপুনি কৰিব নোৱাৰে বাবে ক্ষমা বিচাৰে। আপুনি হয়তো পৰিয়ালৰ লগত বেছি সময় কটাব খোজে, তথাপিও কৰিব নোৱাৰাৰ বাবে আপত্তি কৰে। আনক সহায় কৰিবলৈ আপুনি সময় দিব লাগিব বুলি নিশ্চয় অনুভৱ কৰে আৰু আপুনি হয়তো কৰিব খোজে, কিন্তু বাস্তৱিকে আপুনি কিয় কৰিব পৰা নাই তাৰ এটা কাৰণ থাকে। চয়তানে আমাৰ মনলৈ কাৰণবোৰ আনি দিয়ে, যেতিয়ালৈকে এই কাৰণবোৰেই যে আমাক পতাৰণা কৰিছে আৰু অবাধ্য কৰিছে তাক বুজি নাপাওঁ, তেতিয়ালৈকে আমি আনন্দ নথকা আৰু ফল নধৰা জীৱন যাপন কৰো।

## *ভাল ওচৰ চুবুৰীয়া*

যীচুৱে কৈছে, "তুমি সকলো হৃদয়, সকলো প্ৰাণ, সকলো শক্তি, আৰু সকলো চিত্তেৰে তোমাৰ প্ৰভু পৰমেশ্বৰক প্ৰেম কৰা; আৰু তোমাৰ চুবুৰীয়াক নিজৰ নিচিনাকৈ প্ৰেম কৰা।" (লুক ১০:২৭) তেওঁ বিধান-পণ্ডিত সকলক ক'বলৈ ধৰিলে যে যদি তেওঁ তেনে কৰে, জীৱন পাব, তাৰমানে তেওঁলোকে অনন্তকলীয়া ঈশ্বৰৰ ৰাজ্যত সক্ৰিয়, আশীৰ্ব্বাদযুক্ত হৈ আনন্দ লাভ কৰিব। যি কোনো দোষৰ পৰা মুক্তি বিচাৰি বিধান পণ্ডিতে কৈছিল — "মোৰ চুবুৰীয়া কোন?" তেওঁ মৰম দেখুৱাব লগা মানুহবোৰ আচলতে কোন তেওঁ জানিব বিচাৰিছিল আৰু যীচুয়ে গল্পৰ দ্বাৰাই তাৰ উত্তৰ দিছিল।

মানুহ এজন বাটত গৈ থাকোতে ডকাইতে তেওঁক আক্ৰমণ কৰি তেওঁৰ বস্তুবোৰ লয় আৰু মানুহজনক আধামৰাকৈ মাৰি পেলাই থৈ যায়। সেই সময়তে এজন পুৰোহিত সেইফালে দি পাৰহৈ যাওঁতে মানুহজনক দেখে আৰু তেওঁক সহায়ৰ প্ৰয়োজন বুলি জানিও আনফালেদি গুছি যায়। মই নাজানো তেওঁ ইতিমধ্যে বাটৰ সিটোপাৰে আছিল নে নাই বা তেওঁ বাটটো পাৰ কৰোতে আঘাট পোৱা মানুহ জনে তেওঁৰ পৰা সহায় বিচাৰিবলৈ তেওঁক দেখিছিলেনে নাই। কিন্তু তেওঁ ঠিক কৰিলে যে আঘাট পোৱা মানুহজনৰ ওচৰলৈ নাযায়। তেনে সময়তে আন এজন লেবী পুৰোহিত সেইফালে দি গৈছিল। তেওঁ হয়তো গীৰ্জ্জালৈ লৰালৰিকৈ গৈ আছিল সেয়ে যদিও গীৰ্জ্জাই তেওঁক সহায় কৰা শিক্ষা দিয়ে তথাপিও তেওঁ সেই আঘাটপ্ৰাপ্ত মানুহজনক সহায় নকৰিলে। ঈশ্বৰ ভক্ত মানুহে প্ৰায়ে ঈশ্বৰৰ বাক্যৰ দ্বাৰাই আৰশ্যকতা পুৰ কৰা কথা কয়, কিন্তু বাস্তৱ জীৱনত তেনে সহায় আগনবঢ়ায়। খ্ৰীষ্টীয়ানৰ মাজত বৰ্তমান এইটো এটা ডাঙৰ সমস্যা বুলি মই ভাবো। আমি যি "জানিব" পাৰিছো তাৰ বাবে গৌৰৱ অনুভৱ কৰো, কিন্তু বহুত সময়ত আমি যি জানো সেইদৰে কাৰ্য্য নকৰো। আমি কথা বহুতেই কওঁ, কিন্তু আমি মানুহে কিহৰ প্ৰতি ধ্যায়ান দিয়া আৰশ্যক সেই বিষয়ে নকওঁ — আৰু প্ৰেমৰ দ্বাৰাই কাৰ্য্য কৰিবলৈ নকওঁ।

এই দুজন পুৰোহিত পাৰ হৈ যোৱাৰ পাচত আঘাটপ্ৰাপ্ত মানুহজনক অত্যন্ত সহায়ৰ আৰশ্যক হৈছিল, তেনেতে এজন চমৰীয়া মানুহ সেই বাটেৰে গৈছিল, তেওঁ পুৰোহিত নাছিল। আঘাট পোৱা মানুহজনক দেখি তেওঁৰ পুতৌ আৰু মৰম লাগিল সেয়ে তেওঁ আঘাট পোৱা অংশ বান্ধি দিলে। তাৰ পাচত তেওঁ মানুহজনক আলহী থকা ঘৰলৈ লৈ গৈ তাতে ৰাখি, আলহী চোৱা-চিটা কৰা মানুহজনক দুদিনৰ খৰছ দি তেওঁ উভটি নহালৈকে তেওঁৰ যত্ন ল'বলৈ ক'লে আৰু ওপৰঞ্চি ধনো দিলে। বিধান-পণ্ডিতজনক যীচুৱে তেতিয়া সুধিলে এই তিনিজন মানুহৰ ভিতৰত কোনজনে নিজকে চুবুৰীয়া বুলি পৰিচয় দিলে। (লুক ১০:২৭-৩৭)

এই কাহিনীৰ কেইবাটাও কথাত মই মনোযোগ দিছিলো। মই প্ৰথমে কোৱাৰ দৰে, পুৰোহিত দুজনে একো কৰা নাছিল। একো নকৰাকৈ থকাটোক আমি নিশ্চয় বাধা দিব লাগেহুঁ যদিওবা কামটো সৰু হয়, যিটো কৰিবৰ কাৰণে ঈশ্বৰে আমাক সজাগ কৰে, আমি সেইটো কৰিবৰ বাবে উপায় উলিয়াবই লাগিব। মই স্বীকাৰ কৰো যে কোনো সময়ত আমি প্ৰাৰ্থনাৰে সহায় কৰিব পাৰো বা উদ্যোগনি বাক্যৰে, কিন্তু আমি সহায় কৰিবৰ কাৰণে আক্ৰমণমূলক ভাৱে উপায় বিচাৰিবই লাগিব। আমি অন্তত এই বিষয়ে চিন্তা কৰিব লাগে আৰু কৰিব নোৱাৰো বুলি এনেয়ে ভাবি ল'ব নালাগে, বা অসুবিধা হ'ব বুলি এনেয়ে আপত্তি কৰি, এইদৰে কৰা অতি বেয়া।

দ্বীতিয়তে কাহিনীত মোক আকৰ্ষণ কৰে চমৰীয়াজনে সহায় কৰিবলৈ গৈ যথেষ্ট কষ্ট স্বীকাৰ কৰিছিল। নিশ্চয় যাত্ৰাৰ বাবে যে পলম হৈছিল তাক কল্পনা কৰিব পাৰি। নিশ্চয় কিবা দৰকাৰী কামত তেওঁ যাব লগা হৈছিল, কাৰণ ব্যৱসায়ৰ পৰা ঘূৰি নহালৈকে কিছু দিনৰ কাৰণে আঘাট পোৱা মানুহজনক যত্ন ল'বৰ বাবে থৈ গৈছিল। তেওঁ ধন আৰু সময় খৰছ কৰিছিল, আৰু আনৰ প্ৰয়োজনৰ সময়ত সহায় কৰিবলৈ অসুবিধাৰ সন্মুখিন হ'বলৈ কুণ্ঠাবোধ কৰা নাছিল।

মই আৰু এটা কথা মন কৰিছিলো হঠাৎ কৰিব লগা কামে তেওঁক মুল উদ্দেশ্যৰ পৰা আঁতৰাই নিয়া নাছিল। এইটো খুব গুৰুত্বপূৰ্ণ কথা কাৰণ বহুত সময়ত আবেগ অনুভূতিত মানুহ ইমান ভাগি পৰে যে নিজৰ উদ্দেশ্য সিদ্ধিৰ কাৰণে তাত লাগি থাকিব নোৱাৰে। আমাৰ ছোৱালী চেন্দ্ৰাই মানুহক সহায় কৰিবলৈ অত্যন্ত বেছি ভাল পায় আৰু সেইটো ভাল কথা, কিন্তু যোৱা কালি তাই মোলৈ ফোন কৰিছিল তাইৰ বাবে প্ৰাৰ্থনা কৰিবলৈ যাতে তাই সমানতৰাল ভাৱে আৰু স্পষ্ট ভাৱে সহায় কৰিব পাৰে আৰু কি প্ৰয্যায়লৈ কৰিব। যত্ন ল'বলৈ তাইৰ নিজৰ দুজনী যজা ছোৱালী আছে, তাই গীৰ্জ্জাত পিতৃ-মাতৃ সকলক শিক্ষা দিবৰ কাৰণে ক্লাচ লয়, আৰু তাইৰ অন্য দায়িত্বও আছে যাৰ বাবে বিশ্বাসী হৈ থাকিব লাগে বুলি তাই অনুভৱ কৰে, তথাপিও তাই আৱশ্যকতাৰ কথাবোৰ শুনি সহায় আগবঢ়াব খোজেহ্ল প্ৰায়ে কি হ'ব একো নভবাকৈ তাই সহায় কৰাত ব্যস্ত হৈ যায় বা তাইৰ নিজৰ আন প্ৰয়োজনীয়তাবোৰ অৱহেলা নকৰাকৈ কেনেকৈ কৰিব চিন্তা নকৰি। তাইৰ সহায় কৰাৰ ভাল ইচ্ছাবোৰ তাৰ ফলত কেতিয়াবা হতাশা আৰু অনিশ্চয়তাত শেষ হৈ যায়, যিটো কেতিয়াও ঈশ্বৰৰ ইচ্ছা নহয়।

যীচু খ্ৰীষ্টই কোৱা কাহিনীত চমৰীয়া জনে যেনেকৈ কৰিছিল মই চেন্দ্ৰাক তেনেদৰে কৰিবলৈ উদ্‌গনি দিওঁ, সেইদৰে মই আপোনালোককো উদ্‌গনি দিওঁ। আপোনাৰ আচনি সলনি কৰিবলৈ আগ্ৰহ কৰক আৰু অসুবিধাত থাকিবলৈ, অভাৱত থকা সকলক প্ৰয়োজন হ'লৈ নিজৰ ধন আৰু সময় দি সহায় কৰিবলৈ আগ্ৰহী হওঁক। কিন্তু যেতিয়া সহায় কৰিবলৈ আৰু বেলেগ মানুহ থাকে আপুনি সকলো অকলশৰে কৰিবলৈ চেষ্টা নকৰিব। চমৰীয়া জনে ঘৰৰ চাওঁতাজনক লগত লৈছিল প্ৰয়োজনৰ সময়ত সহায় কৰিবলৈ যাতে তেওঁ যি উদ্দেশ্যে সেই বাটেৰে আহিছিল তাত যেন মনযোগ দিব পাৰে।

আমি যেতিয়ালৈকে কামৰ মাজত সোমাই নপৰো আমি কেনে পৰিস্থিতিত আছো চয়তানে নাচায় আনহাতে, মানুহে একো কৰিব নুখোজে, বা সকলো নিজে কৰিব খোজে আৰু তেতিয়া নিৰাশ হয় অন্যথা সুবিধাৰ কাৰণে তেওঁলোকক ব্যৱহাৰ কৰিছে বুলি ভাৱে। আমাৰ জীৱনৰ সকলো ক্ষেত্ৰতে ভাৰসাম্যতাৰ প্ৰয়োজন, আনকি আনক সহায় কৰা ক্ষেত্ৰতো। কঠিন বাটত গৈ থাকোতে মই শিকিছিলো মই সকলো কৰিব নোৱাৰো আৰু একোয়েই ভালদৰে নোৱাৰো, আমাৰ প্ৰত্যেকৰ কাৰণে সেইটো সত্য। কিন্তু কামৰ পৰা আতৰি থকাতকৈ মই কামত লাগি থকাটোলৈ ভয় নকৰো।

চমৰীয়াজনৰ আৰু এটা কথা মন কৰিছিলো, আৱশ্যকতা পুৰণ কৰিবৰ কাৰণে কিমান খৰছ কৰিব লাগিব সেইটো সীমাবদ্ধ কৰিব খোজা নাছিল। আলহী ঘৰৰ গৰাকীক কৈছিল আঘাট পোৱা মানুহজনৰ যত্ন ল'বলৈ যিমান খৰছ হয় তেওঁ ঘূৰি আহি দিম বুলি কৈছিল। খুব কমেই আমি এনে মানুহ দেখা পাওঁ, সহায় কৰিবলৈ যাওঁতে "যিমানই" প্ৰয়োজন হয় দিবৈ ইচ্ছা কৰা।

মই ক'ব খোজো, আন সমস্যাবোৰ সুৰক্ষিত কৰি ৰাখিবৰ কাৰণে কেতিয়াবা আমি সীমাবদ্ধ হৈ থাকিব লাগিব, কিন্তু এই ঘটনাত মানুহজনৰ বহু ধন আছিল সেয়ে তেওঁ সীমাবদ্ধ হোৱাৰ প্ৰয়োজন নাছিল। তেওঁ ভয়েৰে নহয়, দানশীল মনোভাবেৰে কাম কৰিছিল। সমস্যা সমাধানৰ

কাৰণে যি সকলো কৰাৰ দৰকাৰ ঈশ্বৰে হয়তো আমাৰ কাকো সেইদৰে কৰিব কোৱা নাই, কিন্তু আমি যি কৰিব পাৰো সেইদৰে কৰাতোহে বিচাৰে। আৰু ঈশ্বৰে যদি সকলো কৰিবলৈ কয় তেতিয়া আমি সকলো কৰিব লাগিবহ্ল আমাৰ সকলো দিয়াটো এক প্ৰত্যাহ্বান আৰু নতুন প্ৰয্যায়লৈ আমাৰ বিশ্বাস বঢ়াই দিয়ে, কিন্তু ই জ্ঞানৰ স্বাধীনতাও কঢ়িয়াই আনে যে পৃথিৰীত একোৱেই আমাৰ ওপৰত নিৰ্ভৰ কৰি থকা নাই।

মোৰ মনত আছে এটা সময় যেতিয়া ঈশ্বৰে মোক সকলো দিবলৈ ক'লে, মোৰ নিজে জমা কৰা ধনৰ লগতে সকলো উপহাৰ পোৱা প্ৰমান পত্ৰ। **"সকলো"** ত্যাগ কৰা এই নতুন অৱস্থাটো কঠিন আছিল কাৰণ মই বহুদিনৰ পৰাই ধন সাঁচিছিলো আৰু উচিত সময়ত বস্তু কিনিবলৈ মোৰ আঁচনি আছিল। ক'বলৈ গ'লে উপহাৰ পোৱা প্ৰামান পত্ৰবোৰ দিবলৈ বেছি অসুবিধা হৈছিল। জন্মদিনত পোৱা বহুতো ধুনীয়া ধুনীয়া প্ৰমান পত্ৰ আছিল আৰু যেতিয়াই ইচ্ছা কৰো ব্যৱহাৰ কৰিব পাৰিম বুলি জানি মোৰ আনন্দ লাগিছিল। মই দিয়াৰ প্ৰতি অভ্যস্ত, কিন্তু সকলো দিয়াটো এটা নতুন দৃষ্টিভঙ্গী। কিছু সময় ঈশ্বৰৰ সৈতে তৰ্ক কৰি আৰু মই ভাবিব পৰা সকলো ধৰণৰ আপত্তি কৰি, অৱশেষত বাধ্যতা স্বীকাৰ কৰিলো। নিজৰ সকলো সম্পত্তি যাব দিয়াৰ কষ্ট ক্ষন্তেকীয়া, কিন্তু বাধ্য হোৱা আৰু ধন সম্পত্তি যে সদায় মোৰ লগত নাথাকে সেই কথা জনাটো মোৰ বাবে আনন্দদায়ক।

প্ৰথমবাৰ সেইদৰে মই পৰীক্ষীত হৈছিলো, কিন্তু বেছি দিনৰ বাবে নহয়। পৰীক্ষাৰ বাবে ঈশ্বৰে সময় নিৰূপিত কৰে আৰু আমাৰ উপকাৰৰ কাৰণে এইটো অতি প্ৰয়োজনীয়। বহুতো বস্তুৰ সৈতে নিবিৰ ভাৱে সম্বন্ধ ৰখাৰ পৰা ই আত্মাক আঁতৰাই ৰাখে। ঈশ্বৰে আমাক যি দিছে সেইয়া উপভোগ কৰাটো বিচাৰে কিন্তু আমি তাৰ মালিক নহয় পৰিচাৰক হে, তেওঁ সেইটো মনত ৰখাটো বিচাৰে। আমাৰ কাম হ'ল সকলো হৃদয় আৰু আমাৰ যি সকলো উপায় আছে তাৰে সৈতে আনন্দেৰে তেওঁৰ পৰিচৰ্য্যা কৰাটো কাৰণ তেওঁ আমাৰ গৰাকী।

## *মোৰ চুবুৰীয়া কোন ?*

আমি কাক সহায় কৰিব লাগে আৰু আমাৰ চুবুৰীয়া কোন ? প্ৰয়োজনীয়তাৰ বাবে আমাৰ ওচৰলৈ যিসকল আহে, তেওঁলোকেই আমাৰ চুবুৰীয়া। এনে কোনোবা হ'ব পাৰে যি আপোনাক তেওঁৰ কথা শুনাটো বিচাৰিছে, বা হয়তো এনে জন যি আপোনাৰ পৰা প্ৰশংসা আৰু উৎসাহ বিচাৰে। এনে এজনো হ'ব পাৰে যাক আপোনাৰ অলপ সময় লাগে বা সম্ভৱত এনেজন যাৰ আৰ্থিক সমস্যা দূৰ কৰিবৰ বাবে সহায় কৰিব পাৰে। হয়তো আপোনাৰ চুবুৰীয়াই অকলশৰীয়া অনুভৱ কৰিব পাৰে আৰু সেয়ে আপুনি বন্ধুতপূৰ্ণ হোৱাটো বিচাৰে।

দেৰে অলপতে মোক কৈছিল যে ঈশ্বৰে তেওঁক সময় লৈ বন্ধুত্বপূৰ্ণ হ'বলৈ কৈছে। মই সদায় তেওঁক বন্ধুত্বপূৰ্ণ বুলি ভাবিছিলো কিন্তু ঈশ্বৰে তাৰ বাবে আৰু সময় দিয়াটো বিচাৰে বুলি তেওঁ

ভাবেহ্লু তেওঁ মানুহক তেওঁলোকৰ সকলো ধৰণৰ কথা শুধি, তেওঁ ব্যক্তিগত ভাবে তেওঁলোকৰ কাৰণে চিন্তা কৰে। তেওঁ সময় খৰছ কৰা বেছিভাগ মানুহ তেওঁ একেবাৰেই নাজানে আৰু সম্ভৱত পুনৰ দেখা নাপায়। কেতিয়াবা তেওঁলোক বয়সীয়া হয় বা বেলেগ দেশৰ হয় যি সকলে ভালদৰে ইংলিচ ক'ব নোৱাৰে সেয়ে অস্বস্তিবোধ কৰে। অলপতে তেওঁ মোক এজন অক্ষম মানুহৰ কথা কৈছিল, কফিৰ দোকানত সকলোৱে তেওঁৰ ফালে চাইছিল। দেৰে অলপ সময়লৈ মানুহজনৰ লগত কথা পাতিছিল যদিও অক্ষমতাৰ কাৰণে তেওঁৰ কথাবোৰ বুজিবলৈ কঠিন আছিল।

আমাতকৈ যি সকল মানুহ বেলেগ হয় আমি তেওঁলোকক এৰি চলিব খোজো কাৰণ তেওঁলোকে আমাক অসুবিধাজনক বা অযোগ্য বুলি অনুভৱ কৰাই। তথাপি তেওঁলোকে যিয়েই নাভাৱক আমি সেই বিষয়ে বেছি চিন্তা কৰিব লাগে আৰু আমাৰ কাৰণে কি সুবিধাজনক কৰিব লাগে।

আমি নিজকে ভাল চুবুৰীয়া কৰিবলৈ কি কি কৰিব লাগে বুলি ক'লে সম্ভৱত তাৰ শেষ নাই, কিন্তু আমি যদি সঁচাকৈয়ে মানুহক সহায় কৰিব খুজিছো আৰু আশীৰ্ব্বাদযুক্ত হ'বলৈ আমি উপায় উলিয়াবই লাগিব। মনত ৰাখিব, উদাসীনতাই ক্ষমা বিচাৰে, কিন্তু প্ৰেমে উপায় বিচাৰে।

## *সৰু বিষয়েৰে সৈতে ডাঙৰ প্ৰভাৱ*

যীচুয়ে তেওঁৰ সময় নষ্ট কৰা নাছিল, সেয়ে আমি স্বীকাৰ কৰিব পাৰো যে তেওঁ যি সকলো কৰিছিল অৰ্থপূৰ্ণ আৰু শিকিবৰ বাবে গভীৰ শিক্ষাৰে পৰিপূৰ্ণ আছিল। আহক তেওঁৰ শিষ্যসকলক ভৰি ধুৱা কথাটো ভাবো, (যোহন ১৩:১-১৭) সেই সকলো কিহৰ বিষয়ে আছিল? শিষ্যসকলক শিকাবলৈ তেওঁৰ মনত বহুতো শিক্ষা আছিল, তাৰে এটা হ'ল এজনে আনজনক সেৱা কৰা। যীচু ঈশ্বৰৰ পুত্ৰ আছিল আৰু হয়। তেওঁ এয়াত্মাত ঈশ্বৰে প্ৰকাশ কৰা দ্বীতিয় ব্যক্তি। সেয়ে জোৰ দি ক'ব পাৰি যে তেওঁ সঁচাকৈয়ে গুৰুত্বপূৰ্ণ আৰু নিশ্চয়কৈ তেওঁ আন কাৰো ভৰি ধুৱাব নালাগিছিল, বিশেষকৈ যি সকল তেওঁৰ শিষ্য আছিল। কিন্তু তেওঁলোকক শিকাবৰ কাৰণেই তেওঁ কৰিছিল সেয়ে তেওঁলোকৰ অধিকাৰ থাকিব পাৰে তথাপিও কোনো সময়ত দাস হ'ব লাগিব। আজি বহুতে এই গুৰুত্বপূৰ্ণ শিক্ষাটো এতিয়াও শিকিব পৰা নাই।

যীচুৰ সময়ত মানুহৰ ভৰিবোৰ যথেষ্ঠ লেতেৰা আছিল। কেইডালমান ফিটাৰে বনোৱা জোতা পিন্ধি লেতেৰা ৰাষ্টাত মানুহে যাত্ৰা কৰিছিল। সেই সময়ৰ ৰীতি অনুযায়ী আলহী ঘৰত সোমালে ভৰি ধুৱাব লাগে, কিন্তু দাসে সেই কাম কৰিছিল, ঘৰৰ গৰাকীয়ে নহয়। যীচুৱে নিজৰ কাপোৰ খুলি দাসৰ গামুছা পিন্ধিছিল। শিক্ষাৰ বাবে এইটো এটা পদ্ধতি। তেওঁ দেখুৱাব খুজিছে যে আমাৰ "পদমৰ্য্যদা" একাষৰীয়াকৈ থৈ জীৱনত আনক সহায় কৰিবলৈ যাওঁতে তাক হেৰুৱাৰ ভয় কৰিব নালাগে।

পিতৰ খুব কথা কোৱা শিষ্য আছিল, তেওঁ স্পষ্ট ভাৱে যীচুৱে ভৰি ধুৱাত আপত্তি কৰিছিল, কিন্তু যীচুৱে কৈছিল যদি তেওঁ পিতৰৰ ভৰি নুধুৱাই, তেওঁলোক দুয়ো ভাল বন্ধু হ'ব নোৱাৰে।

আনহাতে তেওঁলোকৰ সম্বন্ধ ভাল আৰু শক্তিশালী হ'বলৈ হ'লে এজনে আনজনৰ কাম কৰিবই লাগিব। দাম্পত্তিয়ে যদি এই উপায় অৱলম্বন কৰে কিমান বিবাহ ৰক্ষা পৰিব বা অন্তত ভাল হ'ব।

কিছু বছৰৰ আগতে মই সংকল্প কৰিলো যে এটা পক্ষৰ আত্মীয়তা মই ৰাখিব নোখোজো — আত্মীয়তা য'ত মই সকলো দিম আৰু বিপৰিত জনে সকলো ল'ব। ইজনে সিজনৰ প্ৰতি কৰা তেনে কাৰ্য্য প্ৰকৃত আত্মীয়তা নহয়, আৰু ই সদায় লাহে লাহে বিৰক্তি আৰু তিতা লগা হয়। আমি কেৱল নিজৰ কাৰণে কাম কৰিব নালাগে আমি আচলতে এজনে আনজনৰ কাৰণে কৰা দৰকাৰ। ভাল আত্মীয়তা ভাব বজাই ৰখাৰ ই এটা উপায়।

> আমি কেৱল নিজৰ কাৰণে কাম কৰিব নালাগে, আমি আচলতে এজনে আনজৰ কাৰণে কৰা দৰকাৰ।

আমি ল'ৰা-ছোৱালীৰ কাৰণে বহুত কৰো, কিন্তু তেওঁলোকেও আমাৰ কাৰণে কৰিব লাগে। তেওঁলোকে যি কৰে হয়তো আমি কিছুমান সহজতে কৰিব পাৰো কিন্তু তেওঁলোকে আমাক দিব লাগিব সেই একেদৰে আমাৰ পৰা পাবও লাগিব আৰু আমি তেওঁলোকেও সেইদৰে কৰাটো বিচাৰো।

হতাশাত ভোগী বিচাৰিলেই সদায় দিব নালাগে। যি সকলৰ প্ৰয়োজন নাই আমি তেওঁলোকৰ কাৰণে কৰিব যাওঁ, আমি তেওঁলোকৰ কাৰণে কি কৰিব পাৰো। যদি প্ৰয়োজনে নাই তেনে কিয় কৰো? সাধাৰণতে মানুহক যি কোনো উপায়ে উৎসাহিত কৰি আৰু তেওঁলোকক মৰম অনুভৱ কৰিব দিব লাগে, আৰু আমিও মৰম অনুভৱ কৰিব লাগে, সেইটো নহয় যে আমাৰ কিমান "উপায়" আছে। আপোনাৰ যি সম্বল আছে ব্যৱহাৰ কৰি আশীৰ্ব্বাদ লাভ কৰক আৰু আপোনাৰ সম্বল কেতিয়াও কম নহ'ব।

ভৰি ধুৱাটো দাসৰ বাবে সুৰক্ষিত কাম, কিন্তু ইয়াত এটা ডাঙৰ শিক্ষা সোমাই আছে ঃ নিজকে নম্ৰ কৰক আৰু সৰু কাম কৰিবলৈ ইচ্ছা কৰক সেইটোৱে হয়তো ডাঙৰ প্ৰভাৱ পেলাব।

## *সৰু সৰু কামৰ দ্বাৰাই বহুতো কাৰ্য্য হয়*

পৰিচৰ্য্যাৰ কামত ভাৰতলৈ যাওঁতে আমি লগত দিলেৰিয়াচ বেন্দ লৈ গৈছিলো, আৰু সেই সময়ত দ্ৰাম বজোৱা ল'ৰাজনক এজনী সৰু ছোৱালীয়ে হাতত খাৰুৰ দৰে পিন্ধা সৰু দীঘলীয়া চামৰা তেওঁক দিয়ে। ইমান সৰু ছোৱালীজনীৰ পৰা সেইদৰে মৰম পোৱাত ষ্টোৰ বাবে জীৱন সলনি হৈছিল। তেওঁ সকলোৰে আগত কৈছিল যেতিয়ালৈকে জীয়াই থাকে, এইটোৰ পৰা তেওঁ যি শিক্ষা পালে তাক কেতিয়াও নাপাহৰে। যদি কোনোবাই সেই অলপৰ পৰা দিবলৈ ইচ্ছা কৰে, তেওঁ কি কৰিব পাৰে? সঁচা সৰু কথাই ডাঙৰ চাপ বহুৱাব পাৰে।

কি সৰু কাম আপুনি কৰিব পাৰে? যীচুৰে ভৰি ধুৱাই কৈছিল আমি আশীৰ্ব্বাদযুক্ত আৰু আনন্দিত হ'ব পাৰো যদিহে তেওঁ দিয়া উদাহৰণ মানি চলো। তলত দিয়া কিছুমান তালিকাৰ বিষয়ে বাইবেলে কৈছে আমি কৰিব পাৰো আৰু আনৰ কাৰণে কৰিব লাগে ঃ

- ইজনে সিজনৰ তত্ত্বৱধান লওঁক
- এজনে আনজনৰ কাৰণে প্ৰাৰ্থনা কৰক
- আশীৰ্ব্বাদযুক্ত হ'বলৈ মন কৰক
- আমি আনৰ কাৰণে প্ৰকাশ কৰিব পৰা দয়াৰ প্ৰতি মন দিয়ক
- বন্ধুত্বপূৰ্ণ আৰু অতিথিপৰায়ন হওঁক
- আনৰ প্ৰতি সহনশীল হওঁক
- আনৰ ভুল আৰু দুৰ্ব্বলতা হস্য কৰক
- সন্দেহৰ লাভ আনক দিয়ক
- ইজনে সিজনক ক্ষমা কৰক
- ইজনে সিজনক শান্তনা দিয়ক
- বিশ্বাসী হওঁক
- প্ৰভুভক্ত হওঁক
- ইজনে সিজনক গঢ়ি তোলক, আনক উৎসাহিত কৰক, যেতিয়া তেওঁলোক দুৰ্ব্বল হয় মনত পেলাই দিয়ক তেওঁলোকৰ শক্তি
- আশীৰ্ব্বাদ লাভ কৰা মানুহৰ কাৰণে আনন্দিত হওঁক।
- এজনে আনজনক সম্পৰ্ণ কৰক (আমাতকৈ কাৰবাক আগত যাব দিয়ক বা কিহবাৰ আটাইতকৈ উত্তম তেওঁলোকক দিয়ক।)
- ইজনে সিজনৰ চিন্তা কৰক
- মানুহৰ গোপনীয়তা লুকুৱাই ৰাখক আৰু তেওঁলোকৰ ভুল প্ৰকাশ নকৰিব।
- ইজনে সিজনৰ ভাল হোৱাত বিশ্বাস ৰাখক।

মই কোৱা এইয়া তালিকাৰ ক্ষুদ্ৰ অংশ মাত্ৰ। প্ৰেমৰ বহুতো মুখ আছে বা ইয়াক দেখুৱাবলৈ বহুতো উপায় আছে। এই কিতাপত সেই বিষয়ে আমি বহুতো আলোচনা কৰিম। মই তালিকা দিয়াৰ উদ্দেশ্য হ'ল, সাধাৰণতে কিছুমান কাম আমি সকলোৱে কৰিব পাৰো যদি আমাৰ ইচ্ছা থাকে। আমি বিশেষ আচনি বনাব নালাগে, কিন্তু সুবিধাৰ সন্মুখিন হোৱাৰ দ্বাৰাই আমি গোটেই দিনটো সেইয়া কৰি যাব পাৰো।

"শুভক্ষণ পালে; সকলোলৈ, বিশেষকৈ পৰিয়াল স্বৰূপ
বিশ্বাস কৰা সকললৈ হিতজনক কৰ্ম্ম কৰোহঁক।
*(গালাতীয়া ৬:১০)*

## *প্ৰেম নিজেই প্ৰকাশ পাব লাগে*

আমি প্ৰায়ে প্ৰেমক বস্তু বুলি ভাবো, কিন্তু প্ৰেম শব্দটো ক্ৰিয়া হয়। প্ৰেমে কিবা এটা কৰিব লাগিব বুজাবৰ বাবে। প্ৰেমৰ বাবে প্ৰকাশৰ প্ৰয়োজন। বাইবেলে সুধিছে — আমি যদি প্ৰয়োজনবোধ কৰিও আমাৰ অন্তৰৰ কৰুণা বন্ধ কৰি ৰাখো কেনেকৈ ঈশ্বৰৰ প্ৰেম জীয়াই থাকিব আৰু আমাৰ লগত থাকিব (১ যোবন ৩:১৭) যদি প্ৰেম স্পষ্টকৈ প্ৰকাশ নকৰো ই দুৰ্ব্বলৰ পৰা দুৰ্ব্বল হৈ যাব; দৰাচলতে ই সম্পূৰ্ণ ভাৱে নিষ্ক্ৰিয় হৈ যাব। আনৰ কাৰণে কাম কৰি যাওঁতে উদ্দেশ্যত যদি সক্ৰিয় হৈ থাকো, আমি আপোনপেটিয়া, এলেহুৱা আৰু ফল নধৰা হোৱাৰ পৰা আঁতৰি থাকিব পাৰিম। প্ৰেমৰ প্ৰতীক যীচুৱে আমাৰ কাৰণে জীৱন দান কৰিলে। আৰু আমি ইজনে সিজনৰ কাৰণে অৱশ্যে জীৱন দান কৰিব লাগিব। এইটো অতি বেছি যেন লগা নাইনে? ভাগ্যবশত, আমাৰ সাংসাৰিক শৰীৰৰ আনৰ কাৰণে দিবলৈ আমাৰ বেছি সংখ্যককেই কেতিয়াও মতা হোৱা নাই। কিন্তু আনৰ কাৰণে শৰীৰ "দান" কৰিবলৈ প্ৰতিদিনেই আমি সুবিধা পাইছো। প্ৰত্যেক বাৰ আপুনি নিজৰ ইচ্ছা আৰু আৱশ্যকতাক এফলীয়া কৰি আৰু আনৰ কাৰণে প্ৰেমৰ কাৰ্য্যৰে তাক পুৰ কৰি, মুহূৰ্ত্তৰ বা এঘণ্টা বা দিনটোৰ কাৰণে আপুনি নিজৰ জীৱন দান কৰিছেনে।

আমি যদি ঈশ্বৰৰ প্ৰেমেৰে পৰিপূৰ্ণ হওঁ, আমি নিশ্চয় হওঁ, কাৰণ পবিত্ৰ আত্মাৰ দ্বাৰাই হোৱা নতুন জন্মত, প্ৰেমেৰে সৈতে আমাৰ হৃদয় ভৰাই তোলে আৰু তেতিয়া আমাৰ মাজৰ পৰা প্ৰেমক আমি বাহিৰ হ'বলৈ দিব লাগিব। কিন্তু কাৰ্য্য নকৰাৰ কাৰণে যদি নিষ্ক্ৰিয় হৈ ৰৈ যায়, এইটো একোৰেই কাৰণে ভাল নহয়। ঈশ্বৰে জগতক ইমান প্ৰেম কৰিলে যে তেওঁ নিজৰ একমাত্ৰ পুত্ৰকে দান কৰিলে। (যোহন ৩:১৬) আপুনি এইটো পাইছেনে? ঈশ্বৰৰ প্ৰেমে যীচুক উত্তেজিত কৰিলে দিবৰ বাবেহে আমি মানুহক ভাল পাওঁ বুলি কোৱাটো অৰ্থহীন যদি আমি তেওঁলোকৰ কাৰণে একো নকৰো। ডাঙৰ চিহ্ন ঘৰত লগাব পাৰো, হয়তো বহুতো ঠাইত, সেইটোৱে সুধে, "আজি কোনোবা এজনক সহায় কৰিবলৈ মই কি কৰিম?" যেতিয়া আপুনি নতুন স্বভাৱ লাভ কৰে আৰু আপুনি প্ৰেমৰ বিপ্লৱী হয়; ইয়াৰ দ্বাৰাই কাম কৰিবলৈ যাওঁতে আপোনাৰ লক্ষ্যক মনত পেলায়।

সকলো কাৰ্য্যৰ বাবেই প্ৰেমৰ প্ৰয়োজন। এইটো নমুনা বা সাধাৰণ শব্দ নহয়। শব্দ গুৰুত্বপূৰ্ণহয় আৰু মানুহক ভালপোৱাৰ প্ৰক্ৰিয়া হিচাবে আমি শব্দ ব্যৱহাৰ কৰিব পাৰো। কিন্তু সকলো উপায়েৰে আমাৰ নিজৰ মাজত প্ৰেম দেখুৱাবৰ কাৰণে ব্যৱহাৰ কৰিব লাগে।

আজি কোনোবা এজনক প্ৰেম দেখুৱাবলৈ আপুনি কি কৰিব? এই বিষয়ে ভাবিবলৈ সময় লওঁক আৰু আঁচনি তৈয়াৰ কৰক। কোনোবা এজনৰ আনন্দ বৃদ্ধি নকৰাকৈ গোটেই দিনটো পাৰ নকৰিব।

ষষ্ঠ অধ্যায়

# 6

# *ভালৰ দ্বাৰাই বেয়াক জয় কৰা*

পাপৰ জয়ৰ বাবে যি সকলোৰ আৱশ্যক হয়
সেইয়া ভাল মানুহে একো নকৰাটো।
*এদমান্দ বাৰক*

একো নকৰাটো সহজ, কিন্তু এইটো খুব ভয়ঙ্কৰ। কাৰণ পাপৰ বিপৰীতে য'ত একো নাথাকে, ই সংখ্যাত বাঢ়ি যায়। আমি প্ৰায়ে আপত্তিৰ জালত সোমাই পৰো আমাৰ সমাজৰ আৰু জীৱনৰ ভুল কাৰ্য্যৰ বাবে, কিন্তু আপত্তিয়ে একো নকৰে আমাক বেছি হতাশ কৰিহে তোলে। ই একো সলনি নকৰে, কাৰণ ইয়াৰ দৃঢ় শক্তি নাই।

কল্পনা কৰক পৃথিৱী কিমান বৃশৃংখল হ'লহেঁতেন যদি ঈশ্বৰে যি সকলো কৰিলে তাৰ বাবে আপত্তি কৰা হ'লে, তেওঁ যেতিয়াৰ পৰা সৃষ্টি কৰিছে সেইয়া ভুলেই হ'ল হয়। কিন্তু ঈশ্বৰে আপত্তি নকৰে। তেওঁ মাত্ৰ ভালে হৈ থাকি ন্যায়ৰ কাৰণে কাম কৰে। তেওঁ জানে ভালৰ দ্বাৰাই তেওঁ পাপক জয় কৰিব পাৰেহ্লু নিশ্চয় পাপ শক্তিশালী কিন্তু ভাল তাতোকৈ শক্তিশালী।

আমি ক্ষন্তেক ৰৈ অনুভৱ কৰিব লাগে যে ঈশ্বৰে তেওঁৰ মানুহৰ মাজেৰে কাম কৰে। ঈশ্বৰ সকলো সময়তে ভাল ঈশ্বৰ। কিন্তু তেওঁ নিজৰ ল'ৰা-ছোৱালীৰে মাজেৰে পৃথিৱীত কাম কৰিবলৈ বিচাৰে, আপোনাক আৰু মোকলৈ। নম্ৰতাৰে অনুভৱ কৰিব পাৰি যে তেওঁ বহুত বেছি কৰিব পাৰে যদি আমি প্ৰেমত পতিজ্ঞাবদ্ধ হওঁ আৰু সকলো সময়তে ভাল কৰো। আমি যীচুৰ উপদেশ মনত ৰাখিব লাগিব "তোমালোকৰ পোহৰ মানুহৰ আগত প্ৰকাশিত হওঁক, তাতে তেওঁবিলাকে তোমালোকৰ ভাল কৰ্ম্ম দেখি, স্বৰ্গত থকা তোমালোকৰ পিতৃৰ স্তুতি কৰিব।" (মথি ৫:১৬)

## *সদগুণ শক্তিশালী হয়*

আমি যিমানেই পাপৰ সৈতে পাপক সহাৰি দিও, সিমানেই পাপ বাঢ়ি যায়। El Cid নামৰ চিনেমাখনে মোক মনত পেলাই দিয়ে, স্পেইনক একত্রিত কৰা এজন মানুহৰ কাহিনী আৰু মই যি মূল শিক্ষাৰ কথা কৈ আছিলো সেই শিক্ষা ব্যৱহাৰ কৰি তেওঁ ডাঙৰ নায়ক হৈছিল। বহু শতাব্দি খ্ৰীষ্টীয়ান সকলে ম'অৰচ (Moors) সৈতে যুজি আহিছিল। তেওঁলোকে ইজনে সিজনক ঘীন কৰিছিল আৰু হত্যা কৰিছিল। যুদ্ধত El Cid এ পাঁচজন ম'অৰক ধৰিছিল, কিন্তু তেওঁ হত্য কৰিব নুখুজিলে কাৰণ তেওঁ অনুভৱ কৰিছিল যে হত্যাই একো ভাল নকৰে। শত্রুক অনুগ্রহ দেখুৱাই তেওঁলোকৰ হৃদয় সলনি কৰিব পাৰে বুলি তেওঁ বিশ্বস কৰিছিল, আৰু তেতিয়া দুয়োটা দল শান্তিৰে থাকিব পাৰে। যদিও আৰম্ভণিতে তেওঁৰ কাৰ্য্য বিশ্বাসঘাতক ৰূপে চিনাক্ত আছিল, সেয়ে অৰশেষত কাৰ্য্যৰ দ্বাৰাই প্ৰতিপন্ন হ'ল আৰু তেওঁ নায়ক হিচাবে সন্মান দিছিলে।

তেওঁ ধৰা ম'অৰচ এজনে কৈছিল, "যি কোনোৱে হত্যা কৰিব পাৰে, কিন্তু কেৱল সঁচা ৰজাইহে তেওঁৰ শত্রুক অনুগ্রহ দেখুৱাব পাৰে।" কাৰণ তেওঁৰ একমাত্ৰ অনুগ্ৰহৰ কাৰণে, El Cid ৰ শত্রু সকলে বন্ধুৰূপে তেওঁৰ ওচৰত নিজকে সমৰ্পন কৰিছিলে আৰু সেই সময়ৰ পৰা সন্ধি কৰিলে। যীচু এজন পৱিত্ৰ ৰজা আৰু তেওঁ সকলোৰে কাৰণে ভাল, দয়ালু আৰু অনুগ্রহদাতা। সেয়ে তেওঁৰ আদৰ্শবোৰ মানি আমি তাতকৈ কম কাৰ্য্য কৰিব পাৰোনে?

এই মুহূৰ্ত্ত, অনুগ্ৰহ দান কৰিব পৰা কোনো এজনৰ কথা ভাবিব পাৰেনে? কোনো আছে নে যি আপোনাক ভুল ভাৱে ব্যৱহাৰ কৰিছে, সেই জনৰ কাৰণে আপুনি ভাল ব্যৱহাৰ কৰিব পাৰেনে? বিশেষকৈ আপোনাৰ শত্রুক অনুগ্রহ আৰু মৰম দিয়াটো হয়তো আপুনি কেতিয়াও নকৰা এটা ডাঙৰ শক্তিশালী কাম হ'ব।

## *প্ৰাৰ্থনাই কাৰ্য্য কৰে*

বিগত বছৰবোৰত, দূৰদৰ্শন আৰু চিনেমাৰ মাজেৰে দেখুৱা পাপ কাৰ্য্যবোৰ আমি দেখিবলৈ পাওঁ। কেইবছৰ মানৰ আগতে দূৰদৰ্শনত প্ৰেতাত্মাই ভৰা ব্যক্তিৰ কাৰ্য্যসূচী আৰম্ভ কৰাত মই আতংকিত হৈছিলো। তেওঁলোকে মানুহৰ পৰা টকালৈ ভৱিষ্যতৰ বিষয়ে কৈছিল। যি সকলে ইচ্ছা কৰে বহুতো ডলাৰ দি ফোন কৰিব পাৰে আৰু ভৱিষ্যতৰ বিষয়ে জানিব পাৰে। মই সঘনাই এই বিষয়ে আপত্তি কৰিছিলো, আৰু এইধৰণে মন্তব্য কৰিছিলো, "দূৰদৰ্শনত এইবোৰ দেখুৱাবলৈ দিয়া ভয়ানক বুলি মই ভাবিছো। বহুতো মানুহে নিজৰ ধন অৰাবত খৰছ কৰিছে আৰু ঠগ খাইছে।" অন্য বহুতে ঠিক সেইদৰেই কোৱা শুনিছিলো। এদিন ঈশ্বৰে মোৰ অন্তৰত এই ভাব জগালে, যদি আপত্তি নকৰি আৰু অন্য প্ৰত্যেকজনে প্ৰেতাত্মা ভৰা ব্যক্তিজনৰ বিষয়ে আপত্তি নকৰি সেই সময়খিনি প্ৰাৰ্থনাত নিয়াই, মই ইতিমধ্যে এই বিষয়ে কৰিব ধৰিলো। মই প্ৰাৰ্থনা কৰিবলৈ আৰম্ভ কৰিলো আৰু বহুতকে সেইদৰে কৰিবলৈ কলো। কিছু সময়ৰ পাচত সকলো নহ'লেও বেছি ভাগ এনেধৰণৰ কাৰ্য্যসূচী ভুৱা বুলি প্ৰকাশ পালে আৰু দূৰদৰ্শনৰ পৰা আঁতৰোৱা হ'ল।

আমি প্ৰায়ে “তেওঁলোকে” কি কৰিছে সেই বিষয়ে আপত্তি কৰো, ময়ো কৰিছিলো যেতিয়া “তেওঁলোকে” দূৰদৰ্শনৰ প্ৰচাৰ মাধ্যমেৰে পৰিবেশটো প্ৰেতাত্মাযুক্ত কৰিবলৈ আৰম্ভ কৰিছিল, তথাপিও পৰিস্থিতি ভাল কৰিবলৈ আমি একো কৰা নাছিলো। পাপক জয় কৰিবলৈ প্ৰাৰ্থনাৰেই শক্তি আছে, সেয়ে যিকোনো বিষয়ত আপত্তি কৰিবলৈ যদি আমি প্ৰলোভিত হওঁ আমি প্ৰাৰ্থনা কৰিব লাগিব। ঈশ্বৰে বেয়াৰ প্ৰতি আপত্তি আৰু ভুৰ ভুৰুৰাক সহ্য কৰে, কিন্তু বিশ্বাসেৰে পৰিপূৰ্ণ প্ৰাৰ্থনা শক্তিশালী আৰু কাৰ্য্যত পৰিণত হয়। প্ৰাৰ্থনাই ঈশ্বৰৰ কাৰ্য্যৰ কাৰণে দুৱাৰ খুলি দিয়ে আৰু ভাল কৰে।

## *পাপৰ প্ৰতি সঠিকভাৱে সহাৰি দিয়ক*

তেওঁলোকে যেতিয়া প্ৰতিজ্ঞাৰ দেশ পাবলৈ জনপ্ৰাণীহীন মৰুভূমিৰ মাজেৰে যাত্ৰা কৰিবলৈ চেষ্টা কৰিছিল, ইস্ৰায়েলসকল পৰীক্ষা আৰু কষ্টৰ সন্মুখিন হৈছিল আৰু সেই সকলোৰ বাবে আপত্তি, ভোৰ-ভোৰাই, ফুচ-ফুচাই সহাৰি দিছিল। তেওঁলোকে সকলো ধৰণৰ বেয়া স্বভাৱক সুবিধা দিছিল আৰু তাৰে ভিতৰত আপত্তি কৰাটো এটা পাপ আছিল। ইয়াৰ বাবেই তেওঁলোকৰ জীৱন ধ্বংসকাৰীৰ দ্বাৰা আক্ৰমণ কৰিবলৈ দিয়া হৈছিল আৰু বহুতৰ মৃত্যু হৈছিল (১০ৰি ১০:৮-১১) তেওঁলোকে ঈশ্বৰক ধন্যবাদ দি, গৌৰৱ আৰু প্ৰশংসাৰে তেওঁলোকৰ পৰীক্ষাৰ সহাৰি দিব পাৰিল হয়, মই বিশ্বাস কৰো তেওঁলোকে জনপ্ৰাণীহীন মৰুভূমিৰ মাজেৰে যাওঁতে খুব কম সময় ইয়াৰ বাবে দিছিল। তাৰ সলনি বহুতো মৰুভূমিত হেৰাই গৈছিল, আৰু তেওঁলোকৰ গন্তব্য স্থান কেতিয়াও পোৱা নাছিল। মই আচৰিত হওঁ আমি বিচৰা ভাল উত্তৰ আমি বহুত সময়ত নাপাওঁ কাৰণ আপত্তি কৰাৰ দ্বাৰাই আমি পাপ কাৰ্যক সহাঁৰি দিওঁ তাৰ সলনি আমি প্ৰাৰ্থনা, প্ৰশংসা, ধন্যবাদ আৰু সহায়ৰ প্ৰয়োজন থকা মানুহৰ ওচৰ চাপিবলৈ সদায় চেষ্টা কৰিব লাগে।

## *বিশ্বাস আৰু প্ৰেম*

কেইবা বছৰো মই গীৰ্জ্জা আৰু সমজোৱা সভাত বেছিভাগ শিক্ষা বিশ্বাসৰ ওপৰত শুনিছিলো, আৰু মই যি কিতাপ পঢ়িছিলো সেইয়াও বিশ্বাসৰ ওপৰত। এনেকোৱা লাগে সমগ্ৰ পৃথিৱীতে খ্ৰীষ্টীয়ান সকলৰ শিক্ষাৰ মুল আছিল, “ঈশ্বৰত বিশ্বাস কৰা আৰু সকলো সিদ্ধ হ’ব।”

বিশ্বাসৰ বিনে ঈশ্বৰক সন্তুষ্ট কৰিব নোৱাৰি (ইব্ৰী ১১:৬), সেয়ে আমি তেওঁত বিশ্বাস কৰি ভৰসা কৰিবই লাগিব, কিন্তু ঈশ্বৰৰ বাক্যত আৰু কিবা আছে সেয়ে মই বিশ্বাস কৰো আমি সেই গোটেইখিনি চোৱাৰ প্ৰয়োজন। সেই বিষয়ে মই আপোনাৰ লগত আলোচনা কৰিব বিচাৰো, কিন্তু প্ৰথমতে মোক ঈশ্বৰৰ সৈতে যাত্ৰা কৰাৰ কিছুমান অভিজ্ঞতাৰ কথা আপোনাক ক’বলৈ দিয়ক।

নবছৰ বয়সত যীচুক মোৰ ত্ৰানকৰ্ত্তা হিচাবে গ্ৰহণ কৰিছিলো, কিন্তু তেওঁৰ লগত মোৰ কি সম্বন্ধ বুজা নাছিলো বা তেওঁ লগত থকা সম্বন্ধই কেনেকৈ মোৰ জীৱন সলনি কৰি দিব পাৰে,

কাৰণ মই আত্মিক বিষয়ৰ কোনো “শিক্ষা পোৱা” নাছিলো। যি ঘৰত মই ডাঙৰ হৈছিলো কাৰ্য্যক্ষম নাছিল। মোৰ পিতৃ মদপী আছিল, বহুতো মহিলাৰ লগত থাকি মোৰ মাতৃৰ প্ৰতি অবিশ্বাসী, আৰু তেওঁ খুব উগ্ৰ আৰু খঙাল আছিল। আগতে কোৱাৰ দৰে তেওঁ সদায় মোক যৌন বিষয়ত অপব্যৱহাৰ কৰিছিলে। এইদৰে বহুতো, কিন্তু মই বিশ্বাস কৰো আপুনি পৰিস্থিতিটো বুজিছে।

এতিয়া মাজৰ বছৰবোৰৰ কথা নকৈ মই তেইশ বছৰ বয়সৰ কথা কওঁ। মই দেৱক বিয়া কৰাই তেওঁৰ লগত গীৰ্জ্জালৈ যাবলৈ আৰম্ভ কৰো। মই ঈশ্বৰক ভাল পাব ধৰিলো আৰু ঈশ্বৰৰ বিষয়ে শিকিব খুজিলো, মই ক্লাচ আৰম্ভ কৰিলো আৰু সেইটোৱে মোক ডিনমিনেচন নিগাজী কৰি ল'বলৈ সহায় কৰিলে আৰু গীৰ্জ্জালৈ সদায়ে যাব ধৰিলো। মই ঈশ্বৰৰ প্ৰেম আৰু অনুগ্ৰহৰ কথা শিকিলো, তাৰ লগে লগে গীৰ্জ্জাৰ বহুতো ধৰ্ম্মীয় তত্ব শিকিলো যিটো বিশ্বাসৰ মূল ভিত্তি স্থাপনত খুব গুৰুত্বপূৰ্ণ আছিল।

বত্ৰিশ বছৰ বয়সত, মই আশাহীন অনুভৱ কৰিলো কাৰণ প্ৰতিদিনৰ বাস্তৱ জীৱনত খ্ৰীষ্টীয়ান হোৱাই মোক সহায় কৰা নাই যেন লাগিছিল। মোৰ যেতিয়া মৃত্যু হ'ব মই স্বৰ্গলৈ যাম বুলি বিশ্বাস কৰো, কিন্তু প্ৰতি দিনে পৃথিৱীত শান্তি আৰু আনন্দেৰে কিছুমান সহায় পাবৰ কাৰণে মই অধৈৰ্য্য হৈ পৰিছিলো। সৰু কালত পোৱা অপব্যৱহাৰৰ কাৰণে মোৰ হৃদয় বেদনাৰে ভৰি পৰিছিল আৰু মোৰ ব্যৱহাৰ আৰু ভাল সম্বন্ধ বজাই ৰাখিব নোৱাৰাত সেই বেদনা সদায় প্ৰকাশ পাইছিল।

ঈশ্বৰৰ বাক্য কৈছে যদি আমি একাগ্ৰতাৰে তেওঁক বিচাৰো আমি তেওঁক পাম (হিতো ৮:১৭) মই যি হেৰুৱাইছিলো সেই সকলোৰ কাৰণে মই নিজেই ঈশ্বৰক বিচৰা আৰম্ভ কৰিলো আৰু মই তেওঁৰ সৈতে সন্মুখা-সন্মুখি হ'লো সেয়ে মোক তেওঁৰ আৰু ওচৰলৈ নিলে। হথাতে তেওঁৰ উপস্থিতি দৈনন্দিন জীৱনত দেখা দিলে আৰু তেওঁক ভালদৰে জানিবৰ কাৰণে মই একাগ্ৰতাৰে বাইবেল পঢ়িব আৰম্ভ কৰিলো। এনেকুৱা হ'ল যে, মই যি ফালেই যাওঁ, মই বিশ্বাসৰ বিষয়ে শুনিব ধৰিলো। যিকোনো পৰিস্থিতিত মই মোৰ বিশ্বাস ব্যৱহাৰ কৰিব পাৰো বুলি গম পালো, যাৰ দ্বাৰাই ঈশ্বৰৰ দুৱাৰ মুকলি হ'ল, মোক আবৰি ধৰিবলৈ আৰু সহায় কৰিবলৈ।

মই মোৰ সকলো হৃদয়েৰে বিশ্বাস কৰো যে, মই যি মূল শিক্ষা লাভ কৰিছো সেইয়া শুদ্ধ, কিন্তু তথাপিও মই খুব হতাশা অনুভৱ কৰিছিলো কাৰণ এই সকলোৱে মোৰ জীৱনত কাম কৰা দেখা নাছিলো, মই যি দৰে কাৰ্য্য কৰাটো বিচাৰিছিলো সেইদৰে কৰা নাছিল। সেই সময়তে ঈশ্বৰে মোক পৰিচৰ্য্যাৰ কাৰণে ব্যৱহাৰ কৰিলে আৰু মোৰ পৰিচৰ্য্যা আনতকৈ যথেষ্ট ডাঙৰ আছিল। মই সঁচাকৈয়ে আচৰিত উন্নতি কৰিলো, কিন্তু তথাপিও মই হৃদয়ৰ গভীৰতাত কিবা হেৰুৱা অনুভৱ কৰিছিলো, সেয়ে আকৌ মই গভীৰ ভাৱে ঈশ্বৰক বিচাৰিবলৈ ধৰিলো। মোৰ বিচৰা আৰু গভীৰ ধ্যায়ানৰ দ্বাৰাই মই গম পালো যে মই যীচুৰ প্ৰধান শিক্ষাটোৱে হেৰুৱাইছো যিটো আমাক শিকাবলৈ তেওঁ আহিছিল ঃ ঈশ্বৰক প্ৰেম কৰা, নিজকে প্ৰেম কৰা, আৰু আনক প্ৰেম কৰা (মথি ২২:৩৬-৩৯) ঈশ্বৰৰ সৈতে থকাত মই বিশ্বাসৰ বিষয়ে বহুত শিকিলো, কিন্তু প্ৰেমৰ শক্তিৰ বিষয়ে মই শিকা নাছিলো।

## *ঈশ্বৰক বিশ্বাস কৰক আৰু ভাল কাৰ্য্য কৰক*

বহু বছৰ শিক্ষা গ্ৰহণ কৰাৰ পাচত এই আচৰ্য্যজনক বিষয়ৰ কথা শিকিলো, মই অনুভৱ কৰিলো যে প্ৰেমৰ মাজেৰেহে বিশ্বাসে কাম কৰে। গালাতীয়া ৫:৬ পদৰ মতে বিশ্বাস প্ৰকৃততে "সক্ৰিয় আৰু শক্তিশালী আৰু প্ৰকাশ হয়" প্ৰেমৰ মাজেৰে।

পৱিত্ৰ আত্মাই মোক গীতমালা ৩৭:৩ পদ পঢ়িবলৈ উদগাই "যিহোৱাত ভৰসা (ভেঁজা দিয়ক, নিৰ্ভৰ কৰক আৰু আত্মনিৰ্ভশীল হওঁক) ৰাখা আৰু সুকৰ্ম্ম কৰা।" মই অনুভৱ কৰি জিকাৰ খাই উঠিছিলো যে ঈশ্বৰৰ সৈতে ভালদৰে সম্বন্ধ ৰাখিবলৈ হ'লে যিমান জনাৰ প্ৰয়োজন তাৰ আধাহে মই জানিছিলো। মোৰ বিশ্বাস (ভৰসা) আছিল, কিন্তু "ভাল কৰা" কথাটো নাছিল। ভাল হোৱাটো মই বিচাৰিছিলো, কিন্তু আনৰ ভাল কৰা কথা মই সিমান চিন্তা কৰা নাছিলো, বিশেষকৈ যেতিয়া মই আঘাট পাইছিলো, বা নিজে পৰীক্ষাৰ মাজেৰে যাওঁতে।

গীতমালা ৩৭:৩ পদে মোৰ চকু মুকলি কৰিলে আৰু বুজিব দিলে যে মই ঈশ্বৰত বিশ্বাস কৰিয়ে আছো, কিন্তু ভাল কৰিবলৈ মই মনোযোগ দিয়া নাই। এই বিষয়ত অকল মইয়ে দুৰ্ব্বল নহয়, কিন্তু মই অনুভৱ কৰিলো মই জনা বেছিভাগ খ্ৰীষ্টীয়ানেই এই বিষয়ত একে অৱস্থাত আছে। আমি সকলোৱে আমাক যি লাগে তাৰ বাবে ঈশ্বৰক "বিশ্বাস" কৰাত ব্যস্ত থাকো। আমি একেলগে প্ৰাৰ্থনা কৰো আৰু প্ৰাৰ্থনাৰ চুক্তিৰ দ্বাৰা আমাৰ বিশ্বাস প্ৰকাশ কৰো, কিন্তু আনৰ কাৰণে কি কৰিব পাৰো একেলগ হৈ আমি আলোচনা নকৰো, কেৱল আমাৰ প্ৰয়োজনীয়তাবোৰ পূৰ হ'বৰ বাবে আমি বাট চাওঁ। আমাৰ বিশ্বাস আছে, কিন্তু প্ৰেমৰ দ্বাৰাই শক্তিশালী নহয়হু

মই একো মাত মাতিব নুখুজো যদিও বা মই সম্পূৰ্ণ ভাৱে নিজতে মগ্ন। মই পৰিচাৰ্য্যাৰ কাম কৰো আৰু মানুহক সহায় কৰিব বিচাৰো, কিন্তু মোৰ ইচ্ছা লগ লাগি সহায় কৰা কাৰ্য্যত বহুতো বেয়া অভিপ্ৰায় সোমাই থাকে। পৰিচৰ্য্যাত থকা বাবে নিজস্ব মূল আৰু মৰ্য্যদাৰ অনুভূতি হয়। ই মোক বিশেষ আসন আৰু কিছু প্ৰভাৱশালী কৰে, কিন্তু মোক শুদ্ধ অভিপ্ৰায়েৰে সকলো কৰাটো বিচাৰে, আৰু মোৰ এতিয়াও বহুতো শিকিব লগা আছে। সময়ত মানুহক সহায় কৰিবলৈ মই কৰুণাৰে কাৰ্য্য কৰো, কিন্তু আনক সহায় কৰাটো মোৰ প্ৰথম উদ্দেশ্য নহয়। আনক সহায় কৰা ক্ষেত্ৰত মই খুব বেছি আগ্ৰহশীল আৰু কৰ্তৃত্বপূৰ্ণ হ'ব লাগে, আৰু এইটোৱেই জীৱনত প্ৰধান কথা হ'ব লাগে, একাষৰীয়াকৈ থোৱা কথা হ'ব নালাগে।

নিজকে প্ৰশ্ন কৰক আপোনাক সকলোতকৈ কিহে অনুপ্ৰাণিত কৰিছে, আৰু সত্য ভাৱে উত্তৰটো দিয়ক। এইটো প্ৰেমনে? যদি নহয়, ঈশ্বৰৰ কাৰণে কি গুৰুত্বপূৰ্ণ জানিবলৈ আপুনি আপোনাৰ চিন্তা সলনি কৰিব খুজেনে?

এই পৃষ্ঠাৰ শব্দবোৰ আপোনাৰ হৃদয়ত বাকী দিবলৈ মই সকলো হৃদয়েৰে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰো। প্ৰেমৰ শক্তিৰ সত্যতা বুজি পাওঁ কাৰণ ইয়েই জীৱন সলনি কৰে, সেয়ে প্ৰত্যেকে এই বিষয়ে জনাটো বিচাৰো। মই ক'ব খোজা নাই যে আপুনি এই বিষয়ে নাজানে, মই যি দৰে

কৰো, তাতকৈ আপুনি সঁচাই আনক ভাল পোৱাৰ বিষয়ে মোতকৈ বহুত জানে। কিন্তু যদি আপুনি নাজানে, মই প্ৰাৰ্থনা কৰো মই আপোনাৰ লগত যি আলোচনা কৰিলো তাৰ দ্বাৰাই আপোনাৰ মাজত জুই প্ৰজ্জ্বলিত হওঁক আৰু সেইটোৱে আপোনাক উৎসাহিত কৰিব প্ৰেমৰ বিপ্লৱৰ অংশ হ'বলৈ আৰু মই বিশ্বাস কৰো ইয়াৰ শক্তি আছে পৃথিৱীখন সলনি কৰিবলৈ।

## *আপুনি নিজকে আৰু আনকো ধৰি ৰাখক*

মাত্ৰ কল্পনা কৰক যদি যীচুক জানো বুলি কোৱা প্ৰত্যেকেই একে ধৰণৰ এটা কাম প্ৰতিদিনে আনৰ কাৰণে কৰোঁ পৃথিৱীখন কিমান বেলেগ হ'লহেঁতেন। ইয়াৰ ফল কিমান আশ্বৰ্য্যজনক হ'লহেঁতেন। এতিয়া কল্পনা কৰক প্ৰতিদিনে আনৰ কাৰণে উপকাৰযুক্ত প্ৰেমৰ কাম যদি আমি সকলোৱে লক্ষ ৰাখি কৰিলো হয় কি হ'লহেঁতেন। আপুনি কথাটো বুজিছে বুলি মই নিশ্চিত। তাৰ ফল আচৰ্য্যজনক হ'ল হয়। যীচুৱে যি দৰে জীয়াই থাকিবলৈ কৈছে আমি সেইদৰে জীয়াই থাকিবলৈ যদি প্ৰতিজ্ঞাবদ্ধ হওঁ পৃথিৱীখন অতি সোনকালে সলনি হ'ব কাৰণ আমি সঁচাকৈয়ে ভালৰ দ্বাৰাই পাপক জয় কৰিব পাৰিম।

আপুনি হয়তো সুধিবলৈ প্ৰলোভিত হৈছে, "সেইটো কেতিয়াও নহয়, সেয়ে কিয় চেষ্টা কৰিব লাগে?" আৰম্ভ কৰাৰ আগতেই নহ'ব বুলি ভাবি নিজকে হাৰ মানিব নিদিব। মই সিদ্ধান্ত লৈছো যে মই মোৰ কামটো কৰি যাম আৰু অন্য মানুহৰ কাৰণে প্ৰাৰ্থনা কৰিম তেওঁলোকৰ কাম কৰিবলৈ। মই অন্য মানুহৰ লগত কথা পাতি তেওঁলোকক উৎসাহিত কৰিম সম্ভৱত যিমান পাৰো আনৰ কাৰণে কৰিবলৈ। যদি আমাৰ কথা-বতৰাবোৰ আনক সহায় কৰাৰ চিন্তাত কেন্দ্ৰিভূত হ'ল হয় আৰু গঠনমূলক ভাৱেৰে তেওঁলোকৰ কাৰণে কাৰ্য্য কৰিলো হয় কিমান ভাল হ'লহেঁতেন।

এই আশ্বৰ্য্যজনক জীৱন পথত চলা মোৰ তিনি গৰাকী বন্ধু আছে আৰু যেতিয়া আমি একেলগে দুপৰীয়াৰ আহাৰ বা কফি খাবলৈ যাওঁ, ঈশ্বৰে আমাৰ অন্তৰত আনৰ কাৰণে কি কৰিব লাগে বা আশীৰ্ব্বাদৰ কাৰণে গঠনমূলক যি ভাৱ আমি প্ৰায়ে সেই বিষয়ে কথা পাতো। এনেকুৱা ধৰণৰ আলাপ-আলোচনাই ঈশ্বৰক আনন্দিত কৰে বুলি মই বিশ্বাস কৰো আৰু পৃথিৱীত কি ভুলবোৰ হৈ আছে আমি বহিলৈ সেইবোৰৰ কাৰণে আপত্তি কৰাতকৈ নিশ্চয় গঠনমূলক আলোচনা কৰাতো ভাল। প্ৰেমৰ বিপ্লৱত মুক্ষ ভুমিকা গ্ৰহণ কৰিবলৈ মই আপোনাক প্ৰত্যাহ্বান দিব খোজো। বাস্তৱিকতে মানুহক কি লাগে তাৰ ওপৰত তালিকা বনাবলৈ আপুনি জনা মানুহক নিমন্ত্ৰণ কৰক। এই কিতাপৰ মূখ্য উদ্দেশ্যৰ ওপৰত তেওঁলোকৰ লগত আলোচনা কৰক আৰু লক্ষ্য নিদ্ধাৰিত কৰক। সহায়ৰ অভাৱত থকাসকলক বিচাৰক আৰু দল হিচাপে সহায় কৰক।

কাম কৰিবৰ বাবে আনক উত্তেজনাপূৰ্বক ভাৱে উদ্‌গনী দিয়াটো নতুন কথা নহয়। ইব্ৰীৰ লিখকে ইয়াৰ বিষয়ে এইদৰে কৈছে ঃ "আহক আমি চিন্তা কৰো আৰু ধ্যায়ন দিও এজনে আনজনক প্ৰতিমুহূৰ্ত্ততে যত্নেৰে চাবলৈ, পৰীক্ষা কৰক কেনেকৈ আমি প্ৰেম, সহায় কাৰ্য্য আৰু মহান কাৰ্য্যবোৰৰ কাৰণে উত্তেজিত কৰিব পাৰো।" (ইব্ৰী ১০:২৪)

অনুগ্ৰহ কৰি এই পদত কি কৈছে লক্ষ্য কৰক আমি এজনে আনজনক যত্নেৰে অনবৰতে চাব লাগে আৰু ভাল কামৰ কাৰণে আমি কেনেকৈ আনক উত্তেজিত কৰিব পাৰো তাৰ বাবে সঁচাকৈয়ে পঢ়িব আৰু ভাবিব লাগে আৰু প্ৰেমেৰে সহায় কৰক। তেওঁ যি সকলৈলে লিখিছিল তেওঁলোকক উদ্‌গনি দিছিল সেই একেই কাম কৰিবলৈ যেনেকৈ আজি মই আপোনালোকক উদ্‌গনি দিছো। আপুনি কল্পনা কৰিব পাৰেনে প্ৰকৃততে এজনে আনজনৰ প্ৰতি গঠনমূলক ভাৱে ভাল কাম কৰিবলৈ একত্ৰিত হোৱাতো যে চয়তানে ঘৃণা কৰে? আমি বিচাৰ কৰা, সমালোচনা কৰা, ভুল ধৰা, অবাবত কথা পতা আৰু আপত্তি কৰা চয়তানে ভাল পায়। যিটো সঁচা বুলি ভবা যায় সেই কাম কৰিবলৈ নতুন স্বভাৱ গঠন কৰিব লাগে বুলি মই ভাবো আৰু উত্তেজনামূলক ভাৱে প্ৰেমৰ কাৰ্য্য বঢ়াব লাগে, কিন্তু ইয়াৰ ফল আচৰিত ধৰণৰ হ'ব।

## *ভাল কামত সমৃদ্ধিশালী হওঁক*

ডেকা প্ৰচাৰক তীমথিক মানুহৰ যত্ন ল'বলৈ পৌলে নিৰ্দ্দেশ দিছিল "তেওঁ বিলাকক সৎকৰ্ম্ম কৰি, উত্তম কৰ্ম্মৰূপ ধনত ধনৱন্ত হওঁক।" (১তীমথি ৬:১৮) এইটোৱে স্পষ্ট কৰিছে যে ইয়াৰ যোগেদি পৌলে অনুভৱ কৰিছে যে এই কাম কৰিবৰ কাৰণে মানুহক মনত পেলাই দিয়াৰ প্ৰয়োজন। আজিৰ মানুহক ভাল কামৰ কাৰণে উত্তেজিত ভাৱে নিৰ্দ্দেশ দি মনত পেলোৱাতো মূল্যবান কথা। আনক উদ্‌গনি দিয়াই নহয়, কিন্তু নিজেও মনত ৰাখিবৰ বাবে উপায় বিচাৰিবলৈ মই উৎসাহিত কৰো। কিতাপৰ ভাল পুথিভৰাল ৰাখক আৰু প্ৰেমৰ বিষয়ে শিক্ষা যুগুত কৰক আৰু প্ৰায়ে পঢ়ক বা শুনক। স্পষ্ট কৰিবৰ কাৰণে আপুনি যি কৰাতো দৰকাৰ কৰক সেয়ে ঈশ্বৰৰ কাৰণে গুৰুত্বপূৰ্ণ কথা যে হয় আপুনি পাহৰি নাযাব।

মই বিশ্বাস কৰো পৃথিৱীয়ে খ্ৰীষ্টীয়ান সকলক লক্ষ্য কৰি থাকে সেয়ে তেওঁলোকে দেখাত আমি যি কৰো সেইটো খুব গুৰুত্বপূৰ্ণ। পিতৰে ঈশ্বৰক বিশ্বাস নকৰাসকলৰ মাজত বিশ্বাসীসকলক শৃংখলাবদ্ধ ভাৱে আৰু সন্মানীয় ভাৱে নিজকে পৰিচালিত কৰিবলৈ উদ্‌গাইছে। "পৰজাতি বিলাকে যি বিষয়ত দুষ্কৰ্ম্মকাৰী বুলি তোমালোকৰ বিৰোদ্ধে কথা কয়, সেই বিষয়ত তেওঁবিলাকে তোমালোকৰ সৎকৰ্ম্ম দেখি তাৰ কাৰণে কৃপাদৃষ্টিৰ দিনা যেন ঈশ্বৰৰ স্তুতি কৰে, এই কাৰণে তেওঁবিলাকৰ মাজত তোমালোকৰ আচাৰ-ব্যৱহাৰ উত্তম হওঁক।" (১ পিতাৰ ২:১২)

আপোনাৰ চুবুৰীয়াই প্ৰতি দেওবাৰে আপুনি গীৰ্জ্জালৈ যায় বুলি যদি জানে, মই আপোনাক নিশ্চিত ভাৱে কওঁ যে তেওঁলোকে আপোনাৰ আচৰণো চাই থাকে। মই যেতিয়া ডাঙৰ হৈছিলো, আমাৰ চুবুৰীয়া কৰ্তব্য পৰায়ন হৈ গীৰ্জ্জালৈ গৈছিল। আচলতে, সপ্তাহত তেওঁলোক কেইবাবাৰো যায়, কিন্তু তেওঁলোকে কৰিব নলগা কিছুমান কাম কৰে। মোৰ পিতৃয়ে প্ৰায়ে কোৱা মনত পৰে "মোতকৈ তেওঁলোক ভাল নহয়, তেওঁলোকে মদ খাই, বেয়া শব্দ ব্যৱহাৰ কৰে, বেয়া হাঁহি উঠা কথা কয়, আৰু অতি বেছি খঙ আছে, আৰু তেওঁলোক মাত্ৰ কপটিয়া।" মোৰ পিতৃয়ে যিকোনো উপায়ে ক্ষমা বিচাৰিছিল আৰু সেয়ে তেওঁলোকৰ স্বভাৱ তেওঁৰ কাৰণে জুইত তেল ঢলাৰ দৰে আছিল।

মই নিশ্চয় কৈ অনুভৱ কৰো যে খ্ৰীষ্টীয়ান হিচাপে আমাৰ স্বভাৱ সম্পূৰ্ণ শুদ্ধ নহয় আৰু যীচুত বিশ্বাস নকৰাকৈ যি সকলে ক্ষমা বিচাৰে বা খ্ৰীষ্টীয়ান হৈ থকাত আমাক সদায় লক্ষ্য কৰে আৰু সমালোচনা কৰে কিন্তু আমাক বিচাৰ কৰিবৰ কাৰণ নিদি আমি যিমান পাৰো ভাল কৰি যাব লাগে।

## *আশীৰ্ব্বাদৰ পথ বিচাৰক*

ঈশ্বৰৰ কাৰণে মই সদায় নিজকে স্পষ্ট ৰাখিবলৈ চেষ্টা কৰো কাৰণ তেওঁ মোক যি কৰাতো বিচাৰে, যেনে মই আনৰ কাৰণে সাক্ষী হ'ব পাৰো বা কাৰবাৰ কাৰণে আশীৰ্ব্বাদযুক্ত। মাত্ৰ কেইদিনমানৰ আগতে, মই মোৰ নখৰ যত্ন ল'বলৈ গৈছিলো। প্ৰথম সন্তানৰ অপেক্ষাত এজনী গাভৰু গৰ্ভৱতী ছোৱালী তাত আছিল। তাই দুমাহ বিচনাত আৰাম কৰিব লগা হৈছিল কাৰণ সোনকালে প্ৰসৱৰ বিষ হৈছিল, সেয়ে বহু দিনৰ পাচত এইটো প্ৰথম সুবিধা তেওঁৰ বাবে ঘৰৰ পৰা ওলোৱাৰ আৰু এই নখৰ চেলুনলৈ অহাৰ। সপ্তাহৰ ভিতৰতে তাইৰ সন্তান হ'ব লগা সেয়ে তাই হাত আৰু ভৰিৰ সন্দৰ্য্য স্বৰচ্চা কৰিবলৈ আহিছে। আমি অলপ সময় কথা পাতিলো আৰু মই অনুভৱ কৰিলো যে তাইৰো খৰছ দি মই তাইক আশীৰ্ব্বাদ কৰো আৰু সেই দিনৰ কাৰণে এটা ভাল চিন্তা। দিয়াৰ ইচ্ছাটো থাকিবনে নাই চাবলৈ মই অলপ সময় বাট চালো আৰু থকা বাবে মোৰ লগতে তেওঁৰ কাৰণেও মই যি খৰছ হৈছিল দিলো। তাই অৱশ্যে আচৰিত হ'ল কিন্তু আশীৰ্ব্বাদ লাভ কৰিলে। মই এইদৰে কৰি এটা ডাঙৰ কাম কৰা নাই মই এনেই কৰিলো। হয়তো কোনোবা এদিন তাই মোক দূৰদৰ্শনত দেখিব বা মোৰ কিতাপত দেখিব আৰু মই বিশ্বাস কৰো তাই মনত পেলাব মই আচলতে যি কওঁ সেয়ে কৰো বুলি।

কোনোবাই দেখাৰ বাবে মই তেনেকৈ কাম নকৰো কিন্তু মানুহে যি কৰে চাই থাকে আৰু তাকে প্ৰকাশ কৰে। নখৰ যত্ন লোৱা দোকানখনত সকলোৱে মোক বাইবেল শিক্ষক আৰু পৰিচাৰিকা বুলি জানে। তথাপিও মই গাভৰু মহিলা গৰাকীক মোৰ বিষয়ে একো কোৱা নাছিলো, মই তাৰ পৰা গুচি অহাৰ পাচত আনে তাইক ক'ব বুলি মই নিশ্চিত। এটা সৰু কাৰ্য্যই বহুতো উদ্দেশ্য সিদ্ধ কৰে। এইটোৱে মোক আনন্দ দিলে, তাইকো আনন্দ দিলে, চাই থকা সকলৰ বাবে এটা উদাহৰণ, আৰু ঈশ্বৰক গৌৰৱান্বিত কৰাৰ সাক্ষী। মোৰ আন এটা বিকল্প আছিল। মই মোৰ টকা ৰাখি থব পাৰিলো হয় একো নকৰি। সেইটো সহজ হ'লহেঁতেন, কিন্তু মোৰ আত্মাৰ সন্তোষ্টিৰ বাবে নহয়।

## *মানুহে কি ভাবিব সেইটোলৈ চিন্তা নকৰিব*

আপুনি হয়তো ভাবিব পাৰে, জয়চ, মই সঁচাই অস্বস্তিবোধ কৰিলোহেঁতেন মই নজনা কোনোবা এজনৰ খৰছ দিবলৈ। আপুনি এইদৰে ভবা, মই স্পষ্টভাৱে বুজো। মইয়ো সেইদৰেই ভাবিলো হয়। মই আচৰিত হওঁ তেওঁলোকে কি ভাৱে বা তেওঁলোকে কি দৰে সহাৰি দিলে হয় বুলি কিন্তু মই ভাবো এই সকলোৰ প্ৰতি মই চিন্তিত নহওঁ। মই কেৱল যীচুৰ প্ৰতিনিধি হিচাপেহে চিন্তা কৰো।

এদিনাখন মোৰ পিচত ঠিয় হৈ থকা এগৰাকী মহিলাৰ কাৰণে মই কফি একাপ কিনিবলৈ চেষ্টা কৰিছিলো আৰু তেওঁ সম্পূৰ্ণ অমান্তি হ'ল। বাস্তৱিকতে তেওঁৰ প্ৰতিক্ৰিয়া এনেকুৱা আছিল যে মই পেপুৱা লাগিছিলো আৰু প্ৰথমে মই ভাবিছিলো, মই তেনেদৰে পুনৰ নকৰো। মোৰ লগত দেব আছিল, তেওঁ মোক মনত পেলালে যে চয়তানে ঠিক সেইদৰেই হোৱাটো বিচাৰে, সেয়ে মই মন সলনি কৰিলো। তেনেকুৱা সময় সহজ নহয়, কিন্তু সেই ঘটনাই মোক অৱগত কৰালে কিমান মানুহে আশীৰ্ব্বাদ কেনেকৈ গ্ৰহণ কৰিব লাগে নাজানে আৰু সম্ভৱত আশীৰ্ব্বাদ তেওঁলোকলৈ সেইদৰে পুনৰ নাহিবও পাৰে।

কেতিয়াবা মই নাম নজনোৱাকৈ কাম কৰো, কিন্তু সময়ত মই কি কৰিছো লুকুৱাব নোৱাৰো, সেয়ে মই সিদ্ধান্ত ললো যেতিয়ালৈকে মোৰ অন্তৰ শুদ্ধ, সেইবোৰ সাধাৰণ বিষয়। কৰুণাৰে ভৰা সকলো কাৰ্য্য ঈশ্বৰৰ বাধ্য হোৱাৰ আৰু পৃথিৱীত বেয়াক জয় কৰাৰ উপায়। কেনে ধৰণৰ বেয়া কাৰ্য্য মানুহৰ জীৱনত হয় মই নাজানো সম্ভৱত মোৰ মৰমৰ কাৰ্য্যই তেওঁলোকৰ আত্মাৰ ঘা সুস্থ কৰাত সহায় কৰে। মই আৰু বিশ্বাস কৰো আনৰ প্ৰতি দেখুৱা মৰমে মোৰ জীৱনত চয়তানে কষ্ট দিবলৈ যি কৰিছিল, সেই চয়তানক পুনৰ ঘূৰাই পঠাবৰ ইয়ে এটা উপায়। চৰম সীমালৈকে যি পাপী, আমাৰ অভিজ্ঞতা থকা পৃথিৱীৰ সকলো পাপৰ যি চিৰস্থায়ী দুষ্কৰ্ম্মকাৰী, সেই সকলো প্ৰেমৰ কাৰ্য্য, দয়া আৰু কৰুণাই তাৰ পাপী, দুষ্ট হৃদয়ত প্ৰেমৰ চুৰিৰে আঘাট কৰিব খোজে।

আপুনি যদি অপব্যৱহাৰিত হয় আৰু প্ৰায়ে চিন্তা কৰে আপোনাক দিয়া কষ্টৰ কাৰণে চয়তান পুনৰ ঘূৰি আহিব, তেতিয়াহ'লে আপুনি যিমান মানুহৰ ভাল কৰিব পাৰে কৰক। এইয়ে ঈশ্বৰৰ পথ, আৰু ই কাৰ্য্য কৰে কাৰণ প্ৰেম কেতিয়াও লুপ্ত নহয়৷৷

## *প্ৰেমেৰে মই আত্মা কিনিলো*

বাইবেলে কৈছে যে ঈশ্বৰে আমাক অমূল্য দান দি কিনিলে — তেওঁৰ পুত্ৰ যীচু খ্ৰীষ্টৰ তেজেৰে, (১কৰি, ৬:২০, পিতাৰ ১:১৯, প্ৰকা ৫:৯) এই আচৰিত ধৰণৰ ভাল কাৰ্য্য চয়তানে কৰা পাপৰ বিপৰীত আৰু মানুহৰ সকলো পাপ ক্ষমাৰ বাবে ই বাট খুলি দিলে আৰু ঈশ্বৰৰ সৈতে ব্যক্তিগত সম্বন্ধ ৰাখি আনন্দ উপভোগ কৰিবলৈ।

আগতেই মই উল্লেক্ষ কৰিছো, মোৰ পিতৃয়ে বহু বছৰ ধৰি মোক যৌন অপব্যৱহাৰ কৰিছিল আৰু তেওঁৰ পাপ কাৰ্য্যই মোৰ আত্মাক নষ্ট কৰিছিল আৰু মোক আঘাট কৰিছিল আৰু সেয়ে মই সাধাৰণ ভাৱে কাৰ্য্য কৰিব পৰা নাছিলো যেতিয়ালৈকে যীচুৱে মোক সুস্থ কৰা নাছিল। তেওঁ মোক যি কৰিছিল সেইটো পাহৰিবলৈ আৰু সম্পূৰ্ণ ভাৱে তেওঁক ক্ষমা কৰিবলৈ চেষ্টাত আছিলো। প্ৰথমতে মই সিদ্ধান্ত লৈছিলো তেওঁক আৰু কেতিয়াও ঘৃণা নকৰো কাৰণ ঈশ্বৰে মোৰ অন্তৰত ঈশ্বৰৰ প্ৰতি প্ৰেম জগাইছিল আৰু জাগতিক পিতৃৰ প্ৰতি ঘৃণা সেই একে অন্তৰতে থাকিব নোৱাৰে। মোক সহায় কৰিবলৈ ঈশ্বৰৰ ওচৰত নিবেদন কৰিলো আৰু ঈশ্বৰে মোৰ অন্তৰৰ পৰা ঘৃণাৰ ভাৰ

দূৰ কৰিলে। তথাপিও, মই মোৰ পিতৃক খুব কমেই বিচাৰো আৰু তেওঁৰ পৰা যিমান দূৰৈত থকা সম্ভৱ থাকিছিলো।

বহু বছৰলৈ মোৰ মাতৃৰ মানসিক স্বাস্থ্যৰ অৱনতি হৈছিল, আৰু মই দেৱৰ লগত বিয়া হোৱা বছৰত তেওঁৰ নাৰভাচ ব্ৰেকদাউন হৈছিল, যেতিয়া মোৰ পিতৃয়ে মোৰ লগত কি কৰিছিল তেওঁ গম পালে আৰু সেই বিষয়ে কি কৰিব ভাবি উপায় নাপায়। যেতিয়া মোৰ চৌধ বছৰ আছিল মোক অপব্যৱহাৰ কৰাত মোৰ মাতৃয়ে তেওঁক ধৰিছিল, কিন্তু মই কোৱাৰ দৰে তেওঁ কি কৰিব জনা নাছিল সেয়ে তেওঁ একো নকৰিলে। একো নকৰাকৈ থকাটো আমাৰ সকলোৰে কাৰণে এটা বেয়া সিদ্ধান্ত আছিল। দুবছৰৰ কাৰণে, তেওঁক চ'ক (shock) দি সুশ্ৰষা কৰিছিল আৰু যৌন অপব্যৱহাৰ তেওঁৰ মনৰ পৰা অতৰাই দিছিল সেয়ে তেওঁৰ পুনৰ মনত পৰিব পৰা মই কোনো কাৰ্য্য কৰিব খোজা নাছিলো, আৰু পিতৃৰ ওচৰত থকাটো মোৰ কাৰণে কঠিন আছিল, চুটিৰ সময়ত আমাৰ পৰিয়ালে তেওঁলোকক দেখা কৰিবলৈ গৈছিল আৰু আন সময়ত অগ্যতা যাব লগা হোৱাত গৈছিলো।

অৱশেষত, মোৰ পিতৃ-মাতৃ সেই চহৰৰ পৰা ওলাই গ'ল আৰু য'ত তেওঁলোক ডাঙৰ-দীঘল হৈছিল সেই সৰু চহৰলৈ ঘূৰি গ'ল। মই থকা ঠাইৰ পৰা প্ৰায় দুশ মাইল দূৰৈত। তেওঁলোক তাৰ পৰা যোৱাত কম দেখা পাম বুলি মই আনন্দ অনুভৱ কৰিছিলো। এই বছৰবোৰত কিছুমান ক্ষেত্ৰত মই মোৰ পিতৃক ক্ষমা কৰাৰ কথা চিন্তা কৰিলো, কিন্তু সম্পূৰ্ণ ভাৱে তেওঁক ক্ষমা কৰিব পৰা নাছিলো।

মোৰ পিতৃ-মাতৃ বৃদ্ধা হোৱাত আৰু তেওঁলোকৰ স্বাস্থ্য আৰু ধনৰ অৱনতি ঘটাত, তেওঁলোকক পুনৰ চেণ্ট লুউচ, মিচঅৰিলৈ য'ত আমি থাকো আনি মৃত্যু প্ৰৰ্য্যন্ত তেওঁলোকৰ যত্ন ল'বলৈ ঈশ্বৰে মোৰ অন্তৰত কাম কৰে। তাৰ মানে তেওঁলোকৰ কাৰণে ঘৰ, তাৰ বাবে লাগতিয়াল চকি, মেজ, বিচনা ইত্যাদি, গাড়ী কিনি দিও আৰু ঘৰ চাফা কৰিবলৈ খোৱা বস্তু আনিবলৈ ঘা কাটিবলৈ মানুহ দিওঁ আৰু ঘৰৰ মেৰামতি কৰি দিও। প্ৰথমতে মই ভাবিছিলো চয়তানে মোক কষ্ট দিবৰ কাৰণে এনে চিন্তা কৰিবলৈ দিছে, কিন্তু অৱশেষত মই অনুভৱ কৰিলো এই সকলো ঈশ্বৰৰ আঁচনি আৰু মই সত্যেৰে কওঁ যে মোৰ জীৱনত এইটো আটাইতকৈ কষ্টদায়ক কাম আছিল মই কৰা সকলো কামৰ ভিতৰত।

প্ৰথমতেই, দেৱ আৰু মই সঁচা ধন অলপ আছিল আৰু সেই সকলো শেষ হৈছিল পিতৃ-মাতৃৰ ঘৰ ঠিক কৰাত। দ্বিতীয়তে, মই নাভাবো যে তেওঁলোক মোৰ সহায়ৰ উপযোগী যিহেতু তেওঁলোকে অপব্যৱহাৰ আৰু অকলশৰীয়া কৰাৰ বাহিৰে মোৰ কাৰণে একো কৰা নাছিল। দেৱ আৰু মই এই বিষয়ত প্ৰাৰ্থনা কৰিলো আৰু মই অনুভৱ কৰিলো যে ঈশ্বৰে মোক কৰিব কোৱা কামৰ ভিতৰত এইটো কেৱল কঠিন কামেই নহয়, মই এতিয়ালৈকে কৰা কামৰ ভিতৰত আটাইতকৈ শক্তিশালী কাম।

বাইবেল পঢ়োতে মোৰ ধ্যায়ান এই বাক্যত পৰিছিল তোমাৰ শত্ৰুক প্ৰেম কৰা, তেওঁলোকৰ প্ৰতি নম্ৰ হোৱা আৰু তেওঁলোকৰ উপকাৰ কৰা। এইখিনিয়ে মোৰ ওপৰত প্ৰভাৱ পেলাইছিলঃ

> “কিন্তু তোমালোকে নিজে নিজৰ শত্ৰুবিলাককো প্ৰেম কৰা, আৰু হিত কৰা, আৰু কেতিয়াও নিৰাশ নহৈ ধাৰ দিবা; তাতে তোমালোকৰ পুৰস্কাৰ অধিক হ’ব, আৰু তোমালোক সৰ্ব্বপৰিজনাৰ সন্তান হ’বা, কিয়নো উপকাৰ নজনা আৰু দুষ্টবোৰৰ প্ৰতি তেৰেঁই হিতকাৰী।”
> *(লুক ৬:৩৫)*

এই পদটোৱে কৈছে আমি একোকেই লোকচান হৈছে বুলি ভাবিব নালাগে আৰু ইয়াৰ এটাৰ কাৰণেও হতাশ হ’ব নালাগে। এই তত্ত্বটো নুবুজাৰ আগতে, মই মোৰ শৈশৱৰ বছৰবোৰ হেৰুৱা বছৰ বুলি ভাবিছিলো, এতিয়া ঈশ্বৰে মোক সেইবোৰ আনক সহায় কৰিবৰ কাৰণে আশীৰ্ব্বাদ বুলি ল’ব দিছে। লুকে আৰু কৈছে যি সকলে আমাক যৌন অপব্যৱহাৰ আৰু বেয়া ব্যৱহাৰ কৰে আমি তেওঁলোকৰ কাৰণে আশীৰ্ব্বাদ বিচাৰি প্ৰাৰ্থনা কৰিব লাগে। (লুক ৬:২৮) এইটো অসৎ যেন লাগে, কিন্তু যেতিয়াৰ পৰা বুজিলো যে মই যেতিয়া আনক ক্ষমা কৰো তেতিয়া মই নিজৰেই উপকাৰ কৰো। মই যেতিয়া ক্ষমা কৰো মোৰ ওপৰত কৰা অসৎ ব্যৱহাৰৰ প্ৰতিক্ৰিয়াৰ পৰা মই নিজকে মুক্ত কৰো আৰু ঈশ্বৰে তেতিয়া গোটেই পৰিস্থিতিটোৰ পৰিকল্পনা কৰিব পাৰে। মোৰ যদি শত্ৰুৱে পৰিত্ৰাণ পোৱা নাই, মই মাত্ৰ আত্মা জয় কৰিব লাগে।

দেৱ আৰু মই আগবঢ়োৱা সহায়ত মোৰ পিতৃ আবেগিক হৈছিল কিন্তু তথাপিও তেওঁ একো কোৱা নাছিল, তেওঁ মোৰ প্ৰতি যি ব্যৱহাৰ কৰিছিল তাৰ পাচতো এই পৃথিৱীত আমি তেওঁৰ কাৰণে কিয় এইদৰে কৰিছো, ভাবি তেওঁ যে আচৰিত হৈছিল সেইটো মই জানো।

তিনিটা বছৰ পাৰ হৈ যোৱাৰ পাচতো মই তেওঁৰ মাজত কোনো সলনি নেদেখিলো। তেওঁ তেতিয়াও ঘৃণনীয় আছিল, সহজতে খং উঠা, আৰু খুব আপোন পেটিয়া। আচলতে, তেওঁৰ মানসিক উৎকণ্ঠাৰ কাৰণে কোনো সময়ত বেছি বেয়ালৈ যোৱা দেখা গৈছিল। মই এতিয়া অনুভৱ কৰো যে ঈশ্বৰে সদায় তেওঁক ব্যৱহাৰ কৰি আছিল। ঈশ্বৰে তেওঁৰ প্ৰতি আমাক যি কৰিবলৈ কৈছিল সেইয়া কৰাৰ তিনি বছৰৰ পাচত মোৰ পিতৃয়ে চকুৰ পানীৰে অনুতাপ কৰে আৰু নিজৰ ত্ৰাণকৰ্ত্তা হিচাপে যীচুক গ্ৰহণ কৰে। এইটো অতি সুন্দৰ অভিজ্ঞতা আছিল। তেওঁ নিজেই সকলো কৰিবলৈ আগবাঢ়ি গৈছিলো। আমাক তেওঁৰ ঘৰলৈ মাতিছিল আৰু ক্ষমা বিচাৰিছিল। তেওঁ আমাক দুয়োকে দেৱ আৰু মোক ক্ষমা কৰিব কৈছিল আৰু আমিযে তেওঁৰ কাৰণে কিমান ভাল উল্লেখ কৰিছিল। আমি সুধিছিলো যদি তেওঁ যীচুক নিজৰ জীৱনলৈ মাতিব খোজে আৰু তেওঁ অকল সেইয়াই কৰা নাছিল, কিন্তু দেৱ আৰু মোক সুধিছিল যদি আমি তেওঁক পানীত দীক্ষা দিও। যিজনে মোৰ অপব্যৱহাৰ কৰিছিল সেই পিতৃয়েই ঈশ্বৰক জনাৰ কথা চাবলৈ মই সুবিধা পালো। প্ৰথমতে মই ভাবিছিলো মই তেওঁৰ কাৰণে ঘৰ, কিছুমান চকি, মেজ, আৰু গাড়ী কিনি দিছো হয়, কিন্তু প্ৰকৃততে তেওঁ সেই সকলো পোৱাৰ যোগ্য নহয়, কিন্তু পিচত অনুভৱ কৰিলো যে মৰম আদৰ দি আমি তেওঁৰ আত্মা কিনিলো।

দেৰ আৰু মই দেখিছিলো আমাৰ পৰিচৰ্য্যাৰ কাম সেই সময়ত আচৰিত ধৰণে বাঢ়িছিল, বহু মানুহক আমি সহায় কৰিব পাৰিলো। মই বিশ্বাস কৰো বাধ্যতাৰ গুটি সিঁচাৰ এক অংশ স্বৰূপে পৰিচৰ্য্যাৰ শস্য বাঢ়ি উঠিছিল। যেতিয়া ঈশ্বৰে আমাক কষ্টকৰ কাম কৰিবলৈ কৈছিল। তেওঁ সদায় আমাৰ লাভৰ কাৰণে আৰু তেওঁৰ ৰাজ্যৰ লাভৰ কাৰণে কৈছিল। আপুনি গম পাইছে নিশ্চয়, আমি সঁচাকৈয়ে পাপক ভালৰ দ্বাৰাই জয় কৰিব পাৰো। সেয়ে জন ৱেছলিয়ে কৈছিল ঃ "যিমান ভাল কৰিব পাৰা কৰা, যি উপায়েৰেই কৰিব পাৰা কৰা, সকলো সময়তে আৰু সকলো ঠাইতেই কৰিব পাৰা, সকলো সময়তে তুমি পাৰা, সকলো মানুহৰ বাবে কৰা, যিমান সময়লৈকে কৰিব পাৰা।"

## বিধবাৰ যুদ্ধ

সন্তানৰ কান্দোন শুনি জেনিফাৰে দৌৰি আহিল সিহঁতক ৰক্ষা কৰিবলৈ। আগতেও তেওঁ বহুবাৰ কৰিছে, তেওঁ সিহঁতক কৈছিল সকলো ঠিক হৈ যাব। মাতৃ হিচাপে, সিহঁতে বিশ্বাস নকৰালৈকে তেওঁ কৈয়ে আছিল।

তাই জানিছিল কিহৰ কাৰণে ভয় কৰিব লাগে, অপসৰণ আৰু অপব্যৱহাৰ। যেতিয়া তাইৰ বাৰ বছৰ বয়স আছিল তাইক ঘৰৰ পৰা জবৰদস্তি লৈ গৈছিল, আফ্ৰিকাৰ আটাইতকৈ দীঘলীয়া যুদ্ধত জৰিত্ব বিদ্ৰোহী সৈন্যই তাইক গাঁও আৰু পৰিয়ালৰ পৰা আতৰাই নিছিল। অনবৰতে মাৰ-ধৰ কৰা, ধৰ্ষণ কৰা আৰু কষ্টৰ কামৰ পাচতো জেনিফাৰক জীয়াই ৰাখিছিল পলাই যোৱাৰ সাহসে।

কিন্তু তাই যেতিয়া ঘৰলৈ ঘূৰি আহিল, তাইৰ পৰিয়াল গুচি গৈছিল। অকলশৰীয়া আৰু হতাশাৰে ভৰা নতুন জীৱনৰ কাৰণে আৰু নিজৰ ঘৰ বুলি ক'বলৈ তাই ইতিমধ্যে ভাৰ্য্যা থকা এজনৰ লগত বিয়া হয়। তাইক বন্ধুৰ আগত বিয়াৰ দিনা তেওঁ মাৰে আৰু কাটে। কিন্তু অতি নিষ্ঠুৰ আঘাট তেতিয়াও পোৱা নাছিল। বিশেষ দিনত, যিটো দিনত তাই নিজকে ৰাজকুমাৰী, সুৰক্ষিত আৰু মৰম পাইছো বুলি অনুভৱ কৰিব লাগিছিল, তাত সমবেত হোৱা সকলোৰে আগত তাইক অকামিলা আৰু কলঙ্কিত বুলি কৈছিল। সদায় মাৰ-ধৰ কৰি থকাত যি শাৰীৰিক কষ্ট হৈছিল তাতকৈ এই শব্দবোৰ অন্তৰৰ গভীৰতালৈ সোমাই গৈ বেছি কষ্ট দিছিল।

অৱশেষত AIDS ৰোগত তাইৰ স্বামীৰ মৃত্যু হয় আৰু তাই আকৌ অকলশৰীয়া হ'ল। দুটা সন্তানেৰে সৈতে বিধবা হৈ তাই ঈশ্বৰক সুধিছিল "তুমি আছানে? অত্যাচাৰ, কষ্ট আৰু লজ্জাৰ বাহিৰে মোৰ জীৱনত একো নাই নেকি?" জেনিফাৰৰ প্ৰতি ঈশ্বৰে তেওঁৰ ধাৰ্ম্মিকতা প্ৰকাশ কৰিলে আৰু তাই সম্পূৰ্ণ ভাৱে পুনৰ সংস্থাপনৰ পথত।

জয়ৰ মায়াৰ পৰিচৰ্য্যাৰ সৈতে কাম কৰা ... পৰিচৰ্য্যাই স্থাপন কৰা নতুন গাঁওত আজি জেনিফাৰ সুৰক্ষিত হৈ আছে। পুনৰ সংস্থাপনৰ মৰ্য্যদাৰে সৈতে আৰু তাইৰ জীৱনৰ উদ্দেশ্যৰ

কাৰণে, যুদ্ধত মাউৰা হোৱা ল’ৰা-ছোৱালীক এতিয়া তাই যত্ন লয়। দুৰ্ভাগ্যবশত, এতিয়াও সুস্থতা আৰু পুনৰ সংস্থাপনৰ বাবে হতাশাত বহুতো আছে।

ঈশ্বৰৰ বাক্যই বাৰে বাৰে কৈছে বিধবা আৰু মাউৰাৰ যত্ন লোৱা। এনে লাগে তেওঁলোকৰ কাৰণে ঈশ্বৰৰ অন্তৰত বিশেষ স্থান আছে আৰু আমাৰো থাকিব লাগে —

গণনাই কয় ঃ

- বহুতো দেশত, যি সকল বিধবাৰ স্বামী AIDS ৰোগত মৃত্যু হয় তেওঁলোকক ঘৰৰ পৰা উলিয়াই দিয়া হয় আৰু অত্যন্ত অত্যাচাৰৰ বলি হয়।
- আফ্ৰিকাত বিধবাই যদি সম্পূৰ্ণ ঘৰখন চলাব লগা হয় তেতিয়া আটাইতকৈ দুখীয়া দল হিচাপে পৰিগণিত হয়।

সপ্তম অধ্যায়

# 7

# অত্যাচাৰ পোৱা সকলৰ কাৰণে ন্যায়

ভুল আৰু শুদ্ধৰ মাজত নিৰপেক্ষ হৈ থকা ন্যায় নহয়,
কিন্তু ভুলৰ বিপৰীতে শুদ্ধ বিচাৰি তাক ধৰি ৰাখা।
*থিয়দৰ ৰোজভেল্ট*

ঈশ্বৰ ন্যায় কৰোতা ঈশ্বৰ হয়। ক'বলৈ গ'লে, তেওঁৰ গুণৰ ভিতৰত ন্যায় মই আটাইতকৈ ভাল পাওঁ। সাধাৰণ ভাবে, ইয়াৰ অৰ্থ হ'ল ভুলবোৰ শুদ্ধ কৰা। বাইবেলে কৈছে যে ধাৰ্মিকতা আৰু ন্যায় তেওঁৰ সিংহাসনৰ ভিত্তিমূল। (গীত ৮৯:১৪) ভিত্তিমূল হৈছে য'ত ঘৰটো ঠিয়হৈ থাকে, সেয়ে আমি ক'ব পাৰো যে পৃথিৱীত ঈশ্বৰৰ সকলো কাৰ্য ভৰসা কৰে তেওঁৰ ধাৰ্মিকতা আৰু ন্যায়ত। ঈশ্বৰৰ দাস স্বৰূপে, আমাক ধাৰ্মিকতা আৰু ন্যায় ভাল পাবলৈ নিৰ্দেশ দিছে আৰু পৃথিৱীত ইয়াক স্থাপন কৰিবলৈ কাম কৰিব দিছে।

সমাজত ন্যায়ৰ অভাৱে সদাই সমস্যালৈ  লৈ যায়। ১৭৮৯ পৰা ১৭৯৯ লৈ বিপ্লৱৰ অভিজ্ঞতা ফ্ৰান্সৰ আছে। এইটো ৰক্তাক্ত যুঁদ্ধ আছিল য'ত খেতিয়ক সকলে ধনী আৰু সেই সসময়ৰ ধৰ্ম্মীয় নেতা সকলৰ বিৰুদ্ধে উঠিছিল। যেতিয়ালৈকে ফ্ৰান্সৰ ৰজা আৰু ৰাণীয়ে সত্যতাৰে আৰু ন্যায় ভাবে মানুহ সকলক ব্যৱহাৰ কৰিছিল, তেওঁলোকৰ ৰাজ্য সমৃদ্ধিশালী আছিল; কিন্তু যেতিয়া ফ্ৰান্সৰ ৰজা আৰু ৰাণীয়ে কেৱল নিজৰ কথা চিন্তা কৰি লাহ-বিলাহত জীৱন অতিবাহিত কৰি, ৰাজ্যৰ মানুহৰ পৰা খাজনা লোৱা স্বত্বেও অপুস্তিকৰ খাদ্য, ভোক আৰু ৰোগ বিয়পাৰ প্ৰতি আউকাণ কৰিলে তেতিয়া অৱশেষত মানুহবোৰে তেওঁলোকৰ বিৰুদ্ধে বিদ্ৰোহ আৰম্ভ কৰিলে। যেতিয়া

তেওঁলোকে নাগৰিক সকলক অন্যায় ভাবে ব্যৱহাৰ কৰিলে তেওঁলোকৰ সিংহাসনৰ ভিত্তিমূল লৰিল আৰু অৱশেষত ধ্বংস হ'ল।

সাধাৰণ ভাবে সত্যটো এই যে ন্যায় নোহোৱাকৈ কোনো কাম সঠিক ভাবে নহয়। আজি আমাৰ সমাজ অন্যায়েৰে ভৰি পৰিছে যদিও বহুতো মানুহে ইয়াৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ কষ্ট কৰি কাম কৰিছে। বেছি ভাগ মানুহেই হয়তো চিন্তা নকৰে বা যদিও তেওঁলোকে চিন্তা কৰে, সাধাৰণতে তেওঁলোকে নাজানে ইয়াৰ বিষয়ে কি কৰিব।

## *এইটো আমাৰ কৰ্তব্য*

কোনে মাউৰা, বিধবা, দুখীয়া আৰু নিস্পেহিত সকলৰ কাৰণে চিন্তা কৰে? ঈশ্বৰে কৰে, কিন্তু আমি কৰোণে? যেতিয়া মানুহ নিস্পেহিত হয় তেতিয়া তেওঁলোকৰ বোজা শক্তি নথকা হয় আবেগ বিহ্বল হৈ নিজক দমন কৰিব নোৱাৰি আৰু তেওঁলোক ব্যাকুল হৈ পৰে তেওঁলোকৰ বোজাৰ কাৰণে আশা নথকাৰ দৰে হয়। ঈশ্বৰ পিতৃহীনৰ পিতৃ আৰু বিধৱাসকলৰ বিচাৰকৰ্তা, (গীত ৬৮:৫) যি সকল অকলশৰীয়া আৰু তেওঁলোকৰ যত্ন ল'বলৈ কোনো নাই তেনেলোকৰ

> কোনে মাউৰা, বিধবা, দুখীয় আৰু নিস্পেহিত সকলৰ কাৰণে চিন্তা কৰে?

কাৰণে তেওঁৰ অন্তৰত বিশেষ স্থান থকা দেখা যায়। ঈশ্বৰে যন্ত্ৰনাত থকা সকলক সহায় কৰে, দুখীয়া, প্ৰয়োজনত থকা সকলৰ কাৰণে ন্যায় সুৰক্ষিত কৰে। (গীত ১৪০:১২) মই নিশ্চিত যে কষ্টত থকা সকলক ঈশ্বৰে সহায় কৰা কাৰণে আপোনালোক নিশ্চয় সুখী। কিন্তু মই আপোনালোকক মনত ৰাখিবলৈ অনুৰোধ কৰো যে ঈশ্বৰে মানুহৰ মাজেৰে কাৰ্য কৰে, বিশেষকৈ যি সকলে নিজকে তেওঁৰ ওচৰত সৰ্ম্পন কৰে। এতিয়া নিজকে প্ৰশ্ন কৰক তেওঁলোকৰ কাৰণে নিজা ববীয়াকৈ কি কৰিছে।

মই আগতে উলেক্ষ কৰাৰ দৰে, বাইবেলত দুহেজাৰত কৈ বেছি পদ আছে দুখীয়া আৰু অভাৱত থকা সকলৰ কাৰণে আমাৰ কৰ্তব্যৰ বিষয়ে। উপদেশৰ দ্বাৰাই তেওঁ আমাক বুজাবলৈ চেষ্টা কৰে সেয়ে ঈশ্বৰে বহুবাৰ আমাক পদবোৰৰ যোগেদি উদগাই। যাতনাত থকা মানুহক যি কোনো উপায়েৰে সহায় কৰিবলৈ আমি প্ৰত্যেকেই জড়িত হৈ থকাটো কিমান যে গুৰুত্বপূৰ্ণ সম্ভৱত আমি বহুতে অনুভৱ কৰাতকৈ আৰু বহু গুৰুত্বপূৰ্ণ।

## *সঁচা ধৰ্ম*

পাচনি যাকোৱে কৈছে যে সত্য ধৰ্ম আমাৰ বাহিৰৰ কাৰ্যৰ দ্বাৰাই প্ৰকাশ পায় "মাউৰা আৰু বিধবাক তেওঁলোকৰ ক্লেশৰ কালত চাবলৈ যোৱা" (যকোব ১:২৭) তাৰ মানে আমাৰ ধৰ্ম যদি সত্য হয়

তেতিয়া যি সকল জীৱনৰ পৰিস্থিতিত পৰি নিস্পেহিত হৈ আছে তেওঁলোকক সহায় কৰিবলৈ আমি নিজকে জড়িত ৰাখিব লাগিব। এই পদটোৰ পৰা মই শেষত ইয়াকে বুজিছো যে যদি মই এই লোকসকলক সহায় নকৰো, তেতিয়া মোৰ ধৰ্ম সত্য নহয়। এইটো হয়তো ধৰ্মৰ গঠন হয়, কিন্তু নিশ্চয়কৈ সম্পূৰ্ণ ঈশ্বৰে বিচৰাৰ দৰে নহয়।

মই শিক্ষাপ্ৰাপ্ত কৰিছো যে দেওবাৰে গীৰ্জ্জাত বহা প্ৰত্যেকজন ব্যক্তি ঈশ্বৰৰ দৃষ্টিত প্ৰকৃত খ্ৰীষ্ট্ৰীয়ান নহয়। নিয়ম কাণুন আৰু ধৰ্মৰ তত্ব মানি চলিলেই যীচুখ্ৰীষ্টৰ প্ৰকৃত বিশ্বাসী হৈ নুঠে। মই এই বিষয়ে কেনেকৈ কম? কাৰণ আমি যেতিয়া যীচুক আমাৰ ত্ৰানকৰ্তা ৰূপে গ্ৰহণ কৰো তেতিয়া আমি ঈশ্বৰৰ অন্তৰ গ্ৰহণ কৰো আৰু আমি তেওঁৰ আত্মা গ্ৰহণ কৰো। (যিহি ১৯:১৯); সেয়ে উদাহৰণ স্বৰূপে, ঈশ্বৰে যি বিষয়ে যত্ন লয় আমি সেই বিষয়ে যত্ন ল'বলৈ শিকিব লাগে— আৰু তেওঁ দুখ কষ্টত থকা মানুহক সহায় কৰিবলৈ যত্ন কৰে।

মোৰ পুত্ৰৰ কাৰণে এইটো কিমান ভাল, জয়চ মায়াৰ পৰিচাৰ্য্যৰ প্ৰতি দিনৰ বেছিভাগ ব্যৱসায়, যি জনে চাই, ক'বলৈ গ'লে তেওঁলোক মোৰ অন্তৰ হয় মই যিটো পৰিস্থিতিত কাম কৰো যদি তেওঁলোকে সেইদৰে কাম নকৰিলেহেঁতেন? আমাৰ পুত্ৰৰ স্থান যেনে পৰিচৰ্য্যাৰ আন সদস্যসকলৰো একে। সেই কাৰণেই তেওঁলোকে আমাক ঘনিষ্ঠ ভাবে জানে আৰু আমি সহায় কৰিব লগা মানুহৰ কাৰণে আমি যি দৰে চিন্তা কৰো তেওঁলোকৰো সেই একেই চিন্তা হয়।

## *এজনে আনজনক প্ৰেম কৰক*

মই গভীৰ ভাবে বিশ্বাস কৰো যে আমি ইজনে সিজনক প্ৰেম কৰা আৱশ্যক, তাৰ মানে আমাৰ ব্যক্তিগত জীৱনত যি সকলৰ সানিধ্যত আমি আহো আৰু যাক আমি নিজে লগ পোৱা নাই, যি সকল দূৰৈৰ ঠাইত থাকে। (পাচনি ২:৪৪-৪৫, ৪:৩১ - ৩২ কৰি ৮:১-৪) এই কিতাপখন পঢ়ি যাওঁতে এই দুই দলৰ মানুহৰ কথা মনত ৰখাটো মই ভাল পাওঁ। উদাহৰণস্বৰূপে যি সকল পৰিচৰ্য্যাকাৰিয়ে দেশৰ মাউৰা ল'ৰা-ছোৱালীৰ যত্ন লয়, আপুনি টকা পইচা দি তেওঁলোকক সহয়াকৰিব পাৰে; আৰু বিধৱাক গীৰ্জ্জালৈ মাতি দুপৰীয়াৰ আহাৰ খোৱাব পাৰে আৰু আপুনি তেওঁৰ লগত কথা পাতি প্ৰশ্ন কৰক তেওঁৰ প্ৰয়োজনীয়তাবোৰ পুৰ হৈছেনে নাই জানিবৰ বাবে। যদি তেওঁ কিবা প্ৰয়োজনীয়াতৰ কথা কয় আপুনি যদি পাৰে আনন্দ মনেৰে সহায় কৰক, কাৰণ ঈশ্বৰে আনন্দেৰে দান কৰা সকলক ভাল পায় (২ কৰি ৯:৭)

আমাৰ পৰিয়াল বা আমি ঘনিষ্ঠভাবে জনা সকলৰ যদি কিবা আৱশ্যকতা থাকে আমি বেছি ভাগেই সহায় কৰো, কিন্তু আমাৰ পৰা দূৰৈত থকা মানুহক আমি খুব কমেই কেতিয়াবা যে তেওঁলোকৰ যত্ন লওঁ বা তেওঁলোকৰ লগত জড়িত হৈ সহায় কৰিবলৈ ইচ্ছা কৰো। মই বিশ্বাস কৰো ঈশ্বৰে তেনে চিন্তা সলাব খোজে। ব্যক্তিগত হিচাপে মই অনুভৱ কৰো যে মই শুনা বা জনা প্ৰত্যেক অভাৱ মই অকলে পুৰ কৰিব নোৱাৰো, কিন্তু মই ঈশ্বৰৰ ওচৰত নিজকে

সৰ্ম্পন কৰিব লাগিব যদি মই কৰিব পৰা কিবা আছে মোক দেখুৱাবলৈ। সেই বাবে একো কৰিব নোৱাৰো বুলি এনেয়ে বহি নাথাকিবলৈ মই প্ৰতিজ্ঞাবদ্ধ। আৱশ্যকতাৰ কাৰণে মই সতৰ্ক। মই বুজিব পাৰিছো আৱশ্যকতাৰ প্ৰতি আগ্ৰহীন ভাবে চোৱাটো, ঈশ্বৰে বিচৰাৰ দৰে তেওঁলোকৰ ওচৰ চপাৰ উপায় নহয়।

## *পৃথিৱীয়ে গীৰ্জ্জাক গীৰ্জ্জাৰ দৰেই হোৱাটো বিচাৰে*

যীশুৱে পিতৰক তিনিবাৰ সুধিলে তেওঁ যীচুক ভাল পায়নে? তাৰ উত্তৰত পিতৰে তিনিবাৰো ক'লে "হয়" যীচুৱে তাৰ উত্তৰ দি ক'লে, "তেতিয়া হ'লে মোৰ ভেড়াবোৰ চৰোৱা" বা "ভেড়া পোৱালীবোৰক চৰোৱা" (মোহন ২১:১৫-১৭) যীচুৱে ইয়াত জন্তুক খাবলৈ দিয়া কথা কোৱা নাই, তেওঁ তেওঁৰ লোক সকলক সহায় কৰা কথাহে কৈছে। বহুতো সময়ত তেওঁ নিজকে ভেড়া ৰখীয়া আৰু তেওঁৰ লোক সকলক ভেড়া বুলি কৈছে, সেয়ে পিতৰে ভাল দৰে জানিছিল তেওঁ কিহৰ বিষয়ে কৈছে।

এই পদকেইটাত মোৰ এনে লাগিছে যে যীচুৱে কৈছে যদি আমি তেওঁক প্ৰেম কৰো আমি মানুহক প্ৰেম কৰিব লাগিবই, এনেয়ে দেওবাৰে গীৰ্জ্জা ঘৰত গোট খাই ৰীতি-নীতি মানি নহয়। অৱশ্যে সহভাগিতাৰ কাৰণে আমি গীৰ্জ্জা যাব লাগে, ঈশ্বৰৰ কথা শিকিবলৈ আৰু উপাসনা কৰিবলৈ, কিন্তু গীৰ্জ্জা এনে এটা ঘৰ হয় য'ৰ পৰা আমি আনক সহায় কৰিব পাৰো। যদি গীৰ্জ্জাই পৃথিৱীৰ চাৰিওফালে হেৰাই থকা সকলক পাবৰ বাবে আৰু অত্যাচাৰত ভোগী থকা সকলক সহায়, তাৰ লগতে বিধবা, মাউৰা, দুখীয়া আৰু যাক সহায়ৰ প্ৰয়োজন তেওঁলোকৰ লগত জড়িত নহয়, তেতিয়া হ'লে মই কেতিয়াও নাভাবো, তেওঁলোকৰ গীৰ্জ্জা বুলি কোৱাৰ অধিকাৰ আছে।

আজি কালি হাজাৰ হাজাৰ মানুহ গীৰ্জ্জালৈ যোৱা বন্ধ কৰিছে আৰু গোটেই পৃথিৱীৰ ধৰ্মীয় নেতা সকলে গীৰ্জ্জাৰ উপস্থিতিৰ সংক্ষা কম হোৱা কাৰণে চিন্তিত। মই ভাবো সংক্ষা কম হোৱাৰ ডাঙৰ কাৰণ হ'ল যে বহুতো গীৰ্জ্জা বাস্তৱিকতে প্ৰাণ নথকা ধৰ্মীয় অনুষ্ঠানহে পৰিছে। পাচনি যোহনে কৈছিল — আমি ভাই সকলক প্ৰেম কৰাৰ কাৰণে মৃত্যুৰ পৰা জীৱনলৈ পাৰ হ'লো, ইয়াক জানো আৰু যি সকলে প্ৰেম নকৰে তেওঁ আত্মিক মৃত্যুতে থাকে। (১ মোহন ৩:১৪) যদি গীৰ্জ্জা ঈশ্বৰৰ প্ৰকৃত প্ৰেমৰ দ্বাৰাই পৰিপূৰ্ণ নহয় তেন্তে কেনেকৈ জীৱন্ত হ'ব।

মই শুনিছো যে প্ৰায় প্ৰতি সপ্তাহে ইওৰোপত গীৰ্জ্জা ঘৰবোৰ বন্ধ হৈছে আৰু তাৰে বহুতো মুছলমান সম্প্ৰদায়ে কিনি মজিদ কৰিছে। যীচুখ্ৰীষ্টৰ গীৰ্জ্জাৰ কাৰণে এইয়া ঈশ্বৰৰ ইচ্ছাকৃত লক্ষ কেতিয়াও নহয়। বহুতো ডাঙৰ ডাঙৰ গীৰ্জ্জা আছে তেওঁলোকে যেনেকৈ কৰিব লাগে ঠিক তেনেকৈয়ে কৰি আছে আৰু সেই কাৰণেই সেইবোৰ জীৱন্ত হৈ বাঢ়িছে। কিন্তু সেইবোৰ ব্যতিক্ৰম বুলি ক'ব লাগিব কিন্তু বেছি ভাগ গীৰ্জ্জাই তেনে নহয়।

আমি পাচনি কৰ্ম কিতাপত পঢ়া আগৰ গীৰ্জ্জাবোৰ খুব শক্তিশালী গীৰ্জ্জা আছিল। পৃথিৱীৰ চাৰিও ফালে আজিও সেই সময়ৰ গীৰ্জ্জা আৰু তাৰ প্ৰভাৱৰ কথা জানি আচম্বিত হয়। তেওঁলোক একত্ৰিত আছিল আৰু যি সকল তাৰ সদস্য আছিল তেওঁলোকে, যি সকলৰ সহায়ৰ প্ৰয়োজন বুলি জানিছিল সহায় কৰাত ব্যস্ত আছিল। তেওঁলোকে নিজে গম পাই বা শিক্ষা দিবলৈ অহা পাচনি সকলৰ পৰা বেলেগ চহৰ বা গাঁওৰ মানুহৰ অভাৱৰ কথা শুনি তেওঁলোককো সহায় কৰিছিল।

অতীতৰ গীৰ্জ্জাবোৰ খুব সোনকালে সংক্ষাত বাঢ়িছিল আৰু মানুহৰ ইজনে সিজনৰ প্ৰতি থকা প্ৰকৃত প্ৰেমৰ কাৰণে তেওঁলোকৰ প্ৰতিস্থানবোৰ আচৰিত ধৰণৰ আছিল। পৃথিৱীয়ে আজি মৰম বিচাৰে, ধৰ্ম নহয়হে ঈশ্বৰক বিচাৰে আৰু ঈশ্বৰৰ প্ৰেম। আমি যদি সকলোৰে সমৰ্থন কৰো আৰু ইয়াৰ লগত জড়িত হওঁ তেন্তে আমি প্ৰেমৰ বিপ্লৱ আৰম্ভ কৰিব পাৰো, আৰু ঈশ্বৰৰ গৌৰৱৰ অৰ্থে এই আন্দোলনে আকৌ এবাৰ পৃথিৱী কপাব পাৰে।

## *যিটো সত্য সেইটো কৰিবলৈ শিকক*

আমি যদি কোনো মানুহক অভাৱত থকা দেখি বা শুনি একো নকৰো সেইটো সঁচাই ভুল। যিচয়া ভাববাদীয়ে কৈছেঃ “ন্যায় বিচাৰ কৰিবলৈ পুৰুষাৰ্থ কৰা, অত্যাচাৰীক দণ্ডদিয়া, পিতৃহীনৰ বিচাৰ কৰা, বিধবাৰ নিমিত্তে প্ৰতিবাদ কৰা (মিচয়া ১:১৭)

শিক্ষা আৰু নিৰ্দেশ দিয়াৰ উদ্দেশ্য হ’ল কি শুদ্ধ জানিবলৈ, আৰু সেইটোৱে আমাক কাৰ্য্য কৰিবলৈ উৎসাহিত কৰে। নিস্পেষিত সকলক ন্যায় দিবলৈ কৰা মোৰ কাম ঈশ্বৰে কিমান গভীৰ ভাবে লয় মই নাজানো, কিন্তু এই বিষয়ে মই কৰিবলৈ আৰম্ভ কৰিলো।

ঈশ্বৰে পিতৃহীন, বিধবা, নিস্পেষিত, দুখীয়া সকলক কেনেকৈ ব্যৱহাৰ কৰিব লাগে নিৰ্দেশ দিছে কাৰণ পুৰণা নিয়মৰ সময়ৰ পৰাই তেওঁ এই বিষয়ে আইন দিছে। মোচিৰ দ্বাৰাই তেওঁ কৈছেঃ “তোমালোকে বিধবাক বা পিতৃহীন সন্তানক ক্লেশ নিদিবা।” (যাত্ৰাপুস্তক ২২:২২) ঈশ্বৰ পক্ষপাতযুক্ত নহয়, “তেওঁ পিতৃহীন আৰু বিধবাৰ বিচাৰ নিষ্পত্তি কৰোঁতা, আৰু বিদেশীক প্ৰেম কৰি অন্ন বস্ত্ৰ দিওঁতা।” (দ্বিতীয় বিৱৰণ ১০:১৮) ঈশ্বৰে মানৱ জাতিক কৈছে যদি তেওঁলোকে চিনি নোপোৱা বিধৱা আৰু পিতৃহীনক খাবলৈ আহাৰ, অস্থায়ী ঘৰ (জাগতিক ঘৰ) দিয়ে, তেওঁলোকৰ হাতৰ কাৰ্যক তেওঁ আশীৰ্ব্বাদ কৰিব। (দ্বীতিয় বিৱৰণ ১৪:২৯) লক্ষ কৰক বিধবা, অচিনাকী, পিতৃহীন লোকসকল খুব অকলশৰীয়া লোক হয়। অকলে থকা লোকসকলৰ কাৰণে ঈশ্বৰে সদায় চিন্তা কৰেহে

## *অকলশৰীয়া আৰু পাহৰি যোৱা*

মই কল্পনা কৰিব নোৱাৰো মাউৰা ছোৱালীজনী যাক বলপূৰ্ব্বক ভাৱে বেশ্যা কাম কৰাইছিল তেওঁ জীয়াই থাকিবৰ কাৰণে নিজকে কিমান অকলশৰীয়া, আৰু পাহৰি যোৱা অনুভৱ কৰিছিল।

গণনাই কয় ঃ

- পাঁচ বছৰৰ পৰা পোন্ধৰ বছৰৰ দুই হাজাৰ ছোৱালীক প্ৰতি বছৰে বেশ্যাৰ বজাৰত বিক্ৰী কৰে।
- ৪৯ শতাংশ বেশ্যাই সেই পৰিস্থিতিৰ পৰা পলাব খোজে।
- থাইলেণ্ডত অতি কমেও ওঠৰ বছৰৰ তলৰ দুশ হাজাৰ মহিলা আৰু ছোৱালীয়ে বেশ্যা কাম কৰে। আনকি ছয় বছৰৰ তলৰ ছোৱালীও বেশ্যাৰ দৰে কাম কৰে।
- এজন ডক্তৰে এটা সময়ত এজনী ছোৱালীক এঘণ্টাত পৈত্ৰিশজন মানুহে ব্যৱহাৰ কৰা পাইছিল।

এই সকলো ছোৱালী মাউৰানে? সকলো নহয়, পিতৃ-মাতৃ নথকাৰ ক্ষেত্ৰত সকলোৰেই আইনমতে মাউৰা নহয়। কিন্তু ঈশ্বৰৰ দৃষ্টিত তেওঁলোক মাউৰা কাৰণ তেওঁলোকৰ হয় পিতৃ-মাতৃ নাই বা পিতৃ-মাতৃ থাকিও নথকাৰ দৰে বা কিছুমানে তেওঁলোকৰ যত্ন ল'ব নুখুজে।

## কিশোৰী অৱস্থাত বেশ্যা কাৰ্য্য

দুষ্ট প্ৰকৃতিৰ মানুহৰ আনন্দৰ কাৰণে বা ভুকত থকাৰ কাৰণে নিজৰ শৰীৰ বিক্ৰী কৰা, কোনেও কৰিব নলগা ই এটা ভয়াবশ কাৰ্য্য হয়। যদিও তাইৰ মাত্ৰ উনৈশ বছৰ বয়স আছিল, বিৰতোকানাই চৌধ বছৰ বয়সৰেপৰা এই কাৰ্য্য কৰিবলৈ লৈছিলে। তাই বাছিলোৱা প্ৰত্যেকতা কাৰ্য্যতেই অলপ অলপকৈ তাইৰ অন্তৰ ভাঙিছিল আৰু তাইৰ আত্মা ধ্বংস হৈছিল। এই সকলোৰ মাজেৰে যোৱাত যি সকলো ঘটিছিল তাই এতিয়াও সেইটো আচৰিত কাৰ্য্য বুলি ভাবে।

তাইৰ সাত মহীয়া ছোৱালী আমিনাৰ চকুলৈ যেতিয়া চাই তাই শক্তি লাভ কৰে। "মই এই পথ বাছি লৈছিলো কাৰণ মোৰ ছোৱালীয়ে এইদৰে কৰাটো মই বিচৰা নাছিলো।" তাইৰ ইথোপিয়ান নাম আমিনাৰ অৰ্থ হ'ল "সুৰক্ষীত" আৰু সেয়ে বিৰতোকানাই তাইৰ ছোৱালীক সুৰক্ষীত ৰাখিবলৈ কৰা প্ৰতিজ্ঞা যিকোনো উপায়ে কৰিবলৈ সিদ্ধান্ত লৈছিল।

লোভ আৰু নিজৰ আনন্দৰ কাৰণে তাই নিজৰ শৰীৰ বিক্ৰী কৰা নাছিল। তাই চাৰি ফুট আৰু ন ফুট কোঠাৰ ভিতৰত তাইৰ কাৰ্য্য কৰিছিল। তাই পাচ বছৰ কাম কৰিছিল ... এটা দিনো ক্ষতি নকৰাকৈ... চুটি নোলোৱাকৈ.... জিৰণি নোলোৱাকৈ। যেতিয়া প্ৰতিদিনে প্ৰায় পোন্ধৰজন দুষ্ট প্ৰকৃতিৰ মানুহে নিজৰ হেপাহ পূৰ্ণ কৰিবলৈ তাইৰ শৰীৰৰ অপব্যৱহাৰ কৰিছিল সেই সময়ত তাই চকু বন্ধ কৰি আমিনাৰ কথাই ভাবিছিল। ভাবিব নোৱাৰা কষ্ট, কিন্তু খাদ্য আৰু শুবলৈ অকণমান ঠাই দিবৰ বাবে এইয়ে একমাত্ৰ উপায় বুলি তাই জানিছিল। তাইয়ে

কিমান আমিনাক ভাল পায় সেই কথা যেতিয়া ভাৱে, তাই বুজিব পৰা নাছিল কেনেকৈ তাইৰ নিজৰ মাকে মাত্ৰ পাঁচ বছৰ বয়সতে তাইক অকলশৰে এৰি দিছিল। বেশ্যাৰ ঠাই বুলি উল্লেখ কৰা আদিচ আবাবা চহৰলৈ অহাৰ আগতে তাই ভুকত মৰিব ওলাইছিল “মোৰ আশা আছিল, কিন্তু সেই আশা এতিয়া মোৰ পৰা বহু দূৰৈত। মই জানো ঈশ্বৰ মোৰ লগত আছে আৰু মোক ভাল পায়। মই জীয়াই থাকিবলৈ আৰু আন পথ নাজানো।” যেতিয়া তাইৰ অন্তৰ তাইৰ আত্মা আৰু নষ্ট হ’ব ধৰা শৰীৰ জীয়াই ৰাখিবৰ বাবে কোনো মূল্য নাথাকে তথাপিও যেন দিনটোৰ কাৰণে তাইৰ ক্ষীণ আশা থাকে।

আজি, সেই আশাবোৰে বাট চাব লাগিব কাৰণ তাইৰ পিচৰ জন গ্ৰাহক ইতিমধ্যে আহে।

গণনাই কয় ঃ

- সংখ্যা গৰিষ্ঠতা অনুযায়ী গোটেই পৃথিৱীতে তেৰৰ পৰা চৌধ বছৰ বয়সৰ ছোৱালী বেশ্যা কামত সোমায়।
- ৭৫ শতাংশ বেশ্যা পচিশ বছৰৰ তলৰ।

## *নতুন ধৰণৰ স্খলন দেখা আৰু তাৰ বিষয়ে কিবা কৰা*

মই যেতিয়া ভাৰতলৈ গৈ তাৰ চহৰৰ কাষৰ অপৰিস্কাৰ জনবসতি অঞ্চলত থকা বেশ্যালয়লৈ গৈছিলো, মই নতুন ধৰণৰ স্খলনৰ লগত পৰিচিত হৈছিলো। গোটেই পৰিবেশটো ব্যাখ্যা কৰিব নোৱাৰা ধৰণৰ লেতেৰাই অকল নাছিল, বেশ্যালয়েৰে পূৰ্ণ আছিল। প্ৰতিটো কোঠাত তিনিখন বিচনাৰে তিনিটা কোঠা তাৰে এটালৈ আমাক লৈ যোৱা হৈছিল। কোনো এখন বিচনাৰে আবুৰ নাছিল। এই সৰু কোঠাত বিশেষকৈ ৰাতি ছোৱালী বা মহিলাই এজন বা বহুজনৰ লগত কাম কৰিছিল, নিজৰ সন্তানসকলক খোৱাবৰ বাবে যথেষ্ট টকা উপাৰ্জন কৰিবলৈ। তেওঁলোকে যেতিয়া কাম কৰে সেই সময়তে তেওঁলোকৰ ল’ৰা-ছোৱালী ক’ত থাকে? তেওঁলোকে হয় বাৰান্দাত খেলি থাকে য’ৰ পৰা সহজতে মাক থকা কোঠাত প্ৰবেশ কৰিব পাৰে বা তেওঁলোকক নিচাযুক্ত দৈব্য খোৱাই শুৱাই থয় যাতে মাকক দিগদাৰ কৰিব নোৱাৰে। আমাৰ খাদ্য দিয়া আৰু শিক্ষা দান কৰা আঁচনিৰ বিষয়ে আৰু সেই সময়খিনিত আমি তেওঁলোকৰ যত্ন লোৱা কথা বহুতে নাজানে। এইদৰে কৰা হয় যাতে ঘৰত কি হৈ আছে তেওঁলোক যেন তাৰ সাক্ষী নহয়। ঘৰহু এই সৰু ল’ৰা-ছোৱালীবোৰ প্ৰকৃততে বেশ্যালয় থাকেহু

সহায়ৰ অভাৱত, অলপ ডাঙৰ হোৱাৰ লগে লগে ছোৱালী সন্তান — সৰু ছোৱালীক — বেশ্যাৰ জীৱনলৈ পঠিয়াই দিয়া হয়। তেওঁলোকে বিচাৰে কাৰণে এইদৰে জীয়াই থাকিব লাগে সেইটো নহয়; তেওঁলোকৰ আন কোনো উপায় নাই। আমি বহুতেই আনকি বুজিবলৈ চেষ্টা নকৰো যে তেওঁলোক বেছি ভাগেই অশিক্ষিত আৰু অভাৱৰ মাজতেই ডাঙৰ হোৱা। কিছুমানক

অৱশ্যে বেশ্যা যোগনিয়াৰৰ দ্বাৰাই ৰখা হয়, যি সকলো অভিপ্ৰায় আৰু উদ্দেশ্যৰ কাৰণে বন্দী কৰি থয়, সেইয়া যদি পুৰণ নকৰে আৰু যদি যথেষ্ঠ টকা উপাৰ্জন নকৰে তেওঁলোকক মাৰধৰ কৰে।

মই ক'বলৈ পাই আনন্দিত যে আমি তেওঁলোকক সহায় আৰু উদ্ধাৰ কৰিবলৈ কাৰ্য্যসূচী আৰম্ভ কৰিছো। স্থানীয় পৰিচৰ্য্যা কৰা দলৰ লগত মিলি প্ৰথমে আমি অতি কমেও তিনিবছৰ এই অঞ্চলত কাম কৰিবলৈ ল'লো, আৰু তিনিশৰ পৰা তিনি হাজাৰলৈকে বেশ্যা সেই কামৰ পৰা আঁতৰি আহিছে। কিছুমান মানুহে অলপ আশা আৰু সহায়ৰ কাৰণে বাট চাই আছে আৰু তেওঁলোক যে সলনি হ'ব পাৰে আৰু কেনেকৈ হ'ব পাৰে সেইয়া কবৰ বাবে তেওঁলোকক কাৰোবাৰ প্ৰয়োজন।

বেশ্যা কাৰ্য্য হৈ থকা জিলাৰ পৰা প্ৰায় তিনি ঘণ্টাৰ যাত্ৰা কৰিবলগা ঠাইত আমাৰ পৰিচৰ্য্যা দলে কেইবা একৰ মাটি কিনিলে, আৰু এই মহিলা সকলে বেশ্যা কাৰ্য্য নকৰাকৈ নিজক আৰু পৰিয়ালক যাতে পোহ-পাল দিব পাৰে তাৰ কাৰণে আমি গাঁও স্থাপন কৰি মহিলা সকলক ব্যৱসায় কৰিবৰ বাবে উপযুক্ত কৰিবলৈ প্ৰশিক্ষণ কেন্দ্ৰৰ যোগেদি শিক্ষা দিও। ফেব্ৰুৱাৰী ২০০৪ ত আমি প্ৰথম এশ মহিলা আৰু ছোৱালী পুনৰ সংস্থাপন কেন্দ্ৰলৈ আনো আৰু যি সকলে সলনি হ'বলৈ ইচ্ছা কৰে সেই সকলোকে আনিবৰ বাবে সংকল্প কৰা হয়।

যেতিয়া মই তেওঁলোকৰ কাৰণে তৈয়াৰ কৰা গাধুৰা শ্বাৱাআৰ আৰু শৌচালয় দেখুৱালো সৰু সৰু ছোৱালী আৰু বিশেষকৈ যুৱতীসকলে আনন্দতে চিঞৰা শুনি মোৰ অন্তৰ আনন্দত ভৰি পৰিছিল। আপোনালোকে চাওঁক তেওঁলোকে ঘৰৰ পিচফালে ঠিয় হৈ বাল্টিঙেৰে পানী ঢলাৰ বাহিৰে আন কোনো উপায়েৰে গাধুৰা নাছিল। তেওঁলোকৰ মুখত হাঁহি বিৰিঙাবলৈ পোৱাত আৰু আশা দিব পৰাটো এক আচৰিত অনুভূতি। এটা সময়ত মই আপোনপেটিয়া, আত্মকেন্দ্ৰিক হৈ জীৱন কটাইছিলো তাতকৈ এই অনুভূতি সঁচাকৈয়ে বহুত ভাল। আমাৰ পৰিচৰ্য্যাৰ সঙ্গীসকল ভাৰতত এইদৰে বাহিৰত কাম কৰা কাৰ্য্যৰ কাৰণে বিশেষভাৱে দায়বদ্ধ কাৰণ ইয়াৰ কাৰণে সময় দিয়াটো তেওঁলোকৰ বিশ্বাসপূৰ্ব্বক দান।

মই আৰু লিখিব খোজো যে বেশ্যালয়ত থকা কিছুমান বয়সীয়া মহিলা বিধৱা হয়। তেওঁলোকৰ স্বামীৰ মৃত্যু হৈছে বা কিছুমান ক্ষেত্ৰত তেওঁলোকক বধ কৰা হৈছে আৰু নিজকে লালন-পালন দিবলৈ তেওঁলোকৰ কাৰণে একো কৰি নোযোৱাত, তেওঁলোকে পুনৰ সংস্থাপনৰ কাৰণে টকা ঘটাৰ এইয়ে এক সহজ উপাই বুলি ভাবে।

পৃথিৱীত নিষ্পেসিত সকলক সহায় কৰিবৰ কাৰণে আমাৰ প্ৰয়োজন হয় এই বিষয়ে জনাৰ আৰু দৃঢ় সংকল্পৰ, আৰু আমি বহুতো মানুহৰ জীৱন নিশ্চয় সলনি কৰিব পাৰো। আমি প্ৰত্যেকেই যদি এইদৰে নিজৰ নিজৰ কাম কৰো আমি প্ৰেমৰ বিপ্লৱ আৰম্ভ কৰিব পাৰো।

## *সকলোফালে অন্যায়*

অন্যায় কেৱল পিচপৰা দেশতে নহয়, কিন্তু আমাৰ ওচৰ চুবুৰীয়াত আৰু চহৰৰ সকলোফালে বিয়পি আছে। আমাৰ লগত কাম কৰা কিছুমান ব্যক্তি আছে যি সকলৰ কিছুমান আৱশ্যকতা আছে।

আমি বাটত তেওঁলোকৰ লগত খোজকাঢ়ি যাওঁ আৰু বজাৰতো তেওঁলোকৰ সন্মুখিন হওঁ। অন্যায়ৰ বহুতো মুখ আছে। যাৰ স্বামীয়ে বেলেগ মহিলাৰ কাৰণে নিজৰ পত্নীক তিনিটা সন্তানেৰে সৈতে এৰি যায় তেনে মহিলাৰ মুখত অন্যায়ৰ প্ৰতিছৱি দেখা যায়। এনে অন্যায় কোনো ছোৱালী বা ল'ৰাৰ মুখত বা বয়সীয়া ব্যক্তি, হয়তো বস্তিত ডাঙৰ হোৱা, অনেক পিতৃৰ মুখতো দেখা যায় যি তৃতীয় পুৰুষৰ পৰিয়ালৰ সদস্যক চোৰা-চিটা কৰিব লাগে। তেওঁ ভালদৰে থাকিব খোজে, কিন্তু বাস্তৱিকতে তেওঁ জানিবলৈ চেষ্টা নকৰে কি কৰিব। তেওঁৰ শিক্ষা বেছি নাছিল আৰু তেওঁ যি দৰে থাকে তাতকৈ বেলেগ ধৰণে থকা তেওঁ কোনো মানুহ দেখা নাছিল, দূৰদৰ্শনত দেখাৰ বাহিৰে।

কিছুমান মানুহে অন্যায়ৰ কবলৰ পৰা উঠিব পাৰে আৰু তাক পৰাজয় কৰিব পাৰে, কিন্তু বহুতে নোৱাৰে। সম্ভৱত তেওঁলোকক আপুনি বা মই বা আমি জনা কোনোবা এজনৰ প্ৰয়োজন তেওঁলোকৰ কাৰণে চিন্তা কৰিবলৈ। আমাৰ চহৰৰ ভিতৰত থকা পৰিচৰ্য্যাৰ দলে বে-চৰকাৰী স্কুলত লিখা-পঢ়াত সহায় কৰে। ল'ৰা-ছোৱালীক পঢ়াত সহায় কৰিবলৈ স্বেচ্ছাসেৱকসকলৰ প্ৰয়োজন হয় কিন্তু খুব কম মানুহে এনে কামৰ কাৰণে সপ্তাহত এঘণ্টা দিবলৈ ইচ্ছা কৰা কথা ভাবিলে নিৰাশাজনক লাগে। অৱশ্যে আমি ভাবো, এই ল'ৰা-ছোৱালীবোৰক নিশ্চয় "কোনো এজনে" সহায় কৰিব, কিন্তু আমিয়ে এজন হ'ব নোৱাৰোনে সহায় কৰিবলৈহ্লু আমাৰ নিজৰ অজুহাত আছে আৰু সেইবোৰে আমাৰ বিবেকক শান্তনা দিয়ে, কিন্তু সেইবোৰ ঈশ্বৰৰ দ্বাৰা গ্ৰহণীয়নে? মই যি সকলোবোৰ কৰিব নুখুজো সেইবোৰৰ কাৰণে বহু বছৰ অজুহাত দেখুৱাইছিলো, কিন্তু মই সত্যটো আৱিস্কাৰ কৰিলো আৰু সেয়ে মই ক'বলৈ ভাল পোৱা কথাশাৰী হ'ল "নিৰ্বিকাৰ হৈ থকাই অজুহাত দেখুৱাই; প্ৰেমে পথ উলিয়াই।"

> নিৰ্বিকাৰ হৈ থকাই অজুহাত দেখুৱাই; প্ৰেমে পথ উলিয়াই

## *ধাৰ্ম্মিকতাৰ কাৰণে মানদণ্ড*

বাইবেলত পুৰণি নিয়মৰ প্ৰথমৰ পৰাই, আমি এজনৰ পাচত আন এজনৰ উদাহৰণ দেখিবলৈ পাওঁ যিসকলে দুখীয়া আৰু সহায়হীনক সহায় কৰাত খুব বেছি ধৰণে জড়িত হৈ থাকিছিল। তেনে মানুহৰ ভিতৰত ইয়োব এজন। তেওঁ কৈছিল মই অন্ধৰ চকু, খোৰাৰ ভৰি, দুখীয়া আৰু সহায়হীনৰ পিতৃ আছিলো, তেওঁ ধাৰ্ম্মিকতাক পিন্ধিছিল। (ইয়োব ২৯:১৯-১৬)। "পিন্ধা" শব্দটোৰ এটা বিশেষ অৰ্থ আছে যিটো আমি হেৰুৱাব নুখোজো। এই শব্দটোৰ বিষয়ে এইদৰে ভাবক ঃ যেতিয়া মই কাপোৰ পিন্ধো, মই এটা উদ্দেশ্যত পিন্ধো। মই নিষ্ক্ৰিয় হৈ কাপোৰ ওলমাই থোৱা ঠাইত থিয় হৈ হেঙাৰৰ পৰা জপিয়াই মোৰ গাত পৰিব বুলি বৈ নাথাকো। মই কোনটো পিন্ধিম সযত্নেৰে বাচোঁ আৰু অকল পিন্ধাই নহয়, কিন্তু মোক ভাল লাগিছেনে নাই সেইটোও নিশ্চিত কৰো।

ঈশ্বৰে কৈছিল ইয়োব এজন ধাৰ্ম্মিক মানুহ আৰু ইয়োবে কৈছিল তেওঁ ধাৰ্ম্মিকতাক "পিন্ধে"। আন কথাত ক'বলৈ গ'লে তেওঁ উদ্দেশ্যৰ কাৰণে কৰে। ইয়োবৰ দিনত বিধৱা, মাউৰা, দুখীয়া আৰু সহায়হীন আৰু নিষ্পেসিতসকলে সহায়ৰ দাবী কৰিছিল ধাৰ্ম্মিকতাৰ মানদণ্ডৰ কাৰণে।

আজি আমাৰ সমাজত বহুতো মানদণ্ড নোহোৱা হৈ গৈছে। এনে লাগে যিটো কৰিবলৈ ইচ্ছা কৰে বেছি ভাগ মানুহে মাত্ৰ তাকে কৰে। আমাক এনে মানদণ্ডৰ পুৰুষ আৰু মহিলাৰ প্ৰয়োজন যি অখণ্ডতা, সত্যতা, সাধুতা, সন্মান, বিশ্বাসী আৰু ঈশ্বৰভক্ত হয়, আৰু কষ্টত থকা মানুহক প্ৰকৃততে সহায় কৰে। বহুত মানুহৰ যদি এই গুণবোৰ থাকিল হয় আমাৰ পৃথিৱীখন সম্পূৰ্ণ বেলেগ ঠাই হ'লহেঁতেন। আপোনাৰ সহাৰি নিশ্চয় এইদৰে, "হয়, মই আশাকৰো আজিয়েই আমাৰ লগত এইদৰে হওঁক," কিন্তু পাহৰি নাযাব আশা কৰাই একো ভাল নকৰে। আমি কাৰ্য্য কৰিবই লাগিব। আমাৰ পৃথিৱীখন সলনি হ'ব মাত্ৰ ইয়াত থকা মানুহ সলনি হ'লেহে আৰু আমাৰ প্ৰত্যেকজনৰ দ্বাৰাই এই সলনি আৰম্ভ হয়। আমি সকলোৰে হাতত জোঁৰ লৈ কওঁহক, "মইয়ে প্ৰেমৰ বিপ্লৱহু"

আপোনালোকে চতুৰ্থ অধ্যায়ত ইহুদীসকলৰ যুৱতী ইষ্টেৰৰ কথা পঢ়িছে, যি গৰাকী অৱশেষত ৰাণী হ'ল, যেতিয়া তেওঁ আৰু তেওঁৰ দেশৰ মানুহে স্বাধীনতা উদ্‌যাপন কৰিছিলে তেতিয়া তেওঁ দুখীয়াসকলৰ কাৰণে উপহাৰ পঠিয়াবলৈ আদেশ দিছিলে। ঈশ্বৰে আমাৰ কাৰণে কৰা ভাল কামৰ কাৰণে আনন্দ কৰোতে অভাৱত থকা সকলৰ ওচৰ চাপিবলৈ পাহৰিব নালাগে। গীৰ্জ্জাৰ সমিতিত মোৰ এজনী বন্ধু আছে তেওঁলোকে বৰদিনৰ সময়ত ঘৰ নথকা সকলক আশ্ৰয় দিয়ে। যি সকল ল'ৰা-ছোৱালী বিশেষ আশ্ৰয় স্থানত থাকে তেওঁলোকৰ সম্পূৰ্ণ বয়স আৰু কাপোৰৰ জোখেৰে সৈতে গীৰ্জ্জাই তালিকা প্ৰস্তুত কৰে। গীৰ্জ্জাৰ সদস্য যিসকলে পাৰে ল'ৰা-ছোৱালীৰ নাম বাচি লয় আৰু কেৱল তেওঁৰ কাৰণে বৰদিনৰ উপহাৰ কিনে। ডিচেম্বৰ মাহত, আশ্ৰয়শিবিৰত বৰদিনৰ উৎসৱ পালন কৰা হয়, য'ত বহুতো খাদ্য, বৰদিনৰ সঙ্গীত, যীচুৰ জন্মৰ গল্প আৰু প্ৰত্যেক শিশুৰ প্ৰতি তেওঁৰ মৰম আৰু নিশ্চয় প্ৰত্যেক ল'ৰা-ছোৱালীক উপহাৰ দিয়া হয়।

বৰদিন উদ্‌যাপনৰ পাচত ল'ৰা-ছোৱালীক সহায় কৰি গীৰ্জ্জাৰ সদস্যসকলে আনন্দ অনুভৱ কৰে, কিন্তু বহুতে কয় বৰদিন উদ্‌যাপনৰ পাচত যেতিয়া তেওঁলোক ঘৰলৈ ঘূৰি যায় তেতিয়া নিজৰ ঘৰ আৰু আশীৰ্ব্বাদৰ কাৰণে বেছি কৃতজ্ঞ হয়।

প্ৰথমেই আনৰ প্ৰয়োজনীয়তা চোৱা আৰু অনুভৱ কৰাটো আমাৰ কাৰণে বেছি প্ৰয়োজন কাৰণ আমি ইয়াৰ দ্বাৰাই বেছি আশীৰ্ব্বাদযুক্ত হওঁ। আশা কৰো আমি যদি সময়ত চেষ্টা কৰো আমি কিমান কৰিব পাৰো বুজি পাওঁ। বৰদিনৰ সময়ত মানুহ বেছি দানশীল হয় আৰু বহুতো মানুহে আনক সহায় কৰিবলৈ চেষ্টা কৰে; কিন্তু দুখীয়া আৰু পেটে-ভাতে খাই থকা সকলৰ সদায়ে সহায়ৰ আৱশ্যক কেৱল বৰদিনৰ সময়ত নহয় এই কথা আমি বুজিব লাগে।

আজি মই লিখি থাকোতে দেৱ আৰু মই যিটো হোটোলত আছো তাৰ গাধোৱা ঘৰ আৰু শোৱা কোঠা অদ্ভূত সৰু। এইটো ইমান সৰু যে দেৱৰ মূৰ চিলিঙত লাগি যায়। প্ৰথমে অসুবিধাৰ কাৰণে মাত্ৰ অলপ সময় ভোৰ ভোৰাই তাৰ পাছত তেওঁৰ মনত পৰে আমি লগপোৱা মানুহ যাৰ পানী নাই তেওঁলোকে তেওঁলোকৰ পৰিয়ালক জীয়াই থাকিবৰ বাবে সহায় কৰিবলৈ বহুতো দূৰ খোজ কাঢ়ি যায় লেতেৰা পানী ঘৰলৈ আনিবলৈ। এই লোক সকলে কেতিয়াবাহে গাধোৱে আৰু যেতিয়া ধোৱে শ্বাৱাআৰ থকা গাধোৱা ঘৰত নহয়। আমি দুয়ো আৱিস্কাৰ কৰিলো যে অভাৱগ্ৰস্থ

সকলক সহায় কৰিবলৈ যোৱাআমাৰ কাৰণে আশীৰ্ব্বাদযুক্ত কাৰ্য্য, আৰু এই কাৰ্য্যয় ভোৰ-ভোৰাবলৈ আৰু আপত্তি নকৰিবলৈ আমাক সহায় কৰে, কিন্তু ঈশ্বৰে আমাক যি দৰে কৰা বিচাৰে সেই সকলো কথাৰ কাৰণে আমি ধন্যবাদ দিওঁ।

বোৱাজ তেওঁৰ সমাজৰ চলাওতা আৰু ধনী মানুহ। তেওঁৰ বিষয়ে বাইবেলে কয় “উদ্দেশ্যৰ অৰ্থে ভৰপুৰ হাত” (ৰূথ ২:১৬) ৰূথৰ কাৰণে তেওঁ নিজৰ পথাৰত শস্য এৰিছিল তাইৰ নিজৰ আৰু শাহুৰেকৰ কাৰণে শস্য গোটাবলৈ, দুয়ো ৰূথ আৰু নয়মী দুখীয়া আছিল। পথাৰৰ সকলো শস্য নচপাবলৈ সেই সময়ত কানুনে আদেশ দিছিল। দুখীয়াই আহি পথাৰৰ পৰা বুটলিবৰ কাৰণে মানুহে কিছুমান শস্য এৰিছিল যাতে তেওঁলোকেও খাব পাৰে। ঈশ্বৰৰ ব্যৱস্থা আকাশৰ পৰা নপৰে বা হঠাতে আচৰিত ধৰণে দেখা নিদিয়ে; তেওঁ মানুহৰ যোগেদি এই সকলো কৰে।

## *প্ৰেম কাৰ্য্যৰ যোগেৰে*

জয়চ মায়াৰ পৰিচাৰ্যাত, আমাৰ এটা পুঁজি আছে যাক “প্ৰেম কাৰ্যত” বুলি কোৱা হয়। পৰিচাৰ্য আৰু কাম কৰা ব্যক্তি সকলে বিশেষ ভাবে এই পুঁজিত টকা দিব লাগে; যদি লগৰ কাম কৰা মানুহৰ কিবা কাৰণত আৰ্থিক ভাবে কষ্ট হয় ব্যৱহাৰ কৰবলৈ, আৰু ৰোগ যেতিয়া তেওঁলোকৰ বোজা হয় বা ল’ৰা-ছোৱালীৰ বিশেষ অৱশ্যকতাৰ কাৰণে দুখত ভোগে। আমাৰ লগৰ যি সকলৰ সঁচাই অভাৱ আৰু নিজৰ তত্বাৱধান ল’ব নোৱাৰে তেওঁলোকক সহায় কৰিবলৈ আমি প্ৰস্তুত আৰু আমি তাৰ বাবে সিদ্ধান্ত লৈছোঁ।

আপোনাৰ যদি বাইবেল অধ্যয়নৰ দল আছে বা প্ৰেমৰ বিপ্লৱত অংশ গ্ৰহণ কৰিবলৈ ইচ্ছা কৰা আপোনাৰ বন্ধু মহল আছে আপুনি এটা কাম কৰিব পাৰে। এগৰাকী ধন ভঁৰালী বাচি বা বিশেষ ভাবে বেঙ্কত টকা জমা কৰাৰ ব্যৱস্থা কৰি আৰু প্ৰত্যেক সপ্তাহ বা মাহত তাত সকোলোৱে দান দি বিশেষ ভাবে জমা কৰিব পাৰে। আপুনি ইয়াক ‘প্ৰেমৰ কাৰ্য’ বুলি ক’ব পাৰে, যদি নিজে ভবা নাম দিব খুজিছে দিব পাৰেকিন্তু প্ৰয়োজনীয়তাৰ কাৰণে অভাৱত পৰা সকলক সহায় কৰিবলৈহে এই ধন ব্যৱহাৰ কৰিব লাগে। প্ৰায়ে মানুহে কোৱা শুনা যায় যি অভাৱ বা আৱশ্যক তাৰ কাৰণে বহু টকাৰ প্ৰয়োজন। সেয়ে তেনে সময়ৰ কাৰণে ধন জমা কৰা আৱশ্যক। তেনে সময়ৰ কাৰণে কিয় ধন জমা কৰা আৰম্ভ নকৰে? আপুনি যদি ইচ্ছুক দল বিচাৰি নাপায়, তেতিয়া হ’লে এজন বা দুজন মানুহ বিচাৰক আৰু আপুনি যদি কৰিব খুজিছে, অকলেই কৰক, কিন্তু একো নকৰাকৈ নাথাকিবহ্ল

## *মোক হাত কিয় লাগে যদি মই আনৰ সহায়ৰ বাবে ব্যৱহাৰ নকৰো?*

ইউৰোপৰ কিতাপ এখন পঢ়ি থাকোতে মই আশ্বৰ্যজনক উক্তি এটা বিচাৰি পালো; পৰ্যবেক্ষণ কৰিছিল কেনেকৈ দুখীয়াৰ প্ৰতি সহাৰি দিব লাগে সেয়ে যদি তেওঁ কষ্টত থকা সকলক সহায়

কৰিবলৈ নিজৰ হাত ব্যৱহাৰ নকৰে তেতিয়া হ'লে তেওঁৰ শৰীৰৰ পৰা কোনোবাই তাক টানি উলিয়াব। (ইয়োৰ ৩১:২১-২২) এইটোৱে মোক ভাবিবলৈ বাধ্য কৰায় যে তেওঁ আনক সহায় কৰা ক্ষেত্ৰত কিমান গভীৰ ভাবে চিন্তা কৰিছিল। মই গুৰুত্বৰ ভাবে ভাবিবলৈ ইচ্ছুক নে? আপুনি?

আমি যদি প্ৰতি দিনে উঠি নিজৰ কাৰণেই জীয়াই থাকো তাত জীয়াই থকাৰ কোনো সঁচা উদ্দেশ্য আছেনে? মই সেইদৰে চেষ্টা কৰিছিলো। কিন্তু দেখিলো ই মোক অসম্পূৰ্ণতা আৰু শূণ্যতা হে দিয়ে। এই পৃথিৱীত থকা তেওঁৰ প্ৰতিনিধি সকলৰ কাৰণে ঈশ্বৰৰ মনত তেনে চিন্তা নাই বুলি মই ভাবো।

আনক ভাল পোৱাৰ ওপৰত বাইবেলত থকা সকলো বাক্য পুনৰ পঢ়িবলৈ মই অলপ সময়ৰ কাৰণে এই লিখা বন্ধ কৰো। জীয়াই থাকিবলৈ এইয়াই যে প্ৰকৃত উদ্দেশ্য মই আগতকৈ এতিয়া বেছি ভাবে মানি লৈছো। আপুনি কৰা সকলো ভাল কামৰ বাবে নিজকে সম্পূৰ্ণভাবে সমৰ্পন কৰিবলৈ মই অনুৰোধ কৰো। ঈশ্বৰৰ ওচৰত আপোনাৰ হাত, বাহু, মুখ, ভৰি, চকু আৰু কাণ সুধাই দিয়ক আৰু আনৰ জীৱন ভাল কৰিবৰ উদ্দেশ্যে নিজৰ জীৱন কেনেকৈ ব্যৱহাৰ কৰিব তেওঁক সোধক। যি সকল ভোকত, কষ্টত বা অকলশৰে আছে তেওঁলোকৰ কাৰণে আপোনাৰ বাহু মেলি দিয়ক।

## *শস্য গোটোৱাৰ প্ৰেম*

নিজৰ বাবে চিন্তা নকৰি আনক দিয়াই আমৰ জীৱনত বহু শস্য উৎপন্ন কৰে। শস্যৰ বাবে ইচ্ছা কৰা বা আশাৰে বাট চোৱাত কোনো ভুল নাই। আনক সহায় কৰাৰ অন্তৰালত নিজৰ কাৰণে কিবা বিচৰাটো হ'ব নালাগে। কিন্তু ঈশ্বৰে কৈছে আমি যি সিঁচো তাকে কাটিবলৈ পাওঁ আৰু সেই লাভৰ বাবে আমি আগলৈ চাব পাৰো। এই সত্যটো খুব সুন্দৰ ভাবে লুকৰ কিতাপত বাখ্যা কৰা পোৱা যায়। “দান কৰা, তাতে তোমালোককো দান দিয়া হ'ব; লোকে ঠিক জোখত হেঁচি, জোকাৰি, উপচাই, তোমালোকৰ কোঁচত বাকি দিব; কিয়নো যি জোখেৰে তোমালোকে জোখা, সেই জোখেৰে তোমালোকলৈকো জোখা হ'ব।” (লুক ৬:৩৮)

পৰিশ্ৰমেৰে তেওঁক বিচৰাসকলক পুৰস্কাৰ দিবলৈ ঈশ্বৰে প্ৰতিজ্ঞা কৰিছে। (ইব্ৰা ১১:৬) মূল গ্ৰীক ভাষাৰ নতুন নিয়মত ‘পুৰস্কাৰৰ অৰ্থ হ'ল “জীৱনত কামৰ মূল্য পোৱা” বা “বিনিময়ত”। ইব্ৰী ভাষাত পুৰণি নিয়ম লিখা হৈছিল, তাত ‘পুৰস্কাৰ’ শব্দৰ অৰ্থ হ'ল ‘ফল, উপাৰ্জন, বস্তু, দাম, বা ফলাফল।’ এমপ্লিফাইদ বাইবেলত ৬৮ বাৰ পুৰস্কাৰ শব্দটো ব্যৱহাৰ হৈছে। আমাৰ বাধ্যতা আৰু ভাল বাচনিৰ কাৰণে পুৰস্কৃত হ'বলৈ ঈশ্বৰে আগুৱাই যোৱাটো বিচাৰে।

ঈশ্বৰে প্ৰতিজ্ঞা কৰিছে যি মানুহে দৰিদ্ৰক দান কৰে, তেওঁৰ অভাৱ নহ'ব, কিন্তু যি কোনোৱে তালৈ চকু মুদে তেওঁ অনেক “শাও” পাব (হিতো ২৮:২৭) হিতোপদেশৰ লিখকে আৰু কৈছে আমি যেতিয়া দুখীয়াক ধাৰ দিওঁ আমি ঈশ্বৰকেই ধাৰ দিওঁ। (হিতো ১৯:১৭)।

নিষ্পেসিত সকলক ন্যায় দিবৰ বাবে কাম কৰিবলৈ মই আপোনাক জোৰ দিওঁ। সাধাৰণ ভাবে আপুনি যেতিয়া কিবা এটা ভুল দেখিছে, সেইটো শুদ্ধ কৰিবলৈ কাম কৰক।

## *পোহৰত জীৱন অতিবাহিত কৰক*

সম্ভৱত আমাৰ জীৱনত বেছি পোহৰৰ প্ৰয়োজন। সেইটোৱে ইয়াকো বুজায় বেছি স্পষ্ট, ভাল বুজা-পৰা, আৰু কম খেলি মেলি। যিচয়া ভাববাদীয়ে প্ৰকাশ কৰিছে যে আমি যদি আমাৰ খাদ্য দুখীয়াৰ লগত ভগাই লওঁ আৰু ঘৰ নথকা দুখীয়াক আমাৰ ঘৰলৈ আনো, উলংগ থকাক কাপোৰ দিও আৰু চাৰিও ফালৰ আৱশ্যকতাৰ পৰা নিজকে নুলুকোৱাও তেতিয়া আমাৰ পোহৰ ফুটি ওলাব। (যিচয়া ৫৮:৭-৮) তেওঁ আৰু কৈছে আমাৰ সুস্থতা, পুনৰ সংস্থাপন আৰু নতুন জীৱনৰ শক্তি সোনকালে ফুটি উঠিব। এইটো শুনি মোৰ ভাল লাগে আৰু মই নিশ্চিত আপোনাৰো ভাল লাগিছে নিশ্চয়।

ন্যায়ৰ বিষয়ে যিচয়াই লিখিছে আৰু কৈছে ই আমাৰ আগে আগে যায়। ন্যায়ে শান্তিৰ আৰু উন্নতিৰ কাৰণে পৰিচালনা কৰে আৰু তেতিয়া ঈশ্বৰৰ গৌৰৱ আমাৰ সুৰক্ষাদাতা হয়। নিস্পেহিতক আমি যদি সক্ৰিয় ভাবে সহায় কৰো আমাৰ আগে আগে ঈশ্বৰ যাব আৰু আমাৰ পিছতো থাকিবহ্ল সেই সুৰক্ষা আৰু নিশ্চয়তাৰ অনুভৱ আপোনালোকেও কৰাতো মই ভাল পাওঁ।

যিচয়াই আকৌ কৈছে " যদি তুমি তোমাৰ তৃপ্তিজনক আহাৰ ক্ষুধিত লোকক দিয়া আৰু দুখীত প্ৰাণীক তুষ্ট কৰা, তেন্তে আন্ধাৰৰ মাজত তোমাৰ দীপ্তি উদয় হ'ব আৰু তোমাৰ অন্ধকাৰ দুপৰ বেলাৰ নিচিনা হ'ব।" (যিচয়া ৫৮:১০) দুপৰ বেলা সূৰ্য খুব উজ্জ্বল হয়, সেয়ে মানুহক সহায় কৰাটো পোহৰত থকাৰ দৰে।

ঈশ্বৰে আমাক সদায়েই পথ দেখুৱায় আনকি অভাবৰ সময়তো আমাক তেওঁ তৃপ্ত কৰে। তেওঁ আমাৰ হাড়বোৰ শক্তিমন্ত কৰে আৰু আমাৰ জীৱন, পানী বৈ থকা বাগিছাৰ দৰে হয়। (যিচয় ৫৮:১১) নিস্পেহিতক ন্যায় দিয়াৰ ফল স্বৰূপে এই সকলো হয়।

এই প্ৰতিজ্ঞাৰ দ্বাৰাই মই যি দেখিছো আশা কৰো আপুনিও দেখিছে। ঈশ্বৰে আমাক যি কৰিবলৈ কৈছে আমি যদি কৰো তেতিয়া মই ভাবো ঈশ্বৰে আনন্দেৰে যি দিয়ে তাৰ বাবে চেষ্টা কৰি আমি জীৱনত অৱাবত সময় বোৰ খৰছ কৰিব নালাগে। দুখীয়া, ভোকত থকা বেশ্যা, মাউৰা, বিধবা, নিস্পেষিত আৰু অভাৱত থকাক সহায় কৰক। আপুনি আনক সহায় কৰিবলৈ জীৱন অতিবাহি কৰক; আৰু সকলো উপায়েৰে ঈশ্বৰে আপোনাক সন্তুষ্ট কৰিব।

# প্ৰেমৰ বিপ্লৱ

*মাৰ্টিন স্মীথ*

***আমাৰ চাৰিওফালে প্ৰেম ঘূৰি থাকি কি কৰে?***

স্পষ্ট ভাবে মোৰ মনত পৰে। সেয়া আছিল ১০ জানুৱাৰী ২০০৮। বাটটোত আছিল বহুতো গাঁত আৰু কাষত খোজকাঢ়িবলৈ বাট নথকাৰ দৰে, তাৰ মাজেদি যেনে-তেনে আমাৰ বাছখন যাব পৰিছিল। যোৰা মাহৰ আৰ্ব্বজনা আৰু সস্তিয়া তেল ঢালি জ্বলোৱা পুৰণা হাজাৰ টায়াৰৰ গোন্ধ আৰু সেই গণ্ডগোলৰ মাজত আমি গৰমত বাহিৰ ওলালো। সৰু সৰু দোকান আৰু কাৰখানা, জোপুৰি ঘৰ আৰু ঘৰ। শাৰী আৰু চেন্দেল আৰু সুদা ভৰি আৰু হুলস্থুলিয়া পৰিবেশটো ধোৱাময় হৈ আছিল।

কিন্তু আগলৈ কি হ'ব তাৰ তোলনাত এইটো একোৱেই নাছিল...

এইয়া মোম্বাই, ভাৰত। আমি বস্তিত আছিলো, বা বহলাই ক'ব গ'লে, চহৰৰ বহুতো বস্তিৰ ভিতৰৰ এখন বেশ্যা থকা জিলাত আছিলো। কিন্তু তাত কোনো বেশ্যালয় দেখা নগ'ল, তাত সকলোৱে বনোৱাত, বিক্ৰী কৰাত, ঝাৰো দিয়াত, বস্তু কঢ়িয়াই নিয়াত সকলো ব্যস্ত যেন লাগিছিল।

আমি বেশ্যাৰ ল'ৰা-ছোৱালী আৰু পৰিয়ালৰ কাৰণে কাম কৰা 'প্ৰেম কিৰণ' যোজনা চাবলৈ আহিছিলো। দেৱ আৰু জয়চে আমাক মাতিছিলে। আমি সঁচাকৈ নিজৰ কাৰণেই এইটো চোৱা উচিত বুলি তেওঁলোকে কৈছিল।

এটা সৰু কোঠাত ইমানবোৰ মানুহ থকা আগতে দেখিছো বুলি মই ক'ব নোৱাৰো। এনে লাগিছিল বেৰবোৰে যেন ধৰি ৰাখিব পৰা নাছিল। সূৰ্য্যমুখী ফুলে গধুলি সূৰ্য্যলৈ চোৱাৰ দৰে সত্তৰ খন হাঁহি থকা মুখে আমাৰ ফালে চাইছিল। বাহিৰত, ৰাষ্টা আৰু বস্তি আৰু তাৰ মাজেৰে যোৱা গলি য'ত অতি কষ্ট, যোজ-বাগৰ আৰু গোপনে মৃত্যু ৰৈ থকা মই দেখিছিলো। কিন্তু মই আগতে অভিজ্ঞতা কৰাত কৈও কোঠাৰ ভিতৰৰ অভিজ্ঞতা বহুত বেছি প্ৰভাৱশালী।

তাত বিশেষকৈ এটা শিশু আছিল যাৰ লগত মই থাকিব নোৱাৰো বুলি ভাবিছিলো। তাইৰ নাম ফাৰিন তাইৰ ওচৰৰ পৰা মোৰ আতৰি অহাটো সমস্যা হৈ পৰিছিল যেতিয়া তাইৰ বিষয়ে মোক কিছুমান কথা ক'লে।

পিচৰ এঘণ্টাত মই আৰু বহুতো দেখিলো। আনৰ দৰে ফাৰিনাৰ মাকো বেশ্যা আছিল। প্ৰেম কিৰণে তাইৰ জীৱনটো ভাল কৰিবৰ কাৰণে সহায় কৰিলে — খাদ্য দিলে, কাপোৰ, শিক্ষা আৰু মৰমৰ সাহায্যেৰে আগ্ৰাহান্বিত আৰু উৎস্বৰ্গীত খ্ৰীষ্টীয়ান কৰি তুলিলে। তথাপিও মোৰ মনত কিছুমান প্ৰশ্ন হ'ল।

মাকে কাম কৰোতে কেইবাৰ ফাৰিণ বিচনাৰ তলত লুকাব লগা হৈছিল?

বস্তিৰ আন্ধাৰত তাই কিমান ভয়াবহতাৰ সন্মুখিন হ'ব লগা হৈছিল?

ইয়াৰ পৰা উলিয়াই নিলে তাইৰ জীৱনটো কিমান সলনি হ'ব বুলি আশা কৰিব পাৰি?

মই কেনেকৈ আঁতৰি যাওঁ?

মই কেনেকৈ?

ম্বোবাইৰ এটা আবেলিয়ে সকলো সলনি কৰি দিলে।

পিচদিনা গধুলি আমি চহৰত বাদ্য যন্ত্ৰ বজালো। আমি ল'ৰা-ছোৱালী আৰু মাকসকলক ষ্টেজত আমাৰ লগত ঠিয় হ'বলৈ মাতিলো কিন্তু আমি ইয়াৰ বাহিৰে আৰু কি কৰিব পাৰো? সেয়ে তেওঁলোক আহিলে, আৰু তেওঁলোকক আমাৰ লগত এইদৰে পোৱাটো এটা ডাঙৰ কথা — সকলোৰে লাজুকীয়া হাঁহি আৰু নিচাযুক্ত দ্ৰবৰে জাপ মৰা আৰু তেওঁলোকৰ সংস্কৃতিয়ে আমাক আচৰিত কৰিলে। আৰু তাৰ পাচত এটা ডাঙৰ ঘটনা হ'ল। আমি বজালো আৰু মাতৃসকলে নাচিব ধৰিলে। হাজাৰ মানুহৰ সমুখত ৰাতি বেশ্যা কাৰ্য্য কৰা মাতৃসকলে ৰঙা লিপষ্টিক আৰু ৰঙ যোৱা শাৰী পিন্ধি মুকলি ভাৱে অনুগ্ৰহ কৃপা আৰু মৰমেৰে নাছিলে। বোৱা কাপোৰৰ পৰা সৰি পৰা পাখীৰ দৰে, কাহিনী প্ৰকাশ কৰা সেই হাত আৰু ভৰিবোৰ সাৱধানে মাৰিলে; মই তেওঁলোকৰ নাচত আগতে কেতিয়াও নেদেখা কিছুমান কথা দেখিলো।

আৰু সেই সময়তে মোক ভবাই তুলিলে ঃ 'ন্যায় ক'ত হ'ব লাগে? নিম্নজাতিক ক'ত আদৰিব লাগে? স্বাধীনতা আৰু আশা বিচাৰি যিসকল দৰিদ্ৰতাৰ মাফকাঠিত জীয়াই আছে তেওঁলোক ক'ত? কোনো প্ৰশ্ন নকৰাকৈ আমাৰ মৰমবোৰ ক'ত ব্যৱহাৰ কৰিছো?'

মই গীৰ্জ্জাৰ দ্বাৰাইয়ে ডাঙৰ হোৱা, কিন্তু কিছুমান শিক্ষা যেন জীৱনৰ বাটত মই হেৰুৱাইছো। যেতিয়া দৰিদ্ৰতা আৰু অন্যায়ৰ প্ৰতি সহাৰি দিয়া কথা আহে আৰু খ্ৰীষ্টিয়ান উপাসনাকাৰী হিচাপে — ঈশ্বৰে তাৰ মাজত যে পাৰ্থক্য আনিব খোজা নাই এই কথা মই শিকা  নাছিলো। আমি উপাসনা কৰি থাকোতে বেশ্যা কাৰ্য্যৰ কাৰণে বাধ্য কৰোৱা মহিলা দলে ষ্টেজত নচাৰ পৰামৰ্শৰ পৰা বহু বছৰৰ আগতে মই বহু মাইল দূৰৈত আছিলো। এতিয়া এইটো সময়ৰ চাপ যেন লাগে। এনেকোৱা ধৰণৰ মানুহকেই যে আদৰণি জনোৱাৰ আৱশ্যক তাক ঈশ্বৰে গীৰ্জ্জাক সকিয়াই দি আগতে যিদৰে নাছিল সেইদৰে যেন কৰিবলৈ আমাক দিছে এনে লাগে।

প্ৰেমৰ বিপ্লৱৰ লগত কেনেকৈ জড়িত হ'ম কথাটো যেতিয়া মনলৈ আহে, মোৰ এটা প্ৰশ্ন জাগে ঃ চাৰিওফালে ঘূৰি আমাৰ প্ৰেমে কি কৰিব?

মোম্বাইৰ পৰা ঘৰলৈ আহোতে সকলোবোৰ যেন খেলি-মেলি। মোৰ ভাৱ-চিন্তা যিদৰে কামত ব্যৱহাৰ কৰা হৈছিল, নকৰা হ'লে আৰু মই গভীৰ সমস্যাত পৰিলোহেঁতেন। যেতিয়াই ফাৰিণাৰ কথা মনত পৰে মই অনুভৱ কৰো — আমি যদি নিজে কিবা এটা নকৰো তাই ভৱিষ্যতলৈ আগুৱাই যাওঁতে জীৱনটো চুটি হ'ব, কষ্ট, দৰিদ্ৰতা, অপব্যৱহাৰ আৰু বেমাৰৰ দ্বাৰা। মোৰ এনে লাগিল তাই যেন আমাৰ আন এজনী ছোৱালী আৰু তাইৰ অবিহনে পৰিয়ালটো আধৰুৱা।

কিন্তু ঈশ্বৰৰ পৰিকল্পনা আমাতকৈ বেলেগ।

মই এই অভিজ্ঞতাৰ কথা লিখি থাকোতে, এবছৰ আৰু কেইমাহমানৰ পাচত, মই যি দৰে হ'ব বুলি চিন্তা কৰিছিলো তেনে নহ'ল। ফাৰিণে চহৰখন নেৰিলে। তাই তেতিয়াও পৰিয়ালৰ লগত, কিন্তু তাইৰ মাকে এতিয়া আৰু বেশ্যা কাম নকৰে। কেই ঘণ্টা মানৰ পাচত মোম্বাইৰ পৰা তেওঁলোক যাব, তেওঁলোকৰ দৰেই মানুহবোৰ থকা ঠাইলৈ — পিচৰ জীৱনৰ হুলস্থূল আৰু আতঙ্কৰ পৰা আতৰি থাকিবলৈ আগতে বেশ্যা কাম কৰা সকলে এক নতুন জীৱন পালে।

আৰু মোৰ?

অহাৰ বাটত মই পুনৰ পিতৃ হোৱা সুবিধা পালো। কিন্তু ফাৰিণাৰ নহয়। এই বছৰতেই কোনোবা এটা সময়ত মোৰ পত্নী, আন্না আৰু মোৰ আৰু এটা সন্তানৰ জন্ম হ'ল — সহায় কাৰ্য্য, যাৰ নাম দিলো "কম্পেচন আৰ্ট"।

শিল্প বিদ্যাৰ (এলবাম আৰু কিতাপ আদি) লগত জড়িত যোজনাৰ দ্বাৰাই কম্পেচন আৰ্টছে টকা সংগ্ৰহ কৰে। এইবোৰ বিক্ৰী কৰি যি ৰয়েল্টি পাই তাৰে সকলো ধৰণৰ দৰিদ্ৰতা তেওঁলোকে দূৰ কৰিবলৈ চেষ্টা কৰে, অতিশয় ভাৱে যিসকলৰ জীৱন দৰিদ্ৰতাই আবৰি ধৰে আৰু যি সকলৰ কাৰ্য্য আমি ধৰিব নোৱাৰো কিন্তু তেওঁলোকৰ জীৱনৰ আশা নোহোৱা হয়, তেওঁলোকক আমি সহায় কৰো। ইয়াৰ বিষয় বস্তুৰ বিষয়ে আমি দুয়ো জয়চ আৰু দেৱৰ লগত কথা পতা মনত পৰে, মই ভাবো তেওঁলোক কম্পেচন আৰ্টৰ আইতাক-ককাদেউতাক। এইয়া তেওঁলোকৰ দুখ-কষ্ট আৰু জ্ঞান, যি আমাক প্ৰথম অৱস্থাত কাৰ্য্য কৰিবলৈ সহায় কৰে।

কিন্তু কম্পেচন আৰ্টৰ তাতকৈও ডাঙৰ কথা হ'ল সকলোবোৰ প্ৰণালী পুনৰ কাৰ্য্যকাৰী কৰা। এইটো এনেকোৱা ধৰণৰ সমস্যাৰ সন্মুখিন হোৱা যাৰ কাৰণে আমি আনৰ যত্ন লওঁ আৰু তাৰ লগে লগে আমাৰ বিশ্বাস বাঢ়ি যায়। সেইটো নহয়। আচল সত্যটো হ'ল ই আমাক দুৰ্ব্বল কৰে। যেতিয়া দুখ-কষ্ট আৰু উদ্দেশ্য আৰু প্ৰেম আমাৰ নিজৰ মাজতেই কেন্দ্ৰিভুত হৈ থাকে আমি সহজতে ভুল কৰো।

যেতিয়া আমাৰ প্ৰেম আমি ভবাতকৈ বেছি হয় আমি নিজকে ঘণিষ্ঠ ভাৱে ঈশ্বৰৰ ওচৰত পাওঁ।

শেষত যেতিয়া মই নিজকে মাইক্ৰফোন, ষ্টেজ আৰু মানুহৰ ভিৰত পাওঁ, তেতিয়া ইয়াৰ পাচত কি হ'ব মই ভাবি আচৰিত হওঁ, যিচয়া ৫৮ অধ্যায় পঢ়াৰ আৱশ্যক বুলি মই ভাবো। কেনেবাকৈ মই শব্দৰ সৰলতা আৰু শক্তিক ধৰি ৰাখিবলৈ অক্ষম বুলি ভাবো, যদিও তিনিহাজাৰ বছৰৰ আগতে ইস্ৰায়েলসকলক এইবোৰ হাতে হাতে বিলাইছিল, তেওঁলোকে অনন্তকলীয়া বিষয়বোৰ চৰ্চা কৰিছিল যিবোৰ আজিৰ যুগতো প্ৰযোৰ্জ্য।

প্ৰথমৰ শাৰীৰ দ্বাৰাই মই অভিভূত হৈছিলো "তুমি মুক্ত কণ্ঠে প্ৰচাৰ কৰা, ৰৈ নাথাকিবা; শিঙাৰ নিচিনাকৈ উচ্চ ধ্বনি কৰা" (যিচয়া ৫৮:১)

অনুসৰণ কৰাই ফুচ-ফুচাবলৈ বা আগৰ দিনবোৰলৈ সংগ্ৰহ কৰাটো নিবিচাৰে কিন্তু উচ্চস্বৰে কোৱাটো বিচাৰে। এইটো দৰকাৰী বিষয় সেয়ে সকলোৱে আৰু সকলো ফালে ইয়াক মনত ৰাখিবলৈ চেষ্টা কৰিব লাগে। “তথাপি তেওঁবিলাকে মোকেই দিনে দিনে বিচাৰে, আৰু মোৰ পথৰ বিষয়ে জানিবলৈ ভাল পায়, আৰু ধৰ্ম্ম স্থাপন কৰা, নিজ ঈশ্বৰৰ বিধি ত্যাগ নকৰা জাতিৰ নিচিনাকৈ তেওঁবিলাকে ধৰ্ম্মৰ বিধিবোৰ মোৰ পৰা খোঁজে, আৰু ঈশ্বৰৰ ওচৰ চাপিবলৈ ভাল পায়।” (যিচয়া ৫৮:২) এই শব্দবোৰ দেখাত এনে লাগে তাত যেন সমস্যা আছে। হৃদয় স্পষ্ট ভাবে সত্য নহয় আৰু সেয়ে পৰিব ধৰে।

ধৰ্ম্মীয় ৰীতিৰ আগৰ গুণবোৰ কিয় তেওঁ অমান্য কৰা যেন লাগে; ঈশ্বৰে সেই প্ৰশ্নৰ উত্তৰ দিয়ে ঃ “তোমালোকে লঘোণৰ দিনাও নিজৰ কাৰ্য্য চলোৱা, আৰু তোমালোকৰ আটাই বনোৱাবিলাকক উপদ্ৰৱ কৰা। ...বৰ্ত্তমানে তোমাকে উৰ্দ্ধলোকত তোমালোকৰ মাত শুনাব পৰাকৈ লঘোণ নিদিয়া।” (যি ৫৮:৩-৪)

এই শিক্ষলৈ আকৌ ধ্যান দি, সাৰ কথাখিনি পুনৰ মন দিও যাতে আমাৰ যি সকলে এতিয়াও কলমতিয়াই আছে তেওঁলোকে যেন বুজি পায় ঃ “তোমালোক প্ৰত্যেকে যুৱলি ভঙাই জানো মোৰ মনোনীত ব্ৰত নহয়? ক্ষুধাতুৰ লোকক আহাৰৰ বাঁটি দিয়াই, আৰু খেদি দিয়া দুখীয়াবিলাকক নিজৰ ঘৰত আশ্ৰয় দিয়াই ব্ৰত নহয় নে? উলঙ্গ দেখি তাক বস্ত্ৰ দান কৰাই আৰু নিজৰ মঙহৰ পৰা নিজকে লুকুৱাই নৰখাই ব্ৰত নহয় নে?” (যি ৫৮:৬-৭) এইটো সঁচাই স্পষ্ট হোৱা নাই। কিন্তু কষ্ট দিয়া, অপব্যৱহাৰ কৰা, ভুকত থকা, ঘৰহীন, দৰিদ্ৰ — এই লোক সকলৰ প্ৰতি আমাৰ প্ৰেম থাকিব লাগে, আমাৰ নিজা বা আমাৰ সফল নোহোৱা ভাববোৰ হৃদয়ত সাঁচি থব নালাগে।

ইয়াৰ ফলাফলৰ বিষয়ত ঈশ্বৰ স্পষ্ট ঃ “অৰুণোদয়ৰ দৰে তোমাৰ দীপ্তি মেঘ ফালি ওলাব, আৰু তোমাৰ আৰোগ্যতা শীঘ্ৰে গজি ওলাব... তেতিয়া তুমি মাতিলে, যিহোৱাই তোমাক উত্তৰ দিব; তুমি ক'তৰোক্তি কৰিলে, তেওঁ ক'ব, এইয়া মই আছো।” (যিঃ ৫৮:৮-৯)

বহু বছৰ আমি উপসনাত ঘনিষ্ঠতা বিচাৰিছিলো। ঈশ্বৰ আমাৰ নিচেই কাষত আৰু আমাৰ জীৱন তেওঁৰেই বুলি গান গাওঁ। যেতিয়া আমি ঈশ্বৰ নিচেই ওচৰত আছে বুলি জানো; সেই সময়তো আমি তেওঁৰ মাত শুনিব খোজো আৰু তেওঁৰ আচনিবোৰ বিচাৰো। প্ৰকৃত ঘণিষ্ঠতাৰ অৰ্থ বিচাৰি নাপাওঁ “যদি তুমি নিজৰ মাজৰ পৰা যুৱলি, আঙুলি জোকৰা, আৰু অধৰ্ম্মবাক্য দূৰ কৰা আৰু যদি তুমি তোমাৰ তৃপ্তিজনক আহাৰ ক্ষুধিত লোকক দিয়া, আৰু দুখিত প্ৰাণীক তুষ্ট কৰা... যিহোৱা সদায় তোমাৰ পথদৰ্শক হ'ব আৰু শুকান ঠাইবোৰত তোমাৰ প্ৰাণ তৃপ্ত কৰিব, আৰু তোমাৰ অস্থিবোৰ সবল কৰিব তাতে তুমি ভালকৈ পানী দিয়া এক উদ্যানৰ নিচিনা হ'বা আৰু যাৰ পানী কেতিয়াও শুকাই নাযায়।” (যিঃ ৫৮:৯-১১)

আমি যদি ঈশ্বৰে বিচৰাৰ দৰে কৰো, ঈশ্বৰ মাত শুনাতকৈ অভাৱত থকা লোক মৰম দিয়াতো বেছি আৱশ্যক আৰু তেতিয়া আমাৰ জীৱন, বাগিচাত পানী দিয়াৰ দৰে হয়, যিচয়াই স্পষ্টভাৱে কয় যে ঈশ্বৰৰ লোকসকলে বুৰঞ্জীত ঠাই ল'বলৈ আৰম্ভ কৰেঃ “তোমাৰ বংশৰ লোকে বহুকালৰ

পৰা উচ্ছন্ন হৈ থকা ঠাইবোৰ পুনৰায় নিৰ্ম্মাণ কৰিব; আৰু তুমি অনেক পুৰুষীয়া ভিত্তিমূল স্থাপন কৰিবা; তুমি ভগা-ছিগা বাতোঁতা, আৰু দেশনিবাসৰ নিমিত্তে পথ যুগুত কৰোঁতা বুলি প্ৰখ্যাত হ'বা।"

তাত আৰু অধিক আছেঃ "মই তোমাক ৰথত তুলি পৃথিৱীৰ ওখ ঠাইবোৰৰ ওপৰত ফুৰাম, আৰু তোমাৰ পিতৃ যাকোবৰ অধিপত্য তোমাক ভোগ কৰাম। কিয়নো যিহোৱাৰ নিজ মুখে ইয়াক কলে।" (যিঃ ৫৮:১৪)

আমাৰ চাৰিওফালে থকা সকলক ভাল কাৰ্য্যৰ দ্বাৰাই আকৰ্ষিত কৰিবলৈ আৰু ঈশ্বৰৰ ওচৰত নিজৰ চেষ্টাৰে "ধাৰ্ম্মীক" বুলি গণ্য কৰা চেষ্টা, এইবোৰৰ দ্বাৰা ৰূদ্ধ কৰিব পাৰি। এই সকলোৰ দ্বাৰাই ভোকত থকাক আহাৰ দিবলৈ, দুখীয়াক কাপোৰ দিবলৈ, শক্তিহীনক সহায় কৰিবলৈ আৰু দুৰ্ব্বলৰ হৈ কথা ক'ব পাৰি। এই সকলো — সাধাৰণ ভাবে কৰা কাৰ্য্যৰ পৰা বুৰঞ্জী স্থাপিত হয়। যদি আমি আমাৰ নিজতকৈ আনক বেছি ভাল পাবলৈ শিকো।

এই সকলোৰ অন্তৰালত আৰু এটা সত্য আছে। প্ৰকৃততে আনৰ চাৰিওফালে আমাৰ প্ৰেম স্থাপিত কৰা অতি কঠিন। যেতিয়া নিজৰ বিষয়ে হয় ই সহজ হয়। কিয়? কিছুভাৱে ই সদায় এইদৰে হয় — সেই কাহিনীৰ পৰা য'ত পুৰুষ আৰু স্ত্ৰীয়ে ঈশ্বৰে মানা কৰা ফল খোৱাৰ পৰা ৰজালৈকে যি বিধৰাজনীক চোৰাঙচোৰা কৰিছিল, খঙাল ভাববাদী যি স্পেইনলৈ গৈছিলে কাৰণ তেওঁলোকে ঈশ্বৰে নিজৰ লোকসকললৈ দয়া কৰা কথা সহ্য কৰিব পৰা নাছিল। আমাৰ লগত সদায় এইদৰেই হয়, ঈশ্বৰক সিংসাহনত বহুৱাৰ সলনি আমি নিজকে প্ৰতিষ্ঠিত কৰিবলৈ চেষ্টা কৰো...

এই দিনবোৰতকৈ সম্ভৱত অলপ কঠিন যেন লাগে। আমাৰ ইচ্ছাক মানিবলৈ চাৰিওফালৰ শক্তিয়ে ঠেলি থাকে, আমাক খুন্দা মাৰিবলৈ কাৰণ "আমি তাৰে যোগ্য", আমি নিজকে প্ৰতিষ্ঠিত কৰিবলৈ আৰু জীৱনটো ধৰি ৰাখিবলৈ। আমি সকলো পাবলৈ চেষ্টা কৰো — ধুনীয়া চেহেৰা, কাপোৰ, উপাৰ্যন, ঘৰ, সম্বন্ধ, চাকৰি সকলো আৰু আমাৰ জীৱনটো আৰু ভাল কৰিবলৈ।

কিন্তু আমি জীৱনৰ সত্যতাৰ বিষয়ে নাজানোনে? নিশ্চয় জানো আমাৰ চাৰিওফালে ঘূৰি থকা কথাবোৰে জীৱনত আমাক প্ৰকৃত আনন্দ দিব নোৱাৰে।

মই সদায় ভাল পাওঁ যেতিয়া আমি গিগ বজাওঁ আৰু আমি আমাৰ গানৰ দ্বাৰাই মানুহৰ মনত এক বিশেষ চাপ বহুৱাব পাৰো। বছৰত প্ৰায় এশবাৰ এই গানটো গাওঁ, এনে অনুভৱ হয় লাইনবোৰত যেন শক্তিৰ অভাৱ মানুহৰ অনুভূতিক, শক্তিশালী কৰিবলৈ, বঢ়াবলৈ আৰু আগবাঢ়িবলৈ সাজো কৰাবলৈ আৰু স্মৰণীয় এটা জীৱন গঢ়িবলৈ। কিন্তু তাত আৰু অধিক আছে, তাত আৰু বহুতো হ'ব লগা আছে।

আমি যদি বুৰঞ্জী স্থাপন কৰোতা হওঁ — আমাৰ লগত এই কাম কৰিবলৈ অহা মানুহৰ সংখ্যা বাঢ়ি যায় আৰু নিযুত মানুহৰ ভৱিষ্যত জীৱন আমাৰ ওপৰত নিৰ্ভৰ কৰে আৰু তেতিয়া হ'লে

আমাৰ বেছিভাগ মানুহৰ বাবেই এটা নিৰ্দ্দিষ্ট কাৰণ হৈ পৰে। আমি বুৰঞ্জী গঢ়িব পাৰো নিজৰ কথা নাভাবি সৰু সৰু কাৰ্য্য কৰাৰ দ্বাৰাই। মাদাৰ টেৰেচাই এইদৰে কৈছিল, “কোনো ডাঙৰ কাৰ্য্য নাই, মাত্ৰ মৰমেৰে ভৰা সৰু সৰু কাৰ্য্য।” আমি যদি এই কথাক নিজ চৰিত্ৰৰ অংশ কৰি ল’ব পাৰোঁ, তেতিয়া পৃথিৱীৰ দুই নিযুত খ্ৰীষ্ট বিশ্বাসী লোকে কিছু সপ্তাহৰ ভিতৰতেই পৃথিৱীৰ দৰিদ্ৰতা গুচাব পাৰিব। তেনেকোৱা বুৰঞ্জী আমি স্থাপন কৰাটোৱেই মই চাব খুজোঁ। নিজস্বতা পাহৰি যিচয়া ৫৮ অধ্যায়ৰ প্ৰতিজ্ঞাৰ দৰে আমি ঈশ্বৰৰ মাত স্পষ্টকৈ শুনিব পাৰিম আৰু তেওঁৰ শক্তি আৰু ইচ্ছাৰ নিচেই কাষত আমি উপনিত হ’ব পাৰিম যদিহে আমি নিজৰ চিন্তা কৰিবলৈ বন্ধ কৰোঁ আৰু আমাৰ চাৰিওফালে থকা সমস্যাসমূহ সমাধান কৰো। এয়েই মূল কথা।

মই এটা কথা নিৰ্দ্দিষ্ট ভাৱে জানো; ডাঙৰ কাৰ্য্য সদায় শক্তিশালী হয় কিন্তু সৰু কাৰ্য্য খুব বেছি সুন্দৰ। প্ৰেমৰ এই বিপ্লৱ অতি শক্তিমান, কিন্তু এই সকলো নিজৰ সৰু সৰু ত্যাগ স্বীকাৰ কৰা কাৰ্য্যৰ দ্বাৰাই হয়। সেয়ে আমাৰ ডাঙৰ ডাঙৰ ষ্টেজ (stage) ডাঙৰ এলবাম (album) বিক্ৰী কৰা আৰু লোকপ্ৰিয় গান সমূহ — এইবিলাক ঠিকেই, কিন্তু বেয়াৰ বিৰুদ্ধে চলোৱা জীৱনৰ কাৰ্যৰ কাৰণে আকৰ্ষণীয় নহয়।

অৱশেষত মন কৰিবলগীয়া এটা বিষয়। গান বাজনাৰ এইবোৰৰ লগত কি মিল আছে? সকলো সুকৰ্ম পিছফালে এৰি থৈ এটি কাৰ্যবিহিন অৱস্থাৰ আকৰ্ষন বেছি। এনে অনুভৱ হয় জীৱনত বাস্তৱিকভাৱে কাৰ্য্য কৰাৰ এয়ে একমাত্ৰ উপায়। কিন্তু এইটোৱেই সম্পূৰ্ণ কাহিনী নহয়। মানুহৰ ভাল কাৰ্য্য সমস্ত শৰীৰ, হৃদয় আৰু আত্মাৰ লগত সম্বন্ধিত। মই গান বাজনাৰ প্ৰথমে শক্তি দেখিছিলো, আৰু মই বিশ্বাস কৰিছিলো যে এইয়া ঈশ্বৰৰ গুপুত অস্ত্ৰ। য’ত যুদ্ধ বিগ্ৰহ হয় তাত সংগীতে মিলন আনিব পাৰে, ভাগিপৰা লোকৰ বেদনাত শান্তি আনিব পাৰে, অন্তৰৰ কঠিনতা ভাঙি পেলাব পাৰে আৰু চুৰান্ত ভাগি পৰা অন্তৰত শান্তি আনি দিব পাৰে, — পীড়িত লোক সকলোৰ পৰা নিউইৰ্য়কৰ লোক যিসকলে টুৱীন টাৱাৰত (toin towers) আত্মীয় স্বজন হেৰুৱাইছিল, যি সকলৰ ঘৃণা ভাৱৰ দ্বাৰা কঠোৰ দুখ-বেদনা উপজিছিল তাত সংগীতে কাৰ্য্য কৰে।

ঈশ্বৰৰ সৈতে সমভাৱ আনি দিয়ে — এইটো নহয় যে কেতিয়াবা তেওঁক বাদ দিব পাৰি, কিন্তু আপুনি বুজিছেনে মই কি ভাৱ প্ৰকাশ কৰিছো? — আৰু ভাৰতবৰ্ষৰ আকাশৰ তলত “ঈশ্বৰৰ” গান গাই সকলোৱে লগত সেই সৰ্বশক্তিমান ঈশ্বক আৰাধনা কৰা। চকু খুলি চাওঁক আৰু আপুনি দেখা পাব সুস্থ হ’বলৈ আৰম্ভ হোৱা। তৎক্ষণাত হতাশাত পৰি থকা ল’ৰা-ছোৱালীৰ মুখত খাদ্য দিব নোৱাৰিব পাৰে। কিন্তু এইয়া এটি মুহুৰ্ত্ত যেতিয়া স্বৰ্গই পৃথিৱী স্পৰ্শ কৰে আৰু সেই মুহুৰ্ত্ততে পূৰ্বৰ ভাল অৱস্থালৈ পুনৰাৱৰ্তন হয়। তেতিয়া আমি আত্মীয় অনুভৱ কৰো, আমি অনুভৱ কৰো যে আমি অকলশৰীয়া নহওঁ। অবিশ্বাস্য ভাৱে আমি অনুভৱ কৰো পৰম ঈশ্বৰে আমাক ত্যাগ কৰা নাই।

গান-বাজনাই এই সকলো কৰিব পাৰে আৰু ঈশ্বৰে আমাক ইয়াক বাদ দিব দিয়া নাই আৰু শূন্য স্থানত থাকিব দিয়া নাই। গান-বাজনা ব্যৱহাৰ কৰিবলৈ তেওঁ (ঈশ্বৰ) আমাক মাতি আছে, যিটো

আমাৰ কাৰণে তেওঁৰ দান, আমি যেন হতাশ অৱস্থাত থকা দৰিদ্ৰ লোকসকলক সহায় আগবঢ়াব পাৰো। আমি যদি যিচয়াই স্পষ্টভাৱে লিখা শিক্ষাবোৰ মানি লওঁ, মই বিশ্বাস কৰো যে আহিবলগীয়া দিনত অলৌকিক ঘটনাবোৰ গান গাবলৈ আৰম্ভ কৰাৰ আগতেই দেখা পাম।

এইয়েই হ'ল গান-বাজনা আৰু প্ৰেমৰ বিপ্লৱ।

ষ্টেভ কাৰ্টিচ চেপমেন গান ৰচোটা আৰু গানৰ দলৰ নেতৃত্ব দিওঁতা আৰু প্ৰত্যেক উশাহ-নিশাহত প্ৰেৰণাযুক্ত এজন ব্যক্তি আৰু নম্ৰতা আৰু কৰুণাৰে নেতৃত্বতা কৰোতা, এদিনাখন এই বিষয়ৰ পৰিপ্ৰেক্ষিত এটা সত্য মই দেখিছিলো। তেওঁ নিযুত এলবাম বোধহয় বেছিলে আৰু অসংখ্য পুৰস্কাৰ বিতৰণ সভাত নমস্কাৰেৰে সৈতে শলাগ গ্ৰহণ কৰিছিল, কিন্তু তেওঁক প্ৰশ্ন কৰক তেওঁ আটাইতকৈ কিহত গৰ্ব অনুভৱ কৰিছিল বা নম্ৰতা অনুভৱ কৰিছিল আৰু তেওঁ তেতিয়া ক'ব — তেওঁৰ পৰিয়ালে ঘৰ নোহোৱা ল'ৰা-ছোৱালীক তুলি লোৱাৰ সেৱা কাৰ্য্য কৰাত। "এইটো আটাইতকৈ স্পষ্ট চিহ্ন যে ঈশ্বৰে মোৰ জীৱনত কাম কৰিছে।" তেওঁ কয়।

আমি যেতিয়া নিজকে পাহৰি আনৰ কথা ভাবো, যেতিয়া অন্যলৈ থকা আমাৰ প্ৰেম ভাৱে আমাক আৰামদায়ক অৱস্থাৰ পৰা আতঁৰাই নিয়ে, যেতিয়া আমাৰ ধন-সম্পতি আৰু জীৱন, আনক গঢ়িবলৈ ব্যৱহাৰ কৰো, তেতিয়া আমি নিজকে ঈশ্বৰে দিয়া স্পষ্ট চিহ্নিত জীয়াই থকা দেখা পাওঁ আৰু ঈশ্বৰে আমাৰ জীৱনত কাম কৰা।

এই সেতুকে এইয়া এটা বিপ্লৱ যাক দূৰদৰ্শনত দেখুওৱা নাজায়। আমি যদি সথিক ভাৱে কৰো, প্ৰেম কাৰ্য্যৰ প্ৰমান আমাৰ সমস্ত জীৱনত ফুটি উঠিব, আমাৰ ওচৰ-চুবুৰীয়াৰ পৰিৱৰ্ত্তন অনাৰ দ্বাৰাই চাৰিওফালৰ পৰিৱেশ আশাৰে ভৰি পৰিব।

এইটো অতি সাধাৰণ ভাৱে কৰা কাৰ্য্য।

অষ্টম অধ্যায়

৪

# *মৰম ভিতৰৰ পৰা অহা বাহ্যিক নহয়*

আপুনি যদি মানুহৰ বিচাৰ কৰে, তেওঁলোকক
প্ৰেম কৰিবৰ বাবে আপোনাৰ সময় নহ'ব।
*মাদাৰ টেৰেচা*

স্পৰ্চ এভিনিও আৰু তেইশ নম্বৰ পথৰ হাৰবাৰ, ইলিনয়জৰ চুকত থকা গীৰ্জ্জালৈ জেমি সোমাল। সহায়ৰ কাৰণে তাই হতাশ হৈ পৰিছিল। সপ্তাহত দুবাৰ তিনিবাৰ গীৰ্জ্জালৈ মানুহ ওলোৱা-সোমোৱা কৰা তাই চাইছিল আৰু বহুত দিনৰ পৰাই তাই সেই গীৰ্জ্জা ঘৰটো দেখি আছে। জেমিয়ে প্ৰায়ে গীৰ্জ্জাৰ বিপৰিত ফালে থকা কফিৰ দোকানত বহি কফি খাই ভাবিছিল যদি তাই এবাৰ কিবা উপায়ে যিকোনো এটা উপসনাত উপস্থিত হয় তাইক কি দৰে গ্ৰহণ কৰিব।

ওচৰ-চুবুৰীয়াৰ সৈতে জেমিয়ে সৰুতে কেইবাবাৰো চাণ্ডেল স্কুললৈ গৈছিল কিন্তু গীৰ্জ্জাত উপস্থিত হোৱাৰ নিয়মবোৰ সঁচাকৈয়ে তাই খুব অলপহে জানিছিল। তাইক গ্ৰহণ কৰিবনে নাই বা গীৰ্জ্জালৈ যাবৰ বাবে উপযুক্ত হয়নে নহয় সেই বিষয়ে তাই নিশ্চিত নাছিল, সেয়ে তাই কফি খাই খাই এনেয়ে চাই আছিল। গীৰ্জ্জাৰ ভিতৰলৈ সোমোৱা লোক সকলক যোৱাৰ সময়তকৈ বাহিৰলৈ অহা সময়ত তেওঁলোকক সুখী যেন লাগে নে নাই তাই চাবলৈ চেষ্টা কৰে। কিন্তু তেওঁলোক ইমান বেগা বেগিকৈ যায়গৈ যে তাই সঁচাকৈয়ে ভালদৰে চাব নোৱাৰে। গীৰ্জ্জাৰ পাচত কেতিয়াবা কিছুমান মানুহ কফিৰ দোকানলৈ আহে। তাৰে কম সংখ্যক অকলে বহে আৰু সঁচাকৈয়ে মই যিদৰে অকলশৰীয়া অনুভৱ কৰো তেওঁলোককো সেইদৰেই লাগে। কিছুমান বেলেগৰ

লগত আহে আৰু তেওঁলোকক সুখী যেন লাগে আৰু তেওঁলোকে হাঁহি হাঁহি আনন্দ কৰে, এইবোৰ দেখি তাইৰ মনত আশা জাগে। সেয়ে এদিন তাই সাহস কৰি উপাসনালৈ যায়।

জেমি এনে ঘৰত ডাঙৰ হৈছিল য'ত তাই খুব কম মৰম আদৰ পাইছিল। তাইৰ পিতৃ-মাতৃ দুয়ো মদপী আছিল আৰু যদিও তেওঁলোকে তাইক অপব্যৱহাৰ কৰা নাছিল কিন্তু তাইক বেয়া ধৰণে সমালোচনা কৰি আৰু দোষ ধৰি তাইক আঘাট কৰিছিল। তাইৰ ভায়েক সকলো বিষয়ত তাইতকৈ গুণসম্পন্ন আৰু চোকা যেন লাগিছিল সেয়ে প্ৰায়ে তাইক ভাইয়েকৰ লগত ৰিজাইছিল। তাই সদায় নিজকে মৰম নোপোৱা, দেখিবলৈ বেয়া আৰু মুৰ্খ বুলি ভাবিছিল আৰু তাইৰ যেন কোনো মূল্য নাই।

তেৰ বছৰ বয়সত জমি বেয়া সঙ্গত পৰি মদ খাবলৈ আৰু ড্ৰাগচ খাবলৈ ধৰিলে। তাই আবেগিক ভাৱে ইমান দুখী আছিল যে অপব্যৱহাৰিত বস্তু গ্ৰহণ কৰি তাই নিজকে ক'ব নোৱাৰা কৰি ৰাখিছিল। তাই আৰু এটা বেয়া বস্তু খোৱা আৰম্ভ কৰিছিলে যাৰ নাম বোলেমিয়া। তাই দৈনন্দিন আহাৰ গ্ৰহণ কৰিছিলে, আৰু কেতিয়াবা সুৰাপান কৰিছিলে, কিন্তু শকত নহ'বৰ বাবে খোৱাৰ পাচত বমি কৰি দিছিল।

বাৰ বছৰীয়া জন্মদিনটো তাই কেতিয়াও পাহৰিব নোৱাৰে, যেতিয়া তাইক মাকে বিৰক্তিৰে চাই কৈছিল — "জন্ম দিনৰ কে'ক বনাবলৈ মোৰ সময় নাই, তুমি ইতিমধ্যে ইমান শকত হৈছা সেয়ে ইয়াৰ প্ৰয়োজন নাই।" সেইটো দিনলৈকে তাই কেতিয়াও নিজক শকত বুলি ভবা নাছিল। কিন্তু সেই দিনৰ পৰা তাই সদায় নিজকে আইনাত চাই, প্ৰকৃততে তাই যিমান তাতকৈ ত্ৰিশ পাউণ্ড বেছি শকত যেন অনুভৱ কৰিছিল। মাকে তাইক বাৰে বাৰে তুচ্ছ কথাকৈ আৰু ভাল নোপোৱা কাৰ্য্য কৰি তাইৰ ব্যক্তিত আঘাট সানিছিল।

স্কুলত জেমিৰ ফলাফল ভাল নাছিল সেয়ে তাই কলেজলৈ যোৱা উপযুক্ত নহয় বুলি ভাৱে, আৰু হাইস্কুল পাচ কৰাৰ পাচত কামত সোমায়, তাইৰ কাম আছিল ছেলফত বস্তুবোৰ থোৱা আৰু স্থানীয় গুদামৰ পৰা খাদ্য বস্তু অনা। তাই বেছি টকা সংগ্ৰহ কৰিব পৰা নাছিল ঘৰৰ পৰা ওলাই যাবলৈ, কিন্তু তাই কাপোৰ আৰু মদ কিনিব পাৰিছিল আৰু যেতিয়া তাই খাই মতলীয়া হ'ব খুজিছিল তেতিয়া অলপ ড্ৰাগচ কিনিছিল। বেছি ভাগ সময় তাই কফিৰ দোকানত বহিছিল বা ওচৰ চুবুৰীয়াত ঘূৰি ফুৰিছিল ঘৰত থকাৰ পৰা দূৰৈত থাকিবলৈ আৰু আন আন পৰিয়ালবোৰ কিদৰে বসবাস কৰে চাই তাই আচৰিত হৈছিল। তাই বিশ্বাস কৰিব পৰা বা গণিব পৰা কোনো প্ৰকৃত বন্ধু নাছিল। তাই বেছি ভাগকেই ভয় কৰিছিলে কাৰণ জীৱনত মানুহে তাইক কেৱল ব্যৱহাৰ কৰিছিল একো দিয়া নাছিল।

এদিন গীৰ্জ্জাত সোমাবলৈ আন মানুহবোৰে ভিৰ কৰি থাকোতেই তাই অৱশেষত সাহস গোটাই সোমাই যায়। মানুহৰ লগত তাই মিলি গৈছিল, আৰু ভাবিছিলে তাইক কোনেও লক্ষ কৰা নাই কিন্তু পিচ মুহূৰ্ত্ততে তাই হতাশ হৈছিল যেতিয়া কিছুমানে তাইক আদৰণি জনাই কৈছিল "তুমি আজি ইয়ালৈ অহা বাবে আমি খুব সুখী।" তাই মন কৰিছিল কিছুমানে তাইৰ ফালে চাইছিল আৰু

কিছুমানে ফুচফুচাইছিল কিন্তু বন্ধুভাৱ কাৰো নাই যেন লাগিছিল। তাই পিন্ধা পোচাক কিছু জঙঘলী আছিল আৰু চুলিত তিনি ধৰণৰ ৰঙ। আচলতে চুলিখিনি তাইৰ ক'লা তাত ৰঙ আৰু সোণোৱালী ৰঙৰ লাইন, তাই বেগী জিনচ আৰু বেগী চাৰ্ট পিন্ধিছিল। শকত হৈছে বুলি ভাবি লুকুৱাবৰ কাৰণে তাই এইদৰে পিন্ধিছিল, আৰামৰ কাৰণে নহয়। তাই হাত কটা ডাঙৰ ডিঙিৰে সৈতে ঢিলা চোলা পিন্ধিছিল যিটো গীৰ্জ্জালৈ কোনেও পিন্ধি নাহে — অন্তত সেইটো গীৰ্জ্জালৈহ্ল

জেমি শেষৰ শাৰীত বহে আৰু বাস্তৱিকতে যি হৈ আছিল সেইয়া একো বুজা নাছিল। মানুহবোৰে থিয় হৈ বেঞ্চৰ পিচফালে ৰেকত নিয়াৰিকৈ থোৱা কিতাপলৈ পঢ়ে আকৌ তেওঁলোক বহে। তাত গান গাইছিল, অৰগেন বজাইছিল আৰু প্ৰাৰ্থনা কৰিছিল আৰু দান তোলা প্লেটখন মানুহৰ চাৰিওফালে ঘূৰাইছিল আৰু কিছুমান মানুহে তাত টকা দিছিল। বিশ মিনিট বাইবেলৰ শিক্ষা দিয়াত এজন মানুহৰ অলপ খঙ উঠিছিল আৰু সুখী হোৱা নাছিল, যিটো তাই সঁচাই বুজা নাছিল। শিক্ষা দিয়া মানুহজন তাই পালক বুলি ভাবিছিল, কিন্তু সঠিক ভাৱে জনা নাছিল। সৰ্ব্বশেষত সকলোৱে উঠি আকৌ এটা গান গালে আৰু তাইৰ উপাসনা শেষ হ'ল যেন লাগিল।

সম্ভৱত ওলাই অহাৰ সময়ত কোনোবাই তাইক কিবা ক'ব পাৰিলেহেঁতেন বুলি তাই ভাৱে। সঁচাই কোনোবাই কিবা কৈছেহ্ল গীৰ্জ্জাৰ বাহিৰত মানুহবোৰ গোট খাওঁতে পালকে দুৱাৰত থিয় হৈ সকলোকে হাত মিলাই আৰু জেমি যেতিয়া তেওঁৰ ওচৰ পাই তেওঁ নাহাঁহিলেও আনকি চকুৰে চকুৰেও তাইৰ ফালে নাচালে। তাই ভাৱে তেওঁ কেৱল নিজৰ কাৰ্য্য সম্পূৰ্ণ কৰিছে আৰু শেষ হোৱালৈ বাট চাবৰ যেন তেওঁৰ সময় নাই।

তাই ছিৰিৰে তললৈ নামি যাওঁতে অনুভৱ কৰিলে যে শেষৰ চিৰিত এগৰাকী মহিলাই তাইৰ কাৰণে যেন বাট চাই আছে। কোনোবাই অন্তত তাইক লক্ষ কৰিছে কথাটো ভাবি তাই উত্তেজিত হয়। মহিলা গৰাকীয়ে তাইক মন কৰাটো ঠিকেই, কিন্তু জেমিৰ সাজ-পোচাকত যি সকলো ভুল আছিল তেওঁ লক্ষ কৰিছিল, সেয়ে তেওঁ ক'লে "মোৰ নাম মাৰগ্ৰেত ব্ৰাউন। তোমাৰ নাম কি?" জেমিয়ে নিজৰ নাম কোৱাত মহিলা গৰাকীয়ে আকৌ ক'লে - "তুমি ইয়ালৈ সদায় আহিবৰ বাবে আমন্ত্ৰিত, কিন্তু কিছু কথা জানিবৰ বাবে মই তোমাক সহায় কৰিব খোজো যে পবিত্ৰ গীৰ্জ্জাছ্ত্ৰলৈ আহোতে আমি কেনেদৰে সাজ-পাৰ কৰিব লাগে জনা উচিত। জিনচ আৰু ইমান ঢিলা চোলা পিন্ধিব নালাগে আৰু তুমি এনেদৰে চুলি আচুৰিবা যাতে আন মানুহ আকৰ্ষিত নহয়। তুমি জানানে মাজনী, যীচুয়ে আমাক নম্ৰ হ'বলৈ কৈছে আৰু আমাৰ প্ৰতি আনক অকৰ্ষিত কৰিব কোৱা নাই।" জেমিৰ ফালে কৃতিম হাঁহি মাৰি আকৌ ক'লে, "যিকোনো সময়তেই তুমি গীৰ্জ্জালৈ আহিব পাৰা।"

সেইদিনা জেমি কফিৰ দোকানলৈ নগ'ল; কিন্তু কৰবালৈ তাই যাবই লাগিব আৰু কান্দিবৰ বাবে অকলশৰীয়া ঠাই বিচাৰিলে। তাই ভাবিলে এতিয়া ঈশ্বৰেও তাইক গ্ৰহণ নকৰে, আৰু গোটেই দিনটো আত্মহত্যা কৰিম বুলি ভাবি কটায় দিয়ে। তাই ভাবিছিলে তাই এতিয়া গাঁতৰ একেবাৰে তলত আৰু তাইৰ জীয়াই থকাৰ কোনো অধিকাৰ নাই।

এই নামবোৰ কাল্পনিক ভাৱে বনোৱা হৈছে। কিন্তু পৃথিৱীখন জেমি, আৰু পবিত্ৰ বেদী আৰু মিচেচ ব্ৰাউনৰ দৰে ধৰ্ম্মপৰায়ন মহিলাৰে ভৰা। প্ৰত্যেক সপ্তাহে গীৰ্জ্জালৈ অহা যোৱা কৰা মানুহেৰে ভৰি থাকে। বহুতো ভয়ত যায় আৰু শেষ হোৱালৈকে বাট চাব নোৱাৰে। তেওঁলোক বুজিব নোৱাৰা স্বভাৱৰ, আনৰ বিচাৰ কৰি ভাল পোৱা আৰু অতি বেলেগ ধৰণৰ।

## *ঈশ্বৰে সকলোকে একেদৰে প্ৰেম কৰে*

জেমি যি দিনা গৈছিল সম্ভৱত যীচু সেইদিনা পবিত্ৰ বেদিত নাছিল, থকা হ'লে তেওঁ তাত ভাল অনুভৱ নকৰিলে হয়। কিন্তু তেওঁ তাত থকা হ'লে সেইদিনা গীৰ্জ্জালৈ অহা জেমিক তেওঁ হয়তো লক্ষ্য কৰিলেহেঁতেন। তেওঁ তাইৰ ওচৰত বহিলে হয় বা তেওঁৰ লগত বহিবলৈ তাইৰ লগত একেলগে খোজকাঢ়ি সন্মুখলৈ গ'ল হয় আৰু তাইক সুধিলে হয় তাই প্ৰথম বাৰ আহিছে নেকি। প্ৰথম বাৰ অহা বুলি গম পালে তাই যিবোৰ বুজা নাছিল তেওঁ বুজাই দিলে হয়। যিমান বাৰ তাই তেওঁলৈ চাই তেওঁ হাঁহিলে হয়, বেলেগ ধৰণে আচোৰা চুলিৰ কাৰণে শলাগ জনালে হয় কাৰণ তেওঁ বিভিন্নতাক ভাল পায়হুঁ তেওঁ হয়তো জেমিক কফি খাবলৈ তেওঁ প্ৰায়ে যোৱা দলৰ সৈতে মাতিলে হয় আৰু জেমি যোৱাৰ পাচত পুনৰ বেলেগ সপ্তাহত তাই ঘূৰি অহালৈ বাট চালে হয়। কিন্তু সঁচাই যীচু সেইদিনা তাত নাছিল কাৰণ যীচুৱে কৰাৰ দৰে কোনো এজন মানুহেই কৰা নাছিল। কোনো এজনেই যীচুক ভালদৰে প্ৰতিনিধিত্ব কৰা নাছিল; আৰু কোনেও তেওঁক অনুসৰণ কৰা নাছিল।

## *পক্ষপাতিতা নাই*

বহু ঠাইত বাইবেলে কৈছে ঈশ্বৰত পক্ষপাতিতা নাই (পাচনি ১০:৩৪ ৰো ২:১১, ইফি ৬:৯) আন শব্দত ক'বলৈ হ'লে, তেওঁ এজন মানুহ ভাল আনজন বেয়া বুলি নকয় কাৰণ তেওঁলোকে কি পিন্ধিছে, উপাৰ্জন কিমান কৰে, কি কাম কৰে বা তেওঁলোকে কাক জানে সেইবোৰ বিচাৰ নকৰে। তেওঁ সকলোকে একে ব্যৱহাৰ কৰে সেয়ে নহয় এনে লাগে তেওঁ নিজৰ বাটৰ পৰা আতৰি গৈও যিসকল কষ্টত থাকে তেওঁলোকৰো যত্ন লয়। বাটত অহা অচিনাকী সকলক ইস্ৰায়েল সকলে কেনেকৈ ব্যৱহাৰ কৰিব লাগে সেই বিষয়ে ঈশ্বৰে মুচিক নিৰ্দেশ দিছিল। প্ৰাথমিক ভাৱে সদায় তেওঁৰ প্ৰথম আদেশ আছিল "তেওঁলোকক আৰাম অনুভৱ কৰিবলৈ দিবা আৰু সহজভাৱে তেওঁলোকৰ সৈতে বন্ধুভাৱ ৰাখিবা। কোনো ধৰণে সিহঁতক কষ্ট নিদিবা।" (যাত্ৰা, ২২:২১, যাত্ৰা ২৩ঃ৯, লেবী ১৯:৩৩) পাঁচনি পিতৰে এইদৰে কৈছে —

> পৰস্পৰে অতিথি পৰায়ণ হ'বলৈ অভ্যাস কৰা (সেই সকলো পৰিয়ালৰ বিশ্বাস)
> [অতিথি পৰায়ণ হোৱা, অচিনাকীক প্ৰেম কৰা, অচিনাকী আলহীৰ প্ৰতি, বিদেশীৰ,
> দুখীয়া, ঈশ্বৰৰ শৰীৰৰ হিচাপে যি সকলো তোমাৰ পথত আহে তেওঁলোকক

আপোনালোকৰ দৰে ব্যৱহাৰ কৰা] আৰু [প্ৰতিটো মুহূৰ্ত্ততে] কোনো বিদ্বেষ ভাৱ নৰখাকৈ কৰা (আন্তৰিকতা আৰু অমায়িক ভাৱে কোনো আপত্তি নকৰাকৈ কিন্তু যীচুক প্ৰতিনিধিত্ব কৰাৰ দ্বাৰাই।)

*(১ পিতৰ ৪:৯)*

এইখিনি পঢ়ি শেষ কৰাৰ আগতে আপুনি তালিকা বনাওঁক আপুনি যিসকল মানুহক নাজানে তেওঁলোকৰ সৈতে কিমান বন্ধুত্ব ৰাখিছে আৰু বিশেষকৈ যিসকল আপোনাৰ পৰা সম্পূৰ্ণ বেলেগ। কিছুমান মানুহ জন্মগত ভাৱেই বন্ধুত্বপূৰ্ণ আৰু স্বভাৱত সকলোৰে লগত মিলিব পৰা, কিন্তু যি সকলৰ "বন্ধুত্বপূৰ্ণ স্বভাৱ" নাই তেওঁলোকে সিদ্ধান্ত কৰিব লাগে তেনে স্বভাৱৰ হ'বলৈ কাৰণ বাইবেলে সেইদৰে কৰিব কৈছে।

পাচনি যাকোবে কৈছে যি সকল মানুহে জাক জমক কাপোৰ পিন্ধি উপাসনা গৃহলৈ আহে তেওঁলোকক বিশেষ ভাৱে ধ্যায়ন দিব দিয়া নাই। তেওঁলোকক বহিবলৈ বিশেষ স্থান দিবলৈ দিয়া নাই। যিসকল মানুহে এইদৰে কৰে আৰু তেওঁলোকক বিশেষ ভাৱে ব্যৱহাৰ কৰাতো বিচাৰে তেওঁলোকেই প্ৰাৰ্থক্যৰ সৃষ্টি কৰে আৰু তেওঁলোকৰ ভাব চিন্তাবোৰ ভুল। তেওঁ কৈছে যে আমি গৰ্ব্বীত স্বভাৱেৰে সৈতে প্ৰভু যীচুখ্ৰীষ্টৰ লগত বিশ্বাসৰ অভ্যাস কৰিবলৈ চেষ্টা কৰিব নালাগে। (যাকোব ২:১-৪) আন কথাত আমি সকলোকে সন্মানৰ যোগ্য বুলি ব্যৱহাৰ কৰিব লাগে।

মানুহৰ মাজত যীচুখ্ৰীষ্টই ভেদা-ভেদ নাইকিয়া কৰি কৈছে তেওঁৰ দৃষ্টিত আমি সকলো এক (গালা ৩ঃ২৮) আমি উপযুক্ত মানুহ চাব লাগে, কলা, ৰঙা, বগা মানুহ নহয় তেওঁলোকৰ কাপোৰৰ মানদণ্ড, চলিৰ ডিজাইন, কি গাড়ী চলাই, তেওঁলোকৰ চাকৰি বা বংশ নহয় — এনে মানুহ বিচাৰিব লাগে যাৰ বাবে যীচুৱে প্ৰাণ দিলে।

## *কফি দোকানৰ পৰা শিক্ষা*

মই বিশ্বাস কৰো আমাৰ বন্ধুত্বত অন্তৰ্ভুক্ত কৰা সকল কেনে আমি চাব লাগে আৰু বন্ধুত্ব বঢ়াই যাব লাগে। সকলো ধৰণৰ মানুহ অন্তৰ্ভুক্ত কৰিবৰ কাৰণে আমি চেষ্টা কৰিব লাগে। অলপতে মই ইংলেণ্ডৰ বাৰ্সিংহাসৰ পালক পৌল চেকলনৰ লগত বহুতো মানুহেৰে সৈতে কফিৰ দোকানত কফি খাইছিলো। আমাৰ কাৰণে বাট চাই থকা ছোৱালী এজনীৰ চুলিৰ ষ্টাইল চোৱা কথা মোৰ মনত পৰে আৰু সঁচাকৈ ক'বলৈ গ'লে এনে আচৰিত ধৰণৰ চুলিৰ ষ্টাইল মই কেতিয়াও দেখা নাছিলো। মূৰৰ মাজেৰে বৈ যোৱা অলপ চুলিৰ বাহিৰে তাইৰ গোটেই মুৰটো খুৰোৱা আৰু মাজৰ ভাগত নীলা, ক'লা, ৰঙা আৰু বগা আছিল। আৰু তাইৰ বহু ঠাইত যেনে নাক, জিভা, ওঠ, আৰু কান ফুটুৱা। মোৰ মনত পৰে তাই মোৰ দৰে নোহোৱাৰ কাৰণে মই অস্বতি বোধ কৰিছিলো। আমি ইমান বেলেগ ধৰণৰ যে তাইৰ লগত কিবা মিল আছে বুলি মই ভাবিব পৰা নাছিলো। তাইক চাবলৈ চেষ্টা নকৰি মই মাত্ৰ কফি অৰদাৰ দিবৰ বাবে বাট চাইছিলো।

পৌলে ইতিমধ্যে তাইৰ লগত কথা পতা আৰম্ভ কৰি দিয়ে তেওঁ প্ৰথমে কোৱা কথা এইদৰে আছিল “তোমাৰ চুলিখিনি মোৰ ভাল লাগিছে। তেনেদৰে চুলিখিনি ঠিয় হৈ থকা কেনেকৈ কৰিলা?” তেওঁ তাইৰ লগত কথা পাতি থাকোতে হঠাতে পৰিৱেশতো সহজ হৈ পৰিলে। অতি সোনকালে আমি সহজ হ’ব পাৰিলো আৰু তেওঁলোকৰ আলোচনাত আমি সকলো যোগ দিব পাৰো বুলি মই ভাবিলো আৰু আমাৰ মাজত তাইকো অন্তৰ্ভুক্ত কৰিলো। সেইদিনা মই এটা ডাঙৰ শিক্ষা শিকিলো — মই নিজকে যেনেকৈ আধুনিক বুলি ভাবো সেইদৰে মই “আধুনিক” নহয়। দুৰ্নীতিৰ আভাস দিয়া কিছুমান ধৰ্ম্মীয় চিন্তা এতিয়াও মোৰ আছে এইটোৰ বিষয়ে মই চিন্তা কৰিব লাগিব আৰু সকলো মানুহকে নতুন ধৰণে চোৱাৰ আৱশ্যক আনকি যিসকলৰ পাৰ্থক্য আছে যিকোনো পৰিস্থিতিত যি সকলে সহজ অনুভৱ কৰে আৰু অন্তৰ্ভুক্ত হ’ব বিচাৰে।

অৱশ্যে কফিৰ দোকানত ছোৱালীজনীৰ প্ৰতি মই অকলে অসাধাৰণ আৰু পৃথক হৈ আছিলো আনৰ আগত গ্ৰহণীয় হ’বৰ কাৰণে কিয় আমি নিজকে মানদণ্ড স্বৰূপে লওঁ আৰু ধৰিলওঁ যিসকল বেলেগ তেওঁলোক সমস্যাৰ মাজত? কোনটো চুলিৰ ষ্টাইল ঠিক বা কাপোৰৰ ষ্টাইল? চিনয় পৰ্বতৰ পৰা যেতিয়া মুচি ঘূৰি আহিছিল তেওঁক কেনে দেখিছিল মই সেই বিষয়ে ভাবিব ধৰিলো য’ত তেওঁ চল্লিশ দিন চল্লিশ ৰাতি থাকি ঈশ্বৰৰ পৰা দশ আজ্ঞা গ্ৰহণ কৰিছিল। মই জোৰদি ক’ব পাৰো তেওঁৰ চুলি বিশৃঙ্খল হৈছিল। ডাড়ি নিশ্চয়কৈ কাটিব লগা অৱস্থাত; আৰু তেওঁৰ কাপোৰ আৰু চেন্দেল লেতেৰা হৈছিল।

মই জানো যোহন বাপ্তাইজক অদ্ভুত ধৰণৰ ব্যক্তি আছিল। তেওঁ মৰুভূমিত জন্তুৰ ছাল পিন্ধিছিল আৰু মৌ আৰু ফৰিঙ খাই অকলে বাস কৰিছিল। যেতিয়া তেওঁ ওলাই আহিছিল চিঞৰি কৈছিল, “পাপীসকল তোমালোকে অনুতাপ কৰা, কাৰণ ঈশ্বৰৰ ৰাজ্য নিচেই কাষত।”

অচিনাকী মানুহক সাৱধানে যত্ন ল’ব লাগে বুলি বাইবেলে শিক্ষা দিছে কাৰণ আমি নজনাকৈয়ে দুতক আলহী সুধো (ইব্ৰী ১৩:২) ইয়াৰ মানে আমি তেওঁলোকৰ কাৰণে দয়ালু, মৰমিয়াল, বন্ধুভাৱ আৰু ক্ষমাশীল হ’ব লাগে আৰু আমাৰ ঘৰৰ আৰাম তেওঁলোকৰ লগত ভগাই ল’ব লাগে। বন্ধু পতাটো দূৰৈৰ কথা, অচিনাকিৰ লগত আনকি আজিকালিৰ সমাজত বহুতে কথাও নাপাতে।

মই জানো, মই সঠিককৈ জানো সম্ভৱত আপোনালোকে ক’ব, “জয়চ, আজি আমি এক বেলেগ পৃথিৱীত জীয়াই আছোহ্ল তুমি কাৰ লগত কথা পাতিছা তুমি নাজানাহ্ল” মই ভাবো আপুনি নিশ্চয় জ্ঞান ব্যৱহাৰ কৰক, কিন্তু ভয়ৰ দ্বাৰাই বন্ধুত্ব ভাৱ নোহোৱা অন্যমস্ক হ’বলৈ নিদিব। গীৰ্জ্জা, কাম কৰা ঠাই, স্কুল আৰু ওচৰ-চুবুৰীয়াত নতুন মানুহ বিচাৰি নিশ্চয় আপুনি মৰমৰ মাত দিব পাৰেহ্ল

ডাক্তৰৰ কাৰণে বাট চাই থাকোতে আপুনি নিশ্চয় তাত বহি থকা বয়সীয়া মহিলাৰ লগত কথা পাতিব পাৰে। অকলশৰীয়া অনুভৱ কৰা গৰাকীক অৱগ্যা কৰাৰ সলনি কিয় দশ মিনিত সময় নিদিয়ে তেওঁৰ নিজৰ কথা আপোনাক ক’বলৈ। আপুনি হয়তো তেওঁক কেতিয়াও দেখা নাপাব পাৰে, কিন্তু তেওঁ আপোনাক নিশ্চয় মনত ৰাখিব। সেইদৰেই আপুনি তেওঁৰ প্ৰতি যি কৰিলে তাৰ

কাৰণে ঈশ্বৰে আপোনাক প্ৰশংসা কৰিব। সঁচাই এইটো সৰু কথা, কিন্তু আপুনি তেওঁক যে অন্তৰ্ভুক্ত কৰিলে সেইটো ঈশ্বৰৰ ওচৰত গ্ৰহণীয়।

এই অধ্যায়ৰ লগতে আপুনি পৌল চেকলনে লিখা আলহী অধ্যায়ৰ কাহিনীটো পঢ়িলে দেখিব কেনেকৈ তেওঁ অশেষ চেষ্টা কৰি নিজৰ মৃত্যু প্ৰায় গীৰ্জ্জাটো ধৰ্ম্মীয় জাগৰণৰ দ্বাৰাই প্ৰেমেৰে পৰিপূৰ্ণ কৰি তুলিছিল। তেওঁৰ কাহিনীয়ে আমাক বহুতো শিক্ষা দিয়ে আৰু কঠিন প্ৰশ্ন কিছুমান নিজকে সুধিবলৈ উত্তেজিত কৰে। যদি আপোনাৰ গীৰ্জ্জাত সঁচাই জাগৰণ হয়, আপুনি সঁচাই উত্তেজিত হ'বনে বা বহুতো মানুহ জেমিৰ দৰে হোৱা কাৰণে বা তাতোকৈও বেয়া হোৱাৰ কাৰণে আপুনি এৰি যাবনে? তেওঁলোক হয়তো আশ্ৰয় স্থানৰ পৰা আহিব পাৰে আৰু ভাল নুগুন্ধাব পাৰে বা সুৰাপানৰ দুৰ্গন্ধি পাব পাৰে বা আন কোনো ভাল নলগা কথা হ'ব পাৰে। পৃথিৱীত দুখ-কষ্ট পোৱা মানুহে সদায় নিজকে ভালদৰে প্ৰদৰ্শন কৰিব নোৱাৰে। কেতিয়াবা তেওঁলোকে কৰে, কিন্তু সদায় নহয়, আমি ওপৰে ওপৰে বিচাৰ কৰিব নালাগে, সেয়ে কিতাপ পঢ়িবলৈ ইচ্ছুক হওঁক। মানুহক যি দৰে দেখা যায় তাৰ উপৰিও গভীৰ ভাৱে চাবলৈ ইচ্ছা কৰক আৰু তেওঁলোকৰ কাৰণে সকলো জানিবলৈ বিচাৰক।

## *আপোনাৰ আৰামৰ ঠাইৰ পৰা বাহিৰত ভৰি দিয়ক*

মানুহক ঈশ্বৰৰ প্ৰেম দেখুৱাবলৈ আপুনি আৰামৰ ঠাইৰ পৰা বাহিৰ ওলাই আনক আৰাম অনুভৱ কৰিবলৈ দিয়ক। বহুতো খ্ৰীষ্টীয়ানে জাগৰণৰ কাৰণে প্ৰাৰ্থনা কৰিবলৈ ভাল পায়; "পৃথিৱীৰ হেৰুৱা" সকলৰ কাৰণে তেওঁলোকে আনকি কান্দি কান্দি প্ৰাৰ্থনা কৰে। কিন্তু প্ৰকৃততে, যেতিয়া সঁচাকৈয়ে

> মানুহক ঈশ্বৰৰ প্ৰেম দেখুৱাবলৈ আপুনি আৰামৰ ঠাইৰ পৰা ওলাই আনক আৰাম অনুভৱ কৰিবলৈ দিয়ক।

গীৰ্জ্জাত জাগৰণ হয় সেই মানুহবোৰৰে কিছুমান আঁতৰি যায় কাৰণ তেওঁলোকৰ গতানুগতিক জীৱনত খেলি-মেলি লগাই আৰু তেওঁলোকে সেইটো ভাল নাপায়।

অলপতে মই গীৰ্জ্জাত শিক্ষা দিওঁতে স্থানীয় হস্পিতালৰ পৰা চকা থকা চকিত বহা ৰোগী গীৰ্জ্জাৰ সন্মুখত বহে। মোক প্ৰথম শাৰীত বহিব দিছিল কাৰণ মই বক্তা আছিলো কিন্তু চকা থকা চকিবোৰ প্ৰথম শাৰীৰ আগত লাইন পাতি আছিল। মোৰ ঠিক সন্মুখত বহা মানুহজন বেয়া গোন্ধাইছিল, যেতিয়া বেয়া গোন্ধ আহে মোৰ পেটটো বেয়া হোৱা যেন লাগে। (আমাৰ যেতিয়া সন্তানবোৰ সৰু আছিল, দেৰ ঘৰত থাকিলে বেয়া গোন্ধোৱা নেপকিনবোৰ তেওঁ সলাইছিলে।)

তাত বহি মই ঈশ্বৰৰ হাঁহিৰ অৰ্থ বুজি পাইছিলো; তেওঁ মোক য'ত বিচাৰিছিলে তাতে ৰাখিছিলে... মই প্ৰেম আৰু অন্তৰ্ভুক্তকৰণৰ বিষয়ে গীৰ্জ্জাত শিক্ষা দিবলৈ যাবৰ বাবে সাজু হৈছিলো। শিক্ষা

দিবলৈ যোৱাৰ বাবে বাট চাই থাকোতে মই খুব প্ৰাৰ্থনা কৰিছিলো, মই মোৰ নাকটো যিমান পাৰো সিমান ওপৰলৈ কৰি ৰাখিছিলো মোক খুব ধাৰ্ম্মীক যেন দেখিবৰ বাবে সম্ভৱত এনেকোৱা লাগিছিল মই যেনে স্বৰ্গলৈ চাইছো। মই জানো ঈশ্বৰেই তাত বহিবৰ কাৰণে ঠিক কৰিছিল আৰু প্ৰকৃততে মই তাতেই হ'ব লাগে। এইদৰে অনুভৱ কৰিবলৈ পোৱাৰ কাৰণে মোৰ ভাল লাগিছিল কাৰণ মই যিটো ক'বলৈ যাব ওলাইছিলো আনেও যাতে সেইদৰে কৰিবলৈ ইচ্ছা কৰে। আমি যি ঠাইলৈ যাওঁ সকলোতে সদায় আৰাম নাপাওঁহ্লু সম্ভৱত সেই মানুহ জনৰ কোনো নাই গা ধুৱাবলৈ আৰু সেয়ে যিদৰে গোন্ধাইছিল তাৰ কাৰণে তেওঁ একো কৰিব পৰা নাছিল। যিয়েই নহওঁক সেই ৰাতিৰ পৰিচৰ্য্যা কিছুমানৰ কাৰণে ভাল আছিল যি সকলে কথাবোৰ অনুভৱ কৰিছিল। স্থানীয় হস্পিতাললৈ গৈ ৰোগীসকলক স্বেচ্ছাসেৱক হৈ সহায় কৰকহ্লু

## *জেমিয়ে আকৌ চেষ্টা কৰিলে*

এই অধ্যায়টো শেষ কৰোতে, আপোনালোকৰ লগত জেমিৰ গল্পটো আলোচনা কৰি শেষ কৰিব খুজিছো। গীৰ্জ্জাৰ সৈতে দুখ লগা অভিজ্ঞতাৰ পাচত তাই কেতিয়াও গীৰ্জ্জালৈ নাযাবলৈ প্ৰতিজ্ঞা কৰিলে। বাস্তৱিকতে গভীৰ হতাশাত তাই সোমবাৰে কামলৈ গ'ল, যেতিয়া তাইৰ লগত কাম কৰা এগৰাকীয়ে তাইক দেখি সুধিলে কি হৈছে। জেমিয়ে সাধাৰণতে সকলো নিজৰ মাজতে ৰাখে কিন্তু সেইদিনা তাই ইমান দুখ পাইছিলে যে তাই কন্দা আৰম্ভ কৰিলে। তাইৰ লগত কাম কৰা চামানথাই মেনেজাৰক সুধিলে তাইৰ মনতো ভাল লগাবলৈ কাম কৰা মানুহৰ বিশ্ৰাম কৰা ঠাইলৈ তাইক লৈ যাবলৈ যদি জেমিৰ চুটিটো অলপ সোনকালে কৰি দিয়ে। জেমিয়ে তাইৰ অন্তৰৰ সকলো দুখৰ কথা চামাথাৰ আগত খুলি ক'লে, আনকি গীৰ্জ্জাত হোৱা বেয়া লগা অভিজ্ঞতাৰ কথা, সকলো কথা পাতিবলৈ চামাথাই তাইক নিজৰ ঘৰলৈ ৰাতিৰ আহাৰৰ কাৰণে নিমন্ত্ৰণ কৰিলে। জেমিৰ কাৰণে সেই গধুলিতো জীৱন সলনি কৰা গধুলি হিচাবে প্ৰমান হ'ল।

চামানথা প্ৰকৃত খ্ৰীষ্টিয়ান আছিল — অৰ্থাৎ তাই সঁচাকৈয়ে আনক সহায় কৰিছিল আৰু যত্ন লৈছিল। জেমিক সপ্তাহত দুবাৰ তাই লগ ধৰিবলৈ আৰম্ভ কৰিলে আৰু তাইৰ কাৰণে চিন্তা কৰিবলৈ আৰম্ভ কৰিলে অকল সেয়ে নহয় লাহে লাহে যীচুৰ কথা শিকালে আৰু তেওঁ তাইক যে কিমান ভাল পায় সেই কথা বুজালে। আৰু এবাৰ গীৰ্জ্জালৈ যাবলৈ চেষ্টা কৰিব নেকি চামানথাই জেমিক সুধিলে আৰু জেমিয়ে দেওঁবাৰে তাইৰ লগত গীৰ্জ্জালৈ গ'ল। জেমি উত্তেজিত হোৱা নাছিল, কিন্তু তাই অনুভৱ কৰিলে চামানথাৰ সৈতে কটোৱা সময়বোৰৰ কাৰণে তাই আজি এই সহভাগিতা পাইছে।

আগৰ গীৰ্জ্জাতকৈ ৰিজাৰেক্সন গীৰ্জ্জালৈ যোৱাতো জেমিৰ কাৰণে সম্পূৰ্ণ বেলেগ অভিজ্ঞতা আছিল। তাইক সকলোৱে মৰমেৰে মাতিছিলে আৰু গীৰ্জ্জাৰ সন্মুখৰ বিশেষ ঠাইত বহিবলৈ দিছিলে কাৰণ তাই আলহী আছিল। গোটেই উপাসনা যেন মাত্ৰ তাইৰ কাৰণেই আছিল তাইৰ এনে লাগিছিল, সঁচা জীৱনৰ লগত এই সকলোৰ সম্বন্ধ থকাৰ কাৰণে তাইৰ বুজিবলৈ সহজ

হৈছিল। যিবোৰ গান গাইছিল তাৰ বিশেষ অৰ্থ আছিল সেয়ে প্ৰত্যেকটোৱেই তাইৰ ভাল লাগিছিল। এইবাৰ উপাসনাৰ পাচত তাইক কফি খাবলৈ মাতিছিল আৰু বহুত মানুহকে তাই লগ পালে অৱশেষত তেওঁলোক তাইৰ ঘনিষ্ঠ বন্ধু হ'ল। এই গীৰ্জ্জাত সকলো বয়সৰে আৰু বেলেগ বেলেগ সংস্কৃতিৰ বহুতো মানুহে যোগ দিয়ে। কিছুমানে চোট টাই পিন্ধিছে, আকৌ বেলেগে জিনচ আৰু টি চাৰ্ট। তেওঁলোক প্ৰত্যেকেই স্বাধীন।

জেমিয়ে যীচুখ্ৰীষ্টৰ ওচৰত নিজৰ জীৱন সমৰ্পন কৰিলে আৰু তাই সদায় গীৰ্জ্জালৈ যোৱা আৰম্ভ কৰিলে। তাইৰ বিয়া হয়, তাইৰ দুটা সন্তান আৰু তাইৰ গোটেই পৰিয়ালটো ইনাৰ ষ্ট্ৰিত আউট...ৰ অংশ হ'ল, তেওঁলোকে ৰাস্তাত বাস কৰা মানুহসকলক পৰিচৰ্য্যা কৰে। জেমিয়ে অনুভৱ কৰিছিলে তাই সহজতে তেওঁলোকৰ মাজৰ এজন হ'ব পাৰে সেয়ে তাই এই কাম কৰি ভাল পাইছিলহুঁ

কি দুখ লগা আগৰ গীৰ্জ্জাৰ অভিজ্ঞতা, জেমিয়ে সেইদিনা ভবাৰ দৰেই যদি জীৱনটো শেষ কৰি দিলে হয় সেইটো দুখদায়ক নহ'লহেঁতেননে? তেওঁলোকে ভবাৰ দৰে গীৰ্জ্জাই সঠিক ভাৱে ঈশ্বৰক প্ৰকাশ কৰিব নোৱাৰাৰ কাৰণে সকলো তেওঁৰ ওপৰত এৰি দিয়ে, ঈশ্বৰৰ কাৰণে চেষ্টা কৰিছো বুলি ভাবি যেতিয়া মানুহে গীৰ্জ্জাত নিজ ইচ্ছাৰে কাম কৰিবলৈ চেষ্টা কৰে সেই কথা মই ঘিণ কৰো। আমি সকলো ধৰণৰ মানুহ আমাৰ মাজত অন্তৰ্ভুক্ত কৰিছো বুলি নিশ্চিত হ'ব লাগে। আপোনাৰ দৰে নহয় বুলি কাকো বাদ নিদিব। আমি সকলো মানুহকে ঘণিষ্ঠ বন্ধু বুলি লোৱাতো ভুল নহয়, আনকি যীচুৱে বাৰজন শিষ্যৰ ভিতৰত তিনিজন শিষ্যৰ লগত বেছি সময় নিয়াইছিল আন কেইজনতকৈ। কিন্তু তেওঁ এজনকো মূল্যত কম বুলি অনুভৱ কৰিব দিয়া নাছিল বা এজনকো তুচ্ছ জ্ঞান কৰা নাছিল।

# প্ৰেমৰ বিপ্লৱ

*পালক পৌল স্কেনলৌন*

ঈশ্বৰৰ চিন্তাত স্থানীয় গীৰ্জ্জা সকলোতকৈ ভালহু আমি ঈশ্বৰক “দান দি আগুৱাই” যোৱা সমাজ, আমি তেওঁৰ দ্বাৰাই উপচি পৰা, তেওঁৰ অভিজ্ঞতা, তেওঁৰ হাঁহি আৰু চহৰত আমি তেওঁৰ প্ৰতিনিধি। দুখৰ বিষয় বহুতো গীৰ্জ্জাই এইটো অনুভৱ নকৰে, আৰু তাৰ ফলস্বৰূপে কোটি কোটি মানুহ ঈশ্বৰৰ গৃহলৈ নাহি নিজৰ ঘৰতে মৃত্যুবৰণ কৰিছে, গীৰ্জ্জাৰ সম্পৰ্কহীন ব্যৱহাৰ আৰু ছদ্মবেশী ধৰ্ম্মৰ মাজেৰে বহুতে যীচুক চিনি নাপায়।

## *পাৰহৈ যোৱা*

দশ বছৰৰ আগতে, আমাৰ গীৰ্জ্জাৰ পুনৰ গঠনৰ চুড়ান্ত অৱস্থাৰ মাজেৰে যাব লগা হৈছিল আৰু ইয়াৰ কষ্ট অসহ্য যন্ত্ৰণাদায়ক আছিল। আমি তাৰ নাম (Crossing over) “পাৰহৈ যোৱা” ৰাখিছিলো। সেই কাৰ্য্যৰ ওপৰত কাহিনীৰ কিতাপ লিখা হ’ল সেই একে নামেৰে, তাত গোটেই ঘটনাবোৰ বহলাই লিখা হৈছে। ইওনাইটেদ কিংদমৰ য’ত আমি থাকো তাত বেছিভাগ গীৰ্জ্জাৰে সংখ্যা বিশজন মাত্ৰ আৰু শতকৰা ৯৮ মানুহে অকল গীৰ্জ্জালৈ নোযোৱাই নহয় তেওঁলোক “গীৰ্জ্জা বিৰুদ্ধী”। সেই সময়ত ৪৫০ জনতকৈও বেছি মানুহেৰে বৃটিচ মানদণ্ড অনুযায়ী আমাৰ গীৰ্জ্জাতো ডাঙৰ আছিল, যিটো ঘৰত গীৰ্জ্জাতো আছিল সেই ঘৰটোৰ টকা দিয়া হৈ গৈছিল। আমি ঘণিষ্ঠ ভাৱে আনন্দৰে আৰু উন্নতিৰ পথত আছিলো। গান আৰু কাৰ্য্যৰে আমাৰ গীৰ্জ্জা আশীৰ্ব্বাদপাপ্ত আছিল আৰু আমি খুব ভাল শিক্ষা উপভোগ কৰিছিলো। এই সকলো পোৱাৰ পাচতো কিবা এটা ডাঙৰ অভাৱ আছিল। গভীৰ ভাৱে কিছুমান মূল কথাৰ অভাৱ আছিল, কিন্তু সেইটো কোনেও লক্ষ কৰা নাছিল।

আমি শেষ নোহোৱা কিছুমান কথাৰ মাজত সোমাই পৰা যেন লাগিছিল যাক এইদৰে ব্যাখ্যা কৰিব পাৰি “উচ্চ মানদণ্ড অত্যাধিক খোৱা-বোৱা আৰু ব্যায়াম নকৰা খ্ৰীষ্টিয়ান।” চয়তানৰ গোপন আচনিৰ কাৰণে এক ভাল উপায় হ’ল উচ্চ মানদণ্ডৰ খ্ৰীষ্টিয়ান যাৰ দ্বাৰাই গীৰ্জ্জা অকামিলা হৈ পৰে। আপুনি লগ পোৱা এওঁলোক ভদ্ৰ মানুহ আৰু তেওঁলোকৰ মাজতেই সমস্যা থাকেহু এওঁলোকৰ কোনোৰেই অসুখী, বা “বেয়া অন্তৰ” থকা বা দুৰ্ব্বল স্বভাৱৰ নহয়। বিক্ৰী কৰাটো সহজ হ’ল হয় - কিন্তু মই পুনৰ গঠনৰ কাৰণে বেছি জোৰ দিব খুজিছো।

গীৰ্জ্জা আৰু পৰিচৰ্য্যাৰ অভাৱ ৰক্ষা কৰাত গোটেই পৃথিৱীৰে পলক সকলৰ কাৰণে কঠিন কাম আৰু এই বিষয়ে কৈ তেওঁলোকে নিজকে অধৈৰ্য্য আৰু অগ্ৰাহ্য কৰা বুলি ক’ব নিবিচাৰে, “The Emperor's New Clothes” গল্পৰ ল’ৰাটোৰ দৰে যি ল’ৰা জনে আঙুলিয়াই দেখুৱাইছিল

ইউৰোপৰ চাৰিওফালে প্ৰত্যেকৰ কাৰণে স্পষ্ট ভাৱে কি প্ৰয়োজন ঃ তেওঁ একো কাপোৰ পিন্ধা নাছিল।

আমি মৰিব ধৰিছো বুলি কোনে ক'ব যেতিয়া প্ৰত্যেকেই ইমান সুখী, প্ৰেমময়, বন্ধুত্বপূৰ্ণ আৰু আশীৰ্ব্বাদপ্ৰাপ্ত? কিন্তু মই সেই ল'ৰাটোৰ দৰে ১৯৯৮ চনৰ শেষৰ ভাগত, আৰু বিশ বছৰৰ ভিতৰত প্ৰথমবাৰৰ কাৰণে গীৰ্জ্জাক আঙুলিয়াই ক'ব লগা হ'ল যে, "আমি উলঙ, আৰামদায়ক, গভীৰভাৱে অনুভুত, সুৰক্ষিত আৰু সম্পৰ্কহীন।" —এইবোৰৰ ভিতৰত মইও অন্তৰ্ভুক্ত। এইদৰে চোৰাটো আমাৰ কাৰণে সহজ নাছিল কাৰণ অন্য গীৰ্জ্জাৰ দৰে আমাৰো হেৰাই যোৱা সকলক পাবৰ বাবে বাইবেল শিক্ষা আৰু ভাষাৰ শিক্ষা আছিল কিন্তু প্ৰকৃততে আমি কাকো পাব পৰা নাছিলো। আমি হেৰাই যোৱাৰ কাৰণে প্ৰাৰ্থনা কৰিছিলো, বাইবেল শিক্ষা দিছিলো আৰু হেৰুৱাৰ বিষয়ে গান গাইছিলো, আমি আনকি তেওঁলোকৰ কাৰণে কান্দিছিলো কিন্তু কোনো হেৰুৱাজনক উদ্ধাৰ কৰিব পৰা নাছিলো। আমি নিজৰ মাজতে ব্যস্ত থকা ধৰ্ম্মীয় ক্লাব হলো আৰু যি সকল এতিয়াও হেৰাই আছে আৰু কষ্টত আছে তেওঁলোকৰ কাৰণে আমাৰ যেন ঈশ্বৰৰ হৃদয় নোহোৱা হৈছে আমাৰ নিজৰ আৰাম আৰু আশীৰ্ব্বাদৰ মাজত।

মই ১৯৯৯ চনৰ জানুৱাৰী মাহত শুভবাৰ্ত্তা প্ৰচাৰ কাৰো আৰু বিষয়টোৰ নাম দিও ("We are leaving in 99 in 99") "আমি ৯৯ ৰ ৯৯ আছো" যীচুৰ বিষয়ে ব্যাখ্যা কৰি যি জনে নিজক মেৰৰখীয়া বুলি কৈছে যি বেছিভাগকে এৰি দিছিল — হেৰুৱা এজনৰ কাৰণে ৯৯ জনক এৰিছিলে। ইয়াৰ দ্বাৰাই মই ইয়াকে বোজাব খুজিছো যে প্ৰথমে অনা লোক সকলক আমি প্ৰাধান্য দিব লাগে কিন্তু ইতিমধ্যে যিসকল আমাৰ গীৰ্জ্জাত আছে তেওঁলোকক নহয়। এই কথাখিনি মই অনুভৱ কৰিছিলো যেতিয়া মই আৱিস্কাৰ কৰিলো যে নৰকৰ ক্ৰোধ অৱহেলিত খ্ৰীষ্টিয়ানৰ দৰেহে আত্মাৰে পৰিপূৰ্ণ ভাল মানুহৰ প্ৰতিক্ৰিয়াত মই অবাক হৈছিলো যেতিয়া সমাজৰ অলাগতীয়াল যঘন্য পাপী সকলেৰে পৰিপূৰ্ণ হৈ আমাৰ সোন্দৰ গীৰ্জ্জাৰ পৰিকল্পনা সহ্য কৰিব নোৱাৰি খুন্দিয়াই ঠেলি পঠিয়াব খুজিছিল।

১৯৯৯ চনত মই বাছেৰে গৈ পৰিচৰ্য্যা কৰা আৰম্ভ কৰিলো, অশেষ চেষ্টা কৰি আমাৰ আৰামত থকা আৰু বিশেষ কিছুমান অনুস্থানৰ সদস্যকলৈ জীৱন ৰক্ষা কৰা কাৰ্য্যৰ দ্বাৰাই ঘূৰাই আনিবলৈ। ঈশ্বৰে মোক যিদৰে কৰিব কৈছিল সেইয়া নিজেই এটা কাহিনী। কিন্তু মোক পতিয়ন নিয়াবলৈ এইটো যথেষ্ঠ অসাধাৰণ কথা, এইয়া "ঈশ্বৰৰ জ্ঞান" কাৰণ সৰ্ব্বশেষত মোক এটা ভাল জ্ঞানৰ প্ৰয়োজন।

শ শ পাপীসকলৰ লগত আমি গোটেই সপ্তাহটো ব্যস্ত হৈছিলো। আমাৰ সুন্দৰ অনুস্থানটো এই গীৰ্জ্জালৈ নহা, উচ্ছৃঙ্খল, কঠোৱা আৰু বুজিব নোৱাৰা লোকসকলে ধ্বংস কৰে। আমাৰ সন্মানীয় সদস্য সকলে তেওঁলোকক "বাহৰ মানুহ" বুলি উল্লেখ কৰে, যিসকলক তেওঁলোকে আমাৰ সুৰক্ষা আৰু স্থিৰতাৰ বাবে ভয়ৰ কাৰণ বুলি কৈছিল। মই ভাল পোৱা মানুহৰ পৰা প্ৰতিদিনে ভাল নলগা, প্ৰায়ে লেতেৰা আৰু ভয় দেখুৱাই লিখা চিঠি আৰু ফোন পাওঁ, কাৰণ তেওঁলোকে

এইবোৰ নুবুজে। আমাৰ দেওবৰীয়া স্কুল চলাবলৈ বাছত অহা ল'ৰা-ছোৱালীবোৰক দোষাৰূপ কৰা হৈছিল, আৰু বৰ গীৰ্জ্জা চলোৱাত তেওঁলোকৰ পিতৃসকলক সাধাৰণতে চিগাৰেট খাই, শপত খাই, আৰু আটাইতকৈ বেয়া আছিল আমাৰ স্থায়ী সদস্য সকলৰ বহা ঠাইত তেওঁলোকে বহিবলৈ ভয় কৰা নাছিল। এই সকলো কথা আমাৰ গীৰ্জ্জাৰ বেছিভাগ মানুহে ভাল পোৱা নাছিল।

মোক চাবলৈ দলৰ পাচত দল চলাওঁতাসকল আহিছিল মোক অনুৰোধ কৰিবলৈ, বাধ্য কৰাবলৈ এই সকেলা বন্ধ কৰিবৰ বাবে, কিন্তু ইতিমধ্যে বহুত পলম হৈ গৈছিল। মই সম্পূৰ্ণ চিন্তা কৰিব নোৱাৰা হৈ গৈছিলো যেতিয়া হেৰাই যোৱা সকলৰ নিমেত্তে ঈশ্বৰৰ যি আত্মা সেই আত্মাই মোৰ অন্তৰত ঠাই লৈছিল। কমেও দুবছৰ মোৰ অভিজ্ঞতা হৈছিল অকলশৰে থকা, পৃথক কৰি দিয়া আৰু মোৰ ওপৰত আক্ৰমণ কৰাৰ। এইটো সহ্য কৰা মোৰ বাবে খুব টানহৈ পৰিছিল যেতিয়া বন্ধুৰ পৰাই এই সকলো হৈছিল যি সকলে সম্পূৰ্ণ ৰূপে পাহৰি গৈছিল যে তেওঁলোকো এদিন তেনেদৰে খহি পৰিছিল পাপ সাগৰৰ গভীৰতাত, তথাপিও কিছুমান আহিছিল তেওঁলোকক চাবলৈ।

যেতিয়া মোক এইদৰে কৰাৰ পৰা অতৰাব নোৱাৰিলে তেতিয়া "ভাববানী কোৱা দল" আহিব ধৰিলে। আমাৰ মাজত তেওঁলোকক ভৱিষ্যৎবাণী কোৱা লোক বুলি কোৱা হয়। মোক চাবলৈ তেওঁলোকে সময় ঠিৰ কৰা আৰম্ভ কৰিলে, মোক কবৰ বাবে ঈশ্বৰে তেওঁলোকক মোৰ বিষয়ে কি কৈছে ক'বৰ বাবে প্ৰায়ে দল বান্ধি আহিছিলে। তেওঁলোকৰ শিক্ষা এইয়ে আছিল ঃ "যদি তুমি বন্ধ নকৰা, আমাৰ গীৰ্জ্জা ভাগ হৈ যাব, আৰু চহৰত আমাৰ যি সাক্ষ সেইটো বিপদত পৰিব।" কিন্তু ঈশ্বৰে মোক "নকৰিবা" বুলি কোৱা নাছিল যদিওবা মোৰ কাৰণে এই সকলো সহ্য কৰা অতি কঠিন আছিল। ঈশ্বৰে যদি মোলৈ আদেশ পঠিয়ালে হয় তেওঁ সাধাৰণ ভাৱে ক'লে হয় যদি তুমি কৰা তোমাৰ সকলো ত্যাগৰ এইয়া পুৰস্কাৰ। ইতিমধ্যে বেছি ভাগ কামেই হৈ গৈছিল সেই কাৰণে মোৰ উত্তৰ হ'লহেঁতেন মই প্ৰস্তুত। বহুতে এৰি যোৱাৰ কাৰণে আৰু দান নিদিয়াৰ কাৰণে মাহে দশ হাজাৰ ডলাৰ কম হৈছিল। যিসকলে আমাক এৰি গ'ল তাৰ পাচত আমি লাহে লাহে বাঢ়িব ধৰিলো, কিন্তু দুখীয়া মানুহৰ সৈতে — অকল টকা নথকাৰ কাৰণেই দুখীয়া নহয় কিন্তু তেওঁলোকক পাবৰ কাৰণে আৰু ধৰি ৰাখিবৰ কাৰণে বহুত খৰছ কৰিব লগা হৈছিল।

স্থানীয় গীৰ্জ্জাবোৰে নিজৰ সমাজৰ মানুহ পাব পাৰাতো এতিয়াও মোৰ কাৰণে ডাঙৰ যুদ্ধ যিটো সমগ্ৰ পৃথিৱীৰ গীৰ্জ্জাই সন্মুখিন কৰিব লগা হৈছে। যদি সেইটোৱে সত্য হয়, এতিয়াও গীৰ্জ্জাৰ কাৰণে ডাঙৰ প্ৰত্যাহবান আহি আছে। পালক হিচাপে আমি হয়তো হাজাৰজনক পাবৰ বাবে এশজনক হেৰুৱাবলৈ ইচ্ছা কৰিব লাগিব আৰু আনকি কৌটি কৌটি জনক পাবলৈ হাজাৰ জনক।

স্থানীয় গীৰ্জ্জা মই ভাল পাওঁ। মই সেই একে গীৰ্জ্জাতে ত্ৰিশ বছৰ আছো, তাৰে ছাবিশ্ বছৰ সম্পূৰ্ণ ঈশ্বৰৰ পৰিচৰ্য্যাত। কিন্তু মই যিমানেই বেছি গীৰ্জ্জাক ভাল পাব ধৰিলো, মই আৰামত থকা খ্ৰীষ্টিয়ান হৈ মৰিব নিবিচাৰো। মই সম্পূৰ্ণভাৱে জীয়াই থাকিবলৈ আৰু শূন্য হৈ মৃত্যু বৰণ কৰিবলৈ সিদ্ধান্ত লৈছো। স্থানীয় গীৰ্জ্জাৰ চাৰি বেৰৰ মাজত মই এই সকলো কৰিব নোৱাৰো আৰু আপুনিও নোৱাৰে।

যীচুৱে পৰিচাৰ্য্য কৰাৰ প্ৰথম দিনবোৰত কফৰণাহূম চহৰলৈ গৈছিল। লোকসকলে তেওঁক ভাল পাইছিল তেওঁৰ শিক্ষা আৰু চয়তান আৰু ৰোগীৰ ওপৰত তেওঁৰ শক্তি দেখি আচৰিত হৈছিল। মানুহে তেওঁক ইমান ভাল পাইছিল যে যি দিনা সেই চহৰ এৰিব খুজিছিল, লুকে কৈছে যে লোকসমূহ তেওঁৰ ওচৰলৈ আহি তেওঁক নাযাবৰ বাবে অনুৰোধ কৰিছিল আৰু তাতে ৰাখিবলৈ চেষ্টা কৰিছিল। (লুক ৪:৪২)

তেওঁৰ গভীৰ জ্ঞান আৰু চমৎকাৰ কাৰ্য্যৰ কাৰণেই তেওঁলোকে যুক্তিসংগত ভাৱে তেওঁক ৰাখিবলৈ চেষ্টা কৰিছিলে। চমৎকাৰ কাৰ্য্য হ'ল তেওঁৰ সৰলতা আৰু গভীৰ জ্ঞান হ'ল তেওঁৰ ভিতৰৰ জ্ঞানৰ শ্ৰেষ্ঠতা আৰু কাৰ্য্য কৰি যাব পাৰা ক্ষমতা। আশীৰ্ব্বাদপ্ৰাপ্ত সকলো লোকলৈ চাই যীচুখ্ৰীষ্টই ক'লে — "মই তোমালোকৰ লগত আৰু থাকিব নোৱাৰো কাৰণ মোক বেলেগ ঠাইত বেলেগ মানুহৰ আগতো প্ৰচাৰ কৰিবলৈ পঠিয়াইছে আৰু মই গৈ তেওঁলোকৰ আগতো শুভবাৰ্ত্তা প্ৰচাৰ কৰিবই লাগিব। তোমালোকে বুজিছানে ? মোক ঈশ্বৰে প্ৰচাৰ কৰিবলৈ পঠিয়াইছে আন বহুতো বেলেগ বেলেগ মানুহৰ মাজলৈ।" (লুক ৪:৪৩)

আপুনি যদি ঈশ্বৰক কাটিব পাৰে, তেওঁ আনৰো তেজ বোৱাব। কিন্তু আপুনি যদি গীৰ্জ্জাক কাটে, দুখেৰে কওঁ আমি নিজৰেই তেজ বোৱাও। আমি আমাৰ আশীৰ্ব্বাদ, আৰাম আৰু আমাৰ আনন্দৰ তেজ বোৱাও। অৱশ্যে তাত পাৰ্থ্যকতা আছে, কিন্তু পাৰ্থ্যকতাত বিশ্বাস কৰাটো খুব কম কাৰণ আমি আনৰ উপকাৰৰ ক্ষেত্ৰত সমান ভাৱে কাম কৰিব নিবিচাৰো। যুগ যুগ ধৰি কফৰণাহূমৰ মানুহৰ দৰেই গীৰ্জ্জাই যীচুক নিজে ধৰি ৰাখিবলৈ চেষ্টা কৰে, আৰু যুগ যুগ ধৰি যীচুৱে কোনো কাৰ্য্য নকৰি আৰামত থকা খ্ৰীষ্টিয়ান সকলক এৰিবলৈ চেষ্টা কৰি আছে যাতে আন মানুহৰ ওচৰলৈ যাব পাৰে। এই মূল ভুল বুজা বুজিৰ কাৰণেই গীৰ্জ্জাৰ ভিতৰত ব্যৰ্থতা আহিছে যাৰ প্ৰভাৱে পৃথিৱীত আঘাট হানিছে আৰু সেয়ে ঈশ্বৰৰ চিন্তাৰ বিষয়।

আমি আশীৰ্ব্বাদ দিবৰ কাৰণেই আশীৰ্ব্বাদপ্ৰাপ্ত; আমাক উদ্ধাৰ কৰিলে ঈশ্বৰক বিচাৰিবলৈ আৰু আনক উদ্ধাৰ কৰিবলৈ। আমি সুস্থ হ'লো সুস্থ কৰিবলৈ, ক্ষমা পালো ক্ষমা দিবলৈ, আৰু আমি মৰম পালো ঈশ্বৰৰ মহান প্ৰেমৰ বিপ্লৱত যোগ দিবলৈ। এইটো মই, আমাক, আমাৰ, মোক বা মোৰেই বিষয় নহয়। প্ৰেমৰ বিপ্লৱ সদায় আনৰ বাবে।

পাচনি পৌলে কৈছে আমি যদি ঈশ্বৰৰ পৰা আৰাম লাভ কৰিছো অকল আমাৰ কাৰণে নহয় ঃ "আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ পিতৃ ঈশ্বৰ ধন্য; তেৰেঁই কৰুণাময় পিতৃ, আৰু সকলো শান্তনাৰ ঈশ্বৰ। আমি নিজ ঈশ্বৰৰ পৰা যি শান্তনা পাওঁ, সেই শান্তনাৰে যেন সকলো ক্লেশত থকা বিলাকক শান্তনা কৰিব পাৰোঁ, এই কাৰণে তেওঁ আমাৰ ক্লেশৰ মাজত আমাক শান্তনা দিয়ে। কিয়নো যেনেকৈ খ্ৰীষ্টৰ দুখ আমালৈ উপচি পৰে, তেনেকৈ খ্ৰীষ্টৰ দ্বাৰাই আমাৰ শান্তনাও উপচি পৰে।" আনৰ বাবে (২ কৰি ১:৩-৫)

আনকি আমাৰ সমস্যা সম্পূৰ্ণ ভাৱে আমাৰ লগতে নাথকে; আন মানুহৰ আৰাম, আশা আৰু উদ্‌গনীৰ বীজ তেওঁলোকৰ ভিতৰত থাকে। মোৰ আশীৰ্ব্বাদ মোৰ আশীৰ্ব্বাদ নহয়; মোৰ ক্ষমা

মোৰ নহয়; মোৰ অনুগ্ৰহ মোৰ অনুগ্ৰহ নহয় আৰু অৱশেষত মোৰ জীৱন মোৰ নহয়। এই সকলো আনৰ, আৰু আনৰ যি সেইয়া আপোনাৰ আৰু মোৰ।

বিশ বছৰ আপুনি ভাল পোৱা মানুহ আৰু যাৰ লগত "জীৱন অতিবাহিত" কৰিছিল তেওঁলোকে যেতিয়া গীৰ্জ্জা এৰি যায় সেইটো কেনে বেদনাদায়ক। আমি ভাবো যাৰ সৈতে আমি বৃদ্ধ হৈছো তেওঁৰ লগত পৃথক হোৱাতো বেদনাদায়ক কিন্তু এইয়াও জন্ম দ্বায়ক বেদনা। আচলতে, কিবা বেয়াৰ মাজত ভাল হোৱাতো চাবলৈ কেতিয়াবা অসুবিধা হয়, কিন্তু যিটো আমি এৰিব নোৱাৰো সেইটো আমি কেনেকৈ এৰিম, আৰু আমি যদি এৰো কি হ'লহেঁতেন আমি কেতিয়াও বুজি নাপাম। কৰিব নুখুজা মানুহক ঈশ্বৰে পৰিচালনা নকৰে; আমি নিজেই সিদ্ধান্ত ল'ব লাগিব কৰিবলৈ। সকলো দুখৰ কাৰণে বীজ আছে, আৰু মোৰ বীজ হ'ল নতুন গীৰ্জ্জা যিটো জীৱন ৰক্ষা কৰা গীৰ্জ্জা হ'ব।

১৯৯৮ চনৰ শেষ ভাগত, আমাৰ গীৰ্জ্জাটো ডাঙৰকৈ বনোৱাৰ আমি আচনি লওঁ, আৰু তাত মই নেতৃত্ব লৈছিলো, আৰু বোধহয় দুই হাজাৰ মানুহ বহিব পাৰা পেক্ষাগৃহ বৰ্ত্তমানৰ বুৰঞ্জীত আমাৰ দেশত এনে কোনো গীৰ্জ্জাই বনাবলৈ চেষ্টা কৰা নাই। মোক দোষী সাব্যস্ত কৰা বাঢ়ি যোৱাত মই এই নিৰ্মান কাৰ্য্য আৰম্ভ কৰিলো, মই ভাবিলো মই যি হেৰুৱালো ইয়াৰ দ্বাৰাই ঘুৰাই পাম। মই আশা কৰিছিলো তেওঁলোক যাতে সোনকালে ঘূৰি আহে, কাৰণ আমি নতুন ঘৰত গীৰ্জ্জা কৰালৈকে আমাৰ সংখ্যা ৩০০ লৈ নামি যাব। চকি বনোৱাত আপুনি যিমানেই প্ৰতিভাবান নহওঁক কিয়, মানুহৰ বীনে একেটা কোঠাত আপুনি বহু ঠাই দুখন চকিৰ মাজত ৰাখিব পাৰে। দুহেজাৰ মানুহ বহিব পৰা ঠাইত মাত্ৰ তিনিশ মানুহ দেখিবলৈ কিমান খেলি-মেলি যেন লাগে বিশেষকৈ যেতিয়া গাড়ী ৰখা ঠাইৰ ওচৰত আৰু ছয়শ চকি থাকে।

২০০০ চনৰ জানুৱাৰী মাহ, আৰু সেইদিনাই ঈশ্বৰে মোক ইচাহাকে দেউতাকৰ নাদ পুনৰ খন্দা কাহিনীৰ পৰা বাক্য দিলে (আদি ২৬) প্ৰথমে খন্দা দুটা নাদৰ পৰা ইচাহাক আতৰি যায় কাৰণ পলেষ্টীয়াসকলে সেই দুটা নাদ পুনৰ মাটিৰে পুৰ কৰি দিছিল। ইচাহাকে সেই দুটা নাদৰ নাম একে আৰু চিতনা ৰাখিলে তাৰ অৰ্থ "বিবাদ" আৰু "বিপক্ষতা"। তেওঁ তাৰ পৰা গৈ তৃতীয় নাদ খান্দিলে, এইবাৰ কোনেও বিবাদ নকৰিলে আৰু তাক পুৰ নকৰিলে। তেওঁ তাৰ নাম ৰহোবোৎ ৰাখিলে যাৰ অৰ্থ "বহল" এই নাম ৰাখি তেওঁ ক'লে "এতিয়া যিহোৱাই মোক বহল ঠাই দিছে।" সেই প্ৰথম ৰাতিপুৱাৰ দেওবাৰৰ উপাসনাত দুই হাজাৰ মানুহ বহিব পৰা পেক্ষাগৃহত তিনিশ দুখত ভাগি পৰা, দুখীয়া মানুহৰ আগত মই বাৰ্ত্তা দিলো। দুবছৰৰ বিবাদ আৰু বিপক্ষতাৰ পাচত মই বিশ্বাস কৰো ৰহোবোৎ আহিল। এবছৰৰ পাচত এতিয়া হাজাৰ মানুহেৰে সৈতে আমাৰ ৰহোবোৎ সঁচাই আহিল।

পিলাতৰ বিচাৰ কক্ষত ঠিয় হৈ যীচুৱে জীৱনৰ শেষ সময়ত বাৰণবাৰে সৈতে তাত গোট খোৱা মানুহক স্বাধীনতাৰ বাবে সুবিধা দিলে। সেই সময়ৰ নিয়ম অনুযায়ী মানুহৰ অনুৰোধ ক্ৰমে ভোজৰ সময়ত এজন বন্দীক মুকলি কৰি দিয়ে। বাৰনবা বিদ্ৰোহী নেতা আছিল আৰু হত্যা কৰিছিলে। যীচুৱে একো দোষ কৰা নাছিল, আৰু তেওঁ যি কৰিছিলে কেৱল মানুহক সহায় কৰিবলৈ কৰিছিল। কিন্তু আচৰিত ধৰণে মানুহে বাৰনবাৰ মুক্তিৰ কাৰণে চিঞৰিলে আৰু যীচুক ক্ৰুচত

দিবলৈ। বিপ্লৱমুলক বিদ্ৰোহীক এইদৰে ৰক্ষা কৰে “যি সকলে চৰকাৰ বা শাসনত থকা সকলৰ বিৰুদ্ধে প্ৰতিৰোধ আৰু প্ৰতিদ্বন্দ্বিতা কৰে।” কিন্তু বিপ্লৱ হয় “যি সকলে চৰকাৰ বা সমাজৰ নিয়ম আঁতৰাই নতুন পদ্ধতি স্থাপন কৰে।”

এই কিতাপ প্ৰেমৰ বিপ্লৱৰ বিষয়ে, বিদ্ৰোহীক ভাল পোৱা নহয়। আমি পৃথিৱীৰ বিৰুদ্ধে বিদ্ৰোহ কৰিব নোৱাৰো, আমি বিপ্লৱী ভাৱাপন্ন কৰিবলৈ বিচাৰিব লাগে। ঈশ্বৰে জগতক ইমান ভাল পাইছিলে যে তেওঁ তেওঁৰ সলনি এজনক পঠিয়াইছিল শেষ প্ৰস্তাৱ হিচাপে নহয়। আমাৰ নেতা যীচু বিপ্লৱী, বিদ্ৰোহী নহয়, তেওঁ জগৰীয়া কৰি নহয় সলনি কৰিহে জয় কৰিছিল। এইয়ে আমাৰ প্ৰত্যাহ্বান হয়। পৃথিৱীয়ে যদি গীৰ্জ্জাক ভাল পাই, আমি নিশ্চয় উপাই বিচাৰিব লাগে ভাল নোপোৱা জনক ভাল পাবলৈ আৰু আঁতৰাই ৰখা জনক সোমোৱাই ল'বলৈ কোনো বিচাৰৰ মনোভাৱ নলৈ। আমি নিশ্চয় “শত্ৰুৰ লাইনৰ পাচফালে” থাকিব লাগে, আমি সন্মোখিন হোৱাটো চাব নালাগে কিন্তু আমি প্ৰতিৰোধৰ ব্যৱস্থা চাব লাগে। আমি ঈশ্বৰৰ বিকল্প সমাজ।

অলপতে আমেৰিকাৰ এয়াৰ পৰ্টত ঘূৰি ফুৰোতে, এডাল লাঠিৰে সৈতে মই এগৰাকী বয়সীয়া মহিলা মন কৰো, সুৰক্ষাৰ বাবে বস্তুবোৰ থোৱা ঠাইলৈ তেওঁ নিজৰ বস্তুবোৰ নিবলৈ যুজী আছিল। তেওঁৰ কষ্ট আৰু যুজী থকা দেখিও সুৰক্ষাত থকা মানুহজন তেওঁৰ প্ৰতি কঠোৰ আছিল, তেওঁক সহায় কৰিবলৈ একো কৰা নাছিল। মই সহজ ভাৱে তেওঁৰ বস্তুবোৰ লৈ বস্তু নিয়া বেল্টত দি দিও। আনহাতে মই তেওঁৰ লগত ৰৈ থাকো বস্তুবোৰ নমাই দিবলৈ। তেওঁ মোলৈ যি দৰে চাইছিল মই কেতিয়াও নাপাহৰো আৰু স্বস্তিৰ হাঁহি মাৰি কৈছিল “তোমাক বহুত ধন্যবাদ তোমাৰ মৰমে নিৰ্দ্দয় মানুহজনৰ ক্ষতি পুৰণ কৰিলে।” গীৰ্জ্জাৰ বিষয়ে মোক দোষাৰূপ কৰা কথা বেছি অনুভৱ কৰিছিলো সেই মহিলা গৰাকীৰ কথাত ঃ আঘাটপ্ৰাপ্ত পৃথিৱীৰ কাৰণে গীৰ্জ্জা ঈশ্বৰৰ ক্ষতিপুৰণ কৰা ঠাই।

ক্ষতিপুৰণ হ'ল “ঘুৰাই দিয়া, কম কৰা বা বেয়া প্ৰভাৱৰ ক্ষতিপুৰণ কৰা, বিপৰীত শক্তি ব্যৱহাৰ কৰি দুখ-কষ্ট বা আঘাট পুৰণ কৰা।” আমি ঈশ্বৰৰ বিপৰীত প্ৰভাৱ; আমি সমাজৰ দুখ-কষ্ট সমান্তৰাল ভাৱে আঁতৰাব লাগে। প্ৰেম আৰু আশাৰ প্ৰতিনিধি আৰু সদাগৰ হিচাপে পৃথিৱীত দুখ আৰু সমস্যাৰ সৈতে যুজী থকা সকলৰ মুখত হাঁহি বিৰিঙাব লাগে। যি হৈ আছে তাক ক্ষতিপুৰণে সলাব নোৱাৰে, কিন্তু যি হৈ আছে তাৰ প্ৰভাৱ কম কৰিব পাৰে। পৃথিৱীয়ে কেনেকৈ হাঁহিব লাগে পাহৰি যোৱা কাৰণে প্ৰেমৰ বিপ্লৱ ঈশ্বৰৰ এক ডাঙৰ আঁচনি।

আমাৰ জন্মগত পৰিবেশ গীৰ্জ্জা নহয়; পৃথিৱী — আৰামৰ ক্লাৱ নহয় কিন্তু ভয়ঙ্কৰ মহাসাগৰ। দুখ-কষ্ট আৰু বিদ্ৰোহৰ দ্বাৰাই ভাগি যোৱা পৃথিৱীত আমি আগবাঢ়ি যাবলৈ জন্ম গ্ৰহণ কৰিছো। মাছৰ দৰে, যি পানী ভাল পাই, আমি হেৰুৱা পৃথিৱীৰ মাজত ভাল কৰিব পাৰো কাৰণ মাছৰ দৰে, আমি সদায় তেনে অৱস্থাত থাকিবৰ বাবেই সৃষ্টি হৈছো। পানীৰ পৰা মাছক উলিয়াই দিলে মৰি যায়। ফুল মাটিৰ পৰা উলিয়াই দিলে মৰি যায়। পৃথিৱীৰ পৰা গীৰ্জ্জা অতৰাই দিলে আমি মৰিম। মাছে কেতিয়াও ভিজা অনুভৱ নকৰে কাৰণ পানী তাৰ ঘৰ, আৰু তথাপিও জন্মগত পৰিবেশৰ মাজত বহুতো খ্ৰীষ্টিয়ানৰ এলাৰজিৰ প্ৰতিক্ৰিয়া বেছি। আমি মাছৰ দৰে নিজকে সাগৰৰ পাৰত

টাৱেলেৰে মেৰিয়াই শুকুৰাই ৰাখোহ্লু মই জানো এইয়া হাঁহি উঠা ছবি, কিন্তু তথাপিও সঠিক আৰু খাপখোৱা।

বাইবেলে প্ৰায়ে গীৰ্জ্জাক বিদ্ৰোহী পৰিবেশত অঙ্কিত কৰিছে। পচি যোৱা পৃথিৱীত আমাক নিমখ বুলি বৰ্ণনা কৰিছে, আন্ধাৰত পোহৰ, ৰাং কুকুৰাৰ মাজত ভেড়া, বিদেশী আৰু অস্বাভাৱিক ব্যক্তিক আমাৰ মাজত থাকিব নালাগে। বিদ্ৰোহৰ মাজত উন্নতি হ'বলৈ আমাক গঠন কৰিছে। নৰকেৰে বিষাক্ত কৰা পৃথিৱীত আমি গীৰ্জ্জা হওঁ, উন্নতিৰ কাৰণে স্বৰ্গৰ এটা অংশৰে সজা। প্ৰেমৰ বিপ্লৱ আৰম্ভ কৰিবলৈ আমি ঈশ্বৰৰ বিপ্লৱী সৈন্য আৰু আজি আপোনাত আৰু মোত বিপ্লৱ আৰম্ভ হৈছে।

নৱম অধ্যায়

9

# মানুহক মূল্যবান বুলি অনুভৱ কৰোৱা

এতেকে শান্তিজনক, আৰু পৰস্পৰৰ উন্নতি সাধক
যি যি আছে, সেইবোৰলৈ যত্ন কৰোঁহক।
*ৰোখীয়া ১৪:১৯*

আনক মূল্যবান বুলি অনুভৱ কৰিবলৈ দিয়াৰ সিদ্ধান্তটো আটাইতকৈ সহজ উপায় প্ৰেমৰ বিপ্লৱক সক্ৰিয় কৰিবলৈ সহায় কৰাত। মাদাৰ টেৰেচাই কৈছিল - "সকলোৱে নিবিচৰা, মৰম নকৰা, যত্ন নোলোৱা, সকলোৱে পাহৰি যোৱা, মই ভাবো এইটো আটাইতকৈ ডাঙৰ ভোক, মানুহৰ একো খাবলৈ নথকাতকৈ বেছি ডাঙৰ দৰিদ্ৰতা।" মই আৱিস্কাৰ কৰিছিলো যে আমাৰ দৈনন্দিন জীৱনত লগ পোৱা বা সংস্পৰ্ষত অহা বেছি ভাগ মানুহৰ ঈশ্বৰৰ সন্তান বুলি যে সীমাহীন মূল্য আছে তাক অনুভৱ নকৰে। মই ভাবো চয়তানে মানুহক মূল্যহীন আৰু অকামিলা ভাবিবলৈ খুব কষ্ট কৰে কিন্তু আমি চয়তানৰ মিছা প্ৰভাৱবোৰ অকাৰ্য্যকাৰী কৰি দিব পাৰো মানুহক গঢ়ি তুলিবলৈ পৰোক্ষভাৱে আভাস দি, উৎসাহিত কৰি আৰু জ্ঞান দান কৰি। এই কাম কৰাৰ এটা উপায় হ'ল অন্তৰেৰে সৈতে সমাদৰ জনোৱা, যিটো পৃথিৱীত আটাইতকৈ বহুমূল্য দান।

> আনক মূল্যবান বুলি অনুভৱ কৰিবলৈ দিয়াৰ সিদ্ধান্তটো আটাইতকৈ সহজ উপায় প্ৰেমৰ বিপ্লৱক সক্ৰিয় কৰিবলৈ সহায় কৰাত।

বহুতো মানুহে আনৰ লগত সহজতে ৰিজনী দিয়ে, এইদৰে কৰাত তেওঁলোকে নিজৰ কাৰ্য্য ক্ষমতা আৰু মূল্য প্ৰায়ে চাবলৈ সক্ষম নহয়। আন মানুহক মূল্যবান বুলি অনুভৱ কৰিবলৈ দিয়াত কোনো সময় খৰছ নহয় আৰু ই দামীও নহয়। আমি সকলোৱে এইদৰে কৰিবলৈ হ'লে নিজৰ কাৰণে চিন্তা নকৰি আনৰ কাৰণে চিন্তা কৰিব লাগে আৰু তেওঁলোকক ক'বলৈ উদ্‌গনীমূলক কথা ভাবি উলিয়াব লাগে। মানুহক মূল্যবান বুলি অনুভৱ কৰিবলৈ দিয়াত কোনো টকাৰ প্ৰয়োজন নাই, কিন্তু টকাৰে যি কিনিব পাৰে তাতকৈ মূল্যবান বস্তু তেওঁলোকক দিব পাৰি। অন্তৰেৰে সৈতে ধন্যবাদ জনোৱা বা আদৰ জনোৱাটো সৰু কথা যেন লাগে, কিন্তু ই অদ্ভুত শক্তি দিয়ে।

লক্ষত উপনিত হোৱাটো মই বিশ্বাস কৰো, আনক উৎসাহিত কৰাৰ ক্ষেত্ৰত ঈশ্বৰৰ সৈতে ভাল অভ্যাস গঢ়ি তুলিবলৈ মই যেতিয়া কাম কৰিছিলো মই নিজকে প্ৰত্যাহ্বান দিছিলো দিনত অতি কমেও তিনিজন মানুহক প্ৰশংসা কৰিবলৈ। আক্ৰমণমূলক ভাৱে উৎসাহিত কৰা লোক হ'বলৈ সেই একে দৰে কাৰ্য কৰিবৰ বাবে আপোনাক দায়িত্ব অৰ্পন কৰো।

## *পাহৰি যোৱাসকলক পাহৰি নাযাব*

মানুহে প্ৰায়ে অকলশৰীয়া আৰু পাহৰি যোৱা বুলি অনুভৱ কৰে। তেওঁলোকে খুব কষ্টৰে কাম কৰিছে বুলি ভাবে কিন্তু কোনেও মনোযোগ নিদিয়ে আৰু চিন্তা নকৰে। এগৰাকী মহিলাৰ কথা মোৰ মনত পৰে, তেওঁ কৈছিল, তেওঁৰ জীৱনৰ বেছি ভাগ সময় তেওঁ নিজকে অদৃশ্য যেন অনুভৱ কৰিছিল। পিতৃ-মাতৃয়ে অৱগ্যা কৰা কথা মনত পেলাওঁতে তেওঁৰ মুখত ফুটি উঠা বেদনা মোৰ মনত পৰে। তেওঁ অকলশৰীয়া আৰু পৃথক অনুভৱ কৰিছিল যিটোৱে তেওঁক অলাগতীয়াল ভাবিবলৈ বাধ্য কৰাইছিল। তেওঁৰ জন্মৰ সময়ত তেওঁৰ পিতৃ-মাতৃ কমবয়সীয়া আছিল; তেওঁলোক সন্তানৰ বাবে যুগুত নাছিল আৰু তেওঁলোক খুব আপোনপেটিয়া আৰু আত্মকেন্দ্ৰিক আছিল। তেওঁলোকে তাইক কোনো মৰম-আদৰ দিয়া নাছিল বা আবেগিক ভাৱে সহাৰি দিয়া নাছিল। তাই সৰু কালত আৰু যুৱতী অৱস্থাত কিতাপ পঢ়ি কোঠাতে বছৰবোৰ কটাই দিছিল।

এই মহিলাৰ সৰুকালৰ বিৱৰণ আৰু নিজকে অদৃশ্য বুলি ভবা অনুভূতি অতি দুখ লগা, আৰু সাধাৰণভাৱে মই মানুহক প্ৰায়ে অদৃশ্য বুলি কেনেকৈ ভাবিছিলো ভাবি আচৰিত লাগে, কাৰণ মই যি কৰিছিলো তাৰ কাৰণে ইমান জনাজাত হৈছিলো বা লক্ষত উপনিত হ'বলৈ মই ইমান ব্যস্ত হৈছিলো যে আনৰ উপস্থিতি স্বীকাৰ কৰিবলৈ মোৰ আনকি সময়ো নাছিল। মোৰ ব্যক্তিত্ব খুব কেন্দ্ৰিভুত আছিল আৰু সিদ্ধান্ত লৈছিলো লক্ষত উপনিত হ'বলৈ। মই বহুতো কাম সম্পূৰ্ণ কৰিছিলো, কিন্তু সেয়া কৰিবলৈ যাওঁতে আনক যে আঘাট কৰিব নালাগে মই শিকিবই লাগিব। আন নিষ্ঠাবান মানুহ নোহোৱাকৈ কোনো লক্ষত উপনিত হ'ব নোৱাৰে, আৰু যেতিয়া প্ৰয়োজন হয় তেওঁলোকক প্ৰশংসা কৰিবলৈ আৰু তেওঁলোকৰ ওপৰত আস্থা ৰাখিবলৈ পাহৰি যোৱা ব্যৱহাৰত ঈশ্বৰ সন্তোষ্ট নহয়।

## *সাধাৰণ কথাই ডাঙৰ কথা হ'ব পাৰে*

বাইবেলত ঈশ্বৰে সঘনাই নিষ্পেষিত, বিধৱা, মাউৰা, পিতৃহীন আৰু বিদেশীৰ প্ৰতি আমাৰ দায়িত্বৰ কথা কৈছে। যিসকল অকলশৰীয়া আৰু যি সকলে অৱহেলিত, পাহৰি যোৱা আৰু মূল্যহীন বুলি ভাৱে ঈশ্বৰে তেওঁলোকৰ কথা উল্লেখ কৰিছে। তেওঁ ভুকাতুৰ আৰু নিষ্পেষিত সকলৰ কাৰণে গভীৰভাৱে চিন্তা কৰে। বহুতো ধৰণে মানুহ ভুকাতুৰ হ'ব পাৰে। তেওঁলোকৰ হয়তো খাবলৈ বহুত আহাৰ থাকিব পাৰে কিন্তু উৎসাহিত হ'বৰ বাবে ভুকাতুৰ হ'ব পাৰে বা কিছুমান শব্দ যিয়ে তেওঁলোকক মূল্যবান বুলি অনুভৱ কৰাব। যি সকলে দুখেৰে সৈতে ঈশ্বৰৰ ওচৰত আঠু লয় ঈশ্বৰে তেওঁলোকক ওপৰ উঠায়, তেওঁ অচিনাকীক সুৰক্ষা দান কৰে আৰু পিতৃহীন আৰু বিধৱাক ধৰি ৰাখে (গীতঃ ১৪৬:৭-৯) তেওঁ এই সকলো কেনেকৈ কৰে? তেওঁ মানুহৰ মাজেৰে কাম কৰেহ্ল তেওঁত সমৰ্পিত, বশীভুত, উৎসৰ্গীত মানুহৰ প্ৰয়োজন যি আনক মূল্যবান বুলি অনুভৱ কৰিবলৈ জীয়াই আছে। মাদাৰ টেৰেচাই সমাজচ্যুত লোক সকলক মৰম আৰু মূল্যবান বুলি অনুভৱ কৰাবলৈ নিজৰ জীৱনটো দিলে। তেওঁ কৰা কামবোৰ সাধাৰণ আছিল, সেইবোৰ সাধাৰণতে সৰু কাম আছিল, তথাপি সেইবোৰ ডাঙৰ কাম আছিল। তেওঁ কৈছিল "নাভাবিব যে প্ৰেম, অকৃত্ৰিম আৰু, অসাধাৰণ হ'ব লাগে। আমাক ভাগৰি নপৰা প্ৰেম লাগে।"

## *আমি তুলি লোৱা হওঁ*

পৱিত্ৰ বাক্য যিয়ে মোক গভীৰ ভাৱে উৎসাহিত কৰে সেয়া হৈছে গীতমালা ২৭:১০ "যদিও মোৰ পিতৃ-মাতৃয়ে মোক ত্যাগ কৰে তথাপি ঈশ্বৰে মোক তুলি লয় (মোক সন্তানৰ দৰে তুলি লয়)"

মোৰ মাই দেউতাক খুব বেছি ভয় কৰিছিল, সেয়ে তেওঁ মোক কৰা বহুতো অপব্যৱহাৰৰ পৰা তেওঁ মোক ৰক্ষা কৰিব পৰা নাছিল। মোৰ দুঃস্বপ্নত মই খুব অকলশৰীয়া, পাহৰি যোৱা আৰু পৰিত্যাগ কৰা অনুভৱ কৰিছিলো। সৰ্ব্বশেষত কোনেও সহায় নকৰে বুলি মই সিদ্ধান্ত ল'লো, সেয়ে মোৰ পৰিস্থিতিত "জীয়াই" থাকিবলৈ আগুৱাই গ'লো যেতিয়ালৈকে মই নিজকে ৰক্ষা কৰিব পাৰো। মই বুজিব পাৰিলো যে অসংখ্য মানুহ যাৰ লগত প্ৰতিদিনে মোৰ দেখা সাক্ষাৎ হয় তেওঁলোকে জীয়াই থাকিবলৈ চেষ্টা কৰে যেতিয়ালৈকে কোনোবাই তেওঁলোকক ৰক্ষা কৰে — আৰু সেই কোনোবা জন আপুনি আৰু মই হ'ব পাৰো।

বাইবেলে কৈছে যে ঈশ্বৰৰ প্ৰেম, "তেওঁ যীচু খ্ৰীষ্টত আমাক মনোনীত কৰিলে (প্ৰকৃততে তেওঁৰ নিজৰ কৰি আমাক তেওঁৰ কাৰণে তুলিলে) পৃথিৱী স্থাপনৰ পূৰ্ব্বেই।" (ইফি ১:৪) তেওঁ আমাৰ কাৰণে প্ৰেমেৰে আঁচনি বনায় নিজৰ সন্তান কৰি আমাক তুলি ল'লে। মোৰ ভাঙি যোৱা আত্মালৈ সেই সুন্দৰ বাক্যই সুস্থতা আনি দিয়ে। ঈশ্বৰে পৰিত্যাগ আৰু অকলশৰীয়াক তুলি লয় আৰু তেওঁলোকক মূল্যদান কৰে। তেওঁ তেওঁৰ বাক্যৰ যোগেদি কাম কৰে, পৱিত্ৰ আত্মাৰ যোগেদি আৰু আত্মাৰে পৰিচালিত লোকৰ যোগেদি যি আনক সহায় কৰিবলৈ জীয়াই থাকে।

মাদাৰ টেৰেচাই ভাৱে তেওঁ লগ পোৱা সকলো মানুহ “ছদ্মবেশ ধৰি যীচু।” মাত্ৰ কল্পনা কৰিবলৈ চেষ্টা কৰক আমি কিমান বেলেগ ধৰণে মানুহক ব্যৱহাৰ কৰো যদি আমি তেওঁ যিদৰে কৰে তালৈ চাওঁ। যীচুৱে কৈছে আমি যদি মানুহলৈ ভাল কৰো বা বেয়া কৰো আনকি “সকলোতকৈ সৰু”লৈও, আমি তেওঁৰ কাৰণেই কৰো (মথি ২৫:৪৫) আন দৰে ক'বলৈ হ'লে, আমি আনৰ প্ৰতি কৰা ব্যৱহাৰ তেওঁ নিজে লয়। যদি কোনোৱে মোৰ এটা সন্তানকো অপমান, হেয়জ্ঞান, আউকান বা মূল্যহীন বুলি ভাৱে, মই ব্যক্তিগত অপমান বুলি লওঁ, সেয়ে ঈশ্বৰেও যে সেইদৰেই অনুভৱ কৰে বুজিবলৈ কিয় টান হয়? আহক আমি মানুহক ওপৰ উঠাবলৈ যত্ন কৰো, আমি লগ পোৱা প্ৰত্যেক জনক ভাল অনুভৱ কৰিবলৈ দি আৰু তেওঁলোকৰ জীৱনৰ মূল্য দি।

## হাঁহিৰে আৰম্ভ কৰক

প্ৰেমৰ আৰম্ভ হ'ল হাঁহি। ই সমৰ্থন কৰা আৰু গ্ৰহণ কৰা বুজায়। সকলোৰ ফালে চাই আমি হাঁহিবলৈ শিকিব লাগে, আৰু যেতিয়া আমি কৰো, অকল তেওঁলোকেই ভাল অনুভৱ নকৰে, আমিও ভাল অনুভৱ কৰো।

মই সাধাৰণতে চিন্তাত দুব গৈ থাকো আৰু সেই কাৰণেই বৰঞ্চ মোক গভীৰ ভাৱে অনুভুত যেন দেখাব পাৰে। মই বহুত দায়িত্ব বহন কৰো আৰু সেয়ে মই যদি সাৱধান নহওঁ মোৰ চেহেৰা গোমোঠা হ'ব পাৰে। মানুহৰ ফালে চাই হাঁহিবলৈ মই শিকো, সুধক সেইটো কেনেকৈ আৰু কবৰ কাৰণে কোনোবা বন্ধুত্ব পৰায়ণক বিচাৰক। সঁচাই আমি বন্ধুত্ব ৰাখিবলৈ যদি খুব ব্যস্ত হওঁ তেতিয়া হ'লে আমি ভাৰসাম্য হেৰুৱাম আৰু আমি সম্বন্ধ সূচক ঘটনাৰ সন্মুখিন হ'ব পাৰো। আমাৰ জীৱনৰ এটা ডাঙৰ অংশ হ'ল সম্বন্ধ আৰু বাইবেল হৈছে সম্বন্ধ বিষয়ৰ কিতাপ। ইয়াত ঈশ্বৰৰ সৈতে সম্বন্ধ, নিজৰ সৈতে আৰু আন মানুহৰ সৈতে থকা সম্বন্ধৰ বিষয়ে পাওঁ।

হাঁহি আৰু বন্ধুত্বপূৰ্ণ আদৰণিয়ে কেনেকৈ মানুহক সহজ কৰে ই আচৰ্য্যজনক। বহুতৰ ভিতৰত এই দুটা উপায় আমি যি ফালেই নাযাও আনক দিব পাৰো। আপুনি হয়তো ভাবিব পাৰে, সেইয়া মোৰ কাৰণে নহয়। মই খুব সংৰক্ষিত্ব আৰু ব্যক্তিগত। মই মানুহৰ সৈতে বেছি মিলিব নুখুজো, বিশেষকৈ যি সকলক নাজানো। আপুনি যদি সেইদৰে ভাৱে, মই বুজি পাওঁ কাৰণ মইও ঠিক তেনেদৰেই আছিলো যেতিয়ালৈকে মই উৎসাহিত কৰা, জ্ঞান দান, সাৱধান বাণী আৰু মানুহক মূল্যবান বুলি অনুভৱ কৰিবলৈ দিয়া কথা বাইবেলত গভীৰ ভাৱে চোৱা নাছিলো। মই সত্যটো শিকিলো যে মই স্বাভাৱিক ভাৱে এই বিষয়ত আশীৰ্ব্বাদ পোৱা নাই তাৰ মানে এইটো নহয় মই কেনেকৈ কৰিম শিকিব নোৱাৰো।

বহু বছৰ মই বন্ধুত্ব কৰাৰ পৰা নিজকে দূৰৈত ৰাখিছিলো এইদৰেকৈ “সেইটো মোৰ কাৰণে নহয়, মই অকলশৰীয়াই,” কিন্তু বাইবেলত “অকলশৰীয়া” উপহাৰৰ তালিকাত নাই। নিজকে “অকলশৰীয়া” ভবাটো সাধাৰণতে ক্ষমা খোজা বিশৃঙ্খল বিষয়বোৰৰ পৰা দুৰ্বল বুলি আতৰি থকা যিয়ে নহওঁক আমি অৱশ্যে ভাবো, মই মানুহৰ ফালে চাই হাঁহিলে যদি তেওঁ নাহাঁহে মই কেনে

অনুভৱ কৰিম? মই অবগ্যা কৰা অনুভৱ কৰিম আৰু মোৰ কেতিয়াও ভাল নালাগিব। আমি বহুতেই জীৱনৰ বহু সময় প্ৰত্যাক্ষান নহ'বৰ বাবে চেষ্টা কৰি সময় কটাও কিন্তু ভাল স্বাস্থ্য আৰু সম্বন্ধ গঢ়ি তুলিবলৈ চেষ্টা নকৰো। ডাক্তৰৰ কাৰণে বাট চাই থাকোতে মই যদি অচিনাকী মানুহৰ লগত বন্ধুত্ব ভাৱেৰে কথা পাতিবলৈ চেষ্টা কৰো কি হ'ব আৰু ই প্ৰমান কৰে নেকি যে পুৰুষ বা মহিলাক অকলশৰে এৰি দিয়া হৈছে? হঠাতে মোৰ সঙ্কোচ ভাৱ হয় আৰু বেয়া অনুভৱ কৰো সুবিধা দিয়াৰ সলনি, নিজৰ সুৰক্ষাৰ কাৰণে মই হয়তো অকলে থাকো। যেতিয়া এনে হয় আমি ঈশ্বৰৰ প্ৰেমৰ দ্বাৰাই হাঁহি আৰু বন্ধুত্বৰ কথাৰে মানুহক আকৰ্ষণ কৰাৰ সুবিধা হেৰুৱাও। আমি যেতিয়া আমাৰ হাঁহি আনক দিও আমি আন কোনো এজনক হাঁহিবলৈ দিওঁ আৰু এইটো আটাইতকৈ ভাল উপহাৰ আনক দিবলৈ।

প্ৰেমৰ বিপ্লৱৰ অংশিদাৰ হ'বলৈ হ'লে আমাক অভ্যাস আৰু চেষ্টাৰ প্ৰয়োজন। আমাৰ কিছুমান কাৰ্য্য আমি নিজ ইচ্ছাৰে সলনি কৰাটো দাবী কৰে আৰু ঈশ্বৰক পথ দেখুৱাবলৈ আমি অনুৰোধ কৰিব লাগে। আপুনি কল্পনা কৰিব পাৰেনে যে যীচুৱে ঘোপাকৈ চাইছিল, আৰু বন্ধুত্বহীন ভাৱে বা মানুহক অৱগ্যা কৰিছিল মাত্ৰ নিজে অৱহেলিত অনুভৱ নকৰিববলৈ বা নিজৰ কামত ব্যস্ত থকাৰ কাৰণে। নিশ্চয় আমি জানো যে যীচুৱে কেতিয়াও সেইদৰে কৰা নাছিল আৰু আমি সিদ্ধান্ত ল'ব লাগে যে আমিও নকৰো। খুব বেছি হাঁহিবলৈ আৰম্ভ কৰক আপুনি যেতিয়া অকলে থাকে তেতিয়াও হাঁহিবলৈ চেষ্টা কৰক আৰু আপুনি দেখিব যে ই সহজ আৰু সুখী কৰি তুলিছে। পাচনি পৌলে তেওঁ শিক্ষা দিয়া সকলক কৈছিল ইজনে সিজনক পৱিত্ৰ হাঁহিৰে সম্ভাষণ জনাবলৈ (ৰোমীয়া ১৬:১৬) যিটো সেই সময়ৰ সামাজিক ব্যৱস্থা আছিলে। মই অকল হাঁহিবলৈ কৈছোহু

## *যদি স্বাভাৱিক ভাৱে নাহে চিন্তা নকৰিব*

এই অধ্যায়ৰ শেষত এই কিতাপত জন মেক্সৱেলৰ বৰঙণী আপোনালোকে পঢ়িবলৈ পাব, তেওঁ আমাৰ বন্ধু আৰু অন্তৰদেশীয় বক্তা আৰু লিখক, তেওঁৰ বিষয় হ'ল নেত্ৰিত। জনৰ উপস্থিতিত কেই মিনিট মানৰ ভিতৰতে প্ৰত্যেকজনে আচৰ্য্যজনক ভাৱে মূল্যবান অনুভৱ কৰে। এই বিষয়ত তেওঁৰ অধিক ক্ষমতাৰ বিষয়ে তেওঁ আৰু মই কথা পাতো আৰু তেওঁ সহজ ভাৱে স্বীকাৰ কৰিলে যে তেওঁৰ দেউতাকে সেই একেদৰেই তেওঁৰ ওপৰত প্ৰভাৱ পেলাইছিল। তেওঁ বাঢ়ি যোৱাৰ লগে লগে ভাল উদাহৰণে অকল পোৱা নাছিল তেওঁ ঈশ্বৰৰ পৰা উদ্‌গনিও (প্ৰতিভা, ক্ষমতা) লাভ কৰিছিল।

উদ্‌গনিৰ বিষয়ে বাইবেলে কৈছে (ৰো ১২:৮) আৰু কৈছে যি সকলক এই দান দিয়া হৈছে তেওঁলোকে উৎসাহ আৰু হৰ্ষিত মনেৰে আগ্ৰহেৰে আনন্দ মনেৰে আকোৱালী ল'ব লাগে। যেনেকৈ মোক আনৰ লগত সংযোগ ৰখাৰ দান দিছে তাৰ দাৰাই বিশেষ কষ্ট নকৰাকৈ প্ৰভাৱ পেলাই কথা ক'ব পাৰো, কিছুমান মানুহৰ উৎসাহিত কৰা দান থাকে। তেওঁলোকে কোনো কষ্ট নকৰাকৈ আনক

উৎসাহিত কৰে, স্বাভাৱিক ভাৱে তেওঁলোকে কৰে। যদিওবা কিছুমানে হয়তো উৎসাহিত কৰা দানক মূলহীন ভাৱে, কিন্তু মই ভাবো পৃথিৱীত এইটো খুব অৰশ্যকীয় দান।

এনে মানুহক জনা বা তেওঁলোকৰ লগত থকা আনন্দজনক, কিন্তু মই আকৌ আপোনাক অনুৰোধ কৰো স্বাভাৱিক ভাৱে আনক উদ্‌গনি দিব নোৱাৰাৰ কাৰণে নিজৰ মূল্যহ্ৰাস নকৰিবহ্ল মোৰ দান দিয়াৰ সহজ গুণ আছে আৰু মনত ৰাখিব পাৰে যে সৰু সন্তানে কাৰবাক উপহাৰ দিবলৈ পৰিকল্পনা কৰিবলৈ ভাল পাই আৰু সেইটোৱে তাক বা তাইক আনন্দ দিব পাৰে। সকলোৰে আত্মিক দান দিয়া বৰ নাথাকিব পাৰে (ৰোমীয়া ১২) কিন্তু সকলোকে দিবলৈ কৈছে আৰু উদ্দেশ্যত কৰিব কৈছে।

## আগুৱাই যোৱা আৰু হাঁহা

আমি বহুতেই শুনিছো আমাৰ শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ ওপৰত কিছু পৰিমানে হাঁহিৰ মূল আছে। মিছিকিয়া হাঁহি, হাঁহিৰ দুৱাৰেদি সুমোৱা পথ যিটো আমি সঘনাই আৰু উদ্দেশ্যত কৰিব লাগে।

বাইবেলে কৈছে যে আনন্দিত মন ভাল ঔষধৰ দৰে। (হিতো ১৭:২২) মোৰ শিক্ষা দিয়া পৰিচৰ্য্যাত এটা আচৰিত কথা মই মন কৰিছো যে মই খুব আমোদপ্ৰিয়। মই এইটো আচৰিত বুলি কওঁ, কাৰণ যিটোক মই "সাধাৰণ জীৱন" বুলি কওঁ, মানুহে মোক সেইদৰে ব্যাখ্যা নকৰে। পৱিত্ৰ আত্মাই মোৰ দ্বাৰাই কথা কয় বুলি মই বিশ্বাস কৰো সেয়ে ধেমালি কৰাৰ মূল্য আৰু সুস্থতাৰ প্ৰভাৱৰ কথা পৱিত্ৰ আত্মাই জানে।

ঈশ্বৰে আমাক হাঁহাটো বিচাৰে আৰু তেওঁ আমি আন মানুহক হঁহোৱাটোও বিচাৰো। ই এইটো নুবুজা যে হাঁহিব নলগা ঠাইতো আমি হাঁহিব লাগে, কিন্তু আমি নিশ্চয় আনৰ জীৱন আনন্দৰ অন্তৰেৰে পূৰ হোৱাত সহায় কৰিব পাৰো। আমি নিজকে সদায় ইমান গম্ভীৰ ভাৱে ৰখাতকৈ আমি যদি নিজৰ ওপৰতেই হাঁহিবলৈ শিকো আমাৰ সকলোৰে উপকাৰ হ'ব।

শেষৰ তিনিবাৰ মই বগা পেণ্ট পিন্ধিছিলো, আৰু মই নিজেই তাত কফি পেলাইছিলো। মই ভাবিব পাৰো কাপটো ধৰিবৰ বাবেও মই অকামিলা আৰু নিজেকে মূল্যহীন কৰিব খোজো বা ইয়াৰে ধেমালী কৰি আগলৈ এইদৰে নকৰিবলৈ চেষ্টা কৰিব পাৰো। মানুহে কৰা প্ৰত্যেকটো ভুলৰ কাৰণে কথাৰে নিজকে তলখাপলৈ নিয়া মই শুনিছো আৰু ই ঈশ্বৰক দুখ দিয়ে বুলি মই ভাবো। ঈশ্বৰৰ ওচৰত আমাৰ মূল্য কিমান আমি জানো ঈশ্বৰৰ সৃষ্টিক আমি নিজে মূল্যহীন কেতিয়াও কৰিব নালাগে।

আমি সকলোৱে সৰু সৰু ভুল কৰো আৰু সেই বিষয়ে আমি হাঁহিব পাৰো বা নিৰাশ হ'ব পাৰো। গতিকে মানুহক তেনে অভ্যাস কৰিবলৈ কিয় সহায় নকৰো? মানুহক নিখুত নহ'বলৈ অনুমতি দিয়ক। কাৰ্য্য কৰিবলৈ আৰু শ্ৰেষ্ঠ ভাৱে কৰিবলৈ পৃথিৱী হেচাৰে পৰিপূৰ্ণ হৈ আছে, কিন্তু

যেতিয়া কৰিব নোৱাৰো আমাক মৰমৰ বাক্য লাগে আমি এতিয়াও গ্ৰহণীয় আৰু মূল্যবান বুলি বুজিবলৈ।

যেতিয়া ভুল কৰা মানুহৰ লগত আপুনি থাকে, লগে লগে তেওঁলোকৰ যি শক্তি আছে তাৰ কথা বা অলপতে তেওঁলোকে কৰা আচৰিত ধৰণৰ কাৰ্য্যৰ কথা মনত পেলাই দিবলৈ চেষ্টা কৰিব লাগে। মোৰ দুজনী ছোৱালী খুব ভাল নিষ্ঠাবান মাতৃ। যেতিয়া কিছুমান কথা তেওঁলোকে শুদ্ধ কৰা নাই বুলি মনটো বেয়া কৰে, মই তেওঁলোকক মনত পেলাও যে তেওঁলোক কিমান ভাল মাতৃ আৰু সেয়ে তেওঁলোক গুৰুত্বপূৰ্ণ বুলি জোৰ দিওঁ। মানুহে ভাল কৰেই বুলি আমি কোনো কথা নিশ্চিত ভাৱে ল'ব নালাগে। মানুহে কৃতকাৰ্য্য হোৱা নাই বুলি ভাবিবলৈ চয়তানে যিমান কৰিব লাগে তাতকৈও বেছি কাম কৰে, আৰু আমিও কৃতকাৰ্য্য হৈছো বুলি ভাবি খুব কষ্টেৰে সমানেই কাম কৰিব লাগে।

হাঁহি থকাতকৈ খৰখেদাই বেয়া পৰিস্থিতি সম্পূৰ্ণ বিপৰীত কৰিব নোৱাৰে। আমি খুব সোনকালেই আমাৰ জীৱনত "সৰু সন্তানক" দমন কৰো। ল'ৰা-ছোৱালীয়ে কিবা পেলাই, তেওঁলোকৰ কাপোৰবোৰ খেলি-মেলি কৰি, উজুটি খাই আৰু পৰি বা ভুল কৰি নিৰাশ হোৱা দেখা নাযায়। যেতিয়ালৈকে ডাঙৰে কৰিব দিয়ে তেওঁলোকে হাঁহিবলৈ আৰু খেলিবলৈ সাধাৰণতে উপায় উলিয়াই লয়। যীচুৱে কৈছে আমি সৰু ল'ৰা-ছোৱালীৰ দৰে যদি নহও আমি ঈশ্বৰে প্ৰতিজ্ঞা কৰা জীৱনত কেতিয়াও সোমাব নোৱাৰো। (লুক ১৮:১৭), সেয়ে আমি এই ক্ষেত্ৰত ইজনে সিজনক সহায় কৰিব লাগে।

যি সকলে মোক নিখুঁত হ'বলৈ জোৰ নিদিয়ে তেনে মানুহৰ লগত থাকিবলৈ মই ভাল পাওঁ। কোনো স্বৰ্ত নোহোৱাকৈ ঈশ্বৰে আমাক ভাল পায় আৰু তাৰ মানে আমি যিদৰেই হওঁ ঈশ্বৰে আমাক গ্ৰহণ কৰে আৰু আমি যি কৰিব পাৰো তাতে সহায় কৰে। মিচিকিয়া হাঁহি গ্ৰহণ কৰাৰ চিহ্ন হয়। মানুহক নিজৰ ওপৰত হাঁহিবলৈ সহায় কৰাই এইদৰে বুজায় "ভুলেই হওঁক বা যিয়েই, মই তোমাক গ্ৰহণ কৰো।"

ইজনে সিজনৰ দুৰ্ব্বলতা বহন কৰাটো এটা মাত্ৰ সহজ উপায় প্ৰেম দেখুৱাৰ। পাচনি পৌলে মানুহক শিকায় আনক উদগাবলৈ আৰু গঢ় দিবলৈ আৰু সেইদৰে কৰি থাকিবলৈ তেওঁ মানুহক সঘনে মনত পেলাই। "সেই কাৰণে পৰস্পৰে উৎসাহিত (উপদেশ, সজ পৰামৰ্শ) কৰা আৰু ইজনে সিজনক উন্নত (শক্তিমন্ত আৰু গঢ় দিয়া) কৰা মাত্ৰ যিদৰে তুমি কৰি আছা। (১ থিচ ৫:১১) পৱিত্ৰ আত্মা এজন যি নিজে আমাৰ মাজত থাকে আৰু জীৱনত আমাৰ কাষে কাষে যায় আৰু আমাক আৰাম দিয়ে, উৎসাহিত কৰে আৰু আমাক উন্নত কৰে। আমি যি পাৰো কৰিবলৈ তেওঁ আমাক উদ্গাই। যেতিয়া আমি ভুল কৰো তেওঁ আমাক জগৰীয়া নকৰে আমাক আগুৱাই যাবলৈ উদ্গায়।

নিৰাশা, হতাশা, অকৃতকাৰ্য্য আৰু বিবাহ বিচ্ছেদৰ কাৰণ হ'ল উৎসাহিত নকৰা, আৰু জীৱনত ভৱিষ্যতে বিকাশৰ সম্ভাৱনাক বাধা দিয়ে। আমাক সকলোকে উৎসাহিত কৰাটো লাগে আৰু মই

আকৌ এবাৰ জোৰ দিব খোজো যে সাধাৰণতে উৎসাহিত কৰাটো আমাৰ সমাজত প্ৰেমৰ বিপ্লৱক জাগ্ৰত কৰাৰ এক উপায়।

## *স্পষ্ট ভাৱে উল্লেখিত বিষয়ত গুৰুত্ব*

ঈশ্বৰে মোক দেখুৱাবলৈ আৰম্ভ কৰিলে যে মই মোৰ স্বামীক ভাল পাব পৰাৰ এটা উপাই হ'ল তেওঁ কৰা সৰু সৰু ভুলবোৰ উল্লেখ কৰিব নালাগে — যেনে লাইট বন্ধ কৰিবলৈ পাহৰি যোৱা বা টয়লেত পেপাৰ সলনি নকৰা। অৱশ্যে মই কৰিবলৈ কোৱা কাম কিছুমান তেওঁ পাহৰি যায় — যেনে মই কফি বনাই থাকোতে মোৰ ব্ৰিফকেচটো ওপৰৰ কোঠালৈ লৈ যোৱা যাতে ৰাতিপুৱা মই কঢ়িয়াই নিব লগা নহয়। আমি এশটামান সৰু সৰু ভুল কৰো ইজনে সিজনক অস্বস্তিবোধ কৰাবলৈ, কিন্তু আমি সেইবোৰ বাদ দিব পাৰো আৰু আমি সকলোৱেই যে সৰু সৰু ভুল কৰো মনত ৰাখিব লাগে, আৰু মানুহে সেইবোৰ বাৰে বাৰে মনত পেলাই থাকিব নালাগে।

যদি তুমি সঁচাকৈয়ে বিষয়টোৰ সন্মুখিন হ'ব খোজা যিকোনো উপায়ে কৰা, কিন্তু কিছুমানে সৰু কথা এটাকে ডাঙৰ কৰি দিয়া কাৰণে বেছিভাগ সম্বন্ধ ভাগি ছিগি শেষ হৈ যায় কিন্তু সঁচাকৈ সেইটো তেনে গুৰুত্বপূৰ্ণ কথাই নহয়। মানুহে প্ৰত্যেকবাৰ তেওঁলোকে কৰা ভুল কামবোৰ মনত পেলাই দি প্ৰকৃততে দুৰ্ব্বল কৰে আৰু সেয়ে ভাগি পৰে। মানুহে নকৰিব বুলি আশা কৰি কিছুমান কথা মই "উল্লেখ" কৰি বহু বছৰ পাৰ কৰিছিলো যিবোৰে মোক বিৰক্ত কৰিছিল, কিন্তু মই দেখিছিলো মোৰ উপস্থিতিত মই কোৱা কথাবোৰে তেওঁলোকক হেঁচা দিছিল আৰু অস্বস্তিবোধ কৰিছিল। মই গম পাইছিলো প্ৰাৰ্থনা আৰু স্পষ্টভাৱে উল্লেখিত বিষয়ত গুৰুত্ব দিয়া বহুত বেছি প্ৰভাৱশালী।

মানুহৰ শক্তি আৰু তেওঁলোকে কৰা শুদ্ধ কামক লৈ আমি যেতিয়া ডাঙৰ বিষয়ৰ চিন্তা কৰো সেইটোৱে দুৰ্ব্বলতা আৰু ভুল বিষয় অতিক্ৰম কৰিবলৈ অনুপ্ৰাণিত কৰে। মোৰ অনুসন্ধানৰ প্ৰথমতেই যিবোৰ বিষয়ে মোক অতিস্থ কৰিছিল মই সম্পূৰ্ণ ভাৱে বাদ দিছিলো সেইটো যে মোৰ কাৰণে কিমান ডাঙৰ প্ৰত্যাহ্বান আছিল ভাবি মই আচৰিত হওঁ। মই এতিয়া বিষয়টো বুজিলো যে নিজৰ মাজৰ বিষয়তকৈ সৰু কথাই বিৰক্তি কৰিলে সমস্যাটো ডাঙৰ হয়। কিয় লাইট জ্বলাই ৰখা আদিয়ে মোক বিৰক্ত কৰে? মই সদায় লাইটটো জ্বলাই থমনে? নিশ্চয়, মই থম।

মই অলপতে পাৰি থোৱা বিছনাখনৰ কাষত বহি ঠিক নকৰাকৈ উঠি যোৱাৰ কাৰণে দেৱক তেনে নকৰিবলৈ শিকাইছিলো। তেওঁ আচৰিত হৈ মোৰফালে চাই আৰু মোৰ ধ্যায়ান বিছানৰ ফালে কৰি কয় মইহে বিছনাত বহি আছো তেওঁ নহয়হু আচৰিততু মই সঠিক ভাৱে দেৱ বুলি ভাবিছিলো কিন্তু মইহে যে ভুলটো কৰিছো সম্পূৰ্ণভাৱে পাহৰি গৈছিলোহু এই উদাহৰণৰ পৰা ইয়াকে দেখুৱাই যে কেনেকৈ ভুল বিচাৰি ফুৰা আত্মাই আমাৰ নিজৰ ভুলৰ পৰা অন্ধ কৰি দিয়ে আৰু আনক দোষাৰূপ কৰিবলৈ উচতাই।

স্পষ্টভাৱে উল্লেখিত বিষয়ত গুৰুত্ব দি মানুহক প্ৰেম দেখুৱাক। তেওঁলোকে কৰা ভুল কামবোৰ আমি বিচাৰিবলৈ চেষ্টা কৰিব নালাগে। সেইবোৰ চকু চাট মৰা লাইটৰ দৰে। কিন্তু আমি শুদ্ধ ভাৱে উদ্দেশ্যটো চাব লাগে — বা অন্তত যেতিয়ালৈকে আমি নতুন স্বভাৱ গঢ়ি নোতোলো।

মই আগতেই কৰিবলৈ কোৱাৰ দৰে যিকোনো উপায়ে প্ৰতিদিনে তিনিজন মানুহক উৎসাহিত আৰু প্ৰশংসা কৰিবলৈ লক্ষ হিচাপে লৈ আৰম্ভ কৰক। দিনটোৰ শেষত নিজকে সুধক হিচাপৰ উপায় হিচাপে তেওঁলোক কোন কোন। যেতিয়া সেই তিনিজন আপোনাৰ স্বাভাৱিক ভাৱে বাঢ়ি যোৱা লক্ষ্য হৈ ছয়, তাৰ পাচত দশ আৰু তাৰ পাচত প্ৰতিদিনৰ জীৱনত আপোনাৰ সংস্পৰ্শত অহা প্ৰতিজন মানুহক উৎসাহিত কৰাটো স্বাভাৱিক হৈ পৰিব।

আপুনি কৰা প্ৰশংসা কিবা এটা ডাঙৰ কথা নহয়। সৰু সৰু বিষয় যেনে “সেই ৰঙটো সঁচাই তোমাক ভাল লাগে,” “তোমাৰ চুলিবোৰ মোৰ সেইদৰেই ভাল লাগে।” “তোমাৰ চাৰ্টটো ধুনীয়া”, “তুমি মোক সুৰক্ষিত অনুভৱ কৰালা”, “মই তোমাক প্ৰশংসা কৰো” বা “তুমি যে মোৰ বন্ধু মই খুব সুখী” এই সকলো খুব কাৰ্যকৰী আৰু অৰ্থপূৰ্ণ। আপুনি স্পষ্ট ভাৱে উল্লেখিত বিষয় যদি উলিয়াই চাই, আপুনি সুখী হ’ব। সেয়ে আপুনি যে অকল দিছে সেয়া নহয় কিন্তু আপুনি একে সময়তে উপকাৰো লাভ কৰিছে।

# প্ৰেমৰ বিপ্লৱ

*জন চি. মেক্সৱেল*

উদ্‌গনি দিয়াৰ দ্বাৰাই সকলো সলনি হয়। আচৰিত তাৎপৰ্যপূৰ্ণ ভাৱে ই প্ৰভাৱ পেলায়। শিক্ষকৰ উদ্‌গনিমূলক কথাই ল'ৰা-ছোৱালীৰ জীৱন সলনি কৰে। নিজৰ লগৰীৰ উদ্‌গনিমূলক কথাই বৈবাহীক জীৱন ৰক্ষা কৰে। চলাওতাৰ উদ্‌গনিমূলক কথাই নিজৰ কাৰ্য্যদক্ষতাত উপনিত হ'বলৈ মনোবল দিয়ে। জিগ জিগলাৰে কোৱাৰ দৰে "বিশ্বাসমূলক কথাই কোন সময়ত আপোনাৰ জীৱনত প্ৰভাৱ পেলাব পাৰে আপুনি নাজানে।" উদ্‌গনিমূলক কথাই মানুহক সাহস দিয়াত সহায় কৰে যিটো হয়তো তেওঁৰ নাই আনহাতে — সাহসেৰে দিনটোৰ সন্মুখিন হোৱা, যিটো শুদ্ধ সেইটো কৰা, ক্ষতিপুৰণৰ সম্ভাৱনাৰ সন্মুখিন হোৱা, সলনি কৰা আদি থাকিব পাৰে। হৃদয়ক উৎসাহিত কৰাই মানুহৰ মূলক প্ৰকাশ কৰে। আমি যেতিয়া মানুহক সহায় কৰো তেওঁলোকে নিজকে মূল্যবান, সমৰ্থবান, অনুপ্ৰাণিত হোৱা বুলি ভাৱে, আমি প্ৰায়ে তেওঁলোকৰ জীৱন সদায়ৰ বাবে সলনি হোৱা দেখু; আৰু কেতিয়াবা তেওঁলোকে পৃথিৱীখন সলনি কৰিব খোজা দেখু।

আপুনি যদি পিতৃ-মাতৃ হয়, পৰিয়ালৰ সদস্যসকলক সলনি কৰাটো আপোনাৰ দায়িত্ব হয়। আপুনি যদি অনুস্থানৰ চলাওতা হয়, আপুনি আপোনাৰ দলৰ কামৰ সফলতা নাটকীয় ভাৱে বঢ়াব পাৰে, তেওঁলোকক কিমান উদ্‌গনি দিছে তাৰ দ্বাৰাই। বন্ধু হিচাপে উদ্‌গনি কথা কোৱাৰ স্বত্ব আপোনাৰ আছে, যি জনে বেয়া সময়ৰ মাজেদি সময় অতিবাহিত কৰি আছে বা কিবা ডাঙৰ কাম কৰিবলৈ অহোপুৰুসাৰ্থ চেষ্টা কৰি আছে, তেওঁক সহায় কৰিবলৈ। খ্ৰীষ্টিয়ান ব্যক্তি হিচাপে মৰম কৰা আৰু তেওঁলোকক আগুৱাই যাবলৈ উদ্‌গনি বাক্যৰ দ্বাৰাই যীচুক প্ৰতিনিধিত্ব কৰাৰ ক্ষমতা আপোনাৰ আছে।

## *ক্লাৱত যোগ দিয়ক*

উদ্‌গনি দিয়া শক্তিক কেতিয়াও নিম্নস্তৰ বুলি নিৰ্দ্ধাৰণ নকৰিব। ১৯২০ চনত চিকাগোৰ নৰ্থৱেচটাৰন ইনিভাৰচিটিত শাৰীৰিক চিকিৎসাৰ বাবে পৰামৰ্শ দিয়া আৰু মনোবিজ্ঞান চিকিৎসক জৰ্জ দ্বালিও কাৰ্ণেই সামাজিক বিষয়ত শিক্ষা দিবলৈ আৰম্ভ কৰে। যদিও শিক্ষা দিয়াত তেওঁ নতুন আছিল, মনোবিজ্ঞানত তেওঁ বিচক্ষন ছাত্ৰ আছিল, আৰু তেওঁৰ ছাত্ৰসকলৰ লগত বাস্তৱিক ভাৱে মনোবিজ্ঞান শিকাব পাৰিব বুলি গভীৰ ভাৱে বিশ্বাস কৰিছিল।

গধূলিৰ ক্লাচ লোৱা ছাত্ৰসকল সৰ্ব্বসাধাৰণ ছাত্ৰতকৈ বয়সত ডাঙৰ আছিল। ডেকা পুৰুষ মহিলাই দিনত চিকাগোৰ দোকানত, কাৰ্য্যালয়ত আৰু কাৰখানাত কাম কৰি নিজকে কামত ভাল কৰিবলৈ গধূলিৰ ক্লাচত যোগ দিছিল।

এখন সৰু চহৰ উইন কনচিনৰ পৰা চিকাগোট আহি চৰকাৰী চাকৰিত যোগ দিয়া ডেকা মহিলা লুইচে গধূলিৰ ক্লাচৰ পাচত কাৰ্ণেক লগ ধৰি স্বীকাৰ কৰিলে যে তেওঁক পৃথক কৰি দিয়া আৰু অকলশৰীয়া অনুভৱ কৰিছে।

তাই দুখত ক'লে, "মই কাৰ্য্যালয়ৰ কেইগৰাকীমান ছোৱালীৰ বাহিৰে কাকো নাজানো", ৰাতি কোঠলৈ গৈ মই ঘৰলৈ চিঠি লিখো। প্ৰতিদিনে উইচকনচিনৰ বন্ধুসকলৰ পৰা চিঠি পোৱাৰ আশাই কেৱল মোক জীয়াই ৰাখিছে।

বিশেষকৈ লুইচৰ সমস্যাৰ প্ৰতুত্তৰত কাৰ্ণেই কমপ্লিমেণ্ট কাল্বটো গঢ়িলে, পিচৰ সপ্তাহত তেওঁ সেই বিষয়ে জাননী দিলে। প্ৰথমবাৰৰ বাবে সেই বছৰৰ ছাত্ৰসকলক দৈন্যনদিন ব্যৱহাৰিক কিছুমান কাম কৰিবলৈ দিলে।

কাৰ্ণেই তেওঁলোকক ক'বলৈ ধৰিলে যে — "আপোনালোকে আপোনালোকৰ মানসিক অৱস্থা প্ৰতিদিনে হয় ঘৰত বা কামত বা বাটত গৈ থাকোতে গাড়ী বা বাছত ব্যৱহাৰ কৰিব। প্ৰথম মাহৰ কাৰণে আপোনালোকৰ লিখিব লগা বিষয়টো হ'ল কমপ্লিমেণ্ট ক্লাব। প্ৰতিদিনে আপোনালোকে প্ৰত্যেক তিনিজন মানুহক বিশ্বাসেৰে শলাগ জনাবা। আপুনি সেই নম্বৰ বঢ়াব পাৰা যদি আপুনি ইচ্ছা কৰে, কিন্তু ক্লাচৰ গুণৰ পৰ্য্যায় অনুযায়ী, আপোনালোকে অন্তত ত্ৰিশ দিনত প্ৰতিদিনে অতিকমেও তিনিজন মানুহক শলাগ জনাব লাগিব... তাৰ ত্ৰিশ দিনৰ পাচত মই আপোনালোকৰ অভিজ্ঞতাৰ পৰা অভিজ্ঞতাৰ বিষয়ে লিখিব দিম।" তেওঁ আকৌ ক'লে "আপোনাৰ চাৰিওফালৰ মানুহৰ সলনি হোৱা কথা সনিবিষ্ট কৰক, লগে লগে জীৱনৰ প্ৰতি আপোনাৰ বেলেগ দৃষ্টিভঙ্গী।"

কাৰ্ণেৰ কিছুমান ছাত্ৰই এই কামখিনি অন্তৰ্ভুক্ত কৰে। কিন্তু কিছুমানে কি কৰিব সেই বিষয়লৈ আপত্তি কৰে। আৰু কিছুমানে ঠিক নোহোৱা বাবে ঘুৰাই দিব বুলি ভয় কৰে। আৰু কিছুমানে ভাৱে তেওঁলোকে যাক ভাল নাপাই তেওঁলোকক শলাগ জনোৱাটো উচিত নহয়। "ধৰিলক আপুনি লগ পোৱা কাৰবাক ভাল নাপায়হুঁ" এজন মানুহে সুধিছিল — "আপোনাৰ শত্ৰু শলাগ লোৱাতো কপটিয়া নহয় নে?"

"নহয়, এইটো কপটিয়া নহয় যেতিয়া আপোনাৰ শত্ৰুৰ আপুনি শলাগ লয়।" কেৰ্ণে উত্তৰ দিলে, "শলাগ লোৱাটো প্ৰশংসাৰ এটা ভাল উদ্ধিতি কাৰণ কিছুমান বস্তু বা তাৰ গুণ প্ৰশংসা পোৱাৰ যোগ্য। আপুনি দেখিব যে কোনোৱেই সম্পূৰ্ণভাৱে বুদ্ধি আৰু সদগুণ নথকা নহয়...

আপোনাৰ প্ৰশংসাই হয়তো অকলশৰীয়া হৃদয়ৰ সৎচৰিত্ৰ তুলি ধৰিব যি সকলে ভাল কাম কৰিবলৈ কষ্ট কৰা প্ৰায় এৰি দিব খোজে। আপুনি গমেই নাপাব কেতিয়াবা আপুনি এনেয়ে কৰা শলাগে ল'ৰা বা ছোৱালী, পুৰুষ বা মহিলাক বেয়া ভাৱে সমালোচনা কৰাৰ সময়ত কি ধৰণে উপকাৰ কৰে আনহাতে তেতিয়া তেওঁ কি কৰিম কি নকৰিম কৰি থাকে।"

কাৰ্ণেৰ ছাত্ৰসকলে ভাবি উলিয়ালে যে তেওঁলোকে সঁচাকৈয়ে কৰা প্ৰশংসাই তেওঁলোকৰ চাৰিওফালে থকা মানুহক ভাল প্ৰভাৱ পেলাই, আৰু অভিজ্ঞতাই আনকি ছাত্ৰসকলৰ নিজৰ ওপৰত

ডাঙৰ প্ৰভাৱ পেলায়। লইচে সঁচা ব্যক্তিত্ব থকা মানুহৰ সানিদ্ধত বিকশিত হয় যিজনে তাই সোমোৱাৰ লগে লগে কোঠাটো পোহৰ কৰি তোলে। আন এজনী ছাত্ৰই তাইৰ লিগেল ছেক্ৰেটেৰি কামটো এৰিব খোজে কাৰণ তাইৰ বিশেষ ভাৱে অসুবিধা লগা ওপৰৱালাই নিজকে শলাগিবলৈ আৰম্ভ কৰে, তথাপিও প্ৰথম অৱস্থাত তাই দাঁত উলিয়াই হাঁহি থাকে। ক্ৰমানয়ে অকল তেওঁৰ প্ৰতি তাইৰ সলনি হোৱাই নহয়, কিন্তু তেওঁৰ প্ৰতি তাইৰ ব্যৱহাৰো। তেওঁলোকে ইজনে সিজনক সঁচাকৈয়ে ভাল পাব ধৰিলে আৰু বিয়াও হ'ল।

জৰ্জ কাৰ্ণেৰ কমপ্লিমেণ্ট ক্লাৱ হয়তো আজিকালি আমাৰ কাৰণে সৰু কথা। কিন্তু ইয়াৰ পিচত থকা মূল বিষয়টো ১৯২০ চনৰ দৰে লাগে। কাৰ্ণেৰ শিক্ষাৰ মূল আধাৰক ইলিভেটৰ প্ৰিন্সিপাল বুলি কোৱা হৈছিল ঃ আমাৰ সম্বন্ধত মানুহক ওপৰলৈ উঠাব পাৰো বা তললৈ নমাব পাৰো। তেওঁ তেওঁৰ ছাত্ৰসকলক চেষ্টাৰে সমৰ্থন কৰি কাৰ্য্য কৰিবলৈ শিকায়। কাৰ্ণে কৈছিল, "মানুহৰ গুণ বুজাৰ কাৰণে পৃথিৱী ভুকত আছে। প্ৰশংসাৰ কাৰণে ভুকাতুৰ। কিন্তু কোনো এজনে তেওঁৰ লগৰীয়াৰ সৈতে প্ৰথমে কথা পাতিবলৈ আৰম্ভ কৰিব লাগিব আৰু ভাল লগা কথা ক'ব লাগিব।" বেনজামিন ফ্ৰেঞ্চলিনৰ অনুভুতিক তেওঁ আকোৱালি লয়, জোনে বিশ্বাস কৰে, "নিষ্ক্ৰিয় হৈ থকা প্ৰত্যেকতা শব্দৰ কাৰণে আমিয়ে দায়ী — সেয়ে আমিয়ে সকলো নিষ্ক্ৰিয় নিস্তব্ধতাৰ কাৰণে কৰিব লাগিব।"

## *মানুহক জানিবৰ বাবে প্ৰত্যেক উদ্‌গনি দিওঁতাই পাঁচটা কথা জানিব লাগে*

চাৰিওফালে থকা মানুহৰ জীৱনত প্ৰভাৱ পেলাবলৈ আপোনাৰ অদ্ভুত শক্তি আছে। আপোনাৰ পৰা পোৱা উদ্‌গনিয়ে কিছুমানৰ দিন, সপ্তাহ, বা আনকি জীৱনক সম্পূৰ্ণ বেলেগ ধৰণে গঢ় দিওতা হ'ব পাৰে, সেই লোকসকলক সম্পূৰ্ণ নতুন দিশে পঠায়।

মানুহক উদ্‌গনি দিয়া অসুবিধা হয় যদি তেওঁক কিহে উদ্‌গনি দিব পাৰে আপুনি নাজানে। সেয়ে ছাত্ৰ হিচাপে কিহে তেওঁলোকক প্ৰভাৱ পেলাব শিকক। কিহে তেওঁলোকক ওপৰ উঠাব পাৰে। মানুহৰ বিষয়ে মই জনা এই পাঁচটা কথাক আকোৱালীলৈ আৰম্ভ কৰিবলৈ সাজু হওঁক ঃ

**১. প্ৰত্যেকজন কোনোবা এজন হ'ব খোজে**

প্ৰত্যেক মানুহেই সিদ্ধ বুলি প্ৰতিপন্ন হ'ব খোজে। প্ৰত্যেকেই মৰম কৰাটো বিচাৰে। প্ৰত্যেকেই নিজকে ভাল ভবাটো বিচাৰে, প্ৰত্যেকেই কোনোবা এজন হ'ব খোজে। সৰু ল'ৰা-ছোৱালীৰ পৰা ডাঙৰ বুঢ়া মানুহলৈকে সকলোৰে কাৰণে এইটো সত্য।

তেওঁলোকক কোনোবা এজন বুলি ভাবি কেনেকৈ আপুনি আনক সহায় কৰিব পাৰে? "১০" জন বুলি তেওঁলোকক চাই। বেছিভাগ বিষয়তে মই বিশ্বাস কৰো যে আমাৰ তেওঁলোকৰ প্ৰতি

থকা আশাই সহাৰি দিয়ে। তেওঁলোকৰ পৰা আটাইতকৈ উত্তমটো যদি আপুনি ভাৱে তেওঁলোকে সাধাৰণতে তেওঁলোকৰ ভালটোৱেই দিয়ে। আপুনি যদি মানুহক “১০” ৰ দৰে ব্যৱহাৰ কৰে তেওঁলোকে “১০” ৰ দৰেই সহাৰি দিব। যদি আপুনি কাৰবাক “২” দৰে ব্যৱহাৰ কৰে তেওঁ “২” ৰ দৰেই সহাৰি দিব। মানুহে স্বীকৃতি দিয়া আৰু কোনোবা এজন বুলি ভবাটো বিচাৰে। এইটো মানুহৰ গভীৰ ইচ্ছা, আৰু আমি মানুহক মহান হ’বলৈ সহায় কৰিব পাৰো আমি তেওঁলোকক কেনেকৈ বিশ্বাস কৰো দেখুৱাৰ দ্বাৰাই।

**২. কোনেও চিন্তা নকৰে আপুনি কিমান জানে যেতিয়ালৈকে তেওঁলোকে নাজানে আপুনি কিমান চিন্তা কৰে।**

আমি কিমান সুদক্ষ মানুহে জানিব নিবিচাৰে। আমি কিমান আধ্যাত্মিক তেওঁলোকে জানিব নিবিচাৰে। আমি কিমান সম্পত্তি সংগ্ৰহ কৰিছো বা আছে তেওঁলোকে জানিব নুখুজে। তেওঁলোকে প্ৰকৃততে এইটো জানিব বিচাৰে আমি সঁচাকৈয়ে তেওঁলোকৰ কাৰণে চিন্তা কৰোনে নাই। আমাৰ জীৱনৰ যোগেদি আমি ঈশ্বৰৰ প্ৰেম আনক দেখুৱাব লাগে।

কেটি হাত্মচনৰ পৰা মই এই শিক্ষা লাভ কৰিছিলো, মোৰ দ্বিতীয় প্ৰয্যায়ৰ দেওবৰীয়া স্কুলৰ শিক্ষক। তেওঁ অতি আচৰিত। মই জানো যে তেওঁ মোক ভাল পায়। যেতিয়া বেমাৰ হৈ মই গীৰ্জ্জা নাযাও, তেওঁ সেই সপ্তাহ মোক চাবলৈ আহে।

তেওঁ কৈছিলে “অ’ জনী, যোৱা দেওবাৰৰ গীৰ্জ্জাত তুমি নথকাত মোৰ বেয়া লাগিছিল। “তুমি কেনে আছা মই চাব খুজিলো।” তেওঁ মোক পাঁচ টকা দিলে যিটো মই হাজাৰৰ দৰে ভাবিলো, আৰু ক’লে মই আশা কৰো অহা দেওবাৰে তুমি দেওবৰীয়া স্কুললৈ আহিব পাৰিবা, কাৰণ আমি তোমাৰ অনুপস্থিতি খুব অনুভৱ কৰো। মই যেতিয়া শিক্ষা দিবলৈ উঠো, তোমাক দেখিম বুলি মই সঠিক হ’ব খোজো যেতিয়া তুমি ক্লাচলৈ আহা, তুমি মাত্ৰ তোমাৰ হাত উঠাবা আৰু মোৰ ফালে ল’ৰাবানে? (প্ৰায় পঞ্চাচটা ল’ৰা-ছোৱালী তেওঁৰ ক্লাচত আছিল)। “তেতিয়া মই তোমাক চাম, মই হাঁহিম, আৰু মই ভাল অনুভৱ কৰিম আৰু মই ভালদৰে শিক্ষা দিব পাৰিম।”

যেতিয়াই দেওবাৰ আহে, মই ভাল থাকো বা নাথাকো মই যাওঁয়েই। মই হাত লৰাও, তেওঁ হাঁহে আৰু শিক্ষা দিয়ে। মই জানো তেওঁ মোৰ কাৰণে কিমান চিন্তা কৰে আৰু সেইটোৱে মোক যিকোনো কাৰ্য্য কৰিবলৈ অনুপ্ৰেৰণা দিয়ে।

**৩. যিকোনোৱেই যীচুখ্ৰীষ্টৰ শৰীৰত থাকে সেই সকলোৱেই যীচুখ্ৰীষ্টৰ শৰীৰ**

খ্ৰীষ্টিয়ান হিচাপে, বহুতো মানুহে নিজৰ দ্বাৰাই সকলো কৰিবলৈ চেষ্টা কৰে। সেয়ে তেওঁলোক আনৰ প্ৰতি অমনোযোগী হয় আৰু তেওঁলোকেও নিজৰ দ্বাৰাই কৰাটো বিচাৰে। কিন্তু যীচুখ্ৰীষ্টৰ শৰীৰে কেনেকৈ কাম কৰে সেইটো নুবুজায়।

যেতিয়া খ্ৰীষ্টিয়ান ব্যক্তিয়ে অকলে যাবলৈ চেষ্টা কৰে, তেওঁক মই এবাৰ হাঁহি উঠা গল্পত পঢ়া তৰপে তৰপে ইটাৰ দৰে পাওঁ। তেওঁ এবাৰ প্ৰায় পাঁচ পাউণ্ড ইটা চাৰি মহলীয়া ঘৰৰ ওপৰৰ পৰা

তলৰ খোজকঢ়া ঠাইলৈ আনিব লগা হৈছিল। তলৰখিনি তেওঁ নিজে লিখা কথা, জীৱন বিমা কাগজৰ পৰা ঃ

> মই ইটাবোৰ হাতেৰে তললৈ কঢ়িয়াই নিওতে বহুত সময় লাগিছিল, সেয়ে মই ঠিক কৰিলো ড্ৰামৰ ভিতৰত ভৰাই ঘৰৰ ওপৰত ৰছি এডাল বান্ধি তললৈ টানি নিবৰ কাৰণে। ঘৰৰ তলত ৰছিডাল টানকৈ বন্ধাৰ পাচত, মই ঘৰৰ ওপৰলৈ যাও, ড্ৰামটোত মেৰিয়াই ৰচিডাল বান্ধিবলৈ, ড্ৰামতোত ৰছিডাল টানকৈ বান্ধি, ইটাবোৰ তাত ভৰাই দিও আৰু তলৰ কাষৰ বাটলৈ ওলমাই দিও।
>
> তাৰ পাচত কাষৰ বাটলৈ নামি গৈ ৰছিডাল খুলি দিও, ড্ৰামটো লাহেকৈ পৰিবলৈ সাৱধানে ধৰি। কিন্তু মই মাত্ৰ ১৪০ পাউণ্ড হে জুখিছিলো, ৫০০ পাউণ্ড ওজনে মাটিৰ পৰা মোক ইমান জোৰে জোকাৰি দিয়ে যে ৰছিডাল এৰি দিবৰ কাৰণে ভাবিবলৈকো সময় নহ'ল।
>
> মই দ্বিতীয় আৰু তৃতীয় মহলাৰে যাওঁতে ড্ৰামটো তললৈ যোৱা পাইছিলো। ইয়াৰে হিচাপ লগাব পাৰি কিমান আঘাট হৈছিল আৰু ওপৰৰ শৰীৰত দ'কৈ কাটিছিল।
>
> ওপৰ নোপোৱালৈকে মই ৰছিডাল টানকৈ ধৰি আনিলো; টনাৰ কাৰণে মোৰ হাত দুখন জঠৰ হৈ গৈছিল। ইয়াৰ কাৰণেই মোৰ বুঢ়া আঙুলি ভাঙে।
>
> একে সময়তে কাষৰ বাটত ড্ৰামটো শব্দ কৰি জোৰে খুন্দা মাৰে আৰু তলতো ভাঙি পৰে। ইটাৰ ওজন নাইকিয়া হয় আৰু ড্ৰামৰ চল্লিছ পাউণ্ড থাকে, সেয়ে মোৰ ১৪০ পাউণ্ড ওজনৰ শৰীৰৰ দ্ৰুত গতিত তলত পৰে। খালি ড্ৰামটো ওপৰলৈ অহাত ভৰিৰ গাঁঠি ভাঙে।
>
> অলপ লাহেকৈ মই পৰিবলৈ ধৰো আৰু ইটাৰ দ'মত পৰো। ইয়াৰ দ্বাৰাই পিঠিত মোচোকা খাও আৰু ডিঙিৰ হাড় ভাঙে। সেই সময়ত মই সম্পূৰ্ণ ৰূপে উপস্থিত বুদ্ধি হেৰুৱাও, আৰু ৰছিডাল যাবলৈ দিও আৰু খালি ড্ৰামে মোক আহি হেচি ধৰে। ইয়াৰে মই মূৰত আঘাট পাওঁ।
>
> আৰু জীৱন বিমাৰ ফ'অৰমৰ শেষ প্ৰশ্ন অনুযায়ী এনেকোৱা পৰিস্থিতি আকৌ হ'লে আপুনি কি কৰিব? মই মোৰ কাম অকলে কৰিব খুজিছো মোক উপদেশ দিয়ক।

আত্মিক বিষয়ত, যেতিয়া মানুহ ঈশ্বৰৰ শৰীৰৰ পৰা পৃথক হয় তেতিয়া এইদৰে হয়। ঈশ্বৰে কাকো অকলে যাবৰ কাৰণে সৃষ্টি কৰা নাই। আমি ইজনে সিজনক সহায় কৰিবৰ অৰ্থে। ভাই-ভনী হিচাপে আমি একেলগে যাত্ৰা কৰিব লাগে।

**৪. কোনোবাই যদি কাৰবাক উদ্‌গনি দিয়ে ই বহুতো শৰীৰত প্ৰভাৱ পেলাই।**

মোৰ জীৱন যাত্ৰাত বহুতো মানুহে মোক সহায় কৰিছে আৰু উদ্‌গনি দিছে। এই ৬১ বছৰত মই

পিছলৈ ঘুৰি চাওঁ আৰু মই আচৰিত হওঁ কেনেকৈ আন মানুহ মোৰ প্ৰতি উদাৰ মনৰ আৰু মৰমীয়াল।

গিলিন লেঠাৰও'দ আন এজন মোৰ আচৰিত ধৰণৰ দেওবৰীয়া ক্লাচৰ শিক্ষক তেওঁ মোক সেইদৰে কৰিছিল যেতিয়া মই সপ্তম ক্লাচত আছিলো। আমি নিকৃষ্ট দল আছিলো, সদায় বকবকাই, বগাই, কথা পাতি, কজিয়া কৰিছিলো— এই সকলো কৰিও শুনিছিলো। কিন্তু আমি গিলিনক শুনিলো কাৰণ তেওঁ আমাক ভাল পাবলৈ আৰু উদ্‌গনি দিবলৈ আছিল।

এদিন তেওঁৰ মাতো ভাগিব ধৰিছিল আৰু সকলো সৰু সৰু ল'ৰা-ছোৱালীয়ে মৰমত ঘুৰিলে আৰু গিলিনৰ ফালে চালে, তেওঁ আমালৈ চালে, আৰু চকুৰ পানী ওলাব ধৰিলে।

"ক্লাচৰ পিচতেই" তেওঁ ক'লে, "মই মিউভ বেনাৰ, ফিল কনৰেদ, জুনিয়ৰ ফৌলাৰ আৰু জন মেক্সৰেনক অলপ ছেকেণ্ডৰ কাৰণে চাব খোজো। তোমালোকক কিবা এটা ডাঙৰ কথা ক'বলৈ আছে।"

ক্লাছৰ পাচত যেতিয়া আমি লগ হ'লো, তেওঁ ক'লে, প্ৰত্যেক শনিবাৰে ৰাতি মই সপ্তম ক্লাচৰ প্ৰত্যেকটো ল'ৰাৰ কাৰণে প্ৰাৰ্থনা কৰো। যোৱা ৰাতি এনে অনুভৱ হ'ল যে ঈশ্বৰে মোক ক'লে তোমালোক চাৰিটা ল'ৰাক পৰিচৰ্য্যাৰ কাৰণে মতা হ'ব, আৰু মই প্ৰথমে তোমালোকক এই কথা ক'ব খোজো। আৰু মই প্ৰথমে তোমালোকৰ মূৰত হাত থৈ প্ৰাৰ্থনা কৰিব বিচাৰো।

গিলিনে আমাৰ মূৰত হাত দিলে আৰু পৰিচৰ্য্যাৰ বাবে কৰ্ম্ম সংক্ৰাণ্টায় ভাৱে স্বীকৃতি দিলে যিটো মই সদায় বিচাৰিছিলো। তেওঁ শুদ্ধ আছিল। আমি চাৰিওজনেই পালকৰ পৰিচৰ্য্যা কামত।

বহু বছৰৰ পাচত মই গিলিনৰ তালৈ গলো আৰু তেওঁক সুধিলো এই বছৰবোৰত তেওঁৰ দেওবৰীয়া স্কুলৰ পৰা কিমান মানুহ পৰিচৰ্য্যাত। তেওঁ ক'লে মই সঠিকৈ নাজানো কিন্তু তেওঁ জনামতে ত্ৰিশজন আছে।

মই আচৰিত হওঁ কিমান গীৰ্জ্জা উপকৃত হৈছে তেওঁ দেখুৱা মৰম আৰু উদ্‌গনিৰ দ্বাৰাই প্ৰতি বছৰে তেওঁৰ ক্লাচৰ পৰা। তেওঁৰ উদ্‌গনি বাক্যৰ দ্বাৰাই কিমান জীৱন প্ৰভাৱিত হৈছে? সম্ভৱ মই স্বৰ্গলৈ নোযোৱালৈকে জানিব নোৱাৰো। কিন্তু মই এইটো ক'ব পাৰো কোনো এজনে কাৰবাক উদ্‌গনি দিয়াৰ দ্বাৰাই বহুতো শৰীৰত প্ৰভাৱ পৰে।

**৫. ঈশ্বৰে সকলোকে ভাল পাই।**

বহুতো খ্ৰীষ্টিয়ানে কাক সহায় কৰিব আৰু কাক উদগাব এইলৈ বাচ-বিচাৰ কৰে। তেওঁলোকে নিজৰ নিচিনা মানুহ বিচাৰে। কিছুমান মানুহে আনকি বিশ্বাস কৰে যে তেওঁলোকে আন মানুহক কেৱল সহায় কৰিব যি জনে তেওঁলোকে যি বিশ্বাস কৰে তাকে বিশ্বাস কৰিব আৰু তেওঁলোকে যিদৰে ভাৱে সেইদৰেই। কিন্তু সেইদৰে হ'ব নালাগে। যীচুৱে এইদৰে কেতিয়াও কৰা নাছিল।

বহু বছৰৰ আগতে এজন মানুহ গাঁতত পৰি উঠিব পৰা নাছিল সেই বিষয়ে পঢ়িছিলো — আৰু আন মানুহে তেওঁক কেনেদৰে ব্যৱহাৰ কৰিছিল ঃ

এজন আত্মিক মানুহ আহি কয় “তাত নামিবলৈ তোমাৰ কাৰণে মই অনুভৱ কৰিছো।”

উদ্দেশ্য কৰি এজন মানুহ আহিলে আৰু ক'লে, “এইটো বিচাৰ সংগত যে কোনোবা এজন তাত পৰিব লাগিব।”

ফৰীচীয়ে ক'লে “কেৱল বেয়া মানুহহে গাতত পৰে।”

গণিতগ্য এজনে হিচাপ কৰিলে কেনেকৈ অকলশৰে গাঁতত পৰিব পাৰে।

ক্ৰান্তিকাৰীয়ে ক'লে, “তুমি তোমাৰ গাঁত পাইছা”।

কেলভিনবাদ এজনে কলে, “যদি তুমি ৰক্ষা পোৱা, তুমি আকৌ গাঁতত নপৰা”।

এজন আমেৰিকানে ক'লে “তুমি ৰক্ষা পাইছা আৰু তথাপিও সেই গাঁতত পৰিছা”।

কেৰিচমেটিক জনে ক'লে, “তুমি পাপ স্বীকাৰ কৰা যাতে সেই গাঁতত নপৰা”।

এজন বাস্তৱিক মানুহ আহিল আৰু ক'লে, “এতিয়া এইটো গাঁত”

এজন ভুগোলবিদে গাঁতটোৰ শিলৰ গঠন প্ৰশংসা কৰিবলে ক'লে?

এজন IRS ৰ কৰ্ম্মচাৰীয়ে সুধিলে তেওঁ “এই গাঁতৰ খাজনা দিছেনে”।

এজন হিচাব লোৱা পৰিদৰ্শকে সুধিলে “তেওঁ গাত খন্দাৰ অনুমতি লৈছেনে”?

এজন নিৰাশবাদীয়ে ক'লে “কথাটো আৰু বেয়া হ'ব পাৰে।”

আসাবাদী এজনে ক'লে “কথাটো বেয়া হ'ব”।

যীচুৱে মানুহজনক দেখি, তললৈ নামি গ'ল আৰু তেওঁক হাতেৰে ধৰি গাঁতৰ পৰা উঠাই আনিলে।

মানুহৰ কাৰণে মৃত্যুবৰণ কৰিবলৈ যীচু আহিল। মানুহৰ সকলো বিষয়ত তেওঁ আছিল আৰু আছে। আৰু আপুনি আৰু মই মানুহৰ সকলো বিষয়ত থাকিব লাগে। ঈশ্বৰে সকলোকে ভাল পাই এই কথাটো মনত ৰাখিব লাগে, আৰু যীচুয়ে যেনেকৈ তেওঁলোক ব্যৱহাৰ কৰে আমিও আনক তেনে ব্যৱহাৰ কৰিব লাগে। ঈশ্বৰে যাক যি দৰে সৃষ্টি কৰিলে আমি সেই একেদৰে তেওঁলোকক উদ্‌গনি দিব লাগে।

মই গভীৰ ভাবে ভাবো যে, প্ৰত্যেকেই উদ্‌গনি দিওতা হ'ব লাগে, আৰু প্ৰত্যেকেই যিজনে যীচুক জানে যীচুৰ দৰে হ'ব লাগে ঃ আনকি সদায় বিপৰীত ভবা ব্যক্তিয়েও। মই কিয় সেইদৰে কৈছো? কাৰণ মই বিশ্বাস কৰো আমি সকলোৰে আনৰ জীৱনত ভাল প্ৰভাৱ পেলাব বিচাৰো। আনক আমি মূল্য দিব বিচাৰো, তেওঁলোকৰ পৰা নিবলৈ নহয়।

সেয়ে আপোনালোকৰ উদ্‌গনি দিওতা হ'বলৈ মোক দিয়ক। আপুনি সলনি আনিব পাৰে। আপুনি আনক মূল্য দিব পাৰে। আপুনি যীচুৰ প্ৰতিনিধিত্ব কৰিব পাৰে আৰু কোনোবা এদিন বাক্য

শুনিব, "চাবাচ, উত্তম বিশ্বাসী দাস।" প্ৰত্যেকেই উদ্‌গনি দিওতা হ'ব পাৰে। আপুনি ধনী হ'ব নালাগে। আপুনি খুব মেধাবী হ'ব নালাগে। আপুনি অলৌকিক গুণ থকা হ'ব নালাগে। আৰু আপোনাৰ এইসকলো একেলগে থাকিব নালাগে। আপুনি মানুহৰ বিষয়ে কেৱল চিন্তা কৰক আৰু আৰম্ভ কৰিবলৈ ইচ্ছুক হওঁক। আপুনি কিবা এটা খুব ডাঙৰ বা চমৎকাৰ কাৰ্য্য কৰিব নালাগে। প্ৰতিদিনে কৰা আপোনাৰ সৰু সৰু কামো আপুনি ভাবিব পৰাতকৈ ডাঙৰ প্ৰভাৱ পেলোৱাৰ সম্ভাৱনা আছে।

- ভাল কাম কৰা কাৰবাক ধৰক।
- কাৰোবাক সঁচাই প্ৰশংসা কৰক।
- প্ৰয়োজনৰ সময়ত কাৰোবাক সহায় কৰক।
- কান্দিবৰ কাৰণে আপোনাৰ বাণ্ড আগবঢ়াওক।
- কৃতকাৰ্য্যতা লাভ কৰাৰ লগত আনন্দ কৰক।
- কাৰবাক আশা দিয়ক।

আপুনি এইবোৰ কৰিব পাৰে। এতিয়া কাৰ্য্য কৰক। মই ভালপোৱা এই উদ্বিতিত সদায় মনত ৰাখক "মই এই পৃথিৱীৰ মাজেৰে যাবলৈ ইচ্ছা কৰো কিন্তু এবাৰ। সেয়ে মই কৰিব পৰা যিকোনো ভাল বা যিকোনো ব্যক্তিক মই দয়া দেখুৱাব পাৰো, মোক এতিয়াই কৰিব দিয়ক। মোক এইটো অৱহেলা বা দেৰি কৰিব নিদিব, কাৰণ মই এই পথেৰে আকৌ নাহো।"

দশম অধ্যায়

10

# *দয়াৰ আক্ৰমণমূলক কাৰ্য্য*

*আৰু প্ৰেমত আৰু সৎকৰ্ম্মত উত্তেজিত হ'বলৈ আমি পৰস্পৰে মনোযোগ কৰোঁ হ'ক।*
*নিৰক্ষণ কৰা আমি কেনেকৈ সক্ষম হওঁ (সক্ৰিয় কৰা আৰু উত্তেজিত কৰা)*
*ভাল পাবলৈ আৰু সহায়ৰ কাৰ্য্য কৰিবলৈ আৰু পৱিত্ৰ কাৰ্য্য।*
*ইব্ৰী ১০:২৪*

আপুনি আনৰ কাৰণে আশীৰ্ব্বাদৰ পথ হ'ব পাৰিছেনে, এই বিষয়ে আপোনাৰ লগৰী, পৰিয়ালৰ সদস্য বা বন্ধুৰ লগত আলোচনা কৰিবলৈ কেতিয়াবা বহিছেনে? মই সাহস কৰি কওঁ যে আমি বহুতেই কৰা নাই, আনকি তিনিবছৰৰ আগতে মইও কৰা নাছিলো। এতিয়া মই ষষ্ঠ অধ্যায়ত উল্লেখ কৰাৰ দৰে তেনে আলোচনাবোৰ আমোদজনক আৰু খুব সহায়কাৰক বুলি মই ভাবো। আমি যেতিয়া ইচ্ছা কৰি ভাবো আৰু কথাপাতো কেনেকৈ আন মানুহক সহায় কৰিব পাৰি সেই বিষয়ত আমি খুব উত্তেজিত হওঁ। আমি যদি উদ্দেশ্য নোহোৱাকৈ কাম কৰো আনক সহায় কৰিবলৈ তাত প্ৰেমৰ বিপ্লৱ নাথাকে। আমাৰ লক্ষ থাকিব লাগে আৰু তেওলোকক লগ পাবৰ বাবে জোৰ দিব লাগে।

এবাৰ মই সিদ্ধান্ত লও যে মোৰ জীৱনৰ মূল বিষয়বস্তু হ'ব আনক ভাল পোৱা, প্ৰেম দেখুৱাবলৈ বেলেগ বেলেগ উপায়ৰ বাবে মই ভুকাতোৰ। প্ৰেম মতবাদ নহয় বা এনেই কোৱা কথা নহয়, এইটো এটা কাৰ্য্য (১ যোহন ৩:১৮) আগৰ অধ্যায়ত মই জোৰ দি কোৱাৰ দৰে আমি নিশ্চয় মানুহক মৰমৰ মাতেৰে মৰম কৰিব লাগে তাৰ দ্বাৰাই তেওঁলোক কিমান মূল্যবান প্ৰকাশ পাই আৰু

উৎসাহিত হয়, কিন্তু আমি আমাৰ যি আছে সময়, কাম কৰা শক্তি, অধিকাৰ আৰু ধন এই সকলো আনক ভাল পাবলৈ ব্যৱহাৰ কৰিব লাগিব।

আপুনি হয়তো ভাবিব পাৰে আপোনাৰ দিবলৈ একো নাই। সেয়ে আনক দিয়াটো আপোনাৰ বাবে অসুবিধাজনক কাৰণ হয়তো আপুনি ধাৰত আছে, যেনে-তেনে দিবলগীয়া ঘৰৰ খৰছবোৰ দিছে বা সম্ভৱত দিব খুজি দিব নোৱাৰাত আপোনাৰ বেয়া লাগিছে, কিন্তু আপুনি কেনেকৈ কৰিব নাচাব। যদি আপুনি আক্ৰমণমূলক ভাৱে তেওঁলোকৰ বাবে বিচাৰে, সঁচাকৈয়ে হাজাৰতা উপায়ৰে দিব পাৰে আৰু মৰম বিলাব পাৰে।

## *কথাৰ দৰেই কাম কৰা*

মই বিশ্বাস কৰো মানুহ কেনেকৈ কৰিব বুলি কৈ যদি কেনেকৈ কৰিব তাৰ উপায়বোৰ দিয়া নাযায় তেতিয়া হ'লে এইটো ডাঙৰ ভুল। বহুত মানুহে প্ৰেমৰ বিষয়ে কয় কিন্তু স্বাভাৱিক ভাৱে প্ৰেম কেনেকৈ দেখুৱাব তাৰ প্ৰকৃত ভাৱ নোহোৱাকৈ কেৱল কথা পাতিলেই নহ'ব। মই গোটেই কিতাপখন মাত্ৰ প্ৰেমৰ ওপৰতেই শেষ কৰিছো। ২১০ পৃষ্ঠা যীচুৰ শিক্ষাৰে পৰিপূৰ্ণ হৈ আছে, যীচুয়ে এটা নতুন আদেশ দিছে আমি ইজনে সিজনক প্ৰেম কৰিব লাগে যি দৰে তেওঁ আমাক কৰে আৰু সেই প্ৰেমৰ দ্বাৰাই পৃথিৱীয়ে তেওক জানিব। (যোহন ১৩:৩৪-৩৫) কিন্তু মই এটাও স্বাভাৱিক চিন্তা বা সৃষ্টিশীল ভাৱ বিচাৰি পোৱা নাই কেনেকৈ ব্যক্তিগত জীৱনত সঁচাকৈয়ে দেখা পোৱা যাব। বাৰে বাৰে এটাই কথা কৈছে যে আমি ইজনে সিজনক ভাল পোৱাটো আটাইতকৈ গুৰুত্বপূৰ্ণ কথা, কিন্তু মই নম্ৰভাৱে কওঁ যে মোৰ প্ৰেমৰ বিষয়ে যি জ্ঞান আছে সেই সকলো যদি তেওঁৰ কিতাপত আছে তেন্তে সেইটো কেনেকৈ কৰিম মোৰ কোনো সমাধানৰ বাট নাই। মই ভাবো যিটো সঁচা মানুহে তাকে কৰিব খোজে, কিন্তু ঠিক পথত যাবৰ কাৰণে আঙুলিয়াই দেখুৱাবলৈ তেওঁলোকক কোনোবা এজনৰ প্ৰয়োজন।

যীচুৱে অকল প্ৰেমৰ কথাই কোৱা নাই কিন্তু আমি পাচনি কৰ্ম্ম ১০:৩৮ পদত কি কৈছে মনত ৰাখিব লাগিব তেওঁ প্ৰতিদিনে ৰাতিপুৱা উঠে, আৰু সৎকৰ্ম্ম কৰিবলৈ যায়, আৰু চয়তানৰ পৰা অত্যাচাৰ পোৱা আৰু শাস্তি পোৱা সকলক সুস্থ কৰে। তেওঁ মানুহৰ কথা শুনা আৰু প্ৰতিদিনে তেওঁলোকক সহায় কৰা তেওঁৰ শিষ্যসকলে দেখিছিল আৰু যিসকলে সহায়ৰ কাৰণে তেওঁৰ ওচৰলৈ আহিছিল তেওঁলোকক সহায় কৰিবলৈ যাওঁতে তেওঁৰ আঁচনিত বাধা পৰিছিল। দুখীয়াক সহায় কৰিবৰ অৰ্থে সঠিকভাৱে একাষৰিয়াকৈ তেওঁ ধন ৰখা শিষ্যসকলে দেখিছিল। দুৰ্ব্বলসকলৰ প্ৰতি তেওঁৰ ধৈৰ্য্য আৰু সোনকালে যে তেওঁ ক্ষমা দিয়ে তাৰ সাক্ষী তেওঁলোক আছিল। তেওঁ দয়ালু, নম্ৰ আৰু উদ্‌গনি দিওঁতা, তেওঁ কেতিয়াও কাকো নেৰে। যীচুৱে মানুহক এনেয়ে ভাল পাওঁ বুলি নকয়; তেওঁৰ চাৰিওফালে থকাসকলক কেনেকৈ ভাল পায় তেওঁ কাৰ্য্যৰে প্ৰকাশ কৰে। আমাৰ কথাৰ গুৰুত্ব আছে, কিন্তু আমাৰ কথাতকৈ আমাৰ কাৰ্য্যৰ তাৎপৰ্য্য বেছি।

আমাৰ কথাৰ গুৰুত্ব আছে, কিন্তু আমাৰ কথাতকৈ আমাৰ কাৰ্য্য তাৎপৰ্য্য বেছি।

## *আমাৰ ডাঙৰ সমস্যা*

খ্ৰীষ্টিয়ান সকলৰ আটাইতকৈ ডাঙৰ সমস্যা হ'ল যে মানুহে আমাক কি কৰিবলৈ কয় আমি সেইটো শুনো — আৰু আনকি আমিও আনক কি কৰিব লাগে কওঁ — আৰু তেতিয়া আমি গীৰ্জ্জা ঘৰৰ পৰা আঁতৰি যাওঁ বা বাইবেল শিক্ষাৰ পৰা আৰু তাৰপাচত একো নকৰো। আমি কি চিন্তা কৰো আমি জানো কিন্তু সেইটো একো ডাঙৰ কথা নহয়। আমি কি কৰো সেইটো প্ৰকাশ পাই আমি কি জানো তাৰ দ্বাৰাই। যীচুয়ে কৈছে আমাৰ কৰ্ম্মৰ ফলৰ দ্বাৰা তেওঁ আমাক জানে। (মথি ১২:৩৩), তাৰ মানে আমাৰ জীৱনত আমি যি ফল উৎপন্ন কৰো আৰু আমাৰ ব্যৱহাৰে, আমি সঁচাই কেনেকুৱা মানুহে ক'ব পাৰে।

মই অনবৰতে নিজক সুধিব লাগিব, 'সঁচাকৈয়ে প্ৰেম প্ৰকাশ কৰিবলৈ মই কি কৰিছো? পাচনি পৌলৰ মতে আমি জ্ঞানৰ দ্বাৰাই ঠগ খাইছো। আমি যিটো কেতিয়াও দেখা নাই। সেই বিষয়ে সঁচাকৈয়ে একো অভ্যাস নকৰাকৈ আমি জানো বুলি অহঙ্কাৰ কৰো। পৌলে কৰিন্থীয়ান সকলক কৈছিলে যে মানুহ গৰ্ব্বিত্ব আৰু অহঙ্কাৰী হোৱাৰ কাৰণ হ'ল অলপ জ্ঞান, কিন্তু প্ৰেমে (মৰম-স্নেহ, শুভকামনা, আৰু পৰোপকাৰিতা) নৈতিক উন্নতি সাধন কৰে আৰু ধৰ্ম্মত বৃদ্ধি কৰে আৰু সামাজিক মৰ্য্যদাত সম্পূৰ্ণভাৱে বৃদ্ধি হ'বলৈ মানুহক উৎসাহিত কৰে। (১ম কৰি ৮:১) আমি যি কৰো আৰু যি কওঁ তাৰ মাজত যাতে পাৰ্থক্য নাথাকে তাৰ বাবে আমি সকলো নিশ্চিত কৰিব লাগে। বহুতো খ্ৰীষ্টিয়ানে দোষ বিচাৰে বুলি পৃথিৱীয়ে দোষাৰূপ কৰাটো একো আঁচৰিত নহয়, কাৰণ আচলতে তেওঁলোকে সেইদৰেই হয়।

বহু বছৰ মই এটা গীৰ্জ্জালৈ গৈছিলো তেওঁলোকে "মিচন দেওবাৰে" (পৰিচৰ্য্যাৰ দেওবাৰ) কেৱল পৰিচৰ্য্যা (মিচন) বিষয়ে কয়। মোৰ মনত নাই আমাৰ নিজৰ চহৰৰ দুখীয়া আৰু কষ্টত থকা সকলৰ কাৰণে কিবা কৰা কথা। বাস্তৱিকতে খ্ৰীষ্টিয়ান সকলে কি কৰিব লাগে আৰু সমাজত কিদৰে পৰিচালিত হ'ব লাগে তাতকৈ ধৰ্ম্মৰ মূলনীতিৰ বিষয়ে কোৱাহে মোৰ মনত পৰে। মূলনীতি খুব গুৰুত্বপূৰ্ণ বিষয়, কিন্তু দৈনন্দিন জীৱনত আমি কেনেকৈ চলিব লাগে সেইটোও সমানেই গুৰুত্বপূৰ্ণ বিষয়। গীৰ্জ্জা, পৰচৰ্চা, ভেদাভেদ আৰু গীৰ্জ্জাত বিশেষ স্থান লাভৰ কথাৰে পৰিপূৰ্ণ হৈ থাকে। বহুতো ক্ষেত্ৰত পৃথিৱীৰ বেলেগ লোকসকলতকৈ আমি একো বেলেগ ব্যৱহাৰ নকৰো; আমি এনেয়ে গীৰ্জ্জালৈ যাওঁ। মই চিন্তা কৰি পাইছিলো যে খ্ৰীষ্টিয়ানসকলৰ কাৰণে ঈশ্বৰৰ ঐশ্বৰিক দান পৰিপূৰ্ণ হৈ আছে সেই বিষয়ে মই খুব পৰিধিমুখী আৰু আগ্ৰহী হোৱাৰ কাৰণে সৰ্ব্বশেষত সেই গীৰ্জ্জাটো এৰিবলৈ ক'লে। মই উত্তেজিত আৰু আগ্ৰহী খ্ৰীষ্টিয়ান হ'লো আৰু মোক ক'লে মই খুব আবেগিক হৈছো সেয়ে শান্ত হোৱাৰ প্ৰয়োজন।

মই আন এটা গীৰ্জ্জালৈ গ'লো য'ত লোক সকলে মই গভীৰ ভাৱে কথাবোৰ ভাবাৰ দৰেই

ভাবিছিল আৰু আগ্ৰহী আছিল। যীচুৰ খ্ৰীষ্টৰ যোগেদি পৰিত্ৰাণৰ কথা আনক সাক্ষৰ জৰিয়তে কোৰাত গভীৰ ভাৱে নিজকে সংযুক্ত কৰিছিল। মই উত্তেজিত হৈছিলো আৰু গভীৰভাৱে ঈশ্বৰৰ সেৱা কৰিব বিচাৰিছিলো, সেয়ে মই মহিলাৰ এটা দল গঠন কৰো আৰু প্ৰতি শুকুৰবাৰে শুভবাৰ্ত্তাৰ পত্ৰিকাৰে নিজকে প্ৰস্তুত কৰি ওলাই গৈছিলো। আমি মানুহৰ হাতে হাতে সেইবোৰ দিয়াত ৰাচনৰ দোকানৰ লোকসকল উত্তেজিত হয় আৰু গাড়ী থোৱা ঠাইৰ গাড়ীৰ খিৰিকিত সেইবোৰ লগাই দিয়ে। শুভবাৰ্ত্তৰ বাণীৰে ভৰপূৰ দশ হাজাৰ প্ৰতিকা আমি বিলাও। প্ৰতি মঙ্গলবাৰে গধুলি মই মোৰ ঘৰত আলহী সুধো আৰু বাইবেলৰ শিক্ষাও দিওঁ।

মই ঈশ্বৰত বৃদ্ধি পাওঁ আৰু তেওঁক সেৱা কৰিবৰ বাবে উত্তেজিত হওঁ, কিন্তু তেতিয়া গীৰ্জ্জাৰ বয়সীয়া সকলে মোক মিটিঙলৈ মাতিলে আৰু মোক বিদ্ৰোহী হৈছো বুলি ক'লে কাৰণ তেওঁলোকৰ অনুমতি নোলোৱাকৈ মহিলাসকলক পত্ৰিকা বিলাবলৈ সংগঠিত কৰিছিলো। তেওঁলোকে দেৰ আৰু মোক জনালে যে বাইবেল শিক্ষা মই লোৱাৰ পৰিবৰ্ত্তে দেৰে ল'ব লাগে। শেষত একো নকৰাকৈ গীৰ্জ্জা ক্ৰমানয়ে কমি যায় আৰু এতিয়া মানুহে শাসন কৰিব খোজাৰ কাৰণে অস্তিত নোহোৱা হৈ যায় আৰু এই সকলো কৰাৰ দ্বাৰাই ঈশ্বৰে দিয়া দানক দমন কৰে।

মই মনত ৰাখিবলৈ চেষ্টা কৰা বহুত বছৰ, ভাল ভাল কথা শিকোৱা আন এটা গীৰ্জ্জালৈ যাওঁ, কিন্তু মই যদি পিচলৈ ঘূৰি চাও সত্য ভাৱে কওঁ যে মই খুব কম প্ৰেম তাত দেখিছিলো। গীৰ্জ্জাই বাহিৰৰ পৰিচৰ্য্যা কাৰ্য্য খুব কম কৰিছিল আৰু পৃথিৱীৰ বেলেগ বেলেগ ঠাইত পৰিচৰ্য্যা কৰিবলৈ খুব কম টকা আছিল সেইয়া ইমানেই কম আছিল যে নথকাৰ দৰে। আমাৰ চলাওঁতা সকল আপুনপেটিয়া, অহঙ্কাৰেৰে পৰিপূৰ্ণ, ঈৰ্ষান্বিত আৰু আনকি আনৰ উন্নতিলৈ ভয় কৰা; কিছুমানে শাসন কৰে আৰু খুব বেছি অপৰিপক। মই যেতিয়া ভাবো অস্বস্তিবোধ কৰো যে মই কিছুমান আত্মকেন্দ্ৰিক কথাও লাগি থাকি মোৰ জীৱনৰ বহু সময় অনিষ্ট কৰিলো। স্থানীয় গীৰ্জ্জাক বিশেষভাৱে বাহিৰৰ পৰিচৰ্য্যাৰ বাবে বুলি কোৱা হয়, কিন্তু পৰিচৰ্য্যাৰ বাবে বাহিৰ নাযায়। গীৰ্জ্জাৰ পৰিচৰ্য্যা সমাজ, চহৰ, দেশ আৰু পৃথিৱীৰ কাৰণে সাক্ষ হ'ব লাগে। (পাচনি ১:৮)

প্ৰকৃত প্ৰেমৰ বাবে গীৰ্জ্জাই সক্ৰিয়ভাৱে কাৰ্য্য কৰিব লাগে, আনৰ সফলতাৰ কাৰণে ধৰ্য্য, মৰম-আদৰ, মানবীয়তা, আনন্দ, নিজৰ বাবে চিন্তা নকৰা, আনক দিয়া সদায়ে শ্ৰেষ্ঠ বুলি বিশ্বাস কৰা হয়, আনৰ দোষ সোনকালে ক্ষমা কৰা, বিচাৰ কৰাতকৈ অনুগ্ৰহ দেখুৱা, পৰোপকাৰিতা, ভাল কাৰ্য্য, আৰু দুখীয়াক সহায় কৰা, বিধৱা, মাউৰা, পিতৃহীন, ভোকাতুৰ, ঘৰহীন আৰু নিষ্পেহিতক সহায় এই সকলো বাইবেলে ব্যাখ্যা কৰিছে। আনৰ ভালৰ কাৰণে প্ৰেমে নিজৰ জীৱন আহুতি দিয়ে। এইটো প্ৰবাহিত হ'ব লাগে আৰু বাঢ়িব লাগে।

## *হৃদয়ৰ সহানুভূতিৰে সৈতে কি কৰিব?*

প্ৰথম যোহন ৩:১৭ পদত গুৰুত্বপূৰ্ণ প্ৰশ্ন এটা কৰিছে "যি জনৰ সাংসাৰিক জীৱিকাৰ উপায় আছে, তেওঁ নিজ ভাইৰ অভাৱ দেখি, যদি তেওঁৰ পৰা নিজৰ স্নেহ দূৰ কৰে, তেন্তে ঈশ্বৰৰ প্ৰেম

কেনেকৈ তেওঁৰ অন্তৰত থাকে? আন ভাৱে ক'বলৈ হ'লে, আমি যেতিয়া আনৰ অৱশ্যকতা দেখু সেই সময়ত আমাৰ হৃদয়ৰ সহানুভূতি খুলিবলৈ বা বন্ধ কৰিবলৈ সিদ্ধান্ত ল'ব পাৰো বুলি এই বাক্য কয়, কিন্তু আমি যদি বাৰে বাৰে বন্ধ কৰিবলৈ সিদ্ধান্ত লওঁ ঈশ্বৰৰ প্ৰেম জীৱিত হৈ নাথাকে আৰু আমাৰ লগত নাথাকে। প্ৰেমৰ গুণে সক্ৰিয় হৈ থকাতো বিচাৰে কাৰণ ই জীৱিত হয়। ঈশ্বৰেই প্ৰেমহ্ন

যোহনে যেতিয়া চঁক খোৱা আৰু গাম্ভীৰ্যপূৰ্ণ মন্তব্য দি কৈছিল যে — "যিজনে প্ৰেম নকৰে, তেওঁ ঈশ্বৰক নাজানে, কিয়নো ঈশ্বৰ প্ৰেম।" (১ম যোহন ৪:৮) আমাৰ দৈনন্দিন জীৱনত প্ৰেম কি হয় ঈশ্বৰৰ বিষয়ে ধ্যায়ান কৰাৰ দ্বাৰাই সোনকালে জ্ঞান লাভ কৰিব পাৰো। বা কোনো এজন মানুহে কোৱাৰ দৰে, "সম্ভৱত আমি বহুত বেছি জ্ঞান আহৰণ কৰিব পাৰো যীচুৱে প্ৰয়োজন সাপেক্ষে থমকি ৰৈ কৰা কাৰ্য্যৰ পৰা।" মানুহৰ কাৰণে সদায় তেওঁৰ সময় থাকেহ্ন তেওঁ সদায় যত্ন লয়হ্ন তেওঁ কলৈ গৈছে সেইটো নহয়, প্ৰয়োজন থকা সকলক সহায় কৰিবলৈ কিছু সময় দিয়ে।

## আহক স্বাভাৱিক হওঁ

মই শ শ মানুহক মোৰ লগত আলোচনাত ভাগ ল'বলৈ সুধিছিলো স্বাভাৱিক ভাৱে প্ৰেম দেখুৱাবলৈ কি উপায় বিশ্বাস কৰে। প্ৰতিটো দিনত মানুহক ভাল পোৱা কথাটো সৃষ্টিমূলক ভাৱে জানি মোৰ জীৱনত অন্তৰ্ভুক্ত কৰিবলৈ মই কিতাপ পঢ়িছিলো, ইণ্টাৰনেটত বিচাৰিছিলো আৰু মোৰ নিজৰ যাত্ৰাত উত্তেজিত হৈছিলো। মই শিকা কিছুমান কথা মই আপোনাৰ লগত ভগাই ল'ব বিচাৰো, কিন্তু মই আপোনাকো সৃষ্টিমূলক হ'বলৈ উৎসাহিত কৰো আৰু তাৰ পাচত আপোনাৰ ভাব চিন্তা আনৰ লগত ভগাওক। আপুনি www.theloverevolutionত চাব পাৰে যিটো আমাৰ web site হয় প্ৰেমৰ বিপ্লৱৰ কাৰণে, আৰু তাত আপুনি প্ৰেমৰ বিপ্লৱৰ লগত সম্বন্ধ থকা সকলো সামাজিক প্ৰসাৰণ, লেখা ল'ব পাৰে আৰু এই বিপ্লৱ আগবঢ়াই নিয়াত সহায় হ'বলৈ বহুতো তথ্য পাব পাৰে। এইদৰে আপুনি আনৰ লগত নিজৰ চিন্তা ভাগাই ল'ব পাৰে তাৰ লগে লগে তেওঁলোকৰ পৰা শিকাৰো সুবিধা পাব পাৰে। মনত ৰাখিব...আপুনি প্ৰেমৰ বিপ্লৱহ্ন আপোনাৰ সক্ৰিয় সহযোগীতা নোহোৱাকৈ এইটো সম্ভৱ নহয়।

বেলেগ বেলেগ মানুহৰ পৰা সংগ্ৰহ কৰি বিচাৰি পোৱা কিছুমান চিন্তা ঃ

- যেতিয়া আপুনি আৰু আন এজনে একেই গাড়ী থোৱা ঠাই বিচাৰে, আপুনি হাঁহি মুখেৰে আন মানুহজনক ৰাখিব দিয়ক।
- বয়সীয়া মানুহৰ চোতালৰ ঘা কাটি বা জাৰ কালিৰ বৰফ অটৰাই।
- বয়সীয়া মানুহৰ ঘৰ চাফা কৰি বা বজাৰ কৰি দি।
- যাৰ গাড়ী নাই গীৰ্জ্জালৈ লৈ যাওঁক বা আন কোনো ঠাইলৈ যদিওবা এইদৰে কৰিবলৈ আপোনাৰ বাটত নহয়।

- বাধা নিদিয়াকৈ আনে কোৱা কথা শুনক।
- নম্ৰ গাড়ী চালক হওঁক।
- অচিনাকীক দুৱাৰখন খুলি দি তেওঁ বা তাইক আগতে যাবলৈ দিয়ক।
- আপোনাৰ যদি বস্তুৰে ঠেলাখন ভৰা আৰু আপোনাৰ পিচৰ জনৰ মাত্ৰ দুটা বস্তু, তেওঁক আগে যাব দিয়ক।
- সন্তান থকা অকলশৰীয়া পিতৃ-মাতৃক অলপ সময় দিয়ক বা শান্তিপূৰ্ণভাৱে কাম কৰিবলৈ সময়।
- যি ব্যক্তিৰ পৰিয়াল নাই বন্ধৰ দিনা তেওঁক ঘৰলৈ মাতক।
- কাৰ্ড বা ফুল পঠিয়াই ধন্যবাদ বা শলাগ লওঁক।
- অকলশৰীয়া মাতৃক উপমাৰ কোপন দিয়ক নিজৰ সন্তানক দুপৰীয়াৰ আহাৰৰ বাবে বাহিৰলৈ নিবৰ বাবে।

## *এইটোৱে কাম কৰে !*

আমি বিচাৰি পোৱা এটা চিন্তা ঃ “আপুনি খাই থকা ৰেষ্টুৰেণ্টত মনে মনে আনৰ আহাৰৰ পইচা দিয়া।” দেৱ আৰু মই প্ৰায়ে এইদৰে কৰোঁ আৰু ইয়াৰ ফল আঁচৰিত হয়। এদিন দুগৰাকী বয়সীয়া মহিলাক গধুলি আমি ৰেষ্টৰেণ্টত দেখু। তেওঁলোক দুয়ো সুন্দৰকৈ কাপোৰ পৰিধান কৰা আৰু দেখিবলৈ খুব মৰম লগা। আমাৰ ইচ্ছা হ’ল তেওঁলোকৰ ৰাতিৰ আহাৰৰ খৰছ আমি দিয়াৰ আৰু আমাক খোৱা দিয়া ল’ৰাটোৰ হতোৱাই দিওঁ। আমি তাক ক’লো আমাক প্ৰথমতে যাব দিবা তাৰ পাচত কবা কোনোবাই তেওঁলোকক আশীৰ্ব্বাদ কৰিব খুজিছে তেওঁলোকৰ আহাৰৰ খৰছ দি। অৱশ্যে তেওঁলোকে সুধিলে আমি কোন আৰু ল’ৰাটোৱে মই যে দূৰদৰ্শনত ঈশ্বৰৰ পৰিচৰ্য্যা কৰোঁ ক’লে আৰু মই তেওঁলোকৰ মুখত যে অকণমান হাঁহি দিব খুজিছে।

কেইবা মাহৰ পাচত আমি সেই একেখন ৰেষ্টুৰেণ্টত আছিলো আৰু এগৰাকী মহিলাই আহি সুধিলে তেওঁক আমাৰ মনত আছেনে? আমি সঠিককৈ চিনিব পৰা নাছিলো, সেয়ে খৰকৈ ঘটনাটো ক’লে, আৰু ক’লে সেইদিনাখন তাইৰ জন্মদিনৰ আহাৰ আমি কিনিলো আৰু কোনোবাই যে তাইৰ কাৰণে সেইয়া কৰিছে তাইৰ কাৰণে কিমান ডাঙৰ কথা। তাই ক’লে তাই মোৰ দূৰদৰ্শনৰ প্ৰগাম বিচাৰিলে আৰু তেতিয়াৰ পৰা সদায় চাই। আমি তেওঁলোকক অকল আনন্দ দিব পৰাই নহয় কিন্তু তেওঁৰ জন্মদিনত ঈশ্বৰে আমাক আশীৰ্ব্বাদ দিবৰ বাবেও ব্যৱহাৰ কৰিলে। তেওঁ এতিয়া আমাৰ দূৰদৰ্শন প্ৰগামৰ পৰা ঈশ্বৰৰ বাক্য সদায় শিকে আৰু সেইটো কি ফল ঈশ্বৰে কেৱল জানে। সেয়ে অকণমান মৰম আৰু অলপ ধন খৰছে অকল আনন্দই দিয়া নাছিল, কিন্তু ঈশ্বৰৰ বাক্যৰ সৈতেও চিনাকি কৰালে।

আমি আন এটা পৰামৰ্শ পাওঁ ঃ “খোৰা বস্তুৰ দোকানত আনৰ বস্তুৰ কাৰণে টকা দিয়া।” মোৰ ল’ৰাই কোৰা ঘটনাটোৱে মোৰ হৃদয় বিন্ধিছিল আৰু তেওঁৰ মাক হিচাপে মই গৰ্ব্ব অনুভৱ কৰিছিলো। মোৰ ল’ৰা আৰু তাৰ পত্নী সেই দোকানত আছিল আৰু তেওঁলোকে এগৰাকী ভাগৰুৱা আৰু চিন্তাৰ হেচাত থকা মহিলা দেখে আৰু তেওঁৰ অৱশ্যে খুব কম টকা আছিল। মহিলা গৰাকীয়ে লিখি অনা তালিকা চাই বস্তু কিনে আৰু অতি সাৱধানে বস্তুবোৰ চাই চাই তাইৰ বেগত ভৰাই। মোৰ ল’ৰাই তাইৰ ওচৰলৈ গৈ এক ডলাৰ দিয়ে আৰু যি প্ৰয়োজন কিনিবলৈ কৈ আঁতৰি যায়। মই এবাৰ পঢ়িছিলো প্ৰেম ছাঁত ৰৈ থাকি নিজকে প্ৰকাশ কৰাৰ সুবিধা বিচাৰি, ওলাই আহে আৰু কাম কৰে, তাৰ পাচত আকৌ সোনকালে ছাঁ লৈ ঘূৰি যায় পিচৰ সুবিধালৈ বাট চাই। মই ভাবো এইটো এটা সুন্দৰ চিন্তা আপুনি নাভাবেনে?

মই প্ৰায়ে হতাশাত ভোগা মানুহ দেখু আৰু মই সহজ ভাৱে ঈশ্বৰৰ বাক্যৰ দ্বাৰাই আৰ্থিক বিষয়ত শিক্ষা দিওঁ “ঈশ্বৰে আপোনাক ভাল পায়।” বহুত সময় মই আনকি ঈশ্বৰৰ বিষয়ে একো নকওঁ, মই সহজ ভাৱে তেওঁৰ চৰিত্ৰটো দেখুৱাওহু দোকানত কাম কৰা এজী ছোৱালীক কামৰ বিৰতীৰ সময়ত দেখিছিলো। অকলে বহি থকা ছোৱালীজনীক খুব ভাগৰি পৰা যেন দেখিছিলো। মই তাইৰ হাতত পঞ্চাচ ডলাৰ দি কওঁ, “মই তোমাক মাত্ৰ আশীৰ্ব্বাদ কৰিব বিচাৰিছো। তুমি ইমান কষ্ট কৰিছা সেয়ে মই তোমাক শলাগীব বিচাৰিছো।” তাই চঁক খাই উঠিল আৰু ক’লে, “কোনোবাই কেতিয়াবা কৰা এইটো এটা অতি সুন্দৰ কাম।”

আমি অনুভৱ কৰো বুলি মই নাভাবো যে প্ৰতিদিনে আমাৰ লগত থকা কিমান মানুহে অকলশৰীয়া অনুভৱ কৰে বা বিশেষত্বহীন আৰু স্বাৰ্থ নোহোৱা প্ৰেমৰ তেওলোকৰ কিমান অভিজ্ঞতা আছে। এনেয়ে কিবা পোৱাৰ তেওঁলোকৰ অভ্যাস নাই আৰু তেওঁলোকে উপাৰ্জন নকৰাকৈ কিবা পোৱাৰ। মই ভাবো যেতিয়াই তেতিয়াই কৰা কাম বা কাৰণ নোহোৱাকৈ কৰা কাম আশীৰ্ব্বাদযুক্ত হয় আৰু ঈশ্বৰৰ প্ৰেম দেখুৱাৰ এক আঁচৰিত উপায়।

## *ভাল কৰিবলৈ নাপাহৰিব*

ইব্ৰী ১৩:১৬ কৈছে “কিন্তু উপকাৰ আৰু সহভাগিতাৰ কাৰ্য্য নাপাহৰিবা, প্ৰয়োজন থকা সকলৰ বাবে দানশীল, বিলাই দিয়া আৰু অংশগ্ৰহণকাৰী হোৱা (গীৰ্জ্জাৰ সহভাগিতাত অন্তৰ্ভুক্ত বুলি প্ৰকাশ কৰাত) কাৰণ তেনে ত্যাগে ঈশ্বৰক আনন্দিত কৰে।” যদিও এই বাক্যই বিশেষভাৱে গীৰ্জ্জাত থকা সকলৰ কাৰণে কৰা কথা কৈছে, মই এইটোৱেই ক’ব খুজিছো যে এনে দয়াশীল পথত থাকিলে ‘ঈশ্বৰক সন্তুষ্ট কৰিব পাৰি। প্ৰত্যেককে ভাল ব্যৱহাৰ কৰিবলৈ বাইবেলত আৰু আন বহুতো পদ আছে, অকল মাত্ৰ তেওঁলোক নহয় যাৰ প্ৰতি আমাৰ ভাল ভাব আছে বা যিসকল গীৰ্জ্জাত থাকে। উদাহৰণ স্বৰূপে ১ থিচলনীকীয়া ৫:১৫ “সাৱধান কোনেও অপকাৰৰ সলনি কাকো অপকাৰ নকৰক। কিন্তু পৰস্পৰ, আৰু সকলোলৈকে সদায় হিতকাৰী হ’বলৈ যত্ন কৰা।”

যিসকলে আপোনাৰ ঘৰৰ আবৰ্জনা নিয়ে আৰু চিঠি আনি দিয়াত কাম কৰে তেওঁলোকৰ কাৰণে কিবা কৰা কথা আপোনালোকে ভাবিবলৈ মই উৎসাহিত কৰো। এই সকল লোকেই আপোনাৰ লগত সকলো সময়তে থাকে, কিন্তু আমি প্ৰায়ে ভাবো তেওঁলোকৰ কি কাম তেওঁলোকক ভাল পাবলৈ। মই নিশ্চয় গোন্ধোৱা আবৰ্জ্জনা গোটেই দিনটো সংগ্ৰহ কৰিব নিবিচাৰো।

এবাৰ মোৰ ছোৱালীয়ে আবৰ্জনা উঠোৱা জনক প্ৰশংসা কৰি দুপৰীয়াৰ আহাৰ খাবলৈ টকা দিলে। মই ভাবো এইদৰে কৰা কামে অকল মানুহক আশীৰ্ব্বাদেই নকৰে, কিন্তু প্ৰায়ে আঁচৰিত কৰিব পাৰে কাৰণ তেওঁলোকৰ লগত এইদৰে কেতিয়াও হোৱা নাই। পৃথিৱীত এনে মানুহেৰে ভৰি আছে যি সকলে খুব কষ্ট কৰি কাম কৰে আৰু যিটো আনন্দদায়ক নহয় তথাপিও কোনেও তেওঁলোকলৈ লক্ষ্য নকৰে।

এবাৰ ঘৰুৱা সকলো বস্তু পোৱা দোকানত এগৰাকী মহিলাই গাধুৱা ঘৰ চাফা কৰি আছিল য'ত মই বজাৰ কৰো, মই তাইক অলপ টকা দি ক'লো "তুমি খুব কষ্ট কৰি কাম কৰিছা যেন লাগিছে আৰু মই ভাবো তুমি আশীৰ্ব্বাদ ব্যৱহাৰ কৰিছা।" মই হাঁহি মাৰি সোনকালে আঁতৰি যাওঁ। কেই মিনিট মানৰ পাচত মই তাইক জোতাৰ দোকানত লগ পাওঁ আৰু তাই ধন্যবাদ প্ৰকাশ কৰি কয় এনে ধৰণৰ মৰমৰ কাৰ্য্যই তাইক কাম কৰিবলৈ আৰু উৎসাহিত কৰিছে।

তাই ক'লে যদিও তাই কষ্ট কৰি কাম কৰে তথাপিও কোনেও তাইক লক্ষ্য নকৰে। যি সকলক সাধাৰণতে লক্ষ্য কৰা নাযায় তেওঁলোকক লক্ষ্য কৰিবলৈ অভ্যাস কৰিলে আপুনি আচৰিত হ'ব আপোনাৰ অন্তৰত কি হৈছে বুলি। ঈশ্বৰে তেনে লোকক ধ্যায়ান দিয়ে আৰু আপুনি ঈশ্বৰৰ সহকাৰী হৈ তেনেলোকৰ কাৰণে ভাবিবলৈ চেষ্টা কৰা কাৰণে তেওঁ আনন্দিত হয়।

## *সাধাৰণ ভদ্ৰতা অভ্যাস কৰক*

যেতিয়া আমি আনৰ আগত ভাল পোৱা প্ৰকাশ কৰিব খোজো, এজন মানুহে লিখিছে ঃ "সদায় অনুগ্ৰহ কৰি বুলি কওঁক আৰু ধন্যবাদ দিয়ক।" নিশ্চয় এই দুটা সাধাৰণ ভদ্ৰতাৰ গুণ, বেয়াকৈ কোৱাৰ সলনি ভদ্ৰভাৱে কোৱাটো মৰমীয়াল দেখুৱাৰ এটা উপায় আৰু আনক সন্মান কৰাৰ। মই বিশেষকৈ ঘৰ আৰু পৰিয়ালৰ লগত ভদ্ৰভাৱে ব্যৱহাৰ কৰিবলৈ উৎসাহিত কৰো। মই দেৱক কিবা কৰিবলৈ ক'লে তেওঁ কৰে মই সদায় তেওঁক ধন্যবাদ দিওঁ। এইটো খুব দৰকাৰী যে আমি মৰমৰ জনৰ ওপৰত স্বত্ব আছে বুলি ধৰি ল'ব নালাগে। আমি ঘৰৰ দুৱাৰৰ ভিতৰত সাধাৰণতে যি কৰো সেইটোৱে সমাজৰ মাজত প্ৰকাশ হয়।

প্ৰেম অমাৰ্জিত নহয়, ১ কৰিন্থীয় ১৩:৫ পদৰ মতে, আত্মকেন্দ্ৰিক ভাবৰ পৰাই অমাৰ্জিত স্বভাৱ হয়, আৰু সকলো সময়তেই ভাল ব্যৱহাৰ কৰি থকাই হ'ল ইয়াৰ বিৰুদ্ধে যুজ কৰা। আমাৰ সমাজ অমাৰ্জিত, কঠোৰতা আৰু অশালীনতাৰে পৰিপূৰ্ণ হৈ আছে, কিন্তু ঈশ্বৰৰ স্বভাৱ ইয়াত প্ৰকাশ নাপায়। যীচুৱে কৈছে তেওঁ "কঠোৰ, কঠিন, তীক্ষ্ণ বা চাপ দিওতা" নহয়, (মথি ১১:৩০) আৰু আমি তেওঁৰ উদাহৰণ মানিব লাগে।

আমি সঁচাকৈয়ে কৃতজ্ঞ হ'ব লাগে আৰু আমাৰ কৃতজ্ঞতা প্ৰকাশ কৰিব লাগে। বাইবেলত এই বিষয়ে বহু ঠাইত এই বিষয়ে উল্লেখ কৰি কৈছে "কৃতজ্ঞতাপূৰ্ণ হোৱা আৰু সেইদৰেই কোৱা।" আমি হয়তো ভাবিব পাৰো আমি কৃতজ্ঞ, শলাগ লোৱা মানুহ, কিন্তু আমাৰ অন্তৰত যি আছে সেইয়া মুখেৰে বাহিৰ হয় (মথি ১১:৩৪) যদি আমি তথাপিও কৃতজ্ঞতা জনাওতা হওঁ, আমাৰ পৰা স্বাভাৱিক ভাৱেই ধন্যবাদ প্ৰকাশ পাব।

## *সময় এটা ডাঙৰ দান — আপোনাৰ প্ৰতি ভা দিয়ক*

আপোনাৰ বিশেষ যি প্ৰতিভা আছে, কেতিয়াবা দান হিচাপে দিয়ক বৰং এইবোৰৰ পৰা কিবা পাম বুলি আশা নকৰি। উদাহৰণ স্বৰূপে যদি আপুনি ফ'ট লোৱা মানুহ হয় আপুনি আপোনাৰ বন্ধুৰ বিয়াৰ ফ'ট বা কাৰবাৰ টকাৰ নাটনি হোৱাত পইচা নোলোৱাকৈ ফ'ট তোলক।

যাদি আপুনি নাপিত হয় ঘৰ নথকা সকলৰ আশ্ৰয় স্থানলৈ গৈ মাহত এবাৰ বা তাকৈ বেছিবাৰ গৈ চুলি কাটিব পাৰে যদিহে ইচ্ছা কৰে।

মোৰ এগৰাকী বন্ধুৱে ৰং দিয়া কাম কৰে আৰু তেওঁ অলপতে সমস্যাত থকা এগৰাকী গাভৰু মহিলাৰ ঘৰলৈ গৈ তিনিদিন খৰছ কৰে বিনা পইচাত ৰং দিয়ে।

ঈশ্বৰে আমাক প্ৰত্যেককে কৰিব পৰা গুণ দিছে আৰু আমি আনৰ উপকাৰৰ অৰ্থে সেইয়া ব্যৱহাৰ কৰিব লাগে।

তৃতীয় অধ্যায়ত মই এগৰাকী মহিলাৰ কথা উল্লেখ কৰিছিলো তাইৰ অলপ পইচা আছিল কিন্তু পৰিচৰ্য্যা কাৰ্য্যৰ কাৰণে টকা দি সহায় কৰিব খোজে। তেওঁৰ কাহিনীয়ে জোৰ দিছে যে যদি আমি একো নকৰাকৈ নাথাকো, তেতিয়াহ'লে আমি যি কৰিব পাৰো তাৰ বাবে যিকোনো উপায়ে হ'লেও বাট মুকলি হ'ব আৰু যেতিয়া প্ৰত্যেকেই ইয়াত জড়িত হয় তেতিয়া ভাল কামৰ দ্বাৰাই বেছি দিন নালাগিব পৃথিৱীত পাপক পৰাজয় কৰিবলৈ।

## *কিছুমান লক্ষ্য ৰাখা*

লক্ষ্য থাকিব দিয়কচু মই লক্ষ্য ৰাখি আৰু আঁচনি বনাই তাত উপনিত হোৱাটো দৃঢ়ভাৱে বিশ্বাস কৰো। আপুনি হয়তো পালকক ক'ব পাৰে যে গীৰ্জ্জা চুটিৰ পাচত সকলো যেতিয়া যাব ওলাই তেওঁলোকে তিনি ঘণ্টাৰ কাৰণে নিৰ্দ্দিষ্ট পৰিকল্পনা নোহোৱাকৈ কৰুণাময় কাম কৰিবলৈ তেওঁলোকে সন্মতি দিব পাৰে। মাত্ৰ অনুমান কৰক গোটেই পৃথিৱীতে যদি এইদৰে আৰম্ভ হয় কি হ'বহু

এই অধ্যায়ত মই আনক মৰম দেখুৱাবৰ কাৰণে কেইটামান উপায়ক প্ৰধান বৈশিষ্ট দিছো — আপুনি যে তেনে কাম কৰিব পাৰে তাক বুজাৰ বাবে নিশ্চয় সহায় কৰিব। যিটো সত্য নহয় আমি কৰিব নোৱাৰো। আমি আপত্তি কৰিব পাৰো, আপত্তি কৰাই আমাক কেৱল প্ৰতাৰণা কৰে আৰু

একো নকৰিবৰ কাৰণে পতিয়ন নিয়াই। আপুনি যদি আক্ৰমণমূলক ভাৱে আনক সহায় কৰিবলৈ ইচ্ছা কৰে তেন্তে আপুনি সক্ৰিয় হৈ উঠিব যিটো আগতে কেতিয়াও হোৱা নাই। পৃথিৱীত নিযুত নিযুত মানুহে তেওঁলোকৰ কোনো উদ্দেশ্য নাই বুলি ভাৱে, সেয়ে তেওঁলোকৰ জীৱনত ঈশ্বৰৰ ইচ্ছা কি জানিব বিচাৰে আৰু দুখুৰ মুখুৰ অৱস্থাত দিন কটায়।

যীচু খ্ৰীষ্টই কোৱা কথাষাৰ পাহৰি নাযাব ঃ "মই তোমালোকক এটা নতুন আজ্ঞা দিওঁ যে, তোমালোকে যেন পৰস্পৰে প্ৰেম কৰা, মই যেনেকৈ তোমালোকক প্ৰেম কৰিলো, তেনেকৈ তোমালোকেও যেন পৰস্পৰে প্ৰেম কৰা।" সন্দেহ নোহোৱাকৈ, এইয়ে আমাৰ উদ্দেশ্য আৰু আমাৰ জীৱনৰ বাবে ঈশ্বৰৰ ইচ্ছা।

একাদশ অধ্যায়

# 11

# *মানুহক কি লাগে বিচাৰি উলিয়াওক আৰু সমাধানৰ অংশ হওঁক*

সকলো মানুহলৈকে সকলো প্ৰকাৰ কাৰ্য্য কৰো।
১ *কৰিন্থীয়া* ৯:২২

পৌলে কৈছে যে যদিওবা তেওঁ কাৰোবাৰ শাসনৰপৰা সকলো ফালে মুক্ত, তেওঁ প্ৰত্যেকৰে নিজকে দাস কৰে। আমি যদি ভাবো এই উক্তিটো সঁচাকৈয়ে আচৰ্য্যজনক। সুবিধা লোৱাৰ কোনো ভয় নোহোৱাকৈ তেওঁ নিজকে মুক্ত ভাৱে দাস হিচাপে দিব পাৰে। প্ৰকৃত জীৱন লাভৰ কাৰণে নিজৰ জীৱন দিবই লাগিব। তেওঁ সেৱাৰ বাবে জীয়াই থাকিবলৈ সিদ্ধান্ত লয় আৰু আনক আনন্দ দান কৰে। তেওঁ নিজৰ জীৱনত যীচুৱে দিয়া উদাহৰণবোৰ মানি চলিছিল।

পৌলে আৰু কৈছিল যে তেওঁ যিহুদী সকলৰ বাবে যিহুদী, যি সকল নিয়মৰ অধিনত তেওঁ সেইদৰে নিয়মৰ অধিন, আৰু দুৰ্ব্বলীৰ বাবে তেৰোঁ দুৰ্ব্বল। (১ কৰি ৯:২২) আন শব্দত ক'বলৈ হ'লে, মানুহে তেওঁক যি দৰে বিচাৰিছিলে তেওঁ সেইদৰেই নিজকে মিলাই লৈছিল। যীচুৰ বাবে জয় কৰিবলৈ যি কৰিব লাগিছিল তেওঁ কৰিছিল আৰু তেওঁলোকক প্ৰেম দেখুৱাইছিল। পৌল এজন অতি শিক্ষিত ব্যক্তি আছিল, মই বিশ্বাস কৰো তেওঁ যেতিয়া অশিক্ষিত মানুহৰ লগত আছিল, তেওঁ নিজৰ শিক্ষাৰ কথা কোৱা নাছিল বা তেওঁ যি সকলো জানে সেই বিষয়ে বক্তৃতা দিয়া নাছিল। তেওঁ কিমান শিক্ষিত সেইটো দেখুৱা নাছিল। তাৰ সলনি তলত দিয়া উক্তিৰ দ্বাৰাই

তেওঁ দেখুৱা নম্ৰতা আৰু দায়বদ্ধতাৰে তেওঁ কেতিয়াও আনক সৰু অনুভৱ কৰিব দিয়া নাছিল। তেওঁ লিখিছে — "কিয়নো মই নিশ্চয় কৰিছিলো যে, তোমালোকৰ মাজত আন একো নাজানো, কেৱল যীচু খ্ৰীষ্টক, বিশেষকৈ তেওঁ ক্ৰুচত হত হোৱা জানো।" (১ কৰি ২:২)

পৌল যেতিয়া মানুহৰ লগত আছিল, তেওঁ তেওঁলোকৰ কথা শুনিছিল আৰু তেওঁলোকক আন্তৰিক ভাৱে জানিবলৈ সময় লৈছিল। মই ভাবো এই সকলো আমাৰ কৰাৰ প্ৰয়োজন আৰু মই অভিজ্ঞতাৰ পৰা জানো যে সেইদৰে কৰাত আচৰিত ধৰণে আমাৰ সম্বন্ধ বৰ্দ্ধিত হয়। আমি মানুহক জানিবই লাগিব। তেওঁলোকে কি ভাল কি বেয়া পাই, বিচাৰে নে নিবিচাৰে, তেওঁলোকক কি লাগে আৰু ভৱিষ্যতৰ বাবে তেওঁলোক যদি কোনো বিষয়ত দুৰ্ব্বল হয় আৰু আমি যদি সেই বিষয়ত শক্তিমন্ত হওঁ, আমি আমাৰ কৰ্মদক্ষতাক লৈ গৰ্ব্ব কৰিব নালাগে।

## *মানুহক সহায় কৰিবলৈ উপায় বিচাৰক তেওঁলোকৰ বাবে ভাল অনুভৱ কৰক*

খোৱাৰ অভ্যাসৰ প্ৰতি মই নিয়ম মানি চলো, আৰু অলপতে মই এজনৰ লগত এসপ্তাহ আছিলো যি জনে এই বিষয়ত সঁচাই যুজিছিলে। বাৰে বাৰে উল্লেখ কৰিছিল মই কিমান নিয়ম মানি চলো আৰু তেওঁ নিয়ম মানি নচলে। প্ৰত্যেক বাৰে তেওঁ সেইদৰে কোৱাত মই মোৰ নিয়মৰ দক্ষতাক তল পেলাবলৈ কওঁ "মই কিছুমান বিষয়ত দুৰ্ব্বলো হওঁ, আৰু আপুনি যদি সেই বিষয়ত সদায় প্ৰাৰ্থনা কৰে আৰু চেষ্টা কৰে আপুনি ইয়াক জয় কৰিব পাৰিব।"

মোৰ জীৱনৰ এটা সময় আছিল যেতিয়া মই বন্ধুৰ অনুভুতিৰ বাবে ইমান স্পৰ্শকাতৰ নাছিলো। মই সম্ভৱ নিয়ম মানি চলাৰ উপকাৰিতাৰ ওপৰত আৰু অতিৰিক্ত খোৱাৰ ভয়াবহতা আৰু অপুষ্টিকৰ খাদ্যৰ বিষয়ে উপদেশ দিব লাগিছিল। তথাপি মই একোতে কৃত্যকাৰ্য্য নহ'লো হয়, কিন্তু মোৰ বন্ধুক দোষী আৰু দোষাৰূপ কৰিলোহেঁতেন। যেতিয়া তেওঁ মোৰ লগত সেই বিষয়ে ভাৱৰ আদান প্ৰদান কৰিছিলে তেতিয়া মই সেইদৰে কৰা হ'লে তেওঁৰ সহায় হ'ল হয়, কিন্তু সেইটো মনোভাৱেৰে যে মই সকলো কৰিছো তেওঁ অনুভৱ নকৰিলে হয় আৰু সেয়ে তেওঁ ঠিকদৰে ভাবিব নোৱাৰিলে। মই এটা কথা চিন্তা কৰি পালো যে যিটো কথাত তেওঁলোকে ইতিমধ্যে বেয়া অনুভৱ কৰি আছে সেই বিষয়ে তেওঁলোকক অনুভৱ কৰিব দিব নালাগে আৰু মানুহক ভালপোৱাৰ এটা উপায় হ'ল সহায় কৰা।

প্ৰেমৰ অতি ধুনীয়া দুটা গুণ হ'ল শান্তশিষ্ট আৰু নম্ৰতা। পৌলে কৈছে প্ৰেম অহঙ্কাৰী নহয় আৰু নিজকে মদগৰ্বী স্বৰূপে প্ৰকাশ নকৰে। (১ম কৰি ১৩:৪) নম্ৰতাই আনৰ সেৱা কৰে আৰু আনক ওপৰ উঠাবলৈ সদায় কাম কৰে।

বাইবেলে আমাক যীচুৰ মনোভাৱৰ আৰু নম্ৰ মনৰ হ'বলৈ শিকাইছে (ফিলি. ২:৫) তেওঁ ঈশ্বৰৰ সৈতে এক কিন্তু তেওঁ নিজকে বিশেষ সুবিধাৰ পৰা উলঙ্গ কৰিলে আৰু মানুহৰ দৰে

হ'বলৈ নিজকে নম্ৰ কৰলে যাতে তেওঁ আমাৰ অৰ্থে মৃত্যু বৰণ কৰিব পাৰে আৰু পাপী হিচাপে আমি পাব লগা শাস্তি তেওঁ বহন কৰিলে। (ফিলি. ২:৬-৯) তেওঁ মানুহক কেতিয়াও বেয়া অনুভৱ কৰিব দিয়া নাছিল কাৰণ তেওঁলোক তেওঁৰ সমপৰ্য্যায়ৰ নাছিল, কিন্তু তাৰ সলনি মানুহৰ পৰ্য্যায়লৈ আহিবলৈ তেওঁ মূৰ দোঁৱাই। পৌলেও সেইদৰেই কৰিছিল, আৰু আমি এই বাইবেলৰ উদাহৰণ মানি চলিব লাগে।

## *আমি সকলোৰেই বেলেগ কিবা বিচাৰো*

আমি সকলোৰে বেলেগ বেলেগ, আৰু আমাৰ প্ৰত্যেকৰে বেলেগ বেলেগ অৱশ্যকতা আছে। মই আপোনাক অনুৰোধ কৰিব খোজো আপুনি আৰু এখোজ আগুৱাই যাওঁক আৰু মানুহক সঁচাই কিহৰ প্ৰয়োজন বিচাৰি উলিয়াৰ পৰিৱৰ্তে আপুনি যি দিব বিচাৰে কেৱল তাকেই দিয়ক। বোধহয় আপুনি উদ্‌গনিমূলক বাক্য মানুহক মাজতে দিব পাৰে, সেয়ে প্ৰত্যেককে উৎসাহিত কৰিবলৈ যত্ন কৰক, কিন্তু আপুনি হয়তো যি সকল মানুহক সেই বাক্য দিয়ে তেওঁলোকক সঁচাই আপোনাৰ প্ৰয়োজন যিকোনো উপায়েৰে স্বাভাৱিক ভাৱে সহায় পাবলৈ। ভাড়া দিয়াত তেওঁলোক হয়তো তিনিমাহ পিচপৰি আছে আৰু আপুনি ঈশ্বৰে যোগাব বুলি উৎসাহিত কৰাৰ পৰিৱৰ্তে তেওঁলোকে আচলতে আপুনি আৰ্থিক ভাৱে সহায় কৰাটো বিচাৰে। আৰ্থিক ভাৱে হয়তো আপুনি সহায় কৰিব নোৱাৰিবও পাৰে। কিন্তু বাক্যৰ সৈতে সমতা ৰাখি বোধগম্য কিবা কাৰ্য্য কৰাটো ভাল যেতিয়া পৰিস্থিতিটো গভীৰ হয়।

সম্ভৱত আপুনি মানুহৰ লগত সময় কটাবলৈ ভাল পায়। আপুনি মানুহৰ ঘৰলৈ যাবলৈ, মানুহক মাতিবলৈ ফোনত কথা পাতিবলৈ বা বন্ধুক আহাৰৰ বাবে আপোনাৰ ঘৰলৈ অহা ভাল পাই — সেয়ে আপুনি প্ৰায়ে এইদৰে সময় কটাবলৈ ভাল পায়। কিন্তু যি সকল মানুহে অকলশৰে আৰু চিন্তা মুক্ত হৈ সঁচাকৈয়ে বেছি সময় বিচাৰে তেনে মানুহক যদি আপুনি সময় দিয়ে। তেওঁলোক আশীৰ্ব্বাদ প্ৰাপ্ত হ'ব যদি আপুনি তেওঁলোকৰ সন্তানসকলক চাই দি তেওঁলোকক দুপৰীয়াৰ আহাৰ খাবৰ বাবে বাহিৰলৈ যাবলৈ টকাৰ উপহাৰ কোপন দিয়ে, কিন্তু আপুনি যি উপভোগ কৰে তাক তেওঁলোকক দিবলৈ চেষ্টা কৰক।

কিছুমান মানুহে খুব বিতং ভাৱে জানিব বিচাৰে। তেওঁলোকে বিতং ভাৱে কথা পাতে আৰু ভাৱে। তেওঁলোক ইমান দীঘল e-mail পঠিয়াই বা ফোনত কথা পাতে এনে লাগে যেন শেষেই নহ'ব। কিছুমানে সেয়ে এনে দীঘলীয়া e-mail আৰু ফোনৰ কোৱা কথা শুনিবলৈ ভয়ে কৰে বহু সময় লাগিব বুলি। যদি তেওঁলোক বিতং ভাৱে বিচাৰোতা হয় তেতিয়া তেওঁলোকক সুখী কৰিবলৈ বা তেওঁলোকে যি ভাল পায় সেইয়াই অকল দিয়ক, তেওঁলোকক কিছুমান মানুহে গা এৰা দিয়ে।

আনকি কথাৰ আদান-প্ৰদান কৰোতে মানুহে কি বিচাৰে আৰু কি লাগে সেইটো চাব লাগে আমি নিজক সুখী কৰিবলৈ এনেয়ে কথা পতা বা লিখিব নালাগে। যদি আপোনাৰ এনে কোনো

বন্ধু আছে যি বিতং ভাৱে বিচাৰে, তেতিয়া আপুনি যি ভাবিব পাৰে তাকে দিয়ক। আনহাতে যদি আপোনাৰ বন্ধুয়ে মূল কথাখিনিহে বিচাৰে, তেতিয়া "প্ৰকৃত সত্য" খিনি দিয়ক।

মই উপহাৰ দিবলৈ ভাল পাওঁ প্ৰকৃততে মই মৰম দেখুৱাবলৈ সেইটো কৰো। এবাৰ মোৰ এজন সহকৰ্মীয়ে মোৰ উপহাৰটো সিমান ভাল নাপালে। এইটোৱে মোক অশান্তি দিছিল কাৰণ তাইক অকৃতজ্ঞ যেন লাগিছিল, কিন্তু যেতিয়া মই তেওঁক ভালদৰে জানিলো তাই মোক ক'লে তাইৰ কাৰণে আটাইতকৈ গুৰুত্বপূৰ্ণ কথা হ'ল কথা শুনা যাৰ দ্বাৰাই মৰম প্ৰকাশ পায়। মই তেওঁক উপহাৰ দিছিলো কাৰণ তেওঁ যি শুনিব খুজিছে তাতকৈ উপহাৰ দিয়াটো সহজ। মই কোনোবা এজনক তেওঁৰ কষ্টকৰ কামৰ কাৰণে বস্তু দি কৃতজ্ঞতা জনাওঁ, কিন্তু তাই অনবৰতে ভাল কাম কৰিছে বুলি মই কোৱাটো বিচাৰে আৰু মই কিমান শলাগিছো সেইটো বিচাৰে। তাই সাৱতি লোৱা বা পিঠিত হাত বুলাই কৃতজ্ঞতা জনোৱাটো বিচাৰে। উপহাৰ দিয়াৰ যোগেদি মই সঁচাকৈয়ে তাইক মৰম দেখুৱাবলৈ চেষ্টা কৰিছিলো, কিন্তু আচৰ্য্যজনক ভাৱে তাই মৰম অনুভৱ কৰা নাছিল। আমি সাধাৰণ ভাৱে অনুভৱ কৰাতকৈ তেনে প্ৰায়ে হয় বুলি মই ভাবো কাৰণ মানুহে আমাৰ পৰা সঁচাকৈয়ে কি বিচাৰিছে সেইটো আমি জানিবলৈ চেষ্টা নকৰো, আমি যি দিব ইচ্ছা কৰো তাকেই দিও কাৰণ আমাৰ কাৰণে সেইটো সহজ হয়।

যেতিয়া আমি সকলোকে আমাৰ দৰে হোৱাটো বিচাৰো, তেতিয়া তেওঁলোকে কি হ'ব নজনাকৈয়ে আমি তেওঁলোকক হেচা দিওঁ। ঈশ্বৰে অনুগ্ৰহেৰে আমাৰ যি প্ৰয়োজন সকলো দিয়ে। আমাৰ জীৱনত যেনে ধৰণৰ মানুহৰ প্ৰয়োজন ঈশ্বৰে তেনে মানুহ দান কৰে সঠিক উপহাৰেৰে সৈতে। কিন্তু আমি কৃতজ্ঞতাৰে কেৱল তেওঁলোকক চাব লাগে।

## *মানুহক মনোযোগেৰে পৰীক্ষা কৰক*

মানুহক মনোযোগেৰে পৰীক্ষা কৰাৰ দ্বাৰাই মই জ্ঞান অৰ্জন কৰো আৰু নিৰীক্ষণৰ অভিজ্ঞতাৰ দ্বাৰাই তেওঁলোকে মোৰ পৰা কি বিচাৰিছে। উদাহৰণ স্বৰূপে, মোৰ স্বামীয়ে সন্মান বিচাৰে, তাৰ বাবে মোৰ স্বামীয়ে মোৰ যত্ন লৈ ভাল কাম কৰে বুলি মই অনুভৱ কৰো। তেওঁ শান্তিপূৰ্ণ বাতাবৰণ বিচাৰে। তেওঁ সকলো ধৰণৰ খেল ভাল পাই আৰু গ্লফ খেলিবলৈ আৰু বলৰ খেল চাবলৈ সময় বিচাৰে। যদি মই সেই সকলো তেওঁক দিওঁ, তেওঁ কিমান সুখী হ'ব পাৰে।

আনহাতে মই কাম কৰাটো ভাল পাওঁ। তাৰ মানে যদি কোনোবাই মোৰ কাৰণে কিবা কৰে সেইটো মোৰ কাৰণে বহুত মোৰ জীৱনটো সহজ কৰাত। মোৰ স্বামীয়ে ৰাতিৰ আহাৰৰ পাচত পাকঘৰ চাফা কৰে সেয়ে মই অলপ বহি জিৰণী ল'ব পাৰো। যদি মই কিবা কৰিবলৈ চেষ্টা কৰা দেখে যিটো মোৰ কাৰণে কষ্টদায়ক, যেনে গধুৰ বস্তু উঠোৱা, তেওঁ লগে লগে মোক তলত থবলৈ কয় আৰু তেওঁ কৰি দিয়ে। এই সকলো কথাই মোক মূল্যবান আৰু মৰম অনুভৱ কৰাই। ইজনে সিজনক বুজা আৰু সহায় কৰিবলৈ ইচ্ছা কৰাই আমাৰ সম্বন্ধ ভাবিব নোৱাৰা ধৰণে উন্নত কৰে।

মোৰ ছোৱালী চন্দ্ৰাই উদ্‌গনী বাক্য আৰু উপযুক্ত সময় বিচাৰে। মোৰ ছোৱালী লৌৰাই উদ্‌গনী বাক্য বিচাৰে কিন্তু মোৰ লগত থকা সময়খিনি তাইৰ কাৰণে গুৰুত্বপূৰ্ণ নহয়। দুয়োয়ে মোক খুব ভাল পায়, কিন্তু বেলেগ বেলেগ ধৰণে। চন্দ্ৰাই প্ৰায় প্ৰতিদিনেই মোক ফোন কৰে আৰু তাই আৰু তাইৰ পৰিয়ালে প্ৰায়ে আমাৰ লগত খায়। লৌৰাই সঘনাই ফোন নকৰিছিল আৰু চন্দ্ৰাৰ দৰে নাছিল কিন্তু তাই মোৰ বয়সীয়া মাতৃ আৰু মাহীক তেওঁলোকৰ ঘৰুৱা বস্তু আনি দি বেংকৰ কাম আৰু বিল আদি দি সহায় কৰিছিল যদিও তাইৰ চাৰিটা সন্তান ঘৰত থাকে আৰু তাইৰ স্বামীৰ আইতাক তেওঁলোকৰ লগত থাকে।

মোৰ দুটা অতি সুন্দৰ ল'ৰ্‍া আছে, কিন্তু তেওঁলোক সম্পূৰ্ণ বেলেগ ধৰণৰ। এজনে সদায় ফোন কৰি মোক ভাল পাই বুলি কয়, আন জনে ইমান ফোন নকৰে, কিন্তু বেলেগ ধৰণে তাৰ মৰম দেখুৱাই। যি কোনো সময়ত মই যদি তেওঁলোকক কিবা কৰিবলৈ কওঁ তেওঁলোকে কৰি দিয়ে বা কৰোৱাই দিয়ে। ক'বলৈ গ'লে মোৰ ল'ৰা-ছোৱালী সকলো বেলেগ ধৰণৰ কিন্তু সকলো খুব ভাল।

মই মোৰ সন্তান সকলোকে নিৰক্ষণ কৰিব লাগিব তেওঁলোকে মোৰ পৰা কি বিচাৰে যাতে মই দিব পাৰো। এজনে উপহাৰ দিয়া ভাল পাই, আনজনে সময়, আনজনে উদ্‌গনি বাক্য হয়তো আনজনে মৰম প্ৰকাশ কৰাটো বিচাৰে। মই এতিয়াও শিকিয়ে আছো, কিন্তু এতিয়া অন্তত মই নিজতকৈ তেওঁলোকক সুখী কৰিবলৈ চেষ্টা কৰো।

ডক্তৰ গেৰি চেপমেনৰ সকলোৱে ভাল পোৱা উক্তি “প্ৰেমৰ ভাষা” আমাৰ সকলোৰে আছে আৰু তেওঁৰ কিতাপ The Five Love Languages ত ব্যাখ্যা কৰিছে। মানুহৰ প্ৰেমৰ ভাষা হ'ল তেওঁ কেনেদৰে প্ৰেম দিছে আৰু গ্ৰহণ কৰিছে। মই উল্লেখ কৰাৰ দৰে মোৰ প্ৰেমৰ ভাষা হ'ল মোৰ সেৱাৰ কাৰ্য্য, আনহাতে মোৰ ছোৱালীৰ উপযুক্ত সময়। যেতিয়া মানুহে আমাৰ নিৰ্দ্দিষ্ট প্ৰেমৰ ভাষাত আমাৰ লগত কথা পাতে, আমি মৰম অনুভৱ কৰো আৰু আমি যেতিয়া কাৰবাৰ প্ৰেমৰ ভাষাৰে কথা পাতো তেওঁলোকে মৰম অনুভৱ কৰে। আমাক যি লাগে সাধাৰণতে আমি মানুহক তাকে দিবলৈ চেষ্টা কৰো — আমি আমাৰ প্ৰেমৰ ভাষাৰে তেওঁলোকৰ লগত কথা পাতো, কিন্তু সেইটো এটা ডাঙৰ ভুল হ'ব পাৰে। আমাক যি লাগে সাধাৰণতে যদি তেওঁলোকক নালাগে, তেতিয়া আমি যিমানেই কষ্ট কৰি কাম নকৰো কিয়, তেওঁলোকে তেতিয়াও মৰম পোৱা নাই বুলি ভাবে।

মই আৰু এই কথা অনুভৱ কৰিছো যে মোক কিবা এটাৰ হয়তো খুব প্ৰয়োজন, কিন্তু মই যিজন মানুহৰ পৰা বিচাৰিছো তেওঁৰ দিবলৈ ক্ষমতা নাথাকিব পাৰে, অন্তত বৰ্ত্তমান সময়ত। মই বহু বছৰ বিমুখ আৰু নিৰাশ হৈ কটাব লগা হৈছিল যেতিয়ালৈকে মই প্ৰাৰ্থনা কৰিব শিকা নাছিলো আৰু ঈশ্বৰত বিশ্বাস কৰা নাছিলো মোৰ যি প্ৰয়োজন তেওঁৰ বাচি লোৱা মানুহৰ দ্বাৰাই দিয়াটো। তাৰ লগে লগে, যিটো শুদ্ধ মই কৰিবলৈ চেষ্টা কৰো আৰু মই দেখু মোৰ আনন্দ বাঢ়িছে কাৰণ মই যি বিচাৰিছো সেই সকলো পোৱাৰ কাৰণে নহয়, কিন্তু আনে যি বিচাৰে তাক দিয়াৰ দ্বাৰাই। মই

সদায় উৎসৰ্গিত্ব কথাটোত আনন্দ নাপাওঁ কিন্তু ঈশ্বৰে মোক যি কৰা বিচাৰিছে সেইটো কৰিছো বুলি জানি মই অন্তৰৰ পৰা আনন্দ লাভ কৰো।

মানুহে আপোনাৰ পৰা কি বিচাৰিছে সেইটো জানিবৰ বাবে আপুনি আপোনাৰ জীৱনত লগ পোৱা মানুহক নিৰক্ষণ কৰিছেনে আৰু তেওঁলোকক সেইটো দিবলৈ ইচ্ছা কৰিছেনে? তেওঁলোকক কি লাগে কেতিয়াবা সুধিছেনে? আত্মকেন্দ্ৰীক ভাৱে জীয়াই থকাৰ আৰু আমাৰ সুবিধা অনুযায়ী কৰাৰ এইয়া সময় নহয়। আমাৰ জীৱনত যি সকল মানুহক ঈশ্বৰে দিছে আমি তেওঁলোকক জনাৰ প্ৰয়োজন আৰু আমাৰ নিজৰ ভালতকৈ তেওঁলোকৰ ভালৰ অৰ্থে সেৱা কৰিব লাগে।

## *আনৰ প্ৰয়োজনীয়তা পুৰণ কৰা*

বাইবেলে আমাক শিকাইছে যে আমি যদি বিশ্বাসত শক্তিমন্ত হও তেন্তে দুৰ্ব্বল সকলৰ অকৃতকাৰ্য্যতাক উচিত ভাৱে সহ্য কৰিব পাৰিম আৰু নিজকে আনন্দিত্ব হ'বলৈ নিদিওঁ। আমি প্ৰত্যেকে এইটো অভ্যাস কৰিব লাগে আমাৰ ওচৰ-চুবুৰীয়াক সন্তোষ্ট কৰিবলৈ আৰু আনন্দিত কৰিবলৈ তেওঁলোকৰ ভালৰ অৰ্থে, নৈতিক উন্নতি, ধৰ্ম্মত শক্তিমন্ত কৰি তেওঁলোকক ধৰ্ম্মত বৃদ্ধি কৰিবলৈ। (ৰোমীয়া ১৫:১-২) এইয়া অতি লাভজনক উপদেশ কিন্তু আমি সাধাৰণতে ইয়াৰ বিপৰীত কাম কৰো। আমি আনে আমাক সুখী কৰাতো বিচাৰো আৰু যিহে আমাক আনন্দ দিয়ে আমি তাকে কৰো। তাৰ ফলত মানুহে কি কৰিছে আমি চিন্তা নকৰো, আমি কেতিয়াও সন্তোষ্ট আৰু আনন্দিত নহওঁ।

মানুহৰ চিন্তাই কাম নকৰে। সেয়ে আমাক কি লাগে আৰু কি বিচাৰো নিদিয়ে, কিন্তু ঈশ্বৰৰ দ্বাৰা পৰিচলিত হ'লে কাৰ্য্য সিদ্ধ হয়। যদি তেওঁ বিচৰাৰ দৰে আমি কৰো কিছু ত্যাগ কৰিব লাগিব। কিন্তু আমি এনে আনন্দ লাভ কৰিম যিটো আমি ক'তো বিচাৰি নাপাওঁ, ঈশ্বৰৰ ইচ্ছাৰ বাহিৰে।

আপুনি বিশ্বাসী হৈ নিজকে কিছুমান প্ৰশ্ন কৰক যাৰ উত্তৰ দিবলৈ হয়তো অসুবিধা হ'ব পাৰে কিন্তু আনক ভাল পোৱাৰ প্ৰতি আপুনি কেনে সেই সকলোৰ আপোনাক সন্মুখা সন্মুখি কৰাব।

- আপুনি আনৰ কাৰণে কিমান চিন্তা কৰে?
- আপুনি সহায় কৰিবৰ বাবে মানুহে কি বিচাৰিছে আৰু কি প্ৰয়োজন আপুনি জানিবলৈ চেষ্টা কৰিছেনে?
- আপোনাৰ লগত যি সকল মানুহৰ চিনাকি তেওঁলোকৰ বিষয়ে সঠিক ভাৱে জানিবলৈ চেষ্টা কৰিছেনে?
- আপোনাৰ নিজৰ পৰিয়ালৰ মানুহক আপুনি সঁচাকৈয়ে কিমান জানে?

কেইবছৰ মান আগতে এই প্ৰশ্নৰ উত্তৰ দিবলৈ যাওঁতে, মোৰ জীৱনৰ আত্মকেন্দ্ৰিক ভাবৰ কাৰণে কিছু ক্ষেত্ৰত মই শংকিত হৈছিলো, যদিও মই বহু বছৰ খ্ৰীষ্টিয়ান পৰিচৰ্য্যাকাৰী হৈ আছিলো।

মই আনন্দৰে থকাৰ সকলো কাৰণ আছিল তথাপিও মই সুখী আৰু পৰিপূৰ্ণ নাছিলো এই সত্যই মোৰ চকু খুলিবলৈ ধৰিলে। মূল কথা মই আপোনপেটিয়া আৰু নিজক লৈ ব্যস্ত আছিলো আৰু সেইটো সলনি কৰাৰ প্ৰয়োজন। এই সলনি সহজে বা হঠাতে নহয়, বা সম্পূৰ্ণ নহয় কিন্তু প্ৰতিদিনে চেষ্টা কৰাত মই উন্নতি লাভ কৰো আৰু মই তাৰ দ্বাৰাই সদায় সুখী হওঁ।

## *শুনিবলৈ চেষ্টা কৰক*

এবাৰ মই মনতে ঠিৰ কৰিলো যে মই আত্মকেন্দ্ৰিক স্বভাৱৰ ওপৰত যুঁজ আৰম্ভ কৰিম আৰু প্ৰেমৰ বিপ্লৱৰ অংশ হ'ব খুজিলো, সেয়ে মই আশীৰ্ব্বাদৰ কাৰণে সৃষ্টিমূলক পথ বিচৰাৰ প্ৰয়োজন। কিন্তু প্ৰত্যেক মানুহ বেলেগ আৰু তেওঁলোকৰ প্ৰয়োজনো বেলেগ হয়, মই নিজকে প্ৰশিক্ষণ দিয়া আৰম্ভ কৰিলো সঁচাকৈয়ে মানুহে যি কয় শুনিবলৈ। মই দেখিলো যদি দীঘলীয়া সময় মই তেওঁলোকৰ লগত কথা পাতো, আৰু সঁচাকৈয়ে যদি মই তেওঁলোকৰ কাৰণে কিবা কৰিব খোজো, তেতিয়া তেওঁলোকক জানিবৰ কাৰণে কিছুমান জ্ঞানৰ প্ৰয়োজন, তেওঁলোকৰ কাৰণে কাম কৰিবলৈ বা প্ৰাৰ্থনা কৰিবলৈ। "মই কেনেকৈ কৰিম নাজানো" বুলি কোৱা আপত্তিটো এটা পুৰণি কথা আৰু এইটো আমাৰ চিন্তাৰ পৰা দূৰ কৰিব লাগিব। আমি যদি সঁচাই দিব খোজো আমি কৰিবৰ বাবে উপায় উলিয়াব পাৰো। মনত ৰাখিব "উদাসীন ভাৱে আপত্তি কৰে, কিন্তু প্ৰেমে পথ বিচাৰেহ্লু"

> উদাসীন ভাৱে আপত্তি কৰে, কিন্তু প্ৰেমে পথ বিচাৰেহ্লু

মই বিশ্বাস কৰো এই সকলো শুনাৰ যোগেদি মানুহক যিদৰে প্ৰেম কৰাটো বিচাৰে সেই প্ৰেমৰ বিষয়ে বিতং ভাৱে শিকিব পাৰি। এটা সপ্তাহ লওঁক, আৰু সেই সপ্তাহত মানুহৰ লগত কথা পাতোতে তেওঁলোকে কি বিচাৰে, কি প্ৰয়োজন বা কি ভাল পাই লিখি ৰাখক। সেই লিখাৰ ওপৰত প্ৰাৰ্থনা কৰক আৰু যদি তাৰ কোনোবা এটা বিষয়ৰ ওপৰত ঈশ্বৰে কাৰ্য্য কৰাটো বিচাৰে, বা আপোনাৰ কিবা বিষয়ত কৰিবৰ ইচ্ছা থাকে তেতিয়াহ'লে কৰিবলৈ আৰম্ভ কৰক। মানুহক আশীৰ্ব্বাদ দিবৰ কাৰণে আপোনাক ঈশ্বৰৰ পৰা বিশেষ বাক্য লাগে বুলি মই বিশ্বাস নকৰো। তেওঁলোকৰ যি প্ৰয়োজন সেইয়া যদি আপোনাৰ কাৰণে অকলে কৰিবলৈ অসুবিধা হয় তেতিয়াহ'লে মই আপোনাক পৰামৰ্শ দিওঁ কিছুমান মানুহ গোটাওক আপোৰ লগত একেলগে দল হিচাপে কাম কৰিবলৈ। যদি আপোনাৰ বন্ধুয়ে কয় নিজৰ ঘৰ লোৱাৰ পাচত তেওঁ চৌফাতে শুই আছে কাৰণ এবছৰ হ'ল বিচনা ল'ব পৰা নাই, তেতিয়া দলৰ আঁচনিৰ যোগেদি সেইয়া দিয়াটো এটা ভাল কথা।

গীৰ্জ্জাত মোৰ বন্ধু এজনীয়ে এজন ডেকা মানুহৰ কথা ক'লে যাৰ দাঁতবোৰ বেয়া। ইমান বেয়া যে তেওঁ হাঁহিবও নুখুজে কাৰণ কোনোবাই দেখিব বুলি তেওঁ লাজ পায়। মানুহজনৰ কথা শুনি সহানুভূতি জন্মে আৰু নাম নুকোৱাকৈ তেওঁৰ দাঁতবোৰ লগাব পাৰিলো। সেইটোৱে তেওঁৰ জীৱন সলনি কৰিলে। আমি কিমান তেনে ধৰণৰ কথা শুনি, সহানুভূতি জন্মে কিন্তু সেইটো

কৰিব পাৰো বা নোৱাৰো চিন্তা নকৰি সহায় নকৰাকৈ আঁতৰি যাওঁ? আমি নিজকে শিক্ষিত কৰিব লাগে আৰু লাগি থাকিব লাগে। নতুন অভ্যাসৰ বাবে আমি চেষ্টা কৰিব লাগে। একো কৰিব নোৱাৰো বুলি ভাবি থকাৰ সলনি, অন্তত আমি সেই বিষয়ে কৰিবলৈ ভাবিব লাগে।

১ যোহন ৩ঃ১৮ পদত কোৱা কথাখিনি মনত ৰাখক ঃ "যি জনৰ সাংসাৰিক জীৱিকাৰ উপায় আছে, তেওঁ নিজ ভাইৰ অভাৱ দেখি, যদি তেওঁৰ পৰা নিজ স্নেহ আটক কৰে, তেন্তে ঈশ্বৰৰ প্ৰেম কেনেকৈ তেওঁৰ অন্তৰত থাকে?"

মোৰ বন্ধুৱে কোৱা শুনিছিলো তেওঁৰ ছালৰ যত্নৰ কাৰণে কিছুমান প্ৰসাধানৰ প্ৰয়োজন। মোৰ এটা বেছিকৈ থকাত তেওঁক দি দিওঁ। মোৰ মাই ক'লে তেওঁৰ চেণ্ট নাই লগাবলৈ মই তেওঁক চেণ্টৰ বটল এটা দিওঁ। মোৰ মাহীয়ে ক'লে তেওঁ starbucks লৈ যাব ভাল পাই সেয়ে মই তেওঁক উপহাৰ কোপন দিও। অনুগ্ৰহ কৰি বুজিবলৈ চেষ্টা কৰক এই সকলো মই কোনো কাৰণত আপোনালোকক কোৱা নাই, মই আপোনাৰ লগত থকা মানুহক কেনেকৈ প্ৰেম দেখুৱাব পাৰি সেই বিষয়ে বুজাব খুজিছো। মই নিশ্চিত আপোনালোকৰ নিজৰ বহুত ভাৱ আছে সেয়ে অনুগ্ৰহ কৰি Love Revolution Web site চাবলৈ মনত ৰাখিব আৰু আপোনালোকৰ ভাববোৰ পঠিয়াই দি আমাক অনুপ্ৰণিত কৰিব পাৰে।

আমি আন মানুহৰ জীৱনৰ উন্নতি কৰিব পাৰো যিমান বাৰ আমি কাম কৰো আৰু অন্যায়ৰ বিৰুদ্ধে যুঁজি অসহায় যেন লগা সমাজত আশাৰ ৰেঙণী বিলাব পাৰো। আমি ভাল কাৰ্য্যৰ দ্বাৰাই সঁচাকৈয়ে পাপক দমন কৰিব পাৰিম, সেয়ে কৰিবৰ বাবে দৃঢ় প্ৰতিজ্ঞ হৈ আমি অবিৰাম কৰি যাওঁ হওঁক।

দ্বাদশ অধ্যায়

12

# *নিঃস্বাৰ্থ প্ৰেম*

প্ৰেম অন্ধ নহয় — ই বহু বিচাৰে, কম নহয়
*ৰবী জুলীয়াচ গৰ্ডন*

বাইবেলে কোৱা আটাইতকৈ সুন্দৰ কথাটো হ'ল যে যেতিয়া আমি পাপত আছিলো, খ্ৰীষ্টে আমাৰ কাৰণে প্ৰাণ দিলে (ৰোমীয়া ৫:৮) তেওঁৰ প্ৰেমৰ যোগ্য হ'বলৈ তেওঁ আমালৈ বাট চোৱা নাছিল, সৰ্তহীন ভাৱে তেওঁ আমাক প্ৰেম কৰে। সঁচাকৈয়ে এইটো আমাৰ বহুতৰ বাবে হৃদয়ঙ্গম কৰা কঠিন কাৰণ জীৱনত সকলো পোৱাৰ যোগ্য বুলি আমি অভ্যস্ত।

ঈশ্বৰ দয়াত ধনী, আৰু আমাক সন্তুষ্ট কৰিবলৈ মহান, আঁচৰিত আৰু অত্যন্ত প্ৰেমেৰে আমাক প্ৰেম কৰে, আমাৰ কাৰণে তেওঁ জীৱন উৎসৰ্গ কৰিলে। (ইফি ২:৪) সেইয়াই বিপ্লৱী প্ৰেমহু প্ৰকৃত বিপ্লৱী প্ৰেমে নিজক উৎসৰ্গ কৰে, কাৰণ ইয়াৰ বাহিৰে একো কৰি ই সন্তুষ্ট নহয়।

এইয়া ঈশ্বৰৰ স্বৰ্তহীন প্ৰেম আমাক তেওঁৰ ওচৰত ৰাখিবলৈ, আৰু আনক তেওঁৰ ওচৰলৈ আনিবৰ বাবে এইটো আমাৰ স্বৰ্তহীন প্ৰেম তেওঁৰ নামত। তেওঁৰ ঠাইত আনক প্ৰেম কৰাটো তেওঁ বিচাৰে আৰু তেওঁ সশৰীৰেৰে ইয়াত থকা হ'লে যিদৰে কৰিলে হয় সেই একেদৰে কৰাটো বিচাৰে। তেওঁ প্ৰেমৰ বিপ্লৱত আমাক জীয়াই থকাটো বিচাৰে।

ষষ্ঠ অধ্যায়ত কোৱা মোৰ পিতৃৰ কাহিনীটো আপোনাৰ হয়তো মনত আছে ঈশ্বৰে কেনেকৈ দেৰ আৰু মোক নিৰ্দেশ দিছিলে তেওঁৰ যত্ন ল'বলৈ যদিও সঁচাকৈয়ে তেওঁ তাৰ যোগ্য নাছিল।

ঈশ্বৰৰ স্বৰ্তহীন প্ৰেম দেখুৱাত সৰ্বশেষত তেওঁৰ কঠিন মন কোমল হয় আৰু তেওঁ নিজৰ পাপ স্বীকাৰ কৰে আৰু যীচুক নিজৰ ত্ৰাণকৰ্ত্তা বুলি গ্ৰহণ কৰে।

স্বৰ্তহীন ভাৱে প্ৰেম কৰাতো মানুহে অসম্ভৱ বুলি ভাৱে কিন্তু যীচু খ্ৰীষ্টৰ বিশ্বাসী হোৱাত ঈশ্বৰৰ প্ৰেম আমাৰ আছে, আৰু সৰ্ত নোহোৱাকৈ আমি মুক্তভাৱে সেই প্ৰেম আমাৰ মাজেৰে বৈ যাব দিব পাৰো। মানুহৰ প্ৰেম অসমৰ্থ হয়, কিন্তু ঈশ্বৰৰ নহয়। মানুহৰ প্ৰেমৰ অন্ত হয় কিন্তু ঈশ্বৰৰ নহয়। কেতিয়াবা মই ভাবো যদিও মোৰ নিজৰ মানবীয় শক্তিৰে মানুহক প্ৰেম কৰিব নোৱাৰো, মই ঈশ্বৰৰ প্ৰেমৰ দ্বাৰাই তেওঁলোকক প্ৰেম কৰিব পাৰো।

বহু বছৰ বাৰে বাৰে আঘাট দি থকা কোনোবা এজনে মোক অলপতে সুধিছিল মই তেওঁলোকৰ বিষয়ে কি অনুভৱ কৰো। মই তেওঁলোকক ভাল পাওঁনে? মই সত্যতাৰে কৈছিলো যে তেওঁলোকৰ প্ৰতি মোৰ আসক্ত ভাৱ নাই তথাপিও যদি কথাটো বেলেগ হ'ল হয়, মই ঈশ্বৰৰ সন্তান হিচাপে তেওঁলোকক প্ৰেম কৰো আৰু তেওঁলোকৰ প্ৰয়োজনীয়তাত সহায় কৰিম।

ঈশ্বৰৰ সত্য প্ৰেম অনুভূতিৰ ওপৰত ভাৰসা নকৰে, এইটো সিদ্ধান্তৰ ওপৰত নিৰ্ভৰ কৰে। যিকোনো এজনক মই সহায় কৰিব পাৰো যাৰ সহায়ৰ প্ৰয়োজন। যেতিয়ালৈকে তেওঁলোকে আঘাট নাপায় মই সহায় কৰি যাম। তেওঁলোক সেইটোৰ যোগ্য নহয়। সাধাৰণতে ক'বলৈ গ'লে কেতিয়াবা মই ভাবো তেওঁলোক ইয়াৰ বাবে কম যোগ্য, এইটো বেছি সুন্দৰ আৰু প্ৰভাৱশালী। তেওঁলোক ইয়াৰ বাবে যোগ্য হয় নে নহয় নুসুধাকৈ তেওঁলোকক মুক্ত ভাৱে প্ৰেম কৰিব পৰা যায়।

## ক্ষমা দান

এইটো প্ৰশ্ন বাহিৰত.......এইটো সঁচাই অতি বেছি সুধাটো। নিজৰ ভায়েকক চিন্তা কৰি মৰা মানুহ জনক Bill Ebarle এ কেনেকৈ ক্ষমা কৰিব? Bill Ebarle আৰু Charles Manual দুজন অচিনাকী যাৰ জীৱন চেকেণ্ডতে সদায়ৰ কাৰণে মেৰ খালে বিলৰ ভায়েক জনক হত্যা কৰাৰ মুহূৰ্ত্ততে। সেই মুহূৰ্ত্তৰ পৰা বিলে প্ৰতিশোধৰ বাহিৰে একো ভাবিব নোৱাৰে।

ঘৃণা আৰু খঙেৰে বিলৰ অন্তৰ ভৰি পৰিল, আৰু তেওঁ বিশ্বাস কৰে যে কোনো শাস্তিয়েই তেওঁৰ ক্ষতিক নোহোৱা কৰিব নোৱাৰে। জনক হত্যা কৰাৰ পাচত বিলৰ এটা দিনো পাৰ হোৱা নাই হত্যাকাৰীৰ কথা নভবাকৈ। অত্যন্ত ঘৃণাই তেওঁক খাই মাৰিছিল। বিলৰ কাম আৰু তেওঁৰ বিবাহৰ ক্ষতি হ'ল এই চিন্তাৰ বাবে। তেওঁ জানিলে যে যদি এই ধ্বংসমুখী পথত তেওঁ গৈ থাকে এদিন নিজৰ জীৱনো হেৰুৱাব লাগিব।

বিলে যেতিয়া নিজৰ জীৱন সলনি হোৱাৰ অভিজ্ঞতা লাভ কৰিলে সেইটো ভায়েকক হেৰুৱাৰ দিনতকৈ বহুত বেছি শক্তিশালী আছিল। বিলে যীচুৰে কৰা ক্ষমাৰ অভিজ্ঞতা লাভ কৰিলে। এইটো কিবা অলৌকিক আৰু মানুহে নিজে অকলে কৰিব পৰা যিকোনো ক্ষমাৰ ই বাহিৰত। ঈশ্বৰে ঘৃণা গুচাই দিয়ে — তেওঁ খঙ নাইকিয়া কৰে।

বিলৰ অন্তৰ আচৰিত ধৰণে সলনি হ'ল যিটো তেওঁ অসম্ভৱ বুলি ভাবিছিল। তেওঁ অনুভৱ কৰিলে যে যদি তেওঁ জীৱনত কৰা সকলো কথা ঈশ্বৰে ক্ষমা কৰিব পাৰে, তেওঁ নিশ্চয় চাৰ্লচক কৰিব। আৰু তেওঁ চাৰ্লচক নিশ্চয় ক'ব লাগিব যে ভায়েকক হত্যা কৰাৰ কাৰণে তেওঁ ক্ষমা কৰিছে। প্ৰথমতে এইটো বাধ্যতামূলক কাৰ্য্য, কিন্তু পাচত এইটো হৃদয়ৰ কথা হয়। আৰু সেয়ে জনৰ মৃত্যুৰ দিনৰ পৰা ওঠৰ বছৰৰ পিচত, বিল আৰু চাৰ্লচ একে লগে বহি কথা পতাৰ পাচত এইটো নিশ্চিত কৰিলে যে তেওঁলোকৰ জীৱনত ইতিমধ্যে ঈশ্বৰে কি কাম কৰিলে। ঈশ্বৰে ক্ষমাৰ শক্তিৰ দ্বাৰাই দুজনকে মুক্ত কৰিলে।

গণনাই কয় ঃ

- ক্ষমাই চাপ কমাই। হিংসাই অতিশয় কষ্টক প্ৰতিপালন কৰে — মাংসপেশী অস্থিৰ কৰে, ব্লাড প্ৰেচাৰ বঢ়াই, বেছি ঘাম ওলাই — আপোনাৰ শৰীৰত ক্ষতি বেছি চাপৰ দ্বাৰাই হয়।
- যদি ক্ষমা কৰিব পাৰে আপোনাৰ হৃদয়ৰ উপকাৰিতা হয়। ব্লাড প্ৰেচাৰ আৰু হৃদয়ৰ স্পন্দনত ক্ষমা আৰু ভাল হোৱা দুয়োৰে সম্বন্ধ আছে বুলি পঢ়াৰ দ্বাৰাই গম পোৱা যায়।
- অলপতে চিন্তা উলিয়াইছে যে যি সকল মহিলাই নিজৰ লগৰীক ক্ষমা কৰিব পাৰে আৰু তেওঁলোকৰ প্ৰতি মৰম অনুভৱ কৰে তেওঁলোকৰ মাজৰ সমস্যা সফল ভাৱে নোহোৱা কৰিব পাৰি।

অনুভূতিৰ ওপৰত মানুহৰ প্ৰেম নিৰ্ভৰ কৰে। আমি মানুহক ভাল পাওঁ কাৰণ তেওঁলোকে আমাৰ প্ৰতি ভাল ব্যৱহাৰ কৰে, তেওঁলোকে আমাক সহায় কৰে, বা তেওঁলোকে প্ৰথমে আমাক ভাল পায়। তেওঁলোকে আমাক নিজকে ভাল অনুভৱ কৰোৱাই, বা আমাৰ জীৱনটো সহজ কৰে, সেয়ে আমি তেওঁলোকক ভাল পাওঁ বুলি কওঁ বা তেওঁলোকে আমাক ভাল পাবৰ কাৰণে আমি তেওঁলোকক ভাল পাওঁ। কিন্তু তেনে ধৰণৰ প্ৰেম তেওংলোকৰ কাৰ্য্যৰ ওপৰত নিৰ্ভৰ কৰে, আৰু তেওঁলোকে যদি সেইদৰে কৰা বন্ধ কৰে আমিও হয়তো প্ৰেম কৰিববলৈ বন্ধ কৰিম। তেনে প্ৰেম আহে আৰু যায়; এবাৰ গৰম হয় আৰু তাৰ পাচত ঠাণ্ডা হয়। পৃথিৱীত আমি তেনেধৰমৰ প্ৰেমৰেই অভিজ্ঞতা কৰো। বহুতো বিবাহ আৰু আন ব্যক্তিগত সম্বন্ধ তেনে প্ৰেমৰ ওপৰতেই নিৰ্ভৰ। আমি আইচক্ৰিম ভাল পাওঁ কাৰণ ইয়াৰ সোৱাদ ভাল, আৰু আমি মানুহ ভাল পাওঁ কাৰণে তেওঁলোকে বৰদিনত ভাল উপহাৰ দিয়ে।

ঈশ্বৰৰ প্ৰেম সম্পূৰ্ণ বেলেগ — ঈশ্বৰৰ বাহিৰে ই একোতেই নিৰ্ভৰ নহয়। আৰু যেতিয়া আমি খ্ৰীষ্টক নিজৰ ত্ৰাণকৰ্ত্তা হিচাপে গ্ৰহণ কৰো, পৱিত্ৰ আত্মাৰ দ্বাৰ ঈশ্বৰৰ প্ৰেম আমাৰ হৃদয়ত ঢালি দিয়ে। (ৰোমীয়া ৫:৫) আমি যেতিয়া ঈশ্বৰৰ লগৰীয়া হওঁ, পৃথিৱীত আমাক তেওঁৰ প্ৰতিনিধি

হোৱাটো আশা কৰে আৰু তেওঁ আমাক কৰিবলৈ কোৱা কামৰ কাৰণে যি প্ৰয়োজন তেওঁ প্ৰেমৰ দ্বাৰাই তাক সজ্জিত কৰে। যেতিয়া মানৱীয় প্ৰেম শেষ হয়, যিটো সাধাৰণতে হয়, ঈশ্বৰৰ প্ৰেম তেতিয়াও পৰিপূৰ্ণ হৈ থাকে কৰিবলগীয়া কাৰ্য্যটো শেষ কৰিবৰ অৰ্থে।

ছোৱালী হিচাপে মই মোৰ পিতৃক ভাল নাপাইছিলো কাৰণ মোৰ কাৰণে তেওঁ পিতৃ নাছিল। আৰু যেতিয়া ঈশ্বৰৰ প্ৰেম মই লাভ কৰিলো মই মোৰ অনুভূতিৰ পৰা নিজক সম্পূৰ্ণ পৃথক কৰি তেওঁৰ প্ৰতি ক্ষমাশীল হৈ বুঢ়া বয়সত তেওঁক মৰম দিবলৈ সিদ্ধান্ত ল'ব পাৰিলো। তেওঁৰ প্ৰতি মই সহানুভূতি অনুভৱ কৰিলো কাৰণ তেওঁ গোটেই জীৱনটো অৱাবতে নিয়ালে আৰু অনুতাপেৰে ভৰা স্মৃতিৰে।

ক্ষমাদানৰ আঁচৰিত ধৰণৰ কাহিনী আমি প্ৰায়ে শুনো। মই এজন কিশোৰৰ কথা শুনিছিলো যি জনে মদ খাই দুৰ্ঘটনা কৰে আৰু সেই দুৰ্ঘটনাত এজন মানুহৰ সন্তান আৰু পত্নীৰ মৃত্যু হয়। যি ডেকাজনে দুৰ্ঘটনা কৰিলে তেওঁক ঈশ্বৰে ক্ষমা কৰিবলৈ দিয়া বুলি মানুহজনে জানিলে, আৰু অশেষ প্ৰাৰ্থনাৰ যোগেৰে ঈশ্বৰৰ প্ৰেম তেওঁৰ মাজেৰে বোৱাব পাৰিলে। সেই মানুহ জনেই প্ৰেমৰ বিপ্লৱী।

আমাৰ কাৰণে মানুহে কি কৰিছে তাৰ সলনি মানুহে নিজৰ কাৰণে কি কৰিছে তাক চাবলৈ শিকিব লাগে। সাধাৰণতে, যেতিয়া এজনে আনজনক আঘাট কৰে, সি বা তাই সম্ভৱত খুব কমেও অলপ নিজৰ অনিষ্ট কৰে আৰু তাৰ ফলস্বৰূপে সম্ভৱত কিছুমান কষ্ট ভোগ কৰে। সেয়ে যীচু খ্ৰীষ্টই শুদ্ধ ভাৱে কৰিছিল যেতিয়া তেওঁ কৈছিল "হে পিতৃ এওঁলোকক ক্ষমা কৰা; কিয়নো এওঁলোকে কি কৰিছে তাক নাজানে।"

ঈশ্বৰৰ দৰে প্ৰেম মনত আকোঁৱালি ৰাখিব নোৱাৰি; এইটো হৃদয়ৰ কথা। ঈশ্বৰে মোৰ পিতৃৰ যত্ন ল'বলৈ কোৱাতো অযুক্তিকৰ যেন লাগে — কিন্তু তেতিয়া প্ৰেম যথেষ্ট অযুক্তিকৰ, নহয় নে? যেতিয়া আমি পাপ কৰিছিলো আৰু সম্পূৰ্ণ ভাৱে তেওঁক অৱগ্যা কৰিছিলো তেতিয়া ঈশ্বৰে আমাক প্ৰেম কৰাৰ কোনো কাৰণ নাছিল, কিন্তু তেওঁ আমাক প্ৰেম কৰে।

## *বিচাৰৰ ওপৰত ক্ষমাই জয় কৰে*

মানুহক বিচাৰ কৰা সহজ বা পৰিস্থিতি আৰু কষ্টত যি উপযুক্ত সেইটো কেৱল বাহিৰ হয়, কিন্তু ক্ষমা তাতকৈ ডাঙৰ। অপৰাধক দেখিও নেদেখা কৰাটো কিছুমানৰ কাৰণে গৌৰৱময় কাৰ্য্য হ'ব পাৰে। পিচপৰা দেশক সহায় কৰা ক্ষেত্ৰত মই কেতিয়াও নোচোৱাকৈ থাকিব নোৱাৰো যে তেওঁলোকৰ বহুতে মুৰ্ত্তি বা জন্তু বা সূৰ্য্য বা চয়তানক পূজা কৰা। মই সহজে ক'ব পাৰো "তেওঁলোক ভোকত থকাতো আঁচৰিত নহয় — তেওঁলোকে ঈশ্বৰৰ প্ৰতি পিঠি কৰিছে।" কিন্তু সম্ভৱ মোৰো সেই একেই অৱস্থা হ'লহেঁতেন যদি তেওঁলোক য'ত আছেময়ো তাত থাকিলো হয়। আমি নিশ্চয় নিজকে মনত ৰাখিব লাগে, "সেইদৰে মোৰো হ'লহেঁতেন, যদি মোৰ জীৱনত ঈশ্বৰৰ অনুগ্ৰহ নাথকিল হয়।"

সমকামী মানুহ যাৰ AIDS হয় তেওঁলৈ চাই সহজভাৱে কিছুমান ধাৰ্ম্মীক মানুহে ভাৱে, তেওঁ ইয়াৰে যোগ্য। কিন্তু ঈশ্বৰে সেইদৰে মানুহলৈ চাইনে? বা ঈশ্বৰে “কি”ৰ পিচত “কিয়”টো সঁচাকৈয়ে চাইনে? যেতিয়ালৈকে সেই মানুহজন জীয়াই থাকে ঈশ্বৰে পাপ মোচনৰ অৰ্থে তেওঁৰ ওচৰ চাপিব খোজে — আৰু তেওঁ সেই কাৰ্য্যৰ কাৰণে আপোনাক বা মোক ব্যৱহাৰ কৰিব খোজে। তাৰ মানে এইটো নহয় আমি আনৰ পাপ আকোৱালীব লাগে, কিন্তু প্ৰয়োজনৰ সময়ত আমি মানুহজনক আকোৱালীলৈ সহায় কৰিব লাগে, ঔষধ দি, আশ্ৰয় আৰু মৰমৰ মাতেৰে ঈশ্বৰত আশা কৰিবলৈ সক্ষম কৰিবৰ বাবে।

প্ৰেমৰ দুটা সুন্দৰ গুণ হ'ল ক্ষমা আৰু কৰুনা, আৰু বাস্তৱিকতে ইয়াৰ অবিহনে প্ৰকৃত প্ৰেম নাই। মই মানুহক দিবলৈ যি কাম কৰিছিলো সেয়া যথেষ্ট নহয় বুলি যেতিয়া মই অনুভৱ কৰিলো মই মোৰ জীৱনৰ প্ৰথম ত্ৰিশ বছৰত যি পাইছিলো সেইয়া পাবৰ বাবে বাধ্যত পৰি বহুতো কষ্ট কৰিব লগা হৈছিল। ঈশ্বৰৰ প্ৰেম আৰু মানবীয় প্ৰেমৰ পাৰ্থ্যক যেতিয়া মই বুজিলো সেয়া মোৰ হৃদয়ত স্থিতি ল'বলৈ কিছু সময় লাগিছিল। পৌলে কলচীয়া সকললৈ লিখি কৈছিল “প্ৰেমক পিন্ধা”। (কলচীয়া ৩:১৪) “প্ৰেমক পিন্ধা” এই খণ্ড বাক্যটো মোৰ ভাল লাগে, যাৰ অৰ্থ হ'ল উদ্দেশ্যৰ কাৰণে কাম কৰা, অনুভূতি বা কাৰণত ভৰসা নকৰি। এই সৰু খণ্ড বাক্যটোৱে মোৰ জীৱনত আঁচৰিত শিক্ষা দান কৰিলে।

এইয়া লিখি থাকোতে আবেলিৰ মাজভাগ আৰু মই এতিয়াও ৰাতিৰ কাপোৰতে। Mustan car show লৈ যাবৰ কাৰণে মোক ল'বলৈ আহিব বুলি দেৱে এইমাত্ৰ ফোন কৰিছে। মই জোৰ দি ক'ব পাৰো Car show লৈ যোৱাতো ভাল পোৱাৰ কাৰ্য্য স্বৰূপেহে। কাপোৰ পিন্ধি সাজো হ'বলৈ মোৰ ইচ্ছা নাই, তাৰ সলনি মই ৰাতিৰ কাপোৰতেই আনন্দ পাইছো — কিন্তু মই কৰিব লাগিব। ঠিক সেই একেদৰে স্বৰ্তহীন প্ৰেম বাচি ল'বলৈ আমি বহুতো অসুবিধাৰ সন্মুখিন হওঁ।

আমি যেতিয়ালৈকে অনুভূতি বাদ দি জীয়াই থাকিবলৈ নিশিকো, আমি ঈশ্বৰৰ প্ৰেমৰ দ্বাৰাই কেতিয়াও মানুহক ভাল পাব নোৱাৰো বা পৃথিৱীৰ অভাৱগ্ৰস্থ মানুহক সহায় কৰিব নোৱাৰো। আপুনি ক্ষমা পিন্ধিবলৈ সাজো নে? আপুনি প্ৰেম পিন্ধিবলৈ সাজো নে? ভাল কাৰ্য্য কৰিবৰ বাবে বাধা দিয়া অনুভূতিৰে যদি আপুনি যুঁজি আছে, নিজকে প্ৰশ্ন কৰক, “এনেকুৱা পৰিস্থিতিত যীচুৱে কি কৰিলে হয়”? মই স্পষ্ট ভাৱে জানো যে যদি দেৱে মোক এৰি দিলে হয়, আজি মই যি ব্যক্তি সেয়া নহ'লো হয়। তেওঁ নিজৰ হৃদয়ক শুনিলে, অনুভূতিক নহয়, আৰু সেই কাৰণেই মই আজি আপোনালোকক উদ্‌গনি দিওঁ।

## *প্ৰেম এনেয়ে আঁতৰি নাযায়*

মানুহক ভাল পোৱা মানে মানুহে আমাক সুবিধা ল'বলৈ নহয়। তেওঁলোকে যেতিয়ালৈকে একো নকৰে তাৰ মানে আমাৰ জীৱনত মুক্ত ভাৱে বিচৰণ কৰিবলৈ দিয়া নহয়। বাইবেলে কৈছে ঈশ্বৰে

ভালপোৱা সকলোকে তেওঁ শুদ্ধৰাই আৰু নিয়মানুবৰ্ত্তিতাত চলাই। (ইব্ৰী ১২:৬) শুদ্ধৰোৱাটো শাস্তি নহয়, ই উপযুক্ত স্বভাৱ শিকায়। কেতিয়াবা সেই শিক্ষাত আশীৰ্ব্বাদক সংযত কৰি ৰখাৰ আৱশ্যক, কিন্তু ঈশ্বৰে আমাৰ মূল আৱশ্যকতাবোৰ পুৰ কৰে যেতিয়া আমি তেওঁৰ ওচৰত নিবেদন কৰো। বাইবেলে কৈছে যে যেতিয়া নানাবিধ পৰীক্ষাত পৰা আৰু যদি জ্ঞানৰ অভাৱ হয়, তেন্তে গৰিহণা নকৰাকৈ অকাতৰে সকলোকে দিওঁতা যি ঈশ্বৰ, তেওঁক তেওঁ যাচনা কৰক, তাতে তেওঁক দিয়া হ'ব। (যাকোব ১:১-৫) এইটো এটা সুন্দৰ চিন্তা।

মই ড্ৰাগচত আসক্ত এজনক মই হয়তো গাড়ী কিনি নিদিও কাৰণ মই জানো ড্ৰাগচ কিনিবৰ কাৰণে তেওঁ গাড়ী বিক্ৰী কৰি দিব, কিন্তু মই তেওঁক আহাৰ দিব পাৰো, আৰু গাধুবলৈ ঠাই দিব পাৰো আৰু নতুন জীৱনৰ আশা দিব পাৰো। ঈশ্বৰে তেওঁক ভাল পায় আৰু সহায় কৰিব খোজে বুলি ক'ব পাৰো, আৰু তেওঁৰ দোষ-গুণৰ বিচাৰ কৰাৰ পৰা শান্ত থাকিব পাৰো, যদি মই তেওঁৰ বিচাৰ কৰো মই তেওঁক মৰম কৰিব নোৱাৰিম।

প্ৰায়ে মানুহে যেতিয়া আমাক আঘাট কৰে বা তেওঁলোকৰ লগত থকাটো অসুবিধা হয় আমি আমাৰ জীৱনৰ পৰা তেওঁলোকক বাহিৰ কৰিব বিচাৰো কিন্তু তাৰ সলনি ঈশ্বৰে যদি তেওঁলোকৰ লগত সম্বন্ধ স্থাপন কৰাটো বিচাৰে? এইটো নিচেই সহজ তেনে মানুহৰ পৰা আঁতৰি যোৱা বা তেনে অসুবিধাজনক মানুহ আমাৰ জীৱনৰ পৰা আঁতৰাই দিয়া, কিন্তু ঈশ্বৰে সদায় সেইদৰে কৰা নিবিচাৰে। প্ৰতিটো পৰিস্থিতিতেই প্ৰেম কেনে লাগে আমি জানিব লাগে কিন্তু একোৰ অভাৱ নোহোৱাকৈ আৰু একো নভবাকৈ ইয়াক ব্যৱহাৰ কৰিব লাগে।

মই এটা প্ৰশ্ন প্ৰায়ে নিজকে শুধু, "এই মানুহজনৰ লগত মই কিমান দিন থাকিব পাৰিম।" আপোনাৰ অন্তৰেহে কেৱল এই প্ৰশ্নৰ উত্তৰ দিব পাৰে। ঈশ্বৰেই এজন যি দুই পক্ষৰ সকলো কথা বুজিব পাৰে, যদি আপুনি সঁচাকৈয়ে নিজৰ ইচ্ছাৰে নহয় কিন্তু তেওঁ ইচ্ছা কৰাৰ দৰে কৰিব খোজে তেন্তে তেওঁ আপোনাৰ সিদ্ধান্তত আগবাঢ়ি যোৱাত সহায় কৰিব। মাত্ৰ মনত ৰাখক অসম্ভৱ যেন লাগিলেও প্ৰেমৰ বিপ্লৱত যোগ দিয়া মানে আনক ভাল পাবলৈ ইচ্ছা কৰা বা সাজু হোৱা।

স্বৰ্তহীন প্ৰেমৰ কথা যেতিয়া মই মানুহৰ লগত আলোচনা কৰোঁ, আন এটা প্ৰশ্ন সদায় আহে, "মানুহে যিয়েই নকক কিয় মই মাত্ৰ দিয়েই থাকিব লাগেনে? প্ৰশ্নৰ উত্তৰটো হ'ল নহয়। ধৰি লওঁক পৰিয়ালৰ সদস্য প্ৰাপ্তবয়স্কত ড্ৰাগচ আৰু মাদক দ্ৰব্যৰ সমস্যাত আৰু তাৰ ওপৰিও দায়িত্বহীন অৱস্থাত। তেওঁক সহায় কৰিবলৈ পৰিয়ালে বহুতো সময়, টকা আৰু চেষ্টা কৰিছিল, কিন্তু তেওঁ শেষত সদায় পুৰণা অভ্যাসলৈ ঘূৰি যায়। এনেকুৱা পৰিস্থিতিত শত্ৰুৱে দুৰ্ব্বল কৰি বিভ্ৰান্ত কৰি পৰিয়ালৰ সদস্যক ব্যৱহাৰ কৰে আৰু সেয়ে সকলোৱে তেওঁক ভাল পায় আৰু সহায় কৰিব খোজা স্বতেও শত্ৰুৱে, তেওঁলোকৰ পৰা শক্তি কাঢ়ি নিয়ে। কেতিয়াবা আমি এনে পৰিস্থিতিৰ সন্মুখিন হওঁ যে আমি কাৰবাক যিমানেই সহায় কৰিব খোজো, ই কেতিয়াও কাম নকৰে যেতিয়ালৈকে তেওঁলোকে সঁচাই সহায় কৰিবলৈ নিবিচাৰে। সাধাৰণতে প্ৰায়ে, বহু বছৰ সহায় কৰিবলৈ চেষ্টা কৰাৰ পাচত সাধাৰণতে নিজে ত্যাগ স্বীকাৰ কৰি, অৱশেষত পৰিয়ালে সহায় কৰিব নিবিচাৰে। সোনকালে কৰিব পৰা এইটো সিদ্ধান্ত নহয় সহজতে বা এইটো কৰিব লগা হয়।

যেতিয়া এনে পৰিস্থিতিৰ উদ্ভৱ হয়, কেতিয়াবা খ্ৰীষ্টিয়ান হিচাপে আমি সঁচাকৈ ঈশ্বৰৰ প্ৰেম প্ৰকাশ নকৰো বুলি দোষাৰূপ কৰে। আমি এনেদৰে কোৱা শুনো, "যেতিয়া তুমি নিজৰ পৰিয়ালকেই সহায় নকৰা কেনেকৈ মানুহক ভাল পাওঁ বুলি দাবী কৰা? যদিওবা এইটো অসুবিধাজনক, প্ৰেমৰ কাৰ্য্য কৰিবলগা হ'লে দৃঢ় হ'ব লাগিব আৰু ক'ব লাগিব "যদি আপুনি সঁচাই কেতিয়াবা সমস্যাৰ সন্মুখিন হৈছে আৰু সঁচাই সহায় লাগে, আমাক জানিবলৈ দিয়ক।" কিন্তু তেওঁলোকে কৰি থকা ধ্বংসাত্মক জীৱনৰ কাৰণ সমৰ্থ কৰি থাকিব নোৱাৰো বুলি মই জানো।

আমাৰ মৰমৰ জনক ভোক আৰু বেমাৰৰ সমস্যাত সহায় নোপোৱাকৈ থাকিব দিব নালাগে, কিন্তু তাৰ লগতে আমাৰ শান্তি কাঢ়ি নিব দিব নালাগে বা এনেয়ে আমাক ব্যৱহাৰ কৰিব দিব নালাগে। মানুহক ভাল পোৱা মানে সেইটো নহয় তেওঁলোকে নিজৰ বাবে যি কৰিব পাৰে তাকে কৰি দিয়া।

যি সকল সহায়ৰ যোগ্য নহয় ক্ষমাই তেওঁলোকক সহায় কৰে, কিন্তু স্বৰ্তহীন প্ৰেমে সংকল্প নকৰে মানুহক অমনোযোগী হ'বলৈ যেতিয়া আমি বিলৰ পইচা দিওঁ। ক্ষমাই বহুতো সুবিধা দিয়ে, আৰু স্বৰ্তহীন প্ৰেমে কেতিয়াও ত্যাগ নকৰে। ই প্ৰাৰ্থনা কৰে আৰু আন্ধাৰ গুচাবলৈ আৰু সহায় কৰিবলৈ সাজু হয় যেতিয়া এইদৰে কৰে সঁচাকৈয়ে সম্পূৰ্ণ বেলেগ হয়।

ঈশ্বৰে আমাৰ মাজেৰে আৰু আন মানুহত তেওঁৰ প্ৰেম বোৱাব বিচাৰে। সমানতৰাল ভাৱে আমি নিজকে ভাল পাব শিকিব লাগে, কাৰণ আমি নিজকে ভাল পাব লাগে নহ'লে আমাৰ প্ৰেম দিবৰ বাবে নাথাকিব। আমি ঈশ্বৰৰ প্ৰেম গ্ৰহণ কৰিব লাগিব আৰু ইয়াৰ দ্বাৰাই আমাক সুস্থ হ'বলৈ দিয়ে। মনত ৰাখিব আমাৰ যি নাথাকে সেইটো আমি দিব নোৱাৰো। কিন্তু আমি তাতেই ৰৈ যাব নালাগেহ্ল ঈশ্বৰে আমাক সুস্থ কৰে যাতে আমি আনলৈ সুস্থতা আনিব পাৰো। ঈশ্বৰে আমাৰ এনে পৰিৱৰ্ত্তন বিচাৰে যি সকলক ৰক্ষা কৰা হ'ল যি সকলে আনক ৰক্ষা কৰি আছে। মানৱীয় প্ৰেমৰ সদায় অন্ত হয় কিন্তু ধন্যবাদেৰে ঈশ্বৰৰ প্ৰেম নহয়। ঈশ্বৰে প্ৰতিজ্ঞা কৰিছে তেওঁৰ প্ৰেম কেতিয়াও শেষ নহয়হ্ল

ত্ৰয়োদশ অধ্যায়

13

# প্ৰেমে ভুলৰ হিচাপ নাৰাখে

প্ৰেম ক্ৰোধত উত্তেজিত নহয়, অপকাৰ গণনা নকৰে, অধাৰ্ম্মীকতাত আনন্দ নকৰি সত্যত আনন্দ কৰে, সকলো কথাতে সহন কৰে, সকলোতে বিশ্বাস কৰে, সকলোতে আশা কৰে, সকলোকে সহ্য কৰে।

১ *কৰিন্থীয়া* ১৩:৬-৭

আপুনি ভাল হিচাপ ৰাখোতানে? হিচাপ ৰাখোতা বহী ৰাখেনে, ভুলৰ সম্পূৰ্ণ বিৰৰণ যিটোৱে আপোনাৰ কাম কৰিব? বহু বছৰ প্ৰত্যেক বাৰ দেৱ আৰু মই তৰ্ক কৰো, মই মোৰ মনত থকা সকলো ভাবি উলিয়াও আৰু মই ভুল বুলি ভবা দেৱৰ সকলো কথা উলিয়াবলৈ আৰম্ভ কৰো। তেওঁ অতীতত কৰা কিছুমান ভুল মনত পেলাও তেওঁ আচৰিত হয় কাৰণ মই মনত ৰখা কথাবোৰ বেছি ভাগেই বহুত পুৰণা। মই মনত পেলাও এবাৰ তেওঁ কৈছিল, “তুমি ক'ত এই সকলোবোৰ জমাই থৈছিলা?” মই বহু বছৰ এইবোৰ ধৰি ৰাখিছিলো, দেৱে সোনকালে ক্ষমা কৰে আৰু কথাবোৰ পাহৰি যায়।

আন সকলো কথাত কৈ ঈশ্বৰে আমাক ইজনে সিজনক ভাল পোৱাটো বিচাৰে, কিন্তু সম্পূৰ্ণ ক্ষমাৰ অবিহনে সেইটো সম্ভৱ নহয়। যি সকলৰ প্ৰতি আমাৰ খঙ বা ক্ষোভ থাকে তেওঁলোকক আমি প্ৰকৃততে ভাল পাব নোৱাৰো। পৌলে কৰিন্থীয়ান সকললৈ লিখি কৈছে, প্ৰেমে আত্ম-গৌৰৱ নকৰে, অহঙ্কাৰো নকৰে; অশিষ্টাচৰণ নকৰে, নিজৰ লাভ নিবিচাৰে। (১ম কৰি ১৩:৫)

## *উৎকৃষ্টতাক বিশ্বাস কৰক*

আমি যদি মানুহক ভাল পাব বিচাৰো, আমি মানুহৰ বিষয়ে যিদৰে ভাবো আৰু তেওঁলোকে যি দৰে কাম কৰে আমি ঈশ্বৰক সেই সকলো সলাব দিব লাগিব। আমি বেয়াটো বিশ্বাস কৰিব পাৰো আৰু আনে কৰা বা কোৰা সকলো সন্দেহ কৰো, কিন্তু প্ৰকৃত প্ৰেমে সদায় ভালটো বিশ্বাস কৰে। আমি কি ভাবো আৰু বিশ্বাস কৰো আমাৰ নিৰ্বাচন হয়। আমি আমাৰ চিন্তাক সংযত বা অনুশাসন নকৰো আৰু সেয়ে জীৱনৰ সমস্যাৰ মূল। আমাৰ চিন্তাক অনুশাসন নকৰি নিৰ্বাচন কৰাত, আমি আপোনা আপুনি কাৰবাৰ বেয়াটো বা সন্দেহ কৰিবলৈ বাচি লওঁ।

যিৰিমিয়া ভাববাদীয়ে মানুহক এইদৰে সুধিছিল, "তুমি তোমাৰ হৃদয় ধুই দুষ্টতা দূৰ কৰা; তোমাৰ অন্তৰত কুভাবনা কিমান দিন থাকিব?" (যিৰি ৪:১৪) তেওঁলোকে ভাবিবলৈ যি চিন্তা বাচি লৈছিল সেয়া ঈশ্বৰৰ বাবে দোষনীয়।

যেতিয়া ভাল বচাটো আমি বিশ্বাস কৰো, আমি ভাল সম্বন্ধৰ কাৰণে যিবোৰ বেয়া সেই সকলো আমি এৰি দিব পাৰো। খঙৰ বাবে ব্যৱহাৰ কৰা শক্তিক মই সুৰক্ষিত কৰিব পাৰে। মই নিজকে কৈ, "তথাপিও যদি তেওঁলোকে যি কয় বা মোক আঘাট কৰে, মই তেওঁলোকৰ অন্তৰ শুদ্ধ বুলি বিশ্বাস কৰিবলৈ বাচি লওঁ।" মই নিজৰ লগতে কথা পাতি থাকো, যেতিয়ালৈকে মোৰ খঙৰ ভাববোৰ সিচৰিত হ'বলৈ আৰম্ভ নকৰে। মই কথাটো এইদৰে কওঁ, "তেওঁলোকৰ কাৰ্য্যই মোৰ ওপৰত কেনেকৈ আক্ৰমণ কৰিছে তেওঁলোকে সঁচাই বুজি পাই বুলি মই বিশ্বাস নকৰো। মই বিশ্বাস নকৰো কিবা উদ্দেশ্যত তেওঁলোকে মোক আঘাট কৰিবলৈ চেষ্টা কৰিছে। যেতিয়া তেওঁলোকে সেইদৰে কয় তেওঁলোকে একো বুজি নাপায় এইটো কেনে গভীৰ। হয়তো আজি শাৰীৰিক ভাৱে তেওঁলোকে ভাল অনুভৱ কৰা নাই বা সম্ভৱ তেওঁলোকৰ ব্যক্তিগত সমস্যা আছে যাৰ বাবে তেওঁলোকে কি দৰে ব্যৱহাৰ কৰিব সেইয়া অনুভৱ কৰিব নোৱাৰা কৰি দিয়ে।"

মই মোৰ অভিজ্ঞতাৰ পৰা জানিলো যে দোষনীয় কথাবোৰ মনত সাঁচি থলে নিজৰ জীৱনটো বিষাক্ত হয় আৰু আন মানুহক সঁচাই সলনি নকৰে। বহুত সময়ত আমি কাৰবাৰ ওপৰত খঙ কৰি গোটেই দিনটো নষ্ট কৰি দিওঁ আনহাতে তেওঁ অনুভৱেই কৰা নাই যে আমাক বিৰক্ত কৰিবলৈ তেওঁ কিবা কৰিছে। তেওঁলোকে গোটেই দিনটো আনন্দ কৰিছে আৰু আমি নষ্ট কৰিছো।

আমি যদি হিচাপ ৰাখিব খুজিছো, তেতিয়া মানুহে কোৰা আৰু কৰা ভাল কথাৰ কিয় হিচাপ নাৰাখো বৰং তেওঁলোকে কৰা ভুলৰ সলনি?

*বেয়া কথা সংগ্ৰহৰ উদাহৰণ ঃ*

দেৱে সকলো সময়তে খেল চাই, আৰু মই সেইবোৰ উপভোগ নকৰো বুলি তেওঁ জানে।

মই যেতিয়া কাহিনী ক'বলৈ চেষ্টা কৰো দেৱে পুঙ্খানুপুঙ্খভাৱে মোক শুদ্ধৰাই।

যেতিয়া মোক বোজ-পৰা লাগে, দেৱে উপদেশ দিবলৈ চেষ্টা কৰে।

বিয়াৰ বিয়ালীচ বছৰত দেৰে কেইবাৰ মোলৈ ফুল পঠিয়াইছে মই এখন হাতেৰে গনিব পাৰো। দেৰে বন্ধুৰ লগত golf খেলিবলৈ যাবলৈ ঠিক কৰে মোক এবাৰো নুশুধে মই কি কৰিম বা যদি মোৰ কিবা আঁচনি আছে।

*ভাল কথা সংগ্ৰহৰ উদাহৰণ ঃ*

যেতিয়া দেৰৰ প্ৰতি মই বেয়া ব্যৱহাৰ কৰো দেৰে সদায় সোনকালে পাহৰিবলৈ ইচ্ছা কৰে।

মই যি দৰে বিচাৰো দেৰে সম্পূণ মুক্ত ভাৱে মোক কৰিব দিয়ে।

দেৰে নিজে সকলো কৰে। তেওঁ এনে ব্যক্তি নহয় আনে চাফা কৰিব বুলি সকলো বিশৃঙ্খল কৰি ৰখা।

দেৰে প্ৰতিদিনে কয় যে তেওঁ মোক ভাল পায়, আৰু প্ৰায়ে দিনত কেইবাবাৰো।

দেৰে মোৰ কাপোৰ আৰু চেহেৰাৰ শলাগ লয়।

দেৰে মই বিচৰা যিকোনো বস্তু কিনি দিয়ে যিটো আমি কিনিব পাৰো।

মই যলৈকে যাব খোজো দেৰে সদায় লৈ যাবলৈ ইচ্ছা কৰে।

দেৰৰ মন খুব স্থিৰ হয়। তেওঁ কেতিয়াবাহে ভোৰ ভোৰাই।

দেৰে মোক নিৰাপত্তা দিয়ে। যেতিয়া তেওঁ মোৰ লগত থাকে মই সুৰক্ষিত অনুভৱ কৰো।

বেয়া কথাৰ তালিকাতকৈ ভাল কথাৰ তালিকা যে দীঘল চাবলৈ সহজ, আৰু মই কল্পনা কৰো বেছি ভাগ মানুহৰ ক্ষেত্ৰত এইদৰেই হয় যদি তেওঁলোকে ভাল কথাবোৰ লিখিবলৈ সময় ব্যৱহাৰ কৰে। ভালৰ উদ্‌যাপন পৃথিৱীত আৰু মানুহৰ মাজত কৰিবলৈ আমি চাব লাগে কাৰণ আমি ভালেৰে বেয়াক জয় কৰিব পাৰো। মানুহৰ ভাল গুণৰ বিষয়ে চিন্তা কৰা আৰু কথা পতাৰ দ্বাৰাই যি কথাবোৰে আমাক আমনি দিছিল সেইবোৰ আমি খুব কম অনুভৱ কৰো।

## *পৱিত্ৰ আত্মাক দুখ নিদিব*

আমি প্ৰকৃততে পৱিত্ৰ আত্মাক দুখ দিও আমাৰ খঙ, বেয়া স্বভাৱ, ক্ষমা নকৰা, তিতা-কেহা, কাজিয়া কৰি আৰু তৰ্ক-বিতৰ্ক কৰি। বাইবেলে জোৰ দি আমাক কয় বেয়া ইচ্ছা, আক্ৰোশ, আৰু নিকৃষ্ট আদি কোনো ধৰণৰ স্বভাৱৰ পৰা আতৰি থাকিবলৈ। মোৰ ভাবি বেজাৰ লাগে যে ঈশ্বৰৰ পৱিত্ৰ আত্মাক মই দুখ দিব পাৰো। যেতিয়া সহজতেই এবাৰ খঙ উঠা মোৰ মনত পৰে মই জানো মই তেওঁক দুখ দিছো, আৰু মই কেতিয়াও সেইটো কৰিব নুখুজো। ইয়াক আঁতৰি চলাৰ এটাই উপায় যেতিয়া আনৰ প্ৰতি আমাৰ বেয়া ভাববোৰ জাগে তাক আক্ৰমণমূলক ভাৱে আমি এৰি দিব লাগে। আমি কামত অহা, সহায়কাৰী আৰু ইজনে সিজনৰ প্ৰতি দয়ালু হ'ব পাৰো, ইজনে সিজনক ক্ষমা কৰিবলৈ প্ৰস্তুত হৈ আৰু মুক্তভাৱে যি দৰে যীচু খ্ৰীষ্টৰ যোগেৰে ঈশ্বৰে আমাক ক্ষমা কৰে। (ইফি ৪:৩০-৩২)

পৱিত্ৰ আত্মাক আমাৰ খঙে দুখ দিয়ে কেৱল ঈশ্বৰে ইজনে সিজনক প্ৰেম কৰাটো বিচাৰৰ বাবেই নহয় কিন্তু তেওঁ জানে যে খঙে আমাৰ ওপৰত বেয়া প্ৰভাৱ পেলাই আৰু সেয়ে তেওঁ আমাক এক মুক্ত জীৱন উপভোগ কৰাটো বিচাৰে। আমি ঈশ্বৰৰ অনুসৰণকাৰী হ'ব লাগে আৰু তেওঁৰ উদাহৰণবোৰ মানি চলিব লাগে। তেওঁ খঙত ধীৰ, দয়াৰে পৰিপূৰ্ণ, আৰু অতি সোনকালে ক্ষমাদান দিওঁতা। ঈশ্বৰে যি দৰে আমাক থকাতো বিচাৰে সেইদৰে থাকিবৰ বাবে আমাৰ খঙে সত্যতা চলিব নিদিয়ে।

আমি কি অনুভৱ কৰো প্ৰকৃত প্ৰেমে তাত একো কৰিব নোৱাৰে, সঁচাভাৱে ক্ষমা কৰাইও নোৱাৰে। আমাৰ সিদ্ধান্তৰ ওপৰত দুয়ো প্ৰতিস্থিত্ব আমাৰ অনুভুতিত নহয়। মই বুজিবলৈ সক্ষম হৈছো যে যদি মই ক্ষমা কৰিব খোজো, মোৰ সিদ্ধান্তত অৱশেষত অনুভুতিয়ে প্ৰভাৱ পেলায়। আনক ক্ষমা দিয়াত তেওঁলোকক মোৰ জীৱনৰ পৰা বাহিৰ কৰাৰ সলনি তেওঁলোকৰ লগত কথা পাতিবলৈ সক্ষম কৰে। ইয়াৰ দ্বাৰাই তেওঁলোকৰ প্ৰতি বেয়া ভাব বেয়া চিন্তা কৰাৰ সলনি মোক তেওঁলোকৰ কাৰণে প্ৰাৰ্থনা কৰিবলৈ, আশীৰ্ব্বাদৰ কথা ক'বলৈ অনুমতি দিয়ে। আমি আমাৰ অনুভুতিৰ ওপৰত খুব বেছি ধ্যায়ান দিও। তাৰ সলনি, আমি মনত ৰাখিব লাগে আমাৰ অনুভুতিবোৰ চঞ্চল আৰু সঘনে সলনি হয়। কেৱল প্ৰেম সলনি নহয়।

## *ইজনে সিজনক সহন কৰা*

যদি আমি সঁচাকৈয়ে ইজনে সিজনক ভাল পাওঁ, আমি সহ্য কৰিব লাগিব আৰু ইজনে সিজনক সহন কৰিব লাগিব। (ইফি ৪:১-২) সহন কৰা মানে মানুহৰ ভুল ব্যৱহাৰক ক্ষমা কৰা নুবুজায় — যদি এইটো ভুল হয় তেন্তে এইটো ভুল, আৰু ভাও ধৰা বা অৱজ্ঞা কৰাই ইয়াক সহায় নকৰে। সহন কৰা মানে আমি ইজনে সিজনক কম যোগ্য হোৱা স্বতেও মানি লোৱা। আমি আমাৰ কথা আৰু ব্যৱহাৰেৰে সংবাদ পঠিয়াই কওঁ যে — "আপুনি সেইদৰে কৰাৰ কাৰণে মই আপোনাক অগ্ৰাহ্য নকৰো, মই আপোনাক নেৰো। মই আপোনাক বিশ্বাস কৰি ইয়াৰ দ্বাৰাইয়ে কাম কৰিম।"

মই মোৰ সন্তান সকলক কওঁ যদিও মই তেওঁলোকে কৰা সকলো কথা সদায় সমৰ্থন নকৰো, তথাপি মই তেওঁলোকক বুজিবলৈ চেষ্টা কৰো আৰু মৰম কৰিবলৈ কেতিয়াও নেৰো। তেওঁলোকৰ জীৱনৰ প্ৰতি মুহূৰ্ত্ততে তেওঁলোকে মোক পাব পাৰে বুলি তেওঁলোকক মই জানিবলৈ দিব বিচাৰো।

ঈশ্বৰে আমাৰ সকলো ভুলবোৰ জানে তথাপিও তেওঁ আমাক বাচি লয়। আমি কৰা ভুলবোৰৰ বিষয়ে তেওঁ আমি কৰাৰ আগতেই জানে আৰু আমাৰ প্ৰতি তেওঁৰ ভাব-ভঙ্গী এইদৰে হয় "মই তোমালোকক অসম্পূৰ্ণ হ'বলৈ অনুমতি দিছোহুঁ" তেওঁ প্ৰতিজ্ঞা কৰিছে আমাক কেতিয়া নেৰে আৰু ত্যাগ নকৰে। (ইব্ৰী ১৩:৫)

মই যি কৰো সকলো যদিও সম্পূৰ্ণ শুদ্ধ নহয় তথাপিও দেৱে মোক, মই যেনে, তেনেদৰেই থাকিবলৈ দিয়ে। তেওঁ মোক "সলনি" হ'বলৈ কেতিয়াও জোৰ নিদিয়েহুঁ অসম্পূৰ্ণ পত্নী হিচাপে

তেওঁ মোক ত্যাগ কৰিব বুলি ভয় নকৰো। আমাৰ পৰিয়ালৰ প্ৰত্যেকজন ব্যক্তিৰে কিবা আছে আৰু ঘনিষ্ঠ সম্বন্ধ আছে সেয়ে পাৰ্থক্যবোৰ মানি লওঁ আমি কোনো এজনক যেতিয়া সঁচাকৈয়ে ভাল পাওঁ আমি সকলো মানি লওঁ, সম্পূৰ্ণ ভাল নহ'লেও। এইটো সত্য যে কোনো মানুহেই সকলো দিশত সম্পূৰ্ণ নহয়। আমি যদি সম্পূৰ্ণতা বিচাৰো তেতিয়াহ'লে আমি সদায় হতাশা আৰু তিক্ততাত নিজকে পাম। আনৰ প্ৰতি সহন কৰাৰ দ্বাৰাই জীৱনটো সহজ হয়, আৰু তাতকৈও ডাঙৰ কথা হ'ল ঈশ্বৰৰ প্ৰতি থকা আমাৰ বাধ্যতাক ই প্ৰমান কৰে।

আপুনি বুজিব নোৱাৰা কিবা কাম যেতিয়া মানুহে কৰে, তেতিয়া সেইবোৰৰ বৈশিষ্ট ওলোৱাৰ সলনি নিজকে কওঁক "তেওঁলোক মানৱ।" যীচুৱে মানৱ জাতিৰ স্বভাৱ জানে আৰু সেই কাৰণে তেওঁ যিটো কাম নকৰাতো বিচাৰে সেইটো কৰিলে তেওঁ আঁচৰিত নহয়। পিতৰে তেওঁক জানিও অস্বীকাৰ কৰিছিল তথাপিও তেওঁ পিতৰক ভাল পায়। তেওঁৰ শিষ্যসকলে তেওঁৰ যাতনা আৰু কষ্টৰ সময়ত সাৰে থাকি তেওঁৰ লগত প্ৰৰ্থনা কৰিব পৰা নাছিল তথাপিও তেওঁ তেওঁলোকক ভাল পায়। মানুহে যিয়েই নকৰক কিয়, তেওঁলোকক ভাল পোৱাৰ পৰা আমাক অঁতৰাব নোৱাৰে, যদিহে আমি আগলৈ অনুভৱ কৰো যে তেওঁলোক সম্পূৰ্ণ হ'বলৈ যোৱা নাই আৰু সহন কৰিবলৈ প্ৰস্তুত, কাৰণ সেইটো মানুহৰ স্পৃহা, যিটো সকলো মানুহতে থাকে।

মানুহে কৰা ভুলৰ হিচাপ নৰখাটোৱেই নহয় কিন্তু আমি শুদ্ধ কৰিছো বুলি বিশ্বাস কৰা কথাৰো হিচাপ ৰাখিব নালাগে। নিজকে সকলো জনা বুলি ভবাই আন মানুহৰ প্ৰতি অধৈৰ্য্য আৰু দয়াহীন কৰি তোলে। পাচনি মথিয়ে কৈছে যেতিয়া আমি কোনো এটা ভাল কাম কৰো আমি আমাৰ সোঁহাতক জানিব দিব নালাগে বাওঁহাতে কি কৰিছে। (মথি ৬ঃ৩) মোৰ কাৰণে ইয়াৰ অৰ্থ এইয়ে যে মই যিটো মোৰ ভাল কাম বুলি বিশ্বাস কৰো বা মোৰ যি চাৰিত্ৰক বৈশিষ্ট মই সেইবোৰৰ ধ্যায়ান কৰিব নালাগে। মই মাত্ৰ লগ পোৱা সকলোকে প্ৰেম দেখুৱাত নিজকে ব্যস্ত ৰাখিব লাগে। প্ৰেমৰ বিপ্লৱত কেন্দ্ৰিভুত হোৱাৰ সেইটোৱে মুখ্য কথাহ্ল

## *প্ৰেমে পাপ ঢাকে*

পাচনি পিতৰে কৈছে সকলোতকৈ বেছি পৰস্পৰ মাজত চিৰকলীয়া প্ৰেম অত্যন্ত ৰূপে থাকিব লাগে কাৰণ প্ৰেমে অযুত অযুত পাপ ঢাকে। (১ পিতাৰ ৪:৮) প্ৰেমে কেৱল এজনৰ ভুল নাঢাকে ই অযুত জনৰ ঢাকে। আমাৰ পাপ ঢাকিবৰ অৰ্থে কেৱল ঈশ্বৰৰ প্ৰেম কৰে এনে নহয়, আচলতে আমাৰ পৰা সম্পূৰ্ণ ৰূপে পাপ গুচাবলৈ তেওঁ ইয়াৰ দাম দিলে। প্ৰেম শক্তিশালী পৰিস্কাৰ কৰোতা প্ৰতিনিধি। পিতৰে কোৱা কথাখিনি মই আপোনালোকে লক্ষ্য কৰাটো বিচাৰো তেওঁ কৈছে — এইয়া কৰা - প্ৰেম - সকলো বেলেগ কথাত কৈ প্ৰেম কৰা।

কলচীয়া সকলৰ প্ৰতিও একে বাৰ্ত্তা পৌলৰ, সকলোৰে ওপৰত প্ৰেমক পিন্ধিব কৈছে (কল ৩:১৪) বাৰে বাৰে বাইবেলে পৰস্পৰে প্ৰেম কৰা কথা কৈছে আৰু সেইদৰে কৰোতে তাৰ মাজত একো আহিব দিব নালাগে।

যেতিয়া পিতৰে যীচুক সুধিছিল তেওঁৰ ভায়েকে একেটা ভুলকে বাৰে বাৰে কৰিলে কেইবাৰ তেওঁ ক্ষমা কৰিব, যীচুৱে ক'লে ক্ষমা কৰিয়ে থাকিবা যিমান বাৰ কৰে সিমান বাৰ। (মথি ১৮:২১-২২) পিতৰে সাত বাৰৰ ইঙ্গিত দিয়ে, যদি তেওঁ ইতিমধ্যে ছবাৰ কৰিলেই আৰু এবাৰ মাত্ৰ তেওঁ কৰিব পাৰিব বুলি কিয় ভাবিছে, পিতৰৰ এই কথা ভাবি মই আচৰিত হওঁ। আমি যদি প্ৰেমৰ বিপ্লৱত যোগ দিবলৈ যাওঁ, আমি এইটো বুজিব লাগিব যে আমাক বহুত ক্ষমাৰ প্ৰয়োজন। দৰাচলতে ই আমাৰ প্ৰতিদিনৰ অভিজ্ঞতাৰ এক অংশ হ'ব লাগে। কিছুমান ক্ষমা কৰিব লগা কথা হয়তো সাধাৰণ আৰু সহজতে কৰিব পৰা কিন্তু কেতিয়াবা ডাঙৰ কথা হ'ব পাৰে আৰু আমি আচৰিত হওঁ যদি আমি এইটো কৰিব পাৰো। মাত্ৰ মনত ৰাখিব ঈশ্বৰে আমাক কৰিবৰ বাবে সক্ষমতা দান নকৰাকৈ কেতিয়াও কৰিবলৈ নকয়। যদি আমি ঈশ্বৰৰ দৰে প্ৰেম আমাৰ মাজেৰে ববলৈ দিওঁ তেন্তে আমি যিকোনো এজনক যিকোনো কথাৰ কাৰণে ক্ষমা কৰিব পাৰিম।

যেতিয়া আমি মানুহে কৰা ভুল ঢাকো আমি আশীৰ্ব্বাদ পাওঁ; আৰু যেতিয়া আমি নাঢাকো তেতিয়া আমি অভিশপ্ত হওঁ। কোনোবাই কৰা ভুল ঢকাৰ দ্বাৰাই আমি তাক গোপন কৰো। কোনোবাই কৰা ভুল গম পাই আপুনি খৰধৰ নকৰিব আনক ক'বলৈ। আপোনাৰ গোপনীয়তা যেনেকৈ ৰাখিলে ভাল পায় সেইদৰে আনৰ গোপনীয়তা ৰাখক। বাইবেলত আমি পাওঁ নোহে মতলীয়া হৈ তম্বুত নাঙঠ হৈ শুই থকা তেওঁ এজন পুতেকে দেখি সেই কথা ভায়েক দুজনক কয়, আৰু সেইদিনৰ পৰাই তেওঁ জীৱনত অভিশাপ পায়। যি দুজন পুতেকক কৈছিল তেওঁলোকে পিঠি কৰি তম্বুলৈ সোমায় যাতে দেউতাৰ নাঙঠ অৱস্থা নেদেখে আৰু তেওঁলোকে তেওঁক ঢাকি দিয়ে। বাইবেলে কয় তেওঁলোকে আশীৰ্ব্বাদ লাভ কৰে। (আদি ৯:২০-২৭) নোহৰ নাঙঠ অৱস্থাটো তেওঁ কৰা ভুলৰ বিচাৰ, তেওঁৰ ভুল, তেওঁৰ পাপ। এই কাহিনীয়ে স্পষ্টভাৱে দেখুৱাইছে যে আমি ইজনে সিজনৰ ভুল ঢাকিব লাগে, আনৰ ভুল প্ৰকাশ কৰিব নালাগে।

যেতিয়া আপোনাৰ ভায়ে আপোনাক হানি কৰে কেনেকৈ সমস্যাটোৰ সন্মুখিন হ'ব লাগিব যীচুৱে সেই বিষয়ে উপদেশ, দিছিলে (মথি ১৮:১৫-১৭) তেওঁ প্ৰথমে গোপনে তেওঁৰ ওচৰলৈ গৈ এই বিষয়ে কথা পাতিব কৈছে। যদি এইদৰে কৰাত একো নহয় দুজন বা তিনিজন আন মানুহ লগতলৈ কথা পাতক আৰু আশা কৰক তেওঁ নিজৰ ভুল বুজি অনুতাপ কৰিব। আমি যদি এই উপদেশ মানো আমি বহু ডাঙৰ সমস্যা দূৰ কৰিব পাৰো। মই আপোনালোকক ক'ব নোৱাৰো কিমান বাৰ মানুহ মোৰ ওচৰলৈ আহে তেওঁলোকে গোপনে দূৰ কৰিব লগা সমস্যালৈ মোৰ দ্বাৰাই সমাধান কৰাবলৈ আচলতে কথাটো তেওঁ আৰু যিজনে তেওঁলোকৰ প্ৰতি অন্যায় কৰিছে বুলি ভাৱে তেওঁৰ মাজত থাকিব লাগে। কাৰবাৰ প্ৰতি যদি সঁচাই কৰিব লাগে বুলি ভাবে মুখামুখি হ'বলৈ ভয় নকৰিব। কেতিয়াবা সোনকালে ক্ষমা কৰাৰ উপায় হ'ল বিষয়তো খোলাখুলি ভাৱে আলোচনা কৰা। লুকাই ৰখা অপৰাধবোৰ চিকিৎসা নকৰা সংক্ৰামক ৰোগৰ দৰে। লাহে লাহে বেয়ালৈ যায় যেতিয়ালৈকে গোটেইখিনি ঠাই সংক্ৰামিত নহয় আৰু আমি বেমাৰত নপৰো। আমি তৎক্ষণাত আঘাট পোৱা ঠাই চাফা কৰিব লাগে, পলম নোহোৱাৰ আগতেই।

বাইবেলত যোচেফ নামেৰে এজন মানুহৰ কাহিনী আছে যাক ভায়েকসকলে দাসত্বৰ কাৰণে বিক্ৰী কৰিছিল। বহু বছৰৰ পাচত যেতিয়া ভায়েক সকলে গম পালে তেওঁ জীয়াই আছে আৰু তেওঁ খ্যাদ বিলোৱা কাৰ্য্যত নিযুক্ত যি খ্যাদ বিচাৰি তেওঁলোক হতাশাত ভোগিছিল, তেওঁলোকৰ ভয় লাগিছিল। তেওঁলোকে যোচেফক কেনেদৰে বেয়া ব্যৱহাৰ কৰিছিল তেওঁলোকৰ মনত পৰিল, যোচেফৰো পৰিল, কিন্তু তেওঁ কথাটো কাৰো আগত প্ৰকাশ নকৰিবলৈ ঠিক কৰিলে। তেওঁ গোপনে আৰু সহজভাৱে তেওঁলোকক ক'লে তেওঁ ঈশ্বৰ নহয় আৰু প্ৰতিশোধ ঈশ্বৰত থাকে, তেওঁত নাথাকে। তেওঁ মুক্তভাৱে তেওঁলোকক ক্ষমা কৰিলে তেওঁলোকক অনুৰোধ কৰিলে ভয় নকৰিবলৈ আৰু তেওঁলোক আৰু তেওঁলোকৰ পৰিয়ালৰ বাবে খ্যাদ দিবলৈ আগবাঢ়িল। নিঃসন্দেহে যোচেফ এজন শক্তিশালী চলাওতা তেওঁ যি ফালেই যায় অনুগ্ৰহ লাভ কৰে। তেওঁ প্ৰেমৰ শক্তিক জানে আৰু সম্পূৰ্ণভাৱে ক্ষমা কৰাৰ গুৰুত্বহ্ল

## *সকলো হিচাপ পৰিস্কাৰ কৰক*

আনৰ প্ৰতি থকা কোনো কথা যিটো আগতেই কৰিব লাগিছিল কিয় উলিয়াই নেপেলাই আৰু চিন নিদিয়ে, "সম্পূৰ্ণ দিয়া হ'ল?" "যি মানুহৰ অৰ্থে ঈশ্বৰে পাপ গণনা নকৰে, তেওঁ ধন্য।" তাৰ অৰ্থ এইটো নহয় যে ঈশ্বৰে পাপ নাচায়। ইয়াৰ মানে এই যে প্ৰেমৰ কাৰণে পাপীৰ বিৰোধে তেওঁ বিচাৰ নকৰে। প্ৰেমে স্বীকাৰ কৰে যে বেয়া কাৰ্য্যক নোহোৱা কৰিব পাৰি হৃদয়ত পাপ বাস কৰাৰ পূৰ্বেই। প্ৰেমে বেয়া কাৰ্য্যক লিখি নথয় বা গণনা নকৰে; এইদৰে অসন্তুষ্টি বাঢ়িবলৈ সুবিধা নাপায়।

আমাৰ স্মৃতি শক্তিৰ কাৰণে কিছুমানে চিন্তা কৰে; কিন্তু সঁচাকৈয়ে আমি কিছুমান কথা পাহৰি যোৱাই ভাল। মই ভাৱো আমি প্ৰায়ে যিটো মনত ৰাখিব লাগে সেইটো নাৰাখো আৰু যিটো পাহৰিব লাগে সেইটো মনত ৰাখো। নিশ্চয় ঈশ্বৰে কৰাৰ দৰে আমি জীৱনত এটা ডাঙৰ কাম কৰিব পাৰো, সেইটো হ'ল ক্ষমা কৰা আৰু পাহৰি যোৱা। কিছুমান মানুহে কয় "মই তেওঁলোকক ক্ষমা কৰিম; কিন্তু মই এইটো কেতিয়াও নাপাহৰো।" এই কথাখিনিৰ সত্যতা এই যে যদি আমি মনত ৰাখো আমি তেতিয়াহ'লে ক্ষমা কৰা নাই। আপুনি হয়তো সুধিব পাৰে যি কথাই আমাক আঘাট দিছে সেই কথা কেনেকৈ পাহৰিব পাৰো। তাৰ উত্তৰটো এই যে আমি সেই বিষয়ে নাভাবিবলৈ সিদ্ধান্ত ল'ব লাগে। যেতিয়া সেই কথাবোৰ মনলৈ আহে আমি চিন্তা কৰিব নালাগে আৰু এনেকুৱা কথা ভাবিলৈ বাচি ল'ব লাগে যাৰ দ্বাৰা আমাৰ উপকাৰ হয়।

আপোনাৰ মনৰ সকলো বেয়া ভাব-চিন্তা দূৰ কৰিলে ভাল ফল পাব। ই চাপৰ পৰা সকাশ দিব আৰু আপোনাৰ জীৱনৰ সকলো ভাল গুণৰ উন্নতি সাধন কৰিব। ঈশ্বৰ আৰু আপোনাৰ মাজৰ ঘনিষ্ঠ সম্পৰ্ক ঘূৰি আহিব, আৰু আপোনাৰ আনন্দ আৰু শান্তি বৃদ্ধি পাব। আপোনাৰ শান্ত আৰু শান্তিপূৰ্ণ মনৰ কাৰণে স্বাস্থ্যৰো উন্নতি হ'ব কাৰণ শান্ত মন শৰীৰৰ বাবে জীৱন স্বৰূপ। (হিতো ১৪:৩০) অসন্তুষ্টিয়ে দেৱাল বনায়। প্ৰেমে দলং বনায়।

চতুৰ্দশ অধ্যায়

# 14

# *বাস্তৱিক ভাৱে প্ৰেম প্ৰকাশ কৰা*

সকলো সময়তে শুভবাৰ্ত্তা প্ৰচাৰ কৰা আৰু
যেতিয়া প্ৰয়োজন বাক্যৰ ব্যৱহাৰ কৰা।
*St. Francis of Assisi*

এই কিতাপৰ মূল্য নাই যদি মই প্ৰেমৰ বাস্তৱিক উপায় আপোনালোকলৈ আগনবঢ়াও। আপুনি এতিয়াৰ পৰা প্ৰেম প্ৰকাশ কৰিবলৈ আৰম্ভ কৰক। মই আগতেই কৈছো যে প্ৰেম মানে এনেয়ে কথা পতা নুবুজাই, ইটো এটা কাৰ্য্য হয়। প্ৰেমৰ বিপ্লৱী হিচাপে, পৃথিৰীত প্ৰেম বিলাবলৈ আমি অবিৰাম নতুন আৰু ভাল উপায় বিচাৰিব লাগিব।

আপোনালোকক মনত পেলাও যে আমাৰ যি আছে বা কৰো সেইটোৰ কোনো মূল্য নাই, যদি আমাৰ প্ৰেম নাই তেতিয়া আমাৰ একো নাই। আৰু আমি একো নহও। (১ কৰি ১৩:১-৩) ভৱিষ্যত সমাজৰ কাৰণে ই অত্যাৱশ্যকীয় সেয়ে আমি আক্ৰমনমূলক ভাৱে প্ৰেম প্ৰকাশ কৰিব লাগে। আজি মানুহে ঈশ্বৰ আছেনে নাই জানিবলৈ উন্মত হৈছে, ইয়াত থকাৰ তেওঁলোকৰ উদ্দেশ্য কি, আৰু পৃথিৰী ইমান কিয় পাপেৰে পূৰ্ণ যদি বাস্তৱিকতে ঈশ্বৰ আছে। মই বিশ্বাস কৰো যদি তেওঁলোকে কাৰ্য্যত প্ৰেম দেখা পায়, সেয়ে তেওঁলোকৰ প্ৰশ্নৰ উত্তৰ হ'ব। ঈশ্বৰেই প্ৰেম আৰু তেওঁ আছে, আৰু তেওঁ নিজকে প্ৰকাশ কৰাৰ এটা ডাঙৰ উপায় হ'ল মানুহৰ মাজেৰে নিজকে প্ৰকাশ কৰা। পৃথিৰীয়ে প্ৰেমৰ গুণ প্ৰকাশ হোৱাটো চাব

> আমাৰ যি আছে বা কৰো সেইটো একো নহয়, যদি আমাৰ প্ৰেম নাই তেতিয়া আমাৰ একো নাই আৰু আমি একো নহওঁ।

বিচাৰে। তেওঁলোকে ধৈৰ্য্য, দয়া, স্বাৰ্থপৰ নোহোৱা আৰু ক্ষমা কৰিবলৈ ইচ্ছা কৰা চাব খোজে। যি সকল কম ভাগ্যবান তেওঁলোকক সহায় কৰিবলৈ মানুহে ত্যাগ স্বীকাৰ কৰাতো বিচাৰে। প্ৰেমৰ দ্বাৰাই প্ৰভাৱিত হোৱা মানে এনে অনুভৱ হয় জুইৰ সন্মুখত মিহি গৰম কম্বলেৰে নিজকে মেৰিয়াই লোৱা। ই এটা অনুভৱৰ বাহিৰে একো নহয়। আৰু আনক সেই উপহাৰ দিবলৈ আমাৰ শক্তি আছেন্তু

## ধৈৰ্য্যশীল হওক

বাইবেলৰ ১ম কৰিন্থীয়া ত্ৰয়োদশ অধ্যায়ত ধৈৰ্য্যক পৌলৰ বক্তৃতাৰ তালিকাত প্ৰেমৰ প্ৰথম গুণ বুলি প্ৰকাশ পাইছে। পৌলে লিখিছে প্ৰেমে ধৈৰ্য্য ধৰে আৰু দীৰ্ঘ সময়লৈ সহ্য কৰে। প্ৰেমে দীৰ্ঘ কাল কষ্ট সহ্য কৰে। ই স্থিৰ হৈ থাকে। আমি বিচৰাৰ দৰে যেতিয়া বিষয়বোৰ নহয় তথাপিও দৃঢ়ভাৱে স্থিৰ হৈ থাকে।

লাহে লাহে কাম কৰা কেৰাণীৰ লগত মই ধৈৰ্য্য ধৰিবলৈ অভ্যাস কৰো, যিজনে বস্তুৰ দাম উলিয়াব নোৱাৰাত, মই তেওঁক সহায় কৰিবলৈ যেতিয়া বাট চাই তাত ঠিয় হৈ থাকো তেওঁ অধৈৰ্য্য হোৱা গ্ৰাহকক শান্ত কৰিবলৈ চেষ্টা কৰি ফোনত বহু সময় কটায়। বস্তু ৰখা ঠাইত মোৰ বহুতো কেৰাণী আছে, মই ধৈৰ্য্য ধৰাৰ বাবে তেওঁলোকে সঁচাকৈয়ে ধন্যবাদ জনায়। মই নিশ্চিত যে বাট চাই অধৈৰ্য্য হোৱা মৰম নথকা গ্ৰাহকৰ পৰা তেওঁলোকে বহুতো অপব্যৱহাৰ পায়, আৰু সেই সমস্যাত মই যোগ নিদিবলৈ সিদ্ধান্ত লওঁ। ইয়াৰ উত্তৰত মই ক'ব খোজো। সঁচাকৈয়ে আমি সকলোৱে ল'ৰালৰি কৰো আৰু বাট চাই থকাৰ পৰা সোনকালে যাব বিচাৰো, কিন্তু যিহেতু প্ৰেমে নিজৰ চিন্তা নকৰে সেয়ে আমি কি অনুভৱ কৰো তাৰ আগতে কেৰাণীসকলে কি অনুভৱ কৰে তাক বুজিব লাগিব। অলপতে কেৰাণী এজনীয়ে লাহে লাহে কৰা কাৰণে মোৰ পৰা ক্ষমা বিচাৰে। মই তাইক কলো যে মই কোনো গুৰুত্বপূৰ্ণ কাম কৰি থকা নাই যে মই বাট চাব নোৱাৰো। তাই উৎকণ্ঠা কম হয় আৰু মই অনুভৱ কৰো যে মই তাইৰ প্ৰতি প্ৰেম প্ৰকাশ কৰিছো।

সকলোৰে প্ৰতি ধৈৰ্য্যশীল হ'বলৈ বাইবেলে আমাক অনুপ্ৰাণিত কৰে, আমাৰ খঙ সদায় দমন কৰি ৰাখিবলৈ (১ থিচলনীকীয়া ৫:১৪) আন মানুহৰ কাৰণে আমাৰ এইটো কেৱল ভাল সাক্ষই নহয়, কিন্তু এইটো আমাৰ কাৰণেও ভাল। আমাৰ যিমানে ধৈৰ্য্য হ'ব, আমাৰ চাপ সিমানেই কমিবন্তু পিতৰে কৈছে ঈশ্বৰে অসাধাৰণ ভাৱে আমাৰ প্ৰতি ধৈৰ্য্যশীল কাৰণ এইটো তেওঁৰ ইচ্ছা যাতে আমি কোনো হেৰাই নাযাওঁ। (২ পিতৰ ৩:৯) সেই কাৰণেই আমি আনৰ প্ৰতি ধৈৰ্য্যশীল হ'ব লাগে আৰু বিশেষকৈ যিসকলে পৃথিৱীত ঈশ্বৰক বিচাৰি আছে।

পৌলে তীমথিয়ক কৈছে যে ঈশ্বৰৰ দাস সকল পাৰ্গত আৰু উপযুক্ত শিক্ষক, নম্ৰ স্বভাৱৰ, ভুলক সহ্য কৰাৰ ইচ্ছা থকা, দয়ালু আৰু সকলোৰে প্ৰতি ধৈৰ্য্যশীল হ'ব লাগে। (২ তীমথিয় ২:২৪) আমি প্ৰতি দিনে কাৰ্য্যৰ দ্বাৰাই মানুহক শিকাব লাগে। অকল কথাৰ দ্বাৰাই শিক্ষা দিয়া নহয় — বহু সময়ত কাৰ্য্য বেছি ফলদায়ক হয়। আমাৰ সকলোৰে ক্ষমতা আছে, আৰু আমি কেনেদৰে ব্যৱহাৰ কৰিছো তাৰ বাবে সাৱধান হ'ব লাগে। মোৰ আইনা সদৃশ ৰত্ন মণিৰ লকেত যীচুৰ প্ৰতিছবি লগাই পিন্ধাৰ পিচত মই কেৰাণী সকলৰ প্ৰতি যদি অধৈৰ্য্য হওঁ আৰু যদি মৰম নেদেখুৱাও তাৰ দ্বাৰাই একো লাভ নহয় বা যীচুৰ গৌৰৱ প্ৰকাশ নাপায়। মই এনেধৰণৰ বস্তু যোৱা বিশ বছৰে বহুত দেখিছো সঁচাকৈ ই মোক আমনি দিয়ে।

আমি খ্ৰীষ্টিয়ান বিশ্বাসৰ চিহ্নবোৰ পিন্ধিব নালাগে যদি আমি সেইদৰে থকাৰ বাবে প্ৰস্তুত নহওঁ। ঈশ্বৰৰ লগত মোৰ সম্বন্ধৰ প্ৰমান মোৰ ডাঙৰ ষ্টিকাৰ বা মোৰ খ্ৰীষ্টিয়ান অলঙ্কাৰ বা মোৰ গীৰ্জ্জত উপস্থিত হোৱা হিচাপ নহয়। এইটোও নহয় যে মই কিমান বাইবেলৰ পদ মনত ৰাখিছো বা মোৰ খ্ৰীষ্টিয়ান পুথি ভৰাল কিতাপ, DVD আৰু CD ৰে কিমান ব্যাপক। মোৰ খ্ৰীষ্টিয়ান জীৱনৰ প্ৰমান হয় বিপ্লৱী প্ৰেমত দেখা সফলতাত।

মই নিয়মিত ৰূপে আপোনালোকক প্ৰাৰ্থনা কৰিবলৈ অনুৰোধ কৰো সেয়ে আপোনালোকৰ জীৱনলৈ যিয়েই নাহক, ভাল মানসিক অৱস্থাৰে তাক সহ্য কৰিব পাৰিব। মোক বিশ্বাস কৰক, আপোনাক হতাশ কৰিব পৰা এনে বিষয়. আপোনালৈ আহিব পাৰে, কিন্তু সময়ৰ আগতেই যদি আপুনি প্ৰস্তুত হয়, তেতিয়া আপুনি তেনে বিষয়বোৰৰ সন্মুখিন হ'লেও শান্ত হৈ থাকিব পাৰিব। আমাৰ মনৰ অৱস্থা আৰু মানসিক প্ৰকৃতি দৃঢ়তাৰে প্ৰকাশ কৰিব পৰাটো খুব গুৰুত্বপূৰ্ণ কথা। যেতিয়া তেওঁলোকে ভবাৰ দৰে বিষয়বোৰ নহয় তেতিয়া বহুতো মানুহ বিস্ফোৰক পদাৰ্থৰ দৰে হয় । মই আন্তৰিকতাৰে বিশ্বাস কৰো যে যেতিয়া বিষয়বোৰ ভুল দিশে যায় তেতিয়া ধৈৰ্য্য ধৰিব পৰাটো এটা ভাল উপায়।

কেই সপ্তাহ মান আগতে মই ধৈৰ্য্যৰ ওপৰত প্ৰচাৰ কৰিছিলো আৰু আপোনাৰ যি পৰিস্থিতিয়েই হওক ধন্যবাদেৰে ধৈৰ্য্য ধৰিব লাগে। মই ছয় সপ্তাহত তিনিটা ডাঙৰ সন্মিলন কৰিছিলো তাৰ ওপৰিও বহুতো দায়িত্ব পুৰণ কাম কৰিছিলো আৰু শনিবাৰে ৰাতিপুৱা শেষৰ ভাগত লানি নিছিগা দায়িত্ব। মই সঁচাকৈয়ে সেইদিনা সোনকালে ঘৰলৈ যাবলৈ বাট চাই আছিলো ভাল আহাৰ খাবলৈ, দেৱে বজাৰ কৰিবলৈ মোক নিব বুলি আশা কৰি, ঘৰত গৰম পানীৰে গাধুম, আইচক্ৰিম খাম আৰু ভাল ছবি চাম। আপুনি বোধহয় দেখিছে যে মই কষ্ট কৰি কৰা কামৰ কাৰণে নিজকে পুৰস্কৃত কৰিবলৈ প্ৰস্তুত হৈছো। মোৰ নিজৰ কাৰণে ই এটা ভাল আঁচনিহ্ল

ঘৰলৈ ঘূৰি আহিবলৈ আমি উৰাজাহাজত উঠিলো, আৰু মাত্ৰ পয়ত্ৰিশ মিনিট আছিল উৰিবলৈ। মই ইমান ৰোমাঞ্চিত হৈছিলো আৰু তেতিয়াই কিবা বিজুতি ঘটিল। উৰাজাহাজৰ দুৱাৰ ভালদৰে বন্ধ নোহোৱাত আমি প্ৰায় দেৰ ঘণ্টা বহিব লগা হ'ল যেতিয়া তেওঁলোকে দুৱাৰৰ কাম কৰি আছিল। সেয়ে সেইদিনা উৰিব পাৰিবনে নাই আৰু সম্ভৱ গাড়ী ভাড়া কৰি

ঘৰলৈ যাব লাগিব আদি কথা পাতিছিলো। মই আপোনাক ক'ব নোৱাৰো ধৈৰ্য্য ধৰাটো মোৰ কাৰণে কিমান কঠিন আছিল। মাত্ৰ মোৰ মুখ বন্ধ ৰখাটোৱে সেই সময়ত মোৰ বাবে গুণসম্পন্ন কথা আছিল। মই ধৈৰ্য্যৰ ওপৰতেই প্ৰচাৰ কৰিছিলো কিন্তু মই প্ৰাৰ্থনা কৰিবলৈ পাহৰি গ'লো যে, যদি মই পৰীক্ষিত হওঁ মই পৰীক্ষাত কৃতিত্বপূৰ্ণ ভাৱে পাঁচ কৰিবৰ বাবে।

সঁচাই আপোনাৰ কাৰণে প্ৰয়োজনীয় বুলি ভবা ভাল উপদেশ শুনাৰ অভিজ্ঞতা আপোনাৰ কেতিয়াবা আছেনে আৰু নিজকে তৎক্ষণাত সেই বিষয়ত পৰীক্ষিত হোৱা পাইছেনে? আপুনি প্ৰচাৰ কৰিবলৈ চেষ্টা কৰক আৰু কিমান সোনকালে আপুনি পৰীক্ষিত হয় চাওকচোন মই উপলব্ধি কৰো আমি সদায় ধৈৰ্য্যশীল অনুভৱ নকৰো কিন্তু আমি ধৈৰ্য্যশীল হ'বলৈ হ'লে নিয়ম মানি চলিব লাগিব। কেতিয়াবা মই কেনে অনুভৱ কৰো সেই বিষয়ে একো কৰিব নোৱাৰো, কিন্তু মই কেনে ব্যৱহাৰ কৰিছো সেইটো নিয়ন্ত্ৰণ কৰিব পাৰো আৰু সেয়ে আপুনিও পাৰে। মই স্পষ্ট ভাৱে ক'ব পাৰো যে উৰাজাহাজত বহি থাকোতে মই ধৈৰ্য্য ধৰিব পৰা নাছিলো কিন্তু মই প্ৰাৰ্থনা কৰি আছিলো, হে প্ৰভু মোক শান্ত হ'বলৈ সহায় কৰক যাতে মই যি প্ৰচাৰ এই মাত্ৰ শেষ কৰিলো তাৰ যেন দুৰ্ব্বল সাক্ষী নহওঁ। তেনে পৰিস্থিতিত যেতিয়া সদায় মই বিচৰাৰ দৰে নহয়, ঈশ্বৰে মোক সহায় কৰে, শেষত আমি ঘৰ পাওঁহি আৰু মই ভবাৰ দৰে সকলো কাম কৰিবলৈ যথেষ্ট সময় পাওঁ।

যেতিয়া আপুনি কোনো অসুবিধাজনক অৱস্থাত পৰে, আপুনি শান্তিত থাকিবলৈ চেষ্টা কৰক আপুনি দেখিব আপোনাৰ হৈ ঈশ্বৰে কাম কৰিছে। যেতিয়া ইস্ৰায়েল সকল চুফ সাগৰ আৰু মিচৰীয়া সৈন্যৰ মাজত আছিল, মোচিয়ে ক'লে “ঈশ্বৰে তোমালোকৰ নিমিত্তে যুঁজ কৰিব আৰু তোমালোক শান্তিত থাকিবা আৰু মনে মনে থাকিবা” (যাত্ৰা ১৪:১৪)

## *সময় দিয়া*

আমাৰ প্ৰত্যেকৰ কাৰণে সময় অতি মূল্যবান। যেতিয়া আমি মানুহক সময় দিবলৈ কওঁ, আমি উপলব্ধি কৰিব লাগে যে আমি বহুমূলীয়া উপহাৰ খুজিছো আৰু আমি যেতিয়া পাওঁ প্ৰশংসা কৰিব লাগে। মানুহে সঘনাই মোৰ সময় খোজে আৰু দূৰভাগ্যবশত মই সকলোকে দিব নোৱাৰো। যদি মই চেষ্টা কৰো মই অকল ভাগৰি নাযাওঁ কিন্তু পৃথিৱীত থাকোতে ঈশ্বৰে মোক যি কৰিব দিছে সেইয়া শেষ কৰিবলৈ মোৰ সময় নহ'ব।

আমি সকলো পাৰিম বুলি ক'ব নোৱাৰো, কিন্তু আমি সকলো নোৱাৰো বুলিও ক'ব নালাগে। মই অনুমোদন কৰো, দিবৰ বাবে কিছু সময় ৰাখক কাৰণ প্ৰেম প্ৰকাশ কৰাৰ ই এটা উপায়। মই অলপতে এগৰাকী বন্ধুক সহায় কৰি তিনীচী গীৰ্জ্জাত কথা কৈছিলো, আৰু যেতিয়া মই তাত আছিলো মোৰ এনে অনুভৱ হৈছিল সেই চহৰৰ অভাৱগ্ৰস্থ সকলক সহায় কৰিবলৈ ঈশ্বৰে যেন মোক হেঁচুকি আছে, সেই ৰাতি মোৰ কাৰণে যি দান সংগ্ৰহ কৰিছিল ঘুৰাই দিবলৈ। মই লগে লগে

উপলব্ধি কৰিলো ঈশ্বৰে মোক সময় আৰু টকা মুক্ত ভাৱে দিয়াটো বিচাৰিছে। তেওঁ দিয়াৰ আনন্দৰ বাহিৰে একো লোৱাটো বিচৰা নাই, যিটো সকলোতকৈ বেছি। প্ৰতি বছৰে ঈশ্বৰে এইদৰে মোক পৰীক্ষা কৰাটো মই গম পাইছো আৰু ঈশ্বৰে এইদৰে কৰাত মই সুখী, কাৰণ আনৰ কাৰণে যি সকলো কৰো তাৰ বাবে মই কিবা পাব লাগে বুলি ভবা অভ্যাসটো মোৰ নাছিল।

মই স্বীকাৰ কৰো যে মোৰ কাৰণ টকা আৰু বেলেগ সম্পত্তি দিয়াতকৈ সময় দিয়াটো কঠিন। এইখিনিতেই মই মোৰ জীৱনৰ তিনিভাগৰ দুভাগ সময় পাৰ কৰিলো, আৰু মই অনুভৱ কৰিলো মোৰ যি আছে সেয়া উদ্দেশ্যৰ কাৰণে কেন্দ্ৰিভূত কৰিব লাগে। মই ভাবি পালো প্ৰয়োজনীয়তাৰ কাৰণে প্ৰায়ে নোৱাৰো ক'ব লাগে, তথাপিও মই পাৰিম বুলি কওঁ কাৰণ যেতিয়া মই জানিলো যে সময় প্ৰেমৰ মূল্যবান উপহাৰ।

যেতিয়া কোনোবাই আপোনাক সহায় কৰিবলৈ আহে তেতিয়া তেওঁলোকে আপোনাক বহুমূলীয়া সময় দিয়ে। যেতিয়া কাৰবাৰ পৰা বিশেষ ভাবে মনোযোগ পায়, তেওঁলোকে আপোনাক সন্মান কৰে আৰু প্ৰেম দেখুৱাই। আমি প্ৰতিবাৰ শুধু "মোৰ কাৰণে আপুনি কিবা কৰিব পাৰিবনে?" মানুহৰ পৰা আটাইতকৈ মূল্যবান বস্তুটো আমি খোজো কাৰণ তেওঁলোকৰ সময়খিনি আমি লওঁ আৰু সেয়ে তেওঁলোকৰ বাবে সময় নাথাকে।

আপোনাৰ সময়ৰ বিষয়ে ভাবক। ঈশ্বৰৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক গঢ়ি তুলিবলৈ যথেষ্ট সময় দিয়াত নিশ্চিত হওঁক আৰু তেওঁৰ লোক সকলৰ আগত তেওঁৰ প্ৰেম প্ৰকাশ কৰিবলৈ কিছু সময় দিছে বুলি সঠিক হওঁক। Phoenix First Assembly of God আমেৰিকাৰ সোনকালে বৃদ্ধি হোৱা এটা গীৰ্জ্জা, তাৰ পালক টঅমী বাৰণ্টেন কৈছিল, "জীৱনটো এনেকোৱা যি আমি অবিৰাম গতিত হেৰুৱাও"। সেয়ে আমি যি কৰো গভীৰ ভাৱে ল'ব লাগে। মানুহে যেতিয়া কয় তেওঁলোকৰ দিবলৈ একো নাই, তেওঁলোকে পাহৰি যায় যে যেতিয়ালৈকে আমি জীয়াই থাকো আমি কিবা দিব লাগিব ঃ আমাৰ সময়।

যিহেতু, সময় ইমান মূল্যবান বস্তু সেয়ে আমি উদ্দেশ্যপূৰ্ণ ভাবে আৰু জ্ঞানেৰে ব্যৱহাৰ কৰিব লাগে। মানুহক আপোনাৰ সময় কাঢ়ি নিব নিদিব, সময় অৱাবত খৰছ নকৰিব, আৰু কেতিয়াও নক'ব, "মই অলপ সময় নিয়াবলৈ চেষ্টা কৰিছো।" আপোনাৰ প্ৰাধ্যানতা কি বুজি লওঁক আৰু আপোনাৰ সময় তাত খৰছ কৰক। ঈশ্বৰ আৰু পৰিয়াল আপোনাৰ তালিকাৰ প্ৰথম হ'ব লাগে। নিজৰ যত্ন ল'বলৈও আপুনি সময় দিব লাগে। সমতা ৰাখি চলা ব্যক্তি হ'বলৈ আপুনি কাম, জিৰণি আৰু খেলিব লাগিব। সহায়ৰ বাবে যি সকলে আপোনাক বিচাৰে তেওঁলোকৰ কাৰণেও কিছু সময় ৰাখিব লাগিব।

আপুনি যদি ভাবে সকলো কাম কৰিবলৈ আপোনাৰ সময় নাই আৰু তথাপিও আনক দিয়ে, টঅমী বাৰণ্টেক ঈশ্বৰে যি কৰিবলৈ কৈছিল আপুনিও সেইদৰে কৰক বুলি মই উৎসাহিত কৰো। ঈশ্বৰে তেওঁক আধা ঘণ্টা জ্ঞানেৰে ব্যৱহাৰ কৰিব কৈছিল। তেওঁ তেওঁক দেখুৱাইছিল যে তেওঁৰ বহুত আধা ঘণ্টাৰ সময় আছে। পালক বাৰণ্টে কৈছিল যে যদি আপুনি আধা ঘণ্টাত কি কৰে

ঈশ্বৰক কয় আপোনাৰ জীৱনটো কিহৰ বাবে তেওঁ ক'ব পাৰিব। আপুনি প্ৰতিদিনে আধা ঘণ্টা গাড়ী চলাই কামলৈ আৰু ঘৰলৈ যাওঁতে কি কৰে? হোটেলত আধা ঘণ্টা খাদ্য অহালৈ বাট চাই থাকোতে কি কৰে? কোনো এজনক মৰম দেখুৱাবলৈ সেই আধা ঘণ্টা আপোনাৰ সময় আছেনে? সেই মিনিটবোৰ ফোনেৰে বা চিঠি লিখি কোনো এজনক উৎসাহিত কৰিবলৈ আপুনি ব্যৱহাৰ কৰিবনে? কোনো এজনৰ কাৰণে প্ৰাৰ্থনা কৰিবনে? আপুনি কোনো এজনৰ কাৰণে কি কৰিব পাৰে সেই বিষয়ে প্ৰাৰ্থনা কৰিবনে? আপুনি কি দিব পাৰে সেই বিষয়ে সৃষ্টিশীল চিন্তাৰে সময় ব্যৱহাৰ কৰক।

আধা ঘণ্টাত আপুনি কিতাপ লিখিব পাৰে। আপুনি আত্মা জয় কৰিব পাৰে। আধা ঘণ্টাত আপুনি ডাঙৰ সিদ্ধান্ত ল'ব পাৰে। লেতেৰা আৰু চাফা ঘৰৰ মাজত আধা ঘণ্টাই পাৰ্থক্য আনিব পাৰে। আপোনাৰ আধা ঘণ্টা খুব গুৰুত্বপূৰ্ণ আৰু যদি আপুনি চাবলৈ আৰম্ভ কৰে সম্ভৱত তেনে সময় বহুত আছে। মই কোৱা নাইনে দিনটোৰ প্ৰতিটো চেকেণ্ডত আপুনি কিবা কৰিবই লাগিব? নহয়, মই সেইদৰে কোৱা নাই। দৰাচলতে জিৰণিৰ বাবে আধা ঘণ্টা সময় ল'ব লাগিব বুলি আপুনি হয়তো সিদ্ধান্ত লয় আৰু আপুনি যদি সেইদৰে কৰে ঠিকেই আছে, কিন্তু একো নকৰাকৈ অৰাবত সময়বোৰ পাৰ কৰাৰ সলনি আপুনি অন্তত উদ্দেশ্যৰ কাৰণে সময় ব্যৱহাৰ কৰক।

মনত ৰাখিব এটা দিন যোৱা মানে আপুনি আৰু ঘূৰাই নাপায়। ব্যৱহাৰ কৰক, নষ্ট নকৰিব।

## *আপোনাৰ চিন্তা, বাক্য আৰু সম্পত্তিৰে প্ৰেম কৰক*

***চিন্তাৰ শক্তি*** দেখুৱাবলৈ এগৰাকী মহিলাই এই কাহিনী কৈছেঃ

> বৰদিনৰ সময়ত মই ওপৰ মহলাৰ শোৱা কোঠালৈ ফিগ্ গছজোপালৈ যাওঁ, বৰদিনৰ গছ থবৰ বাবে ঠাই উলিয়াবলৈ। বাৰখিলা মান পাতেৰে সৰু ডাল এডাল আছিল, তাৰ তলত বাকী ডালসমূহ। দেখিবলৈ কিবা ভাল লগা নাছিল, গছৰ আকৃতি নষ্ট কৰিছিল।
>
> ৰাতিপুৱা যেতিয়া মই উঠো। গছজোপা দেখু আৰু চিন্তা কৰো, মই সেই ডালবোৰ কাটি পেলাম। প্ৰতিবাৰ গছজোপাৰ ওচৰেৰে গলে মই ভাবো, সেই ডাল দেখিবলৈ ভাল লগা নাই, মই সেই ডালটো কাটি দিম।
>
> সময় পাৰ হৈ যায়। গছ জোপা বহা কোঠালৈ ঘূৰাই অনা হয়। যিমান বাৰ মই লক্ষ্য কৰো মই বেয়াই ভাৰি থাকো। এইদৰে ডেৰ মাহ থাকে।
>
> এদিন ৰাতিপুৱা গছজোপাৰ ওচৰেৰে যাওঁ আৰু সেই সৰু ডালটোৰ সকলো পাত হালধীয়া হৈ গৈছিল। গোটেই গছজোপাত আৰু কতো হালধীয়া পাত নাছিল। মাইকী ৰাজহাঁহ থেকেচা খোৱাৰ দৰে মই হ'লো আৰু মোৰ স্বামীক কলো। তেওঁ মোৰ ফালে চাই ক'লে - "তুমি নিশ্চয় সুখী, তুমি ভাবিছা তোমাৰ কাৰণে ভাল হ'ল।"

সেই দিনাই মই ডালটো কাটি পেলালো।

মোৰ শাহুৰ লগত মোৰ সদায় অসুবিধাজনক সম্বন্ধ। ইমান মৰমীয়াল হোৱাৰ পাচত মই অৱশ্যে নাভাবো মোৰ কিবা দোষ আছে আৰু সেয়ে চালি জাৰি চোৱাৰ প্ৰয়োজন বুলি মই ভাবো। যিমান বাৰ মই শাহুৰ কথা ভাবো মই তেওঁক আশীৰ্ব্বাদ কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ হওঁ, মই নিজৰ কথা বাদ দি তেওঁৰ কথা ভাবো আৰু আশীৰ্ব্বাদ দিওঁহ্ল

তেওঁ কেতিয়াবা কাতচিত মোলৈ ফোন কৰে বা মোৰ লগত কথা পতাৰ আগ্ৰহ দেখুৱাই। কিন্তু মাত্ৰ অলপ সময়ৰ কাৰণে পাঁচ দিনত তিনিবাৰ ফোন কৰে কিন্তু সেই সকলো বন্ধুত্বপূৰ্ণহ্ল যোৱা বছৰ ছয় বাৰতকৈ বৈছি তেওঁ মোলৈ ফোন কৰা নাছিল।

সেই একেই মহিলা গৰাকীয়ে মই চিন্তাৰ শক্তিৰ ওপৰত দিয়া শিক্ষাৰ ধাৰাবাহিক খুজি পঠিয়াই আৰু কয় “এতিয়া মই আন মানুহৰ প্ৰতি কি ভাবো গম পাইছো।”

আমি আন মানুহৰ প্ৰতি অসংখ্য কথা চিন্তা কৰো, কিন্তু এই সকলো আমি দায়িত্বপূৰ্ণ ভাৱে কৰিব লাগে। মই বিশ্বাস কৰো আত্মিক ক্ষেত্ৰত ই কাম কৰে যদিও খালি চকুৰে ইয়াক দেখা নাযায় মই বিশ্বাস কৰো আমাৰ চিন্তাবোৰ আনে বুজি পায়। যিদৰে ফিগ গছজোপা মানুহ গৰাকীৰ বেয়া চিন্তাৰ কাৰণে বেয়া ভাৱে প্ৰভাৱিত হয়, মই বিশ্বাস কৰো ঠিক সেইদৰেই আমাৰ চিন্তাবোৰে মানুহৰ ওপৰত প্ৰভাৱ পেলায়।

আমি মানুহৰ বিষয়ে কি চিন্তা কৰে। কেৱল সেইটোৱে প্ৰভাৱ নেপেলায়, আমি যেতিয়া তেওঁলোকৰ লগত থাকো আমি কিদৰে ব্যৱহাৰ কৰিছো এইটোৱেও প্ৰভাৱ পেলায়। যদি মই কোনোবা এজনক ভাল নাপাওঁ বুলি মনে মনে ভাবো আৰু মানসিক ভাৱে তেওঁলোকে কৰা ভুলবোৰৰ কথা ভাবো, তেতিয়াহ'লে যেতিয়া মই তেওঁলোকক চাওঁ তেতিয়া মোৰ মনত তেওঁলোকৰ প্ৰতি যি ভাব সেইদৰেই মই তেওঁলোকক ব্যৱহাৰ কৰিম।

কিশোৰী অৱস্থাত থকা মোৰ ছোৱালীজনীৰ লগত মই এবাৰ বজাৰ কৰিছিলো। সেইদিনা তাইৰ মুখত বহুত পিমপলচ উলাইছিল আৰু চুলিবোৰ বিশৃঙ্খল হৈ আছিল। মই যিমান বাৰ তাইলৈ চাওঁ মই এইদৰে ভবা মনত আছে, আজি তোমাক ভাল লগা নাই। মই মন কৰিছিলো দিনটো যোৱাৰ লগে লগে তাইক হতাশ হোৱা যেন লাগিছিল সেয়ে মই শুধিলো কি হৈছে। তাই উত্তৰত ক'লৈ “আজি মোৰ এনে লাগিছে মোক দেখিবলৈ অতি বেয়া লাগিছে।” ঈশ্বৰে মোক সেইদিনা চিন্তাৰ শক্তিৰ বিষয়ে শিক্ষা দিলে। আমি ভাল, মৰমীয়াল আৰু মানুহৰ প্ৰতি ভাল চিন্তা কৰি মানুহক সহায় কৰিব পাৰো, কিন্তু বেয়া, ভাল নোপোৱা আৰু আনৰ হানি হোৱা চিন্তা কৰি আমি আঘাট কৰিব পাৰো।

দিনটোত এজন মানুহ বাচি লৈ তেওঁৰ প্ৰতি বিশেষ উদ্দেশ্য ৰাখি ভাল কথা চিন্তা কৰাৰ অভ্যাস কৰক, আৰু তেওঁৰ প্ৰতি প্ৰাৰ্থনাৰ আঁচনি ল'বলৈ মই উৎসাহিত কৰো। গোটেই দিনটোত চিন্তা কৰিবৰ কাৰণে অলপ সময় ৰাখক, য'ত আপুনি মানুহজনৰ শক্তি, আপুনি ভাবিব পৰা

সকলো ভাল গুণ, আপোনাৰ প্ৰতি কৰা সকলো অনুগ্ৰহ আৰু তেওঁৰ প্ৰতি শলাগ ল'ব পৰা কোনো কথাৰ ওপৰত ধ্যায়ান কৰক। পিচদিনা আন এজন মানুহ বাচি লওঁক, এইদৰে আপোনাৰ জীৱনত লগ পোৱা গুৰুত্বপূৰ্ণ মানুহৰ কথা এজনৰ পাচত এজনকৈ ভাবি থাকক যেতিয়ালৈকে ভাল কথা চিন্তা কৰাৰ অভ্যাস নহয়।

আপোনাৰ চিন্তাৰে মানুহক ভাল পাওঁক, এইদৰে কৰাত আপুনি তেওঁলোকৰ জীৱন গঢ়াত সহায় কৰে আৰু শক্তি বঢ়ায়।

***বাক্যৰ শক্তি*** আমি আলোচনা কৰিছিলো আনক গঢ়ি তুলিবলৈ আৰু উৎসাহিত কৰিবলৈ আৰু উন্নতি কৰাবলৈ কেনেকৈ বাক্য ব্যৱহাৰ কৰিব পাৰি, কিন্তু ঘৰলৈ ঘূৰি যাওঁতেও এই বিষয়টো মানুহক প্ৰেম কৰাৰ এক পথ বুলি মই মনত ৰাখিব বিচাৰো। আনৰ প্ৰতি প্ৰেম প্ৰকাশ কৰিবলৈ আমাৰ প্ৰত্যেকৰ বাক্য ব্যৱহাৰ কৰা ক্ষমতা আছে। মাত্ৰ যোৱা কালি ধুনীয়া নীলা চকুৰ ৰিয়েল ষ্টেতৰ প্ৰতিনিধি এগৰাকীক লগ পাইছিলো সেয়ে মই তাইক ক'লো তোমাৰ চকু জোৰ বৰ ধুনীয়া। এইদৰে কোৱাত তাই নিজৰ প্ৰতি ভাল অনুভৱ কৰে। এইটো কৰিবলৈ মোৰ অকণমান সময় আৰু মাত্ৰ অতি অলপ চেষ্টা লাগিছিল। মই আন এজনী অতি আকৰ্যনীয় প্ৰতিনিধি দেখিলো। সেয়ে মই ক'লো তাই খুব ধুনীয়া, আৰু তাই খুব সুখী হৈ ধন্যবাদেৰে সহাৰি দিলে। বাক্যৰ ব্যৱহাৰ কৰি দুজনক মই গঢ়ি তুলিলো আৰু লাহে লাহে এইটো প্ৰতিদিনৰ কাৰ্য্যত পৰিণত হয়। প্ৰেমৰ বিপ্লৱী হিচাপে আমাৰ চাৰিও ফালে থকা সকলকে আমি প্ৰেম দিবলৈ আৰু উৎসাহিত কৰিবলৈ বাক্যৰ শক্তিক ব্যৱহাৰ কৰিব লাগে।

যোৱা কালি মোৰ স্বামী গ'লফ খেলাৰ পৰা ঘৰলৈ আহে, আৰু পাঁচ মিনিটৰ পাচত মোক কয় যে তেওঁ মোক ভাল পায় তাৰ মানে মোক দেখিবলৈ ভাল লাগিছে আৰু খুব কাম কৰিছো কাৰণে। মই এই কিতাপৰ কাম প্ৰায় সাত ঘণ্টা কৰি আছিলো আৰু মই বিৰতি ল'বলৈ সাজু হ'লো, তেওঁৰ সেই মৰমৰ বাক্যই মোক মূল্যবান আৰু মৰম অনুভৱ কৰায়। যোৱা ৰাতি আমি ল'ৰা বোৱাৰী আৰু শিশুটিৰে সৈতে ৰাতিৰ আহাৰৰ বাবে যাওঁ। মই নিকলক কওঁ তাই ভাল মাতৃ আৰু পত্নী। ঠিক তাৰ আগতে মই দেখিছিলো মোৰ ল'ৰাই তাইৰ কাণত ফুচফুচাই সি তাইক ভাল পাই বুলি কয়। এইবোৰেই কথা আমি পৰস্পৰে দিনটোত ক'ব লাগে যাৰ দ্বাৰাই মৰম আৰু অনুপ্ৰাণিত হোৱাত ভৰসা দিয়ে।

জীৱনৰ শক্তি আৰু মৃত্যু জিভাতেই থাকে। এইটো আচৰ্য্যজনক চিন্তা। আমি আনক আৰু নিজক জীৱন আৰু মৃত্যুৰ কথা কোৱাৰ অধিকাৰ আছে। আনক আমি যি কওঁ সি আমাৰ জীৱনটো প্ৰভাৱ পেলায়। বাইবেলে কৈছে — "মৰণ আৰু জীৱন জিবাৰ অধীন; আৰু যিসকলে তাক ভাল পায়, তেওঁবিলাকে তাৰ ফল ভোগ কৰিব।" (হিতো ১৮:২১)

বাক্যৰ পাত্ৰ হ'ল শক্তি, আমি যি দৰে বাচি লওঁ ই সেইদৰেই সৃষ্টিমূলক বা ধ্বংসমূলক শক্তি কঢ়িয়াই নিব পাৰে। আপোনাৰ বাক্যবোৰ ভালদৰে বাচি লওঁক আৰু সেইবোৰ সাৰধানে কওঁক।

জীৱন সলনি কৰা বাণী প্ৰেৰণ কৰিব পাৰে। আমাৰ বাক্যই এজন মানুহৰ প্ৰতিমূৰ্ত্তি নিজেই গঢ়িব পাৰে বা ভাঙিব পাৰে। আমি বাক্যৰে কোনো এজনৰ খ্যাতি ধ্বংস কৰিব পাৰো, সেয়ে আন মানুহক কি কয় তাৰ প্ৰতি সাৱধান হওঁক। এজন মানুহৰ মনোভাৱ আনৰ প্ৰতি বিষাক্ত নকৰিব।

কল্পনা কৰক আপুনি বাক্যবোৰ সংগ্ৰাহলায়ত থৈ দিছে, আৰু প্ৰতি ৰাতিপুৱা তালৈ গৈ চেল্‌ফটো পৰীক্ষা কৰক, সেই দিনা বাহিৰলৈ ওলাই যাওঁতে কি বাক্যলৈ যাব বাচি লওঁক। আপোনাৰ লগত থকা কিছুমান মানুহক হয়তো আপুনি ইতিমধ্যে জানে সেয়ে তেওঁলোকে ভাল পোৱা আৰু ভৰসা দিবলৈ কিছুমান বাক্য আগতেই বাচি লওঁক। গোটেই দিনটোত যি সকল ব্যক্তিক আপুনি লগ পাব তেওঁলোকৰ কাৰণে বাক্য বাচি লওঁক, আৰু আপুনি প্ৰস্তুত হওঁক প্ৰত্যেকৰ প্ৰতি আপোনাৰ হৃদয় আশীৰ্ব্বাদযুক্ত হ'বলৈ আপুনি কোৱা কথাৰে তেওঁলোকক ভাল পাবলৈ।

প্ৰতি দিনে কথাৰ দ্বাৰাই মই কিমান মানুহক উৎসাহিত কৰিব পাৰিছো মই জানিব বিচাৰো। কিছুমান অৰ্থ নোহোৱা সাধাৰণ কথা কৈ মই জীৱনত অনেক বাক্যৰ অপব্যৱহাৰ কৰিছো সেইবোৰে একো কাৰ্য্য নকৰে বা মানুহে বেয়া অনুভৱ কৰে। বাক্যৰ অপব্যৱহাৰ কৰাৰ কাৰণে মই দুখিত, আৰু অতীতত যিবোৰ ভুল কৰিলো সেইবোৰ নকৰিবৰ কাৰণে মই এতিয়া মোৰ বাক্য ব্যৱহাৰ কৰো।

জিভা এটি সৰু অঙ্গ, কিন্তু যদি আমি সাৱধান নহওঁ ই ধ্বংসৰ জুই জ্বলোৱা আৰম্ভ কৰিব পাৰে। ৰজা দায়ুদে সদায় জিভাৰ বাক্যৰ বাবে প্ৰাৰ্থনা কৰিছিল। তেওঁ কৈছিল "মোৰ জিবাৰে মই যেন পাপ নকৰোঁ। এই নিমিত্তে মোৰ পথত মই সাৱধানে চলিম।" (গীত ৩৯:১) তেওঁ প্ৰাৰ্থনা কৰিছিল তেওঁৰ মুখৰ বাক্য আৰু মনৰ চিন্তা ঈশ্বৰৰ ওচৰত গ্ৰাহ্য হোৱা আৰু ঈশ্বৰক সন্তুষ্ট কৰিবলৈ। (গীত ১৯:১৪) তেওঁ জিভাৰ শক্তিৰ কথা স্পষ্টভাবে বুজিছিলে আৰু ভাল পথত চলিবলৈ হ'লে ঈশ্বৰৰ সহায়ৰ প্ৰয়োজন বুলি অনুভৱ কৰিছিল। এই ক্ষেত্ৰত আমি দায়ুদৰ উদাহৰণ অনুসৰণ কৰিব পাৰো।

**সম্পত্তিৰ শক্তি**, আমাৰ সকলোৰে সম্পত্তি আছে। কিছুমানৰ আনতকৈ বেছি, কিন্তু আমাৰ সকলোৰে কিবা নহয় কিবা আছে যাক আমি আনৰ বাবে অনুভৱ কৰিব পৰা আৰু আশিৰ্বাদ হিচাপে ব্যৱহাৰ কৰিব পাৰো। চিন্তা আৰু বাক্য দুয়োৰে অতি সুন্দৰ আৰু আমাক প্ৰেম প্ৰকাশ কৰাত সহায় কৰে, কিন্তু সম্পত্তি আৰু জাগতিক সম্পত্তিয়েও সেই একেই কাম কৰে আৰু কিছুমানৰ কাৰণে সেইয়া খুব গুৰুত্বপূৰ্ণ।

বাইবেলে কৈছে যদি আমাৰ দুটা ক'ট আছে যাৰ নাই তেওঁৰ লগত ভগাই ল'ব লাগে। (লুক ৩:১১) পাচনি কৰ্ম কিতাপত পোৱা আদি খ্ৰীষ্টিয়ানসকলৰ গীৰ্জা আচৰিত ধৰণে শক্তিশালী আছিলে, সেয়ে প্ৰতিদিনে বৃদ্ধি পাইছিল। তেওঁলোকৰ মাজত সকলোধৰণৰ অলৌকিক চিত্ৰ আৰু বিশ্বাসজনক কথা আৰু আশ্চৰ্যজনক ঘটনা সাধাৰণ আছিল। ঈশ্বৰৰ শক্তি তেওঁলোকৰ লগত আছিল, আৰু তেওঁলোকে সকলো হৃদয়, মন, শক্তি আৰু সম্পত্তিৰে পৰস্পৰে প্ৰেম কৰিছিল।

"বিশ্বাস কৰা লোকসমূহ, একচিত্ত আৰু এক প্ৰাণ হৈ থাকিল।
তেওঁ বিলাকৰ কোনেও নিজৰ সম্পত্তিকে [সম্পূৰ্ণ ভাৱে] নিজৰ বুলি নকলে,
কিন্তু সকলোকে উমৈহতীয়াকৈ ৰাখিলে।"
*পাচনি কৰ্ম ৪:৩২ পদ*

আমি মালিক নে তদাৰক কৰোতা লোক? আমাৰ যি আছে সকলো ঈশ্বৰৰ পৰা অহা আৰু সঁচাকৈয়ে এই সকলো তেওঁৰ। আমি কেৱল তেওঁৰ সম্পত্তি তদাৰক কৰোতা। আমি বস্তুবোৰ জোৰে খামোচ মাৰি ধৰো। আমি ঢিলাকৈ ধৰিব লাগে, যাতে আমি এৰিদিবলৈ অসুবিধা নহয় যদি ঈশ্বৰে বিচাৰে। সম্পত্তিৰ কোনো অনন্তকলীয়া মূল্য নাই আমি নিজে এই কথা মনত ৰাখিব লাগে। আমি আনৰ কাৰণে যি কাৰো সেইটোহে থাকি যায়। পৌলে কৰিন্থীয়ান সকলক কৈছিল তেওঁলোকে দুখীয়াৰ প্ৰতি দান দিয়া অনন্তকলীয়া জীয়নৰ বাবে সদায় স্থায়ী হয়। (কৰি ৯:৯)

আমাৰ সম্পত্তি উপভোগ কৰাটো ঈশ্বৰে বিচাৰে, কিন্তু আমাৰ সম্পত্তি আমাৰ মাজতেই থকাটো তেওঁ নিবিচাৰে। নিজকে সদায় অধিকাৰ কৰিছোনে বা মোৰ সম্পত্তিয়ে মোক অধিকাৰ কৰিছে?" মানুহক আশীৰ্বাদ কৰিবলৈ আপোনাৰ যি আছে ব্যৱহাৰ কৰিবনে; বা বস্তুবোৰ যাবলৈ দিয়ায়ো আপোনাৰ কাৰণে অসুবিধাজনক নেকি... আনকি যিবোৰ বস্তু আপুনি ব্যৱহাৰ কৰা নাই?

প্ৰায় সঘনে মই উপহাৰ স্বৰূপে চেন্ট (Perfume) পাওঁ আৰু অলপতে মোৰ জন্মদিন থকাত চেন্টৰ বটলেৰে মোৰ চেল্‌ফ ভৰি গৈছিল। এদিন এগৰাকী বন্দুক আশীৰ্বাদ কৰিবলৈ মোৰ ইচ্ছা হ'ল যি গৰাকীয়ে মোক অনুগ্ৰহ কৰিছিলে আৰু মোৰ মনত আছিলে যে মই যিটো বিশেষ চেণ্ট ব্যৱহাৰ কৰো তাই সেইটো সঁচাই ভাল পায়। অৱশ্যে নতুন গাত ঘহা ক্ৰিম আছিল আৰু এইটো খুব দামী। মই নিজৰ মাজতে অলপ সময় কথা পাতিলো, কিন্তু অলপ সময়ৰ পাচতে চেল্‌ফৰ পৰা উলিয়াই উপহাৰ দিয়া বস্তুত ভৰাই তেওঁৰ হাতত দিলো। তাই খুব আনন্দিত হ'ল আৰু ইয়াৰ কাৰণে মই কেৱল অধিকাৰ সলাব লগা হ'ল।

মই মিনতি কৰো আপোনাৰ সম্পতি মানুহক ভাল পাবলৈ স্পষ্ট ভাবে ব্যৱহাৰ কৰক। মৰম প্ৰকাশ কৰিবলৈ উপহাৰ দিয়াটো অতি আচৰিত উপায়। উদাহৰণ স্বৰূপে মোৰ বন্ধু এজনীয়ে এবাৰ মোক ক'লে জন্মদিনৰ উপহাৰ দিয়া হ'ব কাৰণ সেইটো বনোৱা শেষ হোৱা নাই। শেষত উপহাৰটো পাই মই আচৰিত হ'লো কাৰণ মোৰ কুকুৰটোৰ হাতে কৰা ছবি যিটো মই সদায় চাব পাৰো আৰু বহু বছৰ উপভোগ কৰিব পাৰো। মই সেই ছবি খনেৰে আশীৰ্বাদ পালো মোৰ কাৰণে তাই এইখন শেষ কৰিবলৈ কৰা চেষ্টৰ কাৰণে।

সকলো দিয়াই ভাল, কিন্তু যেতিয়ালৈকে আপুনি পাৰে আপুনি বিশেষ ভাবে চেষ্টা কৰক কোনো এজনৰ হাতত কিবা দিবলৈ যিটোৰ তেওঁৰ সঁচাই প্ৰয়োজন। আপুনি জ্ঞাত হ'বৰ বাবে বহুবাৰ শুনিছে যে তেওঁলোকে ভাল পোৱা আৰু বিচাৰা সেই বিশেষ বস্তুটোৰ দ্বাৰাই বহু পৰিমাণে আশীৰ্বাদ লাভ কৰে। মোৰ বন্ধুৰ খুব বেলেগে ধৰণৰ এটা কুকুৰ আছিল যিটো সৰুতেই মৰি

থাকিল। তাই দুখত ভাগি পৰিল আৰু তাৰ সলনি বেলেগ এটা লবৰ তাইৰ ক্ষমতা নাই। সেয়ে তাইক আচৰিত কৰি মই এটা দিব পাৰিলো। আমি যদি তেওঁক খোজো, ঈশ্বৰে মানুহক প্ৰেম দেখুৱাবৰ কাৰণে আমি যি খোজো দিব পাৰে। তেওঁ সদায় আমাক আনন্দ কৰিবলৈ আৰু আনক দিবলৈ তেওঁ বহুতো দিয়ে, যদি আমি ঢিলাকৈ বস্তুটো ধৰো আৰু দিবৰ বাবে সুবিধা চাই থাকো।

কেতিয়াবা মই দিয়েই থাকো যাক মই ধ্বংসলীলাৰ দিয়া বুলি কওঁ। আশীৰ্ব্বাদ লাভ কৰিবৰ মোৰ ইচ্ছা হয় আৰু সেয়ে স্পষ্ট ভাবে প্ৰেম প্ৰকাশ কৰিবলৈ মই মোৰ সম্পত্তি ব্যৱহাৰ কৰো, সেয়ে মই ঘৰ, দোৱাাৰ, আলমিৰা আৰু অলঙ্কাৰৰ বক্সত বস্তু বিচাৰো দিবৰ কাৰণে। কিন্তু বস্তু বিচৰাত কেতিয়াও ব্যৰ্থ নহও। মোৰ আচৰিত লাগে যিবোৰ বস্তু দুই তিনি বছৰ মই ব্যৱহাৰ কৰা নাই সেইবোৰ ধৰি ৰাখিবলৈ প্ৰলেভিত হোৱাত। আমি নিজৰ বস্তু ভাল পাওহু কিন্তু আনৰ আশীৰ্বাদ হ'বৰ বাবে আমাৰ সম্পত্তি ব্যৱহাৰ কৰাতো কিমান ভাল আৰু তেওঁলোকক প্ৰেম আৰু মূল্যবান অনুভৱ কৰিব দিয়া।

কিন্তু কেতিয়াবা দিব লগা বস্তুটোৰ কাৰণে অসুবিধা হয়। তেতিয়া ঈশ্বৰৰ পৰা সহায় বিচাৰক আৰু আপুনি অতি সোনকালে দেখিব যে দুখত থকা মানুহক প্ৰেম বিলাবলৈ আপোনাৰ ওচৰত বহুতো সম্পত্তি আছে। ভাল উদ্দেশ্যেত আমাৰ যি আছে ব্যৱহাৰ কৰিলে প্ৰেম সদায় বাঢ়ে, আৰু ঈশ্বৰৰ সম্পত্তিৰ ভাল তদাৰক হিচাপে দেখুৱাও বহুতো বস্তু লাভ কৰো।

(মনত ৰাখিব) এইয়া ঃ যি জনে অলপকৈ বয় তেওঁ অলপকৈ দাব আৰু যিজনে অধিককৈ বয়, তেওঁ অধিককৈ দাব। [সেই আশীৰ্ব্বাদ কাৰবাৰ কাৰণে হ'ব পাৰে] আশীৰ্ব্বাদেৰে সৈতে মুক্তহস্তে দাবও লাগে।

প্ৰতিজনে মনোদুখ বা আৱশ্যকতাৰে নিদি নিজৰ হৃদয়ত যেনেকৈ ঠাৱৰ কৰিলে তেনেকৈ দিয়ক; কিয়নো হৰ্ষিত মনেৰে দিয়া জনক ঈশ্বৰে প্ৰেম কৰে তোমালোক সকলো সৎকৰ্মত উপচি পৰিব পাৰে, তাৰ নিমিত্তে ঈশ্বৰে তোমালোকক সকলো অনুগ্ৰহত উপচাব পাৰে।
*২য় কৰিন্থীয়া ৯:৬ - ৯*

যেতিয়া আপুনি মৃত্যু শয্যাত থাকে, আপোনাৰ বেংকত কিমান টকা আছে বা সম্পত্তিৰ তালিকাৰ বিষয়ে সেই সময়ত নুশুধিব। আপোনাক ভালপোৱা পৰিয়াল আৰু বন্ধু আপোনাৰ চাৰিওফালে থকাটো বিচাৰক। আপোনাৰ সকলো সম্পদেৰে মানুহক প্ৰেম দান কৰি সেই সম্বন্ধ গঢ়িবলৈ আৰম্ভ কৰক।

# প্ৰেমৰ বিপ্লৱ

*পালক টমী বাৰণ্টে।*

**বিপ্লৱ ঃ ১ :** স্বৰ্গীয় শৰীৰৰ কক্ষপথত ঘূৰি থকা কাৰ্য। **২ :** পুনঃ পুনঃ সংঘটিত হোৱা কাৰ্য। **৩ :** চক্ৰত ঘূৰি থকা। **৪ :** হঠাতে মৌলিক বা সম্পূৰ্ণ সলনি, উদাহৰণ স্বৰূপে চৰকাৰে এটা সাসন অতৰাই তাৰ ঠাইত আন শাসন স্থান কৰা।

সকলো অভিধানে বিপ্লৱে আমাক ব্যক্তিগত ৰূপে প্ৰেমৰ বিপ্লৱত অংশ গ্ৰহণ কৰিবলৈ মতা বুলি ব্যখ্যা কৰিছে যিটো সমগ্ৰ পৃথিৱীতে ঈশ্বৰে সম্প্ৰসাৰিত কৰিছে।

দৰালতে বিপ্লৱত জৰিত্ব থকা জনক বিপ্লৱী বুলি অধিধানত ব্যখ্যা কৰিছে, বা সংলগ্ন থকা বা বিপ্লৱী তত্বৰ হৈ ওকালতী কৰা প্ৰেমৰ বিপ্লৱ সঁচাকৈয়ে বিপ্লৱী তত্ব, কাৰণ পৃথিৱৰ দৃষ্টিত প্ৰেম এনেকোৱা এটা বস্তু যাক পাব লাগিব আৰু থাকে যেতিয়া যীশুখ্ৰীষ্টই আমাৰ চিন্তা আৰু কাৰ্যৰ আমুল পৰিৱৰ্তন আনিবলৈ চেষ্টা কৰে। তেওঁ প্ৰেমক কিবা এটা বস্তু বুলি ব্যখ্যা কৰিছে যে ই আমাৰ মাজেৰে প্ৰবাসিত হয় সেয়ে আমি দিবই লাগিব।

সেয়ে অদ্বিতীয় প্ৰেমৰ চক্ৰৰ সৈতে অংশগ্ৰহণ কৰিবলৈ আপোনাক আহ্বান কৰিছেু ইয়াৰ লক্ষ্য হ'ল এটা বিন্দুত থাকি চক্ৰটো সদায় বঢ়াই থকা আৰু পৰিধি ঘেৰাও কৰা আমি পৃথিৱীক ঈশ্বৰৰ পৰিয়াল হ'বলৈ আহ্বান কৰিব বিচাৰো। প্ৰেম আৰু উদপনিৰে মানুহক যীচুখ্ৰীষ্টক অনুসৰণ কৰিবলৈ কৈ।

আমাৰ মৌলিক প্ৰেমৰ চক্ৰ আৰু উদ্‌গনিত অন্তৰ্ভুক্ত হৈ আছে ঘৰহীন, প্ৰাকৃতিক আৰু মানুহৰ দ্বাৰাই হোৱা বিপৰ্যায়, বেয়া ব্যৱহাৰ আৰু নিন্দাজনক সম্বন্ধৰ বলি, গৰ্ভপাত কৰা মহিলা, সম্বন্ধৰ দ্বাৰাই আঘাট গণনা কৰিব নোৱাৰি। এনেবোৰ মানুহক নিকৃষ্ট বুলি অতীতৰ গীৰ্জ্জাৰ লোক সকলে প্ৰায়ে বিবেচনা কৰিছিল, কিন্তু আমি তেওঁলোকক ঈশ্বৰৰ ৰাজ্যৰ ভৰিষ্যতৰ সম্পত্তি বুলি গণ্য কৰো।

প্ৰেমৰ বিপ্লৱ সাধাৰণ কথা হয় ঃ আমাৰ প্ৰত্যেকৰ দ্বাৰাই এইটো আৰম্ভ হয় আৰু আমাৰ চাৰিওফালে যি সকল আঘাটপ্ৰাপ্ত তেওঁলোকক অন্তৰ্ভুত কৰাৰ দ্বাৰাই আমাৰ প্ৰেমৰ চক্ৰৰ প্ৰমাৰিত হয়। বহু বছৰ গীৰ্জ্জাবোৰে নতুন মানুহ আনিবলৈ কাৰ্যসূচীত জোৰ দিয়ে। বহুতো কাৰ্যসূচী আহিল আৰু গ'ল, বৃদ্ধি কৰা কাৰ্যত কৃতকাৰ্য নহল। তাৰ বিপৰীতে গীজ্জাৰ পৰিৱেশৰ প্ৰভাৱে প্ৰায়ে চক্ৰৰ পৰিধি কম কৰি দিয়ে। যীচুৱে কৈছিল পৰস্পৰে আমি প্ৰেম কৰিবই লাগিব, এই প্ৰত্যাহ্বান মানুহৰ ওপৰত কাৰ্যসূচীৰ দ্বাৰাই জোৰ দিয়াত সিদ্ধ নহয়।

## *বিপ্লৱৰ প্ৰত্যাহ্বান*

কাল চক্ৰ, চক্ৰ বা আন মানুহৰ কাৰণে যীচুৰ দৰে জীয়াই থকা বিপ্লৱক পাচনি পৌলে আমাৰ আগত প্ৰত্যাহ্বান দিছে, “এতেকে প্ৰিয় সন্তানসকলৰ নিচিনাকৈ তোমালোক ঈশ্বৰৰ অনুকাৰী হোৱা আৰু খ্ৰীষ্টে যেনেকৈ তোমালোকক প্ৰেম কৰি সুগন্ধৰ সু-ঘ্ৰাণৰ অৰ্থে ঈশ্বৰৰ উদ্দেশ্যে নৈবেদ্য আৰু বলি স্বৰূপে আমাৰ কাৰণে নিজকে শোধাই দিলে, তেনেকৈ তোমালোকেও প্ৰেম আচৰণ কৰা।” (ইফি ৫:১ - ২)

এইয়া প্ৰেমৰ বিপ্লৱৰ আহ্বান ঃ প্ৰেমত চলা, প্ৰেম কৰিম বুলি মাত্ৰ চিন্তা কৰি নহয়। বহুতো মানুহে জানে প্ৰেম কৰাতো শুদ্ধ, কিন্তু কেনেকৈ আপুনি প্ৰেমৰ চক্ৰটো বঢ়াব? প্ৰতিদিনে প্ৰেমত চলি।

আমাৰ সকলোৰে প্ৰভাৱশালী এটা গোট আছে, আৰু আমি সকলোৱেই সেই গোটৰ। আমি বেছি ভাগেই বন্ধুৰ মাজত আনন্দ লাভ কৰো। আপোনাৰ বন্ধুৰ চক্ৰটো কিমান ডাঙৰ? এইটো কিমান অন্তৰ্ভুক্ত বা একচেটিয়া? মই বহুতো ভাল চিন্তা কৰা মানুহ লগ পাইছো। যি সকলৰ অজ্ঞাতেই চক্ৰৰ পৰিধি অতি ক্ষুদ্ৰ হয়। আমি যদি ‘যীশুৰ মনোভাৱত থাকো আৰু ঈশ্বৰৰ মন যদি আমাৰ মাজত থাকে, তেতিয়া প্ৰত্যেকটো চক্ৰই কাকো বাদ দিব নালাগে আৰু সকলোকে অন্তৰ্ভুক্ত কৰিব লাগে।

মোৰ কাৰণে গুৰুত্বপূৰ্ণ হ’ল মোৰ নিজৰ চক্ৰ বাখ্যা কৰিবলৈ হ’লে মোৰ চক্ৰলৈ পাপীসকলক আনিবলৈ মই প্ৰত্যাহ্বান জনাও। পাপীৰ লগত পাপ্ ঘীন কৰাটো মিলাবলৈ মই সহজ পাও যিহেতু মই পাপীক ঘীন কৰো কাৰণ মই পাপক অত্যন্ত ঘীন কৰো। মই গম পালে যে ঈশ্বৰে মোক পাপক ঘীন কৰিবলৈ দিছে। কিন্তু পাপীক প্ৰেম কৰিবলৈ। কেতিয়াবা পাপৰ প্ৰতি আমাৰ ব্যৱহাৰ এনে হয়, সৰু ল’ৰা-ছোৱালীক আগুৰি থকা বিষাক্ত সাপৰ লগত অপ্ৰত্যাশিতভাবে মুখামুখি হোৱা দৰে। সাপটো মেৰ খাই আৰু খুটিবলৈ সাজু থকাৰ দৰে। আমি সাপ ঘীন কৰো, কিন্তু সন্তানটো ভালপাও আৰু মৃত্যুৰ সম্ভাৱনাৰ পৰা তাক ৰক্ষা কৰিব খোজো।

পাপৰ পৰিণামৰ বিষয়ে আমি মানুহক সাৰধান কৰিবলৈ বাধ্য, কিন্তু আমাৰ প্ৰেমৰ চক্ৰত পাপীকো অন্তৰ্ভুক্ত কৰিবলৈ ঈশ্বৰৰ কৰুণাৰ দ্বাৰাই আমি চালিত হ’ব লাগিব। তাৰ ওপৰিও বহুতো পাপীয়ে জীৱনত ভুলপথ বাচি লোৱাৰ বেয়া প্ৰভাৱৰ প্ৰতি অৱগত হয়। আৰু কোনোৱাই আহি তেওঁলোকক অৱজ্ঞা কৰাতো নিবিচাৰে। ঈশ্বৰক বাদ দি, গীৰ্জ্জাই বহুতকে আহ্বান নজনাই বুলি বিশ্বাস কৰি মানসিক যন্ত্ৰণাত ভোগে, তেওঁলোকৰ জীয়াই থকাৰ লাহ-বিলাহ, নিচা সেৱন, অবিশ্বাসী বা অমৰ্জিত ভুলৰ কাৰণে।

শাসনত থকা সকলে প্ৰায়ে আমাক সোধে কিয় Phoenix আৰু সপোন নগৰী Los Angeles ত গীৰ্জ্জা আছে যি সকলে ইচ্ছাকৃতভাবে নাগৰিকত্ব কাঢ়ি লয় নিৰ্দ্দয় আৰু অবাঞ্ছনীয় ভাৱে। তেওঁলোকৰ সিদ্ধান্ত দুৰ্বল। ঈশ্বৰৰ প্ৰেমৰ মাজত ধৰি ৰখাৰ তেওঁলোকৰ পৰিকল্পনাক মই কেতিয়াও সন্দেহ নকৰো।

আমি প্ৰকাশ হোৱাৰ দৰেই যদি হওঁ, আমি কাকো বাদ নিদিম যীশুখ্ৰীষ্টৰ সঁচা অভিজ্ঞতাৰে। সেয়াই বেলেগ বেলেগ তত্ব, খ্ৰীষ্টীয়ানৰ মাজৰ বেলেগ বিভাগ, অভিজ্ঞতাক সামৰি লয়। আমি উৎসাহিত হ'ব লাগে সকলো আশাৰ বাবে, সেই খিনিতেই ঈশ্বৰৰ স্বত্বহীন প্ৰেমৰ কাৰণে মানুহ আগুৱাই যায়, আৰু আমি নিজে তেওঁলোকৰ কাৰণে সাক্ষী হওঁ।

যি সকলে মোক বাদ দিয়ে বা অন্তৰ্ভুক্ত কৰে তেওঁলোকৰ বাবে মই দায়বদ্ধ নহও। মই যি সকলক অন্তৰ্ভুক্ত কৰিছো আৰু নিজৰ বাবে দায়বদ্ধ যেতিয়া যীচুক ক্ৰুচত দিছিল সেই সময়ত দিয়া তেওঁৰ মন্তব্য সমগ্ৰ বিশ্বৰ বাবে আছিল, তেওঁ কৈছিল — "পিতৃ তেওঁলোকক ক্ষমা কৰা তেওঁলোকে কি কৰিছে তাক নাজানে।" (লুক ২৩:৩৪) যি সকলে তেওঁক ক্ৰুচত দিছিল তেওঁলোকেই তেওঁৰ চক্ৰত অন্তৰ্ভুক্ত। আনকি তেওঁক সমালোচনা কৰা যিসকলে তেওঁক বিদ্ৰুপ কৰিছিল তেওঁৰ গাত থু পেলাইছিল, তেওঁ যেতিয়া পানী খুজিছিল নিষ্ঠুৰ ভাবে ভিনেগাৰ দিছিল এই সকলো তেওঁৰ প্ৰেমৰ চক্ৰত অন্তৰ্ভুক্ত আছিল।

যি সকলে আমাক বেয়া ব্যৱহাৰ কৰে তেওঁলোককো আমি আমাৰ লগত অন্তৰ্ভুক্ত কৰিব লাগে। আমাৰ লগত থকা সকলৰ লগত আমি কেতিয়াও কাজিয়া কৰিব নালাগে। তাত কোনে যুদ্ধ নাই। যেতিয়ালৈকে মোৰ প্ৰেমৰ চক্ৰত সকলোকে অন্তৰ্ভুক্ত কৰো মই সম্পূৰ্ণ সুৰক্ষিত। তেতিয়া মই আঘাটিত নহওঁ।

আপুনি বহুত বন্ধু কৰিব নোৱাৰে, কিন্তু আপোনাৰ যদি শত্ৰু থাকে, আপুনি যলৈকে যায় তেওঁলোকৰ সন্মুখিন হ'ব। যি ঘীণ কৰে, আপুনি তাৰ বান্ধোনত সকলোকে গ্ৰহণ কৰাৰ দ্বাৰাই ঈশ্বৰৰ প্ৰেম কি সেই বিষয়ত দক্ষলোক হ'বলৈ আৰম্ভ কৰক। যি সকল আপোনাৰ প্ৰেমৰ বাহিৰত আপোনাক আঘাট কৰিব পাৰে, কিন্তু যি সকল আপোনাৰ প্ৰেমৰ সীমাৰ ভিতৰত তেওঁলোকে আঘাট নকৰে।

আইনগত ধৰ্মৰ মানদণ্ডত চলা কিছুমানে নিজকে উচ্চ বুলি ভাবে কিন্তু ঠেক আৰু আচুতীয়া প্ৰেমৰ বিপ্লৱৰ মানদণ্ড গোটেই বিশ্ববিয়াপী। প্ৰেমে সুস্থ কৰেহ্লু প্ৰেমে পুনৰুদ্ধাৰ কৰেহ্লু প্ৰেমে আলোকিত কৰেহ্লু প্ৰেমে ওপৰ উঠাইহ্লু মোৰ প্ৰেমৰ সীমা যিমানেই বাঢ়ে মই সিমানেই বেছি ঈশ্বৰৰ প্ৰেম আনৰ আগত প্ৰকাশ কৰিব পাৰো আৰু মই সিমানেই সুখী হও।

## *কাৰ্য্যত প্ৰেমৰ বিপ্লৱ*

ল'চ এঞ্জল ড্ৰিম চেণ্টাৰ (Los Angeles Dream Center) ত যেতিয়া আমি প্ৰথম কাৰ্য্য আৰম্ভ কৰো আমি ইচ্ছাকৃত ভাবে প্ৰেমৰ অভাৱ থকা ঠাইবোৰলৈ যাও যেনে চৰকাৰ, গীৰ্জ্জা আৰু আনকি আশাহীনভাবে ভৰি থকা পুলিচৰ কাম কৰা সকলৰ ওচৰলৈ। কাৰণ আমি অপৰাধীসকল, বাটত থকা, ঘৰহীন, বেশ্যা, যঘন্য দোষী, আৰু অগ্ৰাহ্য কৰা যুৱক সকলক আমাৰ লগত অন্তৰ্ভুক্ত কৰো প্ৰেমৰ সীমা বঢ়াবলৈ, আমাৰ প্ৰেমৰ সীমা ইমানেই বাঢ়িলে যে এটা সময়ত গোটেই পৃথিৱীতে

ড্ৰিম চেণ্টাৰে অৱহেলা কৰা আৰু মৰম নোপোৱা সকলৰ মাজত কাৰ্য্যৰ দ্বাৰাই যীচুৰ প্ৰেম প্ৰকাশ কৰে।

ল'চ এঞ্জেল ড্ৰিম চেণ্টাৰে প্ৰত্যেক সপ্তম স্বেসা সেৱকক ওচৰচুবুৰীয়াৰ তালৈ গৈ পৰিচাৰ্যা কৰিবলৈ দিয়ে। এই পৰিচাৰ্যাক Adopt a Block বুলি কয়। তেওঁলোকে ওচৰ চুবুৰীয়াৰ ঘাহনী, প্ৰাচীন শিলালিপি ৰং কৰে আৰু বেলেগ বেলেগ ধৰণে তেওঁলোকৰ সেৱা কৰে। এইয়া মাত্ৰ মানুহক সেবা কৰা কাৰ্য তেওঁলোকে আজি যীচুৰ প্ৰেম প্ৰকাশ কৰিব নাজানে।

ল'চ এঞ্জেল চহৰৰ চাৰিওফালে যেতিয়া পাপ কৰ্ম, আৰু সামাজিক স্খলন হয় সেই সময়ত ড্ৰিম চেণ্টাৰৰ ওচৰত থকা ওচৰ চুবুৰীয়া সকলৰ মাজত ৭০ দশমিক অপৰাধ কমি যায় আৰু তেতিয়া বহুতো মানুহ খ্ৰীষ্টক বিশ্বাস কৰে। উচ্চ-নিচ্চৰ ভেদা-ভেদ, দুৰ্নীতিৰ বাবে ওচৰ চুবুৰীয়াৰ হাঁহাকাৰ অপৰাধ আৰু পাপ এই সকলে খ্ৰীষ্টৰ প্ৰেমত নচলাৰ বাবে হয়। সেইয়াই প্ৰেমৰ বিপ্লৱহ্ল

## *ক্ষমাদান আৰু দিয়া*

আপুনি ক্ষমা পাইছেনে? তেতিয়া আনকো ক্ষমা কৰক। প্ৰেমে ক্ষমা কৰে, আৰু প্ৰেম দিয়াৰ বাবে।

প্ৰেম দিয়াটো এটা অসুবিধাজনক কাম। বহুতো ক্ষেত্ৰত টকা দিয়াত কৈ অসুবিধাজনক। কাৰণ প্ৰেম খোলা মনৰ পৰা আহে। ইয়াৰ কোনো উপাই নাই ই মাত্ৰ শান্ত মনেৰে কৰা ব্যৱহায়ৰ লেনদেন।

কিন্তু প্ৰেমনো কি আমি বহুতে ভুল বুজো। আমি ভাবো এইটো গ্ৰহণ কৰিব পৰা, উপহাৰৰ দৰে পাব পৰা বা সম্পূৰ্ণ নিজৰ বস্তু। কিন্তু প্ৰকৃততে প্ৰেম তেনে নহয়।

প্ৰেম এনে ধৰণৰ আমি কেৱল দিব পাৰো, এনে কিবা নহয় যিটো আপোনাৰ। আমাৰ কাৰো প্ৰেম নাথাকে আমি প্ৰেম ব্যৱহাৰ কৰো। বাইবেলৰ মতে প্ৰেম সক্ৰিয় শব্দ তাৰমোনে যদি কোনোবাই প্ৰেম কৰাতহে প্ৰেম কৰে সেইটো প্ৰেম নহয়।

যি সদায় প্ৰেম বিচাৰে তেনে ব্যক্তিক আপুনি কেতিয়াবা লগ পাইচেনে? কিন্তু কেতিয়াও যথেষ্ট পোৱা নাই? তেওঁলোকে প্ৰেমত যিমানেই ধ্যয়ান দিয়ে তেওঁলোকে পাব লাগে বুলি অনুভৱ কৰে। তেওঁলোকে নথকাৰ প্ৰতি ইমান ধ্যায়ান দিয়ে যে তেওঁলোকে যিমানেই পাই যথেষ্ট নহয়।

যেতিয়া দুখত থকা মানুহক সহায় কৰে, সকলো সময়তে এইদৰে কোৱা মানুহ আমি লগ পাওঁ। যিসকলে কোনোবাই তেওঁলোকক প্ৰেম কৰাটো বিচাৰে। কিন্তু তাৰ বিপৰীতটো সঁচা বুলি মই ভাবো, যি দৰে আমি আনক প্ৰেম দিব লাগে সেইদৰে আমি প্ৰেম বিচাৰিব নালাগে।

চৰ্তহীনভাবে যেতিয়া আমি প্ৰেম কৰো, আমি পুৰুষ বা মহিলাৰ কেতিয়াও বন্দী নহও। কিন্তু যেতিয়া কোনোবাই আমাক ভালপোৱাটো দাবী কৰো, আমি তেওঁলোকৰ দাস হওঁ আৰু আমাৰ প্ৰতি থকা তেওঁলোকৰ প্ৰেমৰ অভাৱে সহজতে আমাক বন্দী কৰে।

## *গ্ৰহণ কৰাতকৈ দিয়াটো বেছি গুৰুত্বপূৰ্ণ*

মই বিশ্বাস কৰো গ্ৰহণ কৰাতকৈ মানুহৰ প্ৰতি প্ৰেম প্ৰকাশ কৰাটো বেছি গুৰুত্বপূৰ্ণ। আমি যেতিয়া প্ৰেম প্ৰকাশ কৰো, তেতিয়া স্বৰ্গীয় প্ৰেমৰ নলা আমাৰ ফালে ঘুৰাই দিয়ে। যাৰ পৰা ঈশ্বৰৰ প্ৰেম অবিৰাম আমালৈ বৈ থাকে; আমি যিমানেই প্ৰেম দিও সিমানে আমি পাওঁ আৰু আনৰ বাবে বৈ যাবলৈ টেপ খুলি থবলৈ সহজ হয়।

আপুনি কিমান দিছে সেইটোয়ে স্পষ্টভাবে প্ৰভাৱ পেলাই আপুনি কিমান পাইছে। এইটে এটা সাঁথৰ কিন্তু সত্য ঃ প্ৰেম ধৰি ৰখাৰ এটাই উপায় হ'ল আনক দিয়া।

> প্ৰেম ধৰি ৰখাৰ এটাই উপায় হ'ল আনক দিয়া

আপুনি যদি অবিৰামভাবে, প্ৰেম দিয়েই থাকে, আপুনি কি দিব তাতেই কেন্দ্ৰিভুত হ'ব আৰু সেইয়া বৃদ্ধি পাব। যদিও আপুনি কাৰো প্ৰেম ঘুৰাই নাপায়। যীচুৰ যোগেদি শেষ নোহোৱা প্ৰেম আপুনি পায়ে থাকিব আৰু আপোনাৰ জীৱন প্ৰেমেৰে পৰিপূৰ্ণ হ'ব।

মই যেতিয়া ডেকা আছিলো, এতিয়াতকৈ মই মানুহক কম ভাল পাইছিলো। কিন্তু যেতিয়া মই প্ৰেম দিবলৈ চেষ্টা কৰো তেতিয়া মোৰ নিজৰ যোগান বাঢ়ি যোৱা পাওঁ। যেতিয়ালৈকে মোত থকা প্ৰেম মই ব্যৱহাৰ কৰো ঈশ্বৰে গভীৰ প্ৰেমৰ অধিকাৰ দিয়ে।

যুৱক হিচাপে মই সৰু ল'ৰা-ছোৱালী ভাল নাপাইছিলো। মই কেৱেল তেওঁলোকৰ প্ৰশংসা কৰিছিলো। কিন্তু এদিন মই তেওঁলোকক ভাল পাব ধৰিছিলো। আজি সৰু ল'ৰা-ছোৱালীৰ কাৰণে মোৰ হৃদয় প্ৰেমেৰে পৰিপূৰ্ণ। এতিয়া মই ক'ব পাৰো মই সঁচাকৈয়ে ল'ৰা-ছোৱালী ভাল পাও আৰু আনন্দ কৰো আৰু তেওঁলোকক আশীৰ্বাদ কৰিবলৈ প্ৰেম কৰো।

এতিয়া মই অদ্ভুত ধৰণে জীৱনটো উপভোগ কৰো, কিন্তু যেতিয়া মই যুৱ প্ৰচাৰক আছিলো এতিয়াৰ দৰে আনন্দ উপভোগ নকৰিছিলো। বিশ বছৰৰ আগে যিমান তাতকৈ এইতয়া বিশ গুণ আনন্দ বেছি পাইছো। মই মৰমীয়াল আৰু আনন্দিত হ'বলৈ মনতে ঠিক কৰিলো আৰু মই আনন্দক বাচি ল'লো। প্ৰেম দিবলৈ সিদ্ধান্ত লোৱাৰ পৰা মোলৈ আনন্দ বেছি অহা মই অনুভৱ কৰো।

খ্ৰীষ্ট্ৰিত বিশ্বাস কৰা সকলৰ্লৈ অহা প্ৰেমৰ বিপ্লৱৰ এক অংশ হ'ব মানুহক সহায় কৰা। সেয়ে প্ৰেমক অনুসৰণ কৰাটো ভুল পথ। আমি প্ৰেমেৰে মানুহক সহায় কৰিবই লাগিব, আমাৰ উদাহৰণৰ দ্বাৰাই তেওঁলোকে প্ৰেম যে আছে অনুভব কৰিব লাগে। আপুনি মৰম দিয়ক মৰমক নিবিচাৰিব।

কোনো মানুহৰ পৰা প্ৰকৃত প্ৰেম নাহে, ই ঈশ্বৰৰ পৰা আহে। আনকি মোৰ পত্নী মাৰজাৰ প্ৰতি মোৰ প্ৰেম পবিত্ৰ কাৰণ মই ইয়াৰ উৎসটো বিচাৰি পাইছো। আমি প্ৰেম পোৱাতকৈ দিয়াটো বেছি আশীৰ্ব্বাদযুক্ত বুলি আমি শিকো আৰু যেতিয়া পতি-পত্নীয়ে সক্ৰিয়ভাবে পৰস্পৰে প্ৰেম দিয়ে তেওঁলোকৰ বৈবাহিক জীৱন আনন্দৰ হয়।

যেতিয়া খ্ৰীষ্টৰ শৰীৰে হেৰাই যোৱা আৰু মৃত্যুমুখী পৃথিৱীক সক্ৰিয় ভাবে মৰম দিবলৈ শিকায়, আমি আমাৰ প্ৰেমৰ সীমা বঢ়াব পাৰো আৰু সমাজৰ ভালৰ কাৰণে প্ৰভাৱ পেলাব পাৰো, আৰু আমাৰ সমাজৰ উন্নতি কৰিব পাৰো।

বিপ্লৱৰ বাবে আপুনি সাজু নে? খ্ৰীষ্টৰ প্ৰেমত আগুৱাই যাবলৈ কিছুমান পৰামৰ্শ দিব খুজিছো, প্ৰেমৰ বিপ্লৱৰ বাবে নিজৰ ভাষাত ঃ

***১। প্ৰেমেৰে কথা পাতক, সত্যেৰে কওঁক ঃ***

আনৰ ওপৰত সদায় বাকী দিবলৈ "প্ৰেমৰ জলপ্ৰপাত" হওক। কিছুমান মানুহে কয় মই সেইদেৰ গঢ়া হোৱা নাই। কিন্তু প্ৰত্যেক মানুহে যদি কয় 'মই আপোনাক ভাল পাওঁ' ই পৃথিৱীৰ সম্বন্ধক পুনৰ সঠিকভাবে বৰ্ণনা কৰে। ইয়াৰ বাবে চেষ্টা কৰক। আপুনি যদি মানুহক ভাল পাওঁ বুলি কয় আপুনিও সেইটোয়ে শুনিব। আপুনি যেতিয়া অন্তৰেৰে সৈতে 'মই আপোনাক ভাল পাওঁ' বুলি ক'ব খ্ৰীষ্টৰ প্ৰেমে আপোনাক শক্তিশালী কৰি তুলিব।

***২। লিখিত ভাবে আপোনাৰ প্ৰেম প্ৰকাশ কৰক ঃ***

মই ভাল পোৱা চিঠিবোৰ মই "মই আপোনাক ভাল পাওঁ" ফাইলত থৈ দিও। এইবোৰ মোৰ কাৰণে গুৰুত্বপূৰ্ণ। সাধাৰণ ভাবে লিখা উদ্‌গনি কথা কাৰোবাৰ বাবে গুৰুত্বপূৰ্ণ হ'ব পাৰে। লিখিত ভাবে দিয়া আপোনাৰ প্ৰেম চিৰস্থায়ী আৰু যোগমীয়া হয়। হতাশাত ভাগিপৰা সকলৰ কাৰণে এইটে জীৱন সংৰক্ষণ কৰি ৰখা হয়। ঈশ্বৰৰ প্ৰেমৰ বাক্যলিখিত ভাবে দিয়াত তেওঁলোক উৎসাহিত হয়, আপুনি অনুপ্ৰাণিত হয় আৰু ঈশ্বৰৰ প্ৰেম বৃদ্ধি কৰিবলৈ সজাগ হয়।

***৩। প্ৰবল ভাবে প্ৰেম কৰা বিপদজনক ঃ***

যেতিয়া খ্ৰীষ্টৰ প্ৰেম আনে আমাৰ পৰা আশা কৰাতকৈ আমি সীমা লঙ্ঘন কৰি যেতিয়া তাক প্ৰকাশ কৰো, সেই মৰমৰ কাৰ্যৰ ফলাফল আনৰ জীৱনত বহুগুনে বৃদ্ধি পায়। কেতিয়াবা অলপ বেছি কৰিবলৈ যাওতে অলপ বিপদ হয়। সেয়াই প্ৰেমৰ বিপ্লৱৰ অংশ। নিজকে শুধক "বৰ্তমান আনক প্ৰেম কৰাতকৈ অলপ বেছি প্ৰেম কৰিব পাৰে নেকি?" সদায় প্ৰবল ভাবে কাম কৰিবলৈ আপোনাৰ জীৱন স্মৰণীয় আৰু বিপ্লৱী হওঁক। ঈশ্বৰৰ প্ৰেম আপোনাৰ প্ৰেমৰ দ্বাৰাই প্ৰবল ভাবে প্ৰকাশ কৰি সাধৰণ দিনটো অসাধাৰণ কৰি তোলক।

***৪। প্ৰেমে আনন্দ কৰিব আৰু কান্দিবলৈ ইচ্ছা কৰে ঃ***

যি সকলৰ আনন্দ উদ্‌যাপন কৰিবলৈ মন নাই তেওঁলোকক সঘনাই প্ৰেম দেখুওৱা মানে সহায় কৰা। আনৰ দুখত দুখী হোৱা বা তেওঁলোকৰ লগত দুখৰ উপত্যকাত চলাত বিশ্বাসৰ আৰু প্ৰেমৰ ভেটি স্থাপন হয়। যীচুৱে বিবাহলৈ আৰু মৃতকক কবৰস্থ কৰিবলৈ গৈছিল। এই দুটা পৰিস্থিতিত মানুহৰ কি প্ৰয়োজন তেওঁ জানিছিল। আমি সকলো পৰিস্থিতিতে ঈশ্বৰৰ প্ৰেম বিলাব লাগে যাতে দুখত আৰু আনন্দত থকা সকলক সহজ ভাবে প্ৰেম দিব পাৰো।

***৫। বেলেগ মানুহক বেলেগ ধৰণে প্ৰেম দিবলৈ শিকক ঃ***

মানুহে বেলেগ ধৰণে প্ৰেম গ্ৰহণ কৰে আৰু দিয়ে সেয়ে আমি বেলেগ ধৰণে মানুহক প্ৰেম কৰিবলৈ শিকিব লাগে। যি সকল আমাৰ ওচৰৰ তেওঁলোকৰ সৈতে কেনেকৈ প্ৰেম গ্ৰহণ কৰিব লাগে আৰু দিব লাগে শিকাটো প্ৰত্যেকৰ কাৰণে খুব প্ৰয়োজনীয় কথা, আৰু আমাৰ চাৰিওফালে থকা সকলক কেনেকৈ প্ৰেম কৰিব লাগে সেইটো শিকাটো অতি প্ৰয়োজনীয় বিষয়। মানুহ আৰু ঈশ্বৰৰ বাক্য ধ্যায়ান কৰক, যীশুৱে কেনেকৈ মানুহক প্ৰেম কৰিছিল চাওঁক আৰু আপুনি বেলেগ বেলেগ মানুহক বেলেগ বেলেগ ধৰণে প্ৰেম কৰিবলৈ শিকক ইয়াৰ দ্বাৰাই প্ৰত্যেকে গভীৰ আনন্দ অনুভৱ কৰিব আৰু ঈশ্বৰৰ গৌৰৱ প্ৰকাশিত হ'ব।

## *বিপ্লৱী হ'ব খোজেনে?*

বিপ্লৱীৰ দৰে আজি কাৰ্য কৰিবনে? এতিয়াৰ পৰা প্ৰতিদিনে আপোনাৰ জীৱন প্ৰেমৰ বিপ্লৱৰ সাক্ষ্য হ'বনে? ইয়াৰ বাবে কি মনত ৰাখিব লাগিব? আপোনাৰ মেধাবী শক্তি নে? সৰ্বশেষত প্ৰেমেই গুৰুত্বপূৰ্ণ বিষয়। প্ৰেমেই যি অনন্তকলীয়া মূল দান কৰে। প্ৰত্যেকেই ঈশ্বৰৰ সাদৃশৰে আত্মিক জীৱ হিচাপে স্বীকাৰ কৰাটো বিচাৰে আৰু প্ৰেমেই একমাত্ৰ উপায় তাৰ বাবে।

প্ৰেম এনেধৰণৰ যেন আপোনাৰ প্ৰেম সীমাহীন আৰু আপুনি সেইটো এইদৰেই পায়। আপুনি হয়তো কাৰাবাক ভাল নাপায় যেতিয়া আপুনি প্ৰথম সেই ব্যক্তিক লগ পায়, কিন্তু আপোনাৰ যি প্ৰেম আছে যদি দিয়ে ই বৃদ্ধি পায়।

মই প্ৰত্যাহ্বান জনাও আপুনিয়েই “মৰমীয়াল” ব্যক্তি, আৰু মই আগতীয়াকৈ কওঁ যে যদি আপুনি সকলে সময়তে প্ৰেম কৰে, আপোনাৰ প্ৰেমৰ যোগান কেতিয়াও নুশুকাব।

সেয়ে আপুনি কি কয়? পুনৰ ঈশ্বৰৰ সৈন্যত ভৰ্তি হওঁক, আজিয়ে তেওঁ আপোনাক তুলিব আৰু মই আপোনাক প্ৰেমৰ বিপ্লৱত লগ পাম।

পঞ্চদশ অধ্যায়

# 15

## আমাক জাগৰণ বা বিপ্লৱ লাগেনে ?

সকলোৱে পৃথিৱীখন সলনি হোৱা বিচাৰে,
কিন্তু নিজকে সলনি হোৱা কোনেও নিবিচাৰে
*লিঅ টলষ্টয়*

যেতিয়া কিবা এটাৰ পুনৰ জাগৰণ হয়, পুৰণাটোলৈ পুনৰ জীৱন ঘূৰি আহে, পুনৰ মনোযোগ দিয়াই কিবা এটা ঘুৰাই আনে। যেতিয়া ধৰ্ম্মীয় বৃদ্ধিৰ কাৰণে সমাজৰ পুনৰ জাগৰণৰ অভিজ্ঞতা হয়, ইয়াকে জাগৰণ বুলি কোৱা হয়। মেৰীয়ান ৱেবষ্টাৰ্চ কলেজ ডিকচেনেৰীয়ে জাগৰণক এইদৰে ব্যাখ্যা কৰিছে “প্ৰায়ে খুব আৱেগিক খ্ৰীষ্টিয় ধৰ্ম্ম বাণীৰ সভা বা এখনৰ পাচত এখন সভা”। মোৰ পৰিপক্ক খ্ৰীষ্টিয়ান জীৱনত, জাগৰণৰ বাবে প্ৰাৰ্থনা কৰাৰ আৰু এই বিষয়ে মানুহে কথা পতা মই শুনিছো। কিন্তু আমি বিচৰা জাগৰণ কি সেই বিষয়ে মই এতিয়াও সঠিক নহয়। মই ভাবো উৎস সম্বন্ধীয় কথাতকৈও বেছি কিবা এটা আমাক লাগে। মই ভাবো আমাক বিপ্লৱ লাগে। বেবষ্টাৰ অভিধানে বিপ্লৱী শব্দটো “হথাৎ, মৌলিক, বা সম্পূৰ্ণ সলনি” বুলি ব্যাখ্যা কৰিছে।

অৱশ্যে আমি মৌলিক সলনিত কৈ পুৰণাটোক পুনৰ সজাই-পৰাই ল’বলৈ বেছি সুবিধাজনক পাওঁ। কিন্তু অতীতত হোৱা জাগৰণে গীৰ্জ্জা আৰু পৃথিৱীক সলনি কৰিছিলনে? তেওঁলোকৰ সময়ত বাস্তৱিকতে এইটো লাভজনক আছিল, কিন্তু আমি পৃথিৱীত ফলদায়ক হ’বলৈ হ’লে, এতিয়াৰ গীৰ্জ্জাত আমাক কি লাগে? আমাক যীচুৰ পোহৰ বুলি ক’বলৈ কিহে আমাক অনুপ্ৰাণীত কৰিব পাৰে?

ইৰউন মেক মানাচ (Erwin Mc Manus)এ তেওঁৰ কিতাপ *The Barbarian Way* ত লিখিছে "খ্ৰীষ্টিয়ান ধৰ্ম্মক পৰিস্কাৰ কৰিবলৈ যাওঁ ব'লক। সেয়ে পানীত ভাহি যোৱা ধৰ্ম্মক শক্তিশালী কৰি পুনৰ ঘূৰাই আনিবলৈ অপৈনত আৰু পুৰণি বিশ্বাসৰ বাবে মীমাংসাৰ সলনি বিপ্লৱ, সুৰক্ষাৰ সলনি বিপৰ্যয় আৰু কুসুমীয়াৰ সলনি তীব্ৰ আৱেগৰ প্ৰয়োজন", আৰু যীচুৰ আৱেগে ক্ৰুচলৈ তেওঁক টানি নিছিল। আমাৰ কিছুমান পুৰণি স্বভাৱ সলনি কৰিবলৈ আমি ত্যাগ স্বীকাৰ কৰিলে বিপ্লৱী প্ৰেমৰ সলনি হোৱা শক্তিৰ বিষয়ে পিচৰ প্ৰজন্মই গম পাবনে?

যীচু বিপ্লৱী আছিল, ৰীতি-নিয়মৰ উকালতী নিশ্চয় তেওঁ কৰা নাছিল। তেওঁ সলনি আনিবলৈ আহিছিল আৰু সেই সময়ত ধৰ্ম্মীয় লোকসকল নিৰাশ হৈছিল। ঈশ্বৰ কেতিয়াও সলনি নহয়, কিন্তু আনক তেওঁ সলনি কৰে। মই ভাবি পাইছো যে তেওঁ নতুন বস্তু আৰু সৃষ্টিশীলক ভাল পাই আৰু সঞ্জীৱ আৰু প্ৰজ্জ্বলিত কৰি ৰাখে।

কিছুমান গীৰ্জ্জাই আনকি সঙ্গীতৰ ধৰণ সলনি কৰা কথা ভাবিব নোৱাৰে। যিমান দিনলৈকে পাৰে তেওঁলোকে গীতৰ গান গাই আৰু অকল অৰগেন বজায় ভাল পায়। তেওঁলোকে গীৰ্জ্জাত মানুহৰ উপস্থিতি কমি যোৱা আচলতে আউকাণ কৰে আৰু তেওঁলোকৰ সমাজত একোৱেই প্ৰভাৱ নপৰে। দেওঁবাৰে ৰাতিপুৱা তেওঁলোকে চাৰিওফালে চোৱাৰ প্ৰয়োজন আৰু গীৰ্জ্জাৰ সকলোবোৰ মানুহ কিয় বয়সীয়া আৰু মধ্যম বয়সীয়া সুধিব লাগে। যুৱক-যুৱতীসকল ক'ত? উৎসাহ-উদ্দীপনা ক'ত? সজীৱতা ক'ত?

কেইবছৰমান আগতে, দেশৰ চাৰিওফালে কৰা সভাবোৰৰ সংখ্যা কম হোৱাৰ অভিজ্ঞতা আমাৰ হৈছিল আৰু লক্ষ্য কৰিছিলো যে উপস্থিত থকা প্ৰায় ভাগেই মধ্যয় বয়সীয়া বা বয়সীয়া সেই সময়ত ছবিশ বছৰ বয়সৰ আমাৰ ল'ৰাই আমাক উদ্‌গনি দিবলৈ আৰম্ভ কৰিলে যে সংগীতৰ ধৰণ, বিদ্যুৎ, মঞ্চ সজোৱা আৰু আমাৰ কাপোৰ পিন্ধাৰ ধৰণ মৌলিক ভাৱে কিছু সলনি কৰিবলৈ। তেওঁ কয় যীচু খ্ৰীষ্টৰ শুভবাৰ্ত্তা তেওঁৰ প্ৰজন্মৰসকলে ব্যাকুলতাৰে বিচৰা আৰশ্যক, কিন্তু আমনি লগা আৰু কঠোৰ আইনবাদী বুলি ক্ষাত পুৰণি ধৰণৰ ধৰ্ম্মক তেওঁলোকে মানিব নোখোজে। দেৱ আৰু মই দুয়ো খুব প্ৰতিৰোধ কৰিছিলো। যেতিয়া সলনি কৰিব নোখোজে তেতিয়া বহুতো মানুহে কয়, "ঈশ্বৰ কেতিয়াও সলনি নহয়।" আমি এতিয়ালৈকে যি কৰি আছো সেইয়া ভাল কাম কৰিছে বুলি আমি অনুভৱ কৰো। কিয় সলনি কৰিব লাগে? বহুতো অহঙ্কাৰ ভাৱ সন্মিলিত হৈ আছে, আৰু অলপতে আমাৰ লগত কাম কৰিবলৈ অহা চৌবিশ বছৰীয়া ল'ৰাই যেতিয়া আমি কি কৰা উচিত বুলি কয় আমাৰ অসুবিধা যেন লাগিছিল। কিন্তু এইদৰে বছৰ পাৰ হোৱাত আমি কম বয়সীয়া লোকৰ কথা শুনিবলৈ আৰম্ভ কৰিলো আৰু আমি অনুভৱ কৰিলো যে উপসনাৰ নিয়ম আমাৰ প্ৰয়োজন নাই। আমাৰ বাৰ্ত্তা সলনি নহয়, কিন্তু তাৰ লগত সংঘবদ্ধভাৱে জড়িত থকা সকলোবোৰ কথা সলনি হোৱাৰ প্ৰয়োজন।

পৃথিৱীৰ সলনি হৈছে, মানুহৰ সলনি হৈছে, আগৰ তোলনাত নতুন প্ৰজন্মৰ ভাৱধাৰা সলনি হৈছে আৰু তেওঁলোকক কেনেকৈ পাম তাৰ বাবে আমি সজাগ হোৱাৰ প্ৰয়োজন। কমবয়সীয়া

লোকসকলক মোৰ সভাত মই চাব বিচাৰো, কিন্তু তেওঁলোকে ভাল পোৱা একোৰেই দিবলৈ মই ইচ্ছুক নহয়। তেওঁলোক য'ত থাকে তাত লগ ধৰিবলৈ মই ইচ্ছা নকৰো। কিন্তু নতুন কথা চেষ্টা কৰিবৰ কাৰণে লাহে লাহে আমাৰ অন্তৰ খুলিব ধৰে, আৰু আচৰিত ধৰণৰ ফলাফল আমি দেখিলো। আমাৰ লগত থকা সকলক কেৱল আমি হেৰুৱা নাছিলো এনে নহয়, কিন্তু নতুন লোকসকলো আহিল আৰু তেওঁলোক বেছি ভাগেই আগ্ৰহান্বিত আৰু যুৱক-যুৱতী আছিল। যদি যুৱক-যুৱতীসকলৰ সৃষ্টিমূলক আগ্ৰহ আৰু পুৰণি প্ৰজন্মৰ জ্ঞান আমাৰ থাকে, তেতিয়া পৃথিৱীত দুয়োতা বিষয়তে আমি উৎকৃষ্ট হ'ম।

এদিন কৰ্ম্মক্ষেত্ৰত আমাৰ চলাওতাসকলৰ সৈতে আমি উদ্দেশ্যৰ বিষয়ে আলোচনা কৰিলো। আমাৰ ল'ৰাৰ, কিছুমান বিষয়ৰ চিন্তা আছিল সেয়ে সলনিৰ কাৰণে জোৰ দিলে, আৰু মই তাৰ লগত সন্মত নহ'লো। তাৰ কথাটোত বাৰে বাৰে জোৰ দিয়াত মই সকলোকে সুধিলো তেওঁলোকে কি ভাৱে আৰু মোৰ লগত সকলো সন্মত হ'ল। যেতিয়া কোঠাত থকা সকলোৰে মোৰ সৈতে সন্মত হ'ল মই কথাটো মানি ল'লো, তেতিয়া ডনে ক'লে, "অৱশ্যে আপোনাৰ লগত তেওঁলোক সকলো সন্মত হ'ল, কাৰণ মা — তেওঁলোক সকলো তোমাৰ বয়সৰ।" সেই সময়তেই মই অনুভৱ কৰিলো যে মোৰ দৰে মানুহৰ দ্বাৰাই মই চাৰিওফালৰ পৰা প্ৰভাৱিত হৈ আছো আৰু সেইদৰে কৰাত মই নানা প্ৰকাৰ কথাত বাধা দিছো। সকলো বয়সৰ চলাওতাৰ আমাৰ প্ৰয়োজন, তেনে মানুহ নহয় যিসকল একে প্ৰজন্মৰ হয়।

আন এটা বিশেষ কাৰ্য্যত ডনে আমাৰ মাহেকীয়া আলোচনীত কিছুমান ৰং ব্যৱহাৰ কৰিব খুজিলে, সেইটো আমি আগতে কেতিয়াও ব্যৱহাৰ কৰা নাই। মই নালাগে বুলি ক'লো কাৰণ মোৰ ৰঙবোৰ ভাল লগা নাছিল। তেওঁ নতুন ৰঙবোৰ ব্যৱহাৰ কৰাত জোৰ দিলে, আৰু মই শক্তিশালীৰূপে ক'লো, "মই সেইবোৰ ভাল নাপাও আৰু আমি সেইবোৰ ব্যৱহাৰ কৰিবলৈ নাযাওঁ।" তেওঁ ক'লে, "মই বুজিব পৰা নাই আপুনি নিজকে পৰিচৰ্য্যাকাৰী বুলি কয়। যদি সেই ৰঙবোৰ বেলেগ মানুহে ভাল পাই কি হ'ব?" সেইটো কথাত মোৰ দৃষ্টি উন্মোচন হোৱাৰ অভিজ্ঞতা হ'ল। মই অনুভৱ কৰিলোযে কামলৈ যাওঁতে মই নিজে ভাল পোৱা কাপোৰ পিন্ধো, আৰু আলোচনী প্ৰচাৰৰ কাৰণে, আৰু ঘৰত মই ভাল পোৱা ৰঙ ব্যৱহাৰ কৰো। মই ভাল পোৱা সঙ্গীত ঘৰত ৰাখো। যেতিয়া মই অনুভৱ কৰিলো বেছি ভাগ সিদ্ধান্তই মোৰ নিজে ভাল পোৱা, আৰু তাৰ সৈতে আৰাম পোৱা কিন্তু আনে কি বিচাৰে সেইটো নাচাওঁ তেতিয়া মোৰ ভাবি লাজ লাগিল।

দেৱ আৰু মই দুয়ো অনুভৱ কৰিব ধৰিলো যে আমি ৰীতিক উপসনা কৰিছো আৰু ঈশ্বৰৰ কাৰণে সেই ৰীতিবোৰৰ কোনো অৰ্থ নাই। এইবোৰৰ পৰা বাহিৰ হোৱাটো তেওঁ বিচাৰে আৰু এইয়াই তেওঁৰ বাৰ্ত্তা, আৰু বাৰ্ত্তাৰ লগত যি সকলো জড়িত হৈ থাকে নিশ্চয় সলনি হ'ব লাগিব। তেতিয়াৰে পৰা সলনিৰ বাবে আমাৰ ভাৱ-ধাৰা সলনি কৰিলো আৰু সেয়ে আমি সলনি কৰা আৰম্ভ কৰিলো। সময়ৰ লগত মিলাই আমি কাপোৰৰ ডিজাইন সলনি কৰিলো। যুৱক-যুৱতীক আকৰ্ষণ কৰিব পৰা উপসনাৰ বেন্দ আমি সলনি কৰিলো। বৰ্ত্তমান প্ৰজন্মই উপভোগ কৰি গোৱা গান ভাল পাবলৈ মই সিদ্ধান্ত কৰিলো। আজিকালি আমাৰ গোটেই সমাজে সকলো কাম সোনকালে

কৰিব বিচাৰে সেই কাৰণে আমাৰ উপসনা আমি চুটি কৰিলো। তিনি ঘণ্টা গীৰ্জ্জাৰ উপসনাৰ বাবে মই অভ্যস্ত, কিন্তু প্ৰত্যেকজন নহয় সেয়ে উপসনাৰ মাজ ভাগত মানুহক লগ ধৰিবলৈ সিদ্ধান্ত ল'লো। বেছি আকৰ্ষনীয় হ'বৰ বাবে আমাৰ লাইটিঙ সলনি কৰিলো। তেওঁলোকে মোক পৰিৱেশ সৃষ্টি কৰিব ক'লে — সেয়ে আমি ধোঁৱা উলিৱা যন্ত্ৰ ল'লো। মই তথাপি ভাৱিলো ইয়াৰ বাবে মানুহে স্পষ্ট ভাৱে মোক চাব নোৱাৰে ই কেৱল বাধা দিয়ে, কিন্তু মই ধোঁৱাক নিয়ন্ত্ৰণ কৰিব পাৰো। পৌলে কৈছিলে যীচু খ্ৰীষ্টৰ শুভবাৰ্ত্তাৰ কাৰণে মানুহক জয় কৰিবলৈ যি দৰেই তেওঁ হোৱা আৱশ্যক তেওঁ হ'ব। (১ কৰি ৯:২-২২) তেওঁ ৰীতিক উপসনা কৰা নাছিল আমিও কৰিব নালাগে।

বাইবেলে কৈছে যে শেষৰ দিনত গীৰ্জ্জা আপোনপেটিয়া আৰু আত্মকেন্দ্ৰিক হোৱাৰ অভিজ্ঞতা আমাৰ হ'ব। মানুহে এনেধৰণৰ ধৰ্ম গ্ৰহণ কৰিব আৰু তেওঁলোকে নৈতিকতা বোধ হেৰুৱাব কিন্তু শুভ বাৰ্তাৰ শক্তিক অস্বীকাৰ কৰিব। (২ তীম ৩:১৫) আমাৰ গীৰ্জ্জাত ঈশ্বৰৰ শক্তিক আমি বিচাৰিব লাগিব। আমি মানুহৰ জীৱন সলনি হোৱা সুস্থ হোৱা, পুনৰুদ্ধাৰ হোৱা আৰু পাপ মোচন হোৱা দেখা পাব লাগিব। ঈশ্বৰৰ প্ৰেম মুক্তভাৱে প্ৰবাহিত হোৱা আমি দেখা পাব লাগিব। আমি বিপ্লৱ দেখিব লাগিব আৰু ইয়াৰ অংশীদাৰ হ'বলৈ মই প্ৰতিজ্ঞাবদ্ধ।

মই সত্যতাৰে কওঁযে আমাৰ সভাবোৰত আমি বহুতো সলনি কৰিলো তাৰে বিশেষ এটাকহে যে মই ভাল পাওঁ সেইটো নহয়। কিন্তু প্ৰতি দিনে মই শিকিয়েই আছো যে বৰ্তমানৰ পৰিস্থিতিত প্ৰেমেৰে আমাক কাৰ্য কৰাতো বিচাৰে, আৰু ঈশ্বৰৰ ইচ্ছা কি জানিবলৈ চেষ্টা কৰা। ব্যক্তিগত ভাবে আমাৰ যিসকলো সলনি হ'ল সঁচাকৈয়ে ত্যাগৰ বিষয়, কিন্তু এই সকলো সঠিক কাৰ্যৰ বাবে বুলি মই অন্তৰেৰে সৈতে বুজি পাওঁ। শুনাত মূৰ্খৰ দৰে লাগে, এনে সময় আছিল যেতিয়া মই সঁচাকৈয়ে ভাবিছিলো ঈশ্বৰে কিছুমানক মানুহক আশীৰ্বাদ নকৰে যেতিয়া তেওঁলোকে দেনিম পিন্ধি বক্তৃতা দিয়া ওখ ঠাইত ঠিয় হৈ মানুহক শিক্ষা দিবলৈ চেষ্টা কৰে। তেতিয়া মই গভীৰ ভাবে চিন্তা কৰিলো মোচিয়ে দশআজ্ঞা গ্ৰহণ কৰিবলৈ যেতিয়া পাহাৰলৈ গৈছিল তেতিয়াতেওঁ সম্ভৱত কি পিন্ধিছিল আৰু সৰ্বশেষত মই কিমান সুখ অনুভৱ কৰিলো। যোহন বাপ্তাইজকে আচৰিত ধৰণৰ পোচাক পৰিধান কৰিছিল, হাবিত থকা বস্তু খাইছিল আৰু মৰুভূমিত তেওঁ কথা কৈছিল। কিন্তু তেওঁ বিপ্লৱক আগুৱাই নিছিল। তেওঁ আহিব লগা জনাৰ (যীচুৰ) পথ প্ৰস্তুত কৰিছিল। শৃঙ্খলাযুক্ত ভাবে কৰা ধৰ্মৰ তেওঁ ভক্ত নাছিল আৰু তেওঁৰ সময়ৰ বেছিভাগ ধৰ্মীয় নেতাক তেওঁ বিষাক্ত সাপৰ গোষ্ঠী বুলি কৈছিল। তেওঁৰ দিনত নিজকে সাধু বুলি ভবা ধৰ্মীয় লোকসকল প্ৰাৰ্থনা কৰিবলৈ মন্দিৰলৈ গৈছিল কিন্ত প্ৰয়োজনত থকা কোনো এজনক সহায় কৰিবলৈ আঙুলি এটাও উঠোৱা নাছিল। তেওঁলোকৰ প্ৰতি মোহনে অসহ্য অনুভৱ কৰিছিল।

ঈশ্বৰে মানুহৰ অন্তৰলৈ চাই, আৰু আমিও সেই একেদৰে কৰিবলৈ শিকিব লাগে। মোচি আৰু যোহনক কেনে লাগিছিল তাৰ প্ৰতি তেওঁ চিন্তিত নাছিল। লুপ্ত হ'ব খোজা ধৰ্মৰ বিপৰীতে যি সকলে নেত্ৰিত্ব দিবলৈ ভয় নকৰে আৰু ঈশ্বৰৰ সৈতে ঘনিষ্ঠ সম্বন্ধৰ অৰ্থে মানুহক নেত্ৰিত্ব দিয়ে সেই বিষয়ত ৰোমাঞ্চিত হয়।

## *ত্যাগ ভাল পাওঁক*

ত্যাগ শব্দটোৱে আমাক উত্তেজিত নকৰে কাৰণ আমি যিটো ধৰি ৰাখিব খোজো সেইটো দিয়াৰ বাবে। নতুন নিয়মৰ আদি ভাষাত (গ্ৰীক) ইয়াৰ অৰ্থ হ'ল "কাৰ্য কৰা বা যিটো দান কৰা হয়।" প্ৰেমে নিজে জোৰ নিদিয়ে। (১ কৰি ১৩:৫) প্ৰেমে আমি কৰা কিছুমান কাৰ্য ত্যাগ কৰাটো বিচাৰে।

পুৰণি নিয়মত পাপৰ কাৰণে জন্তু বলি দিয়াতো 'ত্যাগ' বুলি বাখ্যা কৰিছে, কিন্তু নতুন নিয়মত খ্ৰীষ্টই নিজে ক্ৰুচত বলি হোৱা বুজাইছে। "তোমালোকে নিজ নিজ শৰীৰক জীৱিত, পবিত্ৰ আৰু ঈশ্বৰৰ গ্ৰহনীয় বলিস্বৰূপে উৎসৰ্গ কৰা এয়েই তোমালোকৰ যুক্তিসঙ্গত আৰাধনা।" (ৰোমীয়া ১২:১)

মানুহে ত্যাগ কৰিবলৈ ভাল নোপোৱাৰ মুল কাৰণ হ'ল পৃথিৱীত যিদৰে প্ৰকৃত প্ৰেম দেখিব লাগিছিল দেখা নোপোৱাৰ বাবে। আমাৰ স্বাভাৱিক স্পৃহা হ'ল ধৰি ৰাখা, ত্যাগ কৰা নহয়। আমি আমাৰ আৰামদায়ক অৱস্থাক সুৰক্ষিত কৰি ৰাখো। যদি সহজ আৰু সুবিধাজনক হয় আমি হয়তো দিও কিন্তু যেতিয়া ত্যাগৰ প্ৰয়োজন হয় আমি পিছ হুহকো। আপোনাৰ কিমান কথাত আপুনি হতাশাত ভোগী নসোধাকৈ থাকি যায়, "এইটো কৰিবলৈ মোৰ কাৰণে ঈশ্বৰৰ বেলেগ পথ আছে নেকি?" (যিচয়া ৫৫:৮)

আমি কৃতজ্ঞ নতুন অভ্যাস গ্ৰহণ কৰিব পৰাত আৰু সঁচাকৈয়ে আনন্দ লাভ কৰিছো ত্যাগৰ জীৱন-যাপন কৰিব পৰাত। যেতিয়া আমি আনৰ প্ৰতি দয়া দেখুৱাবলৈ ইচ্ছা কৰো আৰু দানশীল হোৱাত আনক অৱজ্ঞ নকৰো, বাইবেলে কৈছে তেনে ত্যাগত ঈশ্বৰ আনন্দিত হয় (ইব্ৰী ১৩:৬) ঈশ্বৰে জগতক ইমান প্ৰেম কৰিবলে যে তেওঁ তেওঁৰ একমাত্ৰ পুত্ৰকে দান কৰিলে' (যোহন ৩:১৬) প্ৰেম নিশ্চয় দিব লাগে আৰু দিবৰ বাবে ত্যাগৰ প্ৰয়োজন।

আমি সকলোৱে এটা ধৰণে কাম কৰিব ভাল পাওঁ আৰু সাধাৰণতে আমি কৰা ধৰণটোৱেই শুদ্ধ বুলি ভাবো। সকলোৰে ক্ষেত্ৰত ধৰ্মৰ এটা ডাঙৰ সমস্যা হ'ল যে "পুৰণা নিয়ম"তেই থাকি যাওঁ সেয়ে এই বিষয়ে মানুহক শুদ্ধভাবে প্ৰচাৰ কৰা নহয় কিন্তু ই সলনিৰ বাবে অস্বীকাৰ কৰে। ইয়াৰ ধৰণ ত্যাগ কৰিবলৈ অস্বীকাৰ কৰে।

অলপতে মোৰ বন্ধু এগৰাকীয়ে কৈছিল যে প্ৰত্যেক দেওবাৰে তেওঁ তেওঁৰ কিশোৰী ছোৱালীজনীক গীৰ্জ্জালৈ যাবলৈ মান্তি কৰাই কিন্তু তেওঁলোকে তাত আমনি পায় আৰু উপসনা শেষ হোৱালৈ বাটচাবলৈ ইচ্ছা নকৰে। তাই স্বীকাৰ কৰিছিল যে তাত থাকি তেওঁলোকে একোয়েই নাপায়। এই ছোৱালী জনীয়ে সম্ভৱত ঈশ্বৰক ভাল পায় কিন্তু গীৰ্জাই ব্যৱহাৰ কৰা ৰীতিৰ লগত মিলিব নোৱাৰে। তেওঁলোকৰ ভাবধাৰা নতুন কাৰণ তেওঁলোক নতুন প্ৰজন্মৰ। দুখেৰে কওঁ যে বহুতো ল'ৰা-ছোৱালী খ্ৰীষ্টিয়ান ঘৰতে ডাঙৰ হয় কিন্তু যেতিয়া তেওঁলোক ডাঙৰ হয় ধৰ্মলৈ পিঠি দিয়ে। তেওঁলোক হয়তো কপটতাৰ বাবে হতাশ হয়, আইনত আৱদ্ধ নিয়মৰ কাৰণে পিঠি দিয়ে,

বা চকুৰ পানী টুকি কৰা প্ৰাৰ্থনাত আমনি পায়। গীৰ্জ্জাই তেওঁলোকৰ কাৰণেএকো কাম নকৰে। তেওঁলোকে কিছুমান কৃতিমতা নথকা আৰু শক্তিশালী কিছুমান উপভোগা আৰু দুঃসাহসিক কাম বিচাৰে কিন্তু তেওঁলোকে কৰিব নোখোজা দীঘল তালিকাত তেওঁলোকৰ আশা শেষহৈ যায়।

Los Angeles Dream Center ৰ সহ স্থাপন কৰোতা টঅমী ৰাৰণ্টেতে দেখিলে যে সেই ঠাইত বেছিভাগ লোকে স্কেটিং কৰে। যেতিয়া বিখ্যাত স্কেটিং কৰা মানুহ ছবি কৰিবলৈ সেই ঠাইলৈ অহা শুনিলে আৰু ৫০,০০০ ডলাৰৰ আধা পাইপ ছবিৰ কাৰণে উঠালে, তেওঁ সাহসেৰে শুধিলে যেতিয়া ছবিৰ চুটিং শেষ হ'ব তেতিয়া গীৰ্জ্জাৰ কাৰণে সেইবোৰ দিবনে নিদিয়ে। তেওঁলোকে তেওঁক দিলে, ড্ৰিম চেণ্টাৰলৈ লৈ ল'ৰা-ছোৱালীবোৰ যোৱা হ'ল আৰু এতিয়া যিসকলে শনিবাৰে গীৰ্জ্জালৈ যায় তেওঁলোকে যদি ইচ্ছা কৰে সেই সপ্তাহৰ স্কেটিংৰ টিকত এনেয়ে পায়। পালক বাৰণ্টেত্ৰ কিছুমান নতুন আৰু সম্পূৰ্ণ পৰিৰৰ্তন আনিবলৈ ইচ্ছা কৰে যাৰ ফলত স্কেটিং কৰিবলৈ ড্ৰিমচেণ্টাৰলৈ হাজাৰ হাজাৰ কিশোৰ-কিশোৰী আহিব ধৰিলে। আৰু তাৰে বহুতো কিশোৰ আৰু কিশোৰীয়ে যীচুখ্ৰীষ্টক গ্ৰহণ কৰিলে। তেওঁ পুৰণি ৰীতি ত্যাগ কৰিলে যেন স্কেটিং কৰা সকলক প্ৰেমেৰে আকোৱালী যিটো হয়তো পুৰণি ৰীতিয়ে অনুমতি নিদিলেহেঁতেন। তেওঁলোকৰ ইচ্ছা তেওঁ বুজিপাইছিল আৰু তাক সম্পূৰ্ণ কৰিবলৈ সহায় কৰিছিল। আমি তেনে যুৱক-যুৱতী বা কোনো মুহক গ্ৰহণ কৰিব নোৱাৰো যি সকলে কেৱল বাইবেল পঢ়ি প্ৰাৰ্থনা কৰে। মানুহক হাঁহিবলৈ, ধেমালী কৰিবলৈ আৰু দুঃসাহসিক কাম কৰাৰ প্ৰয়োজন বোধ কৰে, কিন্তু তেওঁলোকে পৃথিৱীত এইটো কৰিবলৈ যাব নালাগে।

পালক বাৰণ্টেএ কৈছিল যেতিয়া বগা পোচাক পৰিধান কৰা তেওঁৰ দুশ স্তুতি গান গোৱা দলে "হে মোৰ ঈশ্বৰ মই কেনে আচৰিত হওঁ" গানটো গাইছিল তেতিয়া কিশোৰ কিশোৰীসকল শুই গৈছিল, সেয়ে যেতিয়া পিচৰ সপ্তাহত তেওঁলোকে নিজৰ গান গাব পাৰে নেকি শুধিছিল তেওঁ অনুমতি দিছিল পিছৰ সপ্তাহত যেতিয়া তেওঁলোকৰ গান শুনিলে তেওঁ বুজিলে যে ৰ'ক এন্দ ৰ'ল (Rock 'n' Roll) গানক তেওঁলোকে ধৰ্মীয় গানলৈ ৰূপান্তৰিত কৰিছে। প্ৰথমতে তেওঁ নহ'ব বুলি ভাবিছিল। মই কি কৰো? কিন্তু যেতিয়া তেওঁ শনিব ধৰিলে তেওঁ অনুভৱ কৰিলে যে ঈশ্বৰৰ আশীৰ্বাদ সেই গানত আছিল। কি আচৰিত আমি যাক নালাগে বুলি কওঁ ঈশ্বৰে তাকে গ্ৰহণ কৰে। ঈশ্বৰে তাৰ অন্তৰালত থকা আত্মাকহে চাই।

কেৱল শুভবাৰ্তাৰ বাণীহে পৱিত্ৰ কিন্তু তাক প্ৰদৰ্শন কৰিবলৈ ব্যৱহাৰ কৰা নিয়ম নহয় বুলি মই বিশ্বাস কৰিবলৈ শিকিলে। আমি যদি সেইটো বুজি নাপাও, আমি বৰ্তমান প্ৰজন্মক ধৰিৰাখিবলৈ বিপদত পৰিম আৰু তেওঁলোকক হেৰুৱাব লাগিব। তেওঁলোকে ঈশ্বৰৰ প্ৰেমৰ কথা নিশ্চয় জনা প্ৰয়োজন আৰু তাৰ বাবে আমি কিছুমান পদ্ধতি এৰিব লাগিব।

আমি যেতিয়া আমাৰ সভাবোৰত সলনি কৰো, আমি যি সকলক অহাটো বিচাৰো তাৰ বাবে বৰ্তমানৰ সমবেত ৰাইজে যিটো বিচাৰে আমি ত্যাগ কৰোনে? আমাৰ লগত যি সকল বহু দিনৰ পৰা আছে তেওঁলোকৰ কাৰণে আমি ভুল কৰিছো নেকি? মই যেতিয়া কিয় সলনি কৰিছো

মানুহক বুজাই দিও, তেওঁলোক সকলোৱে আনন্দ কৰে। যি বাস্তৱ মানুহে সেইটো কৰিব বিচাৰে, তেওঁলোকক মাত্ৰ বুজা পৰাৰ প্ৰয়োজন। অৱশ্যে কিছুমান মানুহ আছে যি সকলে সলনি হোৱাক বাধা দিয়ে আৰু তেনে মানুহ সদায় পিচত থাকি যায়। তেওঁলেক য'ত আছিল তাতেই থাকি যায়। কিন্তু ইশ্বৰে তেওঁলোকৰ সৈতে বা তেওঁলোকক নোলোৱাকৈয়ে সদায় আগলৈ গৈ থাকে।

যেতিয়া আমি প্ৰেমৰ বিপ্লৱৰ প্ৰয়োজনীয়তাৰ বিষয়ে কওঁ আমি জীৱনত যিদৰে কৰো তাৰ মৌলিক সলনিৰ কথা কওঁ। আমি তেওঁৰ কাৰণে কি কৰিম প্ৰতিদিন ঈশ্বৰক সুধিব লাগে, কেৱল সেইটো নহয় তেওঁ আমাৰ কাৰণে কি কৰে। প্ৰেমৰ বিপ্লৱত অংশ গ্ৰহণ কৰা যিকোনো মানুহে আনৰ কাৰণে ত্যাগ স্বীকাৰ কৰাৰ প্ৰয়োজন। কিন্তু সেই ত্যাগে নতুন আনন্দ কঢ়িয়াই আনে। আমি কি ল'ব পাৰো সেইটো নহয় কিন্তু কি দিব পাৰো। সেই বিষয়ে চিন্তা কৰাৰ প্ৰয়োজন। যেতিয়া যীচুৱে শিষ্যসকলৰ লগত যাত্ৰা কৰিছিল, তেওঁ জীৱনৰ বিষয়ে তেওঁলোকক শিকাইছিল। ঈশ্বৰক সন্তুষ্ট কৰিবলৈ আমি প্ৰতিদিনে কেনেদৰে জীয়াই থাকিব লাগে সেই বিষয়ে ধৰ্ম্ম প্ৰচাৰৰ বাবে নিৰ্মিত বক্তৃতা মঞ্চৰ (Pulbits) বাণী শুনাৰ প্ৰয়োজন, কেৱল মাত্ৰ তত্ব বিষয়ক বাণী নহয়। যি বাণী দিয়া হয় সেইয়া সকলো প্ৰজন্মৰ কাৰণে প্ৰযোজ্য হয় বুলি আমি সঠিক হোৱাৰ প্ৰয়োজন।

খ্ৰীষ্টক আপুনি বহু দিনৰ পৰা জানে নেকি আৰু তথাপিও তেওঁৰ প্ৰেম এতিয়াও আপোনাৰ মাজতে বন্দী হৈ আছে নেকি? যদি সেয়ে হয় তেতিয়া হ'লে সাহসেৰে তাক বাহিৰ হ'বলৈ দিয়ক। ঈশ্বৰৰ প্ৰেম আমাৰ মাজেদি প্ৰবাহিত হোৱাৰ বাবে আমি নিজৰা হ'ব লাগে। চৌবাচ্চা নহয়। প্ৰতি দিনে ঈশ্বৰৰ ব্যৱহাৰৰ কাৰণে নিজকে প্ৰাপ্য কৰক। প্ৰতিদিনে এইদৰে প্ৰাৰ্থনা কৰিবলৈ মই আপোনাক সাহস দিও, " 'প্ৰভু' আজি দিনটোত মই আপোনাৰ কাৰণে কি কৰিব পাৰো দেখুৱাই দিয়ক।"

ঈশ্বৰে আমাক প্ৰতিদিনে জীৱিত বলি হিচাপে দান কৰাতো বিচাৰে (ৰো ১২:১) আমাৰ যি সকলো দক্ষতা আৰু উপায় আছে তেওঁৰ কাৰণে দিয়াটো বিচাৰে। প্ৰেমৰ বিপ্লৱৰ কাৰণে সময়, শক্তি, ধন, আমাৰ উপায় আৰু আন বহুতো ত্যাগ কৰাৰ প্ৰয়োজন।

## *বৈশিষ্টহীন ধৰ্ম্মীয় অৱস্থাৰ পৰা বাহিৰ ওলাওক*

ধৰ্মীয় বৈশিষ্টহীন অৱস্থাৰ পৰা বাহিৰ হ'বলৈ আপুনি প্ৰস্তুতনে আৰু বাস্তৱিক সমস্যা থকা বাস্তৱিক মানুহৰ সৈতে মিলিব খোজে নে? আনন্দৰ মূল উৎস হ'ল পাবৰ বাবে নহয়, আনক দিবৰ বাবেহে, আপুনি যদি সঁচাই সুখী হ'ব খুজিছে, প্ৰেম কৰিবৰ কাৰণে কাৰবাক বিচাৰক। আপুনি যদি ঈশ্বৰৰ মুখত হাঁহি বিৰিঙাব খুজিছে দুখ কষ্টত থকা মানুহক বিচাৰক আৰু সহায় কৰক।

মই ত্ৰিশ বছৰ গীৰ্জ্জালৈ গৈছিলো। কিন্তু মাওৰা, বিধবা, দুখীয়া আৰু নিস্পেহিত সকলৰ প্ৰতি বাইবেলত দিয়া দায়িত্বৰ বিষয়ে শিক্ষা এবাৰো শুনা নাছিলো। বাইবেলত কিমান বাৰ আনক সহায় কৰা কথা আছে, মই শেষত অনুভৱ কৰি আচৰিত হৈছিলো। ঈশ্বৰে মোক কেনেকৈ সহায় কৰিব পাৰে এই বিষয়ে বাইবেলত আছে বুলি ভাবি মই খ্ৰীষ্টিয়ান জীৱনৰ বহু সময় কটাই দিছিলো। মই সুখী নথকাতো কোনো আচৰিত কথা নাছিল।

অলপতে মই আফ্ৰিকাৰ ইথোপিয়া, ৰাত্তান্দা আৰু ওগন্দালৈ যাবৰ বাবে প্ৰস্তুত হৈছিলো। যিকোনো ঠাইত দেখা প্ৰয়োজনীয়তা কৈ তাৰ প্ৰয়োজনীয়াতো বহুত বেছি বুলি মই গম পাইছিলো আৰু সেয়ে মই দিবৰ বাবে ইচ্ছুক আৰু প্ৰস্তুত হৈছিলো। তালৈ যোৱাত সময়, শক্তি, আৰম আৰু টকা-পইচাৰ বাবেত্যাগ কৰিব লাগিব, কিন্তু মই যাবই লাগিব। কষ্টত থকা সকলক মই সহায় কৰিবই লাগিব। দৰিদ্ৰতা আৰু ভোকাতুৰৰ ওচৰ চাপিবই লাগিব। মই ইমানেই ওচৰ চাপিব লাগিব যে ঘৰলৈ অহাৰ পাছতো যাতে মই পাহৰি নাযাও।

ভোকত পুষ্টিহীনতাত ভোগা কেচুৱাক মই ধৰিছিলো, আৰু সন্তান মৃত্যুৰ মুখলৈ যোৱা চাই আৰু সেই বিষয়ে একো কৰিব নোৱাৰি মাকৰ চকু বেদনাৰে ভৰি পৰা মই দেখিছিলো। কিন্তু তাৰে কিছুমানক মইও সহায় কৰিম। অৱশ্যে মই সকলোকে সহয় কৰিব নোৱাৰো, কিন্তু মই যি পাৰো কৰিম কাৰণ একো নকৰাকৈ মই থাকিব নোখোজোহু মই ঘূৰি আহি মোৰ বন্ধু আৰু আমাৰ পৰিচাৰ্যাৰ সহযোগী সকলৰ সৈতে প্ৰথমে আলেচনা কৰো তেওঁলোকে কেনেকৈ মোক সহয় কৰিব মোৰ লগত কেনেকৈ সহযোগ কৰিব পাৰে।

বহুতো মানুহে সহায় কৰিব খোজে। কিন্তু কি কৰিব লাগিব বহুতে নাজানে। তেওঁলোকে কেনেকৈ কৰিব সেই বিষয়ে কোনেবাই ঠিক কৰাটো বিচাৰে। চলাওতা হোৱাৰ আপোনাৰ যোগ্যতা আছেনে? যদি আপুনি কৰে, কিয় আপোনাৰ চহৰৰ দুখীয়া সকললৈ প্ৰচাৰ কাৰ্য সংগঠিত নকৰে বা আপুনি আৰু আপোনাৰ বন্ধুৱে পৃথিৱীৰ চাৰিওফালে থকা দুখীয়া আৰু হেৰাই থকা সকলৰ কাৰণে পৰিচাৰ্যাত যোগ দিয়াৰ উপায় অৱলম্বন নকৰে? মহিলাৰ এটা দলে ওচৰচুবুৰীয়াৰ পৰা কিছুমান বস্তু গোটাই গেৰেজত বহুতো বস্তু বিক্ৰী কৰিবলৈ সিদ্ধান্ত ল'লে, আৰু দুখীয়াক সহায় কৰিবলৈ গোটেইখিনি টকা দিয়াৰ। তেওঁলোক ইমান কৃতকাৰ্য হ'ল যে এতিয়া তেওঁলোকে সেস্বাসেৱকৰ দ্বাৰা পৰিচালিত এখন দোকান চলাই। ইয়াত বিক্ৰী কৰা সকলো বস্তু দান কৰা আৰু সকলো টকা পৰিচাৰ্যাৰ বাবে দিয়ে। তেওঁলোকে অকলেই পৰ্যৌষ্ঠি হাজাৰ ডলাৰ বছৰত দিব পাৰে। অৱশ্যে বেছিভাগ মহিলাই ষাঠি বছৰ বয়সৰ আৰু তেওঁলোকে সৃজনীমূলক আৰু মূল্যবান কাম কৰাৰ কাৰণে মই গৰ্ভ অনুভৱ কৰো। শেষৰ বছৰবোৰ খুব ফলবান হ'বৰ বাবে তেওঁলোকে সিদ্ধান্ত লয়।

কোনো এজনক সহায় কৰিবৰ বাবে সংকল্পবদ্ধ হওঁক। সৃজনীমূলক হওকহু আপুনি যি গীৰ্জ্জালৈ যায় তাত বৈশিষ্টহীন ধৰ্মৰ বিপৰীতে বিপ্লৱ সংগঠিত কৰক, গীৰ্জ্জালৈ অহা যোৱা কৰাৰ দ্বাৰাই আপুনি প্ৰকৃততে কাকো সহায় নকৰে। গীৰ্জ্জাত মাত্ৰ এনেয়ে বহি ধৰ্মীয় গীত নাগাব। দুখত থকা মানুহক সহায় কৰিবলৈ নিজকে জড়িত কৰক। যীচুৰ বাণী মনত পেলাওক।

> "কিয়নো মোৰ ভোক লাগিছিল মোক খাবলৈ নিদিলাও পিয়াহ লাগিছিল মোক পাণ কৰিবলৈ নিদিলা; অতিথি হৈছিলো মোক আশ্ৰয় নিদিলা; উদঙে আছিলো মোক কাপোৰ নিপিন্ধালা; নৰিয়া আৰু বন্দীসালত পৰিছিলো, মোক চাবলৈ নগলা।"

তেতিয়া তেওঁলোকে উত্তৰ দি ক'ব, "হে প্ৰভু আমিনো কেতিয়া আপোনাক ভোক বা পিয়াহ লগা, অতিথি হোৱা বা উদঙে থকা, নৰিয়াত পৰা বা বন্দীশালত থকা দেখি আপোনাৰ সেৱা সুশ্ৰূষা কৰা নাছিলো?"

তেতিয়া তেওঁ তেওঁলোকক উত্তৰ দি ক'ব, "মই তোমালোকক স্বৰূপকৈ কওঁ, এইবিলাকৰ সৰু এটি লৈকো যি নকৰিলা, তাক মোলৈকো নকৰিলা।"

*মথি ২৫:৮২-৪৫*

# আমাৰ ধৰ্ম মূল কথা

কৰুণা **মই ধৰি ৰাখিম** আৰু মোৰ আপত্তি কৰা স্বভাৱ **ত্যাগ** কৰিম।

অন্যায়ৰ বিৰুদ্ধে **থিয় হ'ম**।

আৰু ঈশ্বৰৰ প্ৰেম সাধাৰণ কাৰ্য্যৰ মাজেৰে কৰিবলৈ **সঙ্কল্পবদ্ধ**।

একো নকৰাকৈ **মই নাথাকো**। এইয়াই মোৰ সঙ্কল্প

**ময়ে প্ৰেমৰ বিপ্লৱী**।

# টোকা

১. পৃথিৱীত কি ভুল হৈ আছে?

১. "Help End Sex Traffickin!" http://www.crisisaid.org/traf fickstats.html

২. "Hunger Facts: International," http://www.bread.org/learn/ hunger-basics/hunger-facts-international.html

২. সমস্যাৰ মূল উৎস

১. "Forced to Flee: Ugada's Young 'Night Commuters', "http://www.theirc.org/where/page-28828228.html

২. "Simple Statistics"

৬. ভালেৰে বেয়াৰ জয় কৰা

১. "Widows in Third World Nations," http://www.deathref erence.com.

২. "Uganda, Ghana and Cote d'lvoire – The situation of widows," http://www.ifad.org/gender/learning/challenges/ widows/55.htm

**৭. নিস্পেষিতৰ বাবে ন্যায় ঃ**

১. "Prostitution is not a choice, it is a lack of choices," http://www.spokesmanreview.com/blogs/vox/media/Feb07vox page2.pdf

**৯. মানুহক মূল্যবান অনুভৱ কৰিব দিয়ক ঃ**

১. George W. Crane, *Dr. Crane's Radio Talks*.vol.1 (Mellot, IN: Hopkins Syndicate.Inc, 1948), 7.

২. Ibid., 8–9

৩. Ibid., 16

৪. Original source unknown.

৫. Attributed to William Penn and Stephen Grellet.

**১২. নিস্বাৰ্থ প্ৰেম ঃ**

১. http://preventdisease.com/home/weeklywellness203.shtml.

# লিখিকাৰ বিষয়ে

জয়চ মায়াৰ পৃথিৱীৰ এগৰাকী বাস্তৱিক ভাবে বাইবেল শিক্ষা দিয়া আগশাৰীৰ শিক্ষক। A # 1 New York Times ৰ সৰ্বাধিক বিক্ৰী হোৱা লিখিকা তেওঁ আশীতকৈও বেছি অনুপ্ৰাণিত কৰা কিতাপ লিখিছো, তাৰ ভিতৰত Never Give Up (কেতিয়াও নেৰিবা), The Secret to True Happiness (সঁচা আনন্দৰ গোপনীয়তা) 100 Ways to Simplify your fife, (আপোনাৰ জীৱন সহজ কৰাৰ এশটা উপায়) পৰিয়ালৰ বাবে সম্পূৰ্ণ মানসিক যুদ্ধবিগ্ৰহ কিতাপ, The Penny (দা পেনী) তেওঁৰ প্ৰথম কাল্পনিক কিতাপ আৰু বহুতো লিখিছে। তেওঁ হাজাৰতকৈ বেছি শুনিব পৰা কেছেট উন্মোচন কৰিছে, তাৰ ওপৰিও সম্পূৰ্ণ ভি. ডি. অ. লাইব্ৰেৰি। জয়চৰ "প্ৰতিদিন উপবোগ কৰক" (Enjoying Everyday life) ৰেডিঅ আৰু দূৰদৰ্শনৰ অনুস্থান সমগ্ৰ পৃথিৱীতে সম্প্ৰচাৰ হয়, আৰু ধৰ্মীয় সভা কৰিবলৈ তেওঁ চাৰিওফালে যায়। জয়চ আৰু তেওঁ স্বামী দেৰৰ চাৰিটা ডাঙৰ ল'ৰা ছোৱালীৰ পিতৃ-মাতৃ আৰু তেওঁলোক ছেন্ট লুইচ মিচেৰীত (St louis. Missouri) থাকে।

To contact the author in the United States, please write:

Joyce Meyer Ministries
P.O. Box 655,
Fenton, Missouri 63026
or call: (636) 349-0303
or log on to: www.joycemeyer.org

To contact the author in India, please write:

Joyce Meyer Ministries
Nanakramguda,
Hyderabad - 500 008
or call: 2300 6777
or log on to: www.jmmindia.org



*বি-প্ল-* ৱৃ সাধাৰণতে কৰি থকা কথাবোৰৰ পৰা ইঠাতে সম্পূৰ্ণ মৌলিক সলনি।

*বিপ্লৱ।* এই শব্দটোৱে নিজেই আশা আৰু গভীৰ অনুৰাগ প্ৰজ্বলিত কৰে আৰু মানুহৰ শব্দকোষত থকাৰ দৰে একনিষ্ঠ প্ৰেমত অনুপ্ৰাণিত কৰে। সকু দলৰ মানুহ যি সকলে আগৰ দৰে জীয়াই থাকিব্বলৈ ইচ্ছা নকৰে তেওঁলোকৰ ভাবমূৰ্ত্তি ঈশ্বৰৰ নামত সলনি হয়।

"এতিয়া পৃথিৱীৰ কাৰণে আন এটা বিপ্লৱৰ সময় বুলি মই বিশ্বাসকৰো।" সকলো বিপ্লৱত কৈ ডাঙৰ বিপ্লৱ জয়চ মায়াৰে কৈছে। "আমাক ৰাজনীতি, অৰ্থনীতি বা প্ৰযুক্তিবিদ্যাৰ বাবে বিপ্লৱ নালাগে, আমাক প্ৰেমৰ বিপ্লৱ লাগে।"

আপুনি যিখন কিতাপ ধৰি আছে সেইখন ভয়াবহ আৰু বিপ্লৱৰ সংক্ষিপ্ত গ্ৰন্থ। এই কিতাপখন কাৰ্যৰ কাৰণে মাত্ৰ আহ্বান কৰা নহয়, বৰ্তমানৰ কাৰণে আহ্বান ... বন্ধুৰ প্ৰয়োজনত যি মানুহে সহায় আগবঢ়াই অচিনাকীৰ প্ৰয়োজনত যি সহায় কৰে ... যি দেহে-কেহে কাৰ্য কৰিবলৈ অভ্যাস কৰে।

জয়চ মায়াৰে স্পষ্টভাবে দেখুৱাইছে যে যদি আমি নিজৰ কাৰণে জীয়াই থাকো আমি কেতিয়াও সুখী নহম। বাইবেলে শিকাইছে যে আমি নিজকে ত্যাগ কৰাৰ কাৰণেই অকল নহয় আমি যি দিছো তাৰ কাৰণেই পাইছো সেইটোও নহয় কিন্তু তাৰো ওপৰেঞ্চি আৰু আশীৰ্বাদ আমি পাওঁ।

অধ্যায়বোৰত হিল চঙৰ ডাৰলিন জেচ্চ, দেলিৰিয়াচৰ মাৰ্টিন স্মিথ, পালক পৌল চেকনলন আৰু টমী ৰাবণ্টে আৰু জন মেক্স বেৰেল লিখক হিচাপে। আলহী অংশগ্ৰহণ কৰিছে। প্ৰেমৰ বিপ্লৱ নতুন ভাবে জীয়াই থকাৰ থুলমূল আবাস যিয়ে আপোনাৰ জীৱন আৰু পৃথিৱী সলনি কৰিব পাৰে।

# বিপ্লৱ

করুণা **মই ধৰি ৰাখিম** আৰু মোৰ আপত্তি কৰা
স্বভাৱ **ত্যাগ** কৰিম।
অন্যায়ৰ বিৰুদ্ধে **থিয় হ'ম।**
আৰু ঈশ্বৰৰ প্ৰেম সাধাৰণ কাৰ্য্যৰ মাজেৰে কৰিবলৈ
**সঙ্কল্পবদ্ধ।** একো নকৰাকৈ মই
**নাথাকো।** এইয়াই মোৰ সঙ্কল্প

**ময়ে প্ৰেমৰ বিপ্লৱী।**

JOYCE MEYER
MINISTRIES
Nanakramguda, Hyderabad - 500 008